# সংস্কৃতি-বিচিত্ৰা

সঙ্কলন আৰু সম্পাদনা

ড° নমিতা ডেকা

বীণা লাইব্ৰেৰী
গুৱাহাটী-৭৮১০০১

SANSKRITI-VICHITRA, a collection and compilation of a few essays written on cultural aspects of different ethnic groups of Assam edited by Dr. Namita Deka, Published by Shri Santiranjan Dey, M/s. Bina Library, Guwahati-781001, First edition, 1990, Price Rs. 35·00 only.

প্ৰকাশক :

শ্ৰীশান্তিৰঞ্জন দে

বীণা লাইব্ৰেৰী

কটন হোষ্টেল ৰোড, গুৱাহাটী-৭৮১০০১

প্ৰথম প্ৰকাশ :

১৯৯০

মূল্য : পঁয়ত্ৰিশ টকা

বেটুপাত : শ্ৰীত্ৰৈলোক্য দত্ত

মুদ্ৰাকৰ :

শ্ৰীৰাধাৰমণ বহাক

শ্ৰীকান্ত প্ৰেছ

৭৫ বৈঠকখানা ৰোড

কলিকতা-৭০০০০৯

# সম্পাদিকাৰ দুআষাৰ

২৫ নবেম্বৰ, ১৯৮৮ চন। সেইদিনটো মোৰ বাবে চিৰস্মৰণীয়। সেইদিনাই মই সংকলন কৰা আৰু ড° লীলা গগৈ চাৰে সম্পাদনা কৰা 'ৰবীন্দ্ৰনাথ ঠাকুৰ : কবি আৰু কবিপ্ৰতিভা' নামৰ পুথিখন প্ৰকাশ হৈ ওলায়। অসমৰ ভালে কেইগৰাকী প্ৰথিতযশা সাহিত্যিক আৰু সমালোচকে পুথিখনৰ প্ৰশংসা কৰা দেখি স্বাভাৱিকতে অনুপ্ৰাণিত হৈ অসমৰ বিচিত্ৰ সংস্কৃতিৰ বিষয়ে লিখা কেইটামান প্ৰবন্ধ যুক্ত কৰি এখনি পুথি সম্পাদনা কৰিবলৈ উৎসাহ, অনুপ্ৰেৰণা লাভ কৰোঁ। তাৰেই পৰিণতি হ'ল 'সংস্কৃতি-বিচিত্ৰা'। অসমৰ চাৰিওফালে অনেক জনজাতিয়ে নিজা নিজা সংস্কৃতি পৰম্পৰা আৰু ঐতিহ্যৰে বসবাস কৰি আহিছে। তেওঁলোকৰ সাংস্কৃতিক বৈচিত্ৰ্যই অসমৰ সাংস্কৃতিক ঐক্য সম্ভৱ কৰি তুলিছে। এই পুথিখনি সংকলন কৰিবলৈ যিসকল লোকৰ ৰচনা সন্নিবিষ্ট কৰিবলৈ আন্তৰিক অনুমতি লাভ কৰিছোঁ, সকলোটিলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

পুথিখনি সম্পাদনা কৰোঁতে দিহা-পৰামৰ্শ আগবঢ়াই সহায় কৰিছে ড° লীলা গগৈ চাৰে। চাৰলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। তদুপৰি অশীৰ ব্যস্ততাৰ মাজতো ইটো সিটো কামেৰে আৰু মোৰ সাংসাৰিক ব্যস্ততাৰ মাজত অনুপ্ৰেৰণা তথা উৎসাহেৰে মোৰ স্বামী শ্ৰীযুত তৰুণচন্দ্ৰ তেলাই মোক ঋণী কৰিছে; আন্তৰিক কৃতজ্ঞতা জনালোঁ। পুথিখনিৰ প্ৰকাশনৰ দায়িত্ব বহন কৰি মোক সহায় কৰিছে গুৱাহাটীৰ খ্যাতনামা পুথি প্ৰকাশন-প্ৰতিষ্ঠান বীণা লাইব্ৰেৰীয়ে। প্ৰতিষ্ঠানটিলৈ আগবঢ়ালোঁ শলাগৰ শৰাই। পুথিখনি সংকলনৰ ক্ষেত্ৰত ভালেমান-জন মানুহৰ ওচৰত সহায়ৰ হাত পাতিবলগীয়া হৈছিল। তেখেতসকললৈ সন্মান আৰু কৃতজ্ঞতা জনাইছোঁ।

'সাংস্কৃতিকী' (১ম খণ্ড) নামৰ গ্ৰন্থত ড° সুনীতিকুমাৰ চট্টোপাধ্যায় দেৱে সংস্কৃতিৰ বিষয়ে যিখিনি বক্তব্য দাঙি ধৰিছে, 'আগকথা' শিৰোনামত সেই

প্ৰবন্ধটিৰ কিছু অংশ অনুবাদ কৰি সন্নিৱিষ্ট কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। স্বৰ্গীয় চট্টোপাধ্যায় দেৱৰ স্বৰ্গগত আত্মালৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ ৰচনা সন্নিৱিষ্ট কৰাৰ হাবিয়াস আছিল যদিও অনুমতি নোপোৱাত খেদ ৰৈ গ'ল।

পুথিখনে পাঠক সমাজৰ সমাদৰ লাভ কৰিলেই আমাৰ শ্ৰম সাৰ্থক হ'ব।

[illegible]
গুৱাহাটী-৭৮১০০৭ ড° নমিতা ডেকা

# আগকথা

মূল ৰচনা : ড° সুনীতিকুমাৰ চট্টোপাধ্যায়

'সংস্কৃতি' শব্দটিৰ প্ৰচলন আজিকালি ব্যাপক হৈ উঠিছে। উঠি অহা যুৱকসমাজৰ মাজত বিভিন্ন সংস্কৃতি-সন্মিলন, সংস্কৃতিসভাৰ জনপ্ৰিয়তা বাঢ়িছে। 'সংস্কৃতি' বুলিলে কি বুজা উচিত, সেই সম্বন্ধে হয়তো সকলোৰে স্পষ্ট ধাৰণা নাই; কিন্তু এটা ওপৰুৱা ধাৰণা সকলোৰেই আছে যে সাহিত্য-সঙ্গীত-ৰূপ-কলা-নাটক এই সকলোবোৰেই সংস্কৃতিৰ অন্তৰ্ভুক্ত। বঙ্গদেশ বা বঙ্গালীসকলৰ মাজত আৰু বঙ্গৰ বাহিৰেও বহুতো অবঙ্গালীৰ মাজত এটা এই ধৰণৰ বিশ্বাসে খোপনি পুতি লৈছে যে ৰবীন্দ্ৰনাথৰ শান্তিনিকেতন আৰু বিশ্বভাৰতীতে আধুনিক ভাৰতবৰ্ষৰ সংস্কৃতিৰ লক্ষণীয় ৰূপ সন্নিবিষ্ট হৈছে। কিন্তু 'সংস্কৃতি' শব্দটি আৰু তাৰ আনুষঙ্গিক ভাৱৰাজি বিশ, পঁচিশ বা ত্ৰিশ বছৰ আগতে ইমান জনপ্ৰিয় হৈ উঠা নাছিল। কোনো জাতিৰ মাজত জাতীয় ভাষাৰ কোনো এটি বিশেষ শব্দৰ জনপ্ৰিয়তা কোনো বিশেষ যুগত বেছিকৈ দেখা যায়। ভাৱ বা বস্তুটি অপৰিবৰ্তিত হৈ ৰ'ল, কিন্তু তাৰ প্ৰকাশক শব্দটি সলনি হৈ গ'ল—এইটো অনেক সময়তে ঘটি থাকে। শব্দৰ fashionableness অৰ্থাৎ শব্দ সম্বন্ধে জন-ৰুচি, পৰিৱেশগত ৰুচিৰ নিচিনাকৈ অনেক সময়তে নিতান্তই খামখেয়ালি ঘটা দেখা যায়।

মানুহৰ সভ্যতা সৰ্বাঙ্গীন উৎকৰ্ষ লাভৰ কথা আলোচনা কৰি আমাৰ জ্ঞান আৰু বোধ শক্তি যিমানেই বাঢ়িবলৈ ধৰিলে সিমানেই এই সম্বন্ধে সূক্ষ্মভাৱে দৃষ্টিপাত কৰাৰ আৱশ্যকতাই দেখা দিলে আৰু দেখা দিলে নতুন শব্দৰ প্ৰয়োজনীয়তাই। পাৰ্থিব বা ভৌতিক সভ্যতা বহু জাতি বা জনগণৰ মাজত আছেই; কিন্তু আমি ক্ৰমে উপলব্ধি কৰিব পাৰিলোঁ যে ঘৰ-বাৰী, যন্ত্ৰ-পাতি, সমাজৰ জীৱন-ৰীতি আদিৰ বাহিৰেও জাতিৰ জীৱনত আৰু এটা বস্তু নিহিত হৈ থাকে, যিটো বাহ্য সভ্যতাৰ অন্তৰালত প্ৰতিষ্ঠিত হয়। সেই বস্তুটো এফালে বাহ্যিক সভ্যতাৰ অন্তৰৰ প্ৰাণ বা অন্তঃপ্ৰেৰণা, আনফালে তাৰ বাহ্য সভ্যতাৰ প্ৰকাশ। সভ্যতাৰ অন্তৰৰ অথচ তাৰ বহিঃপ্ৰকাশিত এই অভিব্যক্তি বস্তুটিৰ নামকৰণ ইংৰাজী প্ৰভৃতি আধুনিক ইউৰোপীয় ভাষাত হৈছে 'Culture' (জাৰ্মান ভাষাত 'Kultur', কুলটুৰ)। বীজৰ পৰা গছ, গছৰ পৰা ফুল আৰু ফল, আকৌ ফলৰ

পৰা বীজ আৰু তাৰপৰা পুনৰ গছ; বিভিন্ন গছৰ ভিতৰত এই কাৰ্য্য বা পৰিক্ৰম চলি আহিছে। যদি এজোপা বিশাল আৰু ক্ৰমবৰ্দ্ধিষ্ণু বৃক্ষৰ ভিতৰত এই পৰিক্ৰম কাৰ্য্যকৰী হয়, তেতিয়াহলে কোনো সমাজৰ গতিশীল সভ্যতা আৰু সংস্কৃতিৰ লগতে উপমাৰ বস্তু পোৱা যায়। আমি মোটামুটি ভাৱে ক'ব পাৰোঁ, একেধাৰে সভ্যতা-তৰুৰ পুষ্প আৰু তাৰ আভ্যন্তৰ প্ৰাণ বা মানসিক অনুপ্ৰেৰণা যি, সিয়েই হৈছে 'Culture'। অৱশ্যে একেধাৰে সৰ্বজন স্বীকৃত পাৰিভাষিক শব্দৰূপে 'Civilization' বা সভ্যতা আৰু 'Culture' শব্দ দুটি সকলোৱে সকলো সময়তে একেধৰণৰ ভাৱ প্ৰকাশত ব্যৱহাৰ কৰা নাই। কিন্তু যেতিয়া কোনো এটা জাতিৰ বাহ্যিক সভ্যতা দেখি যেনেদৰে জাতিটোক সম্পূৰ্ণৰূপে চিনিব পাৰি, তেতিয়া তাৰ আভ্যন্তৰীণ সভ্যতাৰ বিচাৰ কৰা হয়। তেতিয়া জাতিটোৰ মানসিক আৰু আধ্যাত্মিক দৃষ্টিভঙ্গী বা বিচাৰ উপলব্ধি তাৰ বাহ্য সাধন আৰু প্ৰকাশ, দৰ্শন, সাহিত্য, শিল্প, সঙ্গীত, মানসিক, প্ৰবৃত্তি আৰু তাৰ অন্তঃচেতনা, নৈতিক আদৰ্শ আৰু তেনে প্ৰকাশক সহজ ক্ৰিয়া আৰু কৃত্ৰিম পৰিপাটি এই সকলোবোৰ কথাই আহি পৰে। এই আটাইবোৰকে বাহ্য সভ্যতা নকৈ আন এটি সংজ্ঞা দিবৰ ইচ্ছা হয়। এই সংজ্ঞাটি ইউৰোপত 'Culture' শব্দৰূপে দেখা দিছে।

এই 'Culture' শব্দৰ মূল হ'ল লেটিনৰ 'Cultura' (কুলতুৰা) শব্দটি। Cultura শব্দটি 'কোল্' ধাতুৰ পৰা উৎপত্তি হৈছে; ইয়াৰ অৰ্থ হ'ল খেতি কৰা। কেতিয়াবা পূজা কৰা আৰু যত্ন কৰাও বুজায়। 'Culture'ৰ অনুৰূপ প্ৰতিশব্দ 'উৎকৰ্ষ-সাধন' বা 'উৎকৰ্ষ' এই দুয়োটাই প্ৰচলিত হ'ব পাৰে। চষা অৰ্থাৎ নাঙল চষা বা খেতি কৰা অৰ্থত 'কৃষ' ধাতুৰ পৰা সৃষ্টি হোৱা কৃষ্টি শব্দটোকে অৰ্থৰ মিলৰ পৰা Culture ৰ প্ৰতিশব্দ হিচাপে অধিক গ্ৰহণীয়। বঙলা ভাষাত অন্ততঃ যোৱা ত্ৰিশ বছৰৰ ভিতৰত ইয়াক ব্যৱহাৰ কৰা হৈছে। বঙ্কিমচন্দ্ৰই Culture ৰ অৰ্থ প্ৰকাশক হিচাবে 'অনুশীলন' শব্দটি ব্যৱহাৰ কৰিছিল। ৰবীন্দ্ৰনাথেও "কৃষ্টি" শব্দটিকে সভাসঙ্গতিক ভাৱে গ্ৰহণ কৰি আছিল। বৈদিক আৰু সংস্কৃত সাহিত্যত 'কৃষ্টি'ৰ যি অৰ্থগত পৰিবৰ্তন দেখা যায়, তাৰপৰা কিন্তু বঙলাত গৃহীত ইয়াৰ Culture অৰ্থ সমৰ্থিত নহয়। 'কৃষ্টি'ৰ মূলগত অৰ্থ কৰ্ষণ কাৰ্য্য, তাৰপৰা খেতি কৰা পথাৰ, আকাৰা পথাৰ, মাটি দেশ আৰু তাৰপিছত দেশৰ মানুহ জাতিক বুজোৱা হ'ল। বৈদিক ভাষাত কৃষ্টি মানে জাতি; যেনে:

‘পঞ্চকৃষ্টয়ঃ’। অৰ্থাৎ পাঁচজাতি। পোণপ্ৰথমে আৰ্য্যজাতিৰ পাঁচটি প্ৰধান শাখা— অনু, দ্ৰুহ্য, তুৰ্বশ, যদু আৰু পুৰুবংশীয়সকলক বুজাবলৈ ‘পঞ্চকৃষ্টয়ঃ’ শব্দটি ব্যৱহৃত হৈছিল। পিছত সমগ্ৰ মানৱজাতিক বুজাবলৈ শব্দটিৰ অৰ্থ-প্ৰসাৰ ঘটে। সংস্কৃততো যেতিয়াবা অৰ্থতে কৃষ্টি শব্দ ব্যৱহাৰ হৈছিল। সেইকাৰণে ৰবীন্দ্ৰনাথে কৃষ্টি শব্দটো সম্বন্ধে কিছু অস্বস্তি প্ৰকাশ কৰিছিল।

‘সংস্কৃতি’ শব্দটি Culture ৰ প্ৰতিশব্দ হিচাপে পাই কবি ৰবীন্দ্ৰনাথ বৰ আনন্দিত হৈছিল। এই শব্দটি এতিয়াৰে পৰা ২৫ বছৰ আগতে বঙলা ভাষাত কোনোবাই ব্যৱহাৰ কৰিছিল নে নাই জনা নাযায়। অৱশ্যে ‘সংস্কাৰ’ শব্দটি পোৱা যায়। কিন্তু Culture ৰ প্ৰতিশব্দ ৰূপে নহয়। কিছুমান সামাজিক ধৰ্মীয় অনুষ্ঠান (যেনে: বিবাহ সংস্কাৰ) আৰু বংশৰ ধাৰা অনুসাৰে পাই অহা বোধ বা বিচাৰৰ অৰ্থত শব্দটি ৰূঢ় হৈ গৈছে। ‘সংস্কৃত’ শব্দটি মূলতঃ শুদ্ধ বা উন্নত অৰ্থত ব্যৱহৃত হৈ থাকিলেও সংস্কৃত ভাষাক বুজোৱা অৰ্থতো সুপ্ৰচলিত। ‘সংস্কৃতি’ শব্দটো মই প্ৰথমে ১৯২২ চনত Culture বা Civilization ৰ অৰ্থত ব্যৱহৃত হোৱা দেখিবলৈ পাওঁ পেৰিচত থকা মোৰ এজন মাৰাঠী বন্ধুৰ পৰা। Culture ৰ ভাল প্ৰতিশব্দ হিচাপে শব্দটি মোৰ মনঃপূত হৈছিল। প্ৰতিশব্দটিৰ বাবে মোক আনন্দিত হোৱা দেখি মোৰ বন্ধুজনে বিস্ময় ব্যক্ত ক'লে যে তেওঁ বহুদিন ধৰি মাৰাঠী ভাষাত এই শব্দটি ব্যৱহাৰ কৰি আছিছে।

১৯২২ চনত দেশলৈ উভতি আহি ৰবীন্দ্ৰনাথৰ লগত এই বিষয়ে আলোচনা কৰোঁ। ‘সংস্কৃতি’ শব্দটোৰ প্ৰতি তেওঁৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। তেওঁ আগতে শব্দটো জানিছিল নে নাই ক'ব নোৱাৰোঁ। কিন্তু সম্ভৱতঃ শব্দটি তেওঁৰ অবিদিত নাছিল। কিন্তু মোৰ ভালকৈ মনত আছে, তেওঁ ‘কৃষ্টি’ শব্দটি আৰু ব্যৱহাৰ কৰা উচিত নহ'ব বুলি কৈ Culture ৰ প্ৰতিশব্দ ৰূপে ‘সংস্কৃতি’ শব্দটিত অনুমোদন জনাইছিল। ‘সংস্কৃতি’ শব্দটো ঋকবেদত নাই কিন্তু ব্ৰাহ্মণ গ্ৰন্থত আছে আৰু এইবিষয়ে ঐতৰেয় ব্ৰাহ্মণৰ পৰা উদ্ধৃত এটি অতি সুন্দৰ উক্তিৰ প্ৰতি শান্তিনিকেতনৰ অধ্যাপক শ্ৰীযুক্ত ক্ষিতিমোহন সেন মহাশয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰে। শিল্পকৃতি সম্বন্ধীয় উক্তিটো হ'ল, "ওঁ শিল্পানি শংসন্তি দেব-শিল্পানি। এতেষাং বৈ দেবশিল্পানাম্ অনুকৃতীহ শিল্পম্ অধিগম্যতে - হস্তী, কংসো, বাসো, হিৰণ্যম্, অশ্বতৰীৰথঃ শিল্পম্।—আত্মসংস্কৃতিৰ্বাব শিল্পানি, ছন্দোময়ং বা এতৈৰ্যজমান আত্মানং সংস্কুৰুতে।"

"(পাৰ্থিৱ) শিল্পসমূহে দেৱশিল্প বা স্বৰ্গীয় শিল্পসমূহকেই প্ৰশংসা কৰে। এই সকলো (অৰ্থাৎ দেৱশিল্পৰ) অনুকৃতিকেই এই পৃথিৱীত শিল্পৰূপে ধৰা হয়। শিল্প-দ্ৰব্য কেনে ধৰণৰ? হাতীৰ দাঁতৰ কাম, কাঁহ বা ধাতুৰপাত্ৰ, বিভিন্ন প্ৰকাৰৰ বস্ত্ৰ, সোণৰ অলঙ্কাৰাদি, অশ্বতৰীযুক্ত ৰথ আদি। এই শিল্পসমূহ হৈছে আত্মাৰ সংস্কৃতি। এইবোৰৰ দ্বাৰাই যজমানে (সাধাৰণ গৃহস্থই) নিজকে ছন্দোময় কৰে।"

Civilization বা সভ্যতা হৈছে (বিশেষকৈ তাৰ বহিৰঙ্গ বা পাৰ্থিৱ দিশত) মূখ্যতঃ জনসমাজৰ বস্তু—নগৰৰ বস্তু। মানুহৰ লগত মানুহৰ মিলা-প্ৰীতি নহ'লে বুদ্ধিৰ বিচাৰ আৰু উদ্ভাৱনী শক্তিৰ বিকাশ সম্ভৱপৰ নহয়। অৱশ্যে গভীৰ অনুভূতি বা উপলব্ধিৰ কাৰণে মানুহে কৃত্ৰিম নাগৰিক আবেষ্টনী অতিক্ৰম কৰি প্ৰকৃতিৰ গ্ৰাম্য, অৰণ্য বা পাৰ্বত্য আবেষ্টনীৰ আশ্ৰয় ল'ব লগা হয়। ভাৰতবৰ্ষৰ গভীৰতম উপলব্ধি ঘটিছিল তপোবনত, নগৰৰ পৰা দূৰৈত অৱস্থিত আশ্ৰমত। কিন্তু ভাৰতৰ সভ্যতাৰ, পাৰ্থিৱ উৎকৰ্ষৰ ক্ষেত্ৰ নগৰেই আছিল। চহৰৰ বস্তু বুলিয়ে উদ্ভাৱনী সভ্যতাক যি নামত ইউৰোপত অভিহিত কৰা হয়, তাৰ মূলতে আছে লেটিন ভাষাৰ Civis শব্দটি। ইয়াৰ অৰ্থ নগৰ। লেটিন 'Urbs' শব্দৰ অৰ্থও নগৰ। তাৰপৰাই Urban শব্দ হয়, যাৰ অৰ্থ হ'ল 'নাগৰিক, উন্নত, ভদ্ৰ, সংস্কৃতিযুক্ত।' আৰবসকলৰ মাজতো চহৰৰ লগতে সভ্যতাৰ অবিচ্ছেদ্য বন্ধন স্বীকাৰ কৰা হয়। সেয়ে যি 'মদীনা' অৰ্থাৎ নগৰৰ লগতে সংযুক্ত, সেয়ে হৈছে 'তমদ্দুন' বা সভ্যতা। নাগৰিকতা শব্দটি সংস্কৃতত ব্যৱহৃত হয়। শব্দটি যথেষ্ট উপযোগী আছিল কিন্তু 'নাগৰ' শব্দটো বঙলাত 'নাগৰিকতা'ৰ অৰ্থৰ অৱনতি ঘটিছে। 'সভা'ৰ লগতে যি জড়িত, 'সভা'ৰ পৰাই অৰ্থাৎ মানুহৰ লগ মনৰ পৰা, একতাৰ পৰা যাৰ উৎপত্তি, তাকেই আমি সভ্যতা বোলোঁ।

যুগে যুগে elemental অৰ্থাৎ মৌলিক ভাবকে প্ৰকাশ কৰিবলৈ যি বিভিন্ন শব্দ জনপ্ৰিয় হৈ থাকে, নতুন আৰু পুৰণা নানা ভাবৰ কাৰণে কিভাবে শব্দ ভাষাত প্ৰযুক্ত হৈ থাকে, সেই সম্বন্ধে আৰু Civilization আৰু culture ৰ কল্পনা প্ৰতিশব্দ সম্বন্ধে ইমান সময়ে মই বহুতো অপ্ৰাসঙ্গিক প্ৰসঙ্গ কৰিলোঁ। আজি-কালি বাটে-ঘাটে, বজাৰে সকলোতে যি শব্দ প্ৰচলিত হৈছে, সেই সংস্কৃতি শব্দটি সম্বন্ধে তাৰ অন্তৰ্নিহিত ভাব সম্বন্ধেও দুই-এটা কথা ক'লোঁ। এইবাৰ বিশেষকৈ ভাৰতৰ সংস্কৃতি সম্বন্ধে কিছু নিবেদন কৰি মোৰ আলোচনাৰ উপসংহাৰ কৰিম।

ভাৰতৰ বাহ্য বা পাৰ্থিব সভ্যতা এটা গুৰুত্বপূৰ্ণ বস্তু। ভাৰতৰ এই Civilization যে কিমান শ্ৰেষ্ঠ আৰু প্ৰাচীন আৰু মধ্যযুগৰ Civilization-তকৈও যে কম নহয়, সেই কথা সৰ্বসম্মত। প্ৰকৃততে এই পাৰ্থিব সভ্যতা আন পাঁচখন দেশৰ পাৰ্থিব সভ্যতাৰ সমপৰ্য্যায়ৰ বস্তু। ভাৰতৰ জ্ঞান-বিজ্ঞান, ভাস্কৰ্য্য, চিত্ৰবিদ্যা আৰু নানা হস্তশিল্প, দৰ্শন, আৰু ধৰ্ম, সাহিত্য এই সকলোবোৰেই আছে। কিন্তু ইয়াৰ প্ৰাণ কত? ভাৰত-সভ্যতা-বৃক্ষৰ সংস্কৃতি পুষ্পৰ কেনেকৈ বিকাশ ঘটিছে সেইটোও এটা প্ৰণিধানৰ বিষয়।

ভাৰতৰ সভ্যতাৰ বৈশিষ্ট্য, সংস্কৃতি, মোৰ বোধেৰে কিছুমান ভাৱপুঞ্জ যিবোৰ একেধাৰে ভাৰতৰ বাহ্য সভ্যতাৰ অন্তঃপ্ৰেৰণা ৰূপে আৰু তাৰ প্ৰকাশ ৰূপেও বিদ্যমান। এই ভাৱপুঞ্জই ভাৰতৰ জনসাধাৰণৰ ইতিহাসৰ আধাৰত পুঞ্জীভূত হৈছে। নানা জাতিৰ সন্মিলন আৰু সংমিশ্ৰণৰ ফলত ভাৰতীয় জাতি গঢ়ি উঠিছে। এইবোৰ জাতিৰ ভাষা আৰু সভ্যতা, এওঁলোকৰ সংস্কৃতি, ঐতিহ্য মূলতে পৃথক আছিল। কিন্তু অষ্ট্ৰিক-ভাষী, দ্ৰাবিড়-ভাষী আৰু ভোট-চীন ভাষীৰ বিভিন্ন সংস্কৃতিৰ জনসাধাৰণে আৰ্য্যভাষা গ্ৰহণ কৰি আৰ্য্যভাষীসকলৰ লগত মিলি উত্তৰভাৰতৰ প্ৰাচীন হিন্দুজাতিত পৰিণত হ'ল। আৰ্য্যভাষীসকল প্ৰথমৰ পৰাই অপৰাজেয় হৈ আছে; বিজেতাৰ দৰ্প আৰু দম্ভ আৰ্য্যভাষীসকলৰ মাজত বহুদিনৰ পৰাই যে আছিল তাৰ প্ৰমাণ আছে। কিন্তু শেষত যেতিয়া এই সকলো জাতিৰ মিশ্ৰণ ঘটিল, তেতিয়া এইসকলৰ নিজা নিজা জাতীয়তা আৰু সত্তা সম্বন্ধে যি ধাৰণা আছিল আৰু এই ধাৰণাৰ লগে লগে যি স্বাভাৱিক অহঙ্কাৰ আছিল, তাৰ বিলোপ সাধন হ'ল—সকলোৱে এক নতুন জাতিত বিলীন হৈ গ'ল, এক বিৰাট সমন্বয়ত সকলোৱে যেন নিজা সাৰ্থকতা লাভ কৰিলে। স্বজাতি গৰ্ব আঁকুৱি ধৰি থাকিলে মিলিতভাৱে এটি নতুন মিশ্ৰ জাতিৰ সৃষ্টি হ'ব নোৱাৰে। বিভিন্ন জাতিৰ দৃষ্টিভঙ্গী, ধৰ্ম-বিচাৰ বা সিদ্ধান্ত, আচাৰ-অনুষ্ঠান—এই সকলোবোৰ আনৰ আগত তুচ্ছ কৰি দেখুওৱাৰ প্ৰবৃত্তি বৰ্জিত হোৱা সম্ভৱপৰ নহ'ল। এই কাৰণে হিন্দু সভ্যতাৰ প্ৰথমৰ পৰাই এটি সাংস্কৃতিক সুৰ প্ৰকট হৈ ৰ'ল। সেয়া হৈছে সমন্বয়। বিভিন্ন দৰ্শনত বা বিচাৰৰ যে প্ৰকৃততে এটাই লক্ষ্য সেইকথা ভাৰতীয় জাতিৰ মজ্জায় মজ্জায় প্ৰবিষ্ট হ'ল। এই পৰমসহিষ্ণুতা ভাৰতীয় সংস্কৃতিৰ আটাইতকৈ উল্লেখনীয় কথা। ভাৰতীয় উদাৰতা দেখি কেৱল নক'বা যে সকলো ধৰ্মতে বা সকলো সমাজতে সত্য আছে, তথাপি আমাৰ ধৰ্ম আৰু আমাৰ সমাজত

এই সত্যটো সম্পূৰ্ণৰূপে বিদ্যমান। ভাৰতীয়সকলে ক'ব যে বিভিন্ন ধাৰ্মিক অৱলোকন বা দৃষ্টিভঙ্গী বা দৰ্শনে, দেশ-কাল-পাত্ৰভেদে অৱস্থান্তৰীৰূপে দেখা দিছে। আৰু এইবোৰ দৰ্শনে যেতিয়ালৈকে আনৰ অধিকাৰত হস্তক্ষেপ নকৰিব, তেতিয়ালৈকে নিজৰ সাৰ্থক মহিমাৰ কাৰণে সকলোৰে শ্ৰদ্ধা পাবৰ যোগ্য হ'ব। বিভিন্ন আপাতবিৰোধী মতবাদৰ মাজৰ পৰা ঐক্য বাহিৰ কৰি সামঞ্জস্য স্থাপনৰ প্ৰচেষ্টা চিৰকাল ধৰি ভাৰতীয়সকলে কৰি আছিছে। পিতৃলোক আৰু পুনৰ্জন্ম, হোম আৰু পূজা, পিণ্ডদানত মুক্তি আৰু কৰ্মফল, জ্ঞান আৰু ভক্তি, নিষ্কাম কৰ্ম আৰু সকাম অনুষ্ঠান, সামাজিক বিভেদ আৰু সামাজিক এই সকলোবোৰেই ইয়াৰ অন্তৰ্ভুক্ত। এইবোৰৰ বিবাদৰ মাজৰ পৰা সংবাদ আৱিষ্কাৰ কৰি এক মহান মিলন-সঙ্গীত গোৱাৰ চেষ্টাই হৈছে ভাৰতীয় সংস্কৃতিৰ প্ৰথম কথা।

ইয়াৰপিছতেই ভাৰতীয় সংস্কৃতিৰ দ্বিতীয়টো উল্লেখনীয় দিশ হৈছে তত্ত্বানুসন্ধিৎসা। বিচাৰ বা অনুভূতিৰ পথত, দৃশ্যমান জীৱনৰ অন্তৰালত অৱস্থিত শাশ্বত সত্য বা সত্তাৰ অনুসন্ধান আৰু জীৱনত তাৰ উপলব্ধি—এয়াই হৈছে মানুহৰ প্ৰধান কাৰ্য্য। যদি বিচাৰৰ পথেৰে আগুৱাই কোনোবাই নাস্তিক ভাৱত উপনীত হয়গৈ, তাত দুঃখ নাই—নাস্তিকৰ সিদ্ধান্তকো উকৱাই দিয়াৰ অধিকাৰ আমাৰ নাই; তেনেজনক জোৰকৈ আস্তিক ভাৱলৈ অনাৰ চেষ্টাও অবৈধ। প্ৰাচীন ভাৰতৰ আৰ্য্য আৰু বিভিন্ন প্ৰকাৰৰ অনাৰ্য্য, বিশেষকৈ দ্ৰাবিড় আৰু অষ্ট্ৰিকভাষী অনাৰ্য্য—এওঁলোকৰ শ্ৰেষ্ঠ আদৰ্শসমূহৰ সমবায়ৰ ফল হৈছে প্ৰাচীন ভাৰতীয় সংস্কৃতি। ব্ৰাহ্মণৰ দ্বাৰা যিটো প্ৰাৰ্থনা সৰ্বশ্ৰেষ্ঠ প্ৰাৰ্থনাৰূপে গৃহীত হৈছে, সেইটো হৈছে গায়ত্ৰী মন্ত্ৰৰ প্ৰাৰ্থনা: এই প্ৰাৰ্থনাত আমি দুটা অংশ পাওঁ—এটাত আছে জগতপ্ৰসৱৰ, স্ৰষ্টাৰ অনুধ্যান ('তৎসবিতুৰ্বৰেণ্যং ভৰ্গোদেৱস্য ধীমহি'—সৃষ্টিকৰ্তাৰ সেই বৰণীয় তেজ আমি ধ্যান কৰোঁ।) আৰু আনটোত এয়েই প্ৰাৰ্থনা যাতে আমাৰ জীৱনত বুদ্ধিবৃত্তি যেন ভগৱানৰ দ্বাৰায় পৰিচালিত হয়, আমি যেন বিধি প্ৰদত্ত বুদ্ধিৰেই সকলো কাম কৰি যাব পাৰোঁ। ('ধিয়ো যো নঃ প্ৰচোদয়াৎ'—যেওঁ আমাৰ ধীসমূহক পৰিচালিত কৰক)। এই জ্ঞানৰ প্ৰতি নিষ্ঠা বা আকৰ্ষণ থকা বাবেও মূৰ্খতা, গোড়ামি, নানা অন্ধবিশ্বাসে নানাভাৱে নানাসময়ত ভাৰতীয় জাতিক বিপন্ন কৰি তুলিলেও সেইসকলোবোৰ এৰাই চলাৰ শক্তি ভাৰতীয় জাতিয়ে তাৰ সংস্কৃতিৰ দ্বিতীয়টো উল্লেখযোগ্য কথা তত্ত্বানুসন্ধিৎসাৰ পৰা লাভ কৰিছে।

'অহিংসা' হৈছে ভাৰতীয় সংস্কৃতিৰ তৃতীয় উল্লেখনীয় কথা। এই অহিংসাই কেৱল প্ৰাণীহত্যাৰ পৰা বিৰত থাকি তেজপীয়াক মাহুৰে ৰক্তপান কৰোৱাটো বুজোৱা। শব্দটিৰ অন্তৰালত-নিহিত হৈ আছে 'কৰুণা' অৰ্থাৎ সকলো প্ৰাণীৰ প্ৰতি দাৰ্শনিকৰ দৃষ্টিত প্ৰতিফলিত হোৱা মৰম আৰু আছে 'মৈত্ৰী' অৰ্থাৎ সকলোকে মিত্ৰভাৱত চাই তেওঁলোকৰ মঙ্গল-সাধন কৰাৰ চেষ্টা। এই অহিংসা কেৱল Vegetable world বা উদ্ভিদ জগতৰ উপযোগী নিষ্ক্ৰিয় অথবা আনৰ দ্বাৰা পৰিচালিত বস্তু নহয়। ইয়াৰ অন্তৰালত আছে ন্যায়-দৃষ্টি আৰু সহানুভূতি আ'ৰু ন্যায়দৃষ্টি আছে কাৰণেই অহিংসাৰ পৰত যুক্তি গ্ৰহণ কৰাতো ক্ষেত্ৰ বিশেষে বাধা নাই।

ভাৰতীয় সংস্কৃতিৰ আ'ৰু বহুতো লক্ষণ আছে। আত্মসংযম, ত্যাগ বা শাশ্বত-সত্যৰ পিনে দৃষ্টিৰাখি নশ্বৰ বস্তুজগতৰ প্ৰতি উপেক্ষা, অপ্ৰমাদ অৰ্থাৎ নিজৰ বুদ্ধিক প্ৰমত্ত নকৰা, জীৱনৰ সকলো ক্ষেত্ৰতে সত্য, শিৱ আৰু সুন্দৰৰ আবাহন, ইত্যাদি অনেক বিষয়ত এই সংস্কৃতিৰ প্ৰকাশ ঘটিছে।

সংস্কৃতি জীৱনৰ লগতে জড়িত—সেইকাৰণে ইয়াৰ চৰম ৰূপ কোনো এটা সময়ত চিৰকালৰ কাৰণে থৈ দিব পৰা নাযায়। জীৱনৰ লগে লগে সভ্যতা আৰু সংস্কৃতিও গতিশীল। ভাৰতৰ সভ্যতা আৰু সংস্কৃতিয়ে যুগে যুগে নতুন নতুন ভাব-পৰম্পৰা আত্মসাৎ কৰাৰ চেষ্টা কৰিছে আৰু সমৰ্থও হৈছে। প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিয়ে তাৰ বিশিষ্ট ৰূপ পোৱাৰ পিছত এই দেশত ইছলামী সংস্কৃতিৰ আবিৰ্ভাৱ হ'ল। এই সংস্কৃতিৰ মাজত যিটো সনাতন আৰু বিশ্বমানৱৰ গ্ৰহণযোগ্য, সেইটো হৈছে ইয়াৰ অন্তৰ্গত চুফী দৃষ্টিকোণ, চুফী আধ্যাত্মিক অনুভূতি। ইয়াক মধ্যযুগৰ ভাৰতে আদৰেৰে বৰণ কৰি ল'লে। কবীৰ নানক, দাদু প্ৰভৃতি সন্ত-সকলৰ আবিৰ্ভাৱ হ'ল, ভাৰতত চুফীসাধকসকল আহিল; কাশ্মীৰৰ জৈনুল-আবেদীনৰ নিচিনা 'ছুল্হ্-ই-কুল্' অৰ্থাৎ বিশ্বমৈত্ৰীৰ প্ৰচাৰকৰ, ৰাজকুমাৰ দাৰা শিকোহৰ নিচিনা হিন্দু আৰু মুছলমান চিন্তা-সাধনাৰ দুই মহাসাগৰৰ মিলনাকাংক্ষী মনীষীৰ প্ৰকাশ ঘটিল। ইছলামী সংস্কৃতি আৰু ভাৰতীয় সংস্কৃতি দুয়োৰে পৰস্পৰৰ লগত কেৱল বিৰোধৰে সংযোগ নহয়। আপাতদৃষ্টিত উগ্ৰ পৰমত-অসহিষ্ণুতাৰ ওচৰত নম্ৰ পৰমতসহিষ্ণুতাই যে হাৰ স্বীকাৰ কৰিব লাগিছিল তাত সন্দেহ নাই। কিন্তু কবীৰৰ পিছত দুই মনীষীৰ নিচিনা চুফী মতবাদ আৰু ভাৰতীয় ভক্তিবাদৰ সমীকৰণেই হৈছে ভাৰতত ইছলামী আৰু হিন্দু সংস্কৃতিৰ সংযোগ বা

সংস্পৰ্শৰ মূলকথা। নৱযুগৰ এই মিশ্ৰিত ভাৰতীয় সংস্কৃতি, যিটো বিশুদ্ধ হিন্দুও নহয়, বিশুদ্ধ আৰব-জাত ইছলামো নহয়, ই হৈছে ভাৰতীয় হিন্দু-ইছলামীয় সংস্কৃতি। এই মিশ্ৰিত ভাৰতীয় সংস্কৃতিত এতিয়া আকৌ আধুনিক ইউৰোপীয় সংস্কৃতিৰ স্থূল, সূক্ষ্ম, নানা ভাৱধাৰা আহি মিলিত হৈছে। নানাধৰণৰ খ্ৰীষ্টান মত আৰু সাধনা, জনসেৱা, নানা নতুন দাৰ্শনিক দৃষ্টিভঙ্গী আৰু সাহিত্যিক প্ৰকাশ, নানান নতুন শিল্প-সৃষ্টি, Socialism বা সম্পত্তি-সাম্য প্ৰভৃতি নানা সমাজ-সংস্কাৰৰ পৰিকল্পনা আৰু প্ৰযোজনা ইত্যাদি উল্লেখনীয়। আমাৰ আদৰ্শ হোৱা উচিত এক মৌলিক বিশ্বসংস্কৃতি, বিভিন্ন দেশৰ প্ৰাকৃতিক আবেষ্টনী অনুসাৰে, বিভিন্ন জাতিৰ ঐতিহ্য, ভাষা প্ৰভৃতিৰ বৈচিত্ৰ্যক আশ্ৰয় কৰি বহুৰূপী হৈ যি বিৰাজিত হ'ব আৰু পৃথিৱীৰ ভেনে মানৱজাতি বা মানৱ সমাজক ভেওঁলোকৰ সহজ, সাধাৰণ মানৱিকতাৰ প্ৰতিষ্ঠাত সম্মিলিত কৰি একত্ৰিত হ'ব।

অনুবাদ : ড° নমিতা ডেকা

—×—

# সূচীপত্ৰ


১। টাই সংস্কৃতি—ড° লীলা গগৈ ১

২। বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি—শ্ৰীভবেন নাৰ্জি ২১

৩। (ক) মিচিং সংস্কৃতিৰ পৰিচয়—শ্ৰীতৰুণচন্দ্ৰ পামেগাম ৫৩

(খ) লুইতপৰীয়া মিচিং সংস্কৃতি—ভৃগুমণি কাগয়ুং ৬০

(গ) মিচিং কৃষ্টিৰ ক্ৰমবিকাশ—শ্ৰীনমেশ্বৰ পামেগাম ৬৭

৪। মৰাণীয় সংস্কৃতি—ড° লীলা গগৈ ৭২

৫। দেউৰী সংস্কৃতিৰ পৰিচয়—ভৱকান্ত দেউৰী ৯০

৬। সোণোৱাল কছাৰীৰ সংস্কৃতি—শ্ৰীপুগন সোণোৱাল ১০৯

৭। ৰাভা সংস্কৃতিৰ ৰূপৰেখা—শ্ৰীৰাজেন ৰাভা ১১৯

৮। কাৰ্বি সংস্কৃতি—ৰংবং তেৰাং ১৩২

৯। ডিমাছা সংস্কৃতি—শ্ৰীমতী নিৰুপমা হাগজেৰ ১৪৮

১০। অসমৰ নেপালী সংস্কৃতি—শ্ৰীমনবাহাদুৰ ছেত্ৰী ১৬০

১১। অসমত ইচলামিক সংস্কৃতি—আব্‌দুচ্ ছাত্তাৰ ১৭৫

১২। গাৰো সংস্কৃতি—শ্ৰীধীৰেন্দ্ৰনাৰায়ণ মজুমদাৰ ১৯৫

১৩। তিৱা সংস্কৃতি—শ্ৰীবুদ্ধিমান ৰবটৈ ২০৭

১৪। অষ্ট্ৰিক ভাষীৰ সংস্কৃতি—ড° নমিতা ডেকা ২২৮

# বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি

—শ্ৰীভবেন নাৰ্জি

সামাজিক সম্বন্ধ—কৃষকে হালোৱা গৰু, নাঙল, যুঁৱলী, বেপাৰীয়ে লোৱা ভগা-পাল্লা, অফিচাৰে চেয়াৰ টেবুল, কলম আদিৰ ব্যৱহাৰ কৰে সেইবাবে সেইবোৰ বস্তুক সামাজিক সম্বন্ধ বুলি কোৱা নহয়। কিয়নো যিবিলাক বস্তুৰ লগত মানুহৰ ভাবৰ আদান-প্ৰদান নহয়, যাৰ লগত মানুহে নিজৰ মতামতৰ সপক্ষে বিপক্ষে আলোচনা সমালোচনা কৰি ব্যক্তিৰ ভ্ৰান্তি ভ্ৰম সংশোধনৰ সুযোগ-সুবিধা নাই; সেইবিলাক বস্তু বা জীৱৰ লগত মানুহৰ সামাজিক সম্বন্ধৰ অৰ্থ কোৱা নহয়।

মানুহে মানুহৰ লগতহে ভাবৰ আদান প্ৰদান কৰে। সেইকাৰণে মানুহৰ আৰু পৰিয়ালৰ সামাজিক সম্বন্ধ কেৱল মানুহৰ ক্ষেত্ৰতহে অৰ্থপূৰ্ণ হয়।

ব্যক্তি বা পৰিয়ালৰ সামাজিক সম্বন্ধ ৰক্ষা কৰা নীতি পণ্ডিত সকলে দুই প্ৰকাৰত ভাগ কৰিছে। প্ৰথম প্ৰকাৰ—পোনপটীয়া সংযোগ, দ্বিতীয় প্ৰকাৰ—প্ৰকাৰান্তৰে সংযোগ।

প্ৰথম প্ৰকাৰৰ সামাজিক সম্বন্ধৰ বিভাগত পৰে; যেনে:—বিবাহ, ব্যক্তি বা পৰিয়ালৰ শাৰীৰিক শ্ৰমেৰে সহায় আৰু একান্নবৰ্ত্তিতা ধৰ্মৰ নিয়ম-নীতিবোৰ।

দ্বিতীয় প্ৰকাৰটোত—গৱেষণা আৰু ধৰ্মৰ নীতিজ্ঞানৰ প্ৰচাৰকসকল।

বিবাহ:—বিবাহ মানৱ জাতিৰ সামাজিক প্ৰথা। ই ব্যক্তিৰ কাৰণে গুৰুত্বপূৰ্ণ অভিজ্ঞতা। ব্যক্তি বিবাহৰ পিচত সামাজিক হৈ পৰে। বাট পদূলিৰ দ্বাৰা মানুহে ইঘৰৰ পৰা সিঘৰলৈ অহাযোৱা কৰি মানুহৰ মাজত পাৰস্পৰিক সংগঠিত হোৱাৰ দৰে পৰিয়ালেও বিবাহ প্ৰথাৰ দ্বাৰা অইন অচিনাকি নতুন পৰিয়ালৰ লৈতে সম্বন্ধ কৰি দুয়োটা পৰিয়ালৰ ভিতৰত আপোন ভাব ওপজে যাৰ ফলত ব্যক্তি আৰু সমাজৰ মাজত সুদৃঢ় গাঁথনিৰ সৃষ্টি হয়।

মানৱ সমাজে বিবাহ প্ৰথাৰ দ্বাৰা নিজকে পশুৰ পৰা পৃথক কৰি ৰাখিছে। ই মানৱ সমাজৰ শান্তি আৰু শৃংখলাৰ অৰ্থে কল্যাণমূলক নীতি-বিধান। বিবাহ স্ত্ৰী-পুৰুষৰ মিলনৰ আনন্দদায়ক প্ৰথা মাত্ৰ নহয়, ই ব্যক্তিৰ অকলশৰীয়া জীৱনক পৰিয়ালত পৰিণত কৰে।

বিবাহিত স্বামীয়ে স্ত্ৰীৰ সুখ-শান্তি, আৰ্থিক সংস্থানৰ পূৰ্ণ দায়িত্ব বহন কৰে। স্ত্ৰীয়ো স্বামীৰ সুখ-শান্তি আৰু নিৰাপত্তাৰ বাবে গুৰু দায়িত্ব বহন কৰে। তাৰ বাহিৰেও নিজৰ পৰিয়ালক সুখ-শান্তিৰে ৰক্ষাৰ দায়িত্ব আহি পৰাত ইবোৰৰ বাবে যথোচিত কৰ্ত্তব্য কৰিবলৈ যাওঁতে বিবাহিত স্ত্ৰী-পুৰুষ উভয়ে সমাজৰ নীতি-বিধানবোৰ পালন কৰি চলিবলগীয়াত পৰে। তেতিয়াই ব্যক্তিয়ে বিবাহৰ পিচত সামাজিক হবলৈ বাধ্য হয়।

নৃতত্ত্ববিধ আৰু প্ৰত্নতত্ত্ববিদসকলে মানব জাতিৰ বিবাহ প্ৰথাক দুই ভাগত ভগাইছে। এটা মাতৃবংশীয় প্ৰথা; আনটো পিতৃবংশীয় প্ৰথা। ভাৰতত এই দুই প্ৰথাৰ বিবাহেই প্ৰচলিত আছে। আৰ্য্য আৰু দ্ৰাবিড়সকলে পিতৃবংশীয় প্ৰথাৰে বিবাহ কাৰ্য্য সমাধা কৰে। অষ্ট্ৰিক আৰু মঙ্গোলীয়সকলে মাতৃবংশীয় প্ৰথাৰে বিবাহ কাৰ্য্য সমাধা কৰে। বৰ্ত্তমান অসমত অষ্ট্ৰিক শাখাৰ খাচী জন-জাতিসকল আৰু মঙ্গোলীয় গাৰোসকলৰ মাজত মাতৃবংশীয় প্ৰথাৰে বিবাহ কাৰ্য্য সমাধা কৰা হয়।

বড়ো-কছাৰীসকলে আৰ্য্য সংস্কৃতিৰ প্ৰভাৱত পৰি পিতৃবংশীয় আৰু মাতৃ-বংশীয় এই দুই প্ৰথাৰ মাধ্যমেৰে বিবাহ কাৰ্য্য সমাধা কৰে।

আৰ্যসকলে ব্ৰাহ্ম, দৈৱ, আৰ্য্য, প্ৰাজাপত্য, আসুৰ, গান্ধৰ্ব, ৰাক্ষস, পৈশাচ, এই আঠপ্ৰকাৰ পদ্ধতিৰে বিবাহ কাৰ্য্য সমাধা কৰে। ইয়াৰ প্ৰথম চাৰি প্ৰকাৰ বৈদিক অৰ্থাৎ আৰ্য্য। বাকী চাৰি প্ৰকাৰ আসুৰিক অৰ্থাৎ অনাৰ্য্য।

বড়ো-কছাৰীসকলৰ ছয় প্ৰকাৰে বিবাহৰ কাৰ্য্য সমাধা কৰা হয়। যেনে:— ১। সমাজ সন্মতে বিবাহ ২। ঘৰ-জোঁৱাই ৰাখি দিয়া বিবাহ ৩। ছোৱালীয়ে গা-যাচি ঘৰ সোমোৱা বিবাহ (খাৱছুৱাব) ৪। ঢোকা (ঢকা) প্ৰথাৰে কৰা বিবাহ ৫। টানি লৈ পৈ বিবাহ কৰোৱা। ৬। পলুৱাই নি বিবাহ কৰোৱা।

তাৰে প্ৰথম চাৰি প্ৰকাৰ সমাজে স্বীকৃতি দিয়া প্ৰথা, বাকী দুটা অবৈধ কাৰ্য্য বুলি ধৰা হয়। বড়ো-কছাৰীৰ সমাজত শিক্ষিত হৈ আহিব ধৰাৰ লগে লগে অবৈধ বুলি বিবেচনা কৰা কামবোৰক সংস্কাৰ কৰি আহিছে। আজি-কালি বড়ো-কছাৰীৰ সমাজত টানি লৈ পৈ বিয়া কৰোৱা, পলুৱাই লৈ যোৱা, ছোৱালীয়ে নিজে গা-যাচি ল'বাৰ ঘৰত পৈ বিয়া সোমোৱা, ঢোকা সোমাই বিবাহ হোৱা প্ৰভৃতি নিয়মবোৰ কৰি আহিছে; ঠাই বিশেষে নাইকিয়া হৈছে।

ত্ৰিশ বছৰমান আগতে কামৰূপ আৰু দৰং জিলাত বড়ো-কছাৰী সকলৰ মাজত ল'ৰালৈ ছোৱালী টানি আনি বিবাহ কৰোৱাৰ বাহিৰেও ছোৱালীৰ বাবে উপযুক্ত দৰা বিচাৰি ল'ৰা টানি লৈ গৈ ছোৱালীৰ লগত বিবাহ দিয়াও দস্তুৰ আছিল। এই দস্তুৰ আজিকালি বড়ো-কছাৰী সমাজৰ পৰা লোপ পাইছে।

সমাজ দস্তুৰমতে বিবাহ :—বড়ো-কছাৰীসকলে বিবাহৰ কাৰণে দৰা আৰু কন্যাৰ ৰাশি লগ্ন আদিৰ বাবে কোনো জ্যোতিষীৰ দ্বাৰা গণনা নকৰায়। তেওঁলোকে মুখে মুখে চলি অহা প্ৰথামতে দিন বাৰ লৈ কন্যা চাবলৈ যাত্ৰা কৰে। কন্যা চাবলৈ যাত্ৰাকালীন প্ৰকৃতিৰ প্ৰতিক্ৰিয়া আৰু পশু-পক্ষীৰ দৰ্শনৰ গতত্বে যাত্ৰাৰ শুভাশুভ আৰু দম্পতীৰ ভৱিষ্যত মঙ্গল আৰু অমঙ্গল ঠাৱৰ কৰে। বড়োকছাৰীৰ মতে কন্যা চাবলৈ যোৱাৰ বাবে যাত্ৰাৰ দিন যি কোনো দিনেই হেওবাৰে শুভ বুলি ধৰি লয়।

বিবাহৰ যাত্ৰাকালীন শুভাশুভৰ লোক-বিশ্বাস :—কন্যা চাবলৈ যোৱা বাটত বা যাত্ৰাৰ সময়ত মেঘে গৰ্জিলে বেয়া। তাৰ ফল কন্যা খঙাল হব বুলি ভাবে। যাত্ৰা কৰা মানুহবোৰৰ ভিতৰত কোনো মানুহে বাওঁভৰিৰ উজুটি খালে বেয়া ফল; দৰা-কন্যাৰ বিবাহকালীন বেমেজালি হব। যাত্ৰীকালীন বাটত নেউলে সোঁফালৰ পৰা বাওঁফাললৈ সন্মুখেদি বাটা পাৰ হোৱা দেখা পালে বেয়া. ফল দৰা-কন্যাৰ বিচ্ছেদ হব। বাওঁফালৰ পৰা সোঁফাললৈ সাপে বাটা পাৰ হলেও বেয়া, দৰা কন্যাৰ বিচ্ছেদ হব।

কন্যা চাবলৈ যোৱা মানুহবোৰে বাটত মৰাশ' দেখা পালে বেয়া; ফল দৰা-কন্যা উভয়ৰ ভিতৰত কোনো একজনৰ অপমৃত্যু হব। কন্যা চাবলৈ যোৱা মানুহবোৰে কন্যাৰ ঘৰত গৈ পোৱা মাত্ৰকে কোৰেৰে মাটি কটা, দাৰে বাঁহকটা দেখা পালে অশুভ, ফল বিবাহৰ পিচত দৰাৰ বা কন্যাৰ কোনো একজনৰ অপমৃত্যু হব। কন্যা চাবলৈ যাত্ৰা কৰা দিনৰ পৰা বিবাহৰ কাৰ্য শেষ নোহোৱা পৰ্যন্ত বিবাহৰ মাঙ্গলিক কাম-কাজত বৰগা বা বিধবাক অংশ লবলৈ দিয়া নহয়, ফল বৰ কন্যাৰ অপমৃত্যু হব বুলি ঠাৱৰ কৰা হয়।

কন্যা চাবলৈ যোৱা মানুহবোৰে কন্যাৰ ঘৰ গৈ পোৱা মাত্ৰকে কন্যাজনীক পিৰাৰ চোতালত ধান মেলি দিয়া, ঢেঁকী দিয়া বা উৰালত ধান খুন্দা নাইবা ধান চপোৱা—এইবোৰৰ কামৰ ভিতৰত যিকোনো এটা কাম কৰা দেখা পালে ছোৱালীজনী লখিমী হব বুলি ঠাৱৰ কৰা হয়।

কন্যা চাবলৈ যোৱা মানুহবোৰে কন্যাৰ ঘৰৰ চোতালত থিয় হোৱা মাত্ৰকে কন্যাজনীক বৰ ঘৰত সোমাই যাওঁতে বৰ ঘৰৰ পিৰালীত প্ৰথমে বাওঁ ভৰিৰ খোজ পৰা দেখা পালে সেই কন্যাজনী গৃহ-লখিমী আৰু পতিব্ৰতা হব। ঘৰ-চোতাল সৰা, চুলি চুছা দেখা পালে ভাল, কন্যাজনী দীৰ্ঘায়ু হব। এই লোক বিশ্বাসৰ দ্বাৰা নিৰ্ণয় কৰা কন্যাৰ আচাৰ-ব্যবহাৰবোৰ দৈবাৎ ঘটা ঘটনাৰ ওপৰত হে নিৰ্ণয় কৰা হয়।

আগন্তুক কন্যা ছোৱালীজনীৰ ভবিষ্যত স্বভাৱ চৰিত্ৰৰ ভাল-বেয়া নিৰ্ণয় কৰাৰ নিয়মত জাতক শাস্ত্ৰৰ প্ৰভাৱ পৰিছে। ছোৱালীজনীৰ জন্মগত চলন-ফুৰণ কৰাত অঙ্গচালনা আৰু অঙ্গপ্ৰত্যঙ্গৰ আকাৰৰ লগত তুলনা কৰিহে ছোৱালীৰ স্বভাৱ-চৰিত্ৰ নিৰ্ণয় কৰা হয়। যেনে :—যিজনী ছোৱালীয়ে বুকু ওফোন্দাই খোজ কাঢ়ে আৰু খোজ কাঢ়ি যাওঁতে ভৰিৰ গোৰোহাৰে মাটিত শব্দ কৰি যায় সেই ছোৱালীজনীৰ দন্দুৰী স্বভাৱৰ বুলি ঠাৱৰ কৰে।

যিজনী ছোৱালীৰ বুকু ডাঙৰ, পিছৰ তপিনা (কটি-দেশ) আৰু কঁকালৰ আকাৰ সমান, বুকুৰ জোখতকৈ পিচফালৰ অৰ্থাৎ কটি-দেশ সৰু, সেই ছোৱালীজনীৰ স্বভাৱ চঞ্চলমতি। বড়ো-কছাৰীসকলৰ মাক-পিতাকসকলে নাক দীঘল, চকুৰ চেলাউৰি উজ্জ্বল, সৰু মিহি দাঁত, হাতৰ আঙুলিবোৰ মিহি, স্বাস্থ্যৱতী, প্ৰভাতৰ সূৰ্য্যৰ দৰে বগা বঙচুৰা, দীঘল আৰু ঘন ক'লা বহুত চুলি থকা ছোৱালীক বোৱাৰী পাবলৈ বিচাৰে।

ডেকাবোৰেও তেনেকুৱা ছোৱালীক বিবাহ কৰিবলৈ হাবিলাস কৰে। ছোৱালীবোৰেও ডাঙৰ, ওখ, কঁকাল সৰু, কলাফুল লোদোবা-লোদৰ সাহসী ল'ৰাকহে পতি পাবলৈ কামনা কৰে। গোৱাল পাৰা জিলাৰ উত্তৰ-পশ্চিম অঞ্চলৰ বড়ো-কছাৰীসকলৰ মাজত তেনেধৰণৰ লোকগীত পোৱা যায়।

ডেকা—মোথাংয়াও নায়বোলা থাৱায় লায় আগাই
গণ্ঠংয়াও নায়বোলো নাৰেংছু।
খানায়াও নায়বোলা দোন থাওবায়
হাথায়াও নায়বোলা আথায় মিহি,
আগাই জাবৌ আগাই কাংদাং।.......

অৰ্থ :—মুখখন দেখিবলৈ আৱনৰ পাতৰ দৰে, নাকটো দেখোঁতে যোঁৱা কাগজি টেঙাৰ কাইটৰ দৰে জোঙা, চুলি চালে চুলিৰ খোপা দোনৰ দৰে দেখি, দাঁত দেখোতে মিহি চিকুন। সোণাই-আৰী সোণাইৰ বুকু বহল........।

তাৰ বাহিৰেও নাক অলপ চেপেটা, মুখখনি গোলাকাৰ, চকুৰ চেলাউৰি উজ্জ্বল, জোপোহা চুলি ( গাৰো নী-নী নী ) অলপ চুটি ( হায়লী লী ) নবিয়হৰ তেলকলীয়া ( মাগুৰ-ছাওলীয়া, ছামজাৰী ) আদি বৰণৰ ছোৱালীবোৰকো বোৱাৰীৰ বাবে পছন্দ কৰে।

বড়ো-কছাৰী ডেকা-গাভৰুৰ অভিভাৱক বা মাকপিতাকসকলে ডেকা-গাভৰুৰ নিজৰ পছন্দমতে ল'ৰা-ছোৱালীক বিবাহ পাশত আৱদ্ধ হব নিদিছিল। বড়ো-কছাৰীৰ ডেকা-গাভৰুৰ অভিভাৱক নাইবা মাক-পিতাকৰমতে ডেকা-গাভৰুৰ দৃষ্টি হেনো ধন-খেৰৰ জুইৰ দৰে ক্ষন্তেকীয়া।

ইয়াৰ পৰা জানিব পাৰি—ডেকা-গাভৰুৰ মাক-পিতাক বা অভিভাৱকে মানৱ সভ্যতাৰ বিবাহৰ দ্বাৰা তেওঁলোকৰ মিলনৰ পিচত সিহঁতৰ পৰিয়াল বা নিজৰ পৰিয়ালৰ ভবিষ্যত সুখৰ কাৰণে কিমান সজাগ হয়। বিবাহৰ দ্বাৰা নিজৰ পৰিয়াল বা সিহঁতৰ পৰিয়ালৰ স্থায়ী সুখৰ দ্বাৰা গোটেই সমাজৰ সামাজিক নীতিজ্ঞান যাতে ৰক্ষা হয় আৰু এটা সুস্থ পৰিয়াল গঢ়িব পৰা যায় তাৰ বাবে সদায় দূৰদৃষ্টি ৰাখি চলে।

দৰাঘৰীয়াই ছোৱালী চাই পছন্দ কৰাৰ পিচত লিদিনাই ছোৱালী চাবলৈ যোৱাৰ কথা প্ৰকাশ কৰিব। প্ৰকাশ কৰিবৰ সময়ত কথা-প্ৰসঙ্গক্ৰমে ফকৰা একাকি আওৰায়।

ফকৰা,—জেৰাও থুৰি ছুয়ী বেওনী ৰাখি গাৰী।
জেৰাও জান ছুয়ী বেওনী
গয় খিথৌ গাৰী।

অৰ্থ—য'ত উলুখেৰ দেখা পায় তাতে তাৰ মাৰি পেলায়, য'ত জ'নি দেখা পায় তাতে তামোলৰ টিকা পেলায়।

উন্নত সমাজৰ মানুহৰ দৰে নাইবা শিক্ষিত পৰিয়ালৰ মানুহৰ দৰে অশিক্ষিত বড়ো-কছাৰীৰ পৰিয়ালে নিজৰ ছোৱালীক কোনো ল'ৰাৰ বাবে বিয়ালৈ ধৰিবলৈ আহিলে সহজতে সন্মতি নিদিয়ে। সেইকাৰণে ছোৱালীৰ অভিভাৱকৰ সন্মতি জানিবৰ কাৰণে গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলে দ'ৰাঘৰীয়াই ঘৰৰৰ অ'গচালৰ ওপৰত এযোৰ কপৰ খাৰ খুচি থৈ আহে। সেই খাৰ একণ্টাৰ ভিতৰত দ'ৰাঘৰীয়াক কিবাই নিদিলে ছোৱালীৰ অভিভাৱকৰ সেই ল'ৰালৈ বিবাহ দিবৰ সন্মতি আছে বুলি ধৰি লয়।

সেই খুচি খোৱা থাক তামোলৰ টিকা কটাৰ পিচতহে ঘূৰাই দিয়ে। কামৰূপ, দৰং জিলাৰ বড়ো-কছাৰীসকলে ছোৱালীৰ অভিভাৱকৰ সন্মতি জানিবৰ কাৰণে এযোৰ মদৰ বটল চালত আঁৰি থৈ আহে। এসপ্তাহৰ ভিতৰত মদৰ বটল ঘূৰাই নিদিলে সন্মতি আছে বুলি ধৰি লয় আৰু সন্মতিৰ খবৰ লবলৈ দ'ৰাঘৰীয়াই আগবাঢ়ি যায়।

এইদৰে বিবাহৰ বাবে ছোৱালীৰ অভিভাৱকৰ পৰা নিশ্চিত সন্মতি পোৱাৰ পিচত পূৰ্ব্বৰ কোনো সম্বন্ধ থাকিলে ( যদি পিতৃ-মাতৃবংশীয় নহয় ) সেই সম্বন্ধ ওভতায়। কুকুৰা চৰাইৰ মঙহ আৰু মদৰ কলহ এযোৰ দুই-এজন মানুহক খুৱাই পূৰ্ব্বৰ সম্বন্ধ ওভোতাই নতুন সম্বন্ধ লয়। সিদিনাৰ পৰা উভয় পক্ষৰ মাক-পিতাকৰ লগত বিয়াই-বিয়নী সম্বন্ধৰ আৰম্ভণি হয়।

বড়ো-কছাৰীৰ সামাজিক বিবাহৰ নিয়ম-নীতি একে হলেও গাৱেঁ প্ৰতি বেলেগ বেলেগ খেল ( সামাজিক গোষ্ঠী ) থাকে। খেলেপ্ৰতি সামাজিক আচাৰো বেলেগ বেলেগ হোৱা নিয়ম। বড়ো-কছাৰীৰ কোনো এখন খেলে আন এখন খেলৰ ছোৱালীক বোৱাৰীৰূপে আনিব খুজিলে, বিবাহলৈ ছোৱালী দিবৰ সন্মত হোৱাৰ দিনৰ পৰা সেই খেলৰ আচাৰ আৰু নিয়মবোৰ দ'ৰা-ঘৰীয়াই জানি লব লাগে। কিয়নো দ'ৰা-ঘৰীয়াই ছোৱালীৰ গাৱঁৰ খেলৰ আচাৰ আৰু নিয়মবোৰ ব্যতিক্ৰম কৰিলে দণ্ড দিবলগীয়া হয়।

কোনো ল'ৰাৰ লগত কোনো ছোৱালীৰ বিবাহৰ বাবে উভয় পক্ষৰ অভিভাৱকৰ লগত সন্মতিৰ আদান-প্ৰদান হোৱাৰ পিচত দ'ৰা চোৱাৰ নিয়ম আছে। দ'ৰা-হোৱা ল'ৰাই কন্যা হবখোজা ছোৱালীৰ ঘৰত এবাৰ দেখা দি গৈ অহা নিয়ম। কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰ আৰু নগাওঁ জিলাৰ বড়ো-কছাৰীসকলৰ মাজত আগন্তুক দ'ৰাই কন্যাৰ ঘৰলৈ গলে অৰ্থাৎ দ'ৰা হোৱাৰ নিয়মত ছোৱালীয়ে ল'ৰালৈ নিজে বোৱা ফুলাম কমাল, ফুলাম গামোচা দি সেৱা কৰি সন্মান জনোৱা নিয়ম আছে। কোনো ল'ৰাই ছোৱালীৰ ঘৰত তেনে সন্মান নেপালে তেতিয়াই ছোৱালীয়ে ল'ৰাক পচন্দ কৰা নাই বুলি ধৰি লয়। তেতিয়াই বিবাহৰ সম্বন্ধ ভাঙি দিয়া হয়।

কন্যা জোৰোণ :—কন্যা জোৰোণৰ বাবে দ'ৰা-ঘৰীয়াই কন্যাৰ ঘৰত গৈ কন্যাৰ গাৱঁৰ বাইজক তামোল-পাণ, মদ খুৱাই জোৰোণৰ কাম সমাধা কৰিব লাগে।

কন্যা জোৰোণৰ বাবে দ'ৰা-ঘৰীয়াই কন্যাৰ ঘৰত যাবৰ বেলিকা আজিৰ বড়ো-কছাৰীৰ মতে মদৰ কলহ গাক ব্ৰহ্ম ধৰ্মাৱলম্বী বড়োকছাৰীসকলে চাহৰ পাত আৰু চেনি দুটা মাটিৰ কলহত বেলেগ বেলেগকৈ ভৰাই এভাৰ কৰা হয়। দুটা কলহৰ ভিতৰত এটা কলহৰ পেটত সূৰ্য্যৰ চিহ্ন আৰু আনটোত চন্দ্ৰৰ চিহ্ন চুণেৰে আঁকি দিয়া হয়। ভাৰ বান্ধিবৰ সময়ত সূৰ্য্যৰ চিহ্ন থকা কলহটো ভাৰ-বাৰিৰ বাঁহৰ গুড়িৰফালে আৰু চন্দ্ৰৰ চিহ্ন থকা কলহটো ভাৰ-বাৰিৰ বাঁহৰ আগৰ-ফালে বান্ধি লয়।

কলহৰ ভাৰ বান্ধিবলৈ কোমল বাঁহৰ টঙালেৰে তলত বেৰিয়া কৰি চাহৰ পাত আৰু চেনি ভৰোৱা নাইবা মদ ভৰোৱা মাটিৰ কলহ বেৰিয়াত বহুৱাই যি সেই টঙালেৰে ভাৰ-বাৰিত মেৰিয়াই বান্ধি দিয়া নিয়ম আছে। ভাৰ-বাৰিৰ বাঁহত টঙালেৰে বন্ধা নিয়ম অনুযায়ী এটা বান্ধ খুলি দিলে, গোটেই ভাৰ-বাৰিৰ বাঁহৰ ওপৰত বন্ধা বান্ধ খুলি যোৱাকৈ বান্ধিব লাগে।

এইখন ভাৰকেই বিবাহৰ খাই ভাৰ কোৱা হয়। এইখন ভাৰক ভাৰ কৰ্ত্তা মানুহজনে বিবাহৰ কাৰ্য্য সমাধা নোহোৱালৈকে প্ৰধান ভাৰৰ কামবোৰ বহন কৰি সমাধা কৰি দিব লাগে।

প্ৰধান ভাৰ বহন কৰা মানুহৰ পিচত দুইজনী আয়তীৰ ওপৰত প্ৰাধান্য দিয়া হয়। আয়তীসকলক বড়ো-কছাৰীসকলে 'বাইৰাখি' বুলি কয়। গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলৰ আয়তীসকলে 'দ'খনাথাউছি' পিন্ধি গাত ফুলাম কাপোৰৰ চাদৰ উৰাৰ নিয়ম আছে। দৰং, কামৰূপ, নগাওঁ জিলাৰ বড়ো-কছাৰী আয়তীসকলে বগা মেখেলা পিন্ধি গাত ফুলাম কাপোৰৰ চাদৰ উৰাৰ নিয়ম আছে।

এই আয়তী দুইজনীকো বিবাহৰ কাৰ্য্য সমাধা কৰা উপলক্ষে প্ৰাধান্য দিয়া হয়। বিবাহ কাৰ্য্য উপলক্ষে কৰিব লগীয়া যি কোনো কামতে বৰলা মানুহ আৰু বিধবা তিৰোতা মানুহক অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। বৰলা আৰু বিধবা মানুহক বড়ো-কছাৰীসকলে 'খৰো-গজো' অৰ্থাৎ মূৰ চিঙা মানুহ বুলি কয়।

দ'ৰা বা দ'ৰা-ঘৰীয়াই কন্যা বা ছোৱালীৰ ঘৰত গৈ পোৱা মাত্ৰকে বৰঘৰৰ দুৱাৰ-মুখত খাই ভাৰখন থৈ দিয়া নিয়ম আছে। বাকী বস্তু-বেহানিবোৰ ভাৰ তলতে থৈ দিব লাগে।

কন্যা বা ছোৱালী-ঘৰীয়াই নিজৰ গাওঁৰ বাইজক কন্যা জোৰোণৰ তামোল-পাণ

আৰু মদ বা চাহ খুৱাবলৈ তিনিটা সমাজৰ ঠাইৰ আসন পাতি দিব লাগে। বড়ো-কছাৰীসকলে সমাজ বহা ঠাইক 'আফাৎ' বুলি কয়। পুৰুষ, মহিলাইতক বাহিৰত আৰু ছোৱালীৰ লগৰীয়া গাভৰুইতক ঘৰৰ ভিতৰত আসন দিয়ে।

মূল ভাৰ কঢ়িয়াই অনা মানুহজনে পুৰুষৰ সমাজৰ মাজত পূবে মুখ কৈ বহি মদ উলিয়াই দিব লাগে। ব্ৰহ্ম ধৰ্মাবলম্বী বড়ো-কছাৰীসকলৰ মতে চাহ গৰম কৰি দিব লাগে। চাহ বা পানী গৰম কৰিবৰ বাবে বাচন বহুৱাবলৈ মাটিত গাঁত খান্দি চৌকা কৰিবলৈ নেপায়। মাটিৰ চপৰাবে উধান কৰি তাৰ দ্বাৰা পানী গৰম কৰা হয়।

গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলৰ বাহিৰে অসমৰ অন্যান্য জিলাৰ বড়ো-কছাৰীসকলৰ মাজত দ'ৰা বা দ'ৰা-ঘৰীয়াই কন্যা বা ছোৱালীৰ পিতৃ-মাতৃবংশৰ আপোন সম্বন্ধৰ মানুহক এপোৰ তামোল আৰু এবিড়া পাণ বটাত দি সেৱা কৰি মান ধৰাৰ নিয়ম আছে। তাক বড়ো-কছাৰীসকলে 'গয়থাও' দিয়া বুলি কয়। সেই কাৰণে কন্যা বা ছোৱালীৰ আত্মীয়সকলে সমাজৰ পূবে মাজত বহাৰ নিয়ম আছে।

কন্যা জোৰোণৰ বাবে তামোল কাটোতে তামোলৰ মূৰৰ অংশৰ ফালে টুকুৰাই কটা নিয়ম নহয়। তেতিয়া হেনো কন্যা বিধবা হয়। এই লোক-বিশ্বাসৰ পৰা আজিও কিছুমান বড়ো-কছাৰী মানুহে তেনে সচৰাচৰ তামোল নেকাটে।

কন্যা জোৰোণৰ তামোল কাটোতে আয়তীসকলে প্ৰথমে আৰম্ভ কৰে, তাৰ পিচত হে আন মানুহে সহযোগ কৰে। আগৰ দিনত আয়তীসকলে দাব-কটাৰীৰে কন্যা-জোৰোণৰ তামোল কটা আৰম্ভ কৰিছিল। ইয়াৰে বড়ো-কছাৰীসকলৰ মাজত সুন্দৰ যোজনা আছে।

যোজনা,—গয় দেদেৰে ফাথাই ছিনাৰি,

দাওৰো থি ছুনি, দাওথু খৰো হেনো-দাবা,
থাওবেগাং থাওবায়,
জা' বেগাং জাবায়।

অৰ্থ :— চুটিচাপৰ তামোল, সাঁচি পাণ
বগলীৰ মলৰ দৰে চুণ,
দাব-কটাৰীৰে কটা,
ইচ্ছামতে সকলোৱে হেপাহ পলুৱাই খালে।

এই যোজনা অলসৰ তৈয়াৰৰ বড়ো-কছাৰীসকলৰ মাজত পোৱা যায়।

দ'ৰা পক্ষৰ আয়তীসকলে তামোল-পাণ বাইজক বিলাই দিয়াত পলম কৰিলে তাকে কন্যা বা ছোৱালী-ঘৰীয়াই গীত-গাই আয়তী-সকলক ইতিকিং কৰে। এই ধৰণৰ ইতিকিং কৰা লোক-গীত গোৱালপাৰা জিলাত পোৱা যায়।

লোকগীত :— য়াই বাইবাথি লোলিয়া

থাওনো বাবাংছিন গয় খাওনায়থো

জালিয়া।

অৰ্থ :— ঐ বৈৰাগী ( আয়তী ) এলেহুৱা

এগাহত তামোল কটা আমি নাখাওঁ।

এই লোক-গীতে আয়তীসকলক কৰ্মঠ হবলৈ বাধ্য কৰিছে আৰু এই লোক-গীতৰ পৰা আমি জানিব পাৰোঁ। বড়ো-কছাৰীৰ সামাজিক বিবাহৰ উপলক্ষ কৰ্মত আয়তীসকলে কিমান পটু হব লাগিব। যি কৰ্মৰ প্ৰখৰতাৰ বাবে বাইজৰ ইতিকিং-মূলক লোক-গীতৰ পৰা নিজকে বচাই নিয়া হয়।

দ'ৰা বা দ'ৰা-ঘৰীয়াই যদি তামোল কাটি বাইজক ঠিকমতে আয়তীসকলে তামোল-পাণ বিলাই দিয়া হৈছে, তেন্তে কন্যা বা ছোৱালী-ঘৰীয়া বাইজৰ মাজুহে গীতকে একাকি গাই আনন্দ কৰে।

এই লোক-গীত উত্তৰ কামৰূপ আৰু দৰং জিলাৰ বড়ো-কছাৰীৰ মাজত পোৱা যায়।

লোকগীত :— ঐ জেঠ আবাবনি বেওবেওয়া হায়।

অ' আয়াই বেও বেওয়া হায়।

জাওয়াই লাহানি গয়কাথাইথো

আনায়াওনো আনায়াওনো

হথায়াছো বেওলায় লাবোয়।

অৰ্থ :— অ' জেঠ-আহাৰৰ বেও বেওৱা ( জেটুৱা পোক )

অ' আই! বেও বেওৱা ( জেটুৱা পোক )

জোৱাইদেউৰ তামোল-পাণ

থওঁতে থওঁতে দাঁতবোৰ শিৰিলি।

এই লোক-গীতৰ বাবা কন্যা বা ছোৱালী-ঘৰীয়াৰ বাইজ আৰু দ'ৰা বা দ'ৰা-ঘৰীয়াৰ বাইজৰ মাজত গাঢ় মিলনৰ ভাবৰ চানেকী পোৱা হৈছে।

বড়ো-কছাৰীৰ সমাজত কন্যা জোৰোণৰ উপলক্ষে ভোজ খোৱাৰ নিয়ম নাই। মুখা-লেখা বয়সস্থসকলে এনেয়ে লোক-গীত দুই একঁাকি গাই আনন্দ কৰে।

বড়ো-কছাৰীৰ সমাজত কন্যা জোৰোণৰ উপলক্ষে বাইজক তামোল-পাণ খুৱাবলৈ তামোল-পাণ বিলাই দিয়াতে তিনিয়াৰৰ পৰা ন'বাবলৈ বিলাই দিয়া নিয়ম আছে। তাৰে কেইবাৰ বিলাই দিয়া হয়, তাক দ'ৰা আৰু কন্যা-ঘৰীয়াৰ বাইজৰ লগত বন্দবস্ত কৰি লয়, সেইমতে তামোল-পাণ বিলাই বাইজক খাব দিয়া হয়।

আয়তীসকলে বাইজক তামোল-পাণ বিলাই দিয়াৰ লগতে মদ নাইবা চাহ বিলাই দিয়ে। কন্যা জোৰোণৰ বেলিকা যিমানবাৰ তামোল-পাণ বাইজক বিলাই দিয়া হৈছিল, বিবাহৰ কাৰ্য্য সম্পাদন নোহোৱা পৰ্য্যন্ত দ'ৰাঘৰীয়াই কন্যাঘৰীয়াক ঘৰত মদ নাইবা চাহৰ ভাৰ লৈ গৈ থাকিব লাগে। তাকে বড়ো-কছাৰীসকলে 'বিবান' বোলে। কন্যা জোৰোণৰ দিনা প্ৰধান ভাৰ কঢ়িয়াই নিয়া মানুহজনে 'বিবান' ভাৰ কঢ়িয়াই থাকিব লাগে।

বড়ো-কছাৰীসকলে কন্যা বা ছোৱালী-ঘৰীয়া বাইজক তামোল-পাণ বিলাই দিয়া কাম শেষ কৰাৰ পিচত দৰা বা ন'ৰা-ঘৰীয়াই ছোৱালী-ঘৰীয়াৰ লগত পূৰ্ব্বৰ বন্দবস্তমতে তামোল-পাণৰ টোপোলা দি আহে। তামোল-পাণৰ টোপোলাত চাৰিটা তামোল আৰু চাৰি পাত পাণ থাকে। কন্যা বা ছোৱালী-ঘৰীয়াৰ পিচত সেইবোৰ তামোলৰ টোপোলা নিজৰ আত্মীয়-স্বজনৰ পৰিয়ালে-প্ৰতি একো টোপোলা বিলাই দিয়ে।

কন্যা জোৰোণৰ উপলক্ষে তামোল-পাণ বাইজক খুৱাই দিয়া কাম শেষ কৰাৰ পিচত দ'ৰা বা ন'ৰা-ঘৰীয়াই ঘৰলৈ আহিবৰ সময়ত তামোলৰ টিকাবোৰ বৰঘৰৰ চালৰ ওপৰত ছটিয়াই উঠাই থৈ আহিব লাগে। কেইদিন মানৰ পিচত এযোৰা মদৰ ভাৰ লৈ কন্যা বা ছোৱালীৰ ঘৰত দ'ৰা বা ন'ৰা-ঘৰীয়াই লৈ আহি বাইজক খুৱাব লাগে। তাকে বড়ো-কছাৰীসকলে গয়াখিখৌ গাবনায় অৰ্থাৎ তামোলৰ টিকা পেলোৱা ভাৰ বুলি কয়।

কিছুমান বড়ো-কছাৰীয়ে কন্যা জোৰোণৰ দিনৰ পৰা এবছৰৰ পিচত বিবাহ দিয়ে। কিছুমানে বাইজে খাবলগীয়া মদৰ বা চাহ আৰু ভোজভাতৰ খৰছৰ টকা লৈ নিজৰ সুবিধা অনুযায়ী কম দিনৰ ভিতৰত বিবাহ দিয়ে।

বিবাহৰ নিয়ম :—আৰ্য্য ধৰ্মত দীক্ষিত হোৱা বড়ো-কছাৰীসকলে নিজৰ ভিতৰত পুৰোহিত নিৰ্বাচন কৰি, সেইজন পুৰোহিতৰ দ্বাৰা আৰ্য্যসকলৰ হোম

পোবাব মন্ত্ৰেৰে হোম কৰি বিবাহ কাৰ্য্য সম্পাদন কৰে। আদিম-ধৰ্মী বড়ো-কছাৰীসকলে হাথাছুনি প্ৰথাৰে বিবাহ কাৰ্য্য সম্পাদন কৰে।

ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰ আৰু কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ ব্ৰহ্ম ধৰ্মাৱলম্বী বড়ো-কছাৰীসকলে বিবাহৰ দিনা হোৱাৰী বিনাকে গীত গায়, নাচে। তেওঁলোকে বিবাহৰ দিনা বিবাহৰ কাৰ্য্য উপলক্ষে কোনো মদ, মাংস খোৱা-লোৱাও নকৰে। মদৰ পৰিবৰ্ত্তে চাহ আৰু চাহৰ লগত মুৰি খায়।

আদিম-ধৰ্মী বড়ো-কছাৰীসকলৰ মাজত বিবাহ উপলক্ষে মদ, মাংস খোৱা লোৱা আৰু নৃত্য-গীত পূৰ্ণপয়োভৰে চলে। আগৰ দিনৰ বিবাহৰ ভোজ-ভাত মদ, মাংস যথেষ্ট ভাবে খোৱাৰ বন্দৱস্ত থকাৰ কাৰণে বড়ো-কছাৰীৰ বুঢ়া-মেথাসকলে আগৰ কালৰ বিবাহৰ উপলক্ষৰ কাৰ্য্যৰ দিনলৈ স্মৰণ কৰি যোজনা কৈ দা-হমুনিয়া পেলায়।

যোজনা,—খৌংথামনি আগি বেদৰনি আখায়।

জৌনি কথি, নাদাই (আদাই) হালি জানানাই
ফেন্দা হালি থিনায়।

অৰ্থ:— ভাতৰ আগি, মঙহৰ আথৈ,
মদৰ পুখুৰী,
ভৰিৰ ডিমাৰ দৰে থাই
ফেৰাৰ আকাৰৰ দৰে শোচ কৰিছিল।

এই লোক-গীতৰ পৰাই আমি জানিব পাৰোঁ, একালত বড়ো-কছাৰী তথা অসমীয়া বাইজৰ আৰ্থিক অৱস্থা ভনাই দিছে যে,—অসমত অসমীয়া বাইজৰ খোৱা-লোৱা কৰাৰ বাবে কোনো অভাৱ-অভিযোগ নাছিল।

উত্তৰ বঙ্গ আৰু অসমৰ গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলে মাঘ মাহৰ বাহিৰে বছৰৰ অন্যান্য মাহত বিবাহৰ বাবে দিন ঠিক কৰে যদিও কাতিন মাহক বছৰৰ অন্যান্য মাহতকৈ বেচি ভাল দিন বুলি ভাৱে। তেওঁলোকৰ মাজত কাতিন মাহক বিবাহৰ বাবে উপযুক্ত দিন বুলি পচন্দ কৰাৰ লোক-গীত পোৱা যায়। এই লোক গীত গাই ডিবোতাসকলে নৃত্য কৰে।

লোক-গীত,—হাবা আংগাব, আংগাব;
হামবা গালাওনি থিনাও
আযাই থিনাও।

অৰ্থ :— বিবাহ আংলাব, আংলাব ( বহুত দূৰণিৰ বাট )
দিন দীঘলৰ দিনত
অ' আই দিন দীঘলৰ দিনত ।

বড়ো-কছাৰীসকলৰ মতে মাঘ আৰু চ'ত মাহত বিবাহ কৰা নিষেধ । বিশেষ কাৰণত একবাৰ নোৱাৰিলেহে মাঘ মাহত বিবাহৰ বাবে দিন ঠিক কৰা হয় । কিন্তু চ'ত মাহত কোনোমতে বিবাহৰ বাবে দিন ঠিক কৰা নহয় । বিবাহৰ বাবে যেনেকৈ মাহৰ নামৰ ওপৰত দিন ঠিক কৰে, সেইদৰে বাৰৰ ভিতৰতো শনিবাৰ আৰু মঙ্গলবাৰত কোনোমতে বড়ো-কছাৰীসকলে বিবাহৰ বাবে দিন ঠিক নকৰে । বড়ো-কছাৰীসকলৰ মতে বিবাহৰ বাবে ৰবিবাৰকে শ্ৰেষ্ঠ বাৰ বুলি ঠাৱৰ কৰে । তাৰ বাহিৰে অন্যান্য বাৰবোৰক মধ্যম বাৰ বুলি বিবেচনা কৰে ।

বড়ো-কছাৰীৰ পৰিয়ালৰ মাজত আৰ্থিক অৱস্থাহীন প্ৰায়বোৰ ছোৱালীৰ অভিভাৱকে বিবাহৰ উপলক্ষৰ কাৰ্য্যৰ বাবে খৰছৰ এটা বৃহৎ অংশ দ'ৰা-ঘৰীয়াৰ ওচৰত দাবী কৰে । তেতিয়া দ'ৰা পক্ষই সেই খৰছৰ পৰা হাত সাৰিবলৈ নানা তুলনামূলক যোজনা ফকৰাৰে তৰ্কাতৰ্কি কৰি মীমাংসাত উপনীত হয় । বাদ্য বাজনা আনি অতিৰিক্ত খৰছৰ পৰা হাত সাৰিবলৈকে দ'ৰা-ঘৰীয়াই যোজনা আওৰায় ।

যোজনা,—থেব থেফাৰিয়া, থেব থেফায়ো
জমা দাওবায়া হাবা জায়ো ।

অৰ্থ :—টেঁপ' টেঁপাৰীয়ে টেঁপ টেঁপায়
ফৰিঙৰ বিয়া হয় ।

টেঁপ টেঁপাৰী নামৰ এবিধ দীঘল ফৰিং আছে । সেই জাতীয় ফৰিঙক বড়ো-কছাৰীসকলে জমা দাওবায় বুলি কয় । সেই জাতীয় মতা ফৰিং উৰিবৰ সময়ত টেঁপ টেঁপকৈ শব্দ হয় ।

উক্ত যোজনাৰ তাৎপৰ্য্য এই,—টেঁপ টেঁপাৰী ফৰিঙে নিজৰ পাখিৰে নিজে কোবাই ঢোল বজাই বিয়া কৰি লয় । আমাৰ মানুহৰ ইমান খৰছ কৰি কিয় বাদ্য বাজনা লাগে ।

তোল-ভাতৰ খোৱা-লোৱাৰ বাবে মাছ, ছাগলী, শাক-পাচলি দ'ৰা ঘৰীয়াৰপৰা কন্যা-ঘৰীয়াই পাবলৈ দাবী কৰিলে তাৰে কমকৈ মাত্ৰ দ'ৰী কৰা খৰছৰ পৰা হাত সাৰিবলৈ চেষ্টা কৰে ।

যোজনা—মাইখা মেগং ছিংগ্রিদাবা
ছাই নংগ্রা দৌবা কাখ।
এংখুৰ খাৰিয়াও অনদ। জ্ঞাও
হাগান আৰামা।

অৰ্থ :—মেস্তা আৰু চেঙেৰি শাক,
খুদ চাউলৰ আঞ্জাত পিঠাগুৰি
পেলাই দিলে নহবনে বাৰু?

ইয়াৰ দ্বাৰাই আমি জানিব পাৰোঁ,—মানৱ সভ্যতাই অনুকৰণ, উপমা আৰু তুলনাৰ নিজৰ জ্ঞান-বিকাশৰ বাবে চেষ্টা কৰে। এই জ্ঞানৰ দ্বাৰা নিজৰ সংস্কৃতি প্রত্যেক কথাত সদায় সজাগ হৈ চলি থাকে।

এইদৰে নানাপ্রকাৰ যোজনা-ফকৰাৰ দ্বাৰা কিছু সময় তৰ্কাতৰ্কি হোৱাৰ পিচত এটা সিদ্ধান্তত আহি বিবাহৰ দিন ধাৰ্য্য কৰা হয়।

বিবাহ কাৰ্য্য সম্পাদন নোহোৱা পৰ্য্যন্ত দ'ৰা-কন্যাৰ উভয় পৰিয়ালৰ ভিতৰত অহা-যোৱা কৰি উভয় পক্ষৰ সুখ-দুখৰ খা-খবৰ লৈ থাকে।

ব্রহ্মধৰ্মত দীক্ষিত হোৱা বড়ো-কছাৰীসকলে দ'ৰাই কন্যাৰ ঘৰত বিয়া কৰাৰ নিয়ম। আদিম-ধৰ্মী বড়ো-কছাৰীমতে দ'ৰাই বিয়া কৰিবলৈ কন্যাৰ ঘৰত যোৱাৰ নিয়ম নাই। কিন্তু ব্রহ্মধৰ্মী হলে কন্যাক লৈ আহি নিজৰ ধৰ্মৰ নিয়ম অনুসৰি বিয়া কৰি লয়।

তেনেকৈ কন্যা ব্রহ্মধৰ্মৰ পৰিয়ালৰ হলে কন্যাৰ পৰিয়ালৰ ধৰ্মৰ নিয়ম অনুযায়ী বিয়া কৰি লয়। ব্রহ্মধৰ্মৰ বড়ো-কছাৰীসকলে আৰ্য্যৰ সংস্কৃত মন্ত্ৰৰে হোম পুৰি বিয়া কাৰ্য্য সম্পাদন কৰে। আজিকালি সংস্কৃতৰ সলনি বড়ো ভাষাৰ দ্বাৰা মন্ত্ৰ মাতি হোম পোৰে। আদিম-ধৰ্মী বড়ো-কছাৰীসকলে 'হাথাচুনি' প্রথাৰে বিবাহ কাৰ্য্য সম্পাদন কৰে।

ব্রহ্মধৰ্মী বড়ো-কছাৰীসকলে দ'ৰা-ঘৰীয়াই বিয়া কৰাবলৈ যাওঁতে দুখন চালনীত প্রত্যেক খনতে কলপাতৰ আগে পাৰি কলপাতত দুটাকৈ সেন্দুৰৰ ফোট দিয়া হয় আৰু তুলসীৰ পাত দুটা, তামোলপাণ এযোৰ, পক শস্য, পক মুদ্রা দি শলিতা এযোৰ জ্বলাই দিয়ে।

চালনী দুখনৰ গৰ্ভটো (বাওটো বাদ দি) বিহান বহল হয় আৰু সমান বহলৰ কলৰ ঢৌকা দুখন পিঠিৰ চ'চটো পেলাই তাৰে দুটা বেৰ কৰি চালনীৰ ওপৰত

বহুৱাই দিয়ে। বেৰ দিয়া কলৰ চকুৱাটোত সেন্দুৰৰ ফোঁট দি চাৰিটা ফুটা কৰা হয়। প্ৰত্যেক চালনীৰ কলৰ চকুৱাৰ ওপৰত বিচনিৰে ঢাকি থয়।

আনফালে দুটা দোনত আৰৈ চাউল ভৰাই লয়। আৰৈ চাউলৰ ওপৰত অলপ ব্যৱধান ৰাখি উলুখেৰৰ দ্বাৰা (থৰো গঞ্জি) তিনিটা খুটি মাৰি দিয়া হয়। খুটিবোৰ দোনৰ চাউলৰ ওপৰত চাৰি ইঞ্চিমান ওখ কৰি দিয়া হয়। খেৰৰ খুটিবোৰত এৰ্ঁা সূতাৰে নটা মেৰ দি মেৰিয়াই দিব লাগে। উলুখেৰৰ তিনিটা খুটিৰ মাজত এযোৰ শলিতা, এযোৰা তামোল-পাণ দিব লাগে। শলিতা জ্বলাবলৈ শলিতাৰ বাবে এৰ্ঁা সূতা আৰু সৰিয়হৰ তেল ব্যৱহাৰ কৰা হয়। তাৰ বাহিৰেও আৰু দুদোনত আৰৈ চাউল ভৰাই লব লাগে। চালনী দুখন প্ৰধান আয়তীসকলে লয়।

কন্যা জোৰোণত লোৱা ঘাই ভাৰৰ দৰে বিবাহৰ দিনাও সেই ভাৰ লোৱা মানুহজনেই দুটা মাটিৰ কলহত চাহ চেনি, আদিমধৰ্মী বড়ো-কছাৰীৰ মতে এযোৰা মদৰ কলহৰ ঘাই ভাৰ নিব লাগে। মাটিৰ কলহত কন্যা জোৰোণৰ নিয়মৰ দৰে চন্দ্ৰ সূৰ্য্যৰ চিহ্ন আঁকিব লাগে। কন্যা-ঘৰীয়াৰ মানুহ আৰু কন্যাৰ ঘৰৰ পৰা দ'ৰা-ঘৰীয়াই নিজৰ ঘৰ আহি পোৱালৈ দ'ৰা-ঘৰীয়াৰ বাটকৰা মানুহবোৰক দুৱাৰ পৰাকৈ দ'ৰা-ঘৰীয়াই তামোল-পাণ নিব লাগে।

এইবোৰ তামোল-পাণৰ বাহিৰে এটা বস্তাত এবস্তা তামোলপাণ ভৰাই দুজন মানুহে এভাৰ কৰি কঢ়িয়াই নিব লাগে। ইফালে এটা সৰু টোপোলা বনাই তাত তামোল-পাণ, চাহ-চেনি, আৰু গাখীৰৰ এটা ভাৰ কৰে। তাক গৰখীয়া ভাৰ (লাওখাৰ বিৱান) বা ঠেংবাংগ্ৰা বুলি কয়। আদিম ধৰ্মী বড়ো-কছাৰীসকলৰ-মতে গৰখীয়া ভাৰৰ টোপাত মাছ-চাউল, মাছৰ অভাৱে এযোৰা পাৰ দিয়া হয়। ভাৰ বাৰিৰ আন এটা মূৰৰ ফালে এটা কোমোৰা আৰি এজন মানুহে ভাৰ কঢ়িয়াই নিব লাগে। আদিম-ধৰ্মী বড়ো-কছাৰীসকলে মদ, গাহৰি, বিলনীয়া, যোগনীয়া আৰু সাৰথি লৈ কন্যাৰ ঘৰত কন্যা আনিবলৈ যাত্ৰা কৰে।

ব্ৰহ্মধৰ্মাবলম্বী বড়ো-কছাৰীসকলে বিয়া কৰিবলৈ অহা দ'ৰাক কন্যা-ঘৰীয়াই আহ্বান আৰু অভ্যৰ্থনা কৰিবলৈ সাজু হৈ নোহোৱা পৰ্যন্ত কন্যা-ঘৰীয়াৰ ঘৰৰ চোতালৰ বাহিৰত ৰৈ থাকিব লাগে। বড়ো-কছাৰীৰ দ'ৰা আহ্বান কৰাৰ নিয়ম চমৎকাৰীয়া।

বাঁহেৰে সৰু সৰু জিনিহাতআন দীঘলকৈ কাঠি কৰি এটা মূৰত মধ্যপাতৰ

মেৰিয়াই তাত কেৰাচিন ঢালি জ্বলাই লৈ তাত ধুই লগাই দিয়া হয়। দ'ৰা-হোৱালীৰ হাতত সেই জোৰ দি নব-দম্পতিৰ মঙ্গল কামনা কৰি দি সেই ধুইৰ পোহৰেৰে দ'ৰাক আদৰি লৈ অহা হয়।

গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ আৰু কামৰূপ জিলাৰ ব্ৰহ্ম ধৰ্মাবলম্বীসকলে সেই সময়ত গীত গাই দ'ৰাক আদৰি লৈ আহে।

দ'ৰাক আদৰি লৈ আহিবৰ সময়ত আয়তীসকলে বাওঁহাতেৰে চালনী লৈ (আগতে সজোৱা চালনী) সোঁহাতেৰে বিচনীৰে বাও দি দি আদৰি লৈ আহে। দোনৰ চাউলবোৰ কন্যা-ঘৰীয়াই দ'ৰাৰ ফালে দ'ৰা-ঘৰীয়াই কন্যাৰ ফালে চাউল ছটিয়াই দিয়া নিয়ম। চোতালত সোমাই অহা পদূলিৰ মুখত এখন পীৰা পাৰি তাৰ ওপৰত ভৰি উঠাই দ'ৰাৰ ভৰি ধুই দিয়া হয়। জীয়াশাহুৱেকসকলে ন' জোৱাইক মুখ ফণিয়াই দি সম্ভাষণ জনায়। এইবোৰ কাম শেষ কৰাৰ পিচত কন্যা-ঘৰীয়াই দ'ৰাক আদৰি লৈ গৈ বৰঘৰত বহুৱাই দিয়ে।

চন্দ্ৰ-সূৰ্য্য থকা মাটিৰ কলহৰ ভাৰ আৰু তামোল বস্তাৰ ভাৰ দ'ৰাই কন্যা-ঘৰীয়াৰ বৰ ঘৰত সোমোৱাৰ লগে লগে বৰ ঘৰৰ দুৱাৰমুখত শাৰী পাতি থৈ দিয়ে। কন্যা-ঘৰীয়াৰ কোনো অভিভাবকে চাই সম্মতি নিদিয়া পৰ্য্যন্ত সেইবোৰ ভাৰ দ'ৰা-ঘৰীয়াই লৰচৰ কৰি আঁতৰাব নেপায়।

ঢাৰিৰ ওপৰত ন'কাপোৰ পাৰি তাতেই দ'ৰা আৰু দ'ৰাৰ প্ৰধান সখিয়েক আৰু লগৰীয়াক বহিবলৈ দি চাহ খাবলৈ দিয়া হয়। বিবাহ কাৰ্য্যৰ অনুষ্ঠান আৰম্ভ নোহোৱা পৰ্য্যন্ত দ'ৰাই ওলাই আহি বাহিৰত চলা ফিৰা কৰিব পাৰে। বড়ো-কছাৰীৰ বিবাহৰ কাৰ্য্য প্ৰায় ৰাতিহে সম্পাদন কৰা দেখা যায়।

ব্ৰহ্ম আৰু আদিম-ধৰ্মী বড়ো-কছাৰীৰ উভয়ৰ ভিতৰতে বিবাহ কাৰ্য্য সম্পাদন হোৱাৰ আগতে কন্যাৰ গা-ধন, নিবিধ আদি সামাজিক কাৰ্য্য সমাধা কৰাৰ পিচতহে বিবাহৰ বাবে হোৱালী উলিয়াই দিয়ে। ব্ৰহ্মধৰ্মী বড়ো-কছাৰীসকলে হোমৰ দ্বাৰা বিবাহৰ কাৰ্য্য সম্পাদন কৰিবলৈ লগ্নৰ বাবে পঞ্জিকাৰ দ্বাৰা জ্যোতিষৰ সহায় লোৱা হয়।

বিবাহ উপলক্ষে সামাজিক বিচাৰৰ বাবে কন্যা-ঘৰীয়াৰ গাওঁৰ বাইজে কন্যাৰ পিতাকৰ চোতালত মাজতে খালি ঠাই ৰাখি চাৰিওফালে বহে। কন্যাৰ পিতাক আৰু অভিভাবকক বাইজে বহা শাৰীত পূবৰ শাৰীত বহিবলৈ দিয়া হয়।

দ'ৰাৰ পিতাক নাইবা অভিভাবকে কন্যাৰ বাবে গা-ধন আৰু সামাজিক

প্ৰচলিত নিয়ম নীতিৰ দায় মাৰিবলৈ ভুদান আৰৈ চাউল, তাৰে এটা দোনৰ চাউলৰ ওপৰত কলপাত পাৰি তাৰ ওপৰত এখন গামোচা, গামোচাৰ ওপৰত এযোৰ তামোল পাণ, আৰু ৰূপৰ দুটা টকা দিয়ে। দোন দুটা কন্যাৰ অভি-ভাৱকৰ সমুখত থোৱা হয়। আনটো দোনত সৰু কলপাতৰ ওপৰত কন্যাৰ বাবে গা-ধনৰ টকা দি প্ৰথমতে কন্যাৰ পিতাক,' তাৰ অভাৱে কন্যাৰ অভিভাৱকক সেৱা কৰিব লাগে। সেৱা কৰোতে কন্যাৰ পিতাক বা অভিভাৱকক ন' জোৱায়ে আঁঠুলৈ (দণ্ডৱৎ হৈ) সেৱা কৰাৰ নিয়ম। উপস্থিত থকা বাকী ৰাইজক প্ৰত্যেককে একোবাৰ সাধাৰণ ভাৱে হলেও সেৱা কৰিব লাগে।

কন্যাৰ গা-ধনৰ পৰিমাণ গোৱালপাৰা জিলাত্ এশ এটকা লোৱা হয়। কামৰূপ, দৰং আদি অসমৰ অন্যান্য জিলাত কন্যাৰ গা-ধনৰ বাবে এশ টকাৰ পৰা হাজাৰ টকা লোৱাৰ নিয়ম প্ৰচলিত আছিল। আজিও ঠাই বিশেষে সেই হাৰৰ কমবেচি পৰিমাণৰ গা-ধন লয়। কিন্তু শিক্ষিত বড়ো-কছাৰীসকলে কন্যাৰ বাবে গা-ধনৰ টকা নলয়।

বড়ো-কছাৰীৰ সামাজিক প্ৰথামতে কন্যাৰ পিতাক বা অভিভাৱকে কন্যাৰ বাবে গা-ধনৰ টকা গ্ৰহণ নকৰিলেও গামোচাৰ লগত দিয়া দুটা ৰূপৰ টকা আৰু এযোৰ তামোল-পাণ গামোচাৰে সৈতে লোৱা নিয়ম। তাকে বড়ো-কছাৰী-সকলে "জৰা থাথা থন্নায়" যোৰ টকা বুটলি লোৱা বুলি কয়। কন্যাৰ গা-ধনৰ টকা লব খোজা কন্যাৰ পিতাক নাইবা অভিভাৱকে দ'ৰা-ঘৰীয়াই কন্যাৰ গা-ধনৰ টকা আদায় দিব নোৱাৰিলে যোৰ টকা বুটলি লোৱা নিয়ম নহয়।

কন্যাৰ পিতাক বা অভিভাৱকে গা-ধন লবৰ সময়ত মামায় মাৰা বুলি কন্যাৰ ওপৰত মাতৃবংশীয় বিচাৰৰ প্ৰথা আছে। কন্যাৰ মাকক কন্যাৰ পিতৃবংশীয় বা বা কন্যাৰ পিতাকে বিবাহ কৰি আনিবৰ সময়ত গা ধনৰ টকা যদি আদায় দিয়া হোৱা নাছিল, তেন্তে তেওঁৰ ছোৱালী সন্তান বিবাহ দিবৰ সময়ত গা-ধনৰ টকাৰ স্বত্বাধিকাৰী কন্যাৰ মোমায়েক হব। নিৰ্দিষ্ট টকাও তেওঁহে গ্ৰহণ কৰিব পাৰিব।

নিৰিখ ছিঙাৰ চালনীৰ বাবে ব্ৰহ্ম ধৰ্মাৱলম্বী বড়ো-কছাৰী সকলে চাহ খায়। চাহৰ লগত খাবলৈ মুৰি দিয়া হয়। ঠাই বিশেষে এযোৰা কাটিক কলু বটল আৰু এযোৰ মুকুৰা চোৱাই কাটি তাৰ মতহ ভাজি উপস্থিত ৰাইজক খাবলৈ বিলাই দিয়া হয়। আদিম-ধৰ্মী বড়ো-কছাৰীসকলে এযোৰ মদৰ [illegible]

এযোৰ মহৰ' বটল, এযোৰ কুকুৰা চৰাই আৰু এটা গাহৰি দিব লাগে। কুকুৰা চৰাই আৰু গাহৰি কাটি তাৰ মঙহ ভাজি উপস্থিত বাইজক খাব দিয়া হয়।

কন্যাৰ পিতাক বা অভিভাবকৰ ওচৰত কন্যাৰ গা-ধন আৰু নিৰিখ ছিঙাৰ পিছত 'মালছা' নামে দ'বা-ঘৰীয়াই কন্যা-ঘৰীয়াৰ বাইজক দিবলগীয়া টকাৰ বিচাৰ হয়। বড়ো-কছাৰী সমাজৰ কন্যাৰ বিবাহকালীন 'মালছা' প্ৰথাৰ বিচাৰ সম্পূৰ্ণ মাতৃবংশীয়। বড়ো-কছাৰীৰ কোনো পৰিয়ালে ছোৱালী সন্তান বিবাহ দিলে দ'বাঘৰীয়াই বাইজক মালছা নামৰ টকা দিয়াৰ নিয়ম আছে। 'মালছা'ৰ টকা কন্যা-ঘৰীয়াৰ বাইজৰ ভৰালত জমা হয়।

ছবায় হাবি (মাটি মাহৰ জাত), ছিবি হাবি (তিলৰ জাত) নাইবা গৌলাও হাবি (দীঘল জাত), গুছুং হাবি (চুটি জাত) নামৰ দুই প্ৰকাৰ মাতৃপ্ৰধান বংশৰ হিচাব আছে। কন্যাৰ মাকে বিবাহকালীন ছবায় হাবি প্ৰথাত মালছাৰ টকা দিছে যদি তেওঁৰ কন্যা সন্তানৰ বিবাহত বাইজে ছিবিং হাবিমতে মালছাৰ টকা দ'বাঘৰীয়াৰ পৰা আদায় পাব। মালছাৰ টকা গাওঁ বিশেষে পাঁচ টকাৰ পৰা পোন্ধৰ টকালৈ আদায় কৰা হয়। ছিবিং হাবি কন্যাৰ ঘৰুৱৈ ছবায় হাবি কন্যাৰ ঘৰত মালছাৰ টকা দুগুণ আদায় কৰে।

কোনো তিৰোতা দুৰ্ভাগ্যবশতঃ বিধবা হলে, সেই বিধবা তিৰোতাজনীক মৃত স্বামীৰ বংশই বিধবাৰ পিতৃবংশক ওভোতাই গতাব লাগে। তেতিয়া বিবাহকালীন মৃত স্বামীৰ পৰা মালছাৰ বাবে বখা টকা বিধবাৰ পিতৃবংশৰ গাৱলীয়া বাইজে মৃত স্বামীৰ পক্ষৰ ওৱাৰিছক ওভোতাই দিব লাগে। তাকে বড়ো-কছাৰীসকলে 'খোলাৰ গথায় নায়' বুলি কয়।

মালছাৰ টকা আদায় দিয়াৰ পিচত 'বাৰি হাগা' নামৰ আঠে টকা কন্যাৰ পক্ষৰ গাওঁৰ গাওঁবুঢ়া নাইবা গাওঁৰ বয়ো বৃদ্ধ মানুহক দ'বা পক্ষই দিব লাগে। এই বাৰি হাগা নামৰ আঠে টকা দিয়াৰ তাৎপৰ্য্য এই,—কন্যাই জন্মিবৰে পৰা পিতৃৰ ঘৰত লালন পালনৰ সমত আনৰ মাটিত নাইবা আনৰ বাৰীত শৌচ কৰাৰ বাবে আঠে টকা দি সেই দায়ৰ পৰা কন্যাক মুক্ত কৰি দিয়া হয়।

তাৰ পিচতে কন্যাক বিবাহৰ কাৰ্য্য সম্পাদন কৰি বিদায় দিয়া হয়। কন্যাক বিদায় দিয়ৰ সময়ত বয়োবৃদ্ধসকলে সংসাৰত মানি চলিব লগীয়া নীতি-নিয়মবোৰ বুজাই কৰাই পঠিয়াই দিয়ে।

ব্ৰহ্মধৰ্মী বড়ো-কছাৰীৰ বিবাহতকৈ আদিম-ধৰ্মী বড়ো-কছাৰীৰ বিবাহৰ নিয়ম-

নীতিবোৰ বিশেষ তাৎপৰ্য্যপূৰ্ণ দেখা যায়। আদিম-ধৰ্মী বড়ো-কছাৰীৰ বিবাহ মদ, মঙহ, নৃত্য-গীতেৰে বৰ মধুৰ হৈ পৰে। তেওঁলোকে সিদিনা বিবাহৰ উপলক্ষে হেঁপাহ পলুৱাই মদ মঙহ খায়। হিয়া উদঙাই দেহা-মন এৰি নাচে। জনশ্ৰুতিত আছে, আগৰ দিনত বড়ো-কছাৰীৰ বিবাহত সাতদিন সাতৰাতি খোৱা লোৱা চলিছিল। আগৰ দিনৰ বিবাহত যথেষ্ট হিচাবে মদ, মঙহ খাব পোৱা আৰু আজিৰ দিনত সেইবোৰ অভাৱ হৈ নাইকিয়া হোৱাটোতে অনুতাপ প্ৰকাশ কৰি বিবাহ, বিহু আদি জাতীয় উৎসৱ পাৰ্ব্বণত গীত গোৱা গোৱালপাৰা জিলাৰ ধুবুৰী মহকুমাৰ বড়ো-কছাৰীসকলৰ মাজত শুনা যায়।

লোক-গীত,—ওৱানি খানজং খানায় খান খৌ।
গাদানি দিনা বোজাং থাং-থৌ।
বেদৰণি আথায় জৌনি ফথব্ৰিয়া
গাইলিয়া লাই বাজাই, গাইলিয়া,
গাইলিয়া।

অৰ্থ :— বাঁহৰ ফণি ওভতাই চুলি ফণিওৱা
আগৰ দিন ক'ত গ'ল
মঙহৰ আধৈ, মদৰ পুখুৰী
নাই ঐ বৌ (আজি) নাই ঐ, নাই

এই লোক-গীতে অসমীয়া জাতীয় জীৱনৰ আগৰ দিনৰ আৰ্থিক অৱস্থাৰ কথা সোঙৰাই দিছে।

দ'ৰ-ঘৰীয়াই কন্যা উলিয়াই লৈ যাবৰ সময়ত কন্যাৰ অভিভাৱক আৰু আত্মীয়-স্বজনসকলে নীতিমূলক গীত গাই উপদেশ দিয়ে। এই উপদেশমূলক গীত অসমৰ ভৈয়ামৰ সকলো জিলাতে পোৱা যায়।

লোক-গীত,—আঠিং গাজাব, হাথায় অবজাব,
আথায়নি কাওৱা
আয়াথাই;
আঠিংনি কাওৱা আয়াথাই।
বায়জো কাথাবথৌ জানাইদো আয়াই
জাহাইদো।

অৰ্থ :— ভৰিৰ খোজত চতালি ধৰিবা,
দাঁত চেপি ধৰিবা ;
হাতৰ ছেও হোৱা নাই,
ভৰিৰ ছেও হোৱা নাই।
সংসাৰ আই খাবা আই, খাবা।

প্ৰবচনেও বিবাহত লোক-গীতৰ ঠাই পাইছে। এই লোক-গীতৰ তাৎপৰ্য্য এই,—সংসাৰত মানুহে সুখ শান্তিৰে জীৱন যাপন কৰা সহজ নহয়। সংসাৰত সুখ-শান্তিৰে জীৱন যাপন কৰিবৰ কাৰণে খোজ গহীন ভাৱে পেলাই খোজ দিবা। মুখৰ দাঁত কামুৰি চেপি লবা। অৰ্থাৎ—ত্যাগী আৰু সংযমী হবা। মুখখন মেলি কাৰো লগত হাই-কাজিয়া নকৰিবা। যাতে নিজৰ আৰু আনৰো শান্তি ভঙ্গ নহয় আৰু তোমাৰ পৰিয়ালৰ মাজত শত্ৰু নাবাঢ়ে। এই নীতিৰে সংসাৰ চলি ভৰিবা।

লোক-গীত,—খাইজিমা খাবা খৌদাইজাং,
মানুছিয়া খায়ৗ গো গিয়াখিজৗং
দাগাবছাই আ'য়াই দাগাবছাই।
নোমা নোম্‌কায়া দাও অৰাবাদি
হমনা হৰবায়।
দাগ'বছাই আয়াই দাগাবছাই।

অৰ্থ : — পিপৰাই গালটিৰে টোপ বান্ধে ;
মানুহে গৰু আৰু জাতি লৈ বাস কৰে।
নেকান্দিবা আই, নেকান্দিবা
তোমাৰ আ'ই বোপায়েৰাই তোমাক
চৰাই গাহৰিৰ দৰে ধৰি দিলে।
নেকান্দিবা আই, নেকান্দিবা।

বড়ো-কছাৰীসকলে নিজৰ জাতৰ মানুহৰ বাহিৰে আন জাতিৰ মানুহৰ লগত বিবাহ হোৱা পছন্দ নকৰে। এইকথা প্ৰবচনৰ লোক-গীতৰ পৰা জানিবলৈ পোৱা যায়।

লোক-গীত,—হা গি হৌৱানী হৱাখাই, হৱাখাই
গংগাৰ মেফাননী হৱাখাই ।
…. ….….ইত্যাদি ( আৰবাও )

অৰ্থ :— হিন্দু মত'ক দিয়া নাই, দিয়া নাই ।
ভুটীয়া নেপালীক দিয়া নাই ।

এই প্ৰবচনৰ লোক-গীতৰ দ্বাৰা আমি জানিব পাৰিছোঁ যে—বড়ো-কছাৰীৰ পৰিয়াল সমাজপ্ৰিয় স্বভাৱৰ । তেওঁলোকে নিজেও সামাজিক নীতিজ্ঞানবোৰ মানি চলি সমাজৰ মাজতে সহজ সৰল ভাৱে জীৱন যাপন কৰিবৰ ইচ্ছা কৰে আৰু আনকো তেনে জীৱন যাপন কৰিবলৈ বাঞ্ছা কৰি উপদেশ দিয়ে ।

কামৰূপ, দৰং জিলাৰ আদিম-ধৰ্মী বড়ো কছাৰীৰ বিয়াত 'বাৰ লামফা' নামৰ দুজন মতা মানুহৰ নৰ্ত্তক আছে । এই নৰ্ত্তক দুজন দ'ৰা পক্ষই কন্যা আনিবলৈ লৈ যাব লাগে । দ'ৰাঘৰীয়াই যি দুজন মানুহৰ দ্বাৰা বিবাহৰ মূল ভাৰ কঢ়িয়াই লৈ যায়, সেই দুজন মানুহে বিবাহৰ বাবে কন্যা-ঘৰীয়া সনজুৱা বাইজক মদ চেকি উলিয়াই খুৱাই দিয়াৰ পিচত কন্যা উলিয়াই লৈ আহিবৰ সময়ত নৃত্য প্ৰদৰ্শন কৰিব লাগে । তেওঁলোকক বড়ো-কছাৰীৰ ভাষাত বাৰ লামফা বোলে ।

কন্যা-ঘৰীয়াই কন্যা উলিয়াই দিয়াৰ আগতে বাৰ লামফাক মাটিৰ চপড়া পিঠিত বোকোচা লৈ নাচিবলৈ দিয়া হয় আৰু লগতে বিয়াৰ ভোজৰ বাবে কটা গাহৰিৰ মূৰ বোকোচাত বান্ধি লৈ নৃত্য কৰাৰ নিয়ম আছে । গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলৰ আয়তী-সকলে পিঠিত মাটিৰ চপৰা এবাৰ আৰু আনবাৰ গাহৰিৰ মূৰ বোকোচা বান্ধি লৈ নাচিবলৈ দিয়াৰ নিয়ম আছে ।

বড়ো-কছাৰীসকলৰ মতে বাৰ লামফা আৰু আয়তীসকলক সেই দৰে দুটা কাৰণত নাচিবলৈ দিয়া হয় । প্ৰথমটো কাৰণ হৈছে,—কন্যাই সিদিনাৰ পৰা পৃথিৱীত মানৱ সমাজৰ সাংসাৰিক জীৱনত প্ৰৱেশ কৰিলে । এতিয়া তেওঁৰ জীৱন বসুমতীৰ দৰে দুখ-দৈন্য সহ কৰি জীৱৰ মঙ্গলৰ হেতু বা কাৰণ হৈ পৰিব ।

বড়ো-কছাৰীৰ ভাষাত বিবাহক 'হাবা' বুলি কয় । হা শব্দৰ অৰ্থ মাটি, বা শব্দৰ অৰ্থ বোকোচাত লোৱা । হাবা শব্দৰ অৰ্থ মাটি বোকোচাত লোৱা ।

দ্বিতীয়তে—বাৰ লামফা নাইবা আয়তীসকলে পিঠিত মাটিৰ বোকোচা লৈ নাচিলে হেনো কন্যা পুত্ৰৱতী হয় । কন্যা-ঘৰীয়াই দ'ৰা ঘৰীয়াক কন্যা উলিয়াই

দিয়া সময়ৰে পৰা দ'বাৰ ঘৰত আহি নোপোৱালৈকে ব.ৰ নায়কা আৰু আয়তী সকলে নাচি নাচি আহিব লাগে। দূৰণিবটীয়া ঠাই হলে মাজতে তেওঁলোকক অৱসৰ দি দ'বাঘৰৰ কিছু আঁতৰৰ পৰা নচুৱাই নৈ অহা হয়।

কন্যাই দ'বাৰ ঘৰ আহি পালে দ'বাৰ বৰ ঘৰৰ পিৰালীত মাটিৰ চাকিত এযোৰ শলিতা জ্বলাই থোৱা হয়। কন্যাই বৰঘৰত সোমাই যাবৰ বেলিকা সেই শলিতাৰ ওপৰত গোজ দি সোমাই যাব লাগে। কন্যাৰ খোজত মাটিৰ চাকি ভাঙি টুকুৰা হলে কন্যাজনী পুত্ৰৱতী হব। মাটিৰ চাকি নেভাঙিলে পুত্ৰহীনা হব বুলি ঠাৱৰ কৰা হয়।

কন্যাক বৰঘৰত সোমাব দিয়াৰ পিচত কন্যাৰ বায়েক অৰ্থাৎ জেশাহুয়েক-সকলে ন' জোৱাইক জগাই তোলা বুলি এটা প্ৰথা আছে। দ'বাই নিজৰ ঘৰৰ চোতালত পূব-ফালে মুখ কৈ গামাৰি গছৰ পীৰাত বহি মূৰত জাপি লৈ সখিয়েক-সকলৰ মাজত বহি থাকে। জেশাহুয়েকসকলে ন' জোৱাইক সখিয়েকসকলৰ মাজৰ পৰা বিচাৰি উলিয়াই ন' জোৱাইৰ কপালত দুই হাতেৰে সাৱটি ধৰি থিয় কৰাব লাগে। তাকে বড়ো-কছাৰীসকলে সকলে 'বেওৱায় বোখাংনায়' বুলি কয়।

ইয়াৰ তাৎপৰ্য্য, মানৱ জনমত প্ৰথমে সাংসাৰিক জীৱনত প্ৰৱেশ কৰা ন' জোৱাইক জগাই তুলিছে—তেওঁ যাতে এলেহুৱা হৈ বহি নেথাকি মানৱতাৰ কৰ্ত্তব্যত সদায় সচেতন হৈ জাগি থাকে।

তাৰ পিচত গীত গাই নাচে। বিবাহৰ গীতবোৰ বিচিত্ৰ সাংসাৰিক অভিজ্ঞতা, ভাবাদৰ্শৰ সমাবেশ। কন্যাঘৰীয়া গাওঁৰ বাইজে দ'বাৰ ঘৰত মদ, মঙহ খাই নাচি বাগি এসাজ ভোজৰ ভাত খাই ঘৰলৈ যায়গৈ। ঘৰলৈ যাবৰ সময়ত তাঙৰ মদৰ কলহ এযোৰ আৰু ভোজত মাৰা গাহৰিৰ আধা অৰ্থাৎ একাল লৈ যায়গৈ। বিবাহৰ বাবে মাৰা গাহৰিৰ গাটো নিখুঁত হব লাগে। তাকে দুকাল কৰোতে গাৰ মেক হাড় ভাগৰ ঠিক মাজেৰে কাটিব লাগে। লগতে নেজ ছিঙিব নেপায়।

দ'বাৰ ঘৰৰ পৰা মদৰ কলহ আৰু গাহৰিৰ মঙহ লৈ গৈ কন্যাৰ মাক-পিতাক নাইবা অভিভাৱকৰ ঘৰত এসাজ ভোজৰ ভাত খোৱা হয়। তাকে বড়ো-কছাৰী-সকলে 'আগান গাখৌমোবনায় মাংখাম' অৰ্থাৎ ভৰিৰ খোজ মচা ভাতৰ সাজ বুলি কয়।

দ'বা-ঘৰীয়াই বিবাহ উপলক্ষে বাইজক ভোজৰ ভাত খোৱা-লোৱা কৰাৰ চুৱনিবোৰ পেলাই পৰিষ্কাৰ কৰি গোবৰ আৰু পানী মিহলাই তাতে ঘৰ-দুৱাৰবোৰত ছটিয়াই শুদ্ধ কৰি লয়। সিদিনাই ৰাতি ন' কন্যাক হাথাচুনি প্ৰথাৰে দ'বাৰ

সমূহ বিবাহ কাৰ্য্য নিষ্পত্তি কৰা হয়। আদিম-ধৰ্মী বড়ো-কছাৰীসকলৰমতে হাথাছুনিৰ পিচৰ পৰাহে কন্যা আৰু দ'ৰাৰ লগত প্ৰকৃত বিবাহ কাৰ্য্য সম্পাদন হোৱা বুলি ধৰি লয়।

ন'কন্যাই পবিত্ৰভাৱে নিজ হাতেৰে হাথাছুনিৰ ভোজৰ ভাত-আঞ্জা ৰান্ধিব লাগে। ভোজৰ ভাত খাওঁতা বাইজ বেচি মানুহ হ'লে এচৰু ভাত আৰু এচৰু আঞ্জা ৰান্ধি বাকী ভাত আ ঞ্জা অইন মানুহে ৰান্ধি সহায় কৰে। হাথাছুনিৰ ভাত আৰম্ভ কৰাৰ আগতে ন'কন্যাই নিজ হ'তেৰে হাথাছুনিৰ বাবে ৰন্ধা ভাত আঞ্জা ঘৰ ঘৰৰ ইছিঙৰৰ দেৱ-দেৱীক আগবঢ়োৱাৰ নিয়ম আছে। দেৱদেৱীক ভাত-আঞ্জা কলৰ পাতত দি আগবঢ়াই আঠুলৈ সেৱা কৰে। দেউৰী নাইবা মন্ত্ৰ মাতিব জনা মানুহে মন্ত্ৰ মাতি দেৱ-দেৱীৰ ওচৰত ন কন্যাৰ পৰিচয় দিয়ে।

মন্ত্ৰ—এনেধৰণে,—ছাননিগিৰি ছানজা
মোদায়নি গিৰি বুঢ়া বাথৌ মাহাৰাজা।
দায়নিগিৰিয়া দায় থালামন্না
নিমাহানি গিৰি নাং।
জাংনি মোজাং গাম্ভি,
নিদান আফাং, বগ বিয়াদিনিক্ৰায়
ফোথাং গ্ৰায়া নাংনৌ
নোই দানোই ফিকা গুৰু।
আমথায়া আমৌথিথৌ বিহামজৌ
লাবোবায় দানোই বিনি
নাংনৌ গোথাৰোই আথায় লাক্
খাংথাম খাংগ্ৰি হানায় জাবায়।
নাজাংনৌ আফা নাং ফিফা গুৰুৱা।
বিহামজানি মুংবা আমৌথি—
ছানক্ৰোমৰৌ সুখবায় সুখ লাখি
আফা নাংনৌ ফাওকুজা মোনবায় থাগোন।
দানোই হাথাচুনিনি ফাওকুজা হানোং
আফা নাংথাংয়া মিনি খুমুৰোই নাজাওনানোই
বাব আছিৰবাদ হানো।

দহায় আকা কিকা গুৰু। জাংহা দায়
ছাৰ দংবাওয়াৰী। নায়লো আলো নাং
কিফা গুৰুলো।
গলে গলে খুলুমো জাং।

( গুগুৰুৰ খুলুমো )

অৰ্থ :— আহা—সূৰ্য্যৰ আদি পূব
দেৱতাৰ আদি দেৱাদিদেৱ মহাদেৱ।
দায়ৰ মালিকে দায় ( দোষ ) কৰিলে
ক্ষমাৰ মালিক তুমি।
আমাৰ ভাল বেয়া, দুখ, নিদান,
বেমাৰ আজাৰত ৰক্ষা কৰোঁতা তুমি।
অ' আজি পিতা গুৰু!
অমুকাই অমুকাৰ কাৰণে বোৱাৰী আনিছে
আজি।
তেওঁৰ দ্বাৰা তোমাক পৱিত্ৰভাৱে আখৈ
লাক ভাত আঞ্জা দিয়া হ'ল।
গ্ৰহণ কৰা পিতা! তুমি পিতা গুৰুদেৱ।
বোৱাৰীজনীৰ নাম আমুকী
সদায় সুখ আনন্দেৰে ৰাখিবা।
পিতা তুমি পূজা পাতল খাবলৈ পাই থাকিবা।
পিতা আপুনি আনন্দ চিত্তে গ্ৰহণ
কৰি বৰ আশীৰ্ব্বাদ দিয়া।
দোহাই পিতা গুৰু! আমাৰনো আৰু
কোন আছে? খালেও শলেও তুমি
পিতা গুৰুদেৱ মাত্ৰ।
বাৰে বাৰে প্ৰণাম কৰোঁ আমি।

( সেৱা জনায় )

মহাদেৱৰ আসনত পূজা দিয়াৰ পিচত তাৰ ওচৰত থকা আই কামাখ্যাৰ আসনলৈ আহি আঠু লয়। তাতো সেই একেজন দেউৰী নাইবা ওজাই মন্ত্ৰ মাতে। মন্ত্ৰ শেষ হোৱাৰ পিচত ন' কন্যাই সেৱা কৰে।

আই কামাখ্যাক সেৱা জনোৱাৰ পিচত তাৰে ওচৰত থকা পৰিয়ালৰ নিতৌ সাজৰ বাবে চাউল থোৱা চৰুটোৰ ওচৰত নৈবেদ্য ধূপ-ধূনা জলাই আঠু লৈ সেৱা কৰি ন'কন্যাই বাওঁহাতখন চৰুৰ ভিতৰলৈ সোমাই চাউল চুব লাগে। তাকে বড়ো-কছাৰীসকলে 'মায়হংদী দাংনায়' অৰ্থাৎ চাউলৰ চৰু চুবা বুলি কয়।

ন'কন্যাই দ'ৰাৰ ঘৰৰ ইছিঙৰ চাউলৰ চৰু চুবৰ বেলিকা ন'কন্যাক বিবাহৰ সম্পৰ্কীয় কথা প্ৰতিজ্ঞা কৰিব দিয়া হয়। তাৰে ভিতৰত ন'কন্যাই চাউলৰ চৰু চুই বৰ্ত্তমান বিবাহ কাৰ্য্য সম্পাদন হোৱা দ'ৰাৰ লগত সুখ আৰু আনন্দেৰে সংসাৰ যাপন কৰিবলৈ প্ৰতিজ্ঞাই প্ৰধান।

প্ৰতিজ্ঞাৰ কাম সমাপন কৰাৰ পিচত দেউৰী বা গাঁৱৰ বূঢ়া মেথাই ন'কন্যাক ওচৰত বহুৱাই লৈ পৰিয়ালৰ প্ৰতি কৰ্ত্তব্য পালন কৰিবলৈ সজ উপদেশ দিয়ে। দ'ৰায়ো কন্যাৰ ওচৰতে বহি সজ উপদেশবোৰ শুনি লয়।

ন'কন্যা আৰু দ'ৰাই উপদেশ শুনাৰ পিচত ৰাইজক হাথাছুনিৰ ভোজৰ ভাত ন'কন্যাই নিজ হাতেৰে কম পক্ষে এবাৰ বিলাই দিব লাগে। হাথাছুনিৰ ভোজৰ ভাত ৰাইজক বিলাই দিবৰ বেলিকা ন'কন্যাই ন'গিৰিয়েক অৰ্থাৎ দ'ৰাক পোন প্ৰথমে ভাত-আঞ্জা দিয়াৰ পিচতহে অইন মানুহক বিলনীয়া ভাত-আঞ্জা দিয়াৰ নিয়ম।

এইদৰে হাথাছুনিৰ পিছতহে বড়ো-কছাৰীসকলে দ'ৰা কন্যাৰ মাজত প্ৰকৃত বিবাহ কাৰ্য্য সম্পাদন হোৱা বুলি লয়।

কন্যাৰ মাক-পিতাকৰ ঘৰৰ পৰা বিবাহৰ কাৰ্য্য সম্পাদন কৰি কন্যাক দ'ৰা-ঘৰীয়াই উলিয়াই লৈ অহাৰ দিনৰ পৰা আঠ দিনৰ মূৰত দ'ৰা-কন্যা আৰু লগতে দুই একন লগত মানুহ লৈ কন্যাৰ মাক-পিতাকৰ ঘৰত যোৱা নিয়ম আছে। তাকে আঠ-মঙলা ভঙা ( আঠি-মঙল ছিকায়নায় ) বুলি কোৱা হয়। আঠ-মঙলা ভাঙিবলৈ যাওঁতে দ'ৰা কন্যাই একাৰুন তামোল, ছয় কি আঠ-বিহা পাণ, শাহৰি এটা, মদৰ বসৰ দুটা বটল, এ বোৱা মদুৰ কলহ নিয়া হয়।

আঠ-মঙলাৰ বাবে যাবৰ দিনা ৰাইজৰ উপস্থিতিত কন্যা-ঘৰীয়া পক্ষৰ পৰা যৌতুকত উঠা টকা-পইচা বস্ত্ৰ-বাহানিবোৰ দ'ৰা কন্যাক চমজাই দিয়ে।

কন্যাই নিজে অবিবাহিতা অৱস্থাত ব্যৱহাৰ কৰা কাপোৰ, পোহনীয়া জীৱ-জন্তু আৰু অন্যান্য বস্তু-বাহানিবোৰ আঠমঙলাৰ পৰা ঘূৰি অহাতে লৈ আহে। আঠমঙলাৰ পৰা ঘূৰি অহাৰ সময়ত ন'কন্যাৰ কাপোৰ-কানিৰ টোপোলা লওঁতা তিৰোতাজনীয়ে হেনো পৰ জন্মত কাপোৰ ববলৈ নেজানে। এই লোকবিশ্বাস মতে তিৰোতা মানুহে ন'কন্যাৰ কাপোৰৰ টোপোলা লবলৈ সন্মত নহয়। আঠমঙলা শেষ হোৱাৰ পৰাহে বড়ো-কছাৰীৰ সামাজিক প্ৰথাৰে বিবাহৰ কাৰ্য্য সম্পাদনৰ সামৰণি পৰে।

ঘৰজোঁৱাই প্ৰথাৰে ছোৱালী সন্তানৰ বিবাহ :— বড়ো-কছাৰীৰ পৰিয়ালে দুটা কাৰণত ছোৱালী সন্তানৰ বাবে ঘৰজোঁৱাই ৰাখি ছোৱালী সন্তানক বিবাহ দিয়ে।

প্ৰথম কাৰণ হৈছে,— ল'ৰা সন্তান নথকা পৰিয়ালে ছোৱালীজনীৰ কাৰণে ঘৰজোঁৱাই ৰাখি তেওঁলোকৰ উৎপন্নৰ দ্বাৰা যাবজ্জীৱন পোহপাল কৰা যায়।

দ্বিতীয়টো হৈছে,— ছোৱালীজনীৰ পৰিয়ালত ভৱিষ্যত আৰ্থিক সংস্থানত সহায় পাবৰ বাবে আৰু ছোৱালীজনীৰ বিবাহিত জীৱন সুখময় হবৰ কাৰণে ছোৱালীজনীৰ বাবে ঘৰজোঁৱাই ৰাখি বিবাহ দিয়া হয়।

প্ৰথম কাৰণত ঘৰজোঁৱাই ৰখা প্ৰথা—ছোৱালী সন্তানৰ সহায়ত কোনো মানুহে নাইবা পৰিয়ালে যাবজ্জীৱন পোহ-পাল যাব খোজা মনুহজনে ছোৱালীৰ ঘৰ-জোঁৱাইৰ বাবে কোনো অভিভাৱক নাইবা মাক-পিতাক নোহোৱা ডেকা ল'ৰা বিচাৰ কৰিহে ঘৰজোঁৱাই ৰখা হয়।

ঘৰজোঁৱাই থাকিবলৈ সম্মত হোৱা ডেকা ল'ৰাজনে ঘৰজোঁৱাই থাকিবৰ সময়ত তেওঁৰ পক্ষে এজন ওৱাৰিছ চিনাক্ত কৰি দিব লাগে। তেওঁ সমাজত স্বীকৃত পোৱা যি কোনো সমবৰ মানুহক ওৱাৰিছ কৰিব পাৰে। ওৱাৰিছে ঘৰ-জোঁৱাই থাকিব খোজা ডেকাজনৰ সপক্ষে হৈ ঘৰজোঁৱাই থকাৰ বাবে সকলো সু-বন্দবস্ত কৰি দিয়াৰ দায়িত্ব লব লাগে। ডেকাজনৰ স্বভাৱ-চৰিত্ৰ সম্পৰ্কে ওৱাৰিছ দায়ী হয়।

ঘৰজোঁৱাই থকাৰ সকলো বন্দবস্ত হোৱাৰ পিচত ডেকা ল'ৰাজনে সেইদিনৰ পৰা একছৰ বিনা-চৰ্ত্তত ছোৱালীৰ ঘৰত কামবন কৰি খাটি দিয়াৰ নিয়ম আছে। একছৰ সময়ছোৱাত ঘৰজোঁৱাই থকা ডেকাজনৰ স্বভাৱ-চৰিত্ৰ, খেতি-বাতিৰ কামবন কৰাত বিশ্বাসযোগ্য ভাবে বুদ্ধি-বৃত্তি থকা, খোৱা-আজাৰ নোহোৱা দেখা পালে ঘৰজোঁৱাইৰ লগত ছোৱালীজনীক বিয়া দিয়ে।

ডেকাজনৰ যদি স্বভাৱ-চৰিত্ৰহীনতা, খেতি-বাতিৰ কামবনত এলেহুৱা আৰু বেয়াৰী স্বভাৱৰ ধৰা পৰিলে ঘৰজোঁৱাইৰ বন্দবস্তৰ পৰা উলিয়াই ডেকাজনক তেওঁৰ ওৱাৰিছুক গতাই দিয়ে। তাৰ বাবে ঘৰজোঁৱাই থাকিব খোজা ডেকাজনে পৰিয়ালৰ পৰা কোনো ক্ষতিপূৰণ নেপায়। তাকে বড়ো-কছাৰীসকলে 'ছামদাং আগাৰনায়' বুলি কয়। ছামদাং আগাৰনায় প্ৰথা বড়ো-কছাৰীৰ দুয়োপ্ৰকাৰ ঘৰজোঁৱাই প্ৰথাতে প্ৰযোজ্য।

ছামদাং আগাৰনায় প্ৰথা বড়ো-কছাৰীৰ ডেকাজনৰ প্ৰতি অগ্নি-পৰীক্ষা। ইয়াৰ দ্বাৰাই আমি জানিব পাৰিলোঁ।—বড়ো-কছাৰীৰ ঘৰজোঁৱাই ৰখা প্ৰথা ছোৱালীৰ পৰিয়ালে কেৱল আৰ্থিক সংস্থানত সহায় পোৱাৰ ব্যৱস্থা মাত্ৰ নহয়। একমাত্ৰ পৰিয়ালৰ বংশত একেজনী ছোৱালী সন্তানৰ বিবাহিত জীৱন সংসাৰত ভৱিষ্যত সুখী পৰিয়াল হব পৰাকৈ তেওঁৰ জোঁৱাইৰ স্বভাৱ-চৰিত্ৰ, বুদ্ধি-বৃত্তি, কৰ্মকুশলতাৰ পৰীক্ষাও চোৱা হৈছে—যাতে তেওঁলোকে ভৱিষ্যত সুখী পৰিয়াল হৈ কালযাপন কৰিব পাৰে।

বড়ো-কছাৰীৰ ল'ৰা-সন্তানহীনা পৰিয়ালে এইদৰে ছোৱালী সন্তানৰ সহায়ত যাৱজ্জীৱন পোহপাল যায়।

দ্বিতীয় প্ৰথা,—কোনো বড়ো-কছাৰীৰ পৰিয়ালৰ যদি কেইবাজন ল'ৰা সন্তানৰ ভিতৰত একোজনী ছোৱালীসন্তান থাকে, নাইবা ছোৱালীসন্তানৰ বাহিৰে বাকী সন্তানসকলে আয় উপাৰ্জন কৰিব পৰা বয়স হোৱা নাই, তেন্তে ছোৱালী সন্তানক ঘৰজোঁৱাই ৰাখি জোঁৱাইৰ আয় উপাৰ্জনৰ সহায় লোৱা হয়।

ঘৰজোঁৱাই থাকিব খোজা ডেকাজনে ওৱাৰিছুৰ হতুৱাই এটা নিৰ্দিষ্ট বছৰৰ বাবে ঘৰজোঁৱাই থাকিবলৈ বন্দবস্ত কৰি লয়। বড়ো-কছাৰীমতে তিনিবছৰৰ পৰা পাঁচ-বছৰৰ ভিতৰত যি কোনো বছৰৰ পৰিমাণৰ বাবে পৰিয়ালে ঘৰজোঁৱাই খটুৱাব পাৰে। তাৰ পিচত ছোৱালী আৰু জোঁৱাইক উলিয়াই দিয়া হয়।

ছামদাং আগাৰনায় বছৰৰ পিচত ঘৰজোঁৱাই আৰু ছোৱালীৰ লগত বিবাহ দিয়া হয়। সিদিনাৰ পৰা ঘৰজোঁৱাই থকা ডেকা আৰু তেওঁৰ পৈণীয়েক উভয়ে সমাজত প্ৰচলিত চাকৰ-চাকৰণীৰ হাৰে বেতন পায়। বড়ো-কছাৰীৰ বৰ্তমান সমাজত এজন মতা মানুহে খেতি কৰা চাকৰ থাকিলে পৰিয়ালৰ পৰা খাই লৈ কুৰিমোণ ধান বছৰত পায়। তিৰোতা মানুহে বছৰত বোজমোণ ধান পায়।

অৱশ্যে এই বেতনৰ হাৰ অসমৰ অন্যান্য জিলাৰ বড়ো-কছাৰীৰ মাজত কমবেছি পৰিমাণে প্ৰচলিত আছে।

এইদৰে বিবাহ দিয়াৰ পিচত ছোৱালীসন্তান আৰু ঘৰজোঁৱাইক সমাজৰ প্ৰচলিত হাৰত ঘৰজোঁৱাই থকাকালীন বেতন দিয়া প্ৰথাক বড়ো-কছাৰীসকলে 'জুনিয়া বাৰি' বুলি কয়।

ঘৰজোঁৱাই থকা বছৰৰ বন্দৱস্ত শেষ হলে ছোৱালীৰ মাকপিতাকৰ পৰা জুনিয়া বাৰিৰ ধান পূৰ্বৰ বন্দৱস্তত থকা অংশৰ স্থাৱৰ অস্থাৱৰ সকলো সম্পত্তি লৈ ওলাই আহে। এইদৰে ঘৰজোঁৱায়ে শহুৰেকৰ ঘৰৰ পৰা ওলাই আহোঁতে ছোৱালীৰ মাক-পিতাকৰ পৰা এটা মোটা অংশৰ ধনৰ পুঁজি পাই আহে।

বড়ো-কছাৰীৰ পৰিয়ালে ছোৱালী সন্তানক ঘৰজোঁৱাই বিবাহ দিয়া প্ৰথা আজিৰ সভ্যজগতৰ বা-বতাহ পাই কমি আহিছে। কিছুমান ঠাইত নাইকিয়া হৈছে। কিন্তু বড়ো-কছাৰীৰ পৰিয়ালত ঘৰজোঁৱাই ৰাখি ছোৱালী সন্তান বিবাহ দিয়া প্ৰথাই আমাক জনায় যে,—আদিম আৰু অশিক্ষিত মানৱ সভ্যতাৰ মাজতো সন্তান জন্ম দি পোহপাল কৰি সাবালক কৰিয়েই বিৰত থকা নাই। বিবাহৰ পিচতো সন্তানে নিজৰ পৰিয়ালৰ বাবে ভবিষ্যত আৰ্থিক সংস্থান পায়, তাৰ বাবে সন্তানৰ মাক-পিতাকে গধুৰ দায়িত্বও পালন কৰি সমাধা কৰি থোৱা দেখা যায়।

বড়ো-কছাৰীসকলৰ বিশ্বাস নিজৰ সন্তানক বিবাহ দিব পাৰিলেহে নিজৰ মানৱীয় জন্ম সাৰ্থক হয়; নহলে পাপী হয়।

ঢকা ( দংথা ) সোমাই বিবাহ কৰাৰ নিয়ম :—বড়ো-কছাৰীৰ সমাজ সন্মতিতে স্বীকৃত বিবাহৰ ভিতৰত ইও এক প্ৰকাৰৰ বিবাহৰ প্ৰথা। কোনো বিধৱা তিৰোতাৰ পূৰ্বৰ গিৰিয়েকৰ স্থাৱৰ অস্থাৱৰ সম্পত্তি আৰু নাবালক ল'ৰা-ছোৱালী হৈ গলে সেই বিধৱা জনীয়ে ঢকা প্ৰথাৰে আন এজন পুৰুষ বিয়া কৰাই পূৰ্বৰ মৃতকৰ স্বামীৰ স্থাৱৰ অস্থাৱৰ সম্পত্তি ভোগকৰা অধিকাৰৰ প্ৰথা আছে।

এই ঢকা প্ৰথা বড়ো-কছাৰীৰ মাতৃপ্ৰধান সমাজৰ অনুসাৰী নাৰী-স্বাধীনতাৰ নিদৰ্শন। ঢকা সোমাব খোজা মানুহজনে ঢকা ৰাখিব খোজা বিধৱা তিৰোতা-জনীৰ লগত বন্দৱস্ত হলে, বন্দৱস্ত হোৱাৰ চিহ্ন স্বৰূপে সোণৰ মোহৰ এটা হাতে হাতে দি স্ত্ৰী-পুৰুষ উভয়ে মুখেৰে কয়,—আজিৰ পৰা মই তোমাৰ, তুমি মোৰ। বড়োকছাৰীসকলে এই সোণৰ মোহৰ দিয়া প্ৰথাক 'সংখন হোনাই' বুলি কয়। বড়ো-কছাৰীৰ মাজত বিধৱাই পুনৰ বিবাহত সন্মতি দিলে সংখৰ দিয়া প্ৰথা আছে।

ঢকা সোমাব খোজা মানুহজনে ঢকাৰ বন্দবস্ত হোৱাৰ পিচত নিজৰ পিতৃবংশ ত্যাগ কৰি ঢকা সোমাব লাগে। পিতৃবংশ ত্যাগ কৰিবৰ সময়ত নিজৰ ইষ্ট-দেৱতাক পূজা-পাতল দি গঞা বাইজক এসাজ ভোজৰ ভাত খুৱাই চিৰদিনৰ কাৰণে নিজৰ পিতৃবংশৰ পৰা বিদায় লয়। আদিম-ধৰ্মী বড়ো-কছাৰীৰ পৰিয়ালৰ নিজৰ বাথৌবেদীৰ তলত দেৱাদিদেৱ মহাদেৱৰ থানৰ লগত ঘৰৰ দেৱ-দেৱী আই কামাখ্যা আৰু মায়নাও বুৰি আই লক্ষ্মী দেৱীও আসন পায়। পূজাৰ বাবে মহাপ্ৰভু মহাদেৱক মুৰগী পোৱালি এযোৰ আৰু মদৰ কলহ এযোৰ আগবঢ়াই দিয়া হয়। শলিতা জলাই, ধূপ-ধুনা জলাই তামোল-পাণ এযোৰা আগবঢ়াই দি মন্ত্ৰ মাতা হয়।

মন্ত্ৰ,— অ'হাম—মাহা ফৰু মাহাদেও গছায় !
আবৌ আই খামাখ্যা, মায়নাও মাও থানখ্ৰিমীন।
খৌনাছুং আয়ফাৰ আফাফাৰ,
ছাইখৌনি মৌদায়া ছাইখৌয়াও থা—
দৌহৌৰামনি মৌদায়া দৌহৌৰামাও থা।
দৌনৌই আমৌ থায়া আনৌথিখৌ
দংখা থানৌ জাবায় দা বিনিনৌ ফাওফুজা
হৌনায় জাদোং।
নাজাওদৌ নোংছৌৰৌ—।
মিনি খুখুমৌই বিখৌ হগাৰ হৰদৌ।
মা থাগাম বাওনৌ আয়—আফাফাৰ !
আমথানি জৰমাও বিখৌনৌ লিৰদোং খৌমা
বিখৌ নোংথাং মৌনহাৰৌ মিথিছিগৌ।
........ইত্যাদি........।

অৰ্থ :— হে মহাপ্ৰভু মহাদেৱ গোসাঁই।
আৰু আই কামাখ্যা, লক্ষ্মী আইদেউহঁত,
তনা আইসকল, পিতৃ-সকল !
সত্যৰ দেৱতাৰে সত্যত থাকিবা,
ধৰ্মৰ দেৱতাই ধৰ্মত থাকিবা

আজি আমুকাই আমুকীত
চকা থকা হ'ল, এতিয়া তাৰ কাৰণে পূজা-পাতল
দিয়া হ'ল।
গ্ৰহণ কৰা তোমালোকে,
আনন্দ মনেৰে তেওঁক বিদায় দিয়া।
কি কৰিবা আই পিতাসকল!
অমুকাৰ ভাগ্যত তাকে লিখিছে ঈশ্বৰে।
তাক আপোনালোকে হে জানিব পাৰিছে
............ইত্যাদি।

চকা সোমাব খোজা মানুহজনে বাথৌৰ ওচৰত আঠুলৈ বহি থাকিব লাগে। এ মন্ত্ৰ শেষ হোৱাৰ পিচত চকা সোমাব খোজা মানুহক তিনিপাত শুকান শোকোতা চোবাবলৈ দিয়া হয়। কিছু সময় মুখত চোবাই থকাৰ পিচত মুখৰ পৰা আকৌ উলিয়াই পেলাই দিয়া হয়। তাকে বড়ো-কছাৰীসকলে 'মাজাই অৰগাবনায়' বুলি কয়। শুকান শোকোতা চোবাই মুখৰ পৰা উলিয়াই পেলাই দিয়াৰ পিচত চকা সোমাব খোজা মানুহজনক চিৰদিনৰ কাৰণে পিতৃবংশৰ পৰা বিচ্ছেদ হোৱা বুলি ধৰি লোৱা হয়।

চকা সোমাব খোজা মানুহজনে পিতৃবংশৰ পৰা বিচ্ছেদ হোৱাৰ পিচত তেওঁৰ ওপৰত পিতৃবংশৰ ওৱাৰিছ স্বৰূপ কোনো অধিকাৰ নেথাকিলে। পিতৃবংশৰ ওপৰত তেওঁৰো অধিকাৰ নেথাকিল। চকাৰ নিজৰ পুত্ৰ-কন্যা, স্থাৱৰ-অস্থাৱৰ মা-সম্পত্তি সকলোবোৰ শুকান শোকোতা মুখৰ পৰা উলিয়াই দিয়া মুহূৰ্তৰ পৰা চকাৰ পিতৃবংশই চমজি লয়। পিতৃবংশ ত্যাগ কৰি চকা থাকিবলৈ অহা মানুহজন পূৰ্বৰ নিজৰ বয়ঃবৃদ্ধ সম্বন্ধীয়া পিতৃবংশ আৰু উপস্থিত গঞা ৰাইজক সেৱা কৰি শেষবাৰৰ কাৰণে পিতৃবংশৰ পূৰ্ব-পুৰুষৰ ইষ্ট-দেৱতাক সেৱা কৰি বিদায় লৈ আহে।

মা-সম্পত্তি থকা বিধৱা তিৰোতা আৰু নিৰুপায়ত পৰা বুঢ়া মানুহ উভয়ৰ ভিতৰতহে চকাৰ প্ৰথাৰে বিবাহ হয়। কাচিৎহে বয়সা নোহোৱা ডেকা মানুহৰ লগত চকাৰ প্ৰথাৰে বিবাহ হোৱা দেখা যায়। সধৱা (আইবা) ছোৱালীৰ লগত চকাৰ প্ৰথাৰে বিবাহ নহয়।

চকা ৰাখিব খোজা বিধৱাজনীয়ে গাহৰিৰ মাংস নাইবা কুকুৰা-চৰাইৰ অন্য মাংস এবাটি আৰু মদৰ বা এবাটি ৰবৰৰ ভিতৰৰ দুৱাৰ-মুখত লৈ দিয়ে। নিজে তাৰ

ওচৰতে বাওঁহাতত এটা ক্ষীণ চাকিৰ পোহৰ আৰু সোঁহাতত কৈৰেণী ( খাগৰী ) ধৰি লৈ মাৰিবৰ উদ্যত হোৱাৰ দৰে ভাওজুৰি বহি থাকে। ঢকা সোমাব খোজা মানুহজনে মাটিৰ চুৰা চক মূৰত সোমাই লৈ মেকুৰীৰ দৰে মেও মেও কৰি ঘৰখনৰ চাৰিওকালে সাতবাৰ ঘূৰাৰ নিয়ম আছে। প্ৰত্যেকবাৰ ঘূৰাতে ছুৱাৰেদি ঘৰখনৰ ভিতৰত সোমাবলৈ গোজে।

ঘৰখনত সোমাব খোজা ঢকাজনক প্ৰত্যেক বাৰতে বিধবাজনীয়ে মেকুৰীক খেদক দিয়া দি তেওঁকো খেদক দি খেদি দিয়ে। ছয়বাৰ ঘূৰাৰ পিচত সাতবাৰত ঢকাই ঘৰখনৰ ছুৱাৰ মুখত আহি পালে বিধবাজনীয়ে পূৰ্ব্বৰ গিৰিয়েকৰ সম্বোধন লৈ সোধে—অমুকাৰ পিতাকহে নেকি? (বিধবাই পূৰ্ব্বৰ মৃত হোৱা নিজৰ গিৰিয়েকৰ সন্তানৰ নাম কাঢ়ি) ঢকা সোমাব খোজা মানুহজনে 'অ' বুলি উত্তৰ দিয়ে।

ইয়াৰ তাৎপৰ্য্য—বিধবাজনীৰ পূৰ্ব্বৰ গিৰিয়েকজন আন ৰূপ ধৰি ঘূৰি আহিল। বিধবাজনীয়ে হেনো অইন মতা মানুহৰ লগত নতুনকৈ বিয়াত সোমাব খোজা নাই। ঢকা সে সোমোৱা মানুহজনে ছয়বাৰ ঘৰখন ঘূৰাৰ পিচত সাতবাৰত ঘৰখনৰ ভিতৰলৈ সোমাই লৈ আগতে সজাই থোৱা বাটিৰ মদ আৰু মদৰ ৰস খায়। সিদিনা ৰাতিতে হাথাছুনিৰ বিবাহ দি ঢকা সে সোমোৱা বিবাহ কাৰ্য্য সম্পন্ন কৰা হয়। এইদৰে ঢকাৰ প্ৰথাৰে বিবাহ কৰাই বড়ো-কছাৰীৰ বিধবাই পূৰ্ব্বৰ গিৰিয়েকৰ সমূহ সম্পত্তি যাৱজ্জীৱন ভোগ কৰে।

বিধবা বিবাহ:—বড়ো-কছাৰীৰ সমাজত বিধবাৰ নিৰাপত্তাৰ ব্যৱস্থাবোৰ কটকটীয়া। সেইকাৰণে কোনো পুৰুষে কোনো বিধবা মানুহক পুনৰ বিবাহৰ বাবে সম্মতি জানিব খুজিলে অইন তিৰোতা মানুহৰ হতুৱাই হে খবৰ লোৱা হয়। পুনৰ বিবাহত ইচ্ছা নথকা কোনো বিধবাক পুনৰ বিবাহৰ বাবে বাবে বাবে সম্মতি খুজি থাকিলে কোনো কোনো সময়ত আইন আদালতত গালি-শপনি খাই আহিব লগীয়া হয়। সেই কাৰণে বড়ো-কছাৰীৰ বুঢ়া-মেথালজনৰ মাজত বিধবাৰ নিৰাপত্তা সম্বন্ধে এটা যোজনা আছে,—

যোজনা,—ন' বুৰিখৌ দা' দাংনাও।  
হোজাও বান্দিখৌ দা বাংনাও।

অৰ্থ:— পুৰণা নৱক চুই নেচোৱা  
বিধবা তিৰোতাক মাত দি নেচোৱা।

বিধবাৰ বিবাহত কোনো আড়ম্বৰ আয়োজন কৰা নহয়। বিবাহৰ দিনা কেৱল দুজনী তিৰোতাৰ দ্বাৰা বিবাহ দি হাথাচুনিৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পন্ন কৰা হয়।

অন্যান্য দৰৰ মতে বিবাহ:—কোনো কোনো সময়ত বিবাহৰ উপযুক্ত বয়সৰ ছোৱালীয়ে নিজৰ পছন্দৰ ল'ৰাৰ ঘৰত সৈতে বিয়া সোমোৱাৰ কথা ইচ্ছা কৰে। তাকে বড়ো-কছাৰীসকলে 'থাবছলায়' অৰ্থ দৌৰি সোমোৱা বুলি কোৱা হয়।

কোনো ছোৱালীয়ে নিজে বিবাহত সোমাবলৈ পছন্দ কৰা কোনো ল'ৰাৰ ঘৰত গা-খাচি সোমালে ল'ৰা-ঘৰীয়াই এযোৰ মদৰ কলহৰ তাৰ সৈতে ছোৱালীৰ অভি-ভাৱকক ছোৱালীৰ খবৰ দিয়াৰ নিয়ম আছে। খবৰ নিদিলে ল'ৰা-ঘৰীয়াই ছোৱালী পলুৱাই অনা বুলি তাৰ দোষত সমাজে দোষী সাব্যস্ত কৰি দণ্ড কৰে।

ছোৱালীৰ অভিভাৱকে খবৰ পোৱা মাত্ৰকে ল'ৰাৰ ঘৰ পৰা প্ৰথমবাৰৰ কাৰণে ছোৱালী উলিয়াই দিয়া নিয়ম আছে। নহলে ল'ৰা আৰু ছোৱালী উভয় পক্ষই সমাজৰ ওচৰত দণ্ডনীয় হব। তাৰ পিচত ছোৱালীয়ে আকৌ ঘূৰি আহিলে ল'ৰাৰ লগত ছোৱালীজনীক বিবাহ দিয়ে।

গা-খাচি সোমোৱা বিবাহত কন্যা সম্প্ৰদানৰ বাবে কন্যাৰ অভিভাৱকৰ আৱশ্যক নকৰে। ল'ৰাৰ গাওঁৰ ভিতৰতে এজন মানুহে কন্যাৰ আপোন অভিভাৱকৰ সলনি সৈতে কন্যা সম্প্ৰদান কৰা হয়। কন্যাৰ আপোন অভিভাৱক হব পৰা মানুহে কন্যাৰ পিতাকৰ সলনি হব নোৱাৰে। তাৰ বাহিৰে পিতৃকুলৰ আইন মতে সৈতে কন্যা সম্প্ৰদান কৰি বিবাহ কাৰ্য্য সম্প্ৰদান কৰা হয়।

গা-খাচি বিয়াত সোমোৱা কন্যা সম্প্ৰদানৰ নিয়মত আৰ্য্যৰ পিতৃবংশীয় পৰিয়ালৰ নিয়মৰ প্ৰভাৱ পৰিছে—যি নিয়ম পিতৃবংশীয় কোনো মানুহ নহলে বিবাহ কাৰ্য্য সম্পন্ন হব নোৱাৰে। এইটোৱেই পিতৃবংশীয় পৰিয়ালৰ প্ৰাধান্যসূচক বুজাইছে।

টানি লৈ সৈতে বিয়া কৰোৱা যদিও সমাজৰ পক্ষে গৰ্হিত কাম আৰু অবৈধ কাৰ্য্য, তথাপিও বড়ো-কছাৰীৰ সমাজত এই প্ৰথাত বিবাহ হোৱাও সমাজৰ মতামতে বিবাহ হোৱাৰ দৰেই প্ৰচলন আছিল। টানি লৈ যোৱা ছোৱালীজনীক উদ্ধাৰ কৰিবলৈ সৈতে ঠাই বিশেষে অৱস্থা লৈ উভয় পক্ষৰ ভিতৰত খণ্ডযুদ্ধ হোৱাও দেখা গৈছিল।

টানি লৈ যোৱা ছোৱালীজনীক গা-খাচি যোৱা বিবাহৰ প্ৰথাৰেই বিবাহ দিয়া হয়। হাথাচুনি দিয়াৰ পিচত ইচ্ছিত মাননাও দূৰ দিয়া হয়।

ল'ৰা-ছোৱালীৰ মাজত প্ৰণয় গাঢ় হলে আৰু দুয়োজনৰ উভয়ৰ ভিতৰত

অভিভাবকৰ পৰা বিবাহ হোৱাৰ অনিশ্চিত বাৰ্ত্তা পালে উভয়ে পলাই গৈ উভয়ৰ ভিতৰত বিবাহ হয়।

প্ৰণয়ৰ দ্বাৰা কোনো ল'ৰা-ছোৱালীয়ে পলাই গলে তেওঁলোক সমাজত হেৰজান হয়। অনুসন্ধানত ধৰা পৰিলে সমাজৰ বিবাহ কাৰ্য্যৰ নীতি ভঙ্গ কৰাৰ বাবদে উভয় পক্ষৰ ল'ৰা-ছোৱালীয়ে সমাজৰ পৰা বৰ কঠোৰ শাস্তি ভোগ কৰিবৰ বাবে সন্মুখীন হবলগীয়া হয়।

আগৰ দিনৰ বিবাহৰ বাবে ল'ৰা-ছোৱালীৰ ওচৰত কোনো মতামত লোৱা নহৈছিল। মাক-পিতাক নাইবা অভিভাবকে নিজৰ ইচ্ছামতে ল'ৰা-ছোৱালীক বিবাহ কৰাই দিছিল। ডেকা-গাভৰুৰ মনৰ ভাৱৰ প্ৰতি বড়ো-কছাৰীৰ বিশ্বাসৰ প্ৰবচন আছে।

প্ৰবচন—ছেংগ্ৰা ছিখ্লানি মেগন,
মায়জিগাবনি অৰ।
অৰ্থ:—ডেকা গাভৰুৰ চকু
ধানখেৰৰ জুই।

এই প্ৰবচনৰ তাৎপৰ্য্য,—ধানখেৰৰ জ্বলন্তকীয়া জুইৰ দৰে ডেকা-গাভৰুৰ মনো জ্বলন্তকীয়া যৌবনৰ লিপ্সাত মত্ত হৈ বিবাহৰ বাবে যি কোনো মানুহকে পছন্দ কৰে। এই প্ৰবচনৰ বিশ্বাসত বড়ো-কছাৰীৰ পৰিয়ালত সন্তানৰ মতামত লোৱা নহয়। আজিকালিৰ শিক্ষিতসকলৰ মাজত কিছুমান পৰিবৰ্ত্তন হৈছে।

# ক. মিচিং সংস্কৃতিৰ পৰিচয়

শ্ৰী[illegible]চন্দ্ৰ পাদেগাম

মিচিংসকল বৰ্তমান ভৈয়ামত বাস কৰা অসমৰ এটা জনজাতি। আদিতে এওঁলোক অসমৰ উত্তৰ পূব কালে থকা পাহাৰত আছিল বুলি জনা যায়। বৰ্তমান আবৰ পাহাৰত থকা 'মিয়ং' আৰু 'পাম্ৰ' নামৰ দুই জাতিৰ মানুহৰ পৰাই এওঁলোক ফাটি আহিছে বুলি অনুমান হয়। অসমৰ উত্তৰকালে থকা পাহাৰত বাস কৰা মিৰি জনজাতিসকলৰ লগত বৰ্তমান ভৈয়ামত বাস কৰা মিচিংসকলৰ কিমান সাদৃশ্য আছে, তাক এতিয়াও বিশেষ ভাবে জনা নাযায়। তথাপি পাহাৰৰ পৰাও যে বৰ্তমানৰ মিচিংসকল নামি অহা নাছিল, তাকো দুই কৰিব নোৱাৰি। অসমত চুটিয়া ৰাজত্বৰ শেষ আৰু আহোম ৰাজত্বৰ আৰম্ভণিতে মিৰি সকল ভৈয়ামলৈ নামি আহিছিল বুলি জনা যায়।

**মিৰি বা মিচিং নামৰ অৰ্থ :**

মিচিংসকলে নিজকে 'মিচিং' বুলি পৰিচয় দিয়ে। সাধাৰণতে পাহাৰত বাস কৰা লোকসকলৰ গাৰ বৰণ বগা। তাৰ উপৰি স্বাভাৱিকতে নিজকে শ্ৰেষ্ঠ বুলি ভবা এটা স্বভাৱ সকলোৰে থাকে। সেই কাৰণে সম্ভৱতঃ বৰণ চেতিয়া মিচি সকলে নিজকে 'মি' (মানুহ) 'য়াচিং' (বগা বা ভাল) 'মিচিং' বা 'আমি ভাল মানুহ' বুলি পৰিচয় দিছিল আৰু অনামিৰি মানুহক 'মি' (মানুহ)+'কি পাগ' (লেখত লব নোৱাৰা অৰ্থাৎ বেয়া)=আমাৰ ভাল জাতত নপৰা মানুহ বুলি কিছুমে অনুমান কৰে। 'মচিং' (নিজৰ কালে অনা) শব্দৰ পৰাও মিচিং হোৱা বুলি কৈছে। মিৰি পাহাৰৰ নাম কেনেকৈ হল বিশেষ ভাৱে কব পৰা নাযায়। কিন্তু মিৰি শব্দটো প্ৰকৃততে অনামিৰিয়ে দিয়া বুলি ধৰিব পাৰি।

পাহাৰৰ কালে 'মিৰ' বা দেওধাই সকলক 'মিৰি' (মি-ৰ-ঈ) বুলি কয়। আদিতে এই দেওধাইসকলেই মিচিংসকলৰ পুৰোহিতৰ কাম কৰিছিল আৰু সমাজৰ সকলো কাম দেওধাইৰ দিহা পৰামৰ্শমতে হৈছিল। এই 'মিৰি' (মি-ৰ-ঈ) শব্দৰ পৰাই 'মিৰি' হোৱা বুলি ধৰি লব পাৰি।

## পৌৰাণিক উৎপত্তি :

*মিৰিসকলে নিজকে চন্দ্ৰ সূৰ্য্যৰ বংশধৰ বুলি চিনাকি দিয়ে। তেওঁলোকৰ মতে চন্দ্ৰ পুৰুষ আৰু সূৰ্য্য প্ৰকৃতি। তেওঁলোকে চন্দ্ৰক পিতা আৰু সূৰ্য্যক মাতা* বুলি মানে। সেই কাৰণে যি কোনো পৰ্ব্ব বা সকাম নিকামত তেওঁলোকে পোন প্ৰথমেই 'আনে দঞি' ( মাতৃ সূৰ্য্য ) আৰু 'আবু প'ল' (পিতৃ চন্দ্ৰ)ৰ নাম লয়। তেওঁলোকে পোনে পোনে সোণ ৰূপৰ জখলাইদি স্বৰ্গৰ পৰা নামি আহিছিল বুলি কয়।

প্ৰবাদ আছে যে তেওঁলোক পাহাৰৰ পৰা নামি আহোঁতে বাটত এটা 'জিলি' ( প্ৰকাণ্ড খাল ) পাইছিল। সেই 'জিলি' 'মাম্বিং' আৰু 'মাংকং' নামৰ ডুডাল লতাৰ ওপৰেদি বগাই পাৰ হৈ আহিছিল। লতা ডুডালৰ এডাল সোণবৰণীয়া আৰু এডাল ৰূপ বৰণীয়া আছিল। সৰল প্ৰকৃতিৰ মিৰি সকলে সম্ভবতঃ পাহাৰক স্বৰ্গ আৰু লতা ডুডালক সোণ ৰূপৰ জখলা বুলি কলে।

## বৰ্ত্তমান বাসস্থান :

বৰ্ত্তমান মিৰিসকল পাহাৰৰ পৰা ভৈয়ামলৈ বিয়পি আছে। মিৰিসকল সাধাৰণতে নৈৰ পাৰত বাস কৰে। সোৱণশিৰী আৰু ব্ৰহ্মপুত্ৰ নৈৰ বাহিৰেও সৰু সুৰা বহুতো নৈ—উপনৈৰ পাৰে পাৰে মিৰি গাওঁ দেখা যায়। নৈৰ পাৰত বাস কৰে কাৰণ বাৰিষা নৈৰ পানীৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে চাংঘৰত থাকে তদুপৰি খাদ্যৰ কাৰণে ই অনুকূলো। পূবে দিহিং নৈৰপৰা পশ্চিমে ভৰলী নৈলৈকে বৰ্ত্তমান মিৰিসকল বিয়পি আছে। বাসস্থান অনুসাৰে ভৈয়ামত মিৰিসকলক কেইবাটাও খেলৰ নাম ধৰি মতা যায়। যিসকল পাহাৰৰ পৰা ভটিয়াই নৈ অহনীৰ পৰা আকৌ উজাই আহি সোৱণশিৰী নৈৰ পাৰত থাকিবলৈ ললে সেই সকলক 'চাপাত' (উলটি অহা) বা চায়াং (উজাই নৈ অহা) শব্দৰ পৰা চায়াং বা চায়েঙীয়া বুলি কবলৈ ধৰিলে। যি সকল 'দেলো' বা দক্ষিণ পাৰে ( ব্ৰহ্মপুত্ৰৰ পাৰত ) থাকিবলৈ ললে সেই সকলক 'দেলো' ( দক্ষিণ ) শব্দৰ পৰা 'দেলু' বুলি কোৱা হল। 'মঘিং' মানে ঠেক ঠাইত বাস কৰাৰ পৰা 'মঘিং' বা মঘেঙীয়া খেলৰ উৎপত্তি হ'ল। এইদৰে বিভিন্ন ঠাইত সিঁচৰতি হৈ বাস কৰাৰ ফলত মিৰিসকলৰ মৌখিক ভাষা আৰু বাসস্থান যে এক আছিল তাক সহজে অনুমান কৰিব পাৰি।

## বিভিন্ন খেল আৰু গোত্ৰ :

বাসস্থান আৰু বিভিন্ন কাৰণবশতঃ মিৰিসকলক প্ৰধানকৈ আঠোটা খেলত ভাগ কৰিব পাৰি। যেনে 'চায়াং' বা চায়েঙীয়া, 'আয়ন' বা আয়েঙীয়া, 'মযিং' বা মযেঙীয়া, 'দেলো' বা 'ডায়োডায়ে,' 'পাগৰ', 'দাবুক', 'চামুগুৰীয়া' আৰু 'তামাৰ'।

সম্ভৱতঃ চামুগুৰীয়া আৰু তামাৰ খেলৰ মানুহেই পোন প্ৰথম ভৈয়ামলৈ নামি আহিছিল। তেওঁলোক ভৈয়ামলৈ অহা সময়ত অন্যান্য মিৰি মানুহ নাছিল কাৰণে আন মিৰি সম্প্ৰদায়ৰ লগত ভাবৰ আদান প্ৰদান কৰিব নোপোৱাত নিজ কথাভাষা বা মৌখিক ভাষা পাহৰি যাব পাৰে। বৰ্তমান এওঁলোকে অসমীয়াতেই কথা বতৰা কয় যদিও অন্যান্য সকলো বিষয়ত মিৰি সকলৰ লগত মিল আছে। বাসস্থান আৰু অন্যান্য কাৰণত মিৰিসকলৰ মাজত কেইবাটাও খেল হৈ পৰিল যদিও এটা খেলৰ এক গোত্ৰৰ মানুহ আন এটা খেলতো দেখিবলৈ পোৱা যায়। যেনে 'বৰি' গোত্ৰৰ মানুহ চায়েঙীয়া খেলতো থাকিব পাৰে আৰু মযেঙীয়া খেলতো থাকিব পাৰে। সেইদৰে 'মিৰ পাংকং' গোত্ৰৰ মানুহ আয়েঙীয়া খেলতো দেখা যায় কিম্বা 'দাবুক' খেলতো থকা দেখা যায়। মিৰিসকলৰ মাজত একেগোত্ৰৰ ভিতৰত চন্দ্ৰ সূৰ্য্য থাকে মানে কেতিয়াও বিয়া হব নোৱাৰে। একে গোত্ৰৰ বা একে জাতৰ মানুহ তেওঁলোকৰ ভিতৰত সদায় ভাই-ককাই হৈয়েই থাকিব। পেগুৱে পেগুক পায়েঙে পায়েঙক যুগ যুগ পাৰ হৈ গলেও কেতিয়াও বিয়া কৰাব নোৱাৰে। মিৰিসকলৰ মাজত 'বৰি' 'মিৰ পাংকং', চুংগা-চুবাং,' 'কম্বাং', 'চ-ৰ' আদি বহুতো গোত্ৰ আছে। তাৰ শেষ দিয়া সহজসাধ্য নহয়। সেইদৰে বিভিন্ন গোত্ৰৰ 'পায়েং' 'পাযে' 'পেৰতিন' 'পেকম,' 'মলে' 'পেগু' আদি বহুতো আন মিৰিৰ মাজত আছে, সেইসকলক উল্লেখ কৰাও সম্ভৱ নহয়।

## শাৰীৰিক গঠন ঃ

মিৰিসকল তিব্বত-বৰ্মী বা মঙ্গোলীয় জাতিৰ মানুহ। তেওঁলোকৰ শাৰীৰিক গঠন অন্যান্য মঙ্গোলীয় জাতিৰ লগত প্ৰায় একেই। এওঁলোক বৰ ওখ কিম্বা বৰ চাপৰো নহয়। ওখ বগা নহলেও শৰীৰৰ-বৰণ প্ৰায় বগা। হাত ভৰি নোমাকম আৰু শৰীৰ হৃষ্ট-পুষ্ট। নাক সাধাৰণতে চুটি আৰু গাল উঁচা। মূৰ কাণৰ পৰা কপালত উঠা নহা কৰা কাৰণে এওঁলোকৰ ভৰিৰ কপাহুল সকত।

শাৰীৰিক গঠনলৈ চাই অনেক সময়ত এওঁলোকক মিৰি জনজাতিৰ মানুহ বুলি চিনিব পৰা যায়।

## সামাজিক আৰু ঘৰুৱা জীৱন :

মিৰিসকলৰ মাজত বহুতো পৰিয়াল লগ লাগি একে ঘৰতে বাস কৰা নিয়ম আছে। ঘৰৰ সকলো মানুহ মুখিয়ালজনৰ দিহামতে চলে। ঘৰৰ আয়-ব্যয় মুখিয়াল জনৰ পৰামৰ্শ মতেই কৰা হয় যদিও ঘৰত তিৰোতাসকলে বেলেগে কুকুৰা গাহৰি পুহি কাপোৰ বৈ বেলেগে নিজৰ যাৱতীয় খৰচ উলিয়াই লয়। পুৰুষসকলেও ঘৰৰ সমূহীয়া কাম পতি নকৰি আজৰি সময়ত 'ৰিকচেং' বা বেলেগে মাহ সৰিয়হ আদিৰ খেতি কৰি নিজৰ লাগতিয়াল খৰচ উলিয়াই লয়। মিৰি তিৰোতাসকল বৰ পৰিশ্ৰমী। পুৱাৰ পৰা গধূলিলৈকে ঘৰুৱা কামত ব্যস্ত থাকিও তেওঁলোকে নিজে বৈ কাটি নিজৰ পিন্ধা উৰা কাপোৰ যোগাৰ কৰে। মিৰি-সকলৰ পুৰুষ আৰু তিৰোতা উভয়েই সমানে পৰিশ্ৰম কৰে।

ঘৰখনৰ মানুহে যেনেকৈ ঘৰৰ মুখিয়াল জনক সন্মান কৰি চলে, তেনেকৈ বয়োবৃদ্ধসকলক সমাজে সন্মান কৰে। গাঁৱত হাই-কাজিয়া হ'লে বা কোনোবাই দায় লগালে 'কেবাং' চাপে অৰ্থাৎ সমাজ গোট খায়। সমাজত বয়োবৃদ্ধ সকলেই বিচাৰ কৰি ৰায় দিয়ে। অতীজত 'গাম' সকলেই সমাজৰ প্ৰধান লোক আছিল।

মিৰিসকলৰ সামাজিক জীৱন শান্তিপূৰ্ণ। ঘৰখনৰ ভিতৰত যেনেকৈ মুৰব্বী-জনৰ দিহা পৰামৰ্শ আৰু উপদেশমতেই ঘৰৰ সকলো মানুহ নিজজানভাবে চলি থাকে, তেনেকৈ বয়সীয়ালসকলৰ দিহা পৰামৰ্শমতেই গাওঁখনো একে নীতি একে নিয়মৰ মাজত নিয়াৰিকৈ চালিত হয়। সমাজত সকলো পৰ্ব উৎসৱাদি গাঁৱৰ বা সমাজৰ সকলো লোক একেলগে হৈ একে ভাবে পালন কৰে।

## আচাৰ ব্যৱহাৰ :

মিৰিসকল স্বভাৱতে শান্ত প্ৰকৃতিৰ. উৎসৱাদিত নাচ-বাগ কৰি তেওঁলোকে ভাল পায়। পুৰুষ-তিৰোতা উভয়ে একেলগে নাচবাগ কৰিব পাৰে। আনন্দৰ কাৰণেই তেওঁলোকে নাচ যোৱানি কৰে। সেই নাচ-যোৱানিত কোনো কলুষতা সোমাই থাকিব নোৱাৰে। "কাইঃ যোৰ চোপ বোৱাটো ভাল হোৱা নাই।" "নোৱাই,

ভোৰ ঢোলৰ চেওটো বৰ খৰ হৈছে। নাচিবলৈ বেয়া"। এনে ধৰণে নাচনী ছোৱালীয়ে দদায়েক বা মোমায়েকক কব পাৰে। দদায়েক বা মোমায়েকেও ভতিজা বা ভাগিন ছোৱালীক নচুওৱাত কোনো বাধা নাই। কাৰণ তেওঁলোকৰ নাচ যেমালি এটা অহৈতুকী আনন্দ। "ককায়েকে ঢোল বায়, ভনীয়েকে নাচে" বোলা কথাত তেওঁলোকৰ কোনো অপমান নাই ; কিয়নো তেওঁলোকৰ উৎসৱাদিত নচা নাচ বিলাকৰ কিছুমান অৰ্থ বা উদ্দেশ্য আছে। নৰাছিগা বিহু বা' "প'ৰা'গুৰ" নচা নাচ সামাজিক হলেও মূলতঃ ই আন এখন সমাজৰ আশীৰ্বাদ বা মিলা-প্ৰীতি পাবৰ কাৰণে কৰা প্ৰচেষ্টা। কিয়নো সেই উৎসৱত এখন গাওঁৰ ডেকা গাভৰুৱে আন এখন গাওঁৰ ডেকা গাভৰুক নাচ যেমালি আৰু উৎসৱৰ মাজেদি সন্তোষ দিবলৈ চেষ্টা কৰে। দেওধাইৰ লগত গাভৰু ছোৱালীয়ে নচা নাচ ধৰ্মমূলক। কিয়নো দেওধাইৰ লগত নাচিবলৈ দেওধাইৰ দেও উঠিব। দেও উঠাৰ পিচত দেওধায়ে গাওঁৰ বা সমাজৰ আগন্তুক অপায় অমঙ্গল আৰু তাৰ প্ৰতিকাৰৰ কথা কৈ দিব। "আলি আই লিগাং" বা খান বোৱা বিহুত নচা নাচ বিশ্বাসপ্ৰসূত ধৰ্মমূলক ; কিয়নো মিৰিসকলৰ ই এটা পৰ্ব বা উৎসৱ যদিও এই উৎসৱ পৃথিবীত শস্য বৃদ্ধিৰ কাৰণে দেৱতাক সন্তুষ্ট কৰিবলৈ কৰা এটা প্ৰচেষ্টা। সেই কাৰণেই এই উৎসৱত ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, লৰা-ছোৱালী সকলোৱে অবাধে নাচ যেমালি কৰিব পাৰে। তেওঁলোকৰ বিশ্বাস যে প্ৰাণ ভৰি নানাচিলে দেৱতা বিতুষ্ট হব আৰু মেৰ দেৱতাই পৃথিবীলৈ পানী নপঠাই নানিব। ফলত পৃথিবীত শস্যৰ উৎপাদন কম হব।

মিৰিসকলে অতিথি শুশ্ৰূষা কৰি ভাল পায়। তেওঁলোকে তাছেৰে নিজে তৈয়াৰ কৰা "আপং" নামৰ পানীয় পাত্ৰ ব্যৱহাৰ কৰে আৰু তাৰেই সকলো সময়ত অতিথি শুশ্ৰূষা কৰে।

হিন্দু ধৰ্ম গ্ৰহণ কৰিছে যদিও মিৰিসকলৰ কিছুমান বেলেগ সকাম নিকাম, পৰ্ব উৎসৱত মিৰিসকলে "আপং" ব্যৱহাৰ কৰে। তেওঁলোকৰ দেৱ দেৱীৰ উদ্দেশ্যেও তেওঁলোকে 'আপং' উৎসৰ্গা কৰে। খেতিয়েই মিৰিসকলৰ প্ৰধান জীৱিকা। মিৰিসকলে বিশেষকৈ তিৰোতা সকলে সাধাৰণতে নিজে বোৱা কাপোৰ কানি পিন্ধে। তেওঁলোকে নিজৰ সাপতিয়াল বস্ত্ৰ নিজেই উপাৰ্জন কৰি লয়। মিৰি সমাজত দাস প্ৰথা নাই কিম্বা তেওঁলোকৰ সমাজত উচ্চ-নীচৰ কোনো প্ৰভেদ নাই। সমানে সকলো লোৱা দোৱা কৰিব পাৰে। তেওঁলোকৰ সমাজত

পলুৱাই নি বিয়া কৰা, 'তুকৃণা লানাম', 'কুমচুজচুগ লানাম,' 'মিদাঙ মগা লানাম,' 'কুমচুজচুগ লানাম', 'মিদাঙ মগা লানাম,' জোৰণ পিন্ধাই ছোৱালী অনা আৰু বিয়া পাতি ছোৱালী অনা প্ৰথা আছে। বিয়াৰ এই নিয়মবোৰ তেওঁলোকৰ নিজৰ।

**পূজা পাতল আৰু উৎসৱ :**

মিৰিসকল হিন্দুধৰ্মী যদিও তেওঁলোকৰ কিছুমান নিজ পূজা সেৱা আৰু উৎসৱ আছে। মিৰিসকলে "তালেং উয়ু" বুলি ওপৰ দেৱতা, 'দু-মুৰ্গ', দংবাং, 'মুগলিং' 'তাকাৰ,' 'দক্ৰি', 'পল,' (মেঘ, বিজুলী, তৰা, চন্দ্ৰ, সূৰ্য) আদিক পূজা কৰে। 'প্ৰাচাগ' আৰু 'গিয়াতি, বুলিও নপুৰুষীয়া সকাম পাতে। তাৰোপৰি বছৰি 'দুবুৰ' বুলি পৃথিৱীত শস্য হবৰ কাৰণে এটা পূজা পাতে। বছৰি "দুবুৰ' পূজা নাপাতিলে গাওঁত মানুহ আৰু গৰু-মহৰ অপায় অমঙ্গল হব পাৰে বুলি তেওঁলোকৰ বিশ্বাস। মিৰি সকলে কাতি বিহু, মাঘ বিহু আৰু বহাগ বিহু পালন কৰাৰ উপৰিও আহিন কাতিমাহীয়া আহুধান চপাই শেষ কৰি 'প'ৰাগ' (নৱাছিগা বিহু) পাতে। আহু ধান সিচিবৰ সময়ত "আলি আই লিগাং" বা চমুকৈ" বা চমুকৈ 'লিগাং' (ধান বোৱা বিহু বা কঠীয়া সিচা উৎসৱ ) পাতে। এই লিগাং বা ধান বোৱা বিহুত তেওঁলোকে বৰষুণ বজাই মেঘ দেৱতাক সজাগ কৰে। মাটি নাচি তেওঁলোকে আকাশৰ পৰা পানী নমাই আনি পৃথিৱীক শস্য-শ্যামলা কৰিবলৈ উঠি পৰি লাগে।

**গীত-মাত :**

মিৰিসকলৰ নিজা মৌখিক ভাষাত ৰচনা কৰা অনেক গীত আছে। ইয়াৰ বনগীতবোৰ প্ৰায়ে ছন্দবীয়া। যেনে—

'বা-বা দবতুমতেই, না-না দবুতুমতেই,
দবতুম্ মামিল বনবাসেম গিয়েপে';

( আই, বোপাই বিয়ান ধন লাগে ভবি হলেও ছোৱালীজনী (প্ৰণয়িনী)ক বাৰু, তাকে যদি কৰা নহয় মই বনবাস খাটিবলৈ যাম।) ডেকা-গাভৰুৰ প্ৰণয় হোৱাৰ সময়ত মিৰি ডেকা গাভৰুৱে মুখে মুখে ৰচনা কৰা এই বনগীতবোৰৰ প্ৰায় আটাইবোৰ প্ৰণয় প্ৰসঙ্গত। এই বনগীতবিলাকৰ বাহিৰেও দ'বা মিচুৰুণী গীতো মিৰি

সমাজত প্ৰচলন আছিল ! বৰ্ত্তমান 'মি মি' তকা তাত্‌মান তকা……' বুলিবলৈ এৰি—

"মোৰ মইনা সৰু, বাথে বৰে গৰু
এছাৰি হেকৰাই কান্দে হে"

বুলি লৰা নিচুকালেও ঠায়ে ঠায়ে

"অয়া কউৱা কায়ম,
পেকাউৱে মেমাদা"

(মইনা নাকান্দিবা, এতিয়াও বাহৰ চৰাই কপৌবোৰ উৰি যোৱা নাই )। (চৰাই পোৱালি আনি দিয়া অৰ্থত ) ইত্যাদি ধৰণৰ লৰা নিচুকনী গীত প্ৰচলিত আছে।

মিৰি সমাজৰ মাজত প্ৰচলিত সকলখিনি সাধুৱেই আদিম মানৱৰ বিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত যাক ইংৰাজীত Myth বুলিব পাৰি। পৃথিৱীলৈ ভূত প্ৰেত বিলাক কেনেকৈ আহিবলৈ পালে, নানা ধৰণৰ প্ৰাণীবিলাকৰ জন্ম কেনেকৈ হ'ল এনে ধৰণৰ সাধুকেইবোৰ বেছিকৈ দেখিবলৈ পোৱা যায়।

মিৰিসকলৰ মৌখিক ভাষাত কিছুমান যোজনা পটন্তৰো পোৱাই থকা দেখা যায়। 'তাবি চিমাং কবকমা' (মৰা সাপ নেই নেযোৱা, তাৰ অৰ্থ হল কাৰো অপকাৰ নকৰা। 'চিৰে আম জনে দম, চিমুক মেনং গেমৰ' ( বৰটে ধান খাই, সুগৰী পছৰ কাণ কাটে ) অৰ্থাত এজনে অন্যায় কৰে, দোষ পৰে এজনৰ গাত। এনে ধৰণৰ পটন্তৰ মিৰিৰ মৌখিক ভাষাত বহুত আছে।

**জন বিশ্বাস :**

মিৰি সমাজত কিছুমান জন বিশ্বাস প্ৰচলিত হৈ থকা দেখা যায়। কুকুৰাই যদি কাণে কাণে কথা পতাৰ নিচিনা কৰি থাকে তেতিয়া তেওঁলোকে আপদ আহিব বুলি বিশ্বাস কৰে। অকণশৰীয়াকৈ বৰ ঘৰৰ মূৰত যদি কপৌৱে কণ দিয়ে, তেওঁলোকে বিশ্বাস কৰে যে সেই ঘৰৰ কোনো উপৰি পুৰুষৰ আত্মাই কপৌ কণ ধৰি আনিছে। তঁৰালত যদি কণ টিকিকা চৰাই সোমায় তেতিয়া তেওঁলোকে বিশ্বাস কৰে যে কিবা বেমাৰ আজাৰ হোৱাৰ আশংকা আছে। এনে ধৰণৰ বহুতো জন বিশ্বাস মিৰি জন-জাতিৰ মাজত পোৱাই যায়।

# খ. লুইত পৰীয়া মিচিং সংস্কৃতি

ভৃগুমুনি কাগয়ুং

প্ৰাকৃতিক সৌন্দৰ্য্যৰে পৰিৱেষ্টিত অসম ভৰপূৰ লোক সংস্কৃতিৰ উৰ্বৰা উৎস ভূমি। বুৰঞ্জীৰ বিস্মৃত যুগতে অসমৰ উত্তৰ পূব প্ৰান্তৰ পৰা নিজৰি নিজৰি বৈ অহা দক্ষিণাভিমুখী দিহং, দিবং, লোহিত, সোৱণশিৰীৰ পবিত্ৰ জল ধাৰাই বোৱাই আনিলে উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন জন জাতীয় জনসংস্কৃতি; উত্তৰাভি-মুখী দিহিং, দিচাং, দিখৌ, ভোগদৈ, ধনশিৰীয়ে বোৱাই আনিলে দক্ষিণাঞ্চলৰ বিভিন্ন পৰ্ব্বতীয়া জনজাতীয়-সংস্কৃতি, পূৰ্ব্বগামী পশ্চিমৰ বিভিন্ন জাতি সমূহে লগত আনিলে একো একোটা সংস্কৃতি, অসমৰ খিলঞ্জীয়া জাতিসমূহৰ সংস্কৃতিয়ে সকলোকে জনালে স্বাগতম আৰু সংমিশ্ৰিত জাতিপুঞ্জৰ ধৰ্ম, দৰ্শন, ভাষা, সাহিত্য, আচাৰ-নীতি, গীত-পদ বাদ্য-নৃত্য, জ্ঞান-বিজ্ঞান, সভ্যতাৰ আদান-প্ৰদানৰ মহামিলনত আগন্তুকে আনুকূল বাচি অসমৰ বিস্তৃত ভৌগোলিক পৰিৱেষ্টনে ৰচনা কৰিলে এক অসমীয়া মহাজাতি। লুইতপৰীয়া সংস্কৃতি বা অসমৰ লোক সংস্কৃতি। অসমৰ এই লোক সংস্কৃতিত মিচিং জাতীয়ে যি অৱদান যোগাইছে তাক কোনেও তুচ্ছ কৰিব নোৱাৰে আৰু মিচিং সংস্কৃতিৰ বৰণগুণিয়ে অসমীয়া লোক সংস্কৃতিক দুগুণে সোণত সুৱগা চৰাইছে।

আজি মিচিং জাতিক অসমৰ তথা ভাৰতবৰ্ষৰ এটা ভৈয়ামৰ জনজাতি বুলি বিশ্বৰ লোক সমাজে স্বীকৃতি দিছে কিন্তু শ শ বছৰ ধৰি নামান্তৰ হোৱা মিচিং বা মিৰি শব্দৰ উৎপত্তি সম্বন্ধে বিজ্ঞানসম্মত যুক্তি বিচাৰত বুৰঞ্জী নীৰৱ, নিযাত। অসমৰ পূৰ্ব্বাঞ্চলৰ পৰা মিচিং জাতিয়ে ভেজিয়া আৰু কিয় সোণকণৰ অথলাইদি ("আআন মুৰ্কং কৰাদক কৰয়িণা সিমন" জনশ্ৰুতি) ভৈয়ামৰ সেন্দুৰী আলিদৈ নামি আহিছিল আৰু সুৱলা সুফলা বিশাল লুইত, ব্ৰহ্মপুত্ৰ, সোৱণ-শিৰীৰ তৰনি বালিচৰত পাৰাপাৰ ভূমি নদী কেন্দ্ৰিক সভ্যতা সংস্কৃতি জোট বান্ধিছিল এনেবোৰ কথাত আজিৰ ন-পুৰণি ইতিহাসৰ পাত হাত চেৰা সমাজৰ মৌন নিস্তব্ধতাই বিৰাজ কৰিছে। আজি অনুসন্ধিৎসু আৰু ন-ন তথ্য-জিজ্ঞাসুৰ দলে কিন্তু নীৰৱে হাত সাৱটি বহি থকা নাই বৰঞ্চ জীয়া সমাজৰ আজিৰ

যোকাম, কৃষ্টি, সংস্কৃতি, সভ্যতাৰ ভিত্তিত যি অলপ অচৰপ আৱশ্যকীয় সমল উদ্ধাৰ কৰিব পাৰিছে তাৰ ওপৰত গৱেষণাৰ কাম আৰম্ভ কৰিছে আৰু কিছু পৰিমাণে কৃতকাৰ্য্যও হৈছে।

আজি দুৰি শতিকাৰ নৃতাত্বিক, প্ৰত্নতাত্বিক আৰু ঐতিহাসিক সকলে বিজ্ঞানসম্মত ভাৱে গৱেষণাৰে ঠাৱৰ কৰিছে যে মিচিংসকল পূৰ্ব্বাদিত সুদূৰ ইউৰোপীয়াৰ মঙ্গোল দেশৰ মঙ্গোলীয় কৈৱৰ লোক আছিল আৰু বহু হাজাৰ বছৰৰ আগতে সেই গোষ্ঠীয়ে এচিয়া মহাদেশৰ দক্ষিণ ফালে অৰ্থাৎ ভাৰতবৰ্ষৰ উত্তৰ ফালে থকা মহাচীন, তিব্বত, ব্ৰহ্মদেশত বসতি বিস্তাৰ কৰিছিল। কালক্ৰমত ইয়াৰ এটা ঠালে অসমৰ উত্তৰ পূৱ অঞ্চলত বসবাস কৰে আৰু ক্ৰমে ক্ৰমে সীমান্তৰ পাদভূমিলৈ নামি আহে। এই ঠাইত পুৰুষানুক্ৰমে বহু বছৰ বসতি কৰাৰ পাছত কেবাটাও বজাতীয় ঠাল বা মানুহ গোষ্ঠীৰ সৃষ্টি হয় আৰু দিনক দিনে জনসংখ্যা বৃদ্ধি হৈ অহাত নিজৰ সুযোগ সুবিধাৰ কাৰণে তলৰ সমভূমিলৈ বসতি বিস্তাৰ কৰে। সেই বসতি বিস্তাৰৰ উল্লেখযোগ্য বহুতো কাৰণ জনশ্ৰুতিয়ে আজিও কয়। তাৰে ভিতৰত এটা কাৰণ আছিল, যুদ্ধপৰায়ণ দুৰন্ত প্ৰবৃত্তিৰ অন্যান্য গোষ্ঠীসমূহৰ লগত সদায় যুদ্ধত লিপ্ত হৈ থাকিব লগা হোৱাত সহজ সৰল শান্তিপ্ৰিয় নিৰীহ, প্ৰকৃতি-সন্তান মিচিং গোষ্ঠীয়ে অশান্তিত জীৱন যাপন কৰিবলগীয়া হয় আৰু শেষত বিশাল অসমৰ ভৈয়ামৰ অভিমুখে কাঠৰ ভূৰ বান্ধি জল পথেদি নিজৰ পৰিয়ালবৰ্গকলৈ ভটিয়নী সোঁতত ভটিয়াই আহে।

অসমৰ সমতল ভূমিলৈ স্থানান্তৰিত হোৱাৰ শ শ বছৰৰ আগৰ পৰাই মিচিং গোষ্ঠীৰ লগত অসমৰ অৰ্থনৈতিক বেহা বেপাৰৰ সম্বন্ধ থকাৰ কথা আমি পুৰণি বুৰঞ্জীত আংশিক ভাৱে পাওঁ আৰু জনশ্ৰুতিয়ে স্বীকাৰ কৰে। অতীতত অসমৰ পূৰ্ব্বাঞ্চলত থকা নদ-নদী বান সুঁতি পাৰাপাৰ হোৱা সহজ সম্বন্ধ স্থাপন কৰিব পাৰিছিল। কিন্তু কালক্ৰমত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ পৰিবৰ্ত্তনে যাতায়াতৰ বিপৰ্য্যয় ঘটায় আৰু অবাধ গতিৰ প্ৰতিবন্ধক হৈ পৰ্ব্বত ভৈয়ামৰ সম্বন্ধ বিচ্ছিন্ন কৰে। আজিৰ বিশাল ব্ৰহ্মপুত্ৰ নদী আদি মহোৱা সহজে বিনা ভিৰলীয়া পাৰাপাৰ হোৱাৰ কাহিনী জন-প্ৰবাদ, জনশ্ৰুতিয়ে কয় আৰু তাৰ প্ৰমাণ লক্ষ্য কৰি ঠাৱৰ কৰিব পাৰি যে পৰ্ব্বতীয়া মিচিংসকলৰ লগত থকা ভৈয়ামবাসীৰ সম্বন্ধ বহু শ বছৰ পুৰণি

আৰু সেই সময়ত কোনো বিশেষ বাদ বিসম্বাদ নোহোৱাকৈ গতানুগতিক ভাৱেই চলি আছিল।

অসম সীমান্তৰ পাদপ্ৰদেশৰ পৰা মিচিংসকলে চুটিয়া ৰাজ্যৰ শেষৰ কালে অৰ্থাৎ আহোম সকলৰ আগমনৰ আগে আগে অসমৰ সমভূমিলৈ দলে দলে নামি অহাৰ কথা সকলোৰে প্ৰণিধান যোগ্য যেন লাগে। মিচিং সকলে অসমৰ সমভূমিলৈ নামি অহাৰ পাছত বিশেষকৈ দুইত ব্ৰহ্মপুত্ৰৰ পাৰাপাৰ জুৰি বসতি বিস্তাৰ কৰে আৰু এটা দলে ভটীয়াই গৈ দৰং জিলাৰ ভৰে-ভৰলী পৰ্য্যন্ত বসতি স্থাপন কৰে। শেষত ভৰে-ভৰলী নদীকে যাত্ৰাৰ শেষ সীমা কৰি এটা দলে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি ক্ৰমাত উভতি আহি সোৱণশিৰীৰ পাৰ ভৰি বসতি স্থাপন কৰে। মিচিং সকলে ব্ৰহ্মপুত্ৰৰ বুকুত ভুৰ বান্ধি নদীৰ সোঁতত উটিগৈ ব্ৰহ্মপুত্ৰ আৰু ভৰে নদীৰ সঙ্গম স্থলকে পশ্চিমৰ শেষ সীমা হিচাপে লোৱাৰ এটি ধুনীয়া জন আখ্যান আছে আৰু সেই জন আখ্যানৰ সত্যতা নিশ্চয় উপলব্ধি কৰা যায়। সেই জন আখ্যানৰ মতে নদীৰ বুকুত আৰু ঠায়ে ঠায়ে নদীৰ ঘাটত বৈ বৈ যাব লগা হৈছিল। এইদৰে বহু বছৰৰ পাছত ভুৰৰ নাও পচি, অহি-পহি অৱশিষ্ট নাৱৰ টিং ছুটি মাথো সেই সঙ্গম স্থল পাইছিলগৈ। সেই যাত্ৰাত কিমান বছৰ লাগিছিল সঠিক ভাৱে কব নোৱাৰিলেও বহু দূৰ আৰু বহু বছৰ লগাৰ কাৰণে পুনৰ নৌকা যাত্ৰাৰ নতুন পথা গ্ৰহণ কৰা নহ'ল। আদিম যুগৰ পৰাই মিচিং সকলে নদ-নদীকে সৰ্ব্বস্ব বুলি ভাবি নদী কেন্দ্ৰিক (নদী মাতৃক) সভ্যতা গঢ়ি তুলিছিল আৰু আজিও একে পথাকে অৱলম্বন কৰি আছে।

কালক্ৰমত মিচিং সকলে নিষ্ঠুৰ মানৱ একাধিকবাৰ আক্ৰমণৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি উজনি অসমৰ চাৰিওকালে নদ নদী নোহোৱা বিভিন্ন অঞ্চলত বসতি স্থাপন কৰে আৰু তাৰে ছুটা এটা দলে লগা পাহাৰৰ দাতি কাষৰীয়া ঠাই মৰঙ্গহাৰী, চণ্টক অঞ্চলত বিয়পি পৰে। মানৱ আক্ৰমণৰ ফলত অসমৰ ৰাজনীতি, অৰ্থনীতি, ধৰ্মনীতি, সমাজনীতি, কৌটিকলীয়া সমাজ বান্ধোন শিথিল হৈ ঐতিহ্যবো বিলথ্যয় ঘটে। সমগ্ৰ অসমত অসমীয়া প্ৰজাই জীৱন ধৰণত অগাজকা হৈ অসমৰ অটব্য অৰণ্যত, পৰ্বতে কন্দৰে স-পৰ্ণা কৰণ বসতি বিস্তাৰ কৰাৰ কথা অসমবাসীৰ অবিদিত নহয় আৰু আক্ৰমণৰ ফল স্বৰূপে বসতি বিস্তাৰেই নহয় বহু সমাজৰ মাজত বৰ্ণ বৈষম্য ছিন্ন-বিছিন্ন হৈ যায় আৰু বৈধ বা অবৈধ ভাৱে বৈবাহিক সংস্পৰ্শ হৈ সমাজৰ পৰিসৰ বৃদ্ধি পায়। সেই বৰ্ণ বৈষম্যহীন নতুন

সমাজৰ সূত্ৰপাত হোৱাৰ ফলত অসমৰ জনসাধাৰণৰ অন্তৰত অসমদেশ জন্মভূমি, পুণ্যভূমি, ভোগ্যভূমিৰ দেশাত্মবোধ জাগি উঠে আৰু এক অসমীয়া ভাষা, এক অসমীয়া জাতি, এক অসমীয়া লোক সংস্কৃতিৰ গতিত ধাবিত হয় আৰু সেই দেশাত্মবোধে অসমৰ জাতিপুঞ্জৰ বৈষম্য নেওচি জাতীয় সংহতি ৰক্ষা কৰাত ইন্ধন যোগায়।

আজি মিচিং বা মিৰি উৎপত্তি সম্বন্ধে দুই এক লিখকে আৰু বিজ্ঞ দুই এক লোকে দাঙি ধৰা যুক্তি আৰু মন্তব্য শব্দৰ ব্যুৎপত্তিগত অৰ্থ লৈ চালে বিজ্ঞান সম্মতভাৱে প্ৰণিধানযোগ্য নহয় যেন লাগে আৰু সেই সম্বন্ধে মতানৈক্য ঘটিছে। একোখন দেশত উৎপত্তি হোৱা যি কোনো শব্দৰ লগত সেই জাতিৰ আৰু সেই জাতিৰ ভাষাৰ লগত মূলগত ভাৱে সম্বন্ধ থকাৰ কথাটো লক্ষ্য কৰিলে মিচিং শব্দৰ সৃষ্টিৰ মূলত "মচ্যাগ" শব্দৰ ব্যুৎপত্তিগত ভাৱে কিবা ওচৰ সম্বন্ধ কথা যেন লাগে।

আমি 'মিৰি' শব্দৰ উৎপত্তি সম্বন্ধে কিন্তু একমত আৰু এইটো নিশ্চিত যে ইয়াৰ সৃষ্টি অ-মিচিঙৰ দ্বাৰা বা ভৈয়ামৰ পৰাহে হৈছে।*

---

* মিৰিসকল মূলতে বৰ্ত্তমান নেফাৰ চিয়াং জিলাৰ আদি সকলৰেই এটা শাখা আছিল। কিম্বদন্তি মতে তেওঁলোক ভিতৰৰ পৰা আদিসকলতকৈ আগে নামি আহিছিল। আদি সকল তেওঁলোকৰ পিছত নামি আহিছিল; আৰু শেষত 'কাবুক চিমং' নামৰ আদি ঠাইৰ অঞ্চলবিলাকত তেওঁলোকক আদি সকলে লগ ধৰিছিলগৈ।

তেওঁলোক নামি আহোঁতে দল বান্ধিহে নামি আহিছিল। তেওঁলোকে ভাল, সাৰুৱা আৰু নতুন ঠাই বিচৰাত প্ৰতিযোগিতা চলাইছিল। এইদৰে প্ৰতিযোগিতা কৰোঁতে তেওঁলোকৰ ভিতৰতে পৰস্পৰে পৰস্পৰৰ লগতে সংঘৰ্ষ আৰু কাজিয়াও কৰিছিল। কেতিয়াবা সংখ্যা গৰিষ্ঠ দলে সংখ্যা লঘু আৰু দুৰ্ব্বল দলক খেদি সেইবোৰ বলিষ্ঠ দলে দখল কৰিছিল। সেই কাৰণে দুৰ্ব্বল দলে বলী দলৰ সমকক্ষ হব নোৱাৰি নিজৰ আগৰ ঠাই এৰি অন্য ঠাইলৈ উঠি গৈছিল। দুৰ্ব্বল দলৰ দুৰ্ব্বলতাৰ সুবিধা লৈয়ে বলিষ্ঠ দলে তেওঁলোকক খেদি গৈছিল। অৱশেষত বলিষ্ঠ দলৰ আগত টিকিব নোৱাৰি দুৰ্ব্বল দলে পৰ্ব্বতৰ পৰা ভৈয়ামলৈ নামি আহিল আৰু আহোম ৰজাৰ তলত আশ্ৰয় লৈছিলগৈ। তেওঁলোক দল পাহাৰৰ পৰা নামি অহা বৰ্ত্তমান ভৈয়ামত থকা মিৰি বা মিচিং সকল।

তেওঁলোক ভৈয়ামলৈ নামি আহিছিল পাহাৰৰ নানান বাটেৰে। কথিত সুৰবীৰ মতে মিলি, সুবাং পাটিৰ আদি লোকবোৰ কেনাম পাহাৰেৰি ( [illegible] আদি,

মিচিং সকলে ভৈয়ামবাসীৰ লগত সম্বন্ধ স্থাপন হোৱাত অ-মিচিঙৰ মুখত মিচিং শব্দৰ উচ্চাৰণ অপভ্ৰংশ হৈ মিৰি শব্দ সৃষ্টি হোৱাটো সকলোৰে প্ৰণিধান যোগ্য। আজিও মিচিংসকলে অচিনাকি লোকৰ পৰিচয় লওঁতে "মিচিঙেয় মিপাগয়ে" অৰ্থাৎ মিচিং মানুহনে নহয় অন্য কুলীয়া মানুহ বুলিয়ে পৰিচয় লোধে। গতিকে আমি সমাজৰ আচাৰ নীতিৰ পৰা ঠাৱৰ কৰিব পাৰো যে "মিচিং" শব্দ স্বকীয় আৰু "মিৰি" শব্দ মিচিং শব্দৰ অপভ্ৰংশ মাথোন। শব্দৰ উৎপত্তি প্ৰসঙ্গত আমি ইয়াকো উল্লেখ কৰিব পাৰো যে মাত কথাৰ লগত জাতিৰ নেৰানেপেৰা সম্বন্ধ আজিৰে নহয়। মিচিং জাতিৰ ভাব প্ৰকাশৰ নিমিত্তে আৱশ্যকীয় শব্দৰ ভঁৰাল আছে আৰু সেই কাৰণে মিচিং সমাজে আন ভাষাৰ সহায় নোলোৱাকৈ স্বকীয় মাত কথাৰে পৰস্পৰে পৰস্পৰৰ লগত আজিও ভাব বিনিময় আৰু আদান প্ৰদান কৰি চলি আছে। সমতল ভূমিলৈ নামি অহাৰ পাছত হয়তো পাহাৰত নথকা যিবোৰ বস্তুৰ লগত নতুনকৈ পৰিচয় ঘটিছিল তেনেবোৰ বস্তুৰ নাম মিচিং সমাজৰ স্বকীয় নহয় আৰু ভৈয়ামত অসমীয়া বা অন্য ভাষাৰ পৰা প্ৰতিশব্দ নহলেও উচ্চাৰণৰ অপভ্ৰংশ হোৱা শব্দ গ্ৰহণ কৰিছে।

---

পাছি, মেৰ আদি পুৰণা বাটেৰে ) আহিছিল। টাযুং, টায়ে, টাইদ আদি খেলবোৰ ৰাপি পাহাৰেদি ( বৰ্ত্তমান পাজিন পাছিঘাট ৰাস্তা ) নামি আহিছিল। পাইত, পাম, পাযুম আদি খেলবোৰ টৰাণে আৰু জোগিং ( কেবাং, য়ে চিং, লেতুম আদিৰ ) পুৰণা বাটেৰে ভৈয়ামলৈ নামি আহিছিল। আদি সকলৰ কথিত বুৰঞ্জীত পেগু আৰু দলে খেলটো কোন বাটেৰে নামি আহিছিল তাৰ বিশেষ বিৱৰণৰ প্ৰমাণ পোৱা নাই। তথাপি এই কথা ঠিক যে পেগু আৰু দলেবিলাক এসময়ত বৰ্ত্তমান কাব্‌ক ( গাওঁ ) অঞ্চলত যে আছিল সেই কথা বৰ্ত্তমান প্ৰাইমেৰি স্কুলৰ ওচৰত থকা 'পেগু চিয়েং' নামৰ হ্ৰদটোৱে প্ৰমাণ কৰে। সেই পেগু চিয়েং নামটো পেগু বা ডেওঁলোকৰ নামেৰে নামকৰণ কৰা হৈছিল বুলি এটা জনবিশ্বাস আছে। সম্ভৱ সেই ছুটা খেল বাকী বিলাকতকৈ আগে জিয়াভৰ পৰা নামি আহিছিল। তেওঁলোক আগে অহাৰ বাবে অন্য জাতি বা খেলৰ সৈতে কোনো সংঘৰ্ষ বা কাজিয়া কৰা নাছিল। সম্ভৱ তেওঁলোক স্বইচ্ছাৰে পাহাৰীয়া ঠাই এৰি বসবাসৰ কাৰণে ভৈয়ামলৈ নামি আহিছিল। সম্ভৱ তেওঁলোক বৰ্ত্তমান অঞ্চলত থকা মিৰি বা মিচিং বিলাকতকৈ আগে ভৈয়ামলৈ আহি বসবাস কৰিছিল।

বৰ্ত্তমান মিৰি বা মিচিং সমাজত থকা ৰবি, বেগন, চাং আদি খেলবোৰ বাকী মিৰিবিলাকতকৈ বহুত পিছতহে ভৈয়ামলৈ নামি আহিছিল। তেওঁলোক

আদিম মানৱে গিৰি গুহা গহ্বৰত বাস কৰাৰ যুগতে সৃষ্টি কৰিলে আদিম মানৱৰ আদিম কৃষ্টি আৰু সভ্যতাৰ আদিম পুঁজি। আদিম মানৱৰ কৃষ্টিয়ে কালত ৰূপ পালে সংস্কৃতিৰ। আদিম অৱস্থাত পৃথিৱীৰ বিভিন্ন অঞ্চলত বিভিন্ন জাতিয়ে বা গোষ্ঠীয়ে কৃষ্টি সৃষ্টি কৰিছিল আৰু ক্ৰমবিকাশৰ পথত আগ বাঢ়িছিল। কালত বিভিন্ন মানৱ গোষ্ঠীৰ সংমিশ্ৰণ আৰু আদান প্ৰদানৰ ফলত কৃষ্টিৰ ক্ৰমবিকাশে সংস্কাৰৰ পৰ্যাপ্ত প্ৰসাৰতা লাভ কৰি জন মানৱৰ সংস্কৃতি স্বৰূপে পৰিগণিত হৈছিল। গতিকে আমি একোটা মানৱ গোষ্ঠীৰ স্বকীয় লোক সংস্কৃতিক বাদ দি মানৱ জাতিৰ অস্তিত্ব আৰু সভ্যতা কল্পনা কৰিব নোৱাৰো। যি জাতিয়ে জগতত যি কৃষ্টি সংস্কৃতিকেই সৃষ্টি নকৰক সেই জাতিৰ লগত সংস্কৃতিৰ নিৰৱচ্ছিন্ন-ভাৱে তেজমঙহৰ ওতঃপ্ৰোত সম্বন্ধ সদায় থাকিব। সংস্কৃতি জাতিৰ প্ৰাণ শক্তি, আৰু সমগ্ৰ জাতিটোৰ অতীত আৰু ভৱিষ্যত সংস্কৃতিৰ বুকুত নিহিত হৈ থাকে। সংস্কৃতি জাতিৰ প্ৰতীক আৰু যি জাতিৰ সংস্কৃতিৰ অপমৃত্যু ঘটিছে সেই জাতিও লগতে পৃথিৱীৰ পৰা বিলুপ্ত হৈ গৈছে।

---

সম্পূৰ্ণ আদি সকলৰেই একে বংশ। তেওঁলোক পাহাৰৰ পৰা ভৈয়ামলৈ নামি অহা বেছি দিন হোৱা নাই।

বৰ্তমান অসমৰ মিৰি বা মিচিং সকল যেতিয়া পাহাৰত আছিল সেই সময়ত তেওঁলোকৰ ভাষা (দোৱান), সংস্কৃতি, ধৰ্ম বিশ্বাস আদি একে আছিল। বৰ্তমান আদিসকলৰ বাৰি, পঙ্গুং, মেলং ইত্যাদি তেওঁলোকৰ সংস্কৃতিৰো প্ৰতিনিধিত্ব কৰিছিল। আদিসকলৰ জাতীয় উৎসৱ চলোং, এতৰ উঁজিং (অ'ৰাম), ম'পান, দবং ইত্যাদি তেওঁলোকৰো একে উৎসৱেই আছিল। এসময়ত বৰ্তমান লেকাৰ সমস্ত চিয়াং জিলা আৰু লুইত জিলাৰ কিছু অংশৰ আদিসকলৰ ভাষা মিচিং সকলৰ লগত একে ভাষাই আছিল। আদি সমাজৰ "মিৰি ইগাক" বোৰ মিচিংসকলৰো একে ধৰ্মানুষ্ঠানকেই আছিল। বৰ্তমান মিচিং আৰু আদি সমাজত প্ৰচলিত পুৰোহিত যুগতো একেই আছিল। দুই সমাজত প্ৰচলিত "মিৰি" বা মিবুবোৰৰ হিন্দু সমাজৰ পুৰোহিতবোৰৰ দৰে সমাজত এটা বিশেষ আসন থাকে।

হিন্দু সমাজত যেনেকৈ পুৰোহিত বা পূজাৰীবোৰে সকলো ধৰ্ম অনুষ্ঠান বোৰ পৰিচালনা কৰে, সেইদৰে আদি মিচিং সমাজৰ 'মিৰি' (পুৰোহিত) শ্ৰেণীটোৱে ধৰ্ম সকাম আদিও পৰিচালনা কৰে। পাহাৰৰ পৰা ভৈয়ামলৈ নামি অহাৰ পিছতো সেই "মিৰি" শ্ৰেণীটোৱে মিচিং সমাজত ধৰ্মানুষ্ঠানাদিৰ পৰিচালনা কৰিছিল।

এতিয়া প্ৰশ্ন হল যে সেই নতুনকৈ অহা দলটোৱে ভৈয়ামৰ মানুহবিলাকৰ দ্বাৰা 'মিৰি' বুলি নিজকে কেনেকৈ চিনাকি দিলে? সেই 'মিৰি' উপাধিটো তেওঁলোকৰ মূল সমাজৰ পৰা নামকৰণ কৰা নহয়। কিন্তু এই নামটো ভৈয়ামৰ

জগতৰ কোন এটা জাতিৰ সংস্কৃতিক আমি ঠেক গণ্ডীৰ মাজত লৈ আলোচনা কৰিব নোৱাৰো। সংস্কৃতিৰ পৰিসৰ সদায় বহল আৰু ইয়াৰ পবিত্ৰতা সদায় মধুৰ। কৃষ্টি সংস্কৃতিৰ ক্ষেত্ৰত মিচিং সমাজ চহকী আৰু অন্যান্য জাতিৰ সংস্কৃতিৰ তুলনাত উচ্চস্থান অধিকাৰ কৰিব নোৱাৰিলেও নীচ নহয়। আজি অসমৰ তথা ভাৰতৰ জাতীয় সংহতিৰ দিনত অসমৰ সংমিশ্ৰিত এক সংস্কৃতিত মিচিং সমাজে নিজৰ স্বকীয় সংস্কৃতিৰে বিশেষ বৰঙণি যোগাইছে আৰু মিচিং সমাজক জীয়াই ৰাখিছে। আজি অসমৰ পত্নুৱা সংস্কৃতিৰ সম্বন্ধত অসমৰ আচাৰ-ব্যৱহাৰ, মাত-কথা, ৰীতি-নীতি, ধৰ্মদৰ্শন, গীত মাত-বাদ্য-নৃত্য, ভাষা-সাহিত্য, জ্ঞান-বিজ্ঞান আদিৰ আদান প্ৰদানত নতুন জীৱন গঢ়ি উঠিছে আৰু সংস্কৃতিৰ ৰূপত বহল চৰাইছে।

---

মানুহবোৰে তেওঁলোকক দিয়া নাছিল। ভৈয়ামৰ মানুহবিলাকে সেই নতুনকৈ অহা মানুহ বিলাকক দেখি তেওঁলোকৰ ভাষা, সংস্কৃতি, ধৰ্মাদিৰ সম্পৰ্কে জানিবৰ ইচ্ছা হ'ল। তেওঁলোকে (ভৈয়ামৰ) ভাবিলে যে সেই নতুন মানুহবোৰ কৰপৰা আহিছে, কি জাতৰ মানুহ আৰু কি ধৰ্মাবলম্বী তাকে জানিবৰ খুব ইচ্ছা হ'ল আৰু সেই সম্পৰ্কে তেওঁলোকক (মিৰিবোৰক) সুধিলে। উত্তৰত সেই নতুনকৈ অহা মানুহবোৰে কলে যে তেওঁলোক পাহাৰৰ পৰা আহিছে আৰু তেওঁলোকৰ ধৰ্ম বা পুৰোহিত হ'ল "মিৰি"। সেই নতুনকৈ অহা মানুহ বিলাকক অন্য নাম দিবলৈ বিচাৰি নেপাই তেওঁলোকৰ ধৰ্ম বা পুৰোহিতৰ নামৰ 'মিৰি' নামৰে তেওঁলোকক নাম কৰণ কৰিলে। তেতিয়াৰ পৰা আজিলৈকে মিচিঙৰ ঠাইত "মিৰি" নামেৰে জনা জাত হল। বৰ্ত্তমান সেই "মিৰি" জাতিটো অসমৰ জনজাতি বিলাকৰ ভিতৰত এটা প্ৰধান জনজাতি ৰূপে পৰিগণিত।

এতিয়াও আদি বিলাকে "মিৰি" বিলাকৰ মিচিং বুলিয়েই কয়। আদি বিলাকে ভৈয়ামৰ মানুহ বিলাকক "মিপাক" আৰু "মিৰি" বিলাকক মিচিং বুলি কয়। কিয়? কাৰণ ইয়াত আদি আৰু মিচিংবিলাকৰ তেজৰ সম্বন্ধ এটা আছে। ইয়াত মিপাক মানে অতয় বা অথাটি আৰু মিচিং মানে আদি-সকলৰ ঘৰে খাটি বা তয়।* ]

[* NEFA Informatianত প্ৰকাশিত ১৯৬১ চনৰ মূল ইংৰাজী প্ৰবন্ধ The Derivative Meaning of Miri (Mishing)ৰ লিখক শ্ৰীটালাম তকৰ বি. এ.ৰ এই অংশ অসমীয়ালৈ অনুবাদ কৰিছে শ্ৰীগাগাং টাকি বি.এ. কেছে ]

# গ. মিচিং কৃষ্টিৰ ক্ৰম বিকাশ

শ্ৰীনবেশ্বৰ পাতেগাম

মিচিং কৃষ্টিৰ ক্ৰম বিকাশৰ কথা কোৱাৰ পূৰ্বে মিচিং সমাজৰ উত্‌পত্তি সম্বন্ধে আংশিক বিশ্লেষণৰ আৱশ্যক। মিচিং সমাজ কোন গোষ্ঠীৰ লোক অথবা মিৰি নামৰনো কেনেকৈ উত্‌পত্তি হ'ল—এই প্ৰশ্নৰ সমাধান দিয়া টান। এই সম্বন্ধে বিতং গৱেষণা কৰি লিখা কোনো বুৰঞ্জী নাই। ডঃ লক্ষ্মীদেৱীৰ 'অসম বুৰঞ্জী'ত 'মিৰি মানে মাজৰ মানুহ' বুলি, গেইটৰ অসম বুৰঞ্জীৰ "Miri means go between." ক অনুবাদ কৰিছে। গেইটৰ বুৰঞ্জীতকৈ তেওঁলোকৰ বুৰঞ্জীয়ে মিৰিৰ কথা বেছি কোৱা নাই। যি কি নহওক মিৰি শব্দটো আন জাতিৰ মানুহে দিয়া নামহে। মিৰিসকলে নিজকে মিচিং বুলিহে পৰিচয় দিয়ে। ডাঃ সুৰেশচন্দ্ৰ পেগুৱে মিচিং শব্দটো আদি 'মিৰি'ৰ অপভ্ৰংশ বুলিহে কব খোজে। আদিতে মিচিং সকল 'মিৰু' নামেৰে জনাজাত আছিল। Mirui বা 'মিৰুই'ৰ প্ৰকৃত প্ৰতিশব্দ দিয়া টান। ইয়াৰ প্ৰতিশব্দ দেওধাই বুলি কলেও বৰ ভুল নহব। তথাপি এইটো অনস্বীকাৰ্য যে মিৰি বা মিচিং সকল চিয়াং সীমান্ত অঞ্চলৰ আদি মিৰিৰ সমগোষ্ঠীৰ লোক তাত সন্দেহৰ অৱকাশ নাই।

মিচিংসকলে পাহাৰত বহুদিন বসতি কৰাৰ অন্তত বাস উপযোগী ঠাইৰ বা আৰ্থিক অৱস্থাৰ শোচনীয়তাৰ বাবেই হওক নাইবা আন কিবা প্ৰাকৃতিক দুৰ্যোগৰ বাবেই হওক, ক্ৰমে ভৈয়ামমুখী হৈ আহি বৰ্তমান তেজপুৰৰ ভৰলী নদীকে সীমা কৰি মিৰি পাহাৰবোৰকে নৈ কাষৰীয়া। যি কি নহওক কৃষ্টি শব্দ যে সংস্কৃতিৰ 'কৰ্ষণ' শব্দৰ অপভ্ৰংশ তাত দ্বিমত নাই। 'কৰ্ষণ'ৰ অৰ্থ খেতি কৰা। কিন্তু কৃষ্টি শব্দৰ অৰ্থ খেতি বুলি কলেই সম্পূৰ্ণ নহয়। ইয়াৰ অৰ্থ এটা বা সহজ কথাৰে বুজাই দিয়া টান। সূত্ৰ সৃষ্টি কৰাও টান। কৃষ্টি কেৱল এটা বিষয়তে আৱদ্ধ নথাকে। প্ৰকৃততে কৃষ্টি শব্দটোৰ আন এটা ৰূপ হৈছে সংস্কৃতি। কৃষ্টি আৰু সংস্কৃতি দুয়োৰে উত্‌পত্তি মূলতে এক। ইংৰাজী ভাষাৰ (Culture) শব্দৰ প্ৰতিশব্দ ৰূপেই ভাৰতীয় ভাষাত কৃষ্টি শব্দটোৰ সৃষ্টি। এজন বিশিষ্ট পণ্ডিতৰ মতে "পৃথিৱীত বিবিধাৰ অতি উত্তম কথা মানুহে জানিছে আৰু কৈছে তাৰে সৈতে নিজৰ পৰিচয় ঘটোৱাই হ'ল কৃষ্টি"। আন এজনৰ ভাষাৰে "কৃষ্টি হ'ল মানুহৰ শাৰীৰিক আৰু মানসিক গুণ কু কৰাৰ উন্নতি, বিকাশ কৰাৰ

উপায় আৰু তাৰ পৰা উৎপন্ন হোৱা নীতিসমূহ এটি অৱস্থা''। জগতবৰেণ্য কবি ৰবি ঠাকুৰকে প্ৰমুখ্য কৰি অনেকেই পোন প্ৰথমে কালচাৰ (Culture) শব্দটোকে ব্যৱহাৰ কৰিছিল। অৱশেষত কোনোৱে কৃষ্টি শব্দৰ প্ৰয়োগ কৰিলে। "কৃষ্টি"ক মিচিঙৰ নিজ দোৱানত "লিগলি" আৰু "সংস্কৃতি"ক "কিদি লিগলি" বুলি কোৱা হয়। কৃষ্টি বা "লিগলি" মোটামুটি হিচাবে এটি জাতিয়ে কৰা সকলো কামৰে সমষ্টি আৰু সংস্কৃতি বা "কিদি লিগলি" হ'ল সেই জাতিৰ উন্নত চিন্তা, কল্পনা আৰু কামৰ শ্ৰেষ্ঠ অংশখিনি। এই দুয়োটাৰ প্ৰভাৱ জাতিৰ মনত থাকি যায় যি প্ৰভাৱে এটা জাতিৰ জাতীয় ঐতিহ্য আৰু আদৰ্শ গঢ় দিয়াত সহায় কৰে। এনেদৰেই মিচিং কৃষ্টিও সমাজৰ বুকুত নিহিত আছে। কৃষ্টি সমাজৰ লগত নিবিড়ভাৱে সংশ্লিষ্ট থাকে। কোনো সমাজৰ ৰুচি অভিৰুচি, কথন মথন, পিন্ধন, উৰণ, খোৱা বোৱা, মৰম স্নেহ, আচাৰ ব্যৱহাৰ, নীতি নিয়ম, বিয়া সবাহ, খেতি কৰা পদ্ধতি, অন্ধবিশ্বাস বিলাকতে কৃষ্টি জড়িত থাকে। কৃষ্টি সূৰ্য্য নহয়, ই হৈছে সূৰ্য্যৰ বিকীৰিত পোহৰহে, যি পোহৰে পৃথিবীৰ চাৰিকোণত সমভাৱে সম্প্ৰসাৰিত হোৱাৰ উপৰিও ইয়াৰ পোহৰেৰে আমি দিন পাওঁ, দিনৰ পোহৰেৰে দৈনন্দিন কৰ্ত্তব্য-পথত অগ্ৰসৰ হওঁ। কৃষ্টিও তেনে এটি সূৰ্য্যৰ পোহৰ স্বৰূপ ৰীতি অথবা অৱস্থা যি ৰীতি বা অৱস্থাই কোনো এখন সমাজৰ বিভিন্ন স্তৰৰ মাজত সমভাৱে প্ৰভাৱ বিস্তাৰ কৰি সমাজৰ ঐতিহ্য অথবা জাতিৰ একতাত ইন্ধন যোগায়। সকলো জাতি উপজাতিৰেই কম বেছি পৰিমাণে নিজস্ব কৃষ্টি অথবা ধৰণ কৰণ আছে।

মিচিঙে যেতিয়া পোন প্ৰথমে 'আৰিগ ইমাম'' (খেতি কৰা) জ্ঞান আহৰণ কৰিলে আৰু "আৰিগ" (খেতিৰ) উপযোগী "আমং" (মাটি) বিচাৰি নৈ কাষৰীয়া অঞ্চলসমূহত বাস কৰিবলৈ ললে তেতিয়াৰপৰাই 'লিগলি'ৰো ক্ৰম বিকাশ হবৰ পৰিবে সমাজলৈ আহে।

আনহাতে মানুহৰ জীৱনত ''চমান মিৰমান' (ললিত কলাৰ) প্ৰভাৱ অসীম। ইয়াৰ চৰ্চাই মানুহৰ জীৱনত ৰূপ, গন্ধ, ৰসৰ বিতৰণ কৰে। যেতিয়াই মানৱ প্ৰাণত সৌন্দৰ্য্যবোধৰ প্ৰেৰণা আহে তেতিয়াই 'কিদি লিগ্‌লি''ৰো বিকাশ হয়। মিচিং মানুহে অন্তৰত সঞ্চাৰ হৈ উঠা আনন্দ আৰু চেতনামুখৰ ভাবৰাজিক এটি সুৰ, এটি স্বৰ বা লয়ৰ দ্বাৰা প্ৰকাশ কৰিবলৈ শিকিলে, এয়াই হৈছে আবহমান কালৰ পৰা চলি থকা মিচিং 'অইনিতম'। তেওঁলোকে বুজি উঠিলে 'অইনিতমে' আত্মাক আলোকিত কৰে আৰু প্ৰাণ বিকশিত কৰে। এই কাৰণেই বোধহয়

ভাৰতীয় চৌষষ্ঠি কলাৰ ভিতৰত সংগীতৰ আৰু অইনিতমৰ সৃষ্টিৰ কাৰণ একেই। ইয়াৰ সুৰ আৰু বৰ্ণনাৰ মাজেদি নিজৰ সমাজৰ সভ্যতা আৰু চিন্তা ধাৰাৰ প্ৰকাশ পায়। অইনিতমৰ সুৰ দি গোৱাৰ লগে লগে অন্তৰাত্মাত যেন কিহবাই উন্মাদনা আনে, গাৰ অংগী ভংগী দি শৰীৰ কৰি অৱশেষত অইনিতমৰ লগত সমন্বয় ৰক্ষা কৰি "পাকচ' চমান" ( নাচোনত ) ৰূপ লয়। তদুপৰি ঢোলৰ আৱশ্যকতাও উপলব্ধি কৰিলে আৰু ঢোলৰ চেৱে চেৱে নচা বা অইনিতম গোৱা কলাও আয়ত্তাধীনলৈ আহিল। তেনেকৈ মিচিঙৰ প্ৰাণত বিকশিত হোৱা আনন্দত আত্মহাৰা হোৱা ভাৱৰাশিৰ উত্তম উপায় স্বৰূপেই সৃষ্টি হ'ল "চমান 'বিস্মান"। মানুহে কৃষ্টি সংস্কৃতি একেদিনাই গঢ়ি লোৱা নাছিল। সভ্যতাৰ ক্ৰম বিকাশৰ লগে লগে মিচিং কৃষ্টিৰ ধাৰাও ক্ৰমে মিচিং সমাজত উদ্ভৱ হ'বলৈ ধৰে আৰু ই সময়ৰ সোঁতত এটি এটিকৈ নিগৰি ওলায়।

মিচিঙৰ বুদ্ধি উঠিছিল লজ্জা নিবাৰণৰ বাবে এখনি বস্ত্ৰৰ আৱশ্যক। চিন্তা ধাৰাৰ অভাৱ হ'লে উদ্ভাৱনী শক্তিৰো অভাৱ ঘটে। চিন্তা ধাৰাৰ কিছু বিকাশ হোৱাৰ লগে লগে জাতীয় সাজ পোছাক নিজ হাতেৰে তৈয়াৰ কৰি লবলৈ শিকিছিল আৰু কপাহ খেতিও কৰিছিল। "মিৰিজিম" কপাহ খেতি ইয়াৰ জ্বলন্ত নিদৰ্শন। ইয়াৰ নিৰ্মাণ হয় মিচিং তিৰোতাৰ আঙুলি মূৰত। তাৰোপৰি প্ৰকাৰান্তৰে কপাহৰ সূতা কাটি "গনৰ উগন" "গাপাগাৰে", "বিবি গাচেং", "যাৰ", আদি জাতীয় সাজ মিচিং তিৰোতাই তৈয়াৰৰ জ্ঞান আহৰণ কৰিলে। কাপোৰত ফুলবচা নিজ হাতেৰে মিচিং তিৰোতাই তৈয়াৰৰ জ্ঞান আহৰণ কৰিলে। কাপোৰত ফুলবচা আৰু ৰং-বিৰং কৰিবলৈকো ক্ৰমে শিকে। সম্ভৱতঃ জন-জাতি-লোক সকলেই অসমত লোনতে ৰং শিল্পৰ প্ৰবৰ্তন কৰিছিল। সেই জনজাতি-সকলৰ ভিতৰত মিচিঙে আজিও উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে—বয়ন শিল্পত। মিচিঙৰ বয়ন শিল্প এটা প্ৰশংসনীয়া শিল্প। নীল আদি নানাবিধ ৰং সম্বৰ শিপা, পাত, বাকলি আৰু অন্যান্য কিছুমান বস্তু লগ লগাই মিচিঙেও নিজে ৰঙা, নীলা, কলা, হালধীয়া আদি সুন্দৰ ৰং প্ৰস্তুত কৰি কাপোৰ বোলাই লোৱাটো সৌন্দৰ্য বোধৰ জ্বলন্ত নিদৰ্শন।

সভ্য মানুহে একপ্ৰকাৰ "গনৰ উগন" আদি কাপিৰ বুদ্ধি লওঁ আঠুৰ তললৈকে বৈ পৰাকৈ টানকৈ কঁকালত মেৰিয়াই পিন্ধা কথাটো আয়ত্তাধীন কৰি লোৱাৰ লগে লগে বুকুত এক প্ৰকাৰ "ফুমৰ"ও (পাৰকিট) পিন্ধিছিল। তিৰোতা-

বিলাকে এক প্ৰকাৰ থাক পিন্ধিছিল। অসমীয়াত সেই থাকক "গামথাক" আখ্যা দিয়ে। তাৰোপৰি 'দগ্লে' বুলি এবপ্ৰকাৰ হালধীয়া মণি পুৰুষ তিৰোতা উভয়েই পিন্ধিছিল। ইয়াক মূল্যবান অলঙ্কাৰ হিচাবেই গণ্য কৰা হৈছিল। আজিও 'আদি' জনজাতীয় লোকসকলে উক্ত 'দগ্লে' নামৰ মণি বিচাৰি মিচিং গাওঁলৈ আহে। মিচিং তিৰোতাই সৌ সিদিনালৈকে 'গলপতা', মাদুলি, দুগদুগী, জাংফাই কেৰু বাপকৰূপেই ব্যৱহাৰ কৰিছিল অৱশ্যে এতিয়াও এইবিলাকৰ ব্যৱহাৰ দুই এখন মিচিং গাওঁত প্ৰচলিত নোহোৱা নহয়। মিচিং মানুহৰ প্ৰধান জীৱিকাৰ উৎস হৈছে কৃষি। লোণৰ অভাৱত এক প্ৰকাৰ গছৰ বাকলি চোবাই খাই সেই অভাৱ পুৰাইছিল। মাংসৰ ভিতৰত গাহৰি যেঠোনেই আছিল যদিও আপং খোৱা ৰীতি মিচিঙৰ পৰম্পৰাগত।

মিচিঙৰ আদিৰে পৰা নিজা মাত কথা আছে। অৱশ্যে লিখিত বুৰঞ্জীৰ অভাৱ এতিয়াও আছে। ইজনৰ মনৰভাৱ সিজনৰ আগত প্ৰকাশ কৰিবলৈ কৰা প্ৰবল ইচ্ছা আৰু নিদৰ্শন স্বৰূপে মিচিঙৰ নিজা মাত সৃষ্টি হৈছে। আনহাতে প্ৰকাশৰ মাধ্যম হৈছে ভাষা। প্ৰকাশৰ বাহন স্বৰূপে মিচিং কথাত সুকীয়াকৈ প্ৰচলন থকাৰ কাৰণে নিজ জাতিৰ মানুহৰ লগত দোৱানেৰে কথা বতৰা হয়। ব্যক্তিগত জীৱনতকৈ সামূহিক জীৱন বেছি মধুৰ আৰু সুখকৰ। ব্যক্তিগত জীৱনত যেতিয়া নানান প্ৰাকৃতিক দুৰ্যোগ আৰু বিভিন্ন অপায় অমঙ্গলে দেখা দিলে তেতিয়াই মিচিঙেও আপ্ৰাণ চেষ্টা চলাই সামূহিক ভাৱে জীৱন যাপন কৰাৰ কথা চিন্তা কৰি পালে। তেওঁলোকৰ সকলো কাম হৈছিল দৈনন্দিন জীৱনত পোৱা অভিজ্ঞতাৰ পৰা। সামূহিক অপৰিহাৰ্য্য অংগস্বৰূপে কিছুমান মৌলিক অভাৱ অনুভৱ কৰিছিল। কৰ্মময় আৰু বিৰামবিহীন জীৱনক অৱকাশ দিবলৈ আৰু আমোদ যোগাবলৈ সামাজিক কিছুমান "ইদুগ"ৰ (উৎসৱৰ) প্ৰয়োজন। এই ভাব পূৰণৰ প্ৰবল প্ৰচেষ্টাৰ ফল স্বৰূপেই মিচিং উৎসৱৰ সৃষ্টি। একালত মিৰি আহুখানেই আছিল প্ৰধান। আহুখানৰ গুটি পথাৰত সিঁচাৰ প্ৰথম দিনটো কিমান আনন্দৰ তাক ভাষাৰে বাবা বুজাই দিব টান। এই উৎসৱত 'গুমৰাগ" নাচ অতি প্ৰয়োজনীয়। গুমৰাগ নাচ উৎসৱত প্ৰদৰ্শন নকৰিলে ধানৰ খেতি বেয়া হোৱাৰ ভয় কৰে। এই জনপ্ৰবাদ আজিও মিচিঙৰ মাজত আছে। কৃষিজীৱী মিচিঙৰ এই উৎসৱ আজি বহিৰ্জগততো প্ৰচাৰ হৈছে। অনেকোৰ উৎসৱত সাংস্কৃতিক "আকাৰা"ৰ পৰিবেশ পৰিলক্ষিত যে হয়, ই স্পষ্ট।

ধান চপোৱাৰ অন্তত ধানৰ নৱাছিগে। তাৰ বাবেই নৱাছিগা বা উৎসৱ সৃষ্টি। 'লিগাঙ'ৰ সতে "প'ৰাগ"ৰ উদ্দেশ্য প্ৰায় একে যদিও পৰিচালনা কৰা নীতি নিয়ম সম্পূৰ্ণ পৃথক। আন ফালেদি মিচিঙৰ মাজত কিছুমান বিশ্বাস এতিয়াও প্ৰচলন আছে। ধ'দ, বৰষুণ, বতাহ, বিজুলী, চেৰেকনি আলৌকিক কাণ্ড দেখি সাধাৰণতে মিচিঙৰ মাজত ভয় সঞ্চাৰ হৈছিল। দেৱতাই কিবা কাৰণত মানুহৰ প্ৰতি বিৰক্ততা প্ৰকাশ কৰা বুলি ভাবি তাৰ পৰা ৰক্ষা পাবৰ কাৰণে সদায় নিকাম পূজা পাতল আদিও কৰিবলৈ লয়; মিচিংসকলে 'কমবাং উঁয়ি' (বনদেৱতা); 'আদি উঁয়ি' (গিৰি দেৱতা), 'আচি উঁয়ি' (জল—দেৱতা) আদিৰ পূজা পাতল আজিও প্ৰায়বোৰ ঠাইত কৰে। "তালেং উঁয়ি" সকল পূজা) বা "ছুমুৰ উঁয়ি" ও 'চাং কোৰোবা পূজা' সেই একে বিশ্বাসৰ পৰাই সৃষ্টি হোৱা পূজা। নিম্নোলিখিত দুটা পূজা মিচিং মাজত বৰ্তমান মহত্বকীয়া কৰ্মানুসৰী চলি ব লাগিছে। সভ্যতা বা 'কবাদ' মিচিং সমাজলৈ ক্ৰমে অহাৰ লগে লগে অন্ধৰ্মেই পূজা পাতলৰ ক্ৰিয়াবোৰ হ্ৰাস পাব লাগিছে। এনেকৈ 'কবাদ'ৰ পৰাই 'লিগলি' বা 'কি'দ লিগলি'বোৰ বিকাশ হৈছে। 'কবাদ' 'কেবাঙৰ' (মিচিঙৰ পকামতৰ দৰে সভা) কথা আমাৰ মনলৈ আনে।

'কেবাঙ'ৰ বাবে যি সকল লোক গণ্য-মান্য তেওঁলোকেই আছিল 'কেবাঙ'ৰো প্ৰতিনিধি। আনহাতে সেই সভ্যজনৰ আচৰণ, গুণ, আদিয়েই হ'ল 'কেঙাম কবাদ' বা সমাজ সভ্যতা। এনেকৈ ইয়াৰ সমীক্ষা বিচাৰিলে আমি সাধাৰণতে দেখা পাওঁ 'কবাদ' ব্যক্তিগত বিষয় হৈ পৰিব পাৰে। কিন্তু প্ৰকৃত অৰ্থত 'কবাদ' সামূহিক জীৱনৰ অৰ্থহে বহন কৰে। তাৰোপৰি "কবাদ" "কেঙাম"ৰ 'সমাজৰ' সমষ্টি বাচক শব্দ। গতিকে 'কবাদ" আৰু 'লিগলি'ৰ বিকাশ সংসাৰিক বুলি কোৱাৰ যুক্তি আছে। 'কবাদ' শব্দত সমাজৰ চেতনা আছে। তেনেকৈ 'লিগলি' শব্দতো নিহিত থাকে সমাজৰ বিভিন্ন ক্ৰিয়া কলাপ।

নীল নদীৰ পাৰত ইজিপ্তৰ সভ্যতা, হোৱাং-চিকিয়াঙৰ পাৰত চীনৰ সভ্যতা আৰু সিন্ধু নদীৰ তীৰত ভাৰতীয় সভ্যতা গোল প্ৰথমে প্ৰস্ফুট হোৱাৰ দৰে মিচিঙৰো প্ৰথম বাবৰ বাবে ইয়াৰ বেঙপি দেখিছিল-চিয়াং, সেকাশিৰী (অৰুনৰী), ৰঙ্গানদী, জলী, ধনশিৰী আদি নৈৰ পাৰত। খেতিৰ মূল কল কৰণ নাঙল কুঁৰলি আৰু কোৰ আদিয়েই উল্লেখযোগ্য। মানৱ সভ্যতাৰ প্ৰথম লোক-যোকাদিত মিচিঙৰ দৰেই নতুন আশাৰ নব উন্মাদনাৰে মিচিঙেও কিৰিলি পাৰি উঠিছিল। মিচিঙৰ জীৱন যাপনৰ স্থল হৈছে নৈৰ পাৰ। কি পিন্ধিছিল, কি খাইছিল, কেনেকৈ ঘৰ দুৱাৰ কৰিছিল, কেনেকৈ খেলা ধেমালি কৰিছিল, কি কি আবিষ্কাৰ কৰিছিল, বিলাস কৰিছিল আৰু কাৰ উপকাৰ কৰিছিল, এইবিলাক বিষয়কে সাৰোগত কৰি আহিছে—মিচিং 'কবাদ' আৰু লিগলিয়ে।

# মঙ্গোলীয় সংস্কৃতি

ড° লীলা গগৈ

অসমৰ সংস্কৃতি ভাৰতীয়-আৰ্যমূখী হ'লেও ইয়াৰ দীঘে-বাণিয়ে মঙ্গোলীয় সংস্কৃতিৰ উপাদান উপচি আছে। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে মঙ্গোলীয় সংস্কৃতিক কিৰাত-জন-কৃতি অৰ্থাৎ কিৰাত সংস্কৃতি আখ্যা দিছে। অসমৰ জন-সংখ্যাৰ অধিকাংশই হ'ল মঙ্গোলীয় জন-সমষ্টি অন্তৰ্ভুক্ত। বহু হেজাৰ বছৰৰ আগতে গ্ৰাম্য-কৃষি সংস্কৃতি প্ৰতিষ্ঠা কৰি আতৰি যোৱা অষ্ট্ৰিকসকলৰ সংস্কৃতি আহৰণ কৰি উত্তৰ আৰু উত্তৰ পূবৰফালৰ প্ৰব্ৰজন কৰি আহি মঙ্গোলীয়সকল অসমৰ পৰ্বত আৰু ভৈয়ামত বিয়পি পৰে আৰু ভৌগোলিক পৰিৱেশৰ যোগাৰ দিয়া সমলেৰে নিজৰ সংস্কৃতিৰ গঢ় দিবলৈ প্ৰয়াস কৰে। কালক্ৰমত এই ভৌগোলিক অৱস্থিতিৰেই মঙ্গোলীয় জনসমষ্টিক সৰু সৰু জাতি, গোট বা জনজাতিলৈ পৰিণত কৰে। এইদৰে উত্তৰে হিমালয়ৰফালৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ সমমাৱধি মানুহ বিয়পি পৰে আৰু ৰাজ্য প্ৰতিষ্ঠা কৰি দেশ-শাসন কৰি নিজা নিজা সংস্কৃতিৰ বিকাশ সাধন কৰে। সময়ৰ ব্যৱধানত সুকীয়া সুকীয়া ঠাইত, সুকীয়া পৰিৱেশত বসবাস কৰোঁতে কিছু পৰিমাণে বৈশিষ্ট্য সৃষ্টি হ'লেও এই জনসমষ্টিৰ মানুহৰ বিভিন্ন গোটৰ মাজত কিছুমান উমৈহতীয়া মিল দেখা যায়। ডব্লিউ-চি-স্মিথ নামৰ এজন সমাজতাত্বিক খ্ৰীষ্টান পাদুৰীয়ে তিব্বত-বৰ্মী মানুহৰ মাজত কেতবোৰ উমৈহতীয়া লক্ষণ ধৰা পেলাইছে। (১) মূৰ চিকাৰ প্ৰথা (২) মৰং-ঘৰ (৩) চাং-ঘৰ (৪) চাঙৰ ওপৰত মৰা-শ সংস্কাৰ (৫) প্ৰাক্-বিবাহ যৌন সম্পৰ্ক (৬) তামোল-পাণ খোৱা (৭) গাখীৰ নোখোৱা (৮) গাত টেঁটু খকা ৰীতি (৯) ৰাজনৈতিক শক্তিৰফালৰ মুক্ত (১০) ছমূৰীয়া খিয় কমাৰৰ তাতী (১১) সাধাৰণ পদ্ধতিৰ তাঁতশাল (১২) চাপৰ ব্যৱহাৰ (১৩) পৰ্বতত বসবাস আৰু আদিম পদ্ধতিৰ খেতি। ইয়াৰ উপৰিও মঙ্গোলীয় সংস্কৃতিত আৰু কেতবোৰ উমৈহতীয়া লক্ষণ আছে, যেনে—(১) দেৱ-দেৱীৰ পূজাত কেঁচা-তেজৰ উপহাৰ (২) সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত চাউলৰফালৰ তৈয়াৰী লাওপানী বা মদৰ মুকলি ব্যৱহাৰ (৩) জিভুৰ আৰ্দ্দত অস্পৃশ্য বুলি বিবেচিত কুকুৰা-গাহৰি আদিক খাদ্যৰূপে গ্ৰহণ (৪) বিবাহৰ গা-ধন লোৱাৰ ব্যৱস্থা (৫) ঝুম খেতিৰ জনপ্ৰিয়তা (৬) শুকান মাছ-মাংস খাদ্যৰূপে গ্ৰহণ (৭) কৈবাৰ্তক ধৰ্মৰ প্ৰভাৱ (৮) বিশদ খাপৰ, বৃ-

আনন্দ সকলোতে সামূহিক দায়িত্ব গ্ৰহণ (৯) মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা (১০) নিজা অস্তিত্ব ৰখাৰ অৰ্থে অসীম চেষ্টা (১১) সৰলতা আৰু (১২) জাতি-বৰ্ণ ভেদভাৱ হীনতা। ওপৰৰ লক্ষণবোৰ উল্লেখনীয় হ'লেও কোনো কোনো জনজাতি বা জনসমষ্টিৰ ক্ষেত্ৰত পূৰ্বকালত প্ৰযোজ্য নহয় নতুবা সময়, পৰিবেশ আৰু বহিঃপ্ৰভাৱে তাক সলনি কৰিছে। উদাহৰণস্বৰূপে নৰ-বলি বা নৰ-মুণ্ড চিকাৰ আজি নাইকিয়া হৈ আহিছে। নগাসকলে যুদ্ধত বা চোৰাংকৈ মূৰ কাটি নিছিল, ভৈয়ামৰ হিন্দুৱে কামাখ্যা বা কেঁচাইখাতীৰ আগত নৰবলি দিছিল। সেইদৰে ডেকা-চাং বা মৰংঘৰ সকলো জনজাতিৰ মাজত আছে; কিন্তু কোনো কোনো জনজাতিৰ মাজত গাভৰু-চাঙৰ ব্যৱস্থাও আছে; উদ্দেশ্য সমধৰ্মী।

বেদৰ যুগতেই কিৰাট বা মঙ্গোলীয় মানুহৰ অৱস্থিতি আৰু তেওঁবিলাকৰ সংস্কৃতিৰ বিষয়ে জনাজাত হৈছিল। যজুৰ্বেদ আৰু অথৰ্ববেদ উভয়তে পৰ্বতৰ গুহাবাসী কিৰাটৰ বিষয়ে উল্লেখ আছে। তেওঁবিলাকে হিমালয়ৰ নামনিৰ পৰ্বত-সংলগ্ন বসবাস কৰিছিল। হিমালয়ৰ সমগ্ৰ পাদদেশ অঞ্চল আৰু অসমত আজিও উক্ত কিৰাট জনসমষ্টিৰ বংশধৰসকলে বসবাস কৰি আছে। ৰামায়ণ-মহাভাৰত আদি গ্ৰন্থত কিৰাটসকলৰ বিষয়ে উল্লেখ আছে। ভাষিক দৃষ্টিৰে বিচাৰ কৰিলে তিব্বতবৰ্মী শাখাৰ উত্তৰ অসম ভাগত সাম্প্ৰতিক অৰুণাচলৰ জনজাতিসমূহ পৰে। আকা (হ্ৰুছো), ডফলা (নিচি), মিৰি (মিচিং), মিচিমি, আবৰ (আদি) এই কেইটা শাখাৰো উপৰিও কিছুমান উপশাখা আছে। সাংস্কৃতিক দৃষ্টিৰে চালে উপৰোক্ত জনজাতিসমূহ বাৰেৰহনীয়া সংস্কৃতিৰ অন্তৰ্গত। এই ভাষাগোষ্ঠীৰ আন এটা শাখা হৈছে, মূল অসম উপশাখা। বড়ো ভাষা আৰু ইয়াৰ ঠাল-ঠেঙুলিসমূহ এই উপশাখাৰ ভিতৰত—বড়ো, মেছ, ৰাভা, গাৰো, কছাৰী, হাজং, ত্ৰিপুৰী, লালুং আদি ভাষা আৰু উপভাষা। নগা উপভাষাসমূহো বড়ো ভাষাৰ ওচৰ-চুবুৰীয়া। এই শাখাৰ জনজাতিসমূহ হ'ল: আও, আঙামী, সেমা, চেখা, টাংখুল, কনিয়াক, চাংটাম, মাও, কবুই, ৰেংমা, টাং, চাং, চাংটাম, খিয়ামনগান, জেলিয়াং ইত্যাদি। অৰুণাচলৰ অন্তৰ্গত বাংচু, টাংচা আৰু নক্টে জাতিও উক্ত শাখাৰে অন্তৰ্গত। পুৰণি কালত কেতবোৰ অসমীয়া মানুহে এই সকলো নগা জাতিকে নামকৰণ কৰা হৈছিল। মূলতঃ এক হ'লেও বহুমুখী কাৰণত প্ৰত্যেক জাতিৰে ভাষা সুকীয়া সুকীয়া হোৱাত, অসমীয়া ভাষাৰ এক সহজ সৰল ৰূপকে ভাব-বিনিময়ৰ মাধ্যম হিচাপে গ্ৰহণ কৰে, তাকে আজিকালি নাগামিজ বুলি কোৱা হৈছে। এই

নাগামিজভাষী সকলো জনজাতিয়েই জাতিগত দৃষ্টিত মঙ্গোলীয়। তদুপৰি উক্ত অসম-বৰ্মী শাখাটোৱে চুনুবীয়া কুকি-চীন ভাষাৰ মানুহো ত্ৰিপুৰা, মণিপুৰ, মিজোৰামত বসবাস কৰে ; আমপিনে কাচিন-লুলু শাখাৰ চিংফৌ দোৱনীয়াসকলৰ কথাও উল্লেখযোগ্য। অষ্ট্ৰিকভাষী খাচীয়াজয়ন্তীয়াসকলো মূলতে মঙ্গোলীয়। তিব্বতো-বৰ্মীভাষী উক্ত জনজাতিসমূহৰ উপৰিও ইতিমধ্যে ভাষা-হেৰুওৱা বা আংশিকভাৱে ৰক্ষা কৰা দেউৰী, চুতীয়া, মৰাণ, বৰাহী, কোচ-ৰাজবংশী সকলো একে গোষ্ঠীসম্ভূত। অসমত বসবাস কৰা আন এটা শাখা হ'ল শ্যামী-চীনভাষী। এই শাখাৰ অন্তৰ্গত লোকসকলৰ ভিতৰত পৰে আহোম, খামতি, খাময়াং, ফাকিয়াল, নৰা, আইতনীয়া, টুৰুং আদি জনসমষ্টি। খামতি, খাময়াং, ফাকিয়াল, আইতনীয়া, টুৰুংসকল বৌদ্ধ; কিন্তু নিজৰ ভাষা-সংস্কৃতি-জীৱনধাৰণ-পদ্ধতিৰে জনজাতীয় বৈশিষ্ট্য ৰক্ষা কৰি আহিছে। গাৰোপাহাৰ আৰু কাৰ্বি আংলং জিলাত বসবাস কৰা মান নামেৰে জনাজাত মানুহখিনিও টাই বংশৰে। অসমৰ ব্ৰাহ্মণ, দৈৱজ্ঞ, কায়স্থ আৰু কলিতা মানুহখিনিক বাদ দিলে বাকী সকলো থলুৱা মানুহেই মঙ্গোলীয় জনসমষ্টিৰ অন্তৰ্গত। সেয়েহে গদাধৰসিংহ স্বৰ্গদেৱে 'ব্ৰাহ্মণ-গণক-কলিতা-কায়স্থ চাৰিঘৰ বাদ দি সকলো মানুহৰে এটা চক কৰোঁ।' বুলি চাউডাঙৰ হতুৱাই ভাত ৰন্ধাই একেখন থলাতে খুৱাইছিল। কৈৱৰ্ত, কেওট আদি মানুহৰ গতি অৱশ্যে মঙ্গোলীয় তেজতকৈ অষ্ট্ৰিক-দ্ৰাবিড়ী তেজৰ পৰিমাণ হয়তো অধিক পোৱা যাব। পৰৱৰ্তী কালত অসমলৈ প্ৰব্ৰজন কৰা জন-সমষ্টিত মঙ্গোলীয় উপাদান পোৱা নাযায়। বৰঞ্চ নৃতাত্ত্বিক পৰ্যবেক্ষণত থলুৱা মুছলমানসকলৰ গাতহে মঙ্গোলীয় তেজৰ সংমিশ্ৰণ আছে।

মঙ্গোলীয়সকল একে সময়তে আৰু একেলগে অসম সোমোৱা নাছিল। ইতিহাসে ঢুকি নোপোৱা দিনৰপৰা ঊনবিংশ শতিকালৈকে উত্তৰ-পূৰ্ব গিৰিপথেদি মঙ্গোলীয় মানুহৰ প্ৰব্ৰজনৰ সোঁত বৈ আছিল। মহাভাৰতৰ মতে কিৰাট সৈন্য লৈ ভগদত্তই কুৰুক্ষেত্ৰ যুদ্ধত অৱতীৰ্ণ হৈছিল। সম্ভৱতঃ মিকিৰ বা কাৰ্বিসকলেই অসমৰ প্ৰাচীনতম অধিবাসী। কাৰ্বিসকলৰ সংস্কৃতিত বহু পৰিমাণে খাচীসকলৰ সমধৰ্মী অষ্ট্ৰিক উপাদান দেখা পোৱা যায়। তাৰ পাছতে পৰে বড়োসকল। সাংস্কৃতিক ইতিহাস বিচাৰত বড়োসকলক দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগটোৱে নিজৰ মূল ভাষা পাহৰি বিয়া-বোৱা নীতিৰে অসমৰ ভাষা আৰু সংস্কৃতি গ্ৰহণ কৰি সহজ পদ্ধতিৰে মান-মিহলি হৈ পৰে। দ্বিতীয় ভাগটোৱে নিজৰ ভাষা আৰু

সংস্কৃতি ৰক্ষা কৰি এতিয়াও স্বকীয়া গোট হিচাপে নিজৰ অস্তিত্ব ৰক্ষা কৰি আছিছে। এই ভাগটো উত্তৰপিনৰপৰা অসমত সোমাই ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বসতি কৰে। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে বসবাস কৰা আৰু ৰাজ্য পাতি দেশ শাসন কৰা বড়োসকল, কছাৰী বা বৰাহী-কছাৰী নামেৰে জনাজাত হৈ অসমীয়া সমাজত মিহলি হৈ যায়। তথাপি এটা কথা ক'ব পাৰি, এই বড়োগোষ্ঠীভুক্ত লোকসকল অসমৰ সাধাৰণ সাংস্কৃতিক জীৱনৰ অন্তৰ্গত হ'লেও সামাজিক-সাংস্কৃতিক জীৱনৰ বিভিন্ন স্তৰত কেতবোৰ প্ৰাচীন অথচ মূল উপাদান পোৱা যায়। কছাৰীসকল ধৰ্মত হিন্দু আৰু কোনোবা বৈষ্ণৱ সত্ৰৰ শিষ্য হ'লেও কিছুমান লৌকিক অনুষ্ঠান এতিয়াও জীয়াই ৰাখিছে। সোণোৱাল কছাৰীসকলৰ অধিকাংশই আউনীআটীৰ শিষ্য। কিন্তু হাইডাং-হুঁচৰি, গজাই-পূজা আদি পুৰণি পদ্ধতিবোৰ মানি আছিছে। চুতীয়া, মৰাণ, বৰাহীসকল কেতিয়া আহিছিল, সেই বিষয়ত ইতিহাস নিমাত; কিন্তু ভাষাৰ যি অৱশিষ্ট পোৱা গৈছে, তাৰপৰা তাৰিক বিচাৰত বড়োমূলীয় লোক বুলি ক'ব লাগিব। তেওঁবিলাকেও নিজৰ পুৰণি ৰীতিৰ অৱশিষ্ট জীয়াই ৰাখিছে। দেউৰী চুতীয়াসকলৰ ভাষা আৰু পূজা-পদ্ধতিয়ে নিজৰ বৈশিষ্ট্য প্ৰমাণ কৰিছে। আহোমসকল ত্ৰয়োদশ শতিকাত প্ৰতিষ্ঠিত হয়; কিন্তু নানান কাৰণত তাৰ পিছতো সৰু সৰুকৈ কেতবোৰ টাই গোট অসমলৈ আহি আহোমসকলৰ লগত মিলি যায়। ব্ৰহ্ম ৰজাৰ নিৰ্যাতনত তিষ্ঠিব নোৱাৰি অষ্টাদশ শতিকাত টাই-খামতি, টাইফাকে, টাই-খাময়াং আৰু টাই-আইতনসকল আহি শদিয়া বা পাং-তেও-না অঞ্চলত বসতি কৰিবলৈ লয়। টুকং, মান আৰু এটা খামতি গোট ঊনবিংশ শতিকাতহে অসমলৈ আহে। নগাসকলৰ ভিতৰত নক্তে-ৰাংছু আৰু কন্যাকসকল প্ৰাচীন; তেওঁবিলাকৰ সংস্কৃতিত ভালেমান অষ্ট্ৰিক উপাদান পৰিলক্ষিত হয়। তেওঁবিলাকৰ পিছত বৰ্তমান নগা ৰাজ্যৰ বিভিন্ন গোট এটাইবিলাকৰপৰা আনটোইলৈ প্ৰব্ৰজন কৰি বাস কৰিবলৈ লয়। প্ৰব্ৰজনৰ ইতিহাস অজ্ঞাত। সাংস্কৃতিক উপাদান বিশ্লেষণ কৰি দেখা গৈছে, তেওঁবিলাকে পূব-ভাৰতীয় দ্বীপপুঞ্জৰ ফিলিপাইন, যাভা, বৰ্ণিঅ' আদি দ্বীপবিলাক ব্ৰহ্মদেশৰ মাজেৰে আহি নগা পৰ্বতত বসবাস কৰিবলৈ লয়। তেওঁবিলাকৰ সাংস্কৃতিক উপাদানৰ মাজত সাগৰীয় লক্ষণ দেখা যায়। মণিপুৰী-সকল পূৰ্বতে ব্ৰহ্মদেশৰ কাষৰপৰা মণিপুৰত সোমাইছিল। অসমীয়া মানুহে মণিপুৰীক মগলৌ বোলে; মণিপুৰীয়ে নিজকে মেই-টেই বোলে। সম্ভৱতঃ মাও-ছুং শব্দৰপৰা মগলৌ আৰু মাও-টাই শব্দৰপৰা মেই-টেই শব্দৰ জন্ম হৈছে। সকলো

শতিকাতে এজন টাই ৰাজকোঁৱৰে মণিপুৰত ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। মণিপুৰীয়ে অসমীয়াক তে-খাও বোলে ; তে-খাও দিখৌ শব্দৰ অপভ্ৰংশ। মণিপুৰী সংগীতত অসমীয়া গীতৰ লগত মিল থকা 'তে-খাও ৰূপক' নামৰ এখন ৰূপক আছে। দিখৌপৰীয়া ৰজাৰ লগত হোৱা বৈবাহিক সম্পৰ্কৰপৰাই তে-খাও শব্দই অসমীয়াক বুজাইছে। ইউনানৰপৰা প্ৰব্ৰজন কৰা এটা শকত টাই ঠালৰ মানুহ মণিপুৰত বিয়পি আছে ; গাৰ বৰণ আৰু চিৰী-চেহেৰাই তাৰ প্ৰমাণ দিয়ে। বঙ্গদেশৰপৰা অহা সাংস্কৃতিক ঢৌৱে অৱশ্যে মণিপুৰৰ মঙোলীয় মানুহৰ প্ৰাচীন ঐতিহ্যত নতুন বৰণ সানি বিষ্ণুপ্ৰিয়া সম্প্ৰদায়ৰ সৃষ্টি কৰে। খাচী-জয়ন্তীয়াসকল অষ্ট্ৰ-এচিয়াটিক মন্-খেমৰ গোটৰ ভাষা-ভাষী। ভাষা আৰু সংস্কৃতিত অষ্ট্ৰিক—এই লোকসকল পাটকাই পাৰ হৈ কস্তাক-বাংছু অঞ্চলেদি ব্ৰহ্মপুত্ৰৰ উপত্যকাত বসবাস কৰে। খৈৰাম আৰু চিন্‌টেং নামৰ এই দুই জনগোষ্ঠী পিছলৈ খাচী আৰু জয়ন্তীয়া নামেৰে জনাজাত হয়। তেওঁবিলাক একালত ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিছিল আৰু মূল অষ্ট্ৰিক ধাৰণাৰ উৰ্বৰা বিশ্বাস আৰু মাতৃ-প্ৰধান সমাজ-ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। কামাখ্যা আৰু কেঁচাইখাতী অষ্ট্ৰিক ধাৰণাৰে কা-মেই-খা আৰু কা-চেই-খাৰ হিন্দু সংস্কৰণ যেন লাগে। আলপাইন আৰ্যসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰি পিতৃ-প্ৰধান আৰ্য-সংস্কৃতি বিস্তাৰ কৰাৰ সময়তে সম্ভৱতঃ খাচী-জয়ন্তীয়াসকল ভৈয়ামৰপৰা পৰ্বতলৈ উঠি যায়। এই সময়তে পিতৃ-প্ৰধান আৰ্যসকলৰ লগত মাতৃ-প্ৰধান সমাজৰ অষ্ট্ৰিক সংস্কৃতিধাৰী খাচী-জয়ন্তীয়াসকলৰ সংঘৰ্ষ হয় আৰু পূৰ্বৰ মাতৃপূজাক হিন্দু জয়ন্তীদেৱীলৈ ৰূপান্তৰিত কৰে। উত্তৰ অঞ্চলৰ কোনো কোনো জনজাতিৰ প্ৰব্ৰজন নিতান্ত অৰ্বাচীন ; তেওঁবিলাক উত্তৰ দিশৰপৰা আহি বৰ্তমানৰ অৰুণাচলত বসবাস কৰিবলৈ লয় ; কিন্তু মিচিমিসকল আৰু কামেং-সোৱণশিৰী-ছিয়াং জিলাৰ দুই-চাৰিটা জনজাতি অতি পুৰণি। মিচিমিসকলক কোনো কোনোৱে পৰশু-ৰামৰ অনুগামী আৰু কোনো কোনোৱে ভীষ্মকৰ বংশধৰ বুলিও কব খোজে। মিৰিসকলৰ (মিচিং) মূল বাসস্থানো পূৰ্বতে পৰ্বততে আছিল। ইয়াৰে এটা অংশ আপেক্ষিকভাৱে আগতে প্ৰব্ৰজন কৰি আহি চতুৰ্দশ শতিকাৰ আগতেই ভৈয়ামত বসবাস কৰিবলৈ লয়। আনটো অংশ হয়তো পাছৰপিনে আহিছে আৰু এওঁবিলাকৰ তাত্বিক আৰু সাংস্কৃতিক সাদৃশ্য ছিয়াং জিলাৰ আদিসকলৰ মাজত দেখা যায়। এটা ঠাল আছে, তেওঁবিলাকে নিজক লোবাম পাহৰিলে। হয়তো এইটো ঠালেই মৰাণতকৈ পুৰণি। মূলুক নামৰ এটা জনজাতিৰ নাম শঙ্কৰদেৱে

উল্লেখ কৰিছে। ডিব্ৰুগড় জিলাত কেইবাখনো 'মুলুক গাঁও' আছে; কিন্তু মানুহ নাই। এই মুলুকসকলো মঙ্গোলীয় গোষ্ঠীৰে মানুহ আৰু একালত খামতি-খামযাং-চিংফৌ মানুহৰ লগত মিহলি হৈ গ'ল। চিংফৌসকল ব্ৰহ্মদেশৰ কাচিন-কাৰেনৰ সমগোত্ৰীয়। আনপিনে চিংফৌ ৰীতিনীতি, ধৰণ-কৰণ গ্ৰহণ কৰা দোৱনীয়া-সকলৰ গাতো মঙ্গোলীয় তেজৰ কণিকাই বিদ্যমান। এইদৰে হাজাৰ হাজাৰ বছৰ ধৰি মঙ্গোলীয় মানুহৰ বসতি আৰু প্ৰব্ৰজনে এই দেশখনৰ সভ্যতা-সংস্কৃতিৰ গাঁথনিত নানাধৰণেৰে বৰঙণি দি আহিছে।

অসমীয়া ভাষা, ধৰ্ম, লোক-বিশ্বাস, লোক-সংস্কৃতি, জীৱনধাৰণৰ পদ্ধতি সকলোতে মঙ্গোলীয় উপাদান বৰ্তমান। অসমীয়া ভাষা মূলতঃ ইণ্ডো-ইউৰোপীয় সংস্কৃতিৰপৰা জন্ম হ'লেও ইয়াৰ উচ্চাৰণ পদ্ধতি, অনুনাসিকীকৰণ, প্ৰত্যয়, পদাশ্ৰিত নিৰ্দেশক, ধন্যাত্মক শব্দ আৰু ধাতু, অনুকাৰ-অনুৰূপ শব্দৰ বাহুল্য আদিয়ে মঙ্গোলীয় প্ৰভাৱৰ কথাই সূচনা কৰে। বৈয়াকৰণিক দিশত ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য সমানেই ধৰা দিছে। শব্দৰ ভঁৰালো পুষ্ট হৈছে। আধুনিক ব্যাকৰণৰ অনুশাসনৰপৰা মুক্ত গাৱলীয়া মঙ্গোলীয় মানুহৰ ভাষাৰ ঠাচত আজিও থুনুক-থানাক, হেনো-হঁচা মাতৰ ধ্বনি শুনিবলৈ পোৱা যায়। কি বড়ো, কি আহোম, কি মিচিং সকলোৰে কথন-ভংগীত আৰ্যেতৰ ভাষাৰ ধ্বনি অনুভূত হয়। মাছ ধৰা সঁজুলি, তাঁতশালৰ সঁজুলি, গছ-লতাৰ নাম, ধানৰ নাম, নৈৰ নাম, ঠাইৰ নাম, মাছৰ নাম, ঘৰৰ সঁজুলি, থলুৱা লোকবিশ্বাস জড়িত অনুষ্ঠান আদিত অজস্ৰ মঙ্গোলীয় উপাদান আছে। অসমীয়াৰ সম্বন্ধবাচক শব্দ আৰু ইয়াৰ ব্যৱহাৰ সম্পূৰ্ণ মঙ্গোলীয় পদ্ধতিৰ।

অসমত হিন্দু ধৰ্মত ভাৰতীয় প্ৰভাৱ পৰিছে; কিন্তু সেয়ে হ'লেও তাৰ আঁৰাতে মূল মঙ্গোলীয় ধাৰণাই ঠাই উলিয়াই লৈছে। হিন্দু শিৱ, দুৰ্গাৰ কাষতে কুণ্ডিমামা, পিশাচীজেমা, বলিয়াবাবা, বাথৌ-আই, মহাদেউ, বুঢ়াগোসাঁই, বুঢ়ী-গোসানী, কেঁচাইখাতী, সুবচনী হৈ পুৰণি ধৰণেৰে নিজৰ নিজৰ পুৰোহিতৰ হাতেৰে পূজা-পাতল খাই আছে। উক্ত অনুষ্ঠানসমূহত এতিয়াও ব্ৰাহ্মণৰ প্ৰয়োজন নাই। মূল মঙ্গোলীয় ধৰ্মৰ বিষয়ে যোগিনী-তন্ত্ৰই যোগতে কৈছেই, ইয়াত ব্ৰত-উপাসনা ব্ৰহ্মচৰ্য-নিযোজন একো নাই। বৌদ্ধধৰ্মীসকলৰ বাহিৰে মঙ্গোলীয়-সকলৰ ধৰ্মক 'এনিমিজম্', মেজিক, প্ৰকৃতি-পূজা বুলিও ক'ব পাৰি। পিপলু গছ, বৰগছ, শিমলু, নদী, চাম গছ আদিত দেৱতা-অপদেৱতা থাকে বুলি বিশ্বাস

কৰে আৰু পূজা-পাতল দিয়ে। মঙ্গোলীয় ধৰ্মবিশ্বাস মূলতঃ বক্তজড়িত, উৰ্বৰা বিশ্বাসৰ পৰিণতি মাত্ৰ। সম্ভৱতঃ তাৰ বাবেই এই দেশক লোহিত্য দেশ বোলা হৈছিল। গাহৰি, কুকুৰা, হাঁহ, পাৰ, গৰু, মহ, কাছ, ছাগলী আদি উপাস্য দেৱতাৰ আগত বলি দি কেঁচাতেজ আগবঢ়োৱা হয়। হিন্দু আদৰ্শত সাধাৰণতে বৰ্জিত কুকুৰা আৰু গাহৰি মঙ্গোলীয় আদৰ্শত কিন্তু একান্ত প্ৰয়োজনীয়। মঙ্গোলীয়সকলৰ স্থায়ী পুৰোহিত শ্ৰেণী নাই—নিজৰ সমাজৰ উপযুক্ত ব্যক্তিয়েই ধৰ্মীয় আচাৰ পৰিচালনা কৰে। কোনো কোনো সমাজত যেনে—দেউৰী, দেওধাই, মিৰি (আদিৰ) আদি সম্প্ৰদায় গঢ় লৈ উঠিলেও সমাজৰ অন্য উপযুক্ত মানুহেও পৰিচালনা কৰিব পাৰে। একালত দেৱস্থানসমূহক দেওশাল বোলা হৈছিল। দেওশালত জীৱ-জন্তু বলি দিয়া হয়। আজ্ঞাপ্ৰাপ্ত ব্যক্তিয়ে বলি দিয়ে। দেৱতালৈ বুলি কেঁচাতেজ উচৰ্গা কৰাৰ উপৰিও খেতিৰ পথাৰত, পূজাৰ দ্ৰব্য-সম্ভাৰতো তেজ ছটিয়াই দি ক্ষেত্ৰবিশেষত তেজৰ ফোঁট লয়। মঙ্গোলীয়সকলৰ মাজত 'টোটেম' প্ৰথা বিদ্যমান। বাঘ, বান্দৰ, সাপ আদিৰ লগত এনে ধাৰণা জড়িত। ধৰ্মৰ ধাৰণাৰ লগত নংক্ৰেম, লাহো, লাইহাওবাবা, খেৰাই, দেওধনি আদি নৃত্যৰ জন্ম। দেউৰী-চুতীয়া আৰু সোণোৱাল-কছাৰীসকলে হুঁচৰিকো ধৰ্মীয় ধাৰণাৰ অন্তৰ্গত কৰি লৈছে। তন্ত্ৰমন্ত্ৰ, আতদি, যাদুকৰী আচাৰ আদি মঙ্গোলীয় ধাৰণাৰ উমৈহতীয়া বস্তু। আধিভৌতিক ধাৰণা, সপোন, শপত, মংগল, মৃতকৰ অস্তিত্ব বিশ্বাস, জীৱৰ পুনৰ আগমন, দেওসভা, দেওধনিৰ ভূত-ভৱিষ্যত আদি অনুষ্ঠান আজিও মঙ্গোলীয় সমাজত জীয়াই আছে। মঙ্গোলীয় সমাজত বিয়া কেৱল সামাজিক অনুষ্ঠানেই নহয়, ধৰ্মীয় ধাৰণাও জড়িত। বিয়া পবিত্ৰ, সৃষ্টিধৰ্ম ৰক্ষাৰ প্ৰয়োজনীয় অনুষ্ঠান। সেয়েহে কৃষি আৰু বিয়াৰ লোকাচাৰসমূহত উৰ্বৰা-বিশ্বাসৰ প্ৰভূত প্ৰভাৱ অনুভূত হয়। মঙ্গোলীয় সমাজত নাৰীৰ মূল্য অধিক, যিহেতু নাৰী সৃষ্টিধৰ্মিতাৰ প্ৰতীক। নাৰী কেৱল সন্তানদাত্ৰী মাতৃয়েই নহয়, পথাৰৰ কৃষিকৰ্মৰ সহকাৰিণী। সেয়েহে গা-ধনৰ ব্যৱস্থা। দৰাই গা-ধন দিব লাগে, ধনৰ সলনি যেখন, গাহৰি, অন্যান্য সম্পদ দিয়াৰো নিয়ম। তদুপৰি সমাজক ভোজ-ভাত খুৱাই নৃত্য-গীত আয়োজন কৰাৰ সুবিধাকণো দিব লাগে। কোনো কোনো জনজাতিৰ মাজত প্ৰাক্-বিবাহ প্ৰণয়ৰে ব্যৱস্থা আছে। ভৈয়ামৰ জন-জাতি আৰু অন্যান্য মঙ্গোলীয়সকলে কেতবোৰ হিন্দু ৰীতি-নীতি গ্ৰহণ কৰিলেও তাৰ মাজতে লোকবিশ্বাসৰ কিছুমান আচাৰ-ৰীতি ৰৈ গৈছে। মুৰাঙৰি, পাঁচিৰম,

পানীতোলা, খোবাখুবী, মূৰত তেল দিয়া, মূৰত চাউল দিয়া, চকলং, বেই, কলপুলি, ক'লাবুঢ়ী আদি ধলুৱা লোকবিশ্বাসৰ অনুষ্ঠান। বিয়াৰ দিনাই কন্যা দৰাঘৰলৈ স্থায়ীভাৱে লৈ অহা নিয়মটোও মঙ্গোলীয়।

অসমৰ মানুহৰ সাধাৰণ আকৃতি-প্ৰকৃতি মঙ্গোলীয়। নাক ভোটা আৰু চুটি গালৰ হাড় উঠঙা, চকুৰ বাহু ওলোৱা, চুলি থিয়, ফলাফুল শকত, গা আটিল। আৰ্যমূলীয় বহুতো মানুহ চিৰীয়ে-চেহেৰাই তেনেই মঙ্গোলীয়। যোৱা কেইবা হাজাৰো বছৰ ধৰি আৰু বাইকৈ আহোম যুগত হোৱা জাতিগত সমন্বয়ে সকলো জাতিৰ ওপৰত আৱয়বিক আৰু মঙ্গোলীয় তেজৰ প্ৰভাৱ পেলাইছে। ইতিমধ্যে হিন্দু ধৰ্ম আৰু সংস্কৃতি গ্ৰহণ কৰি ভালেমান মঙ্গোলীয় মানুহ উচ্চবৰ্ণৰ শাৰীলৈ উন্নীত হৈছে আৰু তেওঁবিলাকে নিজক আৰ্য আৰু আধগঢ়ী বুলি ভাবিলেও নৃতাত্ত্বিক পৰ্যবেক্ষণত মঙ্গোলীয় সঁচৰ বুলিহে ধৰা পৰে। যথাৰ্থতে অসমৰ অধিকাংশ মানুহেই মঙ্গোলীয় গঢ়ৰ। তেওঁবিলাকৰ খাদ্য-সম্ভাৰতো এই প্ৰভাৱ পৰিছে। যিসকল সমগোত্ৰীয় আগেই মাছ-মাংস স্পৰ্শ নকৰে, সেইসকলৰ অসমীয়া বংশধৰে মাছ-মঙহ খোৱাটো সামাজিকভাৱেই মুক্ত। সেইদৰে বাঁহগাজ, খৰিচা, বনৰীয়া শাক-পাত, ফলমূলো খাদ্য হৈ সোমাইছে। পিন্ধনৰ ক্ষেত্ৰতো বৈশিষ্ট্য বিদ্যমান। অসমৰ তিৰোতাই মঙ্গোলীয় তিৰোতাৰ দৰে মেখেলা, ৰিহা আৰু মূৰৰ ওৰণি বা চেলেং কাপোৰ তিনিখনকৈ কাপোৰ পিন্ধে। জনজাতীয় তিৰোতাই কঁকালত মেখেলা পিন্ধে, বুকুত মেখনি মাৰে আৰু মূৰত এখন গামোচাজাতীয় কাপোৰ বান্ধে। বিগু, বিখাওছা, বিয়াংফাই, কাম্বং, খদাবাং, ৰিংকান ঃ বিৰি-পাচেং, এগে' আৰু চেকৰেক ক্ৰমে ডিমাছা, গাৰো আৰু মিছিং মানুহৰ তিনিখনীয়া কাপোৰ।

শিপ চাহাবে পৰ্যবেক্ষণ কৰা লক্ষণবোৰ সাধাৰণভাৱে সকলো মঙ্গোলীয়ৰ ক্ষেত্ৰতে কম-বেছি পৰিমাণে প্ৰযোজ্য। হয়তো সময়, শিক্ষা আৰু সাংস্কৃতিক প্ৰভাৱে কেতবোৰ লক্ষণ পৰিবৰ্তন কৰিছে; কিন্তু মূলতে একেই আছিল। মূৰ চিকাৰ প্ৰথা উঠি গ'ল; নৰবলিও নাইকিয়া হ'ল। জনজাতীয় গাঁৱত মৰংঘৰ বা ডেকাচাং আছে। গাঁৱৰ নিৰাপত্তাৰ বাবে ডেকাসকল একেলগে মৰংঘৰত শোৱে। যৌৱনৰ দুৱাৰদলি পৰকা ডেকাই তাৰ নগৰী বাছি লোৱাৰ অধিকাৰ পায়। মৰংঘৰবোৰ লৈ ডেকাই মনেধৰা নগৰী বিচাৰে। সেয়া অপৰাধ নহয়, স্থায়ী বৰ্কাৰ ৰীতি মাত্ৰ। পৰ্বতত এতিয়াও ডেকাচাং জীয়াই আছে। ডেকাচাংবোৰ যথাৰ্থতে ডেকাৰ প্ৰশিক্ষণ-কেন্দ্ৰ। তৈয়াৰত বাস কৰা

একাংশৰ বাহিৰে বাকী সকলোৱেই চাংঘৰ ব্যৱহাৰ কৰে। একালত আহোম স্বৰ্গদেওসকলেও চাংঘৰত বাস কৰিছিল। মৰাশ সংকাৰৰ ক্ষেত্ৰতহে ভিন্নতা পৰিলক্ষিত হয়—কোনোৱে পুতি থয়, কোনোৱে পোৰে। কিছুমান ওখ চাঙৰ ওপৰত শটো থৈ দিয়ে; গেলি-পচি মঙহবোৰ খহি পৰিলে হাড়-মূৰবোৰ মাটিৰ কলহত ভৰাই পুতি থয়। কোনোৱে মৃতকৰ চিনস্বৰূপে যথাস্থানত প্ৰস্তৰখণ্ড সংৰক্ষণ কৰে। প্ৰায় সকলোৱেই মৃতকৰ অস্তিত্ব স্বীকাৰ কৰে আৰু মৃতকৰ তুষ্টিৰ অৰ্থে খাদ্য-সম্ভাৰ উচৰ্গা কৰে। হিন্দু-পদ্ধতিৰ পিণ্ড বা শ্ৰাদ্ধ মঙ্গোলীয়-সকলৰ মাজত নতুনকৈ সোমাইছে; পূৰ্বতে নাছিল। শুদ্ধিৰ অৰ্থে লোকাচাৰ সম্মত অনুষ্ঠানৰ আয়োজন কৰি সমজুৱাক ভোজন কৰাইছিল। বিবাহ সম্পৰ্কে আগতে আলোচনা কৰি আহিছোঁ। সমগ্ৰ মঙ্গোলীয় সমাজতে তেজৰ সম্বন্ধ থকা লোকৰ লগত অবৈধ সম্পৰ্ক গঢ়াটো পাপ আৰু দূষণীয় বুলি গণ্য কৰিছিল; কিন্তু আনপিনে কন্যাগ্ৰহণৰ ক্ষেত্ৰত জাতিবিচাৰ নাছিল। বায়েক-ভায়েকৰ বা ককায়েক-ভনীয়েকৰ সন্তানৰ মাজত বিয়া হোৱাটো ৰীতিসম্মত। অবৈধ যৌন সম্পৰ্কৰ পৰিণাম ভয়াবহ আছিল; সামাজিকভাবে মৃত্যুদণ্ড পৰ্যন্ত দিয়া হৈছিল। অসমৰ সমাজত আজিও যৌতুক প্ৰথাই গা কৰিব নোৱাৰাটো মঙ্গোলীয় সমাজ ব্যৱস্থাৰে প্ৰভাৱ মাত্ৰ। বহুবিবাহ মঙ্গোলীয় সমাজত প্ৰচলন আছিল। অৰুণাচলৰ জনজাতিবিশেষৰ মাজত বহুস্বামিত্ব এতিয়াও বৰ্তি আছে। বিবাহ-বিচ্ছেদৰ উদাহৰণ নোহোৱা নহয়; একান্ত বাধ্য-বাধকতাৰ মাজতহে বিবাহ-বিচ্ছেদ ঘটিছিল। বিহু উৎসৱৰ ৰাতি-বিহুৰ আনুষঙ্গিক দিশত প্ৰাক্-বিবাহ যৌন মিলনৰেই ইংগিত পোৱা যায়। পৰ্বতত কোনো কোনো জনজাতিয়ে অবিবাহিত কন্যাৰ সন্তান জন্ম হ'লে আজিও ঈশ্বৰৰ দান বুলি গ্ৰহণ কৰে। একালত মানুহক সৰহীয়া মানুহৰ প্ৰয়োজন আছিল আৰু যি ব্যৱস্থাই অধিক সন্তানৰ জন্ম দিয়ে তাক উৎসাহিত কৰা হৈছিল। গতিকে যি কোনো ক্ষেত্ৰতে ডেকা-গাভৰু যৌৱনাৱস্থা পালেই বিবাহৰ অৰ্থে উৎসাহ দিয়া হৈছিল।

খামতিসকলৰ বাহিৰে সকলো মঙ্গোলীয় সমাজতে তামোল-পাণৰ ব্যৱহাৰ প্ৰচুৰ; সম্ভৱতঃ অসমীয়া সংস্কৃতিত তামোল পাণৰ ব্যৱহাৰ ব্যাপক কৰি তোলাৰ গুৰিতে অষ্ট্ৰিকসকল; খাচীয়াৰ 'কুৱা' শব্দই অসমীয়াত 'গুৱা'—গুৱা-পাণ। বৰবীয়া মঁচ বুটলি তামোল-পাণৰ খেতি অষ্ট্ৰিকসকলেই আৰম্ভ কৰিছিল; কিন্তু মঙ্গোলীয় মানুহৰ মাজত তামোলৰ-পাণৰ ব্যৱহাৰ ব্যাপক হৈ পৰে। ধৰ্মীয়

আৰু সামাজিক কামত তামোল-পাণ একান্ত প্ৰয়োজনীয়। তামোল-পাণ যাচি কন্যা খোজে, তামোল-পাণৰ শৰাই দি কন্যা খোজে, দণ্ড দিয়ে, তামোল-পাণত আহুদি কৰে, খুৰিয়া-তামোল দেৱতালৈ উচৰ্গা কৰে। তামোলৰ লগত মিহলাই ছালিও খায়, সেয়েহে তামোল-ছালি। তদুপৰি তামোল-পাণৰ বাৰী থকা মানুহৰ খেতিয়ক হিচাপে খ্যাতি আছিল।

মঙ্গোলীয় মানুহৰ অধিকাংশই গাখীৰ নাখাইছিল আৰু গৰুতকৈ ম'হ পুহি ভাল পাইছিল। ম'হৰ হাল, গৰুৰ হালতকৈ সুবিধাজনক বুলি বিবেচিত হৈছিল। আজিকালি গাখীৰ খাবলৈ ধৰিছে। কোন কোন জনজাতিয়ে গৰু-ম'হৰ মাংস খোৱাটো সাধাৰণ কথা• কিন্তু ছাগলীৰ মাংসতকৈ গাহৰিৰ মাংস অধিক জনপ্ৰিয়। আনপিনে সেইমৰ মূল্য অধিক। ভৈয়ামত বসবাস কৰা মঙ্গোলীয় লোকসকলে শঙ্কৰদেৱ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ লগে লগে গৰু-ম'হ-গাহৰিৰ মাংসৰ প্ৰতি অনীহা প্ৰকাশ কৰিবলৈ ধৰিলে। সেইদৰে গাখীৰ আৰু গাখীৰৰপৰা উৎপাদিত ঘিউ-মাখন আদিৰ ব্যৱহাৰ বাঢ়ি আহিল। দৈ-গাখীৰৰ ব্যৱহাৰ অধিক হ'ল। তথাপি পাৰ্বত্য অঞ্চলত গৰু-ম'হৰ গাখীৰ খীৰাই খোৱাটো এতিয়াও সহজ অভ্যাসলৈ পৰিণত হোৱা নাই।

গাত টেঁটু আঁকি লোৱা ৰীতিটো অতি পুৰণি। সৌন্দৰ্যবৰ্দ্ধন, বৈশিষ্ট্য-ৰক্ষা আৰু নিজৰ প্ৰজাতীয় চিনাকি-ৰক্ষাৰ ব্যৱস্থা হিচাপে গাত বেলীৰে বিভাই চিত্ৰ আঁকি লৈছিল। ভৈয়ামৰ মঙ্গোলীয়সকলৰ মাজত এই পৰম্পৰা বহুদিনৰ আগতেই উঠি গ'ল যদিও একালত টেঁটু অঙ্কন থকাৰ কথা জনা যায়। তিৰোতা মানুহে কাজিলা লগাই দাঁত ক'লা কৰি লৈছিল। অকা আৰু আপাটানি তিৰোতাই সৌন্দৰ্য হানি কৰিবৰ বাবেহে মুখত টেঁটু আঁকি লয়। টেঁটুৰ আঁহি আৰু ধৰণ দেখিলেই ভেওঁবিলাকৰ জাতিগত বৈশিষ্ট্য ধৰা পেলাব পাৰি।

মঙ্গোলীয় মানুহে সৰু সৰু গোট হৈ বসবাস কৰি ভাল পায়। একোটা গোটত সাধাৰণতে একোজন মুখিয়াল থাকে আৰু তেওঁৰ নিৰ্দেশতে সাধাৰণ ৰাইজ পৰিচালিত হয়। কোনো কোনো জনজাতিৰ এনে মুখিয়াল থাকিলেও সমাজৰ বয়সীয়া শ্ৰেণীৰ সামূহিক সিদ্ধান্তৰদ্বাৰাহে সমাজ পৰিচালিত হয়। অসীম শক্তিশালী ৰাজনৈতিক শক্তিৰ অভাৱ আছিল। আহোমসকলেই যথাৰ্থতে ক্ষমতাশালী ৰাজনৈতিক শক্তি প্ৰতিষ্ঠা কৰিলেও ইয়াৰ আগতে চুতীয়া, কছাৰী, বৰাহী-কছাৰীয়ে ৰাজ্য পাতি শাসনকাৰ্য্য চলাইছিল। তাম্ৰশাসনৰ মূলতো

মঙ্গোলীয় ৰজাই শাসন কৰাৰ উদাহৰণ আছে। আহোমসকলৰ সমসাময়িক মেছবংশী বিশ্বসিংহয়ো কোচ ৰাজ্য প্ৰতিষ্ঠা কৰে আৰু নৰনাৰায়ণ-চিলাৰায়ে ৰাজ্যবিস্তাৰ কৰে। সেয়ে হ'লেও পাৰ্বত্য অঞ্চলত আজিও স্বনিয়ন্ত্ৰিত সমাজ ব্যৱস্থাৰেই অস্তিত্ব ৰক্ষা কৰি আছে। মুখিয়ালজনক 'ৰজা' বা 'গাঁওবুঢ়া' বোলে। ৰজাই নিয়ন্ত্ৰণ নকৰে বৰঞ্চ ৰজাক কেন্দ্ৰ কৰি সমাজৰ অনুশাসন চলে। জনজাতীয় গাঁওবোৰত ভিতৰুৱা সামাজিক অনুশাসন পূৰ্বৰ পদ্ধতিৰেই চলি আছে। আজিকালি নামঘৰ হৈছে; পূৰ্বতে দেওঘৰ আছিল। দেওঘৰবোৰৰ ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতিয়ে সমাজৰ বান্ধোন কটকটীয়া কৰি থৈছিল।

মঙ্গোলীয় মানুহৰ লগৰীয়া দুপদ বস্তু—এখন দা আৰু এটা মোনা। জনজাতি অনুযায়ী দাখনৰ আকাৰ-প্ৰকাৰ সুকীয়া। যেচি দা, কপি দা, মিট্ দা তিনিওবিধ ব্যৱহাৰ হয় যদিও প্ৰত্যেক জনজাতিয়ে একে আকাৰ-প্ৰকাৰৰ দা ব্যৱহাৰ নকৰে। দা আৰু অন্যান্য প্ৰয়োজনীয় সা-সঁজুলি নিজৰ কমাৰে তৈয়াৰ কৰে। এই কমাৰৰ ভাটী প্ৰায় আটাইবোৰ একে ধৰণৰ। একালত লো-মাটিৰ-পৰা লো তৈয়াৰ কৰি সেই লো পগাই দা-কটাৰী তৈয়াৰ কৰিছিল। পিছলৈ বন্দুক বৰতোপ আদিও তৈয়াৰ কৰিছিল। কোনো কোনো জনজাতিয়ে দাৰ লগতে যাঠি, বৰছা আদিও ব্যৱহাৰ কৰিছিল।

মঙ্গোলীয় মানুহৰ মাজত অতি পুৰণি কালৰেপৰা সৰল অথচ কাৰ্যকৰী তাঁতশালৰ ব্যৱহাৰ আছিল। তাঁতশাল দুবিধ—মাটিৰ শাল আৰু কঁকালত বান্ধি বোৱা শাল। গছৰ আঁহৰপৰা তৈয়াৰী সূতাৰ উপৰিও, কপাহী, পাট, মুগা আৰু এৰী সূতাৰ কাপোৰ বোৱাত মঙ্গোলীয় শিপিনী অতি পাকৈত। জ্যামিতিক আৰ্হিৰ ফুল বাছি কাপোৰ ধুনীয়া কৰা কৌশলৰ ক্ষেত্ৰত পাছ পেলাব পৰা টান। থলুৱা গছ-লতা আৰু তাৰ শিপাৰপৰা ৰং তৈয়াৰ কৰি, সেই ৰঙেৰে সূতা আৰু আঁচু বোলাই, ৰঙৰ সামঞ্জস্য ৰাখি ফুল বাছি কাপোৰ-বোৱা বিদ্যাত মঙ্গোলীয় তিৰোতা অতি পাকৈত। মিচিং, কাৰ্বি, বড়ো, খামতি, কাকিয়াল তিৰোতাৰ হাতৰ পৰশত সঁচাকৈয়ে সপোন দিঠকলৈ ৰূপান্তৰিত হয়। জনজাতি অনুযায়ী একো একোটা নিৰ্দিষ্ট ৰঙৰ প্ৰতি আকৰ্ষণ লক্ষ্য কৰা যায়। তাঁতশাল একোখনৰ আটাইবোৰ সঁজুলি বাঁহেৰে তৈয়াৰী। অৱশ্যে ব্যৱহাৰৰ ধৰণত পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। মুগা, এৰী এই দুয়োবিধ পলু পুহি, তাৰ সূতা কাটি কাপোৰ বোৱাত আহোম, কছাৰী আৰু চুতীয়া মানুহ অভ্যস্ত। মুগা-সংক্ৰান্ত মন্ত্ৰ

এটাবপৰা কছাৰীসকলেই মুগা ঘৰচীয়া কৰিছিল যেন অনুমান হয়। আনপিনে কাৰ্বিসকলৰ মাজত অতি জনপ্ৰিয়তাৰে এৰী-পলু পোহোৱালৈ চাই ই অধিক পুৰণি যেন লাগে। পিছলৈ এৰী-মুগা পোহাটো অন্যান্য জাতিগোষ্ঠীৰ মাজতো বিয়পি পৰে। আহোম ৰজাই মুগা পুহিবলৈ খেল পাতি মানুহ নিবন্ধন কৰি দিছিল। গাত তাৰবীয়া কাপোৰ পিন্ধিলেও জাৰ-কাপোৰ হিচাপে এৰী বা এৰীয়া কাপোৰ এখন যোগাৰ কৰি লোৱাটো পৰ্বতীয়া জনজাতিয়েও অৱশ্য কৰ্তব্য বুলি ভাবিছিল। অসমৰ মঙ্গোলীয় মানুহে বোৱা কাপোৰ ভূটীয়া বেপাৰীৰ যোগে গৈ তিব্বত আৰু চীন দেশ পাইছিলগৈ।

পৰ্বতীয়া মঙ্গোলীয় মানুহে গড়, পহু বা ম'হৰ ছালেৰে ঢাল তৈয়াৰ কৰিছিল। তৈয়াৰমতে এনে ঢাল ব্যৱহৃত হৈছিল। তদুপৰি আহোম সৈন্যই বাৰু আৰু গাঁতি আত্মৰক্ষাৰ অৰ্থে প্ৰয়োগ কৰিছিল। কোনো কোনো ক্ষেত্ৰত কাঠৰ পাটো ব্যৱহাৰ কৰিছিল। তেনে ঢাল নগাপৰ্বত, অৰুণাচল আৰু খাময়তিসকলৰ মাজত সংৰক্ষিত অৱস্থাত এতিয়াও দেখা যায়।

সকলো মঙ্গোলীয় মানুহেই একালত চাংঘৰত বাস কৰিছিল। ইয়াৰ দুটা কাৰণ—(১) নিৰাপত্তা, (২) স্বাস্থ্যজনিত কাৰণ। বনৰীয়া জীৱ-জন্তুৱে যাতে ৰাতি-বিয়লি হঠাতে আক্ৰমণ কৰিব নোৱাৰে, নতুবা শত্ৰুৱে অপঘাত কৰিব নোৱাৰে, সেইবাবে চাংঘৰত বাস কৰে। আগৰ দিনত ঘৰৰ ওখলাডাল ৰাতি তুলি থৈছিল যাতে শত্ৰু উঠি আহিব নোৱাৰে। আনপিনে মঙ্গোলীয় মানুহৰ প্ৰিয় পোহনীয়া জীৱ-জন্তু হ'ল কুকুৰা-গাহৰি। কুকুৰা-গাহৰিয়ে লেতেৰা কৰিব নোৱাৰাকৈ চাংঘৰত ব'স কৰি মাটিত সিহঁতক থাকিবলৈ দিয়ে। অধিকাংশ মঙ্গোলীয় মানুহেই পৰ্বতত বাস কৰে। একালত ওখ আৰু আহুতীয়া পৰ্বতৰ টিং বসবাসৰ অৰ্থে বাছি লৈছিল। অতি খেপাখেপিকৈ একে থুপতে বাস কৰিছিল। যেতিয়া নিজা কৈমবিলাকৰ ভিতৰতে ভিতৰুৱা কাজিয়া-পেচাল, কটা-মৰা হৈ আছিল, সেই সময়ত একে ঠাইতে থুপ খাই থকাটো প্ৰয়োজনীয় আছিল। গতিকে নিৰাপত্তাৰ খাতিৰত পৰ্বতৰ টিং বাছি লৈছিল। তৈয়াৰ মঙ্গোলীয় মানুহৰ গাঁওবোৰত খেপাখেপিকৈ ঘৰ-সজাৰ লক্ষণ বৰ্তমান। আনপিনে আহোমসকলৰ বাহিৰে বাকী সকলো পৰ্বতীয়া জনজাতিয়েই প্ৰাথমিক স্তৰত ঝুমখেতি কৰিছিল। ঝুমখেতিৰ পথাৰ দুবছৰ-তিনিবছৰৰ মূৰে মূৰে সলনি কৰিছিল। হাবি কাটি জুই লগাই পথাৰ উলিয়াই তাতে আহধান, কণিধান,

আদা, কচু, জলকীয়া, কপাহ আদিৰ খেতি কৰিছিল। তদুপৰি বছৰটোৰ আহাৰ যোগাবলৈ চিকাৰ আৰু বনবীয়া ফল-মূলৰ ওপৰত নিৰ্ভৰ কৰিছিল। দা, কুঠাৰ আৰু কোৰেই আছিল একমাত্ৰ খেতিৰ সঁজুলি। কোনো কোনো জনজাতিয়ে থকা ঘৰৰপৰা অনতিদূৰত একথপাতে ভঁৰালঘৰ সাজি তাত শস্য সংৰক্ষণ কৰে। ঘৰ কাঠ-বাঁহেৰে সাজি টকৌপাত বা জেংগছৰ পাতেৰে চায়। ভৈয়ামত অৱশ্যে উলু-বিৰিণা, বৰডা খেৰৰ ব্যৱহাৰ হয়।

স্মিথে উল্লেখ কৰা ওপৰৰ লক্ষণবিলাকৰ উপৰিও আৰু ভালমানকেইটা উমৈহতীয়া লক্ষণ দেখা যায়। দেওশাল বা দেওঘৰৰ পূজাত, ঘাইকৈ শক্তিপূজা নতুবা থলুৱা লোকবিশ্বাসৰ দেবদেবীৰ পূজাত জীৱ জন্তু বলি দি তাৰ তেজ উছৰ্গা কৰিছিল। এই ক্ষেত্ৰত সমুদায় ধৰ্মীয় ধাৰণাকে ৰক্ত-সংস্কৃতি আখ্যা দিব পাৰি। মঙ্গোলীয় মানুহে নিজে ঘৰতে তৈয়াৰ কৰা লাওপানী খাদ্য হিচাপে খোৱাৰ উপৰিও ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানত মুকলিকৈ ব্যৱহাৰ কৰে। লাহি চাউৰ ভাত সিজাই সেই ভাতৰ লগত ঔষধ সানি কলহত ভৰাই থয়। পিছত সেই ভাতত মাদক গুণ নিহিত হৈ মদলৈ ৰূপান্তৰিত হয়। এনে মদ বা লাওপানীত খাদ্য-প্ৰাণ প্ৰচুৰ পৰিমাণে পোৱা যায়। একালত মঙ্গোলীয় মানুহে পুৱা-গধূলি নিয়মীয়াকৈ খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল। মিচিং মানুহে ধানৰ মুঠি পুৰি তাৰ ছাইত ঔষধ সানি, পানী মিহলাই মদ তৈয়াৰ কৰে। কোনোৱে পকাকঁঠাল, পকা ভীমকল আদিত ঔষধ মিহলাই অতি সুস্বাদু মিঠা অথচ পাতল নিচাযুক্ত উৎকৃষ্ট মদো তৈয়াৰ কৰিব জানিছিল। বিয়া-সবাহত লাওপানীৰে অভ্যৰ্থনা জনোৱা হৈছিল। ধানদোৱা, ঘৰ-সজা, হাল-বোৱা আদি কামলৈ নিমন্ত্ৰণ জনোৱা ৰাইজক হাঁহ-কুকুৰা মাৰি মদ-ভাত খুওৱাটো নিয়ম। পৰ্বত-ভৈয়াম উভয়তে মঙ্গোলীয় সমাজত মদ সামাজিক সম্ভ্ৰমৰ চিনস্বৰূপেহে ব্যৱহাৰ কৰা হয়।

পূৰ্বতে উল্লেখ কৰা হৈছে যে মঙ্গোলীয় মানুহৰ আহাৰ-ৰীতিত তথাকথিত নিষেধাজ্ঞা নাই। সম্প্ৰদায় বা জনজাতিবিশেষে কোনো কোনো জীৱ-জন্তু ভক্ষণ নকৰিব পাৰে; কিন্তু সামগ্ৰিক দৃষ্টিৰে চালে তেওঁবিলাকে হাঁহ, চৰাই, মাছ, আনকি কেতবোৰ কীট-পতংগও খাদ্য হিচাপে ব্যৱহাৰ কৰে। নৈষ্ঠিক হিন্দু আদৰ্শত কুকুৰা-গাহৰি আদি অস্পৃশ্য-অখাদ্য। সাধাৰণ মঙ্গোলীয় মানুহৰ বিচাৰত এইবোৰ অস্পৃশ্য নহয়। গাহৰি মাৰি ভোজ দিব পৰাটো অৱস্থাপন্ন মানুহৰ চিন।

যেখনৰ মাংসও অতি প্ৰিয়। সকলো ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানতে কুকুৰা-পাহৰিৰ ব্যৱহাৰ মঙ্গোলীয় জনসমষ্টিৰ বৈশিষ্ট্য। কুকুৰা কাটি শপত খায় আৰু মঙ্গল চায়।

পৃথিৱী আৰু নাৰী উৰ্বৰা-শক্তিৰ উৎস আৰু মঙ্গোলীয় সমাজত সমানে গুৰুত্ব আৰোপ কৰা হয়। মানুহৰ সংখ্যা বৃদ্ধি কৰে নাৰীয়ে; শস্যৰ উৎপাদন বৃদ্ধি কৰে পৃথিৱীয়ে। পৃথিৱীত গিৰিপনি মাৰি, যৌন ধৰ্মী নাচ নাচি শস্য সৃষ্টিৰ প্ৰেৰণাৰে জাগ্ৰত কৰা হয়। সেয়েহে সকলো কৃষি উৎসৱ উৰ্বৰা-বিশ্বাসধৰ্মী। নাৰীৰ হাতত পৰশত লখিমী লহপহকৈ বাঢ়ি আছে। সেয়েহে মঙ্গোলীয় মানুহে নাৰীক পথাৰলৈ নিমন্ত্ৰণ জনায়। শস্যৰ গুটি সিঁচে পুৰুষে, বন নিৰায় নাৰীয়ে, শস্য চপায়, ধান দায় জীয়ৰী-বোৱাৰীয়ে। সৃষ্টি ৰক্ষাৰ নিমিত্তে, বংশ বৃদ্ধিৰ কাৰণে নাৰী একান্ত প্ৰয়োজনীয় বাবেই পুৰুষে গা-ধন দি তিৰোতা বিয়া কৰায়। সমগ্ৰ মঙ্গোলীয় সমাজতে একালত ধনেৰে বা বস্তুৰে গা-ধন দিয়াৰ নিয়ম আছিল। গা-ধন হিচাপে লাভ কৰা যেখন, গাহৰি আদি কাটি বাইজে ভোজ খাইছিল। মঙ্গোলীয় সমাজ-ব্যৱস্থাত কন্যা-সন্তান অধিক আদৰণীয়।

অসমত পানী খেতিৰ প্ৰচলন অষ্ট্ৰিক সংস্কৃতিৰেই অৱদান যদিও ই একান্তই প্ৰাথমিক স্তৰৰ আছিল। অসমত শালিখেতিৰ বাহুল্য সৃষ্টি কৰে আহোমসকলে। পথাৰ পাতি, আলি দি, পানী নিয়ন্ত্ৰণ কৰি শালিখেতি কৰাত টাই মানুহৰ পাৰ্গতি আছিল। অস্ট্ৰিকসকলে শালিখেতিৰ বোকাত নঙলেৰে খৰালি মাটি চহাই আহু আৰু বাও সিঁচিবলৈ জান পাইছিল। ব্ৰ. বানপানীৰ সম্ভাৱনা থকা অঞ্চলৰ মানুহে বাওধানৰ খেতিহে পছন্দ কৰিছিল, কিন্তু মঙ্গোলীয় জন-সমষ্টিৰ সকলো পাৰ্বত্য জনজাতিয়েই ঝুমখেতি কৰিছিল। ঝুমখেতিৰ পৰিপাতিস্বৰূপ টাই সগাই মানুহে সৰনাই প্ৰৱৰ্তন কৰিছিল।

সমগ্ৰ মঙ্গোলীয় মানুহৰ মাজত মাছ-মাংস জনপ্ৰিয় আছিল আৰু ইয়াক সংৰক্ষণ কৰাৰ ব্যৱস্থা আছিল। মাছ-মঙহ জুইৰ তাপত আৰু টান ৰ'দত শুকুৱাই আটকৰ দিনলৈ সাঁচি থৈছিল। মাছ খুন্দি, ঔষধি মিহলাই শুকটা তৈয়াৰ কৰে। বাহৰ চুঙাত ভৰাই এনে মাছ ভালেমান দিনলৈ সাঁচি থয়। গৰু, গাহৰি আদিৰ মঙহো জুইৰ তাপত শুকুৱাই মিতিৰ-কুটুমৰ ঘৰলৈকো পঠিয়ায়। হিন্দু ধৰ্মৰ প্ৰভাৱ পৰাৰ লগে লগে কিছুমান মানুহৰ মাজত শুকান মাছ-মঙহৰ ব্যৱহাৰ নিষিদ্ধ কৰা হল; কিন্তু তেওঁবিলাকে বুজি দিলে যে মাছ বা মঙহ শাকসৈতে গ্ৰহণ কৰাৰ পিছত

শুকান আৰু কেঁচাৰ কি জাতিভেদ আছে ? সি যি কি নহওক মঙ্গোলীয় সমাজত মাছ-মঙহ শুকুৱাই সংৰক্ষণ আৰু ভক্ষণ কৰাটো পৰম্পৰাগতভাৱে চলি আহিছে।

মঙ্গোলীয় মানুহ হিন্দু ধৰ্মলৈ দীক্ষিত হ'লেও তেওঁবিলাকৰ মাজত পুৰণি কৈৰাতজ ধৰ্মৰ প্ৰভাৱ অতি স্পষ্ট। নামঘৰ সাজি, নাম-কীৰ্তন কৰি, বৈষ্ণৱ হ'লেও অতি প্ৰাচীন কালৰেপৰা মানি অহা কেতবোৰ ৰীতি-নীতি এতিয়াও এৰিব পৰা নাই। বুঢ়াগোসাঁই বা সদাশিৱ আৰু বুঢ়ীগোসাঁনী বা আইক এতিয়াও অৱমাননা নকৰে। তদুপৰি 'একদেৱ একসেৱ' বুলি বৈষ্ণৱ হ'লেও উৰ্বৰাবিশ্বাস আৰু কৃষিধৰ্মী ৰীতি-নীতি, উৎসৱ-পাৰ্বণসমূহ বিভিন্ন দেৱ-দেৱীৰ পূজা-সেৱাৰ মাজেদি জীয়াই ৰাখিছে। একালত ঋতুমতী নাৰীৰ ঋতুৰক্ষা কৰি যথাসম্ভৱ সৰহীয়াকৈ সন্তান জন্ম দিব পৰাটো ধৰ্মীয় কৰ্তব্য বুলি ভাবিছিল। ব্ৰত, উপাসনা, ব্ৰহ্মচৰ্য আদি কঠিন ব্যৱস্থা মঙ্গোলীয় সমাজত অচল। খাদ্য বিষয়ত নিষেধাজ্ঞা নাই। উৎসৱ, অশৌচ, মৃত্যু আদিৰ সময়ত গাঁৱত নিষেধাজ্ঞা অৰ্থাৎ 'গেনা' থাকে ; তেতিয়া বাহিৰা মানুহৰ প্ৰৱেশ নিষেধ আৰু গাঁৱৰ মানুহো বাজলৈ নোলায় আৰু খেতি-খোলা, পথাৰ-সমাৰৰ কাম বন্ধ থাকে। তেনেকুৱাতো এনে ৰীতি প্ৰচলিত আছিল। আহাৰৰ যাঁঠ অৰ্থাৎ অম্বুবাচীৰ সময়ত চাৰিদিন কোৰ-কটাৰীমৰা, হালবোৱা বন্ধ থাকে। এই সময়ত পৃথিৱী ৰজঃস্বলা হৈ শাওণ-ভাদত গৰ্ভৱতী হয় বুলি বিশ্বাস কৰে। বহুতে উক্ত চাৰিদিনত গাখিৰ মাৰি মধু-ভাত খোৱাটো উৎপাদিকা শক্তিৰ সহায়ক বুলি ভাবিছিল। বিয়া-বাৰ আৰু অন্যান্য সামাজিক অনুষ্ঠানত পালন কৰা কিছুমান সৰু-সুৰা অথচ তাৎপৰ্যপূৰ্ণ আচাৰ-ৰীতিৰ মাজেদি মঙ্গোলীয় বৈশিষ্ট্য ফুটি ওলায়। নোৱাই-তোলনী বিয়াত বিশেষ গুৰুত্ব আৰোপ কৰা হয় আৰু জীয়ৰী পলাই গৈ বিয়া পতাটো অনিয়ম বুলি গণ্য কৰা নহয়। আনপিনে ৰীতি-নীতিপূৰ্ণ বিয়া এখন ব্যয়বহুল আৰু অনেক জটিল। সাধাৰণ ধৰ্মীয় জীৱনত অনেক উপদেৱতাৰ আৰু অপদেৱতাৰ অস্তিত্ব স্বীকাৰ কৰে আৰু সেইদৰেই স্থানীয় ৰীতি-নীতিৰে পূজা-সেৱা কৰা হয়।

মঙ্গোলীয় জনসমষ্টিৰ সৰ্বাতোকৈ ডাঙৰ বৈশিষ্ট্য হ'ল সামূহিক জীৱন পদ্ধতি। তেওঁবিলাকে ডাঙৰ ঘৰ আৰু যৌথ পৰিয়াল ভাল পায়। একেঘৰতে কেইবা-পুৰুষৰো মানুহ বাস কৰে। একোখন গাঁৱৰ মানুহে মাৰ বান্ধি বাস কৰে। বিপদ-আপদ, ৰং-আনন্দ সকলোতে একগোট হৈ থিয় দিয়ে। শত্ৰুৰ হাতত গাঁৱৰ এজন মানুহৰ হানি হ'লে প্ৰত্যেক পৰিয়ালৰ হানি হিচাপে গণ্য কৰা হয়।

বিয়া, মৃতকৰ শ্ৰাদ্ধ আদিত গাঁৱৰ সকলো মানুহেই সাধ্য অনুসৰি সহায় কৰে। ঘৰ-সজা, বতা-পৰণা দিয়া, পথাৰত হাল বাই দিয়া, ধান দাই-চপাই দিয়া আদি গাৰ্হস্থ্য কামলৈ 'হাউৰি' বা বাইজ মাতে। বাইজে ৰংমনে সহায় কৰি দিয়ে। বিনিময়ত এটা জলপান বা এসাজ ভাত খুৱায়। সেইদৰে মাছ-মৰা, পহু চিকাৰ কৰা আদি কামতো সমূহীয়া আদৰ্শ বিদ্যমান। বহুতো ঠাইত সমূহীয়াকৈ মাছ-পহু মাৰি সমানে ভগাই লোৱা ৰীতি এতিয়াও জীয়াই আছে।

মঙ্গোলীয় মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ল মান-মৰ্যাদাৰ প্ৰশ্নত অনমনীয়তা। সততে আনৰ ওচৰত মূৰ নোদোৱায়। মুখে-মুখে কথা নিদিয়ে আৰু দিয়া কথা প্ৰাণ গ'লেও পৰিহাৰ নকৰে। নিজৰ মতত অটল-অচৰ। একালত এনে অনমনীয়তাৰ পৰিণতিস্বৰূপেই পুৰুষানুক্ৰমে প্ৰতিহিংসা পূৰণৰ ৰীতি গঢ় লৈ উঠিছিল। আৰ্থিক দিশত যিমানেই কি নিম্নকক্ষীয়া নহওক, মান-মৰ্যাদাৰ প্ৰশ্নত সকলো সমান। অন্য ব্যক্তি বা জাতিৰ হাতত লাঞ্ছিত হ'বলৈ কেতিয়াও এৰি নিদিয়ে। এই ক্ষেত্ৰতে এই কথাও উল্লেখ কৰিব পাৰি যে তেওঁবিলাক নিজা জাতিগত অস্তিত্ব ৰক্ষাৰ অৰ্থে সততে সতৰ্ক। ধৰ্মীয় প্ৰভাৱ বা আধুনিকতাই স্পৰ্শ কৰিলেও কেতবোৰ বৈশিষ্ট্য ৰক্ষাৰ যত্ন কৰি আহিছে।

মঙ্গোলীয় মানুহ স্বভাৱত সৰল, জীৱন-যাপন পদ্ধতিতো সৰল। নিজৰ দৰেই আনকো সৰল বুলি গণ্য কৰে; কিন্তু এবাৰ আঘাত পালেই জাঙুল খাই উঠে। অতিথি-শুশ্ৰূষা, সহজে বিশ্বাস স্থাপন আদি অন্য গুণ। আনপিনে সংঘৰ্ষকামিতা অৰ্থাৎ 'যুঁজৰ কুকুৰা যুঁজত মৰে' এই নীতিও মানি চলে। একালত বিশাল সংস্কৃতিসম্পন্ন অষ্ট্ৰিকসকল এই মঙ্গোলীয়সকলৰ যুদ্ধকামিতাৰ ফলতেই আঁতৰি যাবলৈ বাধ্য হ'ল। সৰলতা আৰু বিশ্বাসবাদিতাৰ ফলত পোনতে আনক ঠগাই নয়; কিন্তু নিজৰ ভুল উপলব্ধি কৰি মৰি-যুঁজি আত্ম-প্ৰতিষ্ঠাৰ অৰ্থে সংগ্ৰাম কৰাৰ উদাহৰণো আছে। আজি সমগ্ৰ অসমীয়া জাতি-সত্তাৰ মাজত এই গুণটো নিহিত হৈ পৰিছে।

আৰ্যসকলৰ মাজত জাতি বৰ্ণৰ ভেদাভেদ আৰু জাত্যাভিমান যিমান প্ৰকট, মঙ্গোলীয়সকলৰ মাজত তেনে জাতি-চেতনা দেখা নাযায়। অস্পৃশ্যতা আৰু জাতি-বৈষম্য বিশ্বাস নকৰে। সমগ্ৰ বিশ্বৰ মঙ্গোলীয় জনসমষ্টিৰ ক্ষেত্ৰতে এই কথা খাটে। ৰাজনৈতিক পাৰ্থক্য কিম্বা প্ৰতিদ্বন্দ্বিতাৰ মাজত পৰিলেই যি কোনো দেশৰ মঙ্গোলীয় মানুহ সহজে মিলি যাবলৈ আৰম্ভ কৰে। আহোমসকলে অসমত

মৰাণ, বৰাহী, কছাৰী৷ চুতীয়া ৰাজ্য জয় কৰিছিল অথচ তেওঁবিলাকৰেই কণ্যা বিয়া কৰাই, সতি সন্ততি জাতত তুলি লৈছিল। চুতীয়াসকল শাসক আছিল ; কিন্তু কালক্ৰমত সমন্বয় সাধিত হৈ হিন্দু-চুতীয়া, মিৰি-চুতীয়া৷ আহোম-চুতীয়া৷ দেউৰী-চুতীয়া, বৰাহী-চুতীয়া, বুৰুক-চুতীয়া আদি ভাগত ভাগ হৈছিল। টিৱা বা লালুং, কোচ, কছাৰীসকলো নানান প্ৰকাৰে সান মিহলি হোৱাৰ আৰু ৰক্ত-সংমিশ্ৰণৰ ফলত নতুন নাম লাভ কৰাৰ উদাহৰণ আছে। পানীকোচ, মদাহী, শৰু কোচ, শৰণীয়া আদি মন কৰিবলগীয়া। কৈদ বা গোষ্ঠীগত সংঘৰ্ষৰ অন্ত পৰিলেই সমন্বয়ৰ বাট মুকলি হয়। পাৰ্বত্য জনজাতিসমূহৰ ভিতৰতো তেনে উদাহৰণ আছে। নগাৰাজ্যত এনে সংমিশ্ৰণৰ পৰিণতিস্বৰূপে নতুন জনজাতিৰ উদ্ভৱ হৈছে। আনকি একালত ধৰি আনি দাস হিচাপে ৰখা মানুহো সময়ত সমাজভুক্ত হৈ, বিয়া-বাক কৰাই জনজাতিৰ মাজত লীন গৈছে। জাতিগত উচ্চাভিমানতকৈ তেওঁবিলাক শক্তিমূলক প্ৰতিযোগিতাতহে অধিক মনোযোগী যেন লাগে। আহাৰ-বিহাৰ, পিন্ধন-উৰণ আৰু কৈৰাতত্ৰ ধৰ্মৰ প্ৰভাৱেই ইয়াৰ কাৰণ। ইংৰাজ-শাসনৰ সুবিধা লৈ কেতবোৰ পুৰোহিত শ্ৰেণীৰ মানুহে জাতিগতভাৱে নিষ্পেষণ চলালেও বৰ্তমান সময়ত এই মঙ্গোলীয় জাতিসমূহ আত্মপ্ৰতিষ্ঠাৰ প্ৰতি সচেতন হৈ উঠিছে আৰু আজিও মঙ্গোলীয় মানুহৰ মাজত জাতিগত উচ্চাভিমান নাই আৰু বিভিন্ন সমষ্টিৰ ভিতৰত সামাজিক ব্যৱধান দৃষ্টিকটু হৈ ধৰা নিদিয়ে।

অসমৰ উৎসৱ-পাৰ্বণসমূহতো মঙ্গোলীয় সংস্কৃতিৰ প্ৰভাৱ স্পষ্ট। দুৰ্গাপূজাৰ সময়ত যিবোৰ অনুষ্ঠান দেখা যায় তাত অষ্ট্ৰ-মঙ্গোলীয় সংস্কৃতিৰ উপাদান বহুতো লক্ষ্য কৰা হয়। ম'হ-ছাগলী বলি দিয়া, হাঁহ-পাৰ বলি দিয়া, দেওধনি উঠি বলি লোৱা আদি লোকাচাৰ আজিও চলি আছে। সেইদৰে জন্মাষ্টমীৰ সময়ত মৰাণসকলৰ মাজত অনুষ্ঠিত গোটাচেৰেক লোকাচাৰ মঙ্গোলীয় বৈশিষ্ট্যৰেই সূচনা কৰে। বিহু উৎসৱৰ আনুষ্ঠানিক লোকাচাৰসমূহ বিশ্লেষণ কৰিলে তাৰ মাজতো অষ্ট্ৰ-মঙ্গোলীয় উপাদানৰ পৰিমাণেই অধিক পোৱা যাব। সমগ্ৰ উত্তৰ-পূৰ ভাৰতত মঙ্গোলীয়সকলৰ কৃষিমুখী সংস্কৃতিৰ লগত উৎসৱসমূহ জড়িত হৈ আছে। যি কোনো উৎসৱতে নাচ-গান, ভোজ-ভাত আৰু সমূহীয়া আনন্দৰ আয়োজন মন কৰিবলগীয়া। ঝুম কাটি 'আবাম' পাতিবলৈ আড়ম্বৰপূৰ্ণ উৎসৱৰ আয়োজন কৰাৰ উপৰিও বসন্তকালতো ৰং-আনন্দৰ উৎসৱ পতা হয়। 'লচু', 'মোৰাংচু' আদি এনে উৎসৱ। হিন্দু আদৰ্শত মৃতকৰ শ্ৰাদ্ধ ব্ৰাহ্মণ-পুৰোহিতৰ হতুৱাই কৰোৱা

হয় ; কিন্তু মঙ্গোলীয় আদর্শত মৃতকলৈ উচৰ্গা কৰি ভকভক তথা বাইজক খুওৱা হয়। অসমীয়া সমাজত সেই ৰীতি আজিও প্ৰচলিত। ন-খোৱা, লখিমী-সবাহ, পানীতোলা-সবাহ, বাইখু বা বাথৌ-পূজা আদি ব্যক্তিগতভাৱে কৰাতকৈ দেওৰ, নামঘৰ আদিত সমূহীয়াকৈ কৰি ভাল পায়। গ্ৰামবোৰ গাঁৱতে বছৰেকত এবাৰ সমূহীয়াকৈ সবাহ পাতি ভোজ-খোৱা প্ৰথা দেখা যায়। দেৱাই, দেওধনি, লাইহাওবাবা আদি নৃত্যত ধৰ্মীয় ধাৰণা জড়িত থাকিলেও বিহু, পছং আদি নাচত ধৰ্মৰ গোন্ধ নাই। জনজাতীয় তিৰোতাৰ নাচৰ গতি মন্থৰ, মৃদু ; কিন্তু পুৰুষৰ নাচত পৌৰুষ অভিব্যক্তিৰ বিকাশ ঘটা দেখিবলৈ পোৱা যায়। নগানৃত্য আৰু বিহুনৃত্যত ইয়াৰ লক্ষণ স্পষ্ট। নগাৰ যুদ্ধ-নৃত্যতো সাহস, শক্তি আৰু আক্ৰমণৰ দুৰ্বাৰ গতিৰ উদ্দাম শক্তি পৰিস্ফুট হৈ উঠে।

অসমীয়া সংস্কৃতিলৈ মঙ্গোলীয়সকলৰ অৱদান প্ৰচুৰ। ভেঁওবিলাকে লগত অনা জাতিগত উপাদানৰ উপৰিও অসমৰ সংস্কৃতিক আৰ্যীকৰণ আৰু ভাৰতীয়কৰণ কৰাৰ পথতো সহায়তা কৰিছিল। বৰাহী ৰজা মহামাণিক্যই মাধৱ কন্দলিক ৰামায়ণ অনুবাদ কৰিবলৈ আদেশ দিছিল। আনফালে নৰনাৰায়ণে শঙ্কৰদেৱক ‘বৰগীত-যুৰাই’ আদি শাস্ত্র-ভাগৱত দি সাহিত্য ৰচনাত অনুপ্ৰেৰণা যোগাইছিল। আহোমসকলে ভেঁওবিলাকৰ শাসনপদ্ধতিৰে সাতৰাজ মাৰি একৰাজ কৰাই নহয়, সাতভাই গোটাই একত্ৰ কৰি অসমীয়া দেশৰ জন্ম দিছিল। ভাষা, সাহিত্য, স্থাপত্য-ভাস্কৰ্য, চিত্ৰকলা সকলোলৈকে বৰঙণি দিছিল। এই সময়তেই অসমীয়া মাত-কথা হিমালয়ৰপৰা ব্ৰহ্মদেশলৈ বিয়পি পৰিছিল। তিব্বততো অসমীয়া মাত-কথাৰে বেহা-বেপাৰ চলিছিল। চুতীয়া-সকলে আগতেই হিন্দুত্ব গ্ৰহণ কৰিছিল আৰু মঠ-মন্দিৰ নিৰ্মাণ কৰিছিল। তাম্ৰশাসনৰ যুগৰ মঙ্গোলীয় শাসক-সকলৰ অৱদানৰ বিষয়টো এতিয়াও গৱেষণাৰ গৰ্ভত। আহোমসকলৰ এক বিশিষ্ট অৱদান বুৰঞ্জী সাহিত্য—ভাৰতৰ ভিতৰত বিৰল। অসমৰ তাঁতশাল, অসমৰ বাস্তু, দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা শা-সঁজুলি, বিণ-মেখেলা বেজালি, খেতি-খোলা সকলোলৈকে মঙ্গোলীয় অৱদানৰ অন্ত নাই। অসমীয়া সংস্কৃতিৰ ভাৰতীয়মুখী ৰূপটোৰ ছত্ৰে ছত্ৰে মঙ্গোলীয় উপাদান প্ৰত্যক্ষ বা প্ৰচ্ছন্ন ৰূপত নিহিত হৈ আছে।

# দেউৰী সংস্কৃতিৰ পৰিচয়

**ভদ্ৰকান্ত দেউৰী**

দেউৰীবিলাক নিজ বাসস্থান সদিয়া এৰি ভটীয়াই অহা বহুবছৰ হ'ল। তেতিয়াৰ পৰা উজনি অসমৰ বিশেষকৈ শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাৰ নৈ কাষৰীয়া ঠাইবোৰত বসবাস কৰি আছিছে। নৈ পৰীয়া ঠাইত বাস কৰাৰ প্ৰধান কাৰণ হ'ল আদিম কালৰ পৰাই তেওঁবিলাক কঠোৰ পৰিশ্ৰমী। সেই কাৰণেই খেতিৰ উপযোগী সাৰুৱা মাটিৰ অন্বেষণত গৈ নৈৰ উপত্যকা আদিত বসতি কৰিবলৈ লয়। দ্বিতীয়তঃ তেওঁবিলাক আগতে চেঁচা ঠাইৰ মানুহ আছিল। গতিকে গৰম সহ কৰিব নোৱাৰি নৈ-পাৰত চেঁচা আহল-বহল মুকলি ঠাইবোৰত থাকিবলৈ লয়। ফলত পানী আৰু খেতি মাটিৰ সুবিধাটোলৈ লক্ষ্য ৰাখি নদীৰ কাষতে বসবাস কৰিব লগা হয়। প্ৰকৃতিৰ যি ঠাইতেই জীয়াই থকাৰ সামগ্ৰীৰ প্ৰচুৰতা বেছি তাতেই তেওঁবিলাকৰ বসতি। এইটো দেউৰী-মানুহৰ সহজাত গুণ। জাতিগত বৈশিষ্ট্য। নদীৰ পাৰত বাস কৰাৰ হেতুকে নদীৰ লগত সংযোগ থকা ভালেমান আচাৰ-ব্যৱহাৰ সামাজিক জীৱনত সোমাই পৰা স্বাভাৱিক। চাংঘৰত থকা আৰু মাছ খোৱা প্ৰথা অন্যতম। সহজ কৃষি জীৱন আৰু উৰ্ব্বৰা শক্তিয়েও মুগ্ধ কৰি ৰাখিছে। গতিকে নদীৰ প্ৰতি স্বাভাৱিক সম্বন্ধ গঢ় লৈ উঠিছে। নদীক প্ৰাণ দি ভাল পায়, মান কৰে; এনেকৈ নৈ কাষৰীয়া ঠাই বসবাসৰ বাবে চিৰস্থায়ী নহয়। গৰাখহনীয়া আৰু বানপানীৰ উপদ্ৰৱত নিৰ্য্যাতন ভুগি ঘনে ঘনে স্থানান্তৰিত হৈ থাকিব লগাত পৰে। কিন্তু এনে নৈ কাষৰীয়া ঠাইবোৰত বানপানীৰ উপদ্ৰৱ হেতু তাৰপৰা হাত সাৰিবলৈ চাংঘৰ সাজি বাস কৰাৰ ব্যৱস্থা কৰিলে। শেষত গৈ ঐ সেইটোৱেই এটা গতানুগতিক নীতিত পৰিণত হৈ পৰিল। কাজেই দেউৰীমানুহে আজিও চাংঘৰতেই বাস কৰি আছিছে।

---

## খেলবন্ধীয়া গাওঁ

তেওঁবিলাকে খেলবন্ধীয়াকৈ সুকীয়া গাওঁপাতি বাস কৰে। খেল প্ৰথাৰ হেতুকে গাওঁৰ একতা সু-দৃঢ়। শত্ৰুৰ পৰা সহজে আত্মৰক্ষা কৰিব পৰা ব্যৱস্থা আদিলৈ চাইহে গাওঁ পাতে। গাওঁপতা, ধন-ভঁৰাল সজা, বাৰীপতা আৰু ৰখল

খৰপোৰা মাটিৰ সীমা আদি ঠিক কৰা কেতবোৰ বৰ নিকপকনীয়া কঠোৰ নীতি-নিয়ম প্ৰচলিত আছে। সেইবোৰ উলঙ্ঘা হলে সাংসাৰিক জীৱনত 'হিমেজুই' লাগি নানা প্ৰকাৰ অশান্তি, পয়মাল সৃষ্টি হোৱা আজিও দেখা যায়। পূৰ্বাপৰ চলি অহা নীতি-নিয়মৰ ভবিষ্যতে সেইবোৰ কাম বৰ সাৱধানে শৃঙ্খলা লগাই লয়। গাৱঁত অধেমধে অথালি পথালিকৈ ঘৰ-ভঁৰাল সাজিব, বাৰী পাতিব আৰু দখল খৰ পোৱা মাটিৰ সীমা বাঢ়িব নোৱাৰে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে এবংশৰ মাজত আন এবংশই এনেবোৰ কাম কৰিব নোৱাৰে। ক্ৰমাগত এবংশৰ পিচত আন এবংশই উক্ত খৰাৰৰ লব পাৰে।

---

# পৰিয়াল প্ৰথাৰ বান্ধনি

নৈ পাৰে পাৰে দীঘলীয়া শাৰী শাৰী চাংঘৰ। ঘৰবোৰ পূবাপশ্চিমা। কাঠ-বাঁহৰ বাজ্য অসম দেশ। তাৰেই ঘৰ-দুৱাৰ সজা হয়। ঘৰবোৰ ওচৰাউচৰি। ঘৰৰ আগ ফালে ধানৰ ভঁৰাল। ভঁৰালবোৰ পশ্চিম মুৱীয়া। তাৰ সন্মুখত ঢেঁকীশাল। একোটা ঘৰ প্ৰায় ৪০ হাতৰ পৰা ১২০ হাত পৰ্যন্ত দীঘল। কেইবাটাও পৰিয়াল মিলিজুলি একেটা ঘৰত থকা ৰীতি। গতিকে বৃহৎ আকাৰৰ ঘৰ প্ৰয়োজন। প্ৰতিঘৰত ১০/১২ জনৰ পৰা ৮০/৯০ জনলৈকে মানুহ থাকে। মাক-বাপেক, ককাই ভাই, জীয়াৰী-বোৱাৰী, নাতি পুতিৰে সৈতে দেউৰী গৃহস্থালি ভৰপূৰ। সকলোৱে একেপাকে আৰু একেভাগ টাকৰে বন্ধা ভাত খায়। কাঁহৰ কাঁহী-বাটিত খোৱা-বোৱা কৰে। লোটা-ঘটিৰে হাত-মুখ ধোৱে। পিতলৰ গাগৰি আৰু মাটিৰ কলহত পানী খয়। কাঁহ-পিতলৰ বটলহি নাইবা কেৰাহীত ৰন্ধা-বঢ়া কৰে। একোখন ঘৰেই এখন সমাজৰ দৰে। গাওঁ একোখন নৈ বিৰাট সমাজ। একোখন গাৱঁত ৩০/৪০ ঘৰৰ পৰা ২০০/২৫০ ঘৰ থাকে। ঘৰৰ সন্মুখৰ ভাগ খোলা। জিৰণি ঠাই। দেউৰীলোকে জিজুঁ বা জিজুং বোলে। আলহী-অতিথি আহিলে তাত বহিবলৈ দিয়া হয়। তাৰ একাৰে থাই দুৱাৰ। দুৱাৰ পাৰ হলেই উপাসনা কৰা খোঁটালী এটা। তাৰ মূৰজনী খোঁটালি কয়। পিছুৰে বান্ধনীশাল। তাত আবদ্ধজাইলে তাত-

পানী বন্ধা-বঢ়া কৰা হয়। ঘৰৰ তিৰোতাসকলে পালপাতি ভাত ৰান্ধে। চুৱা-আচুৱা বিচাৰ আছে। তাৰ কাৰণে খোৱা-বোৱা কৰা কোঠা। সাধাৰণতে ঘৰৰ মুৰব্বী বা বয়সস্থ জনৰ কোঠাত এটাইবিলাক পুৰুষে একেলগে ভাত খায়। খোৱাৰ সময়ত বয়স অনুসৰি এপিনৰ পৰা বহে আৰু সেই অনুক্ৰমে তিৰোতাসকলে মাইহাং বা মেহেঙ্গোৰ ওপৰত ভাতৰ কাঁহী দি যায়। তাত এখন জুহাল থাকে। দেউৰী মতে তাক থিপাই বোলে। তাত অনবৰত জুই থাকে। এই থিপাইখন চাৰিচুকিয়াকৈ কাঠৰ বেৰাদি সজোৱা। মাজত মাটিৰে চাপ বান্ধে। তাৰ ওপৰত জুই জ্বলোৱা হয়। আৰু চৌপাশে বহি ঘৰৰ পুৰুষবিলাকে মদ খায়। পুৱা-গধূলি খোৱা-বোৱাৰ সময়ত সকলোৱে ঘৰৰ কাম-কাজ, খেতি-পথাৰ আদিৰ সম্বন্ধে ঘৰুৱা আলোচনা কৰে। সকলে ডাঙৰৰ আদেশ-নিৰ্দ্দেশ, বুদ্ধি-ভৰসা লয়। দিহা পৰামৰ্শ দিয়াকি কৰে। জ্ঞাতি স্বজনৰ আলহী-অতিথি সকলকো তেওঁলোকে মাতি নি খোৱা লোৱা, অভ্যৰ্থনা কৰে। ঘৰৰ মতামানুহবিলাকে আহাৰ কৰাৰ পিচতহে জীয়াৰী-বোৱাৰীহঁতে খায়। তেওঁবিলাকে ৰান্ধনী শালত খোৱা-বোৱা কৰে। লৰা-ছোৱালী, গাভৰুহঁতে সকলে পৰাই লৰাই এভাগে ছোৱালীয়ে এভাগে বহি ১০/১২ জন মিলি একেলগে খায়। দলবদ্ধ হৈ কাম-বন কৰে। এইদৰে খোৱা-বোৱা আৰু কামৰ জৰিয়তে ব্যক্তিগত ভাৱ এৰি সমূহীয়া ভাৱত পৰিণত হবলৈ শিকে।

ঘৰটোৰ মাজে মাজে শোৱা-থকাৰ পৃথক পৃথক খোঁটালি আৰু জুহাল। প্ৰতিজন আত্মনিৰ্ভৰশীল বা বিবাহিত জনৰ বাবে একোটা বেলেগ খোটালিৰ ব্যৱস্থা কৰা হয়। খোটালিবোৰ পৰিপাটিকৈ সজোৱা। লৰা-ছোৱালী ডাঙৰ নোহোৱালৈকে মাকৰ লগত শোৱে। জুহালৰ ওপৰত একোখন চাং। তাক গিচ্ছ' বা চাঙটি কয়। তাৰ ওপৰত আথল বা ধোঁৱা-চাং। তাক গিম' কয়। কাঠ-বাঁহৰ টাকোটা আৰু পহু শিঙত বয়-বস্তু, কটাৰী আদি আৰি থয়। বিশেষত্ব এই যে খোটালিবোৰত ৰন্ধন কাৰ্য্য নহয়। কিন্তু বিশেষ কাৰণত সাময়িক ৰন্ধন কৰিব পৰা যায়। খুটা-চটিবোৰত চিত্ৰ-বিচিত্ৰ নহয় নতুবা খাজ নেকাটে। বাঁহৰ চৌচলিৰে সজ্জা বেৰবোৰ নিলিপ কৈ ৰখা হয়। পোহৰ আৰু বতাহ সোমাবলৈ খিৰিকী নেলাগে। বেৰৰ ফাঁক সৰু জলঙাইদি সোমোৱা পোহৰ বতাহেই যথেষ্ট। ভৰি পখাল বা হৈ ব্ৰাহ্মনিয়েদি এটাইবোৰ খোটালি জুই বোৱাকৈ অহাযোৱা কৰা দীঘল বাট এটা। ওলোৱা সোমোৱা কৰা একেখনি

খাই দুৱাৰ। আৱশ্যক হলে বৰ দীঘল ঘৰবোৰৰ মাজত আন এখন দুৱাৰ খোলা হয়। তাক পেট দুৱাৰ বা পানী-দুৱাৰ কয়। বাটৰ সমুখত, নাই দুৱাৰমুখত পৰিয়ালবৰ্গৰ দা, যাঁঠী, লাঠি, ধনু-কাঁড়, বৰশী ইত্যাদি শাৰীপাতি সজাই থয়। এনেকুৱা চাংঘৰ একোটাত বৰ মিলা-প্ৰীতিৰে থাকে প্ৰাচীন অসমৰ ৰাজপুৰোহিত সকলৰ নাতি-পুতি বংশধৰ দেউৰীবিলাক। জাতিৰ মনোবৃত্তি, আচাৰ-নীতি, সমাজব্যৱস্থা আৰু জীৱন যাপনৰ আদৰ্শ এইবোৰেই প্ৰকাশ পাইছে। সময়ৰ সোঁতত আগুৱাই যাওঁতে হয়তো বহুতো ৰূপ সলাই লৈছে। তথাপি আজিও নিজৰ বৈশিষ্ট্যবোৰ ৰক্ষা কৰিবলৈ সক্ষম হৈছে।

---

# সমূহীয়া প্ৰচেষ্টাৰে ঘৰ-দুৱাৰ সজা নিয়ম

দেউৰী লোকৰ মতে গৃহনিৰ্মাণ আৰু মানুহ মৰিলে শ কাঠসংকাৰ কৰা দুয়োটাই বৰ গুৰুত্বপূৰ্ণ কাম। এই দুই প্ৰথাৰ ব্যৱস্থাত মানুহৰ মনোবৃত্তি আৰু জাতীয় সভ্যতাৰ স্বৰূপ ধৰিব পাৰি। গঞা বাইজে দলেবলে তাত সহায় সহযোগ কৰে। এই দুই কামলৈ গঞা জাতিক আমন্ত্ৰণ জনাব নেলাগে। মাত্ৰ জানিবলৈ পালেই বাইজে মাৰ বান্ধি সহযোগ কৰেগৈ। কোনোলোকৰ মৃত্যু হোৱা খবৰ পালেই গঞা বাইজ গৈ সমবেদনাসূচক দুখ প্ৰকাশ কৰি শ্মশান যাত্ৰাত যোগ দিয়ে। দেওঁবিলাকৰ মতে মানুহ মৰা খবৰ পালে ঘৰত কোনো সোমাই থাকিব নেলায়।

কাম-বনত লাগি নেথাকে। ঘৰবোৰ গঞাই সমূহীয়াকৈ সাজে। গৃহস্থই খুটা-চটি, বাঁহ-বেত, খেৰ-কাঠৰ যোগান ধৰে। এই সজুলিবোৰ আগৰ পৰা সংগ্ৰহ কৰি থোৱা হয়। ঘৰ সজা দিন বাৰ স্থিৰ কৰি ৰাখে। শনি আৰু মঙ্গলবাৰে ঘৰ নেসাজে। একোটা ডাঙৰ ঘৰ সাজোতে কেইবা দিনো লাগে। ঘৰ নোহোৱালৈকে সাজি দিয়ে। বাইজক একো দিব নেলাগে। লোকৰ্বৰ সকলেই হৈছে গঞা-জাতিক অতি টান কামতো একমুঠীয়া হৈ সহায় কৰিবলৈ কেতিয়াও পিছ নোহোহকাটে। গৃহপ্ৰবেশৰ দিনাখন গৃহস্থই সাধ্যানুসাৰি বাইজক এটা ডাঙৰ শাৰ্দি মাৰি ভোজ-ভাত দিয়ে। দেওঁবিলাকে গৃহস্থক ন-

ঘৰ, ন-জেঁটিৰ কুশল-মঙ্গলৰ কামনা কৰি আশীৰ্বাদ কৰে। মদ বাকি ভোজ-ভাত খায়। এই দৰে ঘৰ সাজি ঘৰ লয়। বাইজ নিমন্ত্ৰণ কৰিও ঘৰ সজা হয়। লেয়ে হলে গৃহস্থই বিমান মানুহ মাতে সিমানহে তাত যোগ দিয়ে। কাম কৰা কেইদিন কৰ্মীসকলক যথেষ্ট ৰূপে খুৱায়। ঘৰ বৈ হুঁঠালৈকে এই অনুক্ৰমে কাম কৰে। কিন্তু ঘৰ লোৱা দিনা গাৱৰ প্ৰতিঘৰৰ মানুহকে আমন্ত্ৰণ জনায় আৰু যথা নিয়মে ভোজ এটা দি ঘৰ লয়।

দেউৰী গাওঁবোৰ একেবাৰে আওহতীয়া ঠাইত। নগৰ-চহৰৰ হাই-উৰুমিৰ পৰা বহুত দূৰত। তালৈ অহা-যোৱা কৰা ভাল আলিপদূলি, বাট-ঘাট, নাই। ক'ৰবাত দুই-এটা থাকিলেও নিচেই ঠেক, ভগা-ছিগা। গাড়ীৰে কিম্বা খোজ-কাঢ়ি অহা যোৱা কৰাই টান। এদিনীয়া মানুহৰতো কথাই নাই। বাৰিষা খঁৱনীয়া বোকা হয়। দেউৰী মানুহে পেট-ভাতকিটাৰ নিমিত্তে যুঁজি মৰিছে। যি যুঁজত মানুহৰ জীয়াই থকাৰ মোহৰ প্ৰতি আনন্দ আছে আৰু যি আনন্দই মানুহক উদগনি দিয়ে। এনেকুৱা বিৰাম হীন সংগ্ৰামতে আছে জীয়াই থকাৰ মাধুৰ্য্য। নিতে এই সংগ্ৰামৰ অফুৰন্ত চেষ্টা চলিছে। আগলৈকো চলি থাকিব। জীৱনটো পাত হলেও তাত কোনো দুখ নাই। পৰাজয়ৰ গ্লানি নাই, আছে উৎসাহ, উদ্দীপনা। দৈনন্দিন কৰ্ত্তব্যই তেওঁবিলাকক উদ্ভাসিত কৰি তুলিছে। কামৰ মাজতেই যেন তেওঁবিলাকৰ জীৱন লুকাই আছে। প্ৰতি বছৰে বাৰিষাৰ ধল আহি, গৰাখহাই ঘৰ-বাৰী, মাটি-ভেটি, খেতি পথাৰ মহতিয়াই নিয়ে। নৈয়ে মাজে-সময়ে মানুহক দুখ দিয়ে। কিন্তু শান্তিও দিয়ে। মানুহ, গৰু-ম'হ উভয়ৰে শক্তিৰ অপচয় হয়। বেমাৰ-আজাৰ, জহনি-গ্ৰহণী আহি পোহনীয়া পশু পক্ষী গৰু-ম'হ, মানুহৰ প্ৰাণ হানি কৰে। খেতিয়কৰ আৰ্থিক মেৰুদণ্ড ভাগি থাকে। গতানুগতিকভাৱে চলি অহা প্ৰথাৰেই উপাস্য দেৱ-দেৱী, অপদেৱতালৈ আগ-মান কৰে। পূজা-আৰাধনা, সকাম-নিকাম পাতে। গাৱঁলীয়া বেজৰ দুই এপোলি দেৱাই খায়। জৰা-ফুকা কৰে। তাতেই দুই-এক মৰেও। পানীয়েই আমাৰ জীৱন। বেয়া পানীৰ পৰা বাৰটা মাহত তেৰটা বেমাৰ হয়। অথচ বোকাপানী খাই তৃষ্ণা গুচালে উপায় নাই। আচৰুৱা আৰু অস্বাস্থ্যকৰ ঠাইত বসতি হোৱাৰ কাৰণে শিশু মৃত্যু সংখ্যা বেছি। কাজেই জনসংখ্যা কম। এইবোৰৰ প্ৰতিকাৰৰ সু-ব্যৱস্থা নাই। তথাপি প্ৰকৃতিক আপোন ভাবি তাৰ বুকুতেই সোণৰ সংসাৰ এখন পাতি সৰলৈ প্ৰাণ-পণে চেষ্টা কৰি থাকে। সদায় সৰলচিতীয়া ভাব, ভক্ত

অত্যন্ত কষ্টসহিষ্ণু, আত্মনির্ভৰশীল। দুখীয়া হলেও ভাতমুঠিৰ বাবে আনৰ ঘৰত মাগি খাবলৈ কোনেও নেযায়। উচ্চ-অনুচ্চ, ধনী-দুখীয়া আদি ভাবৰ ঠাই নাই। মতা-তিৰোতাৰ সমান অধিকাৰ। সকলোৱেই মুকলি-মূৰীয়াভাৱে নিজৰ নিজৰ কৰ্তব্য কাম কৰি থাকে। সৰল নিবাড়ম্বৰ আৰু শান্তিপ্ৰিয় প্ৰকৃতিয়েই দেউ-বিলাকৰ বৈশিষ্ট্য।

---

# গঢ়-পিত আৰু আচৰণ

দেউৰীমানুহ দেখাত চাওকাল। গঢ়ে-পিতে জোখৰ। তেজগোৰা মিঠা-বৰণীয়া। দেখিবলৈ তেজস্বী। ডাঢ়ি-গোঁফ বিশিষ্ট হৃষ্টপুষ্ট, শকত-আৱত আটিল। পৰিপাটি পিন্ধন-উৰণ। গঢ়-পিত আৰু ভাষা আদিৰ সামঞ্জস্য পৰা বিজ্ঞসকলে স্থিৰ কৰিছে যে দেউৰিবিলাকৰ লগত বড়ো আৰু আন পৰিয়ালৰ মাজত সানমিহলি হয়। ৰাজসিক আহাৰ প্ৰিয়। মদ, কুকুৰা, গাহৰি খায় যদিও, হিন্দু শাস্ত্ৰ নিষিদ্ধ আহাৰ ভক্ষণ নকৰে। চিকাৰী জাতীয় পশু-পক্ষীৰ মাংস নেখায়। ভদ্ৰ নিৰ্ভুল প্ৰকৃতিৰ। বৰ ধৰ্মভীৰু। কৰ্মক্ষম আৰু অতিথিপৰায়ণ। চিনাকি অতিথি লগ পালে বা ঘৰলৈ আহিলে কুশল-মঙ্গলাদি সমাচাৰৰ আগতে তামোল খালে নে, নাই খোৱা বুলি সোধা ৰীতি আছে। পূজাৰীগৰাকীয়ে যাৰে তাৰে হাতত ৰন্ধা নেখায়। অবিবাহিত ছোৱালীয়ে ৰন্ধা-বঢ়া কৰা সকলোৱে খায়। আজিকালি কিছু কমিছে যদিও মাইহাং বা মেজেঙাৰ ওপৰত ভাত খোৱা প্ৰথা আছে। মতা-মাইকী নির্ব্বিশেষে তামোল-পাণৰ লগত নানাবিধ ছালি খায়। পুৰুষে মূৰত টিকনি ৰখা আৰু কৰ্ণবেধ কৰা প্ৰথা আছে। পিতৃ-মাতৃ পৰলোকী হোৱা দিনৰ বাবত কাকো ধন-ধান ঋণ নিদিয়ে। সত্যবাদী আৰু স্বাধীনচিন্তীয়া। অন্যৰ কথা কিম্বা আদেশ মানিবলৈ সততে টান পায়। সম্পত্তি আৰু পিণ্ডাদি অধিকাৰ হিন্দুৰ দৰেই। সবাতকৈ বয়সীয়াজন ঘৰৰ গাইগুটী। তেওঁৰ নামত ঘৰৰ অন্যান্য সকলো সম্পত্তি থাকে। ছোৱালীয়ে সম্পত্তি আৰু পিণ্ডাদিৰ অধিকাৰিণী হব নোৱাৰে। কিন্তু বিবাহিত স্বামী-স্ত্ৰী দুয়োৱে উভয় ক্ষেত্ৰত সমান অধিকাৰ।

---

# ধৰ্ম্ম, কৰ্ম্ম, সমাজ আদি

বাস্তৱ দৃষ্টি ভঙ্গীৰ ফালৰ পৰা তেওঁবিলাক পাচপৰা সঁচা। কিন্তু নিজৰ ধৰ্ম্ম-কৰ্ম্ম সমাজ-সংস্কৃতি পদ্ধতিৰ ক্ষেত্ৰত ভাল। মানুহৰ প্ৰকৃতিয়ে সামাজিক জীৱনৰ ভেঁটি গঢ়িছে। দৈনন্দিন জীৱনেও ইয়াৰ ইন্ধন যোগাইছে। মানুহৰ বিকাশ মানুহৰ প্ৰকৃতি অনুসাৰেহে হয়। মানুহে আনৰ পৰা শিকে। কিন্তু নিজৰ প্ৰবৃত্তি অনুসৰণ কৰে। এই ব্যৱস্থাবোৰ সহজ-সৰল। সমাজৰ লগত খাপখোৱা আৰু বিশেষত্বপূৰ্ণ। প্ৰাচীন কালৰ পৰাই এইবোৰ আচাৰ-অনুষ্ঠান, পূজা-পাতল, ধৰ্ম্মবিশ্বাস, জনপ্ৰবাদ, কাহিনী-উপাখ্যান, উৎসৱাদিৰ মাজেদি সামাজিক জীৱনযাত্ৰা আৰম্ভ হৈছে। এইবোৰৰ জৰিয়তে সমাজৰ নিজস্ব স্বাতন্ত্ৰ্য-ৰক্ষা কৰি আহিছে। তাৰ চিন আজিকোপতি পোৱা যায়। খেল পাতি গাওঁ পতা আৰু দেওঘৰ মানি চলা নিদৰ্শনৰ মাজত এটা সম্পূৰ্ণ স্বকীয়া সাংস্কৃতিক ঠাঁচ পোৱা যায়। পূজাৰীগোটৰ পদমৰ্য্যাদা আৰু বৈশিষ্ট্য আছে। গাওঁ নিবন্ধৰে একোখনি পবিত্ৰ থান বা দেওঘৰ। তাত প্ৰতিমাহে পূজা-সেৱা হয়। উপাস্য দেৱ-দেৱীলৈ ভয় আৰু প্ৰগাঢ় ভক্তি। অটল বিশ্বাস। অসীম আশা। অগাধ প্ৰেম। দেওঘৰৰ লগত অংগাঙ্গী সম্পৰ্ক আছে। তেওঁবিলাকে ধৰ্মীয় আৰু আধ্যাত্মিক শান্তিৰ কাৰণে দেওঘৰলৈ যায়। কেতিয়াবা বৈষয়িক কথাৰ বাবেও যায়। পূজা-পাতল, প্ৰায়শ্চিত্ত, শ্ৰাদ্ধ-পিণ্ডাদি আন পুৰোহিতৰ আশ্ৰয় নোলোৱাকৈ নিজে নিজেই সম্পন্ন কৰে। সংগঠন প্ৰণালী আৰু কুটীৰ শিল্পই বিশেষত্ব লভিছে। প্ৰণালীবদ্ধ ধৰ্ম-সমাজ কেতিয়াও অধৰ্ম নহয়। সমাজো বেয়া সমাজ নহয়। কাৰণ যি শৃঙ্খলিত ধৰ্ম আৰু সমাজ ব্যৱস্থাৰ দ্বাৰা যুগ-যুগান্তৰ চলি আহিছে সেই ব্যৱস্থাবোৰ কেতিয়াও অশাস্ত্ৰসন্মত হ'ব নোৱাৰে। ধৰ্ম আৰু সমাজ দুয়োটা ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত। সেয়ে নোহোৱা হলে কেইবা জাতি কেতিয়াবাই লোপ পালেহেঁতেন। ইয়াৰ ওপৰত নিৰ্ভৰ কৰি জাতীয় সংস্কৃতিয়ে স্বকীয়ৰূপ পাইছে। ই এদিনতে গঢ়ি উঠা নাই। বৰ্ত্তমান সমাজ ব্যৱস্থাৰ বিটো ধৰা গঢ় লবলৈ হেজাৰ হেজাৰ বছৰ লাগিছে।

সামাজিক গাঁথনিৰ পদ্ধতিটো বিভেদমূলক নহয়। বংশ আৰু সমাজ প্ৰীতি প্ৰৱণ। কাকো হেয় জ্ঞান নকৰে। সৰু-বৰ, উচ্চ-নীচ, ধনী-দুখীয়া সমাজৰ আদৰ্শ নহয়। শ্ৰেণী বিভাগ নাই। বংশ আৰু খেল সৃষ্টি হয় কেৱল বিবাহ আদিৰ সুবিধাৰ কাৰণে। উচ্চ-নীচ বিচাৰত নহয়। সমাজত নাৰীৰ মৰ্য্যাদা আছে। সকলো ক্ষেত্ৰতে তিৰোতা মুনিহৰ সহায়ক। স্ত্ৰী-পুৰুষৰ সম্বন্ধ অতি শুদ্ধ আৰু পবিত্ৰ। এই সম্বন্ধই গাৰ্হস্থ্য জীৱন। স্বামী-স্ত্ৰীৰ মিলনৰ ওপৰত গৃহস্থী জীৱনৰ সুখ-সন্তোষ নিৰ্ভৰ কৰে। তেওঁবিলাক সৰল লোকপটীয়া। কথা আৰু কাম একে। যি কয়, তাকে কৰে। কথা আৰু কাৰ্য্যৰ মাজত একো প্ৰভেদ নেৰাখে। ইয়াৰ ওপৰত আত্মাভিমানী কিন্তু শান্ত, সদয় আৰু কথা বতৰাত বৰ মাৰ্জ্জিত। বিশ্বাসী। একমনা স্বভাৱ। এনেকুৱা সহজাত গুণ আছে যে তাৰ সহায়ত তৎক্ষণাত ভাল-বেয়া, সঁচা-মিছা নিৰ্ণয় কৰিব পাৰে। বিৰাট সংগঠন শক্তি আছে। সকলোৰে প্ৰতি সাম্য ভাব। বাইজেই বজা আৰু জাতিয়েই গজা বুলি বিশ্বাস কৰে। ধৰ্ম চৰ্চ্চা কৰাত যিবোৰ গধুৰ বিষয়ক কথা নিতে প্ৰচলিত আছে সেইবোৰ উৎকৃষ্ট। আচাৰ আচৰণেই পৰম ধৰ্ম। তাৰ দ্বাৰা জাতি নিৰ্ণয় কৰিব পাৰি। সমাজপ্ৰিয় আৰু মিলন প্ৰকৃতিৰ। নিজৰ সুখ-দুখৰ লগতে আনৰো সুখ-দুখ বিচাৰ কৰে। আতুৰক উদ্ধাৰ কৰা, ডাঙৰক শ্ৰদ্ধাভক্তি সন্মান দেখুউৱা, সৰুক আশীষ, মৰম-চেনেহ কৰা হয়। এইবোৰ মানবীয় সদ্গুণ। পৰশ্ৰীকাতৰ নহয়। কাৰো স্বাৰ্থত ব্যাঘাত নকৰে। পৰস্পৰৰ প্ৰতি ঘৃণা বা আওহেলা নকৰে। এই বোৰেই স্বাধীনচিন্তীয়া দেউৰী সমাজৰ মজ্জাগত স্বভাৱ।

নিজে নিজৰ কাম কৰি লোৱাত একো বাধা নাই। তাৰ বাবে কোনেও হীনতা স্বীকাৰ কৰিব নেলাগে। এয়ে সমাজ বান্ধোনৰ বিশেষত্ব। কিন্তু দৰ-দাম বা বেচ লৈ যেই সেই কাম কৰিব নোৱাৰে। যথা নিজৰ পিন্ধা-উৰা কাপোৰ-কানি নিজে ধুই লয়। ধোবা নেলাগে। নিজে খাবলৈ মাছ মাৰে কিন্তু নেবেচে। মাছ বেচাটো দোষণীয়। নিজে পিন্ধিবলৈ এৰী, মুগা, পাটপলু পুহি বৈ-কাটি লয়। কপাহ খেতি কৰে। ইয়াত একো দোষ নাই। ব্যৱসায় হিচাপে এইবোৰ কাম নকৰে। আন দেশৰ দৰে কৰ্ম অনুযায়ী জাতৰ নাম পাব নেলাগে। এনে সমাজ কিমানৰ বাবে গৌৰৱান্বিত। নিজৰ জীৱিকা নিজে উপাৰ্জ্জন কৰে। এই বিষয়ত কোনো কাৰো মুখাপেক্ষী নহয় আৰু প্ৰত্যেকেই স্বাৱলম্বী। ব্যক্তিগত জীৱনত কাৰো ওচৰত সহায় বা পুতৌ নিবিচাৰে। অনুগ্ৰহ

প্ৰাৰ্থী হলে কৃতজ্ঞ হয়। কৃতজ্ঞতাই মানুহক পৰাধীন কৰে। সিবিলাকৰ মাজত মগনিয়াৰ নাই। প্ৰত্যেকেই ব্যক্তিগত জীৱনৰ লগত সামাজিক জীৱনৰ সংশ্ৰৱ ৰাখি বাস কৰে। সামাজিক জীৱনৰ পৰস্পৰৰ লগত পৰস্পৰৰ ঘনিষ্ঠ সম্বন্ধ আৰু পাৰস্পৰিক সহযোগিতা স্থাপন কৰি চলে। সুখে-দুখে সকলো সময়তে কোনেও কাৰো লগ নেৰে। ধৰ্ম্ম নাইবা সামাজিক সকলো পৰ্ব্ব-উৎসৱতে গোট-জাতি, কুটুম্ব আদিক নিমন্ত্ৰণ কৰে। প্ৰত্যেকেই প্ৰত্যেকৰ ঘৰলৈ যায়। নিজৰ লগত আনক বিলাই দিয়ে। এই বিলাক অপূৰ্ব্ব আদৰ্শ। মদ, কুকুৰা, গাহৰি খোৱা অতি উন্নত সু-সভ্য জাতি জগতত অনেক আছে। ইয়াৰ ব্যৱহাৰৰ বাবেই যে তেওঁলোকে পাছ পৰি আছে এনে নহয়। সেইবোৰ ভালদৰে ব্যৱহাৰ কৰিব নজনা বাবেহে পাছ পৰি আছে। সকলো বস্তুৰে সম্ভ ব্যৱহাৰৰ ওপৰতহে প্ৰকৃত উপযোগিতা নিৰ্ভৰ কৰে। কিন্তু বৰ্ত্তমান সময়ৰ দাবী অনুযায়ী নীতি নিয়ম আদিৰো সংস্কাৰ হোৱা আৱশ্যক। মানুহৰ ৰীতি-নীতি চিৰকাল একেদৰে নেথাকে।

---

# কৃষিজীৱী দেউৰী

দেউৰী সম্প্ৰদায় ক্ষেত্ৰশক্তি বিশিষ্ট পৰিয়ালযুক্ত মানুহ। পৰিয়াল তথা সমাজৰ গাঁথনিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে সামূহিক ভাৱে প্ৰতি-ক্ষেত্ৰতেই প্ৰাধান্য লাভ কৰি আহিছে। জাতীয় বিশেষত্ব হিচাবে তেওঁবিলাক সততে স্বাধীনতা প্ৰিয় আৰু স্বভাৱতঃ নম্ৰ, সৰল সুস্থ। স্বাধীনতা মানুহৰ বা জাতিৰ স্বভাৱগত এটা অমূল্য মানসিক শক্তি। তেওঁবিলাকৰ স্বাধীন শক্তি এতিয়াও বিদ্যমান। মানুহো কৃষিজীৱী। গোটেই বছৰে জীৱিকা নিৰ্বাহৰ নিমিত্তে সাক্ষাতভাৱে মাটিৰ লগত সম্বন্ধ ৰাখি কৃষি কৰ্ম্মত আত্মনিয়োগ কৰি থাকে। তেওঁবিলাকৰ মনত উৎকৃষ্ট খেতিৰ মাটি যেন ঐশ্বৰিক আৰু অৰ্থনৈতিক অৱদান। এই মাটিয়েই সোণতকৈও চৰা। অৰ্থনীতিৰ আধাৰ। মাটি আৰু কৃষি জীৱনৰ ওপৰতেই নিৰ্ভৰ কৰিছে ধৰ্ম্ম আৰু সামাজিক সমস্যাসমূহ। কৃষিকে কেন্দ্ৰ কৰি সমাজ গঢ় লৈ উঠিছে। কৃষিয়েই মানৱ সভ্যতাৰ মূল ভেটি। তেওঁবিলাকৰ সভ্যতা কৃষিজীৱনৰো সভ্যতা। গতিকে তেওঁবিলাকৰ

অৰ্থনীতি কৃষিহে। মতা-তিৰোতা উভয়ে কঠোৰ পৰিশ্ৰমী। তিৰোতাই কেৱল হাল নেবায় আৰু ডাঙৰ গছ নেকাটে। তাৰ বাহিৰে আন-সকলো কামত পুৰুষৰ সমান পৰিশ্ৰম কৰিব পাৰে। খাদ্য সংগ্ৰহৰ কাম পৰিয়ালৰ সকলোৰে মিলিজুলি কৰা প্ৰথা। কাজেই মতা-তিৰোতা উভয়ে বৰ উৎসাহে আৰু সহযোগিতাৰে খেতিত নামে। পৰিয়ালযুক্ত আৰু সমবায় নীতিত খেতি কৰা হয়। গতিকে বিশেষ অসুবিধা নহয়। ধান, মাহ, সৰিয়হ, আলু, কপাহ আদি খেতিত বাকপটু। পৰাপক্ষত কৃষিজাত নিত্য প্ৰয়োজনীয় যাবতীয় বস্তুবোৰ নিজে উৎপাদন কৰি লয়। মাহ, বাওঁ আৰু শালি খেতিত বেছি জোৰ দিয়ে। একেবাৰা মাটিতে দুয়োবিধ খেতি উৎকৃষ্ট ব্যৱহাৰে কৰাত সিদ্ধহস্ত। এনেকৈ নিয়ম সদাই ধান খেতি কৰা মানুহ বিৰল। গতিকে কোনো হীন বৃত্তি গ্ৰহণ কৰিব-লগীয়া হোৱা নাই। গৰু-গাহৰি আদিৰ পৰা শস্য ৰক্ষা কৰিবলৈ সুন্দৰ জেওৰা দিয়ে। বুঢ়া-বুঢ়ী, লৰা-ছোৱালীবোৰে চৰাই বাখে। জীয়াৰী-বোৱাৰীয়ে বন নিবায়। লৰা-ডেকা-বুঢ়া সকলো পুৰুষে হাল বায়। জাতীয় প্ৰধান উৎসৱ উপলক্ষে আৰু সমাজৰ কোনো ব্যক্তি মৃত্যু হলে হাল খতি কৰাৰ বাহিৰে অন্য দিনত হাল খতি কৰা নিয়ম নাই। কৃষি কৰ্মত ডেওঁবিলাকৰ খ্যাতি আছে যদিও এই খেতিয়েই হৈছে সকলোতকৈ পাছপৰা বাবসায়। তাৰ ওপৰত জীৱিকা নিৰ্ব্বাহৰ সকলো নিৰ্ভৰ কৰে। তাত বাজে আন একো উপাৰ্জনৰ পথ নো-হোৱাত অনাড়ম্বৰ জীৱন কটাব পাৰে। কিন্তু বৰ্ত্তমান আৰু সামাজিক জীৱন নিৰ্ব্বাহৰ জটিলতা বঢ়াৰ লগে লগে খেতি কৰি অৰ্থনৈতিক অৱস্থা উন্নতি কৰা অসম্ভৱ হৈ পৰিছে। বেছি ভাগেই আশানুৰূপ সাজ্যান হব নোৱৰাত পৰিছে।

# সাঁৰিয়া আৰু হেদাহি প্ৰথা

গৃহস্থী জীৱনত কামৰ সাৰ্থকতাৰ বাবে 'সাঁৰিয়া মাতি' কাম কৰা প্ৰথা চলি আহিছে। কাম অনুসৰি ইয়াক দুই ভাগে ভগাব পাৰি। যেনে মতা আৰু মাইকী সাঁৰিয়া। মতাই কৰা কাম হলে 'মতা সাঁৰিয়া' আৰু মাইকীয়ে কৰিব পৰা কাম হলে 'মাইকী সাঁৰিয়া' বোলে। উভয়ে মিলি কৰিব পৰা কামো আছে। সাঁৰিয়া মাতি কোনো কাম কৰিবলৈ হলে গৃহস্থই আগবে পৰা সাজু হৈ থাকে। কামো নিৰ্দিষ্ট

কৰি থয়। আগ দিনা গৃহস্থই সেই কামলৈ গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা একো-জনকৈ মানুহ মাতে। সেই মতে পাচদিনা ৰাইজ দলবদ্ধ হৈ আহি সেই কাম সমাধা কৰি দিয়ে। গৃহস্থই ৰাইজক এটা মনোমত ভোজ দিয়ে। এইদৰে ৰাইজ মাতি যুক্ত সাহায্যেৰে কাম কৰাকে সাঁৰিয়া মতা' বুলি কয়। 'হেদোৰি বা হাল-দাৰি' বুলি কামৰ বিনিময়ে কাম কৰি দিয়া প্ৰথা এটাও প্ৰচলিত আছে। ইয়াৰ দ্বাৰা ইজনৰ প্ৰতি সিজনে পৰস্পৰে কামত সহায় সহানুভূতি দেখুৱাৰ উপৰিও কাম কৰিবলৈ শিকা হয়। নিজে নজনা কোনো কাম জনালোকৰ পৰা 'হদাৰি' লগাই শিকি লোৱা হয়। এই নীতিটো বিশেষ মন কৰিবলগীয়া। প্ৰায় একে ধৰণৰ কামৰ ভিতৰত হেদোৰি হয় যদিও অনেক ক্ষেত্ৰত বিভিন্ন ধৰণৰ কাম কৰা হয়। উদাহৰণ স্বৰূপে একজনৰ হালখন আছে, একজনৰ নাই। এনেকুৱা অৱস্থাত দ্বিতীয় জনে প্ৰথম জনৰ আৱশ্যক মতে সাদিন কাম কৰি দিয়ে। প্ৰথম জনেও দ্বিতীয় জনক প্ৰয়োজন মতে সাদিন হালখন দি সহায় কৰে। এইদৰে কামৰ সলনা-সলনি কৰাকে 'হেদোৰি বা হালদাৰি' বোলে। তিৰোতাৰ ভিতৰতো হেদোৰি লগাই কাম কৰে। এগৰাকীয়ে কাপোৰত ফুল তুলিব নেজানে। এগ-ৰাকীয়ে জানে। প্ৰথমগৰাকীয়ে সেই কাম শিকি লবলৈ দ্বিতীয়গৰাকীক কাম-বন কৰি দিয়েগৈ। সেই দৰে দ্বিতীয়জনীয়েও প্ৰথমজনীক ফুল শিকাই দিয়েহি। এইদৰে তেওঁবিলাক হেদোৰি প্ৰথাৰে কাম শিকি লয়। পৰস্পৰৰ ভিতৰত আপোন ভাৱৰ সৃষ্টি হয়। একে কাম নহৈ বেলেগ কাম আৰু বেলেগ বেলেগ সময়তো হেদোৰি লগোৱা আৰু শুজা হয়। তদুপৰি খেতিৰ দিনত বোৱা-দোৱা সময়ত প্ৰত্যেকে প্ৰত্যেকক কামত সহায় কৰা ৰীতি আছে। গাঁৱৰ ভিতৰত যি সকলৰ আগেয়ে খেতি উঠে সেই সকলে মুঠাসকলক সহায় কৰে। ই সংগঠনৰ মূল ভেটি। সেইবাবে একোসাজ ভাতকৈ খুউৱা হয়।

## মৰংঘৰ

ই সামাজিক জীৱনৰ অপৰিহাৰ্য্য অনুষ্ঠান। অতি যত্ন আৰু পৰিপাটিৰে অনুষ্ঠা-পীয়াকৈ সজা বহু ধুনীয়া চাংঘৰ। ১০।১২ ফুট ওখ জখলাৰে উঠিব লাগে। গা-গছ এডালত খোপ কাটি কাটি জখলাবোৰ সাজে। মৰং আদি অন্যান্য ঘৰৰ জখলা খোপৰ ধৰা-বন্ধা একো স্থিৰ নাই। কিন্তু ঘৰৰ জখলা হলে সাত খোপতকৈ

কম-বেছি হব নেপায়। তাৰো কাৰণ আছে। ইয়াৰে চাঙলৈ উঠে। হঠাতে নপৰাকৈ ধৰি উঠা-নমা কৰিবলৈ এডোখৰ বাঁহো বন্ধা থাকে। তাক হেতোআঁৰি কয়। মৰংঘৰত ডেকা বা মতাবিলাকৰহে প্ৰৱেশ থাকে। স্ত্রীলোকৰ প্ৰৱেশ একেবাৰে নিষিদ্ধ। গাঁৱে প্ৰতি একোটা মৰংঘৰ। ইয়াক আধুনিক'ক্লাবঘৰ' বুলি কোৱা হয়। বেৰ নাই। ই আমাৰ মুকলি ক্লাবৰ। গতিকে বংঘৰ কোৱা হয়। এতিয়া এই নাম প্ৰচলিত। মৰংঘৰৰ নাম উঠি গৈছে। আৱশ্যক অনুযায়ী আজিকালি বেৰ দিয়া হয়। গধূলি খোৱা-বোৱাৰ পাচত আজৰি সময়ত ডেকাবিলাক তাত জুম বান্ধে। লিখা-পঢ়া চৰ্চ্চাকে আদি কৰি গীত-বাদ্য, বীণ, বাঁহী, টোকাৰি নাচ-গান শিকে। তদুপৰি নিত্য প্ৰয়োজনীয় নানান প্ৰকাৰৰ কাঠ, বাঁহ, বেতৰ ফুলাম বস্তু, কৰণি, শৰাই, কপি, কিচনি, পাচি, খৰাহি, কুলা, জাপি, উৰা, চেৰেকী, সেতাই, মাকু, যঁতৰ, টোম প্ৰভৃতি সাজিবলৈ শিকে।

খেলবদ্ধীয়া প্ৰচেষ্টাৰে গাৱঁৰ সীমান্তত মৰংঘৰ সজা হয়।' এই বিষয়ত তৎপৰতা আৰু স্বকীয়া অভিৰুচিৰ পৰিচয় আছে। ঐক্য আৰু জাতীয়তাৰ প্ৰধান ভেঁটি। গোটেই দিন নিজৰ নিজৰ কামত ব্যস্ত থকা ডেকাবিলাকৰ মিলনৰ কেন্দ্ৰস্থান। শিক্ষাৰ আলয়। বিশেষকৈ অবিবাহিত সকল নিশা তাতে শোৱে আৰু পালপাতি পাতি গাওঁ পহৰা দিয়া কামতো নিযুক্ত থাকে। সমাজৰ যুৱক অতিথি সকলক তাত ৰাতি জিৰণিৰ বাবে ৰখা হয়। এইদৰে সম্প্ৰীতি আৰু সম্ভাব বঢ়োৱা আৰু দৃঢ় কৰাত এই অনুষ্ঠান সহায়ক। সমাজ সম্বন্ধীয় বিষয়ে আলোচনা, গাৱঁৰ দন্দ-দাই, কাজিয়া-পেচালৰ বিচাৰ, পঞ্চায়ত প্ৰভৃতি ইয়াত হয়। ভোজ-ভাত খোৱা আৰু পূজা-পাতল আদি তাত নহয়। বৰ্ত্তমান দিনত তাত নৈশ বিদ্যালয়, বাতৰি কাকত, আলোচনী আদি পঢ়া, পুথি ভঁড়াল স্থাপন কৰা কাৰ্য্য, তিথি-উৎসৱ আদি পতা আৰু চৰ্চ্চা কৰা হয়। মৰংঘৰৰ ব্যৱস্থা অতীজৰ পৰাই প্ৰচলিত হৈ আহিছে। বৰ্ত্তমান আধুনিক ৰূপলৈ পৰিণত হৈছে।

---

# ৰংধেমালি

জাতীয় গীত-বাদ্য চৰ্চ্চাৰ উপৰিও নানা ধৰণৰ খেল, ৰংধেমালিৰ প্ৰচলন আছে। এইবোৰে সামাজিক সৌষ্ঠৱ ৰক্ষা কৰি আহিছে। পুৰুষ, ডেকা-চেমনিয়া ঘিলাখেলা, লাটুম ঘুৰোৱা, যোপখেল, হৈখেল, বাঘ-গৰু, কম্মুঠি মৰা, ধেনু-কাঁড় চালনা, লাঠিখেল, দা-তৰোৱাল, মালযুঁজ, ছেবুৰা, জাঁপমৰা, সাঁতোৰা, নাওবোৱা প্ৰভৃতি আমোদ-প্ৰমোদৰ প্ৰচলন হৈ আহিছে। ঘিলাখেল নেখেলিলে বোলে আহুধানৰ থোক নেহালে বুলি প্ৰবাদ আছে। চেঙেলীয়া লৰাইতৰ মাজত ঘিলাখেলাটো বেছি জনপ্ৰিয়। ঘোঁৰা ছেকুৰুৱাতকৈ ম'হ ছেকুৰুৱা বেছি প্ৰচলন আছে। একোটা নিপোটল গলধন ধৰা তেল পৰি পিছলা গোনা ম'হ ছেকুৰা দেখিলে ভবধ মানিব লাগে। কাঁড়কাই ধেনুৰ ব্যৱহাৰ আজিও আছে। বৰবৰ চঞ্চল হাতীকো তাৰে বগৰাব পাৰি। যাঠী, বৰছা খেলো আছিল। কিন্তু সময়ৰ সোঁতত লোপ পাই আহিছে। জালেৰে পহু ধৰা আৰু গৰাল মাৰি বাঘ ধৰা বুদ্ধি জানে। ভাল দিনৰ আজৰি সময়ত সকলো গৃহকৰ্ম্ম শেষ কৰি বিশেষকৈ গধূলি খোৱা-বোৱাৰ পিচত ডেকাই হাৰমলা বাই আমোদ কৰে। হাৰমলা আৰু গগনাৰ প্ৰচলন ক্ৰমে সেৰেঙা হৈ পৰিছে। হয়তো এসময়ত এই বাদ্য দুটিৰ নাম পাহৰণিৰ বুকুত লুপ্ত হৈ যাব। মাঘবিহুৰ সময়ত এইবোৰ জাতীয় খেল, ৰংধেমালিৰ প্ৰতিযোগিতা হয়। শীৰ্ষস্থান লাভ কৰোঁতাসকলক দৰ্শকমণ্ডলীয়ে বিত্তৰ আশীৰ্ব্বাদ আৰু প্ৰশংসাৰে অভিনন্দিত কৰে।

---

# মেল বা পঞ্চায়ত

গাৱেঁ গাৱেঁ নিজৰ ভিতৰত মেল বা পঞ্চায়ত আছে। ই কৌটিকলীয়া সামাজিক অনুষ্ঠান। এই সংগঠনবোৰ আজিও বৰ্ত্তি আছে। গাঁৱত কোনোৱে অন্যায়, অবিচাৰ কৰিলে, অত্যাচাৰ, অপকাৰ সাধিলে, চুৰি-ডকাইতি, ঠগ-প্ৰবঞ্চনা ব্যভিচাৰ কৰিলে, গাওঁবাইজ মিলি তাৰ বিচাৰ কৰে। এয়ে মেল বা পঞ্চায়ত। সমাজৰ মাৰ ৰাখি পৰক জানিবলৈ নিদিয়াকৈ এই ব্যভিচাৰবোৰ নিষ্পত্তি

কৰি অহা হৈছে। গতিকে এই প্ৰথাক গাঁৱৰ 'মুখবন্ধ' বুলি কোৱা হয়। গাঁৱৰ হিতাৰ্থে কোনো কাম সম্পাদন কৰিবলৈ হলে খেলৰ বা গাঁৱৰ সকলো মানুহে একগোট হোৱা, শ্ৰমদান কৰা অথবা অন্য-প্ৰকাৰে সহায়-সহযোগ কৰাটো সমাজৰ নীতিগত কৰ্ত্তব্য। জাতিৰ মনোবৃত্তি, চৰিত্ৰৰ বিশিষ্টতা এইবোৰতেই পৰিচয় পোৱা যায়। অতীত অভিজ্ঞতা আৰু গণতান্ত্ৰিক নীতি-নিয়মৰ দ্বাৰা এই পঞ্চায়ত পৰিচালিত। ই কৃষিজীৱী সমাজৰ দৰবাৰ। এই দৰবাৰে যুগে যুগে সমাজ নিয়ন্ত্ৰণ কৰি আহিছে। সমাজ বান্ধনী বৰ কট্‌কটীয়া আৰু শৃঙ্খলাবদ্ধ কৰি থৈছে। পঞ্চায়ত ব্যৱস্থাৰ অধীনত সামাজিক জীৱন আৰু ব্যক্তিৰ অধিকাৰ আৰু দায়িত্ববোধ সুন্দৰকৈ উপলব্ধি কৰোৱা হয়। কাজিয়াৰ সূত্ৰপাত নোহোৱাকৈ নাইবা আদালতলৈ যোৱাৰ পৰা বিৰত ৰাখি সমাজৰ একতা আৰু ন্যায়ৰ উৎকৰ্ষ সাধন কৰে। গাঁৱৰ সুৰক্ষাৰ ব্যৱস্থা কৰা, সুখ-সমৃদ্ধি আৰু শান্তিৰ কাৰ্য্যকৰী পন্থা উদ্ভাৱনা কৰাই পঞ্চায়তৰ মুখ্য উদ্দেশ্য। তদুপৰি অসৎ কামৰ পৰা জনসাধাৰণক নিবাৰণ কৰা, অন্যায় অত্যাচাৰক বাধা দিয়া, চুৰি-ডকাইতি আদি ৰহিত কৰা, শৃঙ্খলা ৰক্ষা কৰা, দোষীক যথোচিত শাস্তি দিয়া আৰু দণ্ড কৰাটোও পঞ্চায়তৰ অপৰিহাৰ্য্য কাম। দোষীক দণ্ড কৰি যি টকা পোৱা হয় তাক সমাজৰ পুঁজিলৈ দান কৰা হয়।

# আহাৰ আৰু ৰাগীয়াল বস্তু

অসমৰ প্ৰধান আহাৰ ভাত। ভাত খাই মানুহে জীৱন ধাৰণ কৰে। গৰম ভাত খোৱা সাধাৰণ ৰীতি। কৰকৰা, পইতা ভাতো খোৱা হয়। ইয়াৰ লগত মাছ-মঙহ অপৰিহাৰ্য্য খাদ্য। পুঠী-খলিহনা এটি নহলে ভাতমুঠি পেটলৈ যোৱা টান। অসমৰ নদ-নদী, জান-জুৰি বিল-খাল মাছ-পুঠীৰে ভৰা। হাবিত নানা বনৰীয়া জন্তু, পছু, গাহৰি, চৰাই-চিৰিকতিৰে পৰিপূৰ্ণ। লাহে লাহে বহু পশু-পক্ষী, মাছ-পুঠী নাইকিয়া হৈ আহিছে। ইয়ো এটি সমস্যা। অসমৰ জন-

বায়ু সাধাৰণতে সেমেকা। উত্তাপ দিব পৰা বস্ত্ৰ নেথালে মানুহে বল-শক্তি নেপায়। মাছ-মাংস খোৱাৰ কাৰণ এয়ে। ই মানুহৰ মাংসপেশী সবল কৰে আৰু পৰিশ্ৰম কৰিব পৰা ক্ষমতা বৃদ্ধি কৰে। এটা জীৱই আন এটা জীৱৰ ওপৰত জীৱন ধাৰণ কৰে। ই জগতৰ চিৰন্তন ৰীতি। বনৰীয়া জন্তু, চৰাই-চিৰিকতি ধৰিবলৈ ফান্দ, চিটিকা আদি তৈয়াৰ কৰে। ডঁৰিক, ডাউক, আৰু ডুবহি চৰাই পোহ মনাই তাৰে জুটি পাতি চৰাই ধৰা প্ৰণালী আজিও প্ৰচলিত। মাছ-মাংস, গৰু-ম'হ গাখীৰ, হাঁহ-কুকুৰাৰ কণী আৰু নানা বিধ পাচলি খায়। শুঁই-কাছৰ মাংস খায়। নদীৰ পাৰত বসতি হোৱাৰ বাবেই মাছ বৰ প্ৰিয় খাদ্য। আন কি মাঙ্গলিক হিচাপে মাছ ব্যৱহৃত হয়। সকাম-নিকাম আদি সকলো শুভকাৰ্য্যত মাছ নহলে নচলে। সকলে পৰাই হাতেৰে মাছ ধৰাত অভ্যস্ত। মাছ ধৰাৰ সঁজুলি অনেক। সেইবোৰ বুধি জানে। সাধাৰণতে জাকৈ, পল, চালনি আৰু জালেৰে মাছ ধৰা হয়। পচা, বচা, কুল, ধেনু-কাড়েৰেও মাছ ধৰা হয়। তাৰ উপৰিও চেপা-খোকা পাৰৈ, উভটি, ডিঙৰা, ঠুহা আদি আছেই। খালৈ আৰু টোনাত মাছ ভৰায়। এই সঁজুলিবোৰ বাঁহ আৰু বেতৰ। এইবোৰ নিজে সাজি লয়।

মাছ শুঁচি খায়। তাৰ প্ৰণালী জানে, বিধে বিধে সৰু-বৰ মাছ ধৰি আনি ভালকৈ ধুই, কাটি-বাচি বৰ চালনীত জুই দি শুকুৱায়। সম্পূৰ্ণ শুকালে বন দৰৱৰ লগত ঢেঁকীত খুন্দে। তাক আকৌ বাঁহৰ চুঙাত ঠাহি ঠাহি খুন্দে। মুখ বন্ধ কৰি চুঙাবোৰ ধোঁৱাচাঙত তুলি থয়। দেউৰীলোকৰ মতে ইয়াক 'শুকতি মাছ' বোলে। তাত কেতিয়াবা মাখিয়ে চুৰা কৰা সম্ভাৱনা থাকে। সেই দেখি পুজাৰীয়ে তেনে বস্তু নেখায়। তাৰেই জীয়া মাছৰ অভাৱ পূৰণ কৰা হয়। পাতত দিয়ো খাব পাৰি। পাতত দি পোৰা মাছ নাইবা মেমেধু, নহৰু-পনৰু পাত, কেঁচা জলকীয়াৰ লগত মিহলাই লোণ দি পিটিকা-মোচোৰা কৰি খোৱা হয়। তাৰেই একোকাঁহী ভাত খাব পাৰি। পোৱাতীয়ে তাৰে জাল খালে বোলে গাখীৰ বৃদ্ধি পায়। এই দৰে বছৰা ব্যৱহাৰৰ নিমিত্তে বছৰটোলৈকে শুঁচি থয়। বাৰীৰ শাক-পাচলি, লাই-সকা, লাও-কোমোৰা জলকীয়া-বেঙেনা, আলু-কচু, উৰহি আদি কন্দ-মূলৰ উপৰিও ঔটেঙা, কচু-ঢেকীয়া, মাকৈৰ বেহাঙি নেফাফু, কণডিল, পছলা ইত্যাদি হাবিৰ বহুবিধ তিতা-মিঠা, কেহা-কলা দেউৰীয়া পাতৰ বনশাক খায়। প্ৰকৃতি আইৰ অফুৰন্ত ভঁড়ালত এইবোৰ হাত দিলেই

পোৰা যায়। অনেক প্ৰকাৰৰ কাঠফুলা বা নাহু খায়। মাটিৰ পৰা হোৱা নাহু পুষ্টিকৰ খাদ্য। এইবোৰ চিনাত পাকৈত। বাঁহগাজ খায়। তাৰ পৰা গাজটেঙা আৰু পকাখৰিচা কৰা হয়। পকা খৰিচা সাঁচি থয়। বাঁহগাজ আৰু পকাখৰিচা উপাদেয় খাদ্য। নানাবিধ টেঙাৰ ব্যৱহাৰো জানে। টেঙা আৰু খাৰলি প্ৰিয় খাদ্য। বিবিধ গছ-পাতৰ পৰা কৃত্ৰিম টেঙা তৈয়াৰ কৰাত তিৰোতাবিলাক পাকৈত। লাইটেঙা, ভূতমলা টেঙা উল্লেখনীয়। বগৰী, থেকেৰা আদি ফল-মূল শুকুৱাই ভবিষ্যতৰ কাৰণে সাঁচি থয়। দেউৰী মতে মঙ্গল আৰু শনিবাৰে মাহৰ আঞ্জা, তিতা ফল-মূল, শাক-পাচলি আদি খাব নেপায়। মাঘ মাহত মূলা খালে কফ বৃদ্ধি পায় আৰু চ'ত মাহত উৰহি খালে মূৰ ঘূৰণি হয়।

ৰাগীয়াল বস্তুৰ ভিতৰত মদ, ধপাত আৰু কানিয়েই প্ৰধান। মদ আৰু ধপাত কেতিয়াৰ পৰা প্ৰচলন হল ঠাৱৰকৈ কোৱা টান। ধপাত খেতি কৰি প্ৰয়োজনীয়খিনি নিজে উৎপাদন কৰি লয়। ভবিষ্যতৰ ব্যৱহাৰৰ উপযোগী কৰি বাঁহৰ চুঙাত খুন্দি ৰখাৰ বিধি জানে। খুন্দা ধপাত অসমীয়াৰ প্ৰিয় বস্তু। তামোলৰ লগত চুণ ধপাত খোৱা দস্তুৰ। পুৰুষে মুখত লৈ তৃপ্তি পায়। দেউৰী-লোকে যাৰে তাৰে হাতৰ কটা তামোল নেখায়। ভাতৰ পৰা মদ প্ৰস্তুত কৰি খায়। বহুবিধ গছ-লতাৰ পাত শিপা, ছাল, মূল আদিৰ পৰা মদৰ দৰৱ সংগ্ৰহ কৰা হয়। বিবাহৰ ৰীতি-গুৰিত এই বিষয়ে কোৱা হৈছে। ভাতৰ লগত সেই দৰৱ মিহলাই ডলাত মেলি থয়। কেইদিন মানৰ পিচত পক্ উঠি মলমলাই গোন্ধায়। তেতিয়া মঠিয়া কলহত ভৰাই থোৱা হয়। কিঞ্চিৎ পানী দিয়ে। তাৰ পৰা যি ৰস ওলায় সেয়ে মদ। পৰম কালি ৩।৪ দিনৰ পৰা ১০।১২ দিনৰ ভিতৰত আৰু জাৰকালি ১০।১২ দিনৰ পৰা এমাহ ডেৰমাহৰ ভিতৰত পৰিপূৰ্ণ হয়। মদৰ গোন্ধ সুমিষ্ট, মৃদু ৰাগীপূৰ্ণ। খাবলৈ মিঠা আৰু মিচামুক। ৰং হালধীয়া বা সোণ বৰণীয়া। এক প্ৰকাৰ পূজা কৰি নাইবা অৰ্চনা পদ্ধতিৰ জৰিয়তে মদ পান কৰা হয়। তথা মদ নেখায়। মদ খোৱাটো ডেউঁবিলাকৰ স্বভাৱসিদ্ধ কথা। যিহেতু পূৰ্বানুক্ৰমে চলি আহিছে। কৈচুৱা অৱস্থাৰ পৰাই সেৱন কৰা হয়। গতিকে প্ৰকৃত খাদ্য হৈ পৰিছে। সেই কাৰণে বাপেক-মাকে নিজৰ লৰা-ছোৱালীক মদৰ বাটিটো আগবঢ়াই দিয়াটো দোষণীয় বুলি নেভাবে। জাতি-বন্ধুৰ আগহী-অতিথিক ভাবে আৰু বাহিৰা অতিথিক এটিনিৰ ধপাত নাইবা তামোল-পাণেৰে সোধ-পোছ কৰে। এইটো ডেউঁবিলাকৰ সৰল আচৰণ

পৰিচয়। সেই পিনৰ পৰা এইবোৰক এক প্ৰকাৰ জাতীয় খাদ্য বুলিও কব পাৰি। তেওঁবিলাকে মদ খাই কদাপি মত্তলীয়া নহয়। এই দেশী' বা ধৰুৱা মদত খাদ্যপ্ৰাণ থকাতো প্ৰমাণিত হৈছে।

---

# বোৰা-কটা

মহিলাবিলাক দেখিবলৈ সুগঠী। শাৰীৰিক জাপী-পানী পুৰঠ, সুঠাম। ক'লা বৰণৰ মানুহ কাচিৎহে দেখিবলৈ পোৱা যায়। জাতীয় উৎসব বিয়া-সবাহ আদিত অলঙ্কাৰ পিন্ধাৰ বাহিৰে তিৰোতাবিলাকৰ অলঙ্কাৰ পিন্ধা বিলাসিতা নাই বুলি কব পাৰি। আজিকালি বিশেষকৈ গাভৰুহঁতে খুৰিয়া পিন্ধিবলৈ শিকিছে। বাখৰ খটোৱা জাংফাই কেৰু, উজন্তি বা উস্তি আৰু গলত পোৱাল মণি পিন্ধিবলৈ এৰিছে। আগৰ চামৰ মহিলাই কাণত জাংফাই কেৰু আৰু ডিডিত পোৱালমণি থাকিলে দৃষ্টি এৰাবলৈ পোৱাল বা প্ৰৱাল মণি দানৰ কথা জ্যোতিষত নানা কু-দৃষ্টিৰ পৰা হাত সাৰি থাকিব পৰা হয় বুলি বিশ্বাস কৰিছিল। এতিয়া এনে বিশ্বাসত আস্থা নাইকিয়া হৈ পৰিছে। বিবাহিতা সকলে হাতত ৰূপৰ মুঠিখাৰ আঙুলিত আঙঠি পিন্ধে। গাভৰুৰ চুলি আদৰৰ বস্তু। চুলি মিহি। কেশ বিন্যাসত সকলো যত্নবতী। গলধনত পৰাকৈ খোপা বান্ধে। আগৰ পৰাই নিজে বোৱা একে ৰঙৰ আৰু ধৰণৰ কাপোৰ পিন্ধি গৌৰৱ অনুভৱ কৰে। মহিলাৰ বয়স অনুসৰি সাজ-পোছাক আছে। বয়সক বিশেষকৈ তিনি ভাগক ভাগোৱা হয়—কুমাৰী, অবিবাহিতা আৰু বিবাহিতা। প্ৰথম ভাগে গাভৰু হোৱাৰ আগলৈকে কঁকালত মেখেলা পিন্ধে আৰু বুকুত লিপিতথাই পৰাকৈ এখন টঙালি মেৰিয়াই পিন্ধে। দেউৰী লোকৰ মতে ইয়াক "বাইগা" বোলে। গাভৰু আৰু বিবাহিতা সকলে বীৰ জাতিৰ দৰে বুকুৰ ওপৰত মেখলি মাৰি মেখেলা পিন্ধে। গাভৰুহঁতে কঁকালত বংবেৰেঙৰ সূতাৰে গোঠা ধুনীয়া বচি বা জৰি এডাল মেৰিয়াই লয়। বিবাহিতা-সকলে কঁকালত জোৰ পাবলৈ লহৰা বা মেৰণি নাইবা কঁকাল বন্ধা নতুবা বিহা পিন্ধে। এই ফুল বছা কঁকাল ধুনীয়া কাপোৰ খনক দেউৰী ভাষাত 'জকাজিৰা'

বুলি কয়। জীয়াৰী-বোৱাৰী সকলো মহিলাই ওৰণি লয়। কামৰ বেলিকা মুজোৰি মাৰে। তিৰোতাই খোপাত বন্ধা এই ফুলাম গামোচাখন দেউৰী ভাষাত ‘গাতিগী’ বোলে। দাঁত বোলায়। এতিয়া এৰিছে। নামতো গোৱা হয়।

তিৰোতাবিলাকে কপাহ খেতি কৰে। সূতা আমদানি হোৱা বাবে আজি-কালি কপাহৰ খেতি কমি গৈছে। এৰী আৰু পাটপলু পোহে। তাৰ পৰা সূতা কাটি, সূতা উলিয়াই নিজৰ পৰিয়ালবৰ্গৰ আৱশ্যকীয় পৰিধেয় নানাৰকমৰ কাপোৰ নিজৰ অভিৰুচি মতে বৈ লয়। তেওঁবিলাক খোৱা-কটাত অতি পাকৈত, পিন্ধা-উৰাত সদায় পৰিপাটি আৰু চাফ্-চিকুণ। সুন্দৰ ফুল বাছি পানী নসৰাকৈ টাৰি ডাঠ-মিহি দুয়োবিধ কাপোৰ বোৱাত আৰু তাৰগুণ আৰু চানেকিত আনক ছেৰপেলাই আহিছে। ধুনীয়া ধুনীয়া ফুল-তুলি সুন্দৰ কাপোৰ বয়। ইয়াৰ জৰিয়তে সৌন্দৰ্য্যবোধৰ পৰিচয় ফুটি উঠিছে। সেয়ে নহয় ই জীৱন্ত দৰ্শন। হাতে বোৱা কাপোৰত নানান্ চিত্ৰৰ ধুনীয়াকৈ বছা হয়। তাত জ্যামিতিৰ ক্ষেত্ৰৰ দৰে জটিল নক্সাৰ বহুতো কাম কৰা থাকে। জৈমিতিক আৰু তিনি কোণীয়া ফুল সৌন্দৰ্য্যবোধৰ পৰিচায়ক। দেউৰীমতে তাক ‘পাণকটা’ ফুল বুলি কয়। ৰঙৰ সমাবেশ উৎকৃষ্ট ধৰণৰ। ৰঙা, নীলা, হালধীয়া আৰু ক’লা। এই ৰঙৰ পুৰণি নক্সাৰ কাপোৰ-কানি সৌন্দৰ্য্যৰ সামগ্ৰী। এই কাৰুকাৰ্য্য নিজস্ব আৰু বৈশিষ্ট্য আছে। বাহিৰৰ লোকেও দেউৰীৰ কপাহী আৰু এৰী কাপোৰৰ প্ৰশংসা কৰিছে। তাৰ ওপৰত মূল্য দিছে। তেওঁবিলাকে সহজে বাহিৰৰ অনুকৰণ কৰিব পাৰে। আধুনিক ৰুচিৰ প্ৰতি যে উদাসীন নহয় সেই কথাও ভালকৈ প্ৰকাশ পাইছে। আজিকালি হাতে বোৱা কাপোৰৰ প্ৰচলন আৰু সমাদৰ বাঢ়িছে। বিবিধ ৰঙৰ সংমিশ্ৰণত মনোৰম চানেকীৰে কলা নিপুনত ঘটাই বোৱা কাপোৰে জগত জোৰা খ্যাতি আনিছে। তদুপৰি ৰুচিসম্পন্ন আধ্যাত্মিক অনুৰাগ বৃদ্ধি পোৱাৰ উপৰিও এনে সমতি বিশিষ্ট চকুত লগা শিল্পচাতুৰ্যই মানুহৰ মন আকৰ্ষণ কৰিছে। ইয়াৰ জৰিয়তে পাচপৰা বাই-ভণীহঁতে বস্ত্ৰ স্বাবলম্বনৰ দৰে অৰ্থনীতিতো বিশিষ্ট স্থান অধিকাৰ কৰিব নোৱাৰিবনে? তেওঁলোকৰ হাতত থকা শিল্পৰ সফল আৰু উন্নত ঘটালেই হ’ল।

তিৰোতাৰ সময় বৰ কম। কামৰ জুমুৰিত সময় নেপাই ঘৰ পৰা পথাৰলৈ অহা যোৱা কৰোঁতে, ধান বানোতে আৰু সময় পালেই টাকুৰীত নাইবা উৰুত এৰীসূতা কাটে। আবকালি ৰাতি এডোখৰত উঠি ঘৰত এৰী সূতাখিনি পকাই

নাইবা পাজি কাটি কাটি ৰাতি পুৱাই দিয়ে। এই কামবোৰ দৈনন্দিন কামৰ ভিতৰৰে এটা। ছোৱালীয়ে কাপোৰ ববই লাগিব। ই যেন তেওঁবিলাকৰ পক্ষে তেজ-মঙহৰ লগত লাগি থকা সম্বন্ধ। বোৱা-কটা জনাটো ছোৱালীৰ সৰ্ব্বশ্রেষ্ঠ গুণ। কাপোৰ বোৱাতহে ছোৱালীৰ মূল্য বাঢ়ে। বব-কাটিব নেজানিলে অকাজী বা থুপৰী নাম পায়। গতিকে সকলে পৰাই তাঁত-সূতাৰ লগত সম্বন্ধ। প্ৰতিগৰাকী ছোৱালীয়ে কাপোৰ বব জানে। দুখীয়া হলেও জপাত কপাহী বৰকাপোৰ, এৰী-মুগা, পাটৰ বিহা-মেখেলা আদি কাপোৰ ওলাবই ওলাব। প্ৰতিঘৰতে অইন নহলেও যঁতৰটো, নেওঠমিথন, বোৱা-কটাৰ সঁজুলিবোৰ আৰু তাঁতশালখন পোৱা যাবই। বিহুগীত-আদিটো বোৱা-কটা আৰু তাঁতশালৰ প্ৰতি থকা শ্রদ্ধা-প্রীতিৰ পৰিচয় পোৱা যায়। চিৰপ্ৰচলিত তাঁতশালখনিক কেন্দ্ৰ কৰিয়ে দৈনন্দিন, সামাজিক আৰু পাৰিবাৰিক জীৱন গঢ়ি উঠিছে।

— — —

# সোণোৱাল কছাৰীৰ সংস্কৃতি

গগন সোণোৱাল

অসমত বাস কৰা সোণোৱাল কছাৰীসকল যুগ যুগ ধৰি হিন্দু ধৰ্মৰ প্ৰভাৱেৰে অনুপ্ৰাণিত হ'লেও ব্যক্তিগত, পাৰিবাৰিক আৰু সামাজিক লোকাচাৰ তথা বিধি-বিধান আৰু আচাৰ-অনুষ্ঠানৰপৰা এওঁবিলাক আজিও আঁতৰি আহিব পৰা নাই। ইয়াৰ মূলতে এওঁবিলাকৰ পূৰ্ব-পৰম্পৰাগত ধৰ্মীয় বিশ্বাস, জনজীৱনৰ আঁহে আঁহে জড়িত থকা বিভিন্ন আচাৰ-অনুষ্ঠান আৰু পূজা-পাতলাদি—যাক উক্ত সমাজৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ যুগ যুগ বুকুত সাৰুট ধৰা কুটিৰ সঁচ বুলি এখন বহল আৰু সাৰুৱা পথাৰৰ কথা উনুকিয়াব পাৰি।

যুগ যুগৰ স্মৃতি আৰু পৰম্পৰাগত সংস্কৃতি আৰু ঐতিহ্য বহনকাৰী কাতি, মাঘ আৰু বহাগ—তিনি সংক্ৰান্তি বা দোমাহীৰ কঙালী, ভোগালী আৰু ৰঙালী—এই তিনি উৎসৱ পালনত এওঁবিলাকৰ সাংস্কৃতিক নিদৰ্শনৰ আভাস সুন্দৰৰূপে পোৱা গ'লেও বিশেষতঃ বহাগ বা ৰঙালী বিহু পালনৰ ক্ষেত্ৰতহে ইয়াৰ প্ৰভাৱ সুস্পষ্ট।

স্মৰণাতীত কালৰেপৰা সোণোৱাল কছাৰীসকলে বহাগ বা ৰঙালী বিহুক 'বলি বজা দোমাহী' নামকৰণ কৰি তাক পালন কৰি অহা স্মৃতি কালৰ বুকুত থাকিলেও সি আজি উক্ত জনসমাজৰপৰা দিনক দিনে হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়েহে চ'ত আৰু বহাগৰ দোমাহীৰ দিনা স্থলবিশেষে বিহুৰ গৌৰৱত 'বলি বজা'ৰ নামেৰে আগবঢ়োৱা মহান আৰু পবিত্ৰ পাত এখিলাৰ কথা থোৰতে উল্লেখ কৰা হ'ল।

চ'তৰ আৰম্ভণিৰপৰাই এওঁবিলাকৰ প্ৰাণলৈ বিহুৰ বা-বতাহ আহে। মুঠতে ল'ৰা-বুঢ়া, ছোৱালী-বুঢ়ী, ডেকা-ডেকেৰী, জীয়ৰী-বোৱাৰী অৰ্থাৎ আবাল-বৃদ্ধ-বনিতা সকলোৱে বিহু আগমনিৰ বিভিন্ন কামত ইমানেই ব্যস্ত আৰু তৎপৰ হৈ পৰে যে—

ই বাৰীৰ বাঁহ ঐ সি বাৰীৰ বাঁহ
বাঁহে বাঁহে লগ লাগি যায় চ'ত মাহ।

এটা নতুন বছৰৰ আগমনিৰ এদিনৰ আগ আৰু এটা পুৰণি বছৰে বিদায় লোৱাৰ একুৰি চাৰিঘণ্টাৰ পূৰ্বৰ পবিত্ৰ মুহূৰ্তত অৰ্থাৎ পুৰণি বছৰৰ শেষ—চ'তৰ

শেষ সংক্ৰান্তি বা দোমাহীৰ দিনাই এওঁবিলাকৰ মাজলৈ আহে কৃষিৰ প্ৰধান সম্বল গৰু-ম'হ বা অমাত জীৱ-জন্তৰ বিহু। এই বিহুৰ যা-যোগাৰ উছৱ-আয়োজনৰ আঁৰে আঁৰে অনুৰণিত হৈ আছে 'বলি ৰজা দোমাহী'ৰ একো একোটি অমিয়া সুৰৰ নিজৰা—যি সুৰৰ সুমধুৰ ধ্বনি আজি কালৰ বুকুত হেৰাই বতাহত বিলীন হৈ গৈছে।

এইদিনাখন পূব আকাশত ফেঁচজালি দিয়াৰ লগে লগে দোক্-মোকালিতে ঘৰৰ জোৱালী, জীয়ৰী-বোৱাৰী, আয়তীসকলে বিচনা এৰি ঘৰ-চোতাল-পদূলি সাৰি চাফ্-চিকুণ কৰি মাহ-হালধি ঘঁহি বাহী গাটোইত ধুই-মেলি এখুৰলি পিঠা খুন্দি সেই পিঠাগুড়িখিনি এটা কাঁহৰ পাত্ৰত গুলি স্থান-পাত্ৰবিশেষে তুলসী, মাখিয়তী অথবা তুংলটিৰ (বনমালা ?) আগপাতেৰে ঘৰঘৰ ভিতৰৰপৰা বাজৰ ভঁৰাল, গোহালি আৰু পদূলিমুখলৈকে ছেগা-ছোৰোকাকৈ ছটিয়াব। এনে কৰাৰ মূলতে হ'ল—এই পিঠাগুড়িৰ চিহ্নই হৈছে আজিৰ এই মহান পবিত্ৰ দিনত এওঁলোকৰ পূৰ্বপুৰুষ মহাদানী বলি ৰজাই নিজৰ প্ৰজা বা জাতি ভাই বুলি চিনি পোৱাত সুবিধা আৰু বছৰৰ মূৰকত সঁচাৰ ফুৰাই যোৱাত একো অসুবিধা ভোগ নকৰা। সুতল নিবাসী মহা পৰাক্ৰমী আৰু দানী বলি ৰজাৰ মৰ্তবাসী প্ৰজাৰ ওচৰলৈ এটিবাৰ শুভাগমনৰ এয়া কেৱল পবিত্ৰ আৰু তাৎপৰ্যপূৰ্ণ প্ৰতীকেই নহয়, ই হ'ল কৃষিৰো প্ৰতীক।

এইখিনি কৰি অটোৱাৰ পিচতেই একোটা কাঁহৰ বাটি অথবা পাত্ৰত খুন্দা মাটিমাহ-হালধি মিহলি পানী লৈ সোণ-হালধীয়া জনীয়া বস্তুখিনি এজনীয়ে আগৰ দৰে ভিতৰৰপৰা বাজলৈ ছটিয়াই আহিব আৰু আন এগৰাকীয়ে জহৰ অন্তত অতদিনে সামৰি-সুতৰি থোৱা বিচনী এখনেৰে বাহিৰ মুৱা কৰি বা দি দি আহি উভতে নহয় ৰৰৰৰ আগমনিৰ পবিত্ৰ ক্ষণত ঘৰৰপৰা অপায়-অমঙ্গল, অসুখ-বিসুখ, কাজিয়া-পেচাল, মাখি-মহ-ডাহ-উৰহ সকলো বছৰটোলৈ আঁতৰি যোৱাৰ কামনা কৰি ভৱিষ্যত সুখ-শান্তি আবাহন কৰিব।

তাৰ পিছত নিশাতে সযতনে যত্নাই থোৱা ছাটমাৰি (সাত মাৰি : চাৰি আৰু তিনি শলীয়া অৰ্থত), মাহ-হালধি, কটা তামোলপাণ আদি বাজলৈ উলিয়াই দিব।

সিদিনা বিচনা এৰিয়েই বুঢ়া-আদহীয়া বা-ঘৰৰ গিৰিহঁতে লোনে লোনে গোহালিৰ কাষলৈ আহি আৰু সকবোৰ গুই আছে নে থিয় হৈ আছে তাক চাবৰি বা

নিলগৰপৰাই চকু দিব, কাৰণ এওঁবিলাকৰ মাজত আদিপূৰ্বৰেপৰা এনে জনবিশ্বাস আছে - যদি গৰু-ম'হবোৰ থিয় হৈ থাকে তেন্তে আগন্তুক বছৰটোত বাৰিষা বান-পানী হ'ব আৰু শুই থাকিলে খৰাং হ'ব। ইয়াৰ উপৰিও বিশ্বপ্ৰকৃতিলৈ লক্ষ্য ৰাখি এওঁবিলাকে পূৰ্বাপৰ ধাৰণাত বিশ্বাস কৰি আহিছে যে—

'আমেই বান
কঠালেই ধান।'

আমৰ আধিক্যই বানপানী আৰু গছত কঠালৰ আধিক্য বা প্ৰাচুৰ্যই দেশত ধানৰ সম্ভাৱনা সূচনা কৰে।

সোণোৱালসকলৰ দৰেই অসমৰ তিৱা বা লালুংসকলৰ মাজতো কৃষিৰ বতৰ সম্পৰ্কে চলি অহা জনবিশ্বাস বিহুৰ লগত জড়িত থকাৰ আভাস পোৱা যায়। শ্ৰীগণেশচন্দ্ৰ সেনাপতিদেৱে 'তিৱা ( লালুং ) জনজাতিৰ বিহু' প্ৰবন্ধ বিশেষত উল্লেখ কৰিছে—"সকলো পূজাতে চৰাই বলি দিয়ে। মহাদেৱক কুকুৰা বলি দিয়াৰ উপৰি মাহ-প্ৰসাদ লৈ 'নিবত' দিয়ে। বলিৰ চৰাইৰে আগন্তুক বছৰৰ শুভাশুভ নিৰ্ণয় কৰা হয়। বলিৰ চৰাই ওপৰলৈ মুখ কৰি পৰিলে খৰাং বতৰ, তললৈ মুখ কৰি পৰিলে বতৰ ভাল আৰু মহাদেৱলৈ আগবঢ়োৱা চৰাইটো পশ্চিমলৈ তলমুখ কৰি পৰিলে বতৰ পলমকৈ হয় বুলি বিশ্বাস।"

গোহালিত ঘৰৰ গিৰিহঁতনী আয়তীসকলে আগলি ন পাণ-তামোল সহ একোটি চাকি-শলিতা আগবঢ়োৱাৰ অন্তত ল'ৰা, ডেকা, বুঢ়া আদহীয়াসকলে গৰু-ম'হৰ জাক খুলি দীঘলতি-মাখিয়তীৰে কোবাইখেদি নৈ, বিল বা ডাঙৰ পানীৰ খালৰ পাৰত গোট খুৱাবলৈ আৰু গাঁৱৰ সকলো ম'হ-গৰু গোট খালে সিহঁতক ধুওৱাৰ আগতে পাৰৰ এডোখৰ ঠাই চিকুণাই পূব-দক্ষিণ, পশ্চিম-উত্তৰ চৌদিশে লাহনি বা হাতৰ আঁজলিৰে পানী ছটিয়াই- বসুমতীক শুধন কৰি গাঁতিগিৰি, জল, থল, গৰখীয়া আৰু গোজাতিক ( কজলা, কমলা, কপিলা বিভিন্ন গো-শ্ৰেণী আৰু সুৰভি গাইৰ নামত ) মুঠতে পাণ-তামোল সহ পাঁচযোৰ পাত সামাজিকভাৱে আগ-মান কৰাৰ উপৰিও প্ৰতি গৃহস্থয়ো ঠাই চিকুণাই নিজাৰবীয়াকৈ বিহুৰ নামত একো একোযোৰ পাত আগবঢ়াব। তাৰ পাছত জলৰ নামেৰে আগবঢ়োৱা পাতযোৰ আথেবেথে তাৰ মাজৰপৰা দাঙি সাদৰেৰে নৈ বা বিলৰ পানীত জহাই দিয়াৰ লগে লগে সকলোৰে পূবমুখ কৰি এটি সেৱা জনাব আৰু ইয়াত আশীৰ্বাদীয়া বুঢ়াই এই-বুলি আশীৰ্বাদ দিব :

"অ' বলি ৰজা দেৱতা৷ তিনি বিহু তিনি সংক্ৰান্তি, বোলে—নাল নাই বিচনী ঘূৰে। বছৰৰ মূৰকত আজি বলি ৰজা দোমাহী পৰিছে। বঙালীয়ে বা খঙালীয়ে কোনজনা কেনেকৈ আছিছে তাক আমি নবমনিচে একো নেজানি আজিৰ বাবে আমাৰ বলি ৰজা দেৱতাক এখনি পাত আগবেঢ়োৱা হৈছে। ইয়াতে আমাৰ বলি ৰজা দেৱতাই আমাৰ (মোৰ) নামে এখনি পাত আগবঢ়োৱা হৈছে বুলি ৰঙক আগ কৰি খঙক পাছ পেলাই থৈ আমাৰ বলি 'ৰজা দেৱতাই লৈ ফুৰাব লাগে। অ' বোলে—

তিনিশ তিনিকুৰি তিনিদিন
বলি ৰজা দোমাহী
বলি ৰজা আহে আৰু যায়,
টৌলোঠা কাণ মাৰি
ঘূৰাদি ঘূৰে।
জয় ৰাম বোলা, জয় হৰি বোলা।"

আশীৰ্ব্বাদ সামৰণি পৰাৰ লগে লগেই শুন্তলৈ ঢুকাই বন্দুকৰ গুলি ফুটাই ম'হ-গৰু আদিৰ গা ধুওৱাৰ উখল-মাখল লাগি পৰিব আৰু পগুবিলাকৰ গাত তেল-মাহ-হালধি ঘঁহি লাহনি অথবা হাতৰ আঁজলিয়ে আঁজলিয়ে পানী ছটিয়াই গা ধুৱাই ছাটমাৰিবপৰা লাও, বেঙেনা, থেকেৰা, হালধি বিধে বিধে সোলোকাই ডোখৰকৈ গৰু বা ম'হৰ গালৈ দলি মাৰি গাব—

লাও খা, বেঙেনা খা,
থেকেৰা খা, হালধি খা,
দিনে দিনে বাঢ়ি যা;
মাৰ সৰু, বাপেৰ সৰু,
তই হ'বি বৰ গৰু।

খেনো খেনোৱে আকৌ তাৰ লগতে জোৰা দি এইদৰেও গায়—
লাও খা, বেঙেনা খা
থেকেৰা খা, হালধি খা
সোণৰ নাঙল ৰূপৰ ফাল
তই ৰবি (বাবি) সৰ্বতিকাল।

তদুপৰি মাখি, মহ, ডাঁহ ইত্যাদিৰ আক্ৰমণৰপৰা ৰক্ষা পৰি থাকিবৰ বাবে সিঁহতক দীঘলতি, মাখিয়তীৰে কোবাই কোবাই গাব—

দীঘলতিৰ দীঘল পাত
মাখিয়তীৰ মাখি পাত
মাখি মাৰোঁ জাত জাত।

তাৰ পিছতেই বুটি পৰাৰ, এহাৰি আদি গৰু-ম'হৰ ঠেং তলেদি সৰকাই সেইবোৰ নেওচা দি দলিয়াই পেলাই ক'ব—"আজিৰপৰা গো-জাতিৰ অপায়-অমংগল, চৰকা-থহলা, মাৰি মৰক, হানি-বিঘিনি আঁতৰি যাওক।" ইয়াৰ পিছত পানীত গাটোইত তিয়াই তিত, তিয়নি-চুৰিয়া, আগতে ইজনে সিজনে সলনা-সলনি কৰি লোৱা ছাটমাৰি অ'ক কোনোৱে ভাল ঠাই বুজি সংগ্ৰহ কৰা একোচপৰা মাটি সহ ঘৰ পাৰহি আৰু ঘৰৰ কাঁইটালিৰ চৌপাশত তাক স্থাপন কৰি (পুতি) বছৰ দিনলৈ একোটি বাৰুনি দিয়ে আৰু দীঘলতি-মাখিয়তী আৰু ছাটমাৰি অ'দিও ঘৰৰ দুৱৰমুখত বা চালত গুজি থয়। এনে কৰিলে ধুমুহাবতাহ, বিজুলী-বজ্ৰপাত আদিৰপৰা ঘৰক ৰক্ষা কৰা বা পোৱাৰ বিশ্বাস এওঁবিলাকৰ সমাজত আদি-পূৰ্বৰেপৰা আছে। আবশ্যক আৰু ওজৰ বুজি দুই-এক পুৰুষ বা বেজ-জানীয়ে বাহিৰে বাহিৰে হাবি-বননিৰ পৰা সৰ্বব্যাধিৰ ঔষধ হিচাপে এশ এবিধ গছ-লতিকাৰ শিপা, পাত আৰু ফলমূল বিধে-বিধে গোটাই আনি সযত্নে সামৰি থয়হি।

আজিৰ দিনতে কোনো কোনো গৃহস্থ-গৃহস্থনীয়ে পুৱা বা আবেলি ভাগতে সিজু, টকৌ, শিমলু, কাঠবগৰী, কুঁটকৰা বা আইসকল জাতীয় কাঁইট ৰবৰৰ দুৱাৰমুখত থাবি ভূত-প্ৰেত, ডাইনী-যখিনী, বাহিৰা বা-বতাহ আৰু মাৰি-মৰকৰ প্ৰবেশ আগত বছৰৰ বাবে নিৰোধ কামনা কৰিব।

আজি গোসাইৰ দিনত সৰু-বৰ সকলো মুনিহ-তিৰোতাই বহুমতী, বিহ আৰু বৰ বলি বন্নাৰ নামত তিনিখন কটা ভাৰোল-পাণ আগবঢ়াই মাহ-হালধি ঘঁহি গা ধুব। এওঁবিলাকৰ ধাৰণা যে আজিৰ দিনৰ পুৱাভাগতে মাহ-হালধিৰে গা ধুলে বছৰ দিনলৈ খুহ-খজু, বসন্ত আদি চৰ্মৰোগ আৰু কলাজ্বৰপৰা ৰক্ষা পোৱাৰ উপৰিও গাৰ বৰণ সলনি আৰু নিৰ্মল হয়। সেয়েহে নহয়, সৰ্বব্যাধিৰ নিবাৰক হিচাপে আজিৰ দিনত কেঁচা হালধি দুই-এডোখৰ প্ৰতিজনে ৰুকা শাক-আজাতে নিহলাই খোৱাৰ নিয়ম আছে। উল্লেখনীয় যে এওঁবিলাকে জীৱনত কেঁচা মাহ-হালধি বিহুৰ এই দিনত (অৰ্থাৎ হাল-সাত্ৰবিলৈয়ে বছৰত এবাৰ দিন বহাগ বা,

মানুহ বিহুত ) আৰু জন্ম, বিবাহ, মৃত্যুৰ উপলক্ষ্যতহে মাত্ৰ পাত খঁহি পৰা বস্ত্ৰসূল ধাৰণা এটি অতীজৰেপৰা ৰাখি আহিছে।

নতুন কাপোৰ-কানি পৰিধান, বিহুৱান, মা-সন্মান, দিয়ন-গ্ৰহণ, আদৰ-আপ্যায়ন, ভোগৰ প্ৰাচুৰ্য্য, নামঘৰ-হৰিমন্দিৰত গঞা ৰাইজ গোট-পিট খাই বিহুৱৰীয়া হৰিনাম-কীৰ্তন, আলাপ-আলোচনা, পুৰণা বিচাৰ-খোচাৰ, জা-অজ্ঞানৰ নিষ্পত্তি, গঞা ল'ৰা-ছোৱালীৰ কণীযুঁজ আৰু বং খেমালিৰ গাঁও জোৰা উথল-মাথল উলাহ-আনন্দ, ইঘৰ-সিঘৰৰ মাজত পাৰস্পৰিক আদান-প্ৰদান, দিয়ন-থোৱন, খাৱন-বুৱন, হাইছ-লাইচৰ অন্তহীন অমিয়া নিজবাৰে ঐক্য আৰু সম্প্ৰীতি, সুখ আৰু সমৃদ্ধিৰ বাথজৰী নিৰ্মাণেই হৈছে আজিৰ মহান আৰু পবিত্ৰ দিনটোৰ তাৎপৰ্যপূৰ্ণ ভূমিকা আৰু বিশিষ্ট অৱদান।

গাঁৱৰ কণ কণ ল'ৰা-ছোৱালীৰ উছাহমুখৰ পৰিবেশৰ মাজত চলা কণীযুঁজকো এওঁবিলাকে এক বিশেষ গুৰুত্ব সহকাৰে গ্ৰহণ কৰি ইয়াক আই বসুমতীৰ উৰ্বৰতা শক্তি আৰু জীৱজগতৰ শৌৰ বীৰ্য্যৰ প্ৰতীক জ্ঞান কৰি আহিছে। পৃথিৱীৰ উৰ্বৰতা শক্তি বৃদ্ধিৰ লগতে বাঢ়ি অহা চামৰ প্ৰত্যেকেই বীৰ্যবান আৰু শক্তিশালী হোৱাৰ আন্তৰিক বাসনা ইয়াত নিহিত আছে।

সোণোৱাল কছাৰীসকলৰ কাৰণে এই দিনটো মহা পয়োভৰ আৰু পূজা-পাতলৰ দিন। বেলি উঠাৰেপৰা আৰম্ভ কৰি শেষ নিশালৈকে পাৰিবাৰিক আৰু সামাজিক-ভাৱে দেশৰ স্থান-মান-পাত্ৰ বিশেষে উপাস্য দেৱ-দেৱতাকে ধৰি বিভিন্ন দেও-দেৱতাৰ ওচৰত আগন্তুক বছৰটোৰ কৃষি-কৰ্ম, পো-পৰিয়াল, মা-সম্পত্তি, গৰু মহ, সমাজ আৰু সৰ্বসাধাৰণ ৰাইজৰ মঙ্গলাৰ্থে পূজা অৰ্চনাদি কাৰ্য সম্পন্ন কৰা হয়।

সেইদিনা সন্ধিয়াৰ আগে আগে অৱস্থা বুজি গৰু-ম'হক ওজাল, ডবা বা মৰাপাট বটি তৈয়াৰ কৰা নতুন পঘাত মাহ-হালধি সানি তাত তুংলটি বা দেৱ-তুলসীৰ সোণালী ফুল অথবা তুলসী আগ পাত আদি গুজি তৰে গোমৰক নতুন পঘাৰে মাল্য বৰণ কৰি মা সন্মান জনাই পিঠা-পনা পুৱাই গোহালিৰ সন্মুখত বাগ দিয়া হয়। উল্লেখৰ প্ৰয়োজন যে যিসকলে সৰু বা ডকতীয়া পৰা অৱলম্বন কৰি গৃহ-সংসাৰ চলাই আহিছে উজনিৰ সেইসকল কছাৰীয়ে পঘাত তুলসী আৰু যিসকলে পুৰাপৰ কোল পৰা অমুলৰি গৃহবাৰি আৰু সামাজিক জীৱন যাপন কৰি আহিছে তেওঁবিলাকে তুংলটিৰ ( কনমাদা ? ) ফুলকে সচৰাচৰ ব্যৱহাৰ কৰা দেখা গ'লেও স্থানবিশেষে ইয়াৰ ব্যতিক্ৰমো হোৱাটো একো আচৰিত নহয়।

সঁজিয়া মৃতকৰ নামত বিভিন্ন পৰিয়ালে ঘৰে-বাহিৰে বিবিধ পূজা-সেৱাৰ আয়োজন কৰাৰ উপৰিও কিছুমানে ঘৰ আগতাকৰ (অতিৰিক্ত স্থিতি) হৈ সঁজিয়া বা বাৰুনী-শাদৰ চুকত, চুলীৰ হৈ ঘৰ, ধুৱাবুৰত, ঢেকী, চ'ৰাঘৰ, দুৱৰ পানী পইতা আদি কৰি স্থানে স্থানে ভাগে ভাগে পূজাসেৱা (ঘৰ দেও), আই বুঢ়া-বুঢ়ী আৰু বসুমতীৰ নামেৰে কল-পিঠাগুৰি সহ একযোগে পাত আগবঢ়োৱাৰ বাহিৰেও পৰিয়াল আৰু সমাজবিশেষে হাঁহ-কুকুৰাৰ বলি-বিধানো কৰে। আনুষংগিক হিচাপে দা, কোৰ-কুঠাৰ, হাতুৰি-বটালি, শাল-বাতিকাৰ আদিকো দুই-এপাহি একোখনি পাত আগবঢ়াবলৈকো আজিৰ দিনত বাকী নাথাকে।

সামাজিক বিধি-বিধান নীতি-নিয়মৰ মাজেদি আজিৰ সঁজিয়া আগতে ওঁহালৰ বিভিন্ন দেও-দেৱতাৰ পূজা-সেৱা কৰা হয় আৰু ইয়াকে 'লখিমী (দুবুৰী) দিয়া' সেৱা বোলা হয়। স্থান, মান, পাত্ৰ আৰু সমাজ-বিশেষে কল-পিঠা, গুড়, মিঠৈ, পাণ-তামোল, পত্ৰ-পুষ্পেৰে এই পূজা-সেৱাৰ আয়োজন কৰাৰ উপৰিও পৰিয়াল আৰু সমাজ অনুসৰি ওঁহালত বা তাৰ সমুখত হাঁহ-কুকুৰাৰ বলি-বিধানো যোগোৱা হয়। গাঁতিগিৰি, বসুমতী, লখিমীৰ নজনী, হৰিচৰণ, চেংতামুলি, মনতামুলি, বিধি-বিধাতা, জাতিয়া, বুঢ়া-বুঢ়ী, কুবেৰ বুঢ়া-বুঢ়ী, ওঁহালী, বায়ু, বৰুণ, বোৱা কোৱোৱা, জংলী-কাটনী, শুকানী-পতানী, গণেশ (এখুৰৰ বৰা) আৰু সৱকৰ নামত একোৰ চাকি-শলিতা আগবঢ়াই প্ৰত্যেক দেও-দেৱী আৰু দেৱতাৰ নামত ভাগে ভাগে পূজাৰ নৈবেদ্য স্বৰূপ কল-পিঠা, পাণ-তামোল আদি আগবঢ়োৱা হয়।

সৰ্বশেষত অৰ্থাৎ পূজা-সেৱা কৰি অটোৱাৰ পিছত লখিমীৰ নজনী সোন বুঢ়ী, বুধ বুঢ়ী, শাকলাই, কাকলাই, জেৰেঙাই, নডাই, কেশাই আৰু কমলাইৰ নাম স্মৰণ কৰি এইবুলি স্তুতি-প্ৰাৰ্থনা জনোৱা হয়ঃ "অ' সোন বুঢ়ী আইক বুলি দুবুৰী (লখিমী) আইৰ নজনী আজি তিনিদিন তিনিকুৰি তিনি দিনৰ মূৰত বলি বৰা সোমাহী পৰিছে, আজি সোমাহীৰ দিনা কোনকনীয়া কেনেকৈ দিত হৈ আছে আজি দেখাওঁ। দুবুৰী আইৰ নজনী, কুবেৰ বুঢ়া-বুঢ়ী আৰু ওঁহাল কবোঁয়া দেও-দেৱতাসকলৰ নামত আজি বলি বৰা সোমাহীৰ দিনা ইয়াকেই দিয়া হৈছে। ইয়াতে তুষ্ট হৈ মোৰ ওঁহালকবোঁয়া কুবেৰ বুঢ়া-বুঢ়ীয়ে সাত জনীয়া কেৰেৱা হৈ আইতিও হুহু-চাওঁৰ হাঁহি-মিচিকি লক্ষ্মীকৈ [illegible] দিবাদি, পুতি-পৰমাণুৰ [illegible] লাগে। অ' হৰি অ' ৰাম।"

জীৱন ধাৰণৰ মূল ভিত্তিৰূপে ইয়াৰ প্ৰধান লক্ষ্য সো-বাহিৰ [illegible]

প্ৰাধান্য দিয়াৰ উপৰিও সোণোৱাল কছাৰীসকলৰ কোনো কোনোৱে 'গো-কালিকা' নামৰ এক বিশেষ পূজা আদিৰ নিশা অনুষ্ঠিত কৰে। এই ক্ষেত্ৰত অসমৰ লোক সংস্কৃতিবিদ্ ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই উল্লেখ কৰিছে—"জনসমাজৰ ধৰ্ম্মৰ লগত পশু-পূজাও জড়িত আৰু পশুক কেন্দ্ৰ কৰিয়েই বহুতো বিশ্বাস আৰু সামাজিক প্ৰথাৰ উৎপত্তি হৈছে। এই ক্ষেত্ৰত গো-সেৱা হ'ল প্ৰথম। সমাজত যেতিয়া পশু-পালনৰ প্ৰাধান্য আছিল গো-সেৱাৰ উদ্ভৱ সেই যুগতেই। অতীত কালত ইজিপ্ত আৰু ভাৰতৰ সকলোতে গৰুক সন্মান জনোৱা হৈছিল। ........শিৱৰ অন্য এটা নাম হ'ল পশুপতি, ষাঁড় তেওঁৰ বাহন। জীৱিকাৰ কাৰণে যি দেশত মানুহে গৰুৰ ওপৰত নিৰ্ভৰ কৰিছে তাতেই গৰু পশুৰ স্বাস্থ্য আৰু শক্তি বৃদ্ধিৰ অৰ্থে নানা পূজা-পদ্ধতিৰ প্ৰচলন আছে। অসমীয়া সমাজত বিশেষকৈ বিহুত গৰুক শুশ্ৰূষা কৰা হয় আৰু তাৰ লগতে নানা সামাজিক আচাৰ-আচৰণো কৰা হয়।

[ অসমৰ লোক সংস্কৃতি—ডঃ বৰুৱা ]

অতি প্ৰাচীন কালৰেপৰা গৰু-ম'হ, হাতী-ঘোঁৰা, হাঁহ-কুকুৰা আদি অন্যান্য পশু-পক্ষীয়ে মানুহৰ সঙ্গ লোৱাৰ সম্পৰ্কে সোণোৱাল কছাৰী সমাজত এটি প্ৰবাদৰ প্ৰচলন আছে। শাক্ত ধৰ্ম প্ৰভাৱ সম্পৰ্কীয় কৰ্ম বলি-বিধান আদিৰ আগমুহূৰ্তত এই কাহিনীটি উৎসৰ্গিত জীৱজন্তুৰ আগত কৈ শুনোৱাইহে বলি দিয়া কাৰ্য আৰম্ভ কৰাৰ নিয়ম। প্ৰবাদটি থোৰতে হ'ল— সৃষ্টিৰ আৰম্ভণিতে বিধাতা পুৰুষে তেওঁৰ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ মানুহে ভৱিষ্যতে খাই-লৈ জীৱন ধাৰণ কৰিবৰ বাবে অমৃত বৃক্ষ স্বৰূপ এজোপা লাগনী গছ ৰুইছিল। সেই গছৰ গুটি খালে মানুহ অমৰ হ'ব— এই কথা জানিব পাৰি হাতী, ম'হ, গৰু আদি বন্য প্ৰাণী সৱেও মিলি মূল্যবান গছজোপা উভালি পেলালত বিধাতা পুৰুষে সিহঁতৰপৰা উচিত কৈফিয়ৎ আৰু ভয় দেখুৱাই সকিয়নি দিলে। ঈশ্বৰ পুৰুষৰ ওচৰত সকলো জীৱ-জন্তুৱে এই কৃত অপকৰ্মৰ বাবে ক্ষমা ভিক্ষা কৰিলে।

প্ৰথমতে হাতীয়ে এইবুলি কৈ তেওঁৰ ওচৰত ক্ষমা মাগিলে—"হে প্ৰভু, আগলৈ সৰু বনিচক মই লোমৰ ভালে ভালে কঢ়িয়াম আৰু বলবীয়া হ'লেও মই মানুহৰ বশ মানিম।"

ম'হ-জনয়ে ক'লে—"আমিও মানুহৰ বন্ধুৰীয়া হৈ মানুহৰ আশ্ৰয়তে থাকি কৃষি কৰ্মৰ প্ৰধান সহায়ক হৈ মানুহক যুগে যুগে আজীৱন সন্তানবৎ পালন কৰি সুখে-দুখে বাস কৰিম।"

গাহৰি আৰু ছাগলীবোৰেও লগতে মানুহৰ ঘৰতে থাকি নিজ নিজ দেহৰ মঙহেৰে ক্ষুধা নিবাৰণৰ হকে দান কৰাৰ উপৰিও মানুহৰ মংগলৰ কাৰণে নিজৰ জীৱনো আগবঢ়াই দিবলৈ পিছ হুহকিব বুলি কৈ তেওঁৰ ওচৰত কথা দিছিল।

হাঁহ, কুকুৰা, পাৰ আদি পক্ষী জাতিয়ে এইদৰে কৈ তেওঁৰ ওচৰত প্ৰতিজ্ঞা দিলে —"নব মসিচৰ তিতি গাহ হ'ব, আমাৰ তিতি আৰু কৰি দ'লেও আতিক্ৰাবা মানুহে আতিক বচাই আহাবাধি দিব। সেইদৰেই গোসাই-গজাই ৰোগ-আজাৰ, অপায়-অমংগলৰ কাৰণে আমাৰ তিতি আৰু কৰিলেহে ৰক্ষা কৰি থাকিব।"

সব শেষত বিধাতা পুৰুষ মাহ আৰু পৰুৱা মানুহৰ ওচৰলৈ পঠিয়ালে—'মানুহে যেন এসাজ খাইহে দিনটো চলাই, আৰু' এই বাতৰি মানুহক দিবলৈ কোৱাহৈছে। তাকে পৰিবৰ্তিত কৰি পৰুৱা ভুলতে, মাহে তিনিসাজ খোৱা কথা জনালেহি। পিছত এনে কাৰ্যত তেওঁ বিতুষ্ট হ'ল আৰু মানুহৰ আশ্ৰয়ত থাকিলেও কঠোৰ পৰিশ্ৰমৰ আজ্ঞা পৰিল।

বিধাতা পুৰুষৰ আজ্ঞা আৰু নিৰ্দেশক্ৰমে সেই তেতিয়াৰপৰাই এই জীৱ-জন্তু, পশু পক্ষীসবে মানুহৰ আশ্ৰয়ত থাকিবলৈ ল'লেহি।

আদি পূৰ্বপুৰুষ চলি অহা প্ৰথা অনুযায়ী এই গোসাঁইৰ দিনা গছিলা থেলোৱে বিশ্বকৰ্মাৰ নামে দা-কুঠাৰপৰা বেতি-বটীয়া, তাঁতশালৰ দা-মচুনি, কৃষি-কৰ্মৰ দা-মচুনি ইত্যাদিকো বলি বলা গোসাঁইৰ নামত আচতীয়াকৈ একোখনি পাত আগবঢ়োৱা পূজা-সেৱা কাম শেষ কৰি গোহালিৰ 'গো-সেৱা' পূজাত লাগি দিয়েহি। গোহালিত দিনতে কৰলাই খোৱা এটা দব মাটিৰ টিপত পিঠাগুড়ি ছটিয়াই শুদ্ধ (পবিত্ৰ) কৰি ফুল-পাত সহ গাভি-গিৰি, গৰখীয়া, কমলা-ধবলা-কপিলা (পাঁচ বৰ্ণ), হৰতি গাই, বলোতত্ত্ব, বনৰজা আৰু চাল অবোৱালক মুঠতে সাততাপে পিঠা, ফুল-পাত, চাকি-গলিতা সহ পূজা-অৰ্চনা কৰিবলৈ আয়োজন কৰাৰ উপৰিও বছৰটো, ঘৰৰ বুঢ়া-বুঢ়ীৰ নামতো একোযোৰ পাত আগবঢ়োৱা হয়। আগ-মানৰ কামখিনি সমাধা কৰিয়েই সেইকীয়ে বাঁহৰ বন্দুক, কেঁচা হালদিৰ গুটি, কাঠৰ তৰোৱাল আৰু কৌশাতৰ চাল আদি কৃত্ৰিম অস্ত্ৰ-শস্ত্ৰেৰে প্ৰথমে বাঁহৰ বন্দুক আৰু হালধিৰ গুলিৰে দশোদিশে গুলি মাৰি গোহালিৰ পৰা, ব্যাধি-মৰক, অপায়-অমংগল আৰু অসুখ-বিসুখ আদিকপৰা খেদাই মৰা কৰি দিয়েহে এই সেইকত সাখী কয় আৰু অনুগ্ৰহ বিচাৰে। ইয়াৰ পিছত কাঠৰ তৰোৱাল আৰু কৌশাতৰ চাল হাতত তুলি লৈ বছৰটোক ছুৱাই 'দিবি তাও' বুলি চিঞৰাৰ

অথবা গাভৰুৰ জঁপিয়াই 'গো-কালিকা' দেৱতাৰ মূৰ দোঁৱাই এইদৰে স্তুতি প্ৰাৰ্থনা জনাব—

"অ" গো-কালিকা দেৱতা, আজি বছৰেকৰ বলি বজা দোমাহীৰ দিনা আপোনাৰ নামে পাত এযোৰা আগবঢ়োৱা হৈছে। ইয়াতে কৈছে বোলে,

গোলক্ষ্মী মহা লক্ষ্মী
কুবেৰ কালিকা,
ছাগে বাঘে চৰে, বোলে
কাক পালে কোনে এৰে ?

এপন ঢেকীয়া পাতেৰে আৰ কৰি লৈ কুবাব লাগে। একেডাল বনকে কাকো ঘালাঘালি নকৰাকৈ মোৰ কালিকা দেৱতাই বধীয়া হৈ লৈ ফুৰাব লাগে। আমি অচলা মনিচ, পথালি চকুৰা, একো নেজানো। খাওঁ গাহৰি হেন; শোওঁ গৰু যেন। গো হে' খাই, গোবৰে হগা।

আকৌ, কৈছে বোলে—'খায় বন, হাগে সুবৰ্ণ।' এইদৰে বছৰেকলৈ গোবৰ-চুৰা পেলাই থাকিবলৈকে খলন নকৰাব লাগে। ইয়াকে বৰি বৰি আজি বলি বজা দোমাহীৰ দিনা প্ৰাৰ্থনা কৰি আঁচল পাতি দান মাগিছোঁ।

থং থং বিৰিখত গুটি নধৰে,
বোলে, হৰিক নভজিলে জীৱ নতৰে।—অ' হৰি, অ' ৰাম।"

এয়াই হ'ল পূৰ্ব-পৰম্পৰাগতভাৱে তাহানিৰ পৰা পালন কৰি অহা অসমৰ গোণবুলীয়া সংস্কৃতিৰ বাহক লোগোৱাল কছাৰীসকলৰ পূৰ্বপুৰুষ বলি বজা স্মৃতি বিজড়িত কাণৰ বুকুত হেৰাই যোৱা ঐতিহ্যঅতিত, তাৎপৰ্য আৰু সংস্কৃতিপূৰ্ণ এখিলা পাত—যিখিলা পাতৰ চিৰযুগমীয়া সাৰবস্তা হৈছে—

তিনিশ তিনিকুৰি তিনি দিন
বলি বজা দোমাহী
বলি বজা আহে আৰু যায়।

---

# ৰাভা সংস্কৃতিৰ ৰূপ-ৰেখা

শ্ৰীৰাজেন ৰাভা

ভাৰত এখন বিশাল আৰু বিচিত্ৰ দেশ। বহু বিচিত্ৰ ইয়াৰ জনসমষ্টি। ভাৰতৰ মাটিত কোনো মানৱ-গোষ্ঠীৰ আৱিৰ্ভাৱ ঘটা নাই। এই দেশৰ উৰ্বৰ ভূমি অপৰ্যাপ্ত বৃষ্টিপাত আৰু বন-সম্পদৰ লোভ-লালুপতাই পৃথিৱীৰ প্ৰায় সমগ্ৰ অংশৰ সমগ্ৰ শ্ৰেণীৰ মানুহক আকৰ্ষণ কৰিছে। সেয়ে, তেওঁলোকে যুগে যুগে দলে দলে আহি ভাৰতভূমিত বসবাস আৰম্ভ কৰিছে।

প্ৰাগৈতিহাসিক কালৰেপৰা ভাৰতৰ পূৰ্বাঞ্চলত চীন-তিব্বত মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন শাখা-প্ৰশাখাৰ মানুহ আহি বসবাস কৰিছে। অতি প্ৰাচীন কালত অষ্ট্ৰিক, নিগ্ৰো, দ্ৰাবিড় জাতীয় লোকৰ পিছতে এই অঞ্চললৈ আহিছে মন কৰে। তাৰ পিছত আহিছে ইন্দো-মঙ্গোলীয় ভাষা-ভাষীৰ মানুহ। তেওঁলোকৰ কোনো কোনো শাখা আৰ্যসকলে ভাৰতত প্ৰৱেশ কৰাৰ অলপ আগতে বা পিছতে নাইবা একে-সময়তেই ভাৰতত প্ৰৱেশ কৰিছে। আকৌ কোনো কোনো আহিছে আজিৰপৰা এহেজাৰ বছৰৰ আগতে। তেওঁলোকৰ কোনো কোনো শাখাই হিন্দুসকলৰ সংস্পৰ্শলৈ আহি উন্নত সংস্কৃতি আৰু জীৱন যাপনৰ উত্তৰাধিকাৰ লাভ কৰিছে। আকৌ কোনো কোনো শাখাই এতিয়াও আদিম অৱস্থাতে জীৱন যাপন কৰি আছে। এই কাৰণেই এই অঞ্চলক নৃতত্ত্বৰ 'বস্তুৰ 'জীৱন্ত যাদুঘৰ' বুলি উল্লেখ কৰা হয়।

অসম ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন গুৰুত্বপূৰ্ণ ৰাজ্য—যাৰ প্ৰাকৃতিক সৌন্দৰ্যই বিশ্বৰ মানুহক আকৃষ্ট কৰে। সামৰিক আৰু প্ৰশাসনিক কাৰণবশতঃ এই ৰাজ্যৰ গুৰুত্ব বিশেষ তাৎপৰ্যপূৰ্ণ। ই বহু জাতি, উপজাতিভুক্ত জাতি আৰু জন-জাতিৰ বসবাস। এওঁলোকৰ কৃষ্টি-সাংস্কৃতিক জীৱন আৰু ভাষা জাতীয় সংহতিৰ কাৰণে বিশেষ সহায়ক।

ৰাভা অসমৰ এটি বিশেষ জনজাতি। তেওঁলোকৰ কৃষ্টি সংস্কৃতি এতিয়াও বিশেষভাৱে অপৰিচিত। কেন্দ্ৰীয় চৰকাৰৰ পৰিচালনাধীনত **Anthropological Survey of India**ই ৰাভা জনজাতিৰ ওপৰত নৃ-তাত্ত্বিক গৱেষণা চলোৱাৰ এটি পৰিকল্পনা হাতত লৈছে, আৰু সেই অনুসৰি এই জনজাতিৰ ওপৰত সমীক্ষা আৰু গৱেষণাৰ কাম আৰম্ভ হৈছে।

বহুতৰ মতে বাভা জনজাতি বড়ো গোষ্ঠীৰ এটি ঠাল বিশেষ; কিন্তু এই বিষয়ে বহুতৰ মত-পাৰ্থক্যও আছে। পাতি, ৰংদানী, মায়তাৰি, কোঁচ, দাহুৰী, বিটলীয়া, টোটলা, হানা—এই আঠটা শাখাত বাভা জনজাতি বিভক্ত। তেওঁলোক অসম আৰু মেঘালয়ৰ সকলো জিলা আৰু পশ্চিমবঙ্গৰ কোঁচবেহাৰ, জলপাইগুৰি, বৰ্ধমান, পুৰুলীয়া, দিনাজপুৰ, মেদিনীপুৰ, ২৪-পৰগণা, কলিকতা আদি জিলাৰ বিভিন্ন ভৌগোলিক পৰিবেশত বসবাস কৰি আছে। বিশেষকৈ অসমৰ গোৱালপাৰা আৰু কামৰূপ জিলাতেই বাভা মানুহৰ সংখ্যা অধিক। বাংলাদেশৰ মৈমনসিং জিলাতো বাভা মানুহ আছে।

বাভাসকলৰ আদি বাসস্থান আৰু জাতিৰ নামকৰণ সম্বন্ধে তেনে কোনো ঐতিহাসিক সাক্ষ্য পোৱা নাযায়। তেওঁলোকে নিজকে 'ৰাবা' বুলিহে কয়, 'বাভা' নহয়। 'ৰাবা' শব্দটো অপভ্ৰংশিত হৈ 'বাভা' হৈছে। এতিয়াও নিজৰ ভাষা কোৱা মানুহে 'ৰাবা' বুলিহে কয়। এই বিষয়ে তেওঁলোকৰ প্ৰাচীন লৌকিক উপাখ্যান আছে। এই উপাখ্যানৰ যোগেদি তেওঁলোকে যে অতীজত তিব্বতৰ কোনো অঞ্চলত বসবাস কৰিছিল তাক অনুমান কৰিব পাৰি। ভাষা সংস্কৃতিৰ ক্ষেত্ৰতো হিমালয়ৰ শীৰ্ষদেশত থকা জাতিসমূহৰ লগত সামঞ্জস্য থকা দেখা যায়।

বাভাসকলৰ এই লৌকিক উপাখ্যান মতে—'বিচি-বায়' (বিচি দেৱতা) 'বাংকাবাঙ'ত (স্বৰ্গ) বাস কৰিছিল। তেৱেঁই গোনতে এই সুন্দৰ জগতখন সৃষ্টি কৰিছিল। তেওঁৰ আদেশমতেই 'টকমনত্ৰাই' 'পৃথিমী' পনক (পৃথিৱী) নিয়ন্ত্ৰণ কৰিছিল। সেই 'বিচি' দেৱতাই বেলেগ বেলেগ শাখত এই মানৱ জাতিটোক সৃষ্টি কৰিছিল। তাৰেই এটি শাখাত আছিল চাৰি ভাই-ককাই—কোচে, মেচে, লিপচু আৰু লিবু। তেওঁলোকক 'বিচি' দেৱতাই সপৰিয়ালে 'বাংকাবাঙ'ৰপৰা 'পৃথিমী'লৈ বসবাস কৰিবলৈ লৈ আহিছিল। সেই কাৰণে এই শাখাৰ নাম হয় 'ৰাবা'। বাভা ভাষাত 'ৰাবা' শব্দৰ অৰ্থ হৈছে 'অনা' বা 'লৈ অহা'। ইয়াত 'বাংকাবাং' শব্দটোৱে হিমালয়ৰ শীৰ্ষদেশত থকা তিব্বতীয় অঞ্চল আৰু 'পৃথিমী' শব্দটোৱে তাৰ দক্ষিণ দিশত অৱস্থিত দেশখন অৰ্থাৎ ভাৰতক বুজাইছে।

এই পৌৰাণিক লৌকিক উপাখ্যান অসম, মেঘালয় আৰু উত্তৰবঙ্গৰ জলপাইগুৰি আৰু কোঁচবেহাৰ জিলাত অধ্যুষিত বাভাসকলৰ মাজত এতিয়াও প্ৰচলিত আছে। স্মৰণাতীত কালৰেপৰাই বাভাসকলে এই 'বিচি' দেৱতাৰ পূজা কৰি আছে। এই 'বিচি' দেৱতাই বাভাসকলৰ প্ৰধান দেৱতা।

## শাৰীৰিক বৈশিষ্ট্য

ৰাভাসকল চুটি-চাপৰ আৰু হৃষ্টপুষ্ট মানুহ। মূৰৰ চুলি ঠৰঙা, চৌ খেলি যোৱা চুলিও দেখা যায়। দাড়ি-গোঁফ নিচেই তাকৰ। গাৰ বৰণ তাম বৰণীয়া। মুখখন বহল আৰু চেপেটা। নাক আৰু মুখ মধ্যমীয়া ধৰণে দীঘলীয়া।

## ধৰ্ম

ৰাভাসকলে সত্যকেই ধৰ্ম বুলি বিশ্বাস কৰে। তেওঁলোক শক্তি উপাসক। তেওঁলোকে জন্মান্তৰবাদ, অধ্যাত্মবাদ সৰ্বপ্ৰাণবাদ আৰু আত্মাবাদ স্বীকাৰ কৰে। তেওঁলোক সংগঠনশীল কিন্তু ৰক্ষণশীল। সেয়ে কোনো ধৰ্মীয় মতবাদে তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। অৱশ্যে ইয়াৰ আনুষংগিক কাৰণো নথকা নহয়। ব্যক্তিগত ভাবে প্ৰভাৱান্বিত হৈ ধৰ্মান্তৰ হোৱা কিছুমান মানুহ পুনঃ স্বধৰ্মলৈ ৰূপান্তৰ হোৱা দেখা যায়। তেওঁলোকে বলি-বিধানেৰে বিভিন্ন দেব-দেৱীৰ পূজা কৰে। তেওঁলোকৰ প্ৰধান গৃহদেৱী 'ৰণতাক' বা 'ৰণটুক'। এই দেৱী পৰিয়ালগত বা সামূহিক ৰূপত পূজিত হয়। এই দেৱীৰ পূজা ৰংদানী, মায়তাৰি আৰু কোচ শাখাত বৰ্তমান বিশেষকৈ কেন্দ্ৰীভূত। ৰংদানী আৰু মায়তাৰি শাখাৰ প্ৰধান অধিষ্ঠাত্ৰী দেৱী হৈছে — 'খোকচি' বা 'বায় খো'। ইয়াক সামূহিকভাৱে পূজা কৰা হয়। এই পূজা কৃষি কৰ্মৰ লগত জড়িত। পাতি আৰু দাহৰী শাখাই ইয়াক গৌণ দেৱী হিচাপেহে অন্যান্য দেব-দেৱীৰে সৈতে পূজা কৰে।

'খোকচি' বা 'বায়-খো' দেৱীৰ পূজা বৰ কঠোৰ নিয়ম-নীতি আৰু সংযমেৰে কৰিবলগীয়া হয়। সেয়ে ৰংদানী শাখাই ইয়াৰ পৰিৱৰ্তে 'হাচং' পূজাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। এই পূজা 'খোকচি' বা 'বায়-খো' পূজাৰ ৰূপত পৰিবেশন কৰিলেও নিয়ম-নীতিত বিশেষ কঠোৰতা নাই। সেয়ে 'হাচং' পূজাক 'খোকচি' বা 'বায়-খো' পূজাৰ নব সংস্কৰণ বুলিব পাৰি। তদ্ৰূপ পাতি শাখাই 'দাঙ্গা' আৰু 'মাৰৈ' বা 'মনসা' পূজাৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। তেওঁলোকে এতিয়াও বহুতো দেব-দেৱীৰ পূজা কৰে। দেৱ দেৱীৰ মূৰ্ত্তি নাই। কিছুমান দেব-দেৱীৰ থেৰৰ প্ৰতিকৃতিৰে প্ৰতীক কৰে। অধিক দেব-দেৱীৰ প্ৰতীক মাটিৰ চাপ, বৃক্ষ আৰু শিল।

জনবিশ্বাসৰ ওপৰত ভিত্তি কৰি এওঁলোকে বিভিন্ন ভূত-প্ৰেতৰ-পূজা কৰে। এইবোৰৰো প্ৰতীক থেৰৰ প্ৰতিকৃতি, মাটিৰ চাপ, বৃক্ষ আৰু শিল। তেওঁলোকৰ

বিশ্বাস যে ভূত-প্ৰেতাদিয়ে মানুহৰ বেমাৰ-আজাৰ আৰু সুখ-দুখৰ কাৰণ। সেয়ে, বলি-বিধানৰদ্বাৰা পূজা কৰি সিহঁতক সন্তুষ্ট ৰাখিলেই অভীষ্ট সিদ্ধ হয়। সিহঁত মানুহৰ যেনেকুৱা উপকাৰী আৰু হিতৈষী তেনেকুৱা হিংসাত্মক আৰু ঈৰ্ষাপৰায়ণো।

শিক্ষাৰ অগ্ৰগতি আৰু জ্ঞান উন্নয়ৰ লগে লগে বৰ্তমান ব্যক্তিগত বা সামাজিকভাৱে আঞ্চলিক ভেদে বহুতো ৰাভা মানুহে তেওঁলোকৰ প্ৰাচীন ধৰ্মীয় অন্ধবিশ্বাস, ৰীতি-নীতি, আচাৰ-বিচাৰ ক্ৰমে প্ৰত্যাহাৰ কৰি সংস্কাৰৰ পথেৰে আগবাঢ়িবলৈ ধৰিছে। বৰ্তমান ৰাভা মানুহে আঞ্চলিকভাৱে অন্যান্য সম্প্ৰদায়ৰ লগত সহায়-সহযোগিতাৰে দুৰ্গাপূজা, কালীপূজা, ৰাসপূজা, লক্ষ্মীপূজা, দৌলযাত্ৰা আদিৰ দৰে হিন্দুৰ ধৰ্মানুষ্ঠানবোৰত সক্ৰিয়ভাৱেই যোগদান কৰে।

### জীৱন চক্ৰ

জন্ম, বিবাহ, মৃত্যুয়েই ৰাভাসকলৰ জীৱন-চক্ৰ। তেওঁলোকে জন্ম-সংস্কাৰ মানে—এগৰাকী গৰ্ভৱতী তিৰোতাৰ সুখ-প্ৰসৱৰ বাবে সন্তান জন্মৰ এমাহৰ আগতে 'বায়-মা-বায়'ৰ পূজা কৰে; কিছুমানে 'ক্ষেত্ৰ' পূজা কৰে। সাধাৰণতঃ নাড়ী কটা দিনাখনেই সন্তানৰ নামকৰণ কৰা হয়। এনেহ কাল প্ৰসূতিয়ে বহুত কামৰ-পৰা বিৰত থাকে। বৰ্তমান গোষ্ঠীয় আৰু আঞ্চলিক প্ৰথানুযায়ী জন্মসংস্কাৰ আৰু নামকৰণ প্ৰথা বিভিন্ন। কিছুদিনৰ আগতে পুত্ৰ-সন্তানৰ জন্মৰপৰা মৃত্যুলৈকে 'টিকি' চুলি ৰখাৰ প্ৰথা আছিল। বৰ্তমান এই প্ৰথা নাই। চূড়া-কৰণৰ প্ৰথা আছে যদিও বাধ্যতামূলক নহয়। বৰ্তমান জন্মৰ পিছত পুত্ৰ-সন্তান জীয়াই নথকা মাক-বাপেকেহে, পুত্ৰ-সন্তানৰ চূড়াকৰণ অনুষ্ঠান পাতে। কিছুমান সচ্ছল অৱস্থাৰ মানুহেও পুত্ৰ সন্তানৰ ভৱিষ্যত মঙ্গল কামনা কৰি এই অনুষ্ঠান পাতে। চূড়াকৰণত ক্ষৌৰ-কৰ্ম কৰা নিজৰ মোমায়েকৰহে অধিকাৰ। আগতে অন্নপ্ৰাশনৰ ব্যৱস্থা নাছিল। বৰ্তমান শিক্ষিত ৰাভা মানুহে সন্তানৰ অন্নপ্ৰাশনৰ অনুষ্ঠান অনুষ্ঠিত কৰে।

একপত্নী বিবাহ ৰাভা সমাজত স্বীকৃত। বহুপত্নী বিবাহ প্ৰথা আছে যদিও ই ক্ৰমে নাইকিয়া হৈছে। বহুস্বামী বিবাহ আৰু সমৃতীয়া বিবাহ প্ৰথা নাই। আগতে যুৱ বিবাহৰ প্ৰথা আছিল যদিও বিভিন্ন স্বামী-স্ত্ৰী হিচাপেহে সমাজে স্বীকৃতি দিছিল। 'নিম্ন লেভিৰেট' প্ৰথা আছে, কিন্তু 'উচ্চ লেভিৰেট' প্ৰথা নাই। তদ্ৰূপ—'নিম্ন ছৰোৰেট' প্ৰথা আছে যদিও 'উচ্চ ছৰোৰেট' প্ৰথা একেবাৰেই

নিষিদ্ধ। 'ৰুহ কাজিন মেৰেইজ' প্ৰথা আছে, কিন্তু মাকৰ ভায়েক বা ককায়েকৰ জীয়েকক মাথোন বিয়া কৰাব পাৰে। ভাৰতৰ বহু জনজাতিৰ এই বিবাহ প্ৰথাৰ লগত ৰাভাসকলৰ প্ৰথা মিলে। এই প্ৰথা বৈদিক কালৰেপৰাই চলি আহিছে; এনেকি স্বয়ং গৌতম বুদ্ধয়ো মোমায়েকৰ জীয়েকক বিয়া কৰাইছিল।[১] বৰ্ত্তমান ৰাভা সমাজত এই বিবাহ প্ৰথা ক্ৰমে শিথিল হৈ আহিছে। 'পেৰেলেল কাজিন মেৰেইজ' এতিয়াও সমাজ-স্বীকৃত। বৰুণা বা বিধবা বিবাহ প্ৰথা আছে। সাধাৰণতঃ ৰাভা-বিবাহ দৰাৰ ঘৰত সমাপন কৰা হয়। বিবাহৰ ৰেগীত কন্যাক দৰাৰ গোঁসালে বহওৱা হয়। বৰ্ত্তমানে কন্যাৰ ঘৰতো বিবাহ সমাপন হয়। ব্ৰাহ্মণ পুৰোহিতৰদ্বাৰা হোম-যজ্ঞ কৰিও বিবাহ অনুষ্ঠান সমাপন কৰাৰ প্ৰচলন হৈছে। বিবাহৰ দিনা মাছ-মঙহেৰে ৰাইজক ভোজ দিয়া হয়। কোনো কোনো আঞ্চলিক ৰাভা সমাজত বিবাহৰ দিনা জীৱ হত্যা কৰা নহয়, কিয়নো তেওঁলোকে ভাবে যে বিবাহৰ দিনা জীৱ হত্যা কৰা মহাপাপ। সেয়ে, সেইদিনা সমাজে নিৰামিষ ভোজন কৰে। ইচ্ছা কৰিলে গৃহস্থই পৰৱৰ্ত্তী আমিষ ভোজ দিব পাৰে, তাত সমাজৰ কোনো দাবী নাই। কিন্তু শ্ৰাদ্ধত আমিষ ভোজ বাধ্যতামূলক। বিবাহত মদৰ ব্যৱহাৰ ক্ৰমে কমি আহিছে। কোনো কোনো আঞ্চলিক সমাজে বিয়া-বাৰু, শ্ৰাদ্ধাদি অনুষ্ঠানত মদ একেবাৰেই উঠাই দিছে। ৰংদানী, মায়তৰি, কোচ, দাহৰী শাখাই নৃত্য-গীত বাদ্যেৰে বিবাহ-বাসৰ মুখৰিত কৰে। পাতি, বিটলীয়া, টোটলা, হানা শাখাৰ বিবাহত আয়তীসকলে গীত গায়, ঢুলীয়াই ঢোল বজায়। অন্যান্য শাখাতো কম-বেছি পৰিমাণে ইয়াক পৰিবেশন কৰা দেখা যায়।

ৰাভাসকলে স্বাভাৱিক মৃত্যুৰ শটোক পুৰি পেলায় নাইবা পুতি থয়। সংক্ৰামক ৰোগত মৰা, বাঘৰ আক্ৰমণত মৰা, পানীত ডুবি মৰা, ফাঁচি দি মৰা মানুহৰ শটোক হুপুৰি পুতি থয়। ৰংদানী আৰু মায়তৰি শাখাই শ্মশানত শৱদাহন বা পুতি থোৱা ঠাইৰ ওপৰত এটি সৰু ঘেৰী ঘৰ সাজি তাৰ চাৰিওকোণে চাৰিডাল খুটি পুতি বিচিত্ৰ ৰঙৰ কাপোৰৰ নিচান আৰি থয়। আদ্যশ্ৰাদ্ধ নোহোৱালৈকে সেই ঘৰটোত গৃহস্থই ঘৰৰ মানুহবিলাকে আহাৰ গ্ৰহণ কৰাৰ আগতে পুৱা-গধূলি দৈনিক আহাৰ অৰ্পণ কৰি থাকে। তেওঁলোকৰ বিশ্বাস যে আদ্যশ্ৰাদ্ধ নোহোৱালৈকে মৃতকৰ আত্মাই তাতেই প্ৰেতৰূপে অৱস্থান কৰি থাকে।

পূৰ্ব্বতে পূৰ্ণ এমাহৰ অন্তত আদ্যশ্ৰাদ্ধ কৰা হৈছিল। বৰ্ত্তমান আঠ-দহ বা বাৰ-তেৰ দিনৰ অন্তত আদ্যশ্ৰাদ্ধৰ কাম সমাপন কৰা হয়। এই কালছোৱাত

গৃহস্থৰ মানুহবিলাকে চুলি কটা, দাড়ি-গোঁফ খুৰোৱা, কৃষি-কৰ্ম কৰা, দেৱ-দেৱীৰ মন্দিৰত প্ৰবেশ কৰা, মাঙ্গলিক অনুষ্ঠানত যোগদান কৰা, তেল-সেন্দুৰ লেপন কৰা, খাৰ-টেঙা খোৱা, আমিষ ভোজন কৰা আদি কামবোৰ্‌ৰপৰা সততে বিৰত থাকে। শ্ৰাদ্ধ কেবা প্ৰকাৰৰ আছে; যেনে—বেংগ্ৰেবাবাম, বাজুংভুঙা, সাতাপাক, মাছ ছোৱানী, কাককাত্তি, ভাংকাজি আদি। বংদানী ৰাভাসকলৰ কাককাত্তি আৰু পাহৰী ৰাভাসকলৰ ভাংকাজি বা ভৰা নামক শ্ৰাদ্ধ সৰাতোকৈ ডাঙৰ আৰু খৰচবহুল। এই শ্ৰাদ্ধবোৰ কৰিব লাগিলে সাত দিন সাত ৰাতি ধৰি মৃতকৰ আত্মাক মদ-ভাত-মাংসৰে তৰ্পণ কৰিব লাগে আৰু তদ্ৰূপ নিমন্ত্ৰিত ৰাইজকো ভোজ দিব লাগে। চোতালৰ সোমাজতে মৃতকৰ নামৰ 'গাছি' (বেদী) স্থাপন কৰা হয়। তৎপৰ পিছত পোনতে 'মাহাৰীৰ' (এক গোত্ৰধাৰী) মহিলাসকলে প্ৰাচীন ঢাল-তৰোৱাল হাতত লৈ, বুকুত 'বুকুনী' (এবিধ কাপোৰ বান্ধি 'গাঠিৰ' চাৰিওফালে মৃতকক সুঁৱৰি কান্দি কান্দি নৃত্য-গীত কৰে। তাৰ পিছতকৈ একে গোত্ৰধাৰী পুৰুষৰ দলে নৃত্য-গীত কৰে। ক্ৰমে উপস্থিত ৰাইজৰপৰা দলে দলে পুৰুষ-মহিলাৰ দলে নৃত্য-গীতত যোগেদি মৃতকৰ আত্মাৰ সদগতি কামনা কৰে। এই গীতবোৰৰ যোগেদি মৃতকক পুনঃ একে গোত্ৰতে মানুহৰূপে জন্ম দিয়াবলৈ ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰা হয়। নিমন্ত্ৰিত মানুহবিলাকে হাতে তৈয়াৰী কাঠ-বাঁহৰ মাছৰোকা, কপৌ, সাপ, বাদিদিকা (চৰাই), কাউৰী, বান্দৰ, ভালুক, আদিৰ কৌশলপূৰ্ণ প্ৰতিকৃতিৰে নৃত্য-গীত-বাদ্য পৰিবেশন কৰি জাতীয় শিল্প-কলাৰ প্ৰতিযোগিতা কৰে। সেইকেইদিন মৃতকৰ গৃহ-প্ৰাঙ্গণ মুখৰিত হৈ উঠে।

শ্ৰাদ্ধৰ বিধি-ব্যৱস্থাও অঞ্চল আৰু শাখা হিচাপে বিভিন্ন। সাধাৰণতঃ ৰাভাসকলে 'দহা'ৰ কাম নকৰে। কোনো কোনোৱে হিন্দু ধৰ্মীয় সমাজ-নীতিৰেই আদ্যশ্ৰাদ্ধ, দহা আদিৰ কাম সমাপন কৰে। কিছুমানে পিতৃ-মাতৃৰ অস্থি ৰক্ষা কৰি গয়া, কাশী আদি তীৰ্থস্থানলৈ গৈ পিণ্ডদান কৰে।

## সমাজবিধি

ৰাভাসকলৰ দুশতকৈ অধিক বাবায়/হাচুগ (গোত্ৰ) আৰু পঞ্চাশতকৈ অধিক হৰ/সাক (গোত্ৰৰ গোট) আছে। দুই বা ততোধিক বাবায়/হাচুগ লগ লাগি একো একোটা হৰ/সাক গঠিত। একে বাবায়/হাচুগ বা হৰ/সাকৰ মাজত বিবাহ নিষিদ্ধ। চুৰচুং, হাটো, কংচুং—এইবোৰ একো একোটা বাবায়/হাচুগ; আৰু

এইবোৰৰ সমষ্টিটোৱে এটা হৰ/সোক। বাৰায়/হোম্‌গবোৰ মাতৃতান্ত্ৰিক। মাকৰ মাৰায়/হোম্‌গহে ল'ৰা-ছোৱালীবিলাকে গ্ৰহণ কৰে।

ৰাভাসকলৰ 'মাহাৰী' প্ৰথাৰ বিশেষত্ব আছে। কোনো ৰাৰায়/হোম্‌গৰ মহিলা সম্প্ৰদায়েই হৈছে 'বাৰায়-মাহাৰী'। কোনো ৰৰলা বা পিন্নাই পুনৰ আন ঘৈণীয়েক বা গিৰীয়েক গ্ৰহণ কৰিব খুজিলে বিধিগতভাৱে বাৰায়-মাহাৰীৰপৰা অনুমতি ল'ব লাগে। অন্যথায় দণ্ডনীয় হ'ব লাগে। বাৰায়-মাহাৰীয়ে অনুমতি দিয়াকে 'খৌম' বা 'খেম' বোলা হয়। টোটলা আৰু চানা শাখাৰ মাজত এই প্ৰথা লুপ্ত হৈছে। পাতি আৰু বিটলীয়া শাখাতো এই প্ৰথা প্ৰায় শিথিল হৈ আহিছে।

ৰাভাসকলৰ মাজত বিচ্ছেদ প্ৰথা আছে। যুগ্ম জীৱনত পতি-পত্নীৰ মনোমালিন্য হ'লে সঙ্গত কাৰণ দৰ্শাই সমাজবিধি মতে বিচ্ছেদ হ'ব পাৰে। ইচ্ছাকৃতভাৱে একপক্ষীয় বিচ্ছেদ হ'বলৈ হ'লে প্ৰস্তাৱকে (পতি বা পত্নী) দণ্ড আৰু মানৰী দিব লাগে। কোনো কোনোৱে সমাজ বিধিমতে নহৈ আজীৱন বিচ্ছেদ হৈ থাকে। এনেক্ষেত্ৰত পত্নীৰ পুত্ৰ সন্তানে পিতৃ-সম্পত্তিৰ অধিকাৰ প্ৰাপ্ত হৈ থাকে।

সন্তান বা নিঃসন্তান দম্পতীয়ে কোনো সন্তানক পোহনীয়া কৰি ল'ব পাৰে। ইয়াকে 'পোষ্য' প্ৰথা বোলা হয়। এই প্ৰথা সমাজ স্বীকৃত। এই 'পোষ্য' সন্তানে এই দম্পতীৰ স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ সম্পূৰ্ণ নহ'লেও আংশিক অধিকাৰ প্ৰাপ্ত হয়। কোনো ক্ষেত্ৰত সম্পূৰ্ণ অধিকাৰীও হ'ব পাৰে, যদিহে সেই দম্পতীৰ কোনো পুত্ৰ-সন্তান নাথাকে নাইবা কোনো ওৱাৰিশ নাথাকে। ওৱাৰিশৰ আপত্তি নাথাকিলেও অধিকাৰ প্ৰাপ্ত হ'ব পাৰে

'পোষ্য' প্ৰথাৰ দৰে আন এটি আছে 'দায়' প্ৰথা। এই প্ৰথা অনুযায়ী কোনো মানুহে কোনো মানুহক পিতৃ-মাতৃ বা ককায়েক-বায়েক হিচাপে গ্ৰহণ কৰিব পাৰে। এই প্ৰথাত সম্পত্তিৰ বিশেষ অধিকাৰ নাথাকে। ইচ্ছা কৰিলে দানসূত্ৰে সম্পত্তি বা ভূমি প্ৰত্যাৰ্পণ হস্তান্তৰ হ'ব পাৰে। ৰাভাসকলৰ বিশ্বাস—যি সকলত দায় প্ৰথা গ্ৰহণ কৰা হয়, পৰজন্মত সেই সম্বন্ধ ৰক্ষিত হয়।

## ঘৰুৱা জীৱন

অতীজতে ৰাভাসকলৰ ঘৰবোৰ আছিল খিৰিকীবিহীন, সমান আৰু সমান্তৰাল। দোমাজতে আছিল দীঘল আৰু বহল চোতাল। ঘৰবোৰ আছিল

পশ্চতৰ হাত দীঘল, পচিছ হাত বহল। এটা পৰিয়ালৰ এটা মাথোন ঘৰ আছিল। তাতেই আছিল বিভিন্ন কোঠা। পোহনীয়া গৰু-ম'হৰ ঘৰ বেলেগ আছিল। মায়ঙাৰি শাখাৰ মাজত এতিয়াও এনে ধৰণৰ ঘৰ দেখিবলৈ পোৱা যায়। শিক্ষা আৰু সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে ৰাভাসকলে বৰ্তমানে আধুনিক ধৰণৰ ঘৰ সাজিবলৈ ধৰিছে।

কৃষিয়েই হৈছে তেওঁলোকৰ প্ৰধান জীৱিকা। কৃষি কামৰ বাহিৰে জীৱিকাৰ আন পথ নাই। কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে পৰিয়াল অনুপাতে যথেষ্ট মাটি নাই। শিক্ষা আৰু জ্ঞান উন্নয়ৰ ক্ষেত্ৰত ৰাভাসকল অতিকৈ পিছপৰা। সেয়ে, বুদ্ধিজীৱী মানুহে শোষণ কৰি তেওঁলোকক অৰ্থনীতিক্ষেত্ৰত জুৰুলা কৰা দেখা যায়। শিক্ষাৰ অভাৱ হেতুকে তেওঁলোকে কোনো ব্যৱসায় বা শিল্প কামত আত্মনিয়োগ কৰি অৰ্থ উপাৰ্জনৰ পথ সুগম কৰি ল'ব পৰা নাই। আনহাতে, আধুনিক বিলাসিতাৰ প্ৰভাৱত পৰিও তেওঁলোকক অৰ্থনৈতিক সংকটত পৰা দেখা যায়। পৰিয়াল সমস্যাকো অৰ্থনীতিৰ সমস্যাৰ অন্যতম কাৰণ নহয় বুলি ক'ব নোৱাৰি।

তেওঁলোকৰ প্ৰধান খাদ্য ভাত। ঘৰতে পোহা গাহৰি, ছাগলী, কুকুৰা, হাঁহ, পাৰ আদিৰ মঙহ তেওঁলোকে খায়; কিন্তু এইবোৰ পোহা কাম এতিয়াও অৰ্থ-নৈতিক সমস্যা সমাধানৰ দৃষ্টিভঙ্গীত গ্ৰহণ কৰিব পৰা নাই। নিজে খেতি কৰি বিবিধ শাক-পাচলিৰ আঞ্জা তেওঁলোকে খায়; শুকান মাছৰ বাবা সুগন্ধি মছলা মিশ্ৰিত কৰি 'চিদল' তৈয়াৰ কৰিও খায়—এই 'চিদল' তেওঁলোকৰ বৰ আকৰ্ষণীয়। পূৰ্বতে গাখীৰৰ ব্যৱহাৰ নাছিল যদিও এতিয়া ইয়াৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। মদৰ প্ৰতি তেওঁলোকৰ বৰ আকৰ্ষণ আছিল; বৰ্তমানে কমি আহিছে। মদ অবিহনে ৰাভাসকলৰ কোনো প্ৰাচীন দেৱ-দেৱীৰ পূজা নহয়। তেওঁলোকে পৰম্পৰাগত-ভাবেই মদ আৰু ফটিকা প্ৰস্তুত কৰিব জানে।

অতীজৰেপৰাই ৰাভা মহিলাই ধুনীয়া চানেকিৰ বিচিত্ৰ ফুলাম কাপোৰ বৈ আহিছে। বয়ন শিল্পৰ প্ৰতি তেওঁলোকৰ প্ৰবল অনুৰাগ আৰু পাৰদৰ্শিতাৰ পৰিচয় পোৱা যায়। বৰ্তমানো এৰী পলু পুহি তাৰ লেটাৰপৰা সূতা কাটি তেওঁলোকে কাপোৰ বয়। আকণিক পৰ্যায়ত মুগা পলুও পোহে। ৰাভা মহিলাই গছ-গছনিৰ ছাল, পাত, শিপা আদিৰে সূতাৰ ৰং কৰা প্ৰণালী জানে। এতিয়াও ৰংদানী, মায়ঙাৰি আৰু কোচ শাখাৰ ৰাভা মহিলাই তাঁতশালত 'কাবৃচিপ্ৰাক'

ৰাখি বিচিত্ৰ ফুলাম কাপোৰ বয়। এই শাখাবোৰৰ বুঢ়ী তিৰোতাসকলে এতিয়াও তেওঁলোকৰ প্ৰাচীন সাজ-পাৰ পিন্ধে। তেওঁলোকে কঁকালত পিন্ধে বিকান/কম্বুন, বুকুত মেখিয়ায় কাম্বুং/খাবাং আৰু মূৰত লয় 'খুচমাকাং' কাপোৰ। এইবোৰ প্ৰাচীন সাজ-পাৰৰ ব্যৱহাৰ ক্ৰমে কমি আহিছে। পূজা-পাৰ্বণৰ সময়ত ৰাভা মহিলাই আধুনিক সাজ-পাৰ পিন্ধে। বৰন বিভাগত অংশীত অবিবাহিতা গাভৰু বিবাহৰ কন্যাৰূপে অনুপযুক্তা হয়। ৰংদানী, মায়তাৰি আৰু কোচ শাখাৰ ৰাভা মহিলাই পৰিয়ালৰ বছৰেকৰ খৰি যোগান ধৰে। সেয়ে, তেওঁলোকে হাবিলৈ খৰি কাটিবলৈ যায়। ঘৰত খৰি জমা কৰি ৰাখিব নোৱাৰা অবিবাহিতা ৰাভা গাভৰুও বিবাহৰ কন্যাৰূপে অনুপযুক্তা হয়।

ৰাভা মহিলা অলঙ্কাৰপ্ৰিয়। অলঙ্কাৰ পিন্ধা আৰু কপালত সেন্দুৰৰ ফোঁট লোৱা বিধবা তিৰোতাৰ নিষিদ্ধ। প্ৰাচীন অলঙ্কাৰৰ পৰিবৰ্তে বৰ্তমান আধুনিক অলঙ্কাৰ-পাতিলৈ তেওঁলোক আকৰ্ষিত হৈছে। তেওঁলোকৰ প্ৰাচীন অলঙ্কাৰ— নামত্ৰি, নাগছুকুম, নাকপাতি, স্তান, বলি, টাকা, বাজু, ঝিঝিৰি, মুকিয়া, হাৰ-গুলাই, মাথাৰ চিংচাপ, কৰক, বাউটি, চোঁছিতায় আদিয়ে প্ৰধান। এইবোৰ সোণ আৰু ৰূপৰ। ৰাভা মাস্তাইহে এইবোৰ তৈয়াৰ কৰে।

## চিকাৰ

ৰাভাসকল বৰ চিকাৰপ্ৰিয়। তেওঁলোকে চাৰিত বনৰীয়া গাহৰি, পহু, শহা আদি জাল পাতি চিকাৰ কৰে। জালবোৰ কেইবা প্ৰকাৰৰ। তেওঁলোকে নিজে জাল তৈয়াৰ কৰে। পাতি ৰাভাসকলে সামূহিকভাৱে খাপৰ, খোং-খাটিৰে বহল-দীঘল জাল পাতি বাঘ চিকাৰ কৰে। স্বাধীনতাৰ পিছত বনাঞ্চল কমি অহাৰ লগে লগে বাঘো নাইকিয়া হ'ল, চিকাৰৰ কামো বন্ধ পৰিল। ৰংদানী, মায়তাৰি ৰাভাৰ মহিলা-সকলো চিকাৰপ্ৰিয়। তেওঁলোকে পুৰুষসকলৰে সৈতে হাবিলৈ পহু, গাহৰি, শহা চিকাৰ কৰিবলৈ এতিয়াও যায়। চিকাৰ অৱেৰী আৰু গৰ্ভৱতী তিৰোতাই চিকাৰৰ ভাগ পায়। বাণ কাম পাতি তেওঁলোকে জীৱিত বাঘ ধৰে; বাতি জুলাৰ ওপৰত চাকি জলাই, খুঁটি বনাই শহাপহুৰ চিকাৰ কৰে; নিজ হাতেৰে তৈয়াৰী বিভিন্ন ফান্দেৰে চৰাই-চিৰিকতিবো চিকাৰ কৰে। বিভিন্ন জাল তৈয়াৰ কৰি নৈ-বিল আদিত মাছৰ চিকাৰ কৰে। মাছ ধৰাৰ বিভিন্ন কৌশল তেওঁলোকে জানে।

**বাদ্যযন্ত্ৰ**

বাদ্যযন্ত্ৰত ৰাভা জনজাতি অতি চহকী। গোতৰবিধ বাদ্যযন্ত্ৰ তেওঁলোকৰ আছে। এইবোৰ বাদ্যযন্ত্ৰক ভাৰতীয় শাস্ত্ৰসন্মতভাৱে চাৰিভাগত ভাগ কৰিব পাৰি; যেনে—(১) অৱনদ্ধ বাদ্য—খাম, ঢোল, ভাৰ্চা; (২) ঘনবাদ্য—দামদী; (৩) সুষিৰ বাদ্য—শিঙা, মুখব্ৰাংচি, কাৰা, ঝাপকাৰা, ত্ৰিস্বৰ বাঁহী, সপ্তস্বৰ বাঁহী, পাথৰ বাঁহী, গুণ্ডমেল, গংগ্ৰেং, বুবুৰিঙা, চানাই, (৪) ততবাদ্য—বাদ্ভুং-ভুপ্পা, গমনা। ইয়াৰ ভিতৰত 'কাৰা' বাঁহী নল বাঁহেৰে তৈয়াৰী ছয়-সাত ফুট দীঘল। স্বৰ সংযোজনাৰ বাবে এটিও বিন্ধা নাই। মাথোন বাঁহডালৰ আগমূৰত 'ফুঁ' দিব পৰা এটা বিন্ধা থাকে আৰু আন মূৰত স্বৰৰ গভীৰতা ৰক্ষাৰ বাবে খাপ খোৱাকৈ এটা ডাঙৰ বাঁহৰ চুঙা লগোৱা থাকে। ই ৰাভাৰ এবিধ বাদ্যযন্ত্ৰ, বিশেষ উল্লেখযোগ্য আৰু বৈশিষ্ট্যপূৰ্ণ। এনে ধৰণৰ বাদ্যযন্ত্ৰ ভাৰতৰ আন কোনো জাতি, উপজাতি বা জনজাতিৰ মাজত ব্যৱহৃত নহয়। বৰ্তমান জনপ্ৰিয় 'চিফুং' বাঁহী ইয়াৰ লগত তুলনীয় হ'ব নোৱাৰে। এই বাদ্যযন্ত্ৰৰ স্বৰ, তাল আৰু বাদ্যকৌশল যথেষ্ট জটিল আৰু আয়ত্ব কৰা বৰ কষ্টসাধ্য।

**অস্ত্ৰশস্ত্ৰ**

ৰাভা মানুহৰ ঘৰে ঘৰে বৰ্তমানো তেওঁলোকৰ প্ৰাচীন অস্ত্ৰ-শস্ত্ৰ সংৰক্ষিত হৈ আছে। ই ছৈধাবিধ; যেনে—খুছুংখাপাক, তৰাল, খাপাৰ ফিকচ্ছাৰী, ভোং-হুড়া (বন্দুক), যোৰা-বাই ডুমক, যোৰা ফিক্তিমুক, বোল-বোলাপ, চাৰ্ডি শেল, মেওখাৰ, হাগো, তোৰজাপ, শুৰখাং, শুগ। এই প্ৰাচীন অস্ত্ৰবোৰেই প্ৰমাণ কৰে যে তেওঁলোক এসময়ত বীৰ জাতি আছিল।

কাশী ৰজাৰ লগত যুদ্ধ কৰাৰ সময়ত ৰাভা ৰজা 'দদানে' তেওঁৰ ভাগিনীয়েক 'দাইকো (সেনাপতি মাৰুক্ষেত্ৰীৰ পত্নী) আদেশ দিছিল—'Proceed with your husband Marukshetri, taking bows and arrows in your hands and with great valour fall upon the enemy as speedily as kites". ৰজাৰ আদেশমতে দদায়েও বাহিনী সহায় কৰিবলৈ যুদ্ধক্ষেত্ৰলৈ গৈছিল। মাৰুক্ষেত্ৰীয়েও ৰজাৰ আদেশমতে সশস্ত্ৰ সৈন্যবাহিনীক প্ৰস্তুত কৰি দিছিল—"Took his bow, shield, sword and arrows in his hands and proceeded to the valley of Sipansila where he met the enemy. He took aim at Kashi Raja".

(Friend Pereira, J. E., : The Rabhas in Census of Assam, 1911, vol. III, part V, pp. 132—145)

সেইহে J E. Friend pereiraই মন্তব্য দি গৈছে —

From the old swords and rhinoceros hide shieds in the possession of some families, it would appear the Rabhas were at some former time a martial race and in'ulged in warfare "

তদুপৰি সপ্তদশ শতিকাৰ দ্বিতীয় দশকত মোগল ফৌজদাৰ মির্জা নাথানৰ লগত 'সাম্ভোৰ'ৰ বাভা বজা বীৰ 'শত্ৰুবাম' প্ৰমুখ্যে বাভা বীৰসকলে কৰা যুদ্ধৰ ঐতিহাসিকতাই বাভাসকল বীৰ জাতি বুলি প্ৰমাণ দিয়ে। যেতিয়া মির্জা নাথানে শত্ৰুবামৰ সাম্ভোৰ দুৰ্গ আক্ৰমণ কৰিছিল, তেতিয়া শত্ৰুবামৰ সৈন্যবোৰে মির্জা নাথানৰ সৈন্যবাহিনীৰ ওপৰত বৃষ্টিপাতৰ দৰে মাৰণাস্ত্ৰ বৰ্ষণ কৰিছিল।

"Volleys of arrows, guns, cannons, misslies and ballistas were showered from the fort.

(Bahāristān-I Ghaybi, vol. II, p. 507).

অতীজতে বাভাসকলে এই অস্ত্ৰ-শস্ত্ৰবোৰ নিজেই তৈয়াৰ কৰিবলৈ জানিছিল। ধনুৰ কাঁড় আৰু জোঙা শৰবোৰ বিহ সানি তৈয়াৰ কৰিছিল; বিষাক্ত জীৱ সৰ্পবোৰ কেনেকৈ বিহ উলিয়াই সেই বিহৰ কেনেকৈ অস্ত্ৰবোৰ বিষাক্ত কৰি তৈয়াৰ কৰিব লাগে এই প্ৰক্ৰিয়া জানিছিল। এতিয়াও এই প্ৰক্ৰিয়া জনা মানুহ বাভা জাতিৰ মাজত আছে। বন্দুক, কামান, বাৰুদো তেওঁলোকে তৈয়াৰ কৰিব জানিছিল।

একো একোজন বীৰৰ নাম আৰু কোন বীৰে কোন যুদ্ধত কোনবিধ অস্ত্ৰ ধৰি শত্ৰু-সৈন্য বিনাশ কৰিছিল তাৰ সুন্দৰ বৰ্ণনা বাভাৰ সাধুকথা আৰু কাহিনী-গীতবোৰত যথেষ্ট পোৱা যায়। প্ৰাচীন বাভা জাতিৰ তিৰোতাসকলো বীৰাঙ্গনা নাৰী হিচাপে পৰিচিত। ৰণক্ষেত্ৰত শত্ৰু-সৈন্যৰ লগত যুদ্ধ কৰোঁতে পুৰুষৰ লগত নাৰীয়েও প্ৰধান অংশ গ্ৰহণ কৰাৰ উদাহৰণ বাভাৰ প্ৰাচীন বীৰ গাথাবোৰত যথেষ্ট পোৱা যায়।

## ভাষা

বাভা জাতিৰ ভাষা সম্বন্ধে বহল আলোচনাৰ প্ৰয়োজন। চমুকৈ ক'বলৈ হ'লে, বাভাসকলৰ কথিত ভাষা 'তিব্বত-চৈনিক' ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত বুলি বিশ্বাস। বিশেষকৈ তিব্বত-চৈনিক বৃহৎ ভাষা গোষ্ঠীৰ অন্তৰ্গত 'তিব্বত-ব্ৰহ্ম' ভাষাৰ লগত সাদৃশ্য লক্ষ্য কৰা যায়।

বৰ্তমান বাভাৰ ৰংদানী, মায়তাৰি আৰু কোঁচ শাখাই মাত্ৰ নিজস্ব ভাষাত কথা-বতৰা কয়। বাকীবোৰ শাখাই আঞ্চলিক কথিত ভাষা ব্যৱহাৰ কৰে। বাভাসকলৰ বৰ্তমান প্ৰচলিত নিজস্ব ভাষা আৰু আঞ্চলিক কথিত ভাষাবোৰত একাধাৰে সংস্কৃত তৎসম, তদ্ভৱ, বঙলা আৰু অসমীয়া ভাষাৰ শব্দৰ অপভ্ৰংশ লক্ষ্য কৰা যায়। যিহেতু অসমৰ বিভিন্ন অঞ্চলত লক্ষাধিক বাভাৰ বসবাস, সিহেতুকে স্বভাৱত মুঠ বাভা জনসংখ্যাৰ অধিকাংশৰ কথিত বাভা ভাষা অসমীয়া মিশ্ৰিত। তদ্ৰূপ কোঁচবেহাৰ আৰু জলপাইগুৰি জিলাৰ বাভাসকলে প্ৰায় নিজস্ব ভাষাতেই কথা-বতৰা কয় যদিও এই ভাষাত কিছু পৰিমাণে সংস্কৃত তৎসম, তদ্ভৱ আৰু বঙলা শব্দৰ অপভ্ৰংশ দেখা যায়।

বাভা ভাষা-সাহিত্য উপজাতীয় ভাষা-সাহিত্যৰ মাজত বিশেষ উল্লেখনীয় নহ'লেও তেওঁলোকৰ লোক-গীতি আৰু গাঁথাৰ মাজত প্ৰচুৰ উচ্চ ভাব বৰ্তমান।

## লোক-গীত

বাভাসকলৰ লোক গীত অতি সমৃদ্ধিশালী। খোকচি পূজাৰ গীত, দায়-দায়চুৰ গীত, বন্দন-চন্দনৰ গীত, নলুৱা-চলুৱাৰ গীত, নিৰমণি-নিৰ তুৰিৰ গীত, ফাৰকাঙিৰ-গীত, ভৰাংকাজিৰ গীত, বিয়কৰমৰ গীত, আলিকৰনৰ গীত অগ্নি-পূজাৰ গীত, বাৰমাহী গীত বহুৰ'ঙী গীত, টুকুৰীয়া গীত, কাতিপূজাৰ গীত, লাগৰ গীত, মাৰাই গীত, বাঁশ পূজাৰ গীত, জাৰি থোঁবাৰ গীত, সাথাৰ গীত (প্ৰণয়মূলক) আদি বহুতো উল্লেখযোগ্য গীত আছে। এই গীতবোৰৰ অধিক সংখ্যকেই পাশ্চাত্য 'বেলাড্' শ্ৰেণীৰ তুল্য।

## লোক-সাধু

বাভাসকলৰ লোক-সাধুও সমৃদ্ধিশালী। মবা চৰাইৰ জন্ম-কাহিনী, কুমাৰ-চুঙৰ কাহিনী, সতী ছ্যমৰুচিৰ কাহিনী, মদান-মাৰুকেত্ৰীৰ কাহিনী, খোলে-নেচেৰ কাহিনী, বিয়কৰম-আলিকৰনৰ কাহিনী, বাইখো পূজাৰ কাহিনী, নিৰ্মানি-নিৰনিৰ

কাহিনী, হান্দাৰচিঙ্গিয়াৰিৰ কাহিনী, ভত্ৰায়-ৰাজু-ৰঙ্গদেৱৰ কাহিনী আদি বহুতো পৰম্পৰাগত মৌখিক লোক-সাধু হিচাপে চলি আহিছে। ৰাভাৰ লোক-সাধুবোৰৰ বিশেষত্ব এয়ে যে প্ৰত্যেক সাধুৰ অন্তৰ্ভুক্ত চৰিত্ৰবিলাকৰ নাম আৰু বিষয়বস্তুৰ আধাৰ হৈছে জাতীয় কৃষ্টি। তদুপৰি দুই বা ততোধিক সাধুকথাৰ কাহিনী-বিন্যাসৰ ধাৰাবাহিকতাও আছে। ৰাভাৰ বয়োবৃদ্ধসকলে কয় যে কয়েও তিনি দিন তিনি ৰাতিলৈকে একেলানিয়ে কৈ থাকিলেও ৰাভা-সাধুৰ ধাৰাবাহিক কাহিনীৰ অন্ত নপৰে। এইবোৰ বৈজ্ঞানিক গৱেষণাৰ বস্তু হৈ আছে।

বাস্তৱতঃ ৰাভাসকলৰ সাংস্কৃতিক জীৱন অতীৱ বৈচিত্ৰ্যপূৰ্ণ। তেওঁলোকৰ সংস্কৃতিৰ বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে সঠিক চৰ্চা হ'লে হে ভাৰতৰ অন্যান্য অঞ্চলৰ অধিবাসীসকলক আকৰ্ষণ কৰিব আৰু পৰস্পৰ বিনিময় ঘটিব। এই সাংস্কৃতিক বিনিময়ৰ ফলত আমাৰ জাতীয় সংহতিও সুদৃঢ় হ'ব।

---

# কাৰবি সংস্কৃতি

—ৰংবং তেৰাং

অসমৰ আৰলেং বা কাৰবি জনগোষ্ঠীৰ স্বকীয়া পৰিচয় দিয়া নিষ্প্ৰয়োজন। কোনোবা যুগতেই 'মিকিৰ' চাংঘৰৰ লগত অসমীয়া বিহুগীতে মিতিৰ পাতি আপোনা হৈ পৰিছে; সম্ভৱ কলং-কপিলীৰ বসবাস কৰা যুগতে। কলং আৰু কপিলী যে ৰৰপানী নৈখনৰ দৰেই কাৰবিৰ অতি চিনাকি নৈ আছিল, ক্ৰকাছেন গীতত ইয়াৰ স্পষ্ট উল্লেখ মন কৰিবলগীয়া :

ইক্ কাছেন আচিফং
কপ্লি পাদাংহে কলং
চিফং দনছুৰি প্ৰেংচং
চিফং কিমপেত লাংতুথম

**ভাবাৰ্থ :**

ক্ৰকাছেনে হাজাৰঘৰীয়া গাওঁখন পাতিছিল কপ্লি (কপিলী) আৰু কলং নৈৰ পাৰত; নৈখনৰ তিনিটা পাক মাৰিবা সেই গাওঁখন শত্ৰুৰে হৈ পৰিছিল নদন বদন।

কলং আৰু কপিলী অসমীয়াৰ চিৰচিনাকি। অসমীয়া সংস্কৃতিৰ আহুত ধ্বনি খোলৰ বোল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কলং পাৰৰ কোনো মাটিৰপৰাই বুটলি আনি অসমীয়া নামঘৰৰ থাপনাত থাপিছিল। 'মোৰ অ ক পৃথিৱীৰ' কবি নৱকান্ত বৰুৱাই কলং আৰু কপিলীৰ 'পলস' চিনি পাইছে— হিয়াৰে :

কলং কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়
বুঢ়ী আইতাৰ কলিজাৰে গন্ধে বন-নহৰৰ ফুল।

আমাৰ পলসে সাক্ষ্য কৰক কলঙৰ দুটি কূল। কাৰবিসকলৰ সমাজ-বুৰঞ্জীক ৰৰপানীৰ দৰেই কলং আৰু কপিলীৰ পলসেও নিশ্চয় সাক্ষ্য কৰি তুলিছিল। তেওঁলোকে ভৈয়ামৰ আন অসমীয়া মানুহক চিনি পাইছিল হিয়াৰে-মনেৰে, আৰু চিনি পাইছিল তেওঁলোকৰ কাষতে থকা অন্যান্য জনগোষ্ঠীৰ খাচীয়া ভাই-সকলক। কাৰবিসকল হৈ পৰিল ভৈয়ামৰ অসমীয়াৰ বৰ ককাই, খাচীয়াসকল হৈ পৰিল তেওঁলোকৰ চিনাকী জাবী অৰ্থাৎ বন্ধু। তেওঁলোকৰ ভাষা, সমাজ আৰু কৃষ্টিৰ চাংঘৰত সোমাছে অসমৰ আৰু অ.ক জাতিক জনগোষ্ঠীৰ ইমান আমৰু

ইমান প্ৰভাৱ! কাৰ্বিসকলৰ পূজা-পাতল আদি সামাজিক অনুষ্ঠানসমূহতো এনে সংমিশ্ৰিত ৰূপৰ ছবিৰোৰ অতি স্পষ্ট। আজিকোপতি আলোচনা নোহোৱা কাৰ্বিসকলৰ পবিত্ৰ "ৰং কেৰে" অনুষ্ঠানৰ তাৎপৰ্য তেওঁলোকৰ সংমিশ্ৰিত সমাজ-দৰ্শনৰ ছবিখন বিশ্লেষণ কৰাৰ হেপাঁহতেই আমাৰ এই প্ৰবন্ধটি যুগুত কৰা হৈছে।

কাৰ্বি সমাজখন মূলতে পাঁচটা গোষ্ঠীৰ দ্বাৰা গঠিত। এই গোষ্ঠী বা বংশক তেওঁলোকে 'কুৰ' বোলে। 'কুল' শব্দৰ উচ্চাৰণ বিভ্ৰাট ঘটি কাৰ্বিত 'কুৰ' শব্দ সৃষ্টি হৈছে। এই কুৰ পাঁচটা হ'ল — ১। ইংতি, ২। ইংহি, ৩। তেৰাং, ৪। তেৰণ আৰু, ৫। তিমুং। এই পঞ্চ কুলেৰে গঠিত সমাজখনত কম-বেছি পৰিমাণে কিছুমান সমগোত্ৰীয় কুৰ থকা দেখা যায়। ইংহি আৰু তিমুং গোষ্ঠীৰ বংশ-সন্তান প্ৰত্যেকৰে বিছটাইক টান থকাটো উল্লেখযোগ্য। সমাজগঠনৰ পৰিপ্ৰেক্ষিতত এই সম্প্ৰসাৰণৰ সূচনা হৈছিল বুলি ধাৰণা কৰিব পাৰি। একেটা বংশৰ ভিতৰত বৈবাহিক সম্বন্ধ স্থাপন কাৰ্বি সমাজত নিষিদ্ধ। আনকি সমগোত্ৰীয় কুৰৰ টাগবেৰৰ মাজতো বৈবাহিক সম্বন্ধ ঘটিব নোৱাৰে। কাৰ্বি সমাজখনৰ এনে বৈবাহিক সূত্ৰটোৱেই এই পাঁচোটা গোষ্ঠীৰ বংশ-সন্তান একেটা বান্ধোনত টানি আনিব পাৰিছে আৰু পৰস্পৰৰ মাজত বিভেদ ভাবৰ সূচনা হ'ব পৰা সম্ভাবনা তেওঁলোকৰ সমাজখনে নিৰ্মূল কৰিব পাৰিছে বুলি ক'ব পাৰি।

কাৰ্বি সমাজখন এক সুশৃংখলিত সমাজ। কোনো ধৰণৰ আউল নলগাকৈ সমাজ-সংস্কাৰক কৰা হেৰম্বৰ দিনৰপৰাই আজিকোপতি নিৰবচ্ছিন্নভাৱে এই জনগোষ্ঠীৰ সমাজখন এক সাৱলীল গতিত চলি আহিছে। এনে সমাজখনৰ অধীনত থকা কাৰ্বিসকল দুটা পৃথক বৃহৎ ভূখণ্ডত সম্প্ৰসাৰিত। কাৰ্বি আংলং জিলাৰ বৰ্তমান ৰাজনৈতিক সীমাৰেখাক এই সামাজিক নিয়ন্ত্ৰণৰ সীমাৰেখা স্বৰূপে গ্ৰহণ কৰিব নোৱাৰি। বৰং কপিলী নৈখনকহে কাৰ্বিসকলৰ সামাজিক নিয়ন্ত্ৰণাধীন ভূখণ্ডৰ ভাগ কৰাটো সমীচীন হ'ব। কিয়নো এই নৈখনকেইহে সামাজিক নিয়ন্ত্ৰণৰ সীমাৰেখা বুলি কাৰ্বি সমাজে আজিও স্বীকৃতি দি আহিছে। এই হেতুকেই সৰ্বকালীন সামাজিক বিচাৰ-চ'ৰাত কাৰা আহাৰ' অৰ্থাৎ সীমাৰক্ষী বিষয়াৰ স্থান কপিলীৰ উত্তৰ অঞ্চলৰ লোকক দি অহাৰ ব্যৱস্থা তেওঁলোকৰ সমাজত বিলুপ্ত হোৱা নাই। কপিলীৰ দক্ষিণপাৰৰ অঞ্চলত পাহাৰীয়া ভূখণ্ডক 'ৰংখাং' বুলি অভিহিত কৰি সমাজখনৰ সাইপুটাটো প্ৰাচীন ৰাজধানী হ'ল ৰংখাং পাহাৰত স্থাপন

কৰিছিল। বৰ্তমানেও বংহাংবংবং ৰাজধানীৰপৰাই সমগ্ৰ কাৰবি সমাজখন নিয়ন্ত্ৰণ কৰি আছিছে। দুইতলৈকে সম্প্ৰসাৰিত কপিলীৰ উত্তৰাঞ্চলৰ এই বহল ভূখণ্ডক নিলিপ-দুম্ৰাজং বুলি তেওঁলোকৰ সমাজতন্ত্ৰত উল্লেখ কৰা হৈছে। আন এটা অৰ্থত এই ভূখণ্ডক 'ছ'ছেং-ধেণ্টা' বুলিও কাৰবি সামাজিক নিয়মতন্ত্ৰই স্বীকৃতি দি আছিছে। বিচ্ছিন্ন হৈ পৰা নিলিপ-দুম্ৰাজং অঞ্চলৰ কাৰবিসকলৰ মূল বংশাঙৰ লগত সংযোগ-ৰক্ষক স্বৰূপে সীমাৰক্ষী বিষয়াজনেই সমাজৰ সকলো কাৰ্য্য সম্পাদনত সহায় কৰি আছিছে।

বিভিন্ন গোষ্ঠীৰদ্বাৰা কাৰবি সমাজখন গঠিত হ'লেও তেওঁলোকৰ মাজত কোনো শ্ৰেণী-বৈষম্য নাই। সকলোৱে সমভাৱে আহাৰ আৰু মদ গ্ৰহণ কৰিব পাৰে। অৱশ্যে সামাজিক অনুষ্ঠান, বিচাৰ-চ'ৰা আদিত মান-বিতৰণৰ বেলিকা কিছু বৈষম্য পৰিলক্ষিত নোহোৱাকৈ নাথাকে। এই বৈষম্য প্ৰধানতঃ চিনথং, ৰংহাং আৰু আম্‌ৰি—এই আঞ্চলিক কাৰবিসকলৰ মাজত দেখা যায়। ৰৰাচলতে এই তিনিটা তেওঁলোকৰ কোনো গোত্ৰ বা কুলবোধক নাম নহয়। এই তিনিওটাতে তেওঁলোকৰ পাঁচোটা গোষ্ঠীৰ লোক থাকিব পাৰে। পৰস্পৰৰ মাজত বৈবাহিক সম্বন্ধও স্থাপন হ'ব পাৰে। সম্ভৱতঃ কোনোবা কালত ৰাজনৈতিক বা অন্য দুৰ্যোগ হেতু তেওঁলোকে কিছুমান বিশেষ অঞ্চলত আশ্ৰয় লৈ বসতি কৰিছিল। 'ৰংহাং' শব্দটোৰ বাহিৰে 'চিন্‌থং' আৰু আম্‌ৰি শব্দ দুটাৰ মূল কাৰবি নহয়। এই শব্দ দুটাত অধিক গোষ্ঠ মিহলি হৈ আছে। যি কি নহওক, এই তিনিওটা আঞ্চলিক কাৰবিৰ ভিতৰত আম্‌ৰি কাৰবিৰ সুকীয়া মান দিয়াৰ ব্যৱস্থা কাৰবি সমাজতন্ত্ৰত দেখা নাযায়। অৱশ্যে সুকীয়া মান নাথাকিলেও চিন্‌থং আৰু ৰংহাং অঞ্চলৰ মানৰ ভাগ আম্‌ৰিসকলে গ্ৰহণ কৰাত বাধা নিষেধ নাই। এই সম্পৰ্কে Sir Charles Lyall-ৰ 'THE MIKIRS' নাম'ৰ কিতাপখনত থকা কথাখিনি উল্লেখ কৰিব লগীয়া। তেখেতে লিখিছে—"The Mikir people proper—that is those who continue to live in the hills—are divided into three sections, called Chintong, Ronghang and Amri............. The Mikir Hills are chiefly inhabited by the Chintong section North Cachar and the hilly part of Nowgong by the Ronghang and the khasi and Jayantia Hills by Amri; but individuals of all three are found dwelling among the others..........

Each of the three Sections of the race has within it the same kurs, whether in Chintong, Ronghang, or Amri, observe the same rules of exogamy."১

কাৰবিসকলৰ সমাজতন্ত্ৰৰ ৰাষ্ট্ৰজী ৰংমবেণ মহকুমাৰ অন্তৰ্গত হংকাৰেংৰং ৰাজধানীৰপৰাই কাৰবি ৰজা লিন্দকপ'ই আধিপত্য বিস্তাৰ কৰি আছে। নিলিপ-দুমাজং ডুংশুৰ কাৰবিসকলে ৰেংবংহং এখুৱাই যোৱা সমাজ-নীতিকেই গ্ৰহণ কৰিছে যদিও এই অঞ্চলত সমাজতন্ত্ৰৰ উচ্চতম বিষয়া হাবে-পিনপ'ৰ ব্যৱস্থা ৰখা নাই। তাৰ পৰিবৰ্তে গাওঁবুঢ়াই নিজৰ গাওঁখনৰ সমাজখন ৰেংবংমৰ নীতি-নিয়ম অনুযায়ী পৰিচালনা কৰি আহিছে। গতিকে কপিলীৰ উত্তৰ পাৰত হাবে-পিনপ'ৰ কাৰণে সুকীয়া মানৰ প্ৰচলন ৰখা দেখা নাযায়।

কিন্তু কপিলীৰ দক্ষিণাঞ্চল অৰ্থাৎ লিন্দকপ'ৰ দ্বাৰা পৰিচালিত কাৰবি সমাজখনৰ ছবিখন নিলিপ-দুমাজং অঞ্চলতকৈ বেছি নিখুঁত। লিন্দকপ'ৰ শাসনতন্ত্ৰই দক্ষিণ পাৰৰ সমগ্ৰ অঞ্চলটোক দুটা প্ৰধান ভাগত ভাগ কৰিছে: (১) ৰংহ'পি অৰ্থাৎ ৰাজধানী আৰু (২) ৰিজই অৰ্থাৎ সাধাৰণ প্ৰজাৰ আৱাস ভূমি।

ৰংহ'পিখন পাঁচটা আৰন্তু অৰ্থাৎ চুবুৰীৰদ্বাৰা গঠিত। এই চুবুৰী পাঁচটা কাৰবিসকলৰ পাঁচটা গোষ্ঠীৰ প্ৰতিনিধিয়ে বসতি কৰে। পাঁচটা গোষ্ঠীৰ পৰা চাৰিজনক সন্মানৰ শ্ৰেষ্ঠতম পদবী 'লিন্দক' নিৰ্বাচন কৰা হয়। এই লিন্দকসকল হ'ল—(১) ৰংহাং লিন্দক (২) হংপি লিন্দক (৩) ৰংচৈচ' লিন্দক আৰু (৪) কিলিং লিন্দক। লিন্দক চাৰিজনৰ মাজত ৰংহাং লিন্দকজনেই কাৰবি সমাজতন্ত্ৰৰ শ্ৰেষ্ঠতম ব্যক্তি আৰু তেওঁকেই লিন্দকপ' অৰ্থাৎ কাৰবি ৰজা বুলি সন্মান দেখুওৱা হয়। ইংতি গোষ্ঠীৰ কোনো লিন্দক নাথাকে। তেওঁলোক পুৰোহিত-শ্ৰেণীৰ। এই গোষ্ঠীৰপৰাই একজনক ৰাজপুৰোহিত স্বৰূপ ৰাজধানীত ৰখা হয়। তেওঁক কাথাৰপ' বুলি জনা যায়। তেওঁৰ তলত কাথাৰক্লিং' অৰ্থাৎ সহকাৰী ৰাজপুৰোহিত একজনক সেই একেটা গোষ্ঠীৰ পৰাই নিৰ্বাচন কৰা হয়। লিন্দকপ'ৰ তলতেই তেৰোং থিংৰিৰপৰা একজনক সৰ্বাধিপ পদবী দিয়া হয়। তেওঁ ৰজাৰ সোঁ-হাত স্বৰূপ। এই সকলৰ বাহিৰেও ৰবাহিলত, ৰৱাৰিত, বুৰথিমেন, তেৰাংকে, ৰৰা, মেৰো আদি ৰাজ-বিষয়াই ৰংহ'পিত বসতি কৰে। এক অৰ্থত এইসকলক পিনপ'ক বুলি জনা যায়। ৰিজই অঞ্চলৰ বাইজেই এইসকল পিনপ'ক নিৰ্বাচন কৰি ৰাজধানীলৈ পঠিয়ায়। এই বিষয়াসকলৰ মেয়াদৰ হ'লে বা সামাজিক নীতি

উলংঘা কৰা কোনো বিষয়া পদচ্যুত হ'লে, পিনপ'সকলে আলোচনা কৰি জিৰই অঞ্চলৰপৰা উপযুক্ত ব্যক্তিক সেই পদবীত পুনৰ বহুৱায়। ৰজাৰপৰা নিম্নতম বিষয়ালৈকে সকলো এই একেটা নিয়মেৰেই পৰিচালিত হয়। ইয়াৰপৰাই কাৰবি সমাজতন্ত্ৰক সম্পূৰ্ণ অৰ্থত গণতান্ত্ৰিক বুলি নিশ্চয় ক'ব পাৰি।

সমগ্ৰ জিৰই অঞ্চলক কিছুমান লংৰিত বিভক্ত কৰি একোজন হাবেৰ ওপৰত প্ৰতি লং'ৰিৰ সমাজ শাসনৰ দায়িত্ব অৰ্পণ কৰা হয়। এই হাবেসকল লিন্দকপ'ৰ তলতীয়া বিষয়া। হাবেসকলৰো বুৰভিমেন, ক্লেবাংকে আদি বিষয়া থাকে। হাবেসকলৰ তলতীয়া বিষয়া হ'ল গাঁৱৰ ছাৰথে অৰ্থাৎ গাওঁবুঢ়া। একোজন হাবেৰ অধীনত বহুতো গাওঁ থাকে। এই গাওঁসমূহৰ সামাজিক নিয়ম-নীতিৰ সুশৃংখলা ৰক্ষাৰ ভাৰ ছাৰথেৰ লগতে হাবেজনৰ ওপৰত ন্যস্ত থাকে। লংৰি'বাৰৰ ভিতৰত হাবেপি আৰু উম্‌ৰাবং—এই লংৰি দুটাই সন্মানত শ্ৰেষ্ঠতম। এই লংৰি দুটাৰ হাবে দুজনেই ৰজধানীৰ লগত পোনপটীয়া সংযোগ ৰক্ষা কৰে। বছৰেকীয়া পূজানুষ্ঠান আদিতো এই লংৰি দুটাৰ হাবে দুজনে সমগ্ৰ জিৰই অঞ্চলৰ প্ৰতিনিধিত্ব কৰিব লাগে। এনে পূজানুষ্ঠান হ'ল—ৰং'ল' কেঙেৰ। এই অনুষ্ঠানৰ পৰিচয়ে কাৰবি সমাজখনৰ ছবিখনত আলোকপাত কৰাত কিছু সহায় কৰিব।

ৰং'ল' কেঙেৰ—কাৰবিসকলৰ এক পবিত্ৰ বছৰেকীয়া পূজা-অনুষ্ঠান। এই অনুষ্ঠান পিনপ'সকলৰ একচেটিয়া। সৰ্বসাধাৰণ কাৰবি ৰাইজে এই পূজা কৰিব নোৱাৰে। সাধাৰণতে ফেব্ৰুৱাৰী-মাৰ্চ মাহত এই পূজানুষ্ঠান উদ্‌যাপন কৰা হয়। ৰাজপুৰোহিত কাথাৰ দ্বৰাই এই পবিত্ৰ পূজাৰ কাম সম্পন্ন কৰে। পূজানুষ্ঠানৰ শুভদিন ঠিক কৰাৰ বহু পূৰ্বেই ৰাজবিষয়াসকল নামি আহিবৰ কাৰণে বাট কটাৰ কিদ' অৰ্থাৎ ৰাজ-আজ্ঞাসূচক সাংকেতিক চিনটো হাবেপি আৰু উম্‌ৰাবঙৰ হাবেলৈ পঠিয়াই দিয়া হয়। বাট কাটি অহোৱাৰ শেষত লিন্দকপ'ৰ আজ্ঞা অনুসৰি বৰছিলি, ছিনত মিজি, পাত্ৰ আদি ৰাজবিষয়াসকল ৰাজধানীৰপৰা নামি আহি প্ৰথমতে হাবেপি লংৰিৰ হাবেজনৰ ঘৰত জিৰণি লয়। ৰং'ল' কেঙেৰ পূজাৰ দিন-বাৰ থিৰাং হোৱাৰ খবৰ দি তেওঁলোকে উম্‌ৰাবং হাবেৰ ঘৰলৈ আহি পূজাৰ যা যোগাৰসহ নিৰ্দিষ্ট দিনত ৰাজধানীলৈ আহিবলৈ ৰাজ-আজ্ঞা জ্ঞাপন কৰেহি। জিৰই অঞ্চলৰ প্ৰধানতম লংৰি দুটাত ৰাজপ্ৰতিনিধিসকলে সমাগম কৰি সৰ্বসাধাৰণ ৰাইজৰ অৱস্থিতিৰ বুজ লয় আৰু পূজাৰ যাৱতীয় সাজ-বস্তুৰ দিহা দি প্ৰত্যাবৰ্তন কৰে। অৱশ্যে কিবা কাৰণত লংৰিৰ হাবে দুজনে

পূজানুষ্ঠানত যোগদান কৰিব নোৱাৰিলে সেই অঞ্চলৰ পিনপ' দুজনে সেই ভাৰ বহন কৰিব লাগে। এই পূজানুষ্ঠানৰ কাৰণে প্ৰয়োজনীয় সম্ভাৰসমূহ হ'ল এনে ধৰণৰ: হাবেপি অঞ্চলে ডাক দিয়া বঙা পাখিৰ কুকুৰা চাৰিটা, মদ এগৰ বটল, তামোল-পান, ধপাত আৰু নগদ ধন কুৰিবৰণৰ পকাচুৰ কিতাং বাৰ্ণ্ডাঁষালীক জমা দিব লাগে। সেইদৰে উম্লাবং অঞ্চলে দুটা ডাক দিয়া বঙা পাখিৰ কুকুৰা আৰু ডাক দিয়া বগা পাখিৰ কুকুৰা এটা, মুঠতে তিনিটা কুকুৰা আৰু হাবেপৰি সমানেই মদ, তামোল-পান, ধপাত আদি দিব লাগে। এই সম্ভাৰসমূহ তিনিটা অঞ্চলৰ ৰাইজেই আগবঢ়ায়। কেৱল জেণ্ডুলোকৰ প্ৰতিনিধি হাবে দুজনে নীতি-নিয়মৰ মাজেৰে লিন্দকপৰ ওচৰত দি আহিবগৈ লাগে। পূজাৰ খৰচীয় সাজ-বস্তু নিয়াৰ লগতে হাবে দুজনে শুকান মিহা মাছ, শুকুৱাই থোৱা কাউৰী-কেৰেণা আৰু শুকান কিকিঙী জগকীয়া দিব লাগে।

বছাৰ দিন পোৱাৰ পাছত হাবে দুজনে পূজাৰ সম্ভাৰবোৰ যতনাই লয় আৰু দুয়ো মুক্ৰাং দেৱতালৈ পূজা আগবঢ়াই ৰাজধানীলৈ যাত্ৰা কৰে। প্ৰথমতে উমলাবঙৰ হাবেজনে যাত্ৰা কৰি হাবেপি লংবিৰ হাবেজনৰ ঘৰত জিৰণি লয়গৈ। তাৰপিছত অঞ্চলবাসীয়ে দুয়োজনে পূৰ্ণ প্ৰস্তুতিৰে পুনৰ যাত্ৰা কৰে। সাজ-বস্তুৰ দুয়ো আম্লং নৈৰ পাৰত তিনিটা অঞ্চলৰ দেৱতালৈ মদ তৰ্পণ কৰি স্নান-কাৰ্য সম্পাদন কৰে। নৈখনৰ সিটো পাৰৰ ভূখণ্ড হ'ল ৰাজধানীৰ সীমা। নৈখন পাৰ হৈ জেণ্ডুলোক দুজনে পৰম্পৰাগত নিয়মৰ মদ এবটলকৈ আগবঢ়ায় আৰু নীতি নিয়ম পালনৰ অন্তত ৰাজধানীত প্ৰৱেশ কৰেগৈ। জেণ্ডুলোকে নিজ অঞ্চলৰ পিনপ'ৰ সহায়ত ৰাজপুৰোহিত কাথাৰ বুৰাৰ চাংঘৰত পদাৰ্পণ কৰে আৰু ৰাইজৰ মংগলাৰ্থে বছৰেকীয়া পূজা সম্পাদন কৰিবলৈ তেওঁক অনুৰোধ কৰে। তাৰ পাছত কাথাৰ বুৰাৰ লগতে আটাইবোৰকে ৰজা লিন্দকপৰ ওচৰলৈ ৰাজ অনুমতি বিচাৰে আৰু পূজা কাৰ্যত ৰজাক মুখ্য আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰে।

হ'ল' কেত্তে অনুষ্ঠান সাধাৰণতে অগ্ৰহায়ণতহে অনুষ্ঠিত হয়। কাৰবিৰ প্ৰাচীন ৰাজধানী হাট-বৰীয়া দিনটোৰ নাম হ'ল—দিব্‌না। এই দিন অতি শুভ বুলি গণ্য কৰা হয়। আজি-কালি ৰাজধানীত হাট-বজাৰ নবহে যদিও উমৰাঙছু বজাৰখনৰ লগত সংগতি ৰাখি এই দিন গণনা কৰা হয়। উমৰাঙছুৰ হাট-বৰীয়া দিন প্ৰতি সপ্তাহেই সলনি হোৱা হেতুকে অসমীয়া দিনবাৰৰ লগত ইয়াৰ

দিন-বাৰৰ মিল দেখা নাযায়। উম্‌ৰাছু হাট-বাৰৰ দিনটোক 'থিমিত্‌' বুলি কোৱা হয়। থিমিতৰ পিচৰ দিনটোৱেই খিৰ্‌লা। থিমিতৰ দিনাখন বজাৰ চ'ৰাত সকলো গোট খায় আৰু 'ছেছাদী' বোধন অনুষ্ঠানৰ আয়োজনেৰে দেৱতা-সকলক পূজালৈ আহ্বান জনায়। ছেছাদীৰ দিনাখন বজাৰ চ'ৰাত কেৱল তিনিজন ব্যক্তিয়েহে নিয়মৰ বাজহুৱা আহাৰ গ্ৰহণ কৰিব পাৰে। সেই কেইজন হ'ল—বজা লিন্দকপ', কাথাৰ বুৰা আৰু কাথাৰ বিছ'। ছেছাদীৰ শেষত সেই ব্যক্তিয়েই ৰাজখোৱাক বংকাৰ ছিনতৰ ঘৰৰ কাষৰ নিৰ্দিষ্ট স্থানৰপৰা ৰাজধানীৰ বাইজলৈ ঘোষণা কৰে যাতে খিৰ্‌লাৰ দিনাখন ৰাজপুৰোহিতে স্নান-কাৰ্য সম্পাদন কৰাৰ আগমুহূৰ্তত কোনো ব্যক্তিয়েই ৰাজঘাটৰ পানী স্পৰ্শ নকৰে।

পাছদিনাখন পুৱা কাথাৰ বুৰাই ৰাজঘাটত পবিত্ৰ উম্‌ৰাছি জুৰিত স্নান কৰি বজাৰ চ'ৰাত পূজাৰ কাৰণে যাৱতীয় কাৰ্য সম্পাদন কৰে। ৰাজধানীৰপৰা কিছু নিলগত এক নিৰ্দিষ্ট স্থানত এই পূজা অনুষ্ঠিত হয়। বহমুগীয়া ল'ৰ্কি অৰ্থাৎ থাৰ গছ এজোপা সেই স্থানত এতিয়াও কাৰবিৰ ঐতিহ্য বহন কৰি বৈ আছে। সেই গছজোপাই 'চাণী আৰচক' অৰ্থাৎ দেৱতাৰ সাক্ষীৰ প্ৰতীকী বৃক্ষ। কাৰবি-সকলৰ মাজত এই গছজোপাক অতি পবিত্ৰ দৃষ্টিৰে চোৱা হয়। এই গছ-চিৰ অক্ষয়। কেনেবাকৈ ইয়াৰ পাত এখিলা ছিঙি অনা মানেই সংবিত্ত ভয়ংকৰ বিপদৰ সূচনা কৰা। সেই গছজোপাৰ গুৰিত তিনিটা বেদী স্থাপন কৰা হয়। এই বেদী তিনিটা হ'ল যথাক্ৰমে সোঁ কাষৰপৰা হেমফু, মুক্ৰাং আৰু ৰাছিংজা দেৱতাৰ বেদী। হেমফু আৰু মুক্ৰাং দুয়ো পুৰুষ-দেৱতা। কাৰবি সমাজত এই দেৱতা দুজনৰ অৱস্থান হিন্দুৰ বিষ্ণু আৰু শিৱৰ সমপৰ্যায়ত। ৰাংছিংজা হ'ল এগৰাকী দেৱী। কাৰবি সমাজৰ একমাত্ৰ স্বীকৃত দেৱী এই ৰাছিংজা এফালেদি মহাকালৰূপী, আন ফালেদি শান্তিপ্ৰদায়িনী মাতৃ। কাৰবি সমাজত দেৱীৰ অৱস্থান পূৰ্বতে নিশ্চয় নাছিল। তেওঁলোকৰ লোকগীতবোৰতো এই দেৱীৰ উল্লেখ দেখা নাযায়। এইয়া আৰ্যিক জনগোষ্ঠীৰ প্ৰভাৱত মা-কামাখ্যাকেই প্ৰতিভূ দেৱী ৰাছিংজাই কাৰবি ৰাজ্যৰ্মাত অৱস্থান কৰিলেহি। দেৱীৰ বেদীৰ শিতানত ছাগল বাহৰ ত্ৰিশূল দিয়া থাকে। এই ত্ৰিশূল দুডালৰ মাজৰ শূলডালৰপৰা ওপৰফালে ছাগল শূল ভৰ্মূৰাকৈ নি কাষৰ শূল দুডালত বন্ধ কৰাকৈ লগোৱা থাকে। উম্‌লাবং সংবিৰ নৈবেদ্য স্বৰূপে আগবঢ়োৱা বঙা কুকুৰা দুটা যথাক্ৰমে হেমফু আৰু মুক্ৰাং দেৱতালৈ উৎসৰ্গা কৰা হয়। ৰাছিংজা দেৱীলৈ বগা বৰণ কুকুৰাটো উৎসৰ্গা

কৰা এক উল্লেখযোগ্য কথা। কালৰূপী দেৱীৰ স্বৰূপ প্ৰকাশক প্ৰতীকেই হ'ল শুভ্ৰ কুকুৰা। দেৱীলৈ কুকুৰা উচৰ্গা কৰোঁতেও অন্য দেৱতাৰ কুকুৰাবদৰে ভিতিত ৰেপ দি এৰি দিয়া নহয়। বৰং ভিতিত ৰেপ দি লৰচৰ কৰিব নোৱাৰাকৈ হেঁচা মাৰি ধৰা হয় আৰু কুকুৰাৰ গাত হাটিয়াই দিয়া ধুলিকেই সমগ্ৰ অঞ্চলৰ ভবিষ্যৎ গণনা কৰা হয়।

পূজা-কাৰ্য্য সম্পূৰ্ণ কৰাৰ শেষত আহাৰাদি গ্ৰহণৰ বেলিকা বিশেষত্বপূৰ্ণ কিছুমান কাৰ্য্য-বিশেষভাৱে মন কৰিবলগীয়া। সামাজিক মান আদি ইয়াতো বিতৰণ কৰা হয়। এনে মান-বিতৰণৰ মাধ্যমেদি কাৰবি সমাজ-জীৱনৰ ছবিখন প্ৰকাশ পায়। এনে ধৰণৰ মান সাধাৰণতে গাহৰিৰ ওঁঠ, চৰ্বিযুক্ত গাহৰিৰ ডাঠ ছাল—অকজৰ, পিৰাসহ আগঠেং বা ভৰিনাৰ মাংস আদিৰে জোখা হয়। কুকুৰা চৰাইৰ ক্ষেত্ৰত মূৰ, ঠেং আদিৰে সমাজৰ মান নিৰ্ণয় কৰা হয়। ৰ'ন' ক্ষেত্ৰৰ অনুষ্ঠানত উচৰ্গা কৰা কুকুৰা চৰাইৰ মূৰ তিনিটা আৰু পিৰাসহ ঠেং দুটা আহু-তীয়াকৈ ৰখা হয়। এইবোৰ বিতৰণৰ সময়ত হেম্‌ফু দেৱতালৈ উচৰ্গা কৰা কুকুৰাৰ মূৰটো সমাজৰ শ্ৰেষ্ঠতম ব্যক্তি লিন্দকপৰ পাতত দিয়া হয়। ইয়াৰ তাৎপৰ্য এয়ে যে শ্ৰেষ্ঠতম দেৱতা হেমফুৰ আগ-পাত পোৱা মানেই লিন্দকপ'ক শ্ৰেষ্ঠতম ব্যক্তিৰূপে প্ৰতিপন্ন কৰা। বিষ্ণুৰ গুণাৱলীৰে লিন্দকপৰ ব্যক্তিত্বক অভিব্যক্ত কৰা হৈছে। সেইদৰে মুক্ৰাং দেৱতাৰ নামত উচৰ্গা কৰা কুকুৰাৰ মূৰটো ৰবদিলিৰ পাতত দিয়া হয়। মুক্ৰাঙৰ অৱস্থান মংগলকাৰী শিৱ। মংগলময় শিৱৰ লগত সাদৃশ্য ৰাখি ৰবদিলিকো সমাজ সংগঠন আৰু হ'সাৰ'ৰ সুখ শান্তিৰ তাৎপৰ্যৰে সাগৰ'ত ব্যক্তি বুলি বিবেচনা কৰা হয়। বাদিংজা দেৱীৰ নামত উচৰ্গিত কুকুৰাৰ মূৰটো ৰাজপুৰোহিতৰ পাতত দিয়া হয়। ইয়াৰ তাৎপৰ্য এয়ে যে বিষ্ণু আৰু শিৱৰদ্বাৰা সৃষ্টি হোৱা জগতখন প্ৰকৃতিৰ শৈতাৰি বিনে নিৰৰ্থক। সেইদৰেই কাৰবি সমাজতো কাথাৰ বুৰাৰ কাথাৰনীৰ স্বৰূপৰ অবিহনে কেৱল লিন্দকপ, আৰু ৰবিদিলিৰ পৰিচালনাৰে সমাজখন শক্তিশালী হ'ব নোৱাৰে। পতিকে লিন্দকপ', ৰবিদিলি আৰু 'কাথাৰ বুৰাৰ অৱস্থানেৰে কাৰবি সমাজখনৰ নিয়ম-শৃংখলা ৰক্ষা কৰা হৈ আহিছে। এই কেইজনৰ উপৰিও ৰৱৰা আৰু হাবেলিৰ হাবেজনৰ পাতত কুকুৰাৰ ঠেং একোটাকৈ দি সন্মান দেখুওৱা হয়। কাথাৰ বুৰাৰ যাৱতীয় কাৰ্যত ৰৱৰাৰ সাহায্য অপৰিহাৰ্য্য। এনে বাবেই ৰৱৰাক সেই সন্মান দিয়া হয়। হ'সাৰ'ক সমগ্ৰ দেৱতাৰূপে কাৰবি সমাজখনেই গণ্য কৰে।

চ'লাঙ্গ'ৰ অৱস্থান যিহেতুকে জিৰইত, গতিকে জিৰইৰ সৰ্বশ্ৰেষ্ঠ হাবেজনকো সেই মান দিয়া হয়। হাবেপিৰ হাবেজনে কুকুৰাৰ ঠেংটো দুফাল কৰি এফাল উম্‌লাৰঙৰ হাবেজনক দিব লাগে। এই কাৰ্য্যৰ মূল তাৎপৰ্য হ'ল ভ্ৰাতৃ-স্নেহ প্ৰদৰ্শন। কাৰবি শাসনতন্ত্ৰত উম্‌লাৰং হ'ল হাবেপিৰ ভ্ৰাতৃ-স্নেহ প্ৰদৰ্শন। কাৰবি শাসনতন্ত্ৰত উম্‌লাৰং হ'ল হাবেপিৰ ভ্ৰাতাস্বৰূপ; আৰু সম্ভৱ এই কাৰণেই আহাৰ গ্ৰহণৰ সময়ত হাবেপিৰ পাত্ৰৰপৰা মিছামাছৰ আঞ্জা আৰু কাউৰী-কেৰেলাৰ আঞ্জা উম্‌লাৰঙৰ হাবেজনে খুজি খাব লাগে। ভ্ৰাতৃ-স্নেহৰ ই এক অন্যতম নিদৰ্শন। এই ৰ'ং' কেতেৰ অনুষ্ঠানে সমাজৰ শ্ৰেষ্ঠতম ব্যক্তি ৰঙাৰপৰা নিম্নতম ব্যক্তি চ'লাঙ্গ'লৈকে এক নিখুঁত শৃংখলাৰে কাৰবি সমাজখন আজিকোপতি চলাই থকাটো বিশেষ তাৎপৰ্যপূৰ্ণ।

ৰ'ং' কেতেৰ পূজাৰ সামৰণি কাৰ্য্য অতি তাৎপৰ্যাপূৰ্ণ। বছৰেকৰ মূৰত ৰঙা-প্ৰজা একত্ৰিত হৈ হেমফু, মুক্ৰাং আৰু ৰাছিংৰাৰ বেদীত পবিত্ৰ মনেৰে পবিত্ৰ অন্তৰেৰে নৈবেদ্য আগবঢ়ায়। এই অনুষ্ঠানৰ সাক্ষী স্বৰূপে পৃথিবীৰ দহোটা দিশৰে নটা দিশক ৰাজপুৰোহিতে পূজাৰ বেদীলৈকে আহ্বান কৰি আনে। বেদীত সংস্থাপিত প্ৰাচীন মুদ্ৰা হাতত লৈ জোন-বেলিক সাক্ষী কৰি নবাৰ মুদ্ৰাৰ গাত শব্দ তুলি কাথাৰ দুৱাই এই আহ্বান কাৰ্য্য সম্পন্ন কৰে। দহটা দিশৰেই গতি অধঃস্থানলৈ। এই বৈজ্ঞানিক সত্যৰ উদ্ঘাটন কাৰবি সমাজে কেনেদৰে কৰিলে, তাৰি চাবলগীয়া।

অনুষ্ঠানৰ শেষ স্তৰত পুৰোহিতে তিনিটা গীত গাব লাগে। এই গীত কেইটাৰ ভাবাৰ্থ বিচাৰ কৰিলে ৰ'ং' কেতেৰ অনুষ্ঠানটো বৰ্ষাদেৱীৰ আমন্ত্ৰণী অনুষ্ঠান বুলিও ক'ব পৰা যায়। কৃষিজীৱী কাৰবিসকলৰ কৃষিয়েই হ'ল মূল জীৱনী শক্তি। বৰ্ষা-দেৱীৰ কৃপা অবিহনে কৃষিৰ জন্মভূমি জানো সেউজবুলীয়া হৈ উঠিব? সেয়েহে হেমফু মুক্ৰাং আৰু ৰাছিংৰালৈ পূজা নৈবেদ্য আগবঢ়াই বৰ্ষাদেৱীৰ স্তুতি-গীত গোৱা হয়।

প্ৰথম গীতফাকি পূজাৰ বেদীৰ কাষত কাথাৰ দুৱাই গাব লাগে। গীতফাকি এনে ধৰণৰ:

চি চি মা নেং নেং
চি চি নাং হ'ং জেং
বাং বৰ জাৰ হাজেং।

ভাবাৰ্থ : হে ন বতৰৰ বাৰ্তাবাহক ঝিলীবোৰ! তোমালোকৰ গীতৰ মূৰ্ছনাৰে বৰ্ষাদেৱীক পৃথিৱীলৈ নমাই আনা।

ৰাজধানীলৈ প্ৰত্যাৱৰ্তন কৰোতে মাজ পথত দ্বিতীয় ফাকি গীত কাখাৰ বুৰাই আকৌ গাব লাগে। এই গীত এনে ধৰণৰ :

ক্ৰকচুৰ মা ক্ৰকচুৰ
ক্ৰকচুৰ নাং কেথুৰ ;
বাং বজৰ নাংচিংথুৰ
বৰ কাৰ নাংথুৰ।

ভাবাৰ্থ : হে ক্ৰকচুৰ পক্ষী! তোমাৰ অমৃত কণ্ঠেৰে বৰ্ষাদেৱীক মৰ্ত্তলৈ নমাই আনা।

তৃতীয় গীতফাকি ৰাজধানীৰ সিংহ দুৱাৰত গোৱা হয়। গীতফাকি এনে ধৰণৰ :

থ কুছ' মা থ কুছ'
থ কুছ' নাংহাংজ' ;
বাং বজৰ ছাবণ'
বামনং আপৰ ন'।
পিনিবানি ক'
দান দি পিএং ন'।
ন তি আংদেংছ' ছি
ছেৰ নাংপে বাক প'
ছেৰ নাংপে মেছ' ছি
ক'তুং ফয়াং ছ',
নাং আপুন কেচক ছ' ছি
নাং ছেৰ নাংথে মান ন'।
নাং নাংথে মান ন'
হৰ নাংথে মান ন'।
নে ছাৰ্বাহি কেছ' পেন
ছেৰ নাংথে বাক প' ;
জাখি পিনিং নিংকান ক'
জাখি নাংন ন' ফে
ছেৰ মাচৰ নাং ন'
নাজ' পাৰএ ক'।

ভাবাৰ্থ—হে ভেকৰাজ ! তোমালোকৰ অবিৰাম গীতৰ মূৰ্চ্ছনাৰে বৰ্ষাদেৱীক পৃথিবীলৈ নমাই আনা। এয়া যে ন-কৃষিৰ বতৰ। সহস্ৰ দেৱতাৰ সমুখত, আজিৰ পবিত্ৰ দিনত দেৱতালৈ উচৰ্গা কাৰ্য্য সম্পূৰ্ণ কৰিলোঁ। এই মহান উৎসৱৰ সাক্ষী স্বৰূপে গৃহ প্ৰৱেশৰ আগ মুহূৰ্তত এই সোণবৰণী লাংথেবোৰৰ অংগচ্ছেদ কৰিবলৈ ওলাইছোঁ।

হে অংকুৰজাত বাঁহ দেৱতা ! তুমি আমাৰ ত্ৰাণকৰ্তা শ্ৰেষ্ঠতম তৃণ। সেয়েহে তুমি দেৱতাৰো অতি প্ৰিয়তম। অমৃতস্পৰ্শী পানী আৰু দেৱতাৰ আদৰৰ সুৰাক তুমিয়েই ধাৰণ কৰিছা। সমগ্ৰ সংৰিৰ শুভ হ'ব বুলি তুমি যদি ভাবিছা, হে বাঁহ দেৱতা, সহস্ৰ দেৱতাৰ সমুখত তোমাৰ মংগল প্ৰদৰ্শন কৰা।

এনেকৈয়ে গীতফাকি গাই পানী আৰু পোহন মদ ভৰা বাঁহৰ চুটা দীঘল চুঙা,—লাংথেৰ গাৰপৰা এচকলকৈ দুচকল বাঁহ কাটি মাটিত পেলাই দিয়া হয়। বাঁহ দুচকল তলমুৱা হ'লে অমংগলৰ প্ৰতীক ৰূপে গণ্য কৰে আৰু এচকল ওপৰমুখী, এচকল তলমুখী হ'লে মংগলৰ প্ৰতীক বুলি গণনা কৰা হয়; আৰু দুয়োচকল ওপৰমুখী হ'লে মংগল-অমংগলৰ সমতাৰ প্ৰতীক ৰূপে গণনা কৰা হয়।

প্ৰত্যাবৰ্ত্তনৰ এই গীত তিনিফাকিয়ে কৃষিজীৱী কাৰবিসকলৰ ধ্যান-ধাৰণাৰ স্বৰূপ নিশ্চয় প্ৰকাশ কৰিছে। প্ৰকৃতিৰ পৰিৱৰ্তনে কাৰবি কৃষকক সময়ৰ সংকেত দিয়ে। বাঁহ কাৰবি সমাজ-জীৱনৰ এক অপৰিহাৰ্য্য সম্পদ। জন্মৰপৰা মৃত্যু পৰ্যন্ত বাঁহ হ'ল কাৰবিৰ জীৱন-সংগী। Bamboo Civilisation সুন্দৰ নিদৰ্শন এই গীতৰ মাজত প্ৰকাশ পাইছে বুলি ক'ব পাৰি; আৰু, সেয়েহে কাৰবিসকলে বাঁহ গছক দেৱতাৰ শাৰীলৈ তুলি স্তুতি কৰিছে।

দিনটোৰ সামৰণি মাৰিবলৈ ৰজাৰ ৰাজৰ্ম্মত কাথাৰ বুৰাই আন এটি গীত গাব লাগে। এই ফাকি গীত গাওঁতে লিন্দকপ' আৰু ৰৱদিলিৰ লগতে জিৰুইৰ ঠাৰে দুজনা উপস্থিত থাকিব লাগে। গীত ফাকি এনে ধৰণৰ :

হাঈ মূ মান্দুং

নাং জিৰই দ' আতুম
লুনৰি প' আতুম।
ছ'ক্সেং দ' আতুম
কাথাৰ প' আলুন,
আছেক ছেকছি লুন
বাং কৰে কুৰ আলুন।

ইজিৰপেত কেলুন
ছেপিং মাৰেংখ্ং ;
জিৰনি নাং কেলুন
ছেৰ মাঙ্ন থুৰলুন ;
জিৰথম পাচক জুন
ৰৰ কয়ে থকজুং

ভাবাৰ্থ—হে জিৰইবাসী, তোমালোকে হাঙীৰ গীত জুগতো নাগাবা। এয়া গীত হ'চ্ছে বাসীৰহে। কাথাৰ বুৰাইহে ন-বজৰ আহ্বান কৰোঁতে এই গীত গায়। এই গীতৰ মহিমা অপাৰ। ইয়াৰে এফাঁকি গালেই আকাশ মেঘাচ্ছন্ন হৈ পৰে। দুফাঁকি গীত গালেই আকাশ মেঘাচ্ছন্ন হৈ পৰে। তিনি ফাঁকি গীত গালেই বৰ্ষাদেৱীৰ অশ্ৰুৰে পৃথিৱীত প্লাৱনৰ সৃষ্টি কৰে।

হাই-লং তেৰণৰ কাহিনীৰে বৰ্ষাদেৱীৰ অস্তিত্বক এই গীতৰ সহায়ত স্বীকাৰ কৰা হৈছে। ওপৰৰ গীতত মূল কাহিনীৰ পৰিবৰ্তে সেই গীতৰ মহিমাহে প্ৰকাশ কৰা হৈছে। লং তেৰণৰ প্ৰিয়া হাঙী লোকান্তৰৰ শেষত বৰ্ষাদেৱীলৈ ৰূপান্তৰিত হোৱা জন-বিশ্বাসক সামৰি এই গীতৰ কাহিনীক অসাধাৰণ আৰু পৰম পৱিত্ৰ কৰি তোলা হৈছে বুলি ক'ব পাৰি। সেয়েহে জিৰইৰ মাটিৰে ৰূপ পোৱা হাঙীৰ মনোৰম গীতক ৰাজধানীৰ চাৰিবেৰৰ ভিতৰত নি আবদ্ধ কৰি ৰখা হৈছে।

উমৰাছে, উমখেম, আমলং আদি নৈ-জুৰিয়ে আকোৱালি ধৰি থকা কাৰবি ৰাজধানী ৰংচাং-ৰংৰঙৰ পৱিত্ৰ মাটিত এই ৰ'ল' কেতেৰ পূজা অনুষ্ঠানটি আজিলৈকে কোনো ব্যতিক্ৰম নোহোৱাকৈ চলি আছে। এই পৱিত্ৰ অনুষ্ঠানৰ মাজেদি কাৰবিৰ সমাজ, ধৰ্ম দৰ্শন, কৃষ্টি, লোক-বিশ্বাস আনকি জাতিটোৰ বুৰঞ্জীও প্ৰকাশ পাইছে বুলি ক'ব পাৰি। দুৰ্ভেদ্য পাহাৰৰ বুকুত ইমান দিনে লুকাই থকা এই পৱিত্ৰ পূজানুষ্ঠানৰ মাজেৰে পাঠকসকলে এনেবোৰ চিত্ৰ ফুটিয়াই তোলাৰ চেষ্টা কৰা হৈছে। আশাকৰোঁ অনুসন্ধিৎসু লোকে কাৰবি সমাজ-বুৰঞ্জীৰ কথাবোৰ ফুটিয়াই তোলাত যত্ন কৰিব।

# চ'মাংকান আৰু ইয়াৰ তাৎপৰ্য

পৃথিৱীৰ সকলো জাতিৰেই স্বকীয় সংস্কৃতিবোৰ ধৰ্ম-বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই ঠন ধৰি উঠিছে। কাৰবি সংস্কৃতিও মূলতঃ ধৰ্ম-বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত, তাত সন্দেহ নাই। তেওঁলোক প্ৰকৃতি পূজক হ'লেও অসমৰ বিভিন্ন জন-গোষ্ঠীৰ চিন্তাধাৰাৰ এক সংমিশ্ৰিত প্ৰভাৱ কাৰবি সমাজৰ ধৰ্মীয় অনুষ্ঠানৰ ওপৰত পৰা দেখা যায়। তেওঁলোকৰ ধৰ্ম-বিশ্বাসৰ গছজোপা কুকি-চীন জন-গোষ্ঠীৰ চিন্তাধাৰাৰে অংকুৰিত। জুম খেতিৰ মাজেৰে গঢ়ি উঠা কাৰবি সমাজ গাঁথনিত অষ্ট্ৰিক জন-গোষ্ঠীৰ, বিশেষকৈ ছিনতেংসকলৰ প্ৰভাৱে অতি গভীৰভাৱে শিপাই পেলাইছে। বহু শতাব্দী ধৰি ছিনতেংসকলৰ সংস্পৰ্শত থকা হেতুকে কাৰবিসকলৰ ভাষা আৰু সংস্কৃতিত এই প্ৰভাৱ পৰা বুলি ধাৰণা কৰিব পাৰি। অষ্ট্ৰিক দৰ্শনৰ উপৰিও হিন্দু দৰ্শনেৰে পৰৱৰ্তী যুগত পৰিপুষ্ট কাৰবি সমাজ দৰ্শনত 'বৈকুন' (বৈকুণ্ঠ) আৰু 'নৰক'ৰ ছবি পৰিস্ফুত হৈ উঠিল। এই তিনিটা প্ৰধান জন-গোষ্ঠীৰ চিন্তাধাৰাৰে সংমিশ্ৰণ ঘটি এক নতুন ৰূপত কাৰবি সংস্কৃতিৰ গছজোপা পল্লৱিত হৈ উঠিল। কাৰবিসকলৰ 'চমাংকান' উৎসৱতেই জাতিটোৰ কৃষ্টি, সভ্যতা, জীৱন আৰু জগত সম্বন্ধীয় ধ্যান-ধাৰণাই বিকাশ লাভ কৰিছে। এই দৃষ্টিৰপৰা বিশ্লেষণ কৰিলে 'চ'মাংকান' উৎসৱক কাৰবি সংস্কৃতিৰ আত্মা বুলিব পাৰি।

চ'মাংকানৰ শব্দগত অৰ্থ হ'ল, খাছীয়া নৃত্য। সম্ভৱতঃ খাছীয়া ছিনতেং জান্‌তা (জয়ন্তীয়া) সকলৰ ৰীতিৰে মৃতকৰ আত্মা পৰিশুদ্ধি কৰা কাৰ্য্যই 'চ'মাং-কান'। এই ৰীতি অনুসৰি শ্ৰাদ্ধ কৰা কাৰ্য্যক কাৰবিসকলে 'আৰলেং কাৰহি' বোলে। শৱ সংকাৰ কৰা পদ্ধতিবোৰত কুকি-চীন জন গোষ্ঠীৰ লগত কাৰবি-সকলৰ যথেষ্ট পৰিমাণে সাদৃশ্য থকা দেখা যায়। সংকাৰ কৰিবৰ কাৰণে প্ৰয়ো-জনীয় মদপানী আৰু অন্যান্য সা-সৰঞ্জাম প্ৰস্তুত নোহোৱা পৰ্য্যন্ত শটো ঘৰৰ ভিতৰৰ 'কুত্' নামৰ কোঠালিত বহু দিনলৈকে ৰাখি থোৱাৰ ৰীতি কাৰবিসকলেও অতীজতে পালন কৰিছিল। এই ৰীতি অষ্ট্ৰিক জনগোষ্ঠীৰ মাজতো দেখা যায়। কাৰবি চ'মাংকানতো কুকুৰা, গাহৰি আদি মৃতকৰ আত্মাৰ সদগতিৰ অৰ্থে উৎসৰ্গা কৰা প্ৰথা আজিও প্ৰচলিত হৈ আছে।

কাৰবিসকলৰ এই প্ৰাচীন প্ৰথাৰ পৰিবৰ্তে খাচীয়াসকলৰ আহিৰে মৃতকৰ আত্মাৰ সদ্‌গতি কৰাৰ এক বৈপ্লৱিক ৰীতি, 'থিবেং-ৰাবেং' নামৰ সমাজ সংস্কাৰকজনে প্ৰবৰ্তন কৰিছিল। ফলস্বৰূপে, শৱসংকাৰ কাৰ্য্য অযথা পৰমৰপৰা কাৰবি সমাজে মুক্তি পালে আৰু পৰিয়ালৰ সুচল অৱস্থাত চ'মাংকান পাতি ঢোলে দগৰে মৃতকৰ আত্মাক যমপুৰীলৈ আগবঢ়াই দিয়াৰ ৰীতি প্ৰচলিত হ'ল। এইয়েই 'চ'মাংকান'।

এই চ'মাংকান তিনি ধৰণৰ, ১। কান্‌-ফ্লাফ্লা, ২। লাংটুক, আৰু ৩। হাৰনে। কান্‌-ফ্লাফ্লা সাধাৰণ শ্ৰেণীৰ উৎসৱ। ঘৰৰ সমুখৰ চোতালখনেই এই শ্ৰেণীৰ চ'মাংকানৰ স্থলী। এই শ্ৰেণী উৎসৱত নাদ বা শিল থিয়কৈ ৰখাৰ নিয়ম পালন কৰা নহয়। বাকী 'লাংটুক' আৰু 'হাৰনে' উচ্চ শ্ৰেণীৰ চ'মাংকান মৃতকজনৰ সামাজিক স্বীকৃতি নাথাকিলে এই শ্ৰেণীৰ চ'মাংকান পাতিবলৈ সমাজে অনুমতি নিদিয়ে। এই শ্ৰেণী চ'মাংকানৰ নৃত্যৰ চোতালখন ঘৰৰপৰা কিছু আঁতৰৰ মুকলি ঠাইত পতা হয়। উৎসৱস্থলীত নাদ খান্দি পূৱ দিশত 'লংএ' (দীঘল শিল) আৰু লংপাক (বহল চেপেটা শিল), প্ৰতিষ্ঠা কৰে। আদ্ধ পাতিবলগীয়া সংখ্যা অনুসৰি লংএ আৰু লংপাকৰ সংখ্যা বাঢ়ে হয়। এই শিলবোৰ মৃত ব্যক্তিৰ প্ৰতিকৃতিৰূপে ধাৰণা কৰা হয় আৰু পুৰুষ স্ত্ৰী ভেদে শিলবোৰত সাজ-পাৰ পৰিধান কৰোৱা হয়। নাদৰ সীমাজাতে 'পনছিক' (এবিধ দীঘল বাঁহ। ইয়াৰ আগ কটা নহয়) মৃত ব্যক্তিৰ প্ৰতীকৰূপে উত্তোলন কৰি ৰখা হয়। নাদটোৰ চাৰিওফালে ময়না, শালিকা, ধনেশ আদি চৰাইৰ নিৰ্মিত প্ৰতীকবোৰ বেৰি থকা কাঠডালত বহুৱাই নাদমুখী কৰি ৰখা হয়। শিলবোৰৰ ঠিক পিচফালে মদাৰ ডাল ৰোপণ কৰা হয়। নাদৰ তলীৰপৰা প্ৰতিকৃতিৰ কাষলৈকে জপনা দিয়া হয়। নাদ খননকাৰ্যৰ তাৎপৰ্য মূলতঃ পৃথিৱীৰ লগত পাতালৰ সংযোগ সাধন অৰ্থাৎ ইহলোকৰ লগত যমপুৰবাসীৰ মিলন-বন্ধ স্বৰূপ বুলি ধাৰণা হয়। আনহাতেদি নাদ খান্দি পশু-পক্ষীৰ তৃষ্ণা গুচোৱাই কাষৰ মদাৰ গছত বহি মৃত ব্যক্তিৰ সুনাম অক্ষুণ্ণ ৰখাৰ প্ৰয়াস বুলি ধাৰণা কৰিব পাৰি। লাংটুক চ'মাংকানতকৈ 'হাৰনে' উৎসৱ অতি খৰচী আৰু সমাজৰ শ্ৰেষ্ঠতম ব্যক্তিয়েহে এই উৎসৱ পতাৰ সন্মান পাব পাৰে। ধনেশ আদি পক্ষীৰ সু-সজ্জিত নাদ এই শ্ৰেণী চ'মাংকানৰ প্ৰতীক।

এই তিনিওবিধ চ'মাংকান তিনিদিন ধৰি পালন কৰা হয়। প্ৰথম দিনাখন

'ৰূ কেহুম' অৰ্থাৎ মৃতকজনৰ অস্থি সংগ্ৰহ কৰা দিন। এইদিনাখন ঢোলৰ ছেৱত ঢাল তৰোৱালেৰে নৃত্য কৰি শ্মশানৰপৰা মৃতকৰ অস্থি বোটলা হয় আৰু বিশেষ নিয়মেৰে বোকোচাত ঘৰলৈ অনা হয়। ঘৰলৈ আনি ধানখেৰৰ প্ৰতিকৃতিত অস্থিডোখৰ ভৰাই মৃত ব্যক্তিজনৰ নশ্বৰ দেহৰ ধাৰণা কৰা হয় আৰু ব্যক্তিজনৰ মৃত্যু দেখুৱাই পূৰ্ব স্মৃতিৰ আহিৰে বৰঘৰৰ কোঠালিত আহাৰ-পানী পৰিবেশন কৰি উৎসৱ শেষ নোহোৱা পৰ্যন্ত শুৱাই ৰখা হয়।

দ্বিতীয় দিনাখনক 'কান্ছ' অৰ্থাৎ সৰু নাচ আৰু শেষৰ দিনাখনক 'কান্পি' বৰ নাচ বুলি কোৱা হয়। তৃতীয় দিনাখনহে উৎসৱৰ জেউতি চৰে। চতুৰ্থ দিনাখন উৎসৱমুখৰ পৰিবেশ নাথাকিলেও 'বান্জাৰ কেচু' কঢ়িয়াই অনা অস্থি পুনৰ পৈত্ৰিক শ্মশান বেদীত অগ্নি সংযোগ কৰি সংকাৰ কৰা কাৰ্য্যবদ্বাৰা শোকাকুল পৰিবেশৰ চ'মাংকান্ উৎসৱৰ সামৰণি মৰা হয়।

চ'মাংকান উৎসৱলৈ দূৰ-দূৰণিৰ গাৱঁৰ ৰাইজে ঢোল, পেঁপা, 'জাম্বিলী আঠন্' আদি সাজ সৰঞ্জামেৰে দলে দলে আহি উৎসৱ পতা গাৱঁৰ বাটচ'ৰাত গোট খায় আৰু অতিথি দলক ঢোলে দগৰে আদৰি অনা হয়। ইয়াকে 'বংকেতং' বোলা হয়।

এই চ'মাংকান উৎসৱৰ মাজেদিয়েই তেওঁলোকে আত্মাৰ অনৰত্বক স্বীকাৰ কৰিছে। এই উৎসৱ নকৰিলে মৃতকজনৰ আত্মাৰ মুক্তি নহয়—এইয়ে তেওঁলোক গভীৰ বিশ্বাস। এনে আধ্যাত্মিক দৰ্শনেৰে অশ্লীল গীত-নৃত্য আদিও চ'মাংকানত স্থান দিয়া হয়। অৱশ্যে চ'মাংকানৰ চ'ৰিৰেৰৰপৰা আঁতৰি আহিলে এই অশ্লীলতা অন্তৰপৰা মচি দিয়া হয়।

এই উৎসৱ মৃত্যুৎসৱ হোৱা হেতুকে আনন্দৰ মাজতো শোকৰ উৰ্মিও দেখা যায়। উৎসৱৰ আৰম্ভণিৰপৰা শেষলৈকে 'অ'চেপী'য়ে (চ'মাংকানৰ নিয়ম জনা গায়িকা) কৰুণ সুৰ সংযোজনা কৰি মৃতকৰ ৰূপ-গুণ আৰু তেওঁৰ কাৰ্যাৱলীৰ বিস্তৃত বৰ্ণনা দাঙি ধৰে। অ'চেপীৰ কৰুণ সুৰে উৎসৱৰ চোতালত দুজিব নোৱাৰা শোকৰ ছাঁ বিয়পায়।

অন্যফালেদি, কাৰ্বি ডেকা-গাভৰু, ল'ৰা-ছোৱালীৰ মাজত নানা গীত-মাতেৰে ঢোলৰ ছেৱত নৃত্য কৰি আনন্দত দিশহাৰা হয়। যিদৰে বিহু বুলিলে অসমীয়া ডেকা গাভৰুৰ প্ৰাণত আনন্দৰ আতিশয্যই দেখা দি গাত শিহৰণ তোলে, সেইদৰে কাৰ্বি ডেকা গাভৰুৰ প্ৰাণতো চ'মাংকানৰ বোমাঞ্চেৰে প্ৰাণ নাচি উঠে।

বিভিন্ন গাঁৱৰ ডেকাসকলে মূৰত 'ৰ'জাৰু আনি' গুজি ঢোল পেঁপা সহ উৎসৱত যোগ দিয়েহি। গাভৰুসকলেও 'জিৰ্-ঈক্' পিন্ধি উৎসৱত অংশ গ্ৰহণ কৰেহি। ডেকাসকলে চ'মাংকানৰ চোতাল সামৰি বৃত্তাকাৰে নৃত্য কৰে আৰু গাভৰুসকলেও ৰীতি অনুসৰি ডেকাসকলৰ লগত নৃত্যত সহযোগ কৰেগৈ। এনে ফু'ল নৃত্যৰ সময়ত ডেকা-গাভৰু হালৰ বৈদ নিৰ্মিলাটো বাঞ্ছনীয়।

চ'মাংকানৰ অ'ন দিশ হ'ল ইয়াৰ চাৰু-শিল্প। বানজাৰ হ'ল যমপুৰীৰ সালংকৃত গৃহ স্বৰূপ। এনে ৰীহৰ ওপৰত কটাৰীৰে বিভিন্ন চিত্ৰ অংকন কৰা হয়। বানজাৰডালত আঁকি দিয়া প্ৰতীকবোৰেই মৃতকজন স্ত্ৰী নে পুৰুষ সহজতে চিনিব পাৰি। বানজাৰৰ কাৰুকাৰ্যই যমপুৰীৰে চিত্ৰকল্প। কাৰবি শিল্পীৰ মনত উদ্ভাসিত হোৱা চিন্তাৰেই সৃষ্টি হোৱা বানজাৰ সেয়েহে অনন্য। তাৰ বাহিৰেও 'জাম্বিলী আঠন' এক উৎকৃষ্ট শিল্প চেতনাৰে সৃষ্টি হোৱা প্ৰতীক। এই প্ৰতীকৰ মাজেৰে সমগ্ৰ কাৰবি সমাজতন্ত্ৰৰ গাঁথনিসমূহ দেখুৱাবলৈ যত্ন কৰা হৈছে। 'ৰুকাচেন' নামৰ পুথিত ইয়াৰ বৰ্ণনা এনেদৰে পোৱা যায় :

কটাৰী মেছি পেন
নাংছয় পাংজাৰ্হি
আংদেংদেং আহি।
প ৰদন ৰ'ৰালি
ছয় তাং'ল' আনৃছি।

অৰ্থাৎ কটাৰীৰে সৈতে মিহিকৈ চাঁচি স্থানানুসৰি 'ৰ'ৰালি' চৰাইবোৰক ডালত বহুৱাই (জাম্বিলী আঠন) সজোৱা হয়। সেইদৰে নাদৰ চাৰিওকাষে কাঠেৰে সজোৱা বিচিত্ৰ চৰাইৰ অলংকৰণে কাৰবিসকলৰ চাৰু-শিল্পৰ প্ৰতি থকা স্বাভাৱিক অনুৰাগ আৰু সৌন্দৰ্য্যপ্ৰীতিৰ আভাস দাঙি ধৰিছে।

ৰুকেতমৰপৰা কানৃপিলৈকে এই তিনিদিন চ'মাংকান উৎসৱ উদযাপনৰ শেষত 'বানৃজাৰ কেকু' অনুষ্ঠানেৰে এজন ব্যক্তিৰ জীৱনৰ পাৰ্থিৱ সংস্কাৰৰ সামৰণি মৰা হয়। বুৰ্টলি অনা অস্থি পুনৰ পৈত্ৰিক বংশৰ 'তিপিত্' অৰ্থাৎ শ্মশান-বেদীত দাহ কৰি তাৰ কাষতেই বানৃজাৰবোৰ সজাই চ'মাংকান উৎসৱৰ পৰিসমাপ্তি ঘটোৱা হয়।

মুঠতে চ'মাংকান উৎসৱত আধ্যাত্মিক চিন্তাধাৰাৰপৰা আদিম মানৱৰ মিলন-বন্ধকৈলৈকে সামৰি, কাৰবি কৃষ্টিৰ প্ৰায়বোৰ দিশৰে প্ৰকাশ পোৱা দেখা যায়।

# ডিমাছা সংস্কৃতি

শ্ৰীমতী নিৰুপমা হাগজেৰ

**কৃষ্টি-সংস্কৃতি :**

পৃথিবীৰ যি কোনো জাতিৰে কৃষ্টি-সংস্কৃতিৰ পৰাহে এটা জাতিৰ প্ৰকৃত পৰিচয় পোৱা যায়। ডিমাছা সকলৰ নিজস্ব কৃষ্টি আছে।

ডিমাছা সকলৰ প্ৰকৃত কৃষ্টিৰ কথা কবলৈ গলে তেওঁলোকৰ কৃষ্টি উত্তৰ কাছাৰ আৰু ডিজোৱাতহে (বৰ্ত্তমান মিকিৰ পাহাৰ) জীয়াই আছে। ডিমাছা পুৰুষ সকলে কাম-কাজ কৰি থকা কালত আৰু তিৰোতা সকলে কাপোৰ বৈ থকা কালত মনত গীতৰ ঢৌ উঠিলে গীত গায় সঁচা, পাছে প্ৰকৃত নাচ-গান বাজনাৰ সময় কাতি মাহৰ পৰা ফাগুনলৈকেহে। সেই সময়ত প্ৰত্যেক ঘৰৰ ভঁৰালত ধান ভৰি থাকে। গতিকে দৈনন্দিন আহাৰৰ বাবে চিন্তা নাথাকে। বিহু পালন কৰাৰ সময় কাষ চাপে। মদে মঙহে খাই মনৰ আনন্দৰে বুঢ়ী সকলে বিহু গায়, ডেকা-গাভৰু সকলে বিহু নাচে। ডিজোৱা অঞ্চলৰ (১) হাজুবানী (গুণিসিঁচা) (২) মাইনাওবানী (মৰণামৰা) নাচ অতি চমৎকাৰ। উত্তৰ কাছাৰৰ লোক সকলৰ ভিতৰত জাওৰা, মাডাঙ্গী, ধুলুঙ্গা, জুবাও লাজাবা আৰু 'মাজাংডিনী" আদি কেবা ধৰণৰ বিহুনাচ আছে। ডিজোৱা অঞ্চলৰ লগত অলপ পাৰ্থক্য থকা দেখা যায়। বিহুনাচৰ সময়ত অসমীয়া বিহুনাচৰ দৰে গীত গায়, কিন্তু নানাচে। অকল বাদ্য যন্ত্ৰৰ বাজনাৰ তালতেই নাচনী সকলৰ মন নাচি উঠে, ফলত নাচিবলৈ ধৰে। ডিমাছা সকলৰ বাদ্য যন্ত্ৰৰ ভিতৰত খ্ৰাম (মাদল) আৰু মূড়ী (দীঘল বাঁহী) এই দুটাই প্ৰধান। খ্ৰাম বজোৱা আৰু মূড়ীৰ ধ্বনি ওলোৱাৰ লগে লগে তাৰ লগত তাল মিলাই ডেকা-গাভৰু সকলে নাচিবলৈ ধৰে। ডেকা-গাভৰুৱে মূড়ীৰ ধ্বনিৰ অৰ্থ বুজি পায়। গতিকে মূড়ীৰ অৰ্থ অনুসৰণ কৰি ভিন্ ভিন্ তালেৰে নাচিবলৈ ধৰে। নাচৰ সময়ত ডেকা সকলে মালকোচা দি চুৰিয়া আৰু বগা দীঘল হাতৰ কামিজ পিন্ধে। জাৰৰ দিনত কলা কোট ওপৰত পিন্ধি লয়, মূৰত পাগুৰি মাৰে। গাভৰু সকলে ৰঙ-বিৰঙৰ ৰিগু, ৰিজাম্পাই ৰিকাউছা পিন্ধে। আজি কালিৰ গাভৰুৱে ব্লাউজো পিন্ধে।

উত্তৰ কাছাৰত 'হাংচেউ মানাওবা'' বুলি এটা ডাঙৰ বিহু উৎসৱ পালন কৰে। এই উৎসৱ পালন কৰোতে এসপ্তাহ সময় লাগে। আঘোণৰ পৰা শেষলৈকে দিনে ৰাতিয়ে বাজনা বদ্ধ নোহোৱাকৈ বাজি থাকে আৰু দল দলনা- সগনি কৰি নাচি থাকিব লাগে। এই উৎসৱত নগা সকলৰ কৃষ্টিৰ প্ৰভাৱ সোমাই পৰিছে বুলি বিশ্বাস। "হাংচেউ" মানে নগা ভাষাত ডেকাদল। ভাব গুৰি বিচাৰি গলে জানিব পাৰি যে, উত্তৰ কাছাৰত ৰাজৰ কালত ডিমাছাই এজনী নগা তিৰোতা বিয়া কৰাইছিল। উক্ত ৰাণীৰ প্ৰৰোচনাত ৰজাই নগালেণ্ডৰ কহিমাত ডেকা দলক নগাকৃষ্টি শিকিবলৈ পঠিয়াইছিল। তাৰেই ফলত 'বাগাউবা' "হাউবা" আদি নগা কৃষ্টিৰ পৰাই সোমাইছে বলি ভাবিবৰ থল আছে।

"হাংচেউ মানাউবা" উৎসৱ পালন কৰিবলৈ হ'ল বাৰ মাহ আগৰে পৰা সিদ্ধান্ত ল ব লাগে আৰু লাহে লাহে আয়োজন চলাই থাকিব লাগে। গাঁৱৰ মাজত কোনোবাই হাজিৰা কাম কৰিব দিলে গোটেই ডেকা-গাভৰু সকলে হাজিৰা কাম কৰে আৰু হাজিৰা কাম কৰি পোৱা টকা সঞ্চয় কৰি ৰাখে। গোটেই বাৰিষা ডেকা-গাভৰু সকলে মাজে সময়ে হাজিৰা কাম কৰি টকা সঞ্চয় কৰে। বিহুৰ সময় আগবাঢ়ি আহিলেই কমেও এমাহ আগতে বিহু উৎসৱ পালন কৰাৰ দিন ঠিক কৰি লয়। লগে লগে "গাজাইবাউ' ঠিক কৰে। (গাজাইবাও মানে যাৰ ঘৰৰ চোতালত বিহুতলী কৰিব তাৰ গিৰিহঁতনী। গাজাইবাউ শব্দ ও নগা ভাষাৰ শব্দ)। বিহুৰ দিন ওচৰ চাপি আহিলে সকলো কাম উক্ত "গাজাইবাউৰ" ঘৰত হয়। গাজাইবাউ অতি ধৈৰ্য্যশীল হব লাগে, নহলে গাজাইবাউ হোৱাৰ উপযুক্ত নহয় বুলি ডেকা-গাভৰু সকলে বদনাম দিয়ে। এমাহ আগৰে পৰা ডেকাগাভৰু সকলৰ খেল-ধেমালি, অহা-যোৱাৰ উৎপাত সহ্য কৰি থাকিব লাগে। মনত হাজাৰ বেয়া পালেও হাঁহি মাতেৰে তেওঁ বিনাকষ্ট লগত কথা পাতিব লাগে।

হাংচেউ মানাউবা বিহু উৎসৱত মানুহ গোট খায়। গাঁৱৰ ডেকা-গাভৰু সকলে দূৰণিৰ সম্বন্ধীয়া মানুহক নিমন্ত্ৰণ কৰে। গতিকে যথেষ্ট পৰিমাণৰ মঙহৰ প্ৰয়োজন হ'ব বুলি ম'হ কাটে। ম'হৰ মঙহ নোখোৱা সকলৰ কাৰণে আৰুকৰ মতে গাহৰী, কুকুৰাৰ মঙহো যোগাৰ কৰে। প্ৰচুৰ পৰিমাণৰ জু-ৰ প্ৰয়োজন হয় বাবে কমেও ১৫/২০ মোন চাউলৰ জু-বনায়। গতিকে গাঁৱৰ গাভৰু সকলে এমাহ আগৰে পৰা ধান-খুন্দা জু বনোৱা ইত্যাদি কামত ব্যস্ত হৈ পৰে। বিহুৰ

প্ৰায় ১৫ দিনমান আগতেই বিহুত কাটিব লগীয়া ম'হৰ টানি আনি গাঙাই-বাউৰ চোঁতাললৈ অনাৰ নিয়ম। গতিকে গাঁৱৰ মুখত ফাংস্লা (তোৰণ) সাজে। ডিমাছা সকলৰ ফাংস্লা সজাৰ কৌশলো চাবলগীয়া। ফাংস্লাৰ তলেদি ম'হৰ টানি আনি গাঁৱত সুমুৱায়। সিদিনা ফাংস্লাৰ ঠাইত ডেকা-গাভৰু সকলে নাচিব লাগে আৰু গাঁৱত সুমুৱাৰ পাছত গাঙাইবাউৰ চোতালত নাচিব লাগে। তাৰ পাছত বিহুৰ দিন আহি নোপোৱালৈকে গাঁৱৰ ডেকা-গাভৰু সকলে ম'হটো অতি যত্নৰে ৰাখে। বিহু আৰম্ভ হোৱাৰ আগদিনা আবেলি ম'হটো কাটে। তাকে ছটাইবা বুলি কয়। সিদিনাৰ পৰা গান মণ্ডী বজোৱা আৰম্ভ হয় আৰু ই এসপ্তাহলৈকে চলি থাকে। খোৱা বস্তুৰ ভিতৰত মদ, মঙহেই প্ৰধান। তাৰ লগত বৰা ভাত খাবলৈ পায়। বৰাভাত খাব নোৱাৰা সকলে ভাত খায়। ডেকা-গাভৰু সকলে চোতালত নাচত ব্যস্ত থকা সময়ত বুঢ়া-বুঢ়ী সকলে ঘৰৰ ভিতৰত বহি গীতেৰে তৰ্কা-তৰ্কী কৰে। নাচ চাই থকা বয়সস্থ সকলে ডেকা গাভৰুৰ নাচ চাই উদগনি দি থাকে।

কাছাৰৰ ডিমাছা সকলৰ মাজত বিহুনাচৰ প্ৰচলন নাইকিয়া হৈছে বুলি কব পাৰি। এয়া নিশ্চয় বঙালী সকলৰ প্ৰভাৱত পৰি হৈছে। অৱশ্যে ভিতৰুৱা কোনো গাঁৱত এতিয়াও চৰ্চা ৰাখি আছে বুলি জনা যায়। উত্তৰ কাছাৰত ৰজাৰ ৰাজত্ব কালত যেনেকৈ নগাৰাণীৰ প্ৰবোচনাত ডিমাছা কৃষ্টিৰ লগত নগা কৃষ্টি সোমাই পৰিছে তেনেকৈ কাছাৰতো মহাৰাজ কৃষ্ণচন্দ্ৰৰ ৰাণী ইন্দুপ্ৰভাৰ (মণিপুৰৰ ৰাজ-কন্যা) প্ৰবোচনাত মণিপুৰী কৃষ্টি সোমাই পৰিছে। কাছাৰৰ ডিমাছা সকলে এতিয়াও চৰ্চা কৰা "মহাৰাস লীলা" জোলি নাচ আদিৰ মণিপুৰী কৃষ্টিৰ লগত হুবহু মিল আছে। মহাৰাজ কৃষ্ণচন্দ্ৰ নাৰায়ণৰ কনিষ্ঠ ভাতৃ ডিমাছা সকলৰ শেষ ৰজা মহাৰাজ গোবিন্দ চন্দ্ৰই "গোবিন্দ কীৰ্ত্তন" নামেৰে মহাৰাস লীলাৰ গীত ৰচনা কৰি থৈ গৈছে। তাৰ পৰাই কাছাৰৰ ডিমাছা সকলে মহা ৰাস লীলা জোলি নাচ আদি শিকে।

## ডিমাছা কছাৰী সকলৰ নিয়ম:

কিংবদন্তীৰ পৰা জনা যায় যে, ডিমাপুৰত ৰাজত্ব কৰা কালত ডিমাছা সকলৰ প্ৰথম "চেমফং" জুলুৰ নাম সৃষ্টি হয়। প্ৰথমতে মাত্ৰ সাতোটা চেমফং আৰু ৭ টা জুলুৰ নাম গঠিত হৈছিল। তাৰ পাছত বৃদ্ধি পাই বাৰটা চেমফং

আৰু বাৰটা জুলুত পৰিণত হয়। মাইবাঙত ৰাজত্ব কালত আৰু বৃদ্ধি পায়। পাছে কিমানলৈকে বৃদ্ধি পাইছিল তাপকৈ জনা ন'যায়। আটাইতকৈ পাছত খাচপুৰত (কাছাৰত) ৰাজধানী থকা কালত মহাৰাজ কৃষ্ণচন্দ্ৰ নাৰায়ণৰ সময়ত ৪০টা চেমফং আৰু বিয়াল্লিস টা জুলৰ নাম জনা যায়। সেই সমূহ উল্লেখ কৰা হ'ল।

## চল্লিচ চেমফঙৰ নাম

১। বিপাসগাউ (হাস্নচা বা হাছেংছা)
২। বিপা পাৰাইন (হাফলংবাৰ)
৩। বাভিযুং (লাম্পু)
৪। বাদেৰ ভাগিযা
৫। আৰ্জঙ
৬। নিপেৰফাং
৭। ডিপু
৮। হাগজেৰ
৯। খাওচন
১০। ফং লো ডাওগা
১১। ছেংযুং
১২। ভাওলা গাজাও
১৩। ডাওলা গুপু
১৪। হোজাই
১৫। কুমপ্ৰাই
১৬। জিগজুং
১৭। বড়ো (বাটাৰী)
১৮। আখেৰ
১৯। বাইংডো
২০। গাইনি (নাইডিং)
২১। হাপিলা
২২। ডিজৰা

## বিয়াল্লিশ জুলুৰ নাম

১। সাইকুডি জুলু।
২। বঙ্গাইমাঃ গেডৰ।
৩। পাছাইডি গেডৰা।
৪। মাইবং পাছাইডি।
৫। ছামদেপ সগাউ।
৬। ছাগাগুছং পাৰাইন।
৭। হামসাই গুমুনডি।
৮। বাজসাইমা গেডেৰ।
৯। মাইবং গেডেৰা।
১০। মিযুংমা গেডেৰা।
১১। মাইবং প্ৰাইছং।
১২। ছাইডিমা গেডেৰ।
১৩। বাজসাইনা কাছেৰা।
১৪। মাইবং গেডেৰা।
১৫। মিযুংমা ডাওগা।
১৬। মাইবং গেডেৰা
১৭। ছাইডিমা ডাওগা।
১৮। মাইবং ডাওগা।
১৯। মাইবং মাঃ গেডেৰা।
২০। মাই বং গেডেৰা।
২১। মাইবং কাছেৰা।
২২। মাইবংমা গেডেৰা।

| | |
|---|---|
| ২৩। ডাওভুং লাংটা | ২৩। মাঙ্গৰং গেডেৰা। |
| ২৪। থাৰিগাব | ২৪। ছাইডিমাঃ। |
| ২৫। জহৰা | ২৫। ৰণ ছাইডি। |
| ২৬। হা'ছাম | ২৬। বাঙ্গলাইমাঃ। |
| ২৭। না'বেন | ২৭। মাঙ্গৰং। |
| ২৮। ডিব্রাগেডে | ২৮। মিয়ুং কাছেবা। |
| ২৯। লাংটা ডাওগা | ২৯। মাঙ্গৰং কাছেবা। |
| ৩০। গি'ৰিঃ (লং মাঙ্গলাই) | ৩০। মাঙ্গৰং। |
| ৩১। পৰ্ব্বত | ৩১। মাঙ্গৰং কাছেবা। |
| ৩২। মাইৰং | ৩২। ছাঙ্গডিমা কাছেবা। |
| ৩৩। জহৰি | ৩৩। ছাঙ্গডিমা কাছেবা। |
| ৩৪। ছুংফাং (পূৰুছাং, ওৰাৰীচাং) | ৩৪। মাঙ্গৰেং মাঃ। |
| ৩৫। গলছা | ৩৫। মাইৰং কাছেবা। |
| ৩৬, হাকমাও | ৩৬। ডিয়ুংমা। |
| ৩৭। ম্রাম | ৩৭। ছাঙ্গডিমা কাছেবা। |
| ৩৮। জবাম্বু | ৩৮। মাঙ্গৰং। |
| ৩৯। লাফটাই | ৩৯। মাঙ্গৰং কাছেবা। |
| ৪০। লাওবাংডি | ৪০। কুম্ভাসী। |
| | ৪২। বাঙ্গৰেংছাঃ। |

ওপৰোক্ত চল্লিশটা চেমফং আৰু বিয়াল্লিশটা জুলু বাটি যোৱাৰ সম্পৰ্কে লোক পৰম্পৰা আছে যে, বৰ্মাই ৰাজকোষৰ অৰ্থবৃদ্ধিৰ উদ্দেশ্যে চেমফং-জুলুৰ বৃদ্ধি কৰিছিল। জনামতে প্ৰত্যেক বছৰতেই খাচপুৰ ৰাজধানীত চেমফং জুলুৰ বছৰেকীয়া অধিবেশন বহিছিল। তেতিয়া গোটেই ডিমাছা সম্প্ৰদায়ৰ মুখীয়াল মতা তিৰোতা সকলে খাচপুৰত গৈ উপস্থিত হৈছিল। নগাওঁ জিলাৰ আৰু জিজোৰা অঞ্চলৰ ডিমাছা সকলে কপিলী নৈ আৰু পাছত ডিয়ুং নৈত নাৱেৰে উজাই গৈছিল। তাৰ পাছত উত্তৰ কাছাৰৰ বৰ্তমান তিতাজী খে ঘাটৰ অনপ উজনীত গৈ নাৱৰ পৰা নামি বৰাইল পৰ্ব্বত খোজ কাঢ়ি পাৰহৈ খাচপুৰ ৰাজধানীলৈ গৈছিল। এনে যাত্ৰাত জুলগুহ মান সময় লাগে বুলি বয়োবৃদ্ধ সকলে কয়।

যি সকলে চেমফং ভুক্ত আৰু জুলুম ভুক্ত হবলৈ বিচাৰে তেওঁবিলাকে ৰাজকোষত টকা, সোণ, হাতীদাঁত ইত্যাদি আগবঢ়াই চেমফং জুলু ভুক্ত হ'ব পাৰিছিল। চেমফং জুলুৰ হ্ৰাস বৃদ্ধি কৰাৰ ক্ষমতা "চেমডিকুনাং" উপাধি পোৱা এজন ক্ষমতাশীল বিষয়াৰ ওপৰত আছিল। চেমফং বৃদ্ধি কৰিবলৈ হলে চেমডিকুনাংএ ৰজাৰ লগত আলোচনা কৰি সিদ্ধান্ত লৈ চেমফং বৃদ্ধি কৰিছিল। জুলুৰ বৃদ্ধিও তেনেকৈ কৰিছিল। বছৰেকীয়া অধিবেশনত ৰজা-ৰাণী দুজনেই উপস্থিত থাকি ৰজা সোঁকালে আৰু ৰাণী বাওঁকালে বহি আগন্তুক সকলৰ বহা মেলা লক্ষ্য কৰিছিল বুলি জনা যায়। ৰজাৰ ফালে পুৰুষ আৰু ৰাণীৰ ফালে তিৰোতা সকলে শাৰী পাতি বহিছিল। যি সকল মুনিহ তিৰোতাই অধিবেশনত বহিবলৈ আসন পাইছিল তেওঁবিলাকে চেমফং আৰু জুলুৰ নাম পাইছিল। বহুতেই নোপোৱাকৈও আছিল। যিয়েই নহওক ওপৰোক্ত বিবৰণ চিন্তা কৰি চালে ইয়াকেই ধাৰণা কৰিব কৰিব পাৰি যে ডিমাৰজাৰ ৰাজত্ব কাল আৰু দীঘলীয়া হৈ থকা হলে বোধ হয় ইমান দিনে এছেজাৰমান চেমফং জুলুৰ নাম পালেঁহেঁতেন। পাছে দুৰ্ভাগ্যবশতঃ ডিমাৰজা মহাৰাজ শ্ৰীশ্ৰীগোবিন্দচন্দ্ৰ নাৰায়ণৰ পাছৰ পৰা ৰজা নাইকিয়া হৈ পৰিল। লগতে ডিমাছা সকলৰ মান-সম্মান নাইকিয়া হ'ল আৰু উন্নতিৰ বাট নোহোৱা হ'ল, বৈ গ'ল মাথোন স্মৃতি।

ওপৰোক্ত চেমফং আৰু জুলুৰ প্ৰচলন এতিয়াও জীয়াই আছে। উত্তৰ কাছাৰৰ ডিমাছা সকলে বৰ্ত্তমানেও নিজৰ চেংফঙৰ নাম উল্লেখ কৰে। কাছাৰৰ ডিমাছা সকলে উমৈহতীয়া ভাৱে "বৰ্মন" লিখে। পাছে ল'ৰা-ছোৱালীৰ বিয়া দিবলৈ হলে প্ৰথমতেই চেমফং জুলুৰ খবৰ এতিয়াও ৰাখে কিয়নো নিজৰ চেংফঙৰ ছোৱালীক বিয়া কৰিব নাপায়। তেনেকৈ নিজৰ জুলুৰ ল'ৰা-ছোৱালীৰ ভিতৰতো বিয়া নহয়। গতিকে বিয়াৰ সম্বন্ধ পাতিবলৈ গলে প্ৰথমতেই চেমফং জুলুৰ বিচাৰ লবই লাগিব। যেনে হাগজেৰ চেমফঙৰ ছোৱালী হাগজেৰ চেমফং বুলি জনাজাত ল'ৰাৰ লগত বিয়া হ'ব নোৱাৰে। থাওচেন চেমফঙৰ ছোৱালী থাওচেন চেমফংজাত ল'ৰাৰ লগত বিয়া হ'ব নোৱাৰে। তেনেকৈ ছোৱালী বিলাকৰ ভিতৰতো ডিয়ুংমা জুলুৰ ছোৱালী ডিয়ুংমা জুলুজাত ল'ৰাৰ লগত বিয়া হব নোৱাৰে। কাৰবাৰ এনে নিয়মৰ ব্যতিক্ৰম ঘটিলে বা ল'ৰা-ছোৱালীৰ মাজত ভাল পাই পলাই গলে যি ঘৰ এৰে তাকে সমাজচ্যুত কৰে। নতুবা পৰাপক্ষত উভয়ক এৰা এৰি কৰিবলৈ বাধ্য কৰে।

আজি কালি শিক্ষিত হৈ উঠা ডিমাছা সম্প্ৰদায়ৰ পৰিয়ালত ঘৈনীয়েক সকলে স্বামীৰ কুলৰ নাম বা চেমফঙৰ নাম লিখে। পাছ ই অৱশ্যে সংগত নহয়। কিয়নো ডিমাজু সকলৰ প্ৰত্যেকৰেই নিজৰ জুলুৰ নাম পৃথক ভাবে আছে। এজন ডিমাজুৰ লগত আন এজনীৰ দেখা সাক্ষাৎ হলে প্ৰথমতে কি জুলু তাৰহে খবৰ লয়। আগতে উল্লেখ কৰাৰ দৰে বিয়াৰ সম্বন্ধ কৰিব লগা হলে প্ৰথমতেই কি চেমফঙৰ বা কি জুলু তাকহে অনুসন্ধান কৰে। তেনে ক্ষেত্ৰত অকল পুৰুষ সকলৰ চেমফঙৰ নাম উল্লেখ কৰিবলৈ যোৱাটো প্ৰকৃততে উচিত নহয়।

ডিমাছা ডিমাজু সকল খাচিয়া আৰু টিৱা সকলৰ দৰে মাতৃপ্ৰধান জাতি নহয়। খাচিয়া সকলৰ ভিতৰত মাক যদি খংকাই উপাধিধাৰী বা খংকাই গোষ্ঠীৰ হয় তেনেহলে ল'ৰা ছোৱালীৰ উপাধিও খংকাই হব। টিৱা সকলৰো ঠিক তেনেকুৱাই। আনহাতে কাৰ্বি আৰু গাৰো সকল পিতৃপ্ৰধান জাতি। যেনে চাংমাৰ ছোৱালী মোমিনৰ লগত বিয়া হলে বিয়াৰ পাছতো ছোৱালীয়ে চাংমাই লিখিব। তেনেকৈ মোমিনৰ ছোৱালীয়ে বিয়াৰ পাছত মোমিনেই লিখে। কাৰ্বি সকলৰ ভিতৰতো একেই। টেৰাঙৰ ছোৱালী টেৰণ নাইবা বংপীৰ লগত বিয়া হলেও টেৰাংপি লেখিব। বংপীৰ ছোৱালী সকলে টেৰাঙ নাইবা আন উপাধি ভুক্ত সকলৰ গলত বিয়া হলে বংপীপি লিখিব। "পি" মানে কাৰ্বি ভাষাত ছোৱালীক বুজায়।

এই বিষয়ত ডিমাছা সকলৰ নিয়ম সম্পূৰ্ণ বেলেগ। তেওঁলোকৰ নিয়মত ল'ৰাই পিতাকৰ চেমফঙৰ উপাধি পাব আৰু ছোৱালীয়ে মাকৰ জুলুৰ উপাধি পাব। ধৰা হওক; লাংটাছা চেমফঙৰ লগত যদি ছাইডিমা জুলু ভুক্ত ছোৱালীৰ বিয়া হয়, তেওঁলোকৰ ল'ৰা-ছোৱালী হলে ল'ৰা লাংটাছা চেমফঙ আৰু ছোৱালী ছাইডিমা জুলুভুক্ত হ'ব। তাৰমানে ল'ৰাই পিতৃকুলত থাকিব, ছোৱালীয়েও মাকৰ কুলত থাকিব। বৰ্তমানৰ শিক্ষিত ডিমাজু সকলে বিয়াৰ পাছত স্বামীৰ চেমফঙৰ নামে চিনাকি দিলেও নিজৰ সমাজত বহিলে নিজৰ জুলুৰ নামেৰেহে চিনাকি দিয়ে। আনকি ল'ৰা বিলাকৰ সুনাম-দুনাম হলে চেমফঙ সকলৰ সুনাম-দুনামৰ প্ৰশ্ন আহি পৰে। সেইদৰে ছোৱালীয়ে কিবা দোষণীয় কাম কৰিলে জুলুজাত তিৰোতা সকলে বদনাম হোৱা বুলি ভাবে।

আন এটা উদাহৰণ দিওঁ। দুৰ্ভাগ্যক্ৰমে কোনোবা পৰিয়ালৰ যদি ল'ৰা-ছোৱালীৰ মাক বাপেক ঢুকায় তেনে ল'ৰা বিলাকক পোহপাল কৰাৰ কাৰণে

চেমফং সকলে লৈ যাব পাৰে আৰু ছোৱালী বিলাকক মৃতকৰ জুলু সকলে লৈ যাব পাৰে। সেইমতে সা-সম্পত্তিৰ উত্তৰাধিকাৰী হয়। যেনে—পিতাকৰ সম্পত্তি বা পুৰুষ সকলৰ কা-কাপোৰ বস্ত্ৰ-বাহানি ল'ৰাই পাব, ছোৱালী বিলাকে তেনেকৈ মাকৰ কাপোৰ বোৱা আহিলা, মাকৰ কাঁহী বাটি, গাকে যৈ বোৱা তিৰোতা মানুহৰ কাপোৰ পায়। গহনা-পাতিবোৰ ছোৱালীয়ে পায়। থাকিয়া সকলৰ দৰে কনিষ্ঠা ছোৱালীয়ে মাক-দেউতাকৰ সম্পত্তিৰ অধিকাৰী হব নোৱাৰে। জ্যেষ্ঠ-জ্যেষ্ঠা, কনিষ্ঠ-কনিষ্ঠা যিয়েই নহওক সকলোৱে মাক দেউতাকৰ সম্পত্তিৰ ভাগ পায়। পাছে বুঢ়া মাক বাপেকক যি খুৱাই-বুৱাই জোৰক কৰে সিয়েই আটাইতকৈ বেছিভাগ সম্পত্তি পায়।

ডিমাছাৰ চেমফঙৰ জুলুৰ নিয়ম ইমান কটকটীয়া যে কোনোবা নিঃসন্তান বুঢ়া বুঢ়ী বহুতো সম্পত্তি পৈ ঢুকালে বুঢ়াৰ সম্পত্তি চেমফং সকলে পাব আৰু বুঢ়ীৰ সম্পত্তি জুলু সকলেহে পাব। আজি কালি অৱশ্যে যুগ পৰিবৰ্ত্তনৰ লগে লগে ওপৰোক্ত নিয়মো শিথিল হ'বলৈ ধৰিছে

## ডিমাছা ৰীতি-নীতি :

ডিমাছা সমাজত স্বামীৰ ককায়েকৰ (বৰজনা) গাত ভায়েকৰ ঘৈণীয়েকৰ হাত লাগিব নাপায়। সেইদৰে ঘৈণীয়েকৰ বায়েকৰ গাত গিৰিয়েকৰ হাত লাগিব নাপায়। বিশেষকৈ গিৰিয়েকৰ ককায়েকৰ গাত গা লগা বা ককায়েক ভায়েকৰ ঘৈণীৰ গাত গা লগা ডাঙৰ দোষৰ ভিতৰত পৰে। তাকে ডিমাছা সকলে "বুওৰাই" বুলি কয়। গতিকে যি ঘৰত বুওৰাই সম্বন্ধ লগা মানুহ আছে বুলি জানে তেওঁ দুৱাৰদলি পালেই গল খেকাৰি মাৰি নাইবা ল'ৰা-ছোৱালীক নাম ধৰি মাতি বুওৰাই অহাৰ গম দিয়ে। ল'ৰা-ছোৱালী নথকা মতা তিৰোতাৰ বুওৰাই হলে দুৱাৰদলিত থিয় দি "ব্ৰাও নহাঃ দংথি" বুলি মাতিব। মানে ব্ৰাও ঘৰত আছেনেকি বুলি সুধিব। তাৰমানে হঠাৎ ঘৰত সোমাই গলে অসাৱধানতা বশতঃ গাত গা লাগি যব পাৰে। গতিকে আগতীয়াকৈ সাৱধান হয়। "ব্ৰাও" বা ব্ৰাও ডিমাছা সকলৰ সন্মানসূচক সম্বোধন। সেই বুলি সন্মানিত ব্যক্তি মাত্ৰেই তেনে সম্বোধন কৰিব নোৱাৰে। শাহু-শহুৰৰ লগত বোৱাৰী আৰু জোঁৱাই আৰু বুওৰাই সম্বন্ধ লগা মানুহৰ ভিতৰত মাথোন এই নিয়ম বাধ্যতামূলক। বুওৰাই এ বুওৰাইৰ গাত হাত দিব পাৰে যদি কোনো ডাঙৰ ঘটনা

ঘটে। ধৰিবোৱাহওক ডাঙৰ ককায়েকজন ডাঙৰ ওজা। ইপিনে সৰু ভায়েকৰ ঘৈণীয়েকৰ কিবা টান অসুখ হ'ল। এতিয়া ডাঙৰ ককায়েকে হাত দি চালেহে ভাই বোৱাৰীৰ চিকিৎসা হয়। তেনে ক্ষেত্ৰত বুঢ়াইয়ে বুঢ়াইৰ গাত হাত দিব পাৰে। তাকো গুৰুজন সন্মুখত থকা অৱস্থাত সকলোকে সাক্ষী কৰি আৰু এই অপৰাধ ইচ্ছাকৃত নহয় বুলি ঈশ্বৰৰ ক্ষমা প্ৰাৰ্থণা কৰি ভাইবোৱাৰীৰ গাত হাত দি চিকিৎসা কৰে। তাকে সমাজেও দোষণীয় বুলি নধৰে। টিৱা সকলৰ দৰে নাইবা বিহাৰী সকলৰ দৰে মোমা-শহুৰৰ গাত হাত লগা বা ভাগিন বোৱাৰীৰ গাত হাত লগাক ডিমাছা ডিমাজু সকলে দোষণীয় বুলি নধৰে। বৰং বোৱোৱীয়েকে মোমা-শহুৰৰ লগত সৰু সুৰা ৰং ধেমালি কৰিব পাৰে।

## বৰ্মন :

কাছাৰ জিলাৰ ডিমাছা সকলে "বৰ্মন" উপাধি লেখে। পাছে উক্ত বৰ্মন উপাধিৰ প্ৰচলন আশী বছৰৰ বেচি হোৱা নাই। বয়োবৃদ্ধ সকলৰ পৰা জানিব পাৰি যে, ডিমাৰজা গোবিন্দ চন্দ্ৰৰ ১৮৩০ চনত মৃত্যু হোৱাৰ পাছতে কিছুমানে বৰুৱা, বেজবৰুৱা, বৰবৰুৱা, বেজলস্কৰ, লস্কৰ, চৌধুৰী আদি উপাধি ব্যৱহাৰ কৰিবলৈ ধৰে। অৱশ্যে ১৭৯০ চনত মহাৰাজ শ্ৰীকৃষ্ণচন্দ্ৰ নাৰায়নে প্ৰয়াগত প্ৰায়শ্চিত্ত হোৱাৰ পাছতে "বৰ্ম" আখ্যা গ্ৰহণ কৰিবলৈ ব্ৰাহ্মণ সকলে ৰজাক পৰামৰ্শ আগ বঢ়াইছিল। পাছে তাৰ প্ৰভাৱ বিয়পি পৰা নাছিল। কেবল ৰাজ পৰিয়ালতহে ব্যৱহাৰ হৈছিল। বৰ্মন আখ্যাৰ প্ৰভাৱ জনসাধাৰণৰ মাজত বিয়পি পৰিবলৈ কমেও ৫০ বছৰমান সময় লাগিছিল। কালক্ৰমত ব্ৰাহ্মণ সকলৰ প্ৰৰোচনাত ডিমাছা সম্প্ৰদায়ৰ ভিতৰত "বৰ্মন" সকলৰ শ্ৰেষ্ঠতাৰ প্ৰলোভন দেখুৱাই গোটেই কাছাৰৰ ডিমাছা সকলক এই উপবিত (লগুণ) ধাৰণ কৰিবলৈ উপদেশ দিয়ে। ফলত তেতিয়াৰ পৰা কাছাৰৰ ডিমাছা সকলৰ মাজত উপাধি ধাৰণ কৰা আৰু বৰ্মন আখ্যা লিখাৰ প্ৰচলন হয়। মই আইতাৰ মুখে জানিব পাৰিছো যে আনুমানিক ইংৰাজী ১৮৮০/৮২ সময় ছোৱাত মোৰ আইতাই তেওঁৰ ককাকে উপবিত ধাৰণ কৰা নিজ চকুৰে দেখিছিল। গোটেই কাছাৰৰ ডিমাছা সকলে হেনো বড়খলা থানাৰ অধীনৰ "বৃন্দাবন" নামৰ গাঁৱৰ পশ্চিমৰ খেতি পথাৰত শিবিৰ পাতে। ডেকা-বুঢ়া সকলোৱেই লগুণ পিন্ধিছিল, তাৰ পাছত ব্যাপক ভাবে বৰ্মন আখ্যা লিখাৰ প্ৰচলন হয় আৰু দিনক দিনে

ওপৰোক্ত লস্কৰ, বৰ লস্কৰ, বেজলস্কৰ, বৰুৱা আদি উপাধি লিখাৰ প্ৰচলন কৰি আছে। উদাহৰণ স্বৰূপে, কাছাৰৰ বড়খলাৰ ওচৰৰ ধুমকৰ গাঁৱৰ লস্কৰ পৰিয়ালৰ কথা কোনে নাজানে। পাছে তেওঁলোকৰ পৰিয়ালতে নাতি সকলে লস্কৰ উপাধি নিলিখা হ'ল। ঠিক তেনেকৈ পুৰণি ৰাজধানী খাচপুৰৰ ওচৰৰ গাঁও ৮/নৌগ্ৰামত বেজ লস্কৰ বংশধৰ এতিয়াও আছে। পাছে সকলোৱেই বৰ্মন লিখিবলৈ ধৰাত ওপৰোক্ত উপাধি বোৰৰ ব্যৱহাৰ নাইকিয়া হ'ল।

মহাৰাজ কৃষ্ণচন্দ্ৰ আৰু গোবিন্দ চন্দ্ৰই অকল ডিমাছা সকলক যে উপাধি দি গৈছিল তেনে নহয়। কাছাৰৰ বিজাতীয় হিন্দু, মুছলমান, প্ৰজাসকলকো গুণ আৰু উপযুক্ততা বিচাৰ কৰি উপাধি দি গৈছিল। কাছাৰৰ হিন্দু মুছলমানৰ বৰ্ত্তমান যি সকলে লস্কৰ, বৰ লস্কৰ, মজুমদাৰ, চৌধুৰী, বৰভূঞা উপাধি ব্যৱহাৰ কৰি আছে, তেওঁ বিলাকৰ পূৰ্ব পুৰুষক ডিমাৰাজাই উপাধি দি গৈছিল।

## ধৰ্ম আৰু দেৱ-দেৱী :

ডিমাছা সকল অতীতৰ পৰাই শাক্ত ধৰ্মাৱলম্বী। পাছে আৰ্য্য আৰু অনাৰ্য্য ধৰ্ম দুয়োটা মানি চলিছিল। উদাহৰণ স্বৰূপে তেওঁবিলাকে অতীতৰ পৰাই শিৱ-দুৰ্গাক মানিছিল। ডিমাছা সকলে শিৱ-দুৰ্গাৰ নাম যথাক্ৰমে শিব্ৰাই আৰু মাদৈমা : দিছিল আৰু এতিয়াও কয়। ৰণচণ্ডী, হেড়েম্বডি আৰু কামাখ্যাক মানিছিল। আনহাতে ভূতপূজা, প্ৰেতপূজা, ডাইনী পূজা ইত্যাদিও মানিছিল আৰু এতিয়াও মানে। গতিকে দেখা যায় যে, তেওঁলোকৰ ধৰ্মৰ ভিতৰত আৰ্য্য-অনাৰ্য্য মিশ্ৰণ হৈছিল। ডিমাপুৰৰ পৰা মাইবঙলৈ ৰাজধানী স্থানান্তৰৰ পৰা তেওঁলোকৰ ধৰ্মৰ ওপৰত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ বৃদ্ধি পায়। মাইবঙত ৰাজত্ব কৰা কালত মহাৰাজ সুৰদৰ্প নাৰায়ণে শ্ৰীহট্ট জিলাৰ ভুৱনেশ্বৰ বাচস্পতি নামৰ এজন পণ্ডিত ব্ৰাহ্মণক নাৰদীয় পুৰাণ লেখিবলৈ দিছিল আৰু দেৱী হৈড়িম্বেশ্বৰী (হেড়েম্বডি) আৰু দুৰ্গা পূজা কৰি নৰবলি দিয়াইছিল। যুগ যুগান্তৰৰ পৰা মানি অহা ডিমাছা সকলৰ অন্যান্য দেৱ দেৱীৰ নাম তলত দিয়া হ'ল।

১। ব্ৰাই শিব্ৰাই
২। ৰণচণ্ডী
৩। হেড়েম্বডি
৪। আলুৰাজা
৫। লঙী ৰাজা
৬। ৰাৰাজা
৭। মুংগ্ৰাং
৮। জিমাওজু।

৯। ডাইংকাও
১০। ডিছাইম
১১। কাছাইম
১২। ছাম বিয়াম
১৩। লাৰিকগং

ওপৰোক্ত বাৰ গৰাকী দেৱ-দেৱী ডিমাছা সকলে মানি আহিছিল। বাৰ গৰাকী দেৱ-দেৱীৰ কাৰণে বাৰটা মন্দিৰত (ডাইকোজিগ্নী) পূজা দিছিল। যেতিয়া ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ পৰে তেতিয়া ডিমাৰজাই উক্ত ডাইকোজীগ্নীৰ পূজক হিচাবে প্ৰয়াগ, নৱদ্বীপ, কামাখ্যা আদি ঠাইৰ পৰা বাৰটা ব্ৰাহ্মণ পৰিয়াল অনাইছিল। তাকেই ডিমাছা সকলে বাৰে ঘৰীয়া ব্ৰাহ্মণ বা দ্বাদশ আদিত্য ব্ৰাহ্মণ বুলি কয়। উক্ত বাৰে ঘৰীয়া ব্ৰাহ্মণৰ বংশধৰ সকলেই বৰ্ত্তমান কাছাৰ, নগাওঁ, মিকিৰ পাহাৰৰ ডিমাছা সকলৰ মাজত যযমানী কৰি আছে।

মাইবঙৰ পৰা খাচপুৰলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ পাছত উত্তৰ কাছাৰত ব্ৰাহ্মণ প্ৰায় নাইকিয়া হৈ পৰে। গতিকে উত্তৰ কাছাৰত ব্ৰাহ্মণ নোহোৱাকৈ উক্ত বাৰটা দেৱ-দেৱীৰ মন্দিৰ বা ডাইকোজিগ্নীৰ পূজা নিজ নিজ সমাজৰ ব্ৰাহ্মণ "জঠাই"ৰ দ্বাৰা হৈ থাকে। জঠাই সকল বংশ পৰম্পৰা জঠাই হ'ব পাৰে তেনে নহয়। কোনো জঠাই বাচ-বিচাৰ কৰি শুদ্ধ ভাৱে থাকিব নোৱাৰিলে কিবা অপৰাধ কৰিলে দেৱ-দেৱী তেওঁৰ ওপৰত অসন্তুষ্ট হৈছে বুলি আন এজন জঠাই ওলায। তাক জানিবৰ কাৰণে দেওধনী পূজা কৰি দেওধনীৰ পৰা ওলোৱা কথাকে ঈশ্বৰৰ বাণী বুলি স্বীকাৰ কৰি সেইমতে বেলেগ জঠাই নিৰ্ব্বাচিত কৰে। দাইং থাবৰ (বলিকটীয়া) ক্ষেত্ৰতো তেনেকৈ কৰে।

উত্তৰ কাছাৰত বৰ্ত্তমানেও অনাবৃষ্টি হলে "মিছেংবা" বুলি বিৰাট উৎসবৰ আয়োজন কৰি হেড়েম্ডি বা হেড়েম্বেশ্বৰীৰ পূজা দিয়া হয়। তেওঁবিলাকে তেনেকৈ সুফল পায় বুলিও বিশ্বাস কৰে। যোৱা ১৯৭৩ চনত উত্তৰ কাছাৰত জুন মাহলৈকে বৰষুণ হোৱা নাছিল। গতিকে "মিসেংবা" বুলি ডাঙৰ পূজা কৰিলে। ফলত উত্তৰ কাছাৰত বৰষুণ হ'ল জুমখেতি ভাল হ'ল বুলি সকলোৱে কোৱাকুই কৰিলে। দেৱদেৱীৰ পূজাত ডিমাছা সকলে গাহৰী বলি নিদিয়ে, ভূত, প্ৰেত, ডাইনী উপদেৱতা আদিৰ পূজাতহে গাহৰী বলি দিয়ে।

বৰ্ত্তমানলৈকে ডিমাছা সকল হিন্দু ধৰ্মাৱলম্বী। উত্তৰ কাছাৰত ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰভাৱ নাথাকিলেও তেওঁবিলাকে দেৱ-দেৱীৰ পূজা কৰে। এই পূজা সম্পূৰ্ণ হিন্দু পদ্ধতিৰেই আৰু পূজাত বলি আদিও দিয়ে। পাছে তেওঁবিলাকৰ পূজাৰী বা

দেউৰীক ডিমাছা সকলে "জঠাই" বুলি কয়। বলিকটীয়াক "দাইংয়াঃ" বুলি কয়। উত্তৰ কাছাৰৰ সকলো দেব-দেবীৰ পূজা উক্ত জঠাই দাইংয়াবে কৰে। পাছে থকা মেলাৰ দৰেই পূজাৰ থাপনা দিয়া আদি অমাৰ্জিত। ইয়ানেই প্ৰভেদ দেব-দেবীৰ আহ্বানৰ মন্ত্ৰ ডিমাছা ভাষাৰেই জঠাই সকলে মাতে। কাছাৰত দেব-দেবীৰ পূজা পাৰ্ব্বন হিন্দু মতেৰে কৰে। বাঙালী সকলৰ লগত তাল মিলাই অন্যান্য দেব-দেবীৰ পূজা অৰ্চ্চনা কৰে। পৌৰহিত্য কৰে ওপৰোক্ত বাৰেঘৰীয়া ব্ৰাহ্মণ সকলৰ বংশধৰেই। জাতিগত সংস্কাৰ তেওঁলোকৰ মাজতো থাকি গৈছে। ভূত, প্ৰেত, ডাইনী উপদেৱতা সকলৰ পূজা দৰকাৰ বিশেষে তেওঁ-লোকেও কৰে। ডেমৰা আৰু ডিজোৱা অঞ্চলৰ ডিমাছা সকলো হিন্দু ধৰ্ম্মাৱলম্বী। তেওঁলোকৰ দেব দেবীৰ পূজা পাৰ্ব্বনত কাছাৰৰ বঙালীৰ প্ৰভাৱ বেছি পৰা নাই। তেওঁলোকৰ ধৰ্ম্মত বঙালী, অসমীয়া আৰু ডিমাছা সকলৰ প্ৰভাৱ আছে।

# অসমৰ নেপালী সংস্কৃতি

## শ্ৰীধনবাহাদুৰ ছেত্ৰী

**পৰিচয় :**

নানা জাতি উপজাতিৰ মহামিলনৰ পৰিণতিয়েই হ'ল বৃহৎ অসমীয়া জাতি। আজি কেইবা যুগ ধৰি অসমী আইৰ বুকুত নিগাজীকৈ বসবাস কৰি অহা থিলঞ্জীয়া নেপালী সম্প্ৰদায়ো অসমীয়া জাতিৰেই এটা অংগ স্বৰূপ।

অতি প্ৰাচীন কালৰেপৰা এখন দেশৰপৰা অন্য এখন দেশলৈ দুৰ্গম অৰণ্যাবৃত্ত পথ অতিক্ৰম কৰি মানুহে প্ৰব্ৰজন কৰিছিল। অসমলৈও প্ৰাচীন কালত ভিন্ ভিন্ দেশৰ পৰা বিভিন্ন জাতিৰ মানুহ আহি ইয়াত বসবাস কৰিবলৈ লৈ কালক্ৰমত অসমীয়া হৈ পৰিল। আৰু সকলোতকৈ মংগোল-কিৰাত গোষ্ঠীৰ অসম-আগমন যে আগতে হৈছিল তাক সহজে অনুমান কৰিব পাৰি। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া প্ৰাক্ ঐতিহাসিক কালৰে পৰা আৰম্ভ হৈছিল। এই বৃহৎ অসমীয়া জাতি গঠনৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে অসমীয়া জাতিৰ এক বৃহৎ সংখ্যক জনগোট অতীজতে কনৌজ, গৌড়, নেপাল, শ্যাম আদি দেশৰপৰা অহা। বুৰঞ্জীবিদ কনকলাল বৰুৱা দেৱে A Study of Early History of Assamত ষষ্ঠ শতাব্দীত কামৰূপৰ সীমা পশ্চিমে কশী নৈ পৰ্যন্ত বিস্তৃত হৈ থকা দেখুৱাইছে। সেই অনুপাতে সমগ্ৰ পূব নেপাল সেই সময়ত কামৰূপৰ অন্তৰ্ভুক্ত আছিল। নৰকৰ জন্ম ঠাই বৰাহক্ষেত্ৰও নেপালত অৱস্থিত। সেই সময়ত কামৰূপৰ কশী নৈৰ পাৰত (এতিয়া নেপাল) বসবাস কৰা কামৰূপী প্ৰজা পূব ৰাজ্যৰ পূব অংশলৈ নিশ্চয় আহিছিল আৰু চিৰি-লুইতৰ সোণ গঙ্গা পলসুৱা পাৰৰ দুৰ্বাৰ আকৰ্ষণে তেওঁলোকক ইয়াত নিগজীয়া কৰিছিল।

কামৰূপৰ প্ৰাচীন সাধক মীননাথ বা মৎস্যেন্দ্ৰনাথে (সম্ভৱত ৫২ খ্ৰীঃ ত) নেপালত হোৱা প্ৰবল অনাবৃষ্টিৰ সময়ত সাধনাৰ বলেৰে তাত বৃষ্টিপাত ঘটাই অনাবৃষ্টি দূৰ কৰিছিল। আতুৰত প্ৰাণৰক্ষা কৰা 'মীনমৎস্যেন্দ্ৰ'ক নেপালী প্ৰজাই পূজা-সেৱা কৰি দেৱতাৰ স্থান দিয়ে আৰু তেওঁৰ নামত কাঠমাণ্ডুত এটা মন্দিৰ সাজে। সেই মন্দিৰ আজিও বৰ্ত্তমান। প্ৰতি ভাদ মাহত মৎস্যেন্দ্ৰনাথৰ স্মৰণত এই মন্দিৰত ধুমধামেৰে যাত্ৰা কৰা হয়। মৎস্যেন্দ্ৰনাথৰ এই মন্দিৰে দূৰ-অতীজত নেপাল আৰু অসমৰ গাঢ় সম্পৰ্কৰ কথা আজিও সোঁৱৰায়।

অসমীয়া সাহিত্যৰ পোৱাসমণি চৰ্যাপদ নেপালৰ পুথিভঁৰালত সংৰক্ষিত হৈ থকাৰ কথায়ো দুইখন দেশৰ মাজৰ অতীতৰ সম্বন্ধৰ কথাকেই সোঁৰৰাই দিয়ে। এনে এক সম্বন্ধৰ আলমতেই নেপাল আৰু প্ৰাচীন কামৰূপ আৰু অসমৰ মাজত প্ৰব্ৰজন ঘটিছিল। স্বচল জীৱন যাপন, জীৱিকাৰ সন্ধান ইত্যাদি নানান কাৰণত নেপালৰ এক জনগোষ্ঠীয়ে অসমত প্ৰৱেশ কৰি হাবি-বন কাটি নতুন ঠাই উলিয়াই কালক্ৰমত ইয়াতেই স্থায়ী বাসিন্দা হৈ পৰিছিল। অসমৰ নাতিশীতোষ্ণ জলবায়ু, উৰ্বৰ মাটি আৰু কম পৰিশ্ৰমতে জীৱন-যাপনৰ অতুলনীয় সা-সুবিধা এইবোৰেই আছিল এই প্ৰব্ৰজনৰ এক অন্যতম কাৰণ।

প্ৰাক্-ঐতিহাসিক সময়ৰ সেই সম্বন্ধলৈ উভতি চালে আমি দেখিবলৈ পাওঁ

নেপালস্য কঞ্চণাদ্ৰিম ব্ৰহ্মপুত্ৰস্য সংগমম্,
কৰতোয়াং সমাৰভ্য যাৱত দিক্কৰবাসিনীম্।
উত্তৰাস্যং কুঞ্জগিৰি কৰতোয়া তু পশ্চিমে,
তীৰ্থশ্ৰেষ্ঠ দিক্ষু নদী পুৰসাম গিৰীকন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লক্ষাবহ সংগমাৱধী,
কামৰূপ ইতি খ্যাত সৰ্বশাস্ত্ৰেষু নিশ্চিত।

—যোগিনী তন্ত্ৰ

হৰ্ষাব্দ ১৫৩ৰ নেপালৰাজ দ্বিতীয় জয়দেৱে গৌড় (উত্তৰ পশ্চিম বংগ), ওড্ৰ (বৰ্তমান উৰিষ্যা) কলিংগ, কৌশল (উত্তৰ বিহাৰ) আদি ৰাজ্য বিজেতা ভগদত্ত কুলৰ ৰজা হৰ্ষদেৱৰ জীয়ৰী ৰাজ্যমতীক বিয়া কৰাইছিল। কোচবিহাৰ ৰাজ্যৰ প্ৰতিষ্ঠাপক বিশ্বসিংহই নেপালৰ ৰাজকুমাৰী ৰত্নকান্তিক বিবাহ কৰিছিল। এইদৰে প্ৰাচীন কালত কামৰূপ আৰু নেপাল ৰজাৰ মাজত বৈবাহিক সম্বন্ধ ঘটিছিল। প্ৰাক্ ঐতিহাসিক সময়ত নৰকাসুৰৰ বৰাহক্ষেত্ৰৰপৰা কামৰূপলৈ আগমন, ঐতিহাসিক কালত কামৰূপৰ ৰজা আৰু নেপালৰ ৰজাৰ মাজত বৈবাহিক সম্বন্ধ আৰু নেপালৰ এক বৃহৎ ভূখণ্ড প্ৰাচীন কামৰূপৰ অন্তৰ্ভুক্ত হৈ থকাৰ ফলত প্ৰজাসকলৰ গমনাগমন আৰু পৰস্পৰ সম্বন্ধ স্থাপিত হোৱাটো অতি স্বাভাৱিক। একাদশ শতিকাত পাল বংশীয় ৰজাই নেপালৰ ৰাজ্যকো নিজৰ অধীনস্থ কৰি শাসন কৰাৰ সময়ত একে ৰজাৰ প্ৰজাৰ মাজত পূৰ্ণ সম্বন্ধ আৰু গাঢ় হয় আৰু অসমলৈ নেপালীসকল নিজৰ ভাগ্যৰ অনুসন্ধানত আহিবলৈ ধৰে। শেষে শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱতত গোৱালসকলৰ বিৱৰণ দিওঁতে নিশ্চয় পশুপালন

ব্যৱসায়ক অৱলম্বন কৰি জীৱননিৰ্বাহ কৰি প্ৰাচীন কালৰেপৰা অসমত বসবাস কৰা এইসকল লোকৰ জীৱন-যাত্ৰাও মনৰ চকুৰ আগত থাকিব পাৰে। অৱশ্যে নেপালীসকলৰ ভাৰত তথা অসমলৈ প্ৰব্ৰজনৰ তথ্য সম্বলিত ইতিহাস যোৱা শতিকাৰ আৰম্ভণিৰেপৰাহে পোৱা যায়।

বুৰঞ্জীবিদ ৰাইট চাহাবে History of Nepal ত লিখা মতে কুমাৰ ভাস্কৰ বৰ্ম আৰু পিছত তেওঁৰ পোষ্য পুত্ৰ ভূমি বৰ্মণে নেপালত ৰাজত্ব কৰিছিল। (পৃঃ১০-১১) এই কথা আন এজন বুৰঞ্জীবিদ বাল প্ৰসাদ শৰ্মাইয়ো 'নেপালৰ ইতিহাস' পুথিত (লিচ্ছবি শাসন কালৰ অধ্যায়) উল্লেখ কৰি গৈছে। এওঁলোক কিৰাত জনগোষ্ঠীৰ লোক আছিল।

অসম আৰু নেপালৰ ঐতিহাসিক সম্বন্ধ সম্পৰ্কে বিষ্ণুপ্ৰসাদ ৰাভাই এনেদৰে লিখি গৈছে—"নেপালৰ লিচ্ছবি বংশৰ ৰজাইও কামৰূপ স্ত্ৰীয়ৰী ৰাজ্যমতীক বিবাহ কৰিছিল। সেই সুদৃৰ সম্পৰ্কও যে সম্ভাৱ চিনাকী আৰু ৰাজ্যমতী কুৱঁৰীৰ লগত নেপালত যে তেতিয়াৰ ছাব নপৰিছিল তাক মুই কৰিব নোৱাৰি।" (………… ?)

সম্ৰাট সমুদ্ৰগুপ্তৰ এলাহাবাদ-স্তম্ভতো নেপালৰ লগত কামৰূপৰ সম্বন্ধ থকাৰ কথা খোদিত হৈ আছে। এই সম্পৰ্কে কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা Nepali Language, Its History And Development নামৰ পুথিত এনেদৰে উল্লেখ কৰিছে—'The name of Nepal is attested in Samudra Guptas, Allahabad pillar insciption of fourth century A. D. of Samatata ·Dawaka Kamrupa Nepal ... . ....'। এই ঐতিহাসিক তথ্য-বোৰৰপৰা নিশ্চিতভাৱে ক'ব পাৰি যে প্ৰাচীন কালৰেপৰাই নেপাল আৰু অসমৰ এটা নিবিড় সম্পৰ্ক আছিল।

অসমৰ খ্যাতনামা বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে উজনি অসমৰ মৰাণ আৰু নেপাল দেশৰ প্ৰাচীন সম্বন্ধৰ আঁত উলিয়াবলৈ গৈ কৈছে—"মৰাণ, মেৰাম, মৰাং, মোৰঙ, মিটাং বা মৰা-একেকথা। গুৰিতে জাতি একেটাই। কিন্তু নেপালৰ পাদ দেশৰ-পৰা আহি ঠায়ে ঠায়ে ছেদলি-ভেদলি হৈ পৰাত ঠাই অনুসৰি নামটোইত মলনি হ'ল।" এই মৰাণসকলৰ আদি বাসস্থান নেপালৰ পৰবাত পশুপতি নাথ মন্দিৰৰ ওচৰত আছিল। ১৯৩১ চনৰ ১ আগষ্ট সংখ্যাৰ 'বাতৰি'ত সেই সময়ৰ ৰংপুৰ ক্ষত্ৰিয় সমিতিৰ গুৰি ধৰোঁতা বেদৰ নাথ ব্ৰহ্মচাৰীয়ে মৰাণ সকল নেপালৰপৰা

আহি সোমাৰত বসতি কৰা সম্পৰ্কে কিছু কথা লিখি গৈছে। চাবুৱাৰ মায়ামৰা কলা-কৃষ্টি অনুসন্ধান আৰু প্ৰচাৰ সমিতিয়ে প্ৰকাশ কৰা "মায়ামৰা সত্ৰ সমাজঃ ভাষণ আৰু প্ৰবন্ধ' শীৰ্ষক পুথিখনৰ এটি নিবন্ধত এনেদৰে উল্লেখ কৰিছে "........খ্ৰীষ্টিয় প্ৰায় সপ্তম শতাব্দী মানতে নেপালৰ এজন ৰাজকুমাৰৰ লগত কিছুমান অনুগামী লৈ কামৰূপ ৰাজ্যলৈ আহি সোমাৰ অঞ্চলত চিৰস্থায়ী ভাৱে বসতি কৰিবলৈ লয়। ৰাজকুমাৰৰ লগত যিসকল লোক আহিছিল সেইসকল নেপালৰ পাদ দেশত থকা মোৰং বা মৰাং জাতীয় লোক আছিল।"

এই তথ্যবোৰৰ উপৰিও নেপালী কিৰাত জন গোষ্ঠীৰ ৰাই, লিম্বু, গুৰুং, তামাং, মগৰসকলৰ লগত অসমৰ কিৰাত গোষ্ঠীৰ বড়ো, কছাৰী, মিছিংসকলৰ অনেক ক্ষেত্ৰত সাদৃশ্য থকা পৰিলক্ষিত হয়। এই কিৰাতসকলৰ ইতিহাস, প্ৰাচীন নেপাল আৰু প্ৰাচীন অসমৰ ইতিহাস। নেপালীসকল অসমলৈ আহি সহজেই ইয়াৰ জলবায়ুৰে পুষ্ট হৈ অসমৰ মাটিৰ লগত মিলি যাব পৰা বিষয়ে নিশ্চয় অধ্যয়নৰ থল আছে। কিৰাত বংশীয় ৰজাই যেতিয়া অসম শাসন কৰিছিল সেই সময়তে নেপালতো কিৰাত বংশীয় ৰজাই শাসন চলাইছিল। নেপালৰ ৰাজ বংশাৱলীৰ ইতিহাস প্ৰাচীন কামৰূপৰ ইতিহাসৰ লগত মিলাই চালে একে সময়তে একেজন ৰজাৰ নাম পোৱা যায়।

## প্ৰব্ৰজন আৰু অসমলৈ আগমন

অসম আৰু নেপালৰ প্ৰাচীন ইতিহাসৰপৰা এইটো প্ৰতীয়মান হয় যে দূৰ-অতীতৰেপৰাই দুয়োখন দেশৰ মাজত এটা গাঢ় সম্পৰ্ক গঢ়ি উঠিছিল। এই প্ৰাচীন সম্পৰ্কৰ ফলতে দুই দেশৰ মাজত সেই অতীতৰেপৰা আহ-যাহ আছিল। মানব জাতিৰ প্ৰব্ৰজনৰ ইতিহাস অতি প্ৰাচীন। বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰেপৰা এটা নিত্য-নৈমিত্তিক ঘটনাৰূপে অতি স্বাভাৱিক প্ৰক্ৰিয়াত ই চলি আছিল। এসময়ত মোগলৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ বুলি ৰাজস্থানৰ ৰাজপুতসকলৰ এটা অংশ নেপাললৈ পলাই গৈ তাত আশ্ৰয় লৈছিল। কালক্ৰমত তেওঁলোক নেপালী জাতিৰ এটা অবিচ্ছেদ্য অংগ হৈ পৰিল। আৰু সেইদৰে

নেপালীসকলৰো যি অংশ অসমলৈ আহিল তেওঁলোক সময়ৰ গতিত অসমীয়া জাতিৰ একেটা সুঁতিৰ লগত মিলি গ'ল। বুৰঞ্জীত এনে প্ৰব্ৰজনৰ অলেখ উদাহৰণ পোৱা যায়।

এইদৰে অসমত ঘটি অহা বিভিন্ন প্ৰব্ৰজন আৰু সেই নতুন জাতিবোৰ কাল-ক্ৰমত অসমীয়া সত্তাত বিলীন হৈ যোৱাৰ প্ৰক্ৰিয়া সম্পৰ্কে স্বৰ্গীয় কনকলাল বৰুৱাদেৱে কৈছে—The process of assimilating new immigrants into the indigeneous society was much quicker. The process has been going on in Assam since time immemorial and it is still working. .......... it is this process which explains the complete fusion of the Gaudiya, Utkal, Dravida, Kamrupi, Maithili, Kanouji, Marwari and Nepali Brahmins in the Assamese Brahmins society of the present day"।

সাধাৰণতে তিনিটা কাৰণত প্ৰব্ৰজন ঘটে: ৰাজনৈতিক, অৰ্থনৈতিক আৰু ভৌগোলিক। ৰজা যেতিয়া অত্যাচাৰী হৈ উঠে, দেশৰ শাসনতন্ত্ৰ যেতিয়া স্বেচ্ছাচাৰী হৈ পৰে, আৰু সেই একে সময়তে প্ৰজাৰ অৰ্থনৈতিক অৱস্থাও যদি শোচনীয় হয়, প্ৰাণৰ মায়াত, পেটৰ তাড়নাত প্ৰজাই নিজ দেশ, নিজ ঘৰ এৰি যাত্ৰা কৰে আশা আৰু সুখৰ সন্ধানত অন্য এক ঠাইলৈ। ঠিক এনে কিছুমান কাৰণৰ বশৱৰ্তী হৈয়েই নেপালীসকলে নিজৰ ঠাই এৰি অসমত প্ৰৱেশ কৰিছিল। প্ৰধানতঃ প্ৰাচীন নেপালৰ শাসনকৰ্তা ৰজাসকল নিজস্ব সুখবিলাসত মত্ত হৈ প্ৰজাৰ সুখ-দুখৰ প্ৰতি সম্পূৰ্ণ পিঠি দিয়াৰ লগতে প্ৰজাৰ প্ৰতি নিষ্ঠুৰ আৰু স্বেচ্ছাচাৰী হৈ উঠাত, বিশেষকৈ পূব নেপালৰ নেপালীসকল ভাগ্যৰ সন্ধানত অসম অভিমূখী হয়।

দ্বিতীয়তে সেই সময়ত নেপালৰ সেই অঞ্চলত জীৱন-নিৰ্বাহ কৰা অতি কষ্টকৰ হৈ পৰিছিল। সেয়ে সহজলভ্য জীবিকাৰ সন্ধান বিচাৰি তেওঁলোক সুজলা-সুফলা অসমত প্ৰৱেশ কৰিছিল।

ৰাজনৈতিক পটভূমিকাত নেপালীসকল অসমলৈ কেতিয়া আহিছিল তাৰ পম খেদি গ'লে দেখা যায় যে মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ অহা ইংৰাজ সৈন্যৰ লগত যি কেইজন ভাৰতীয় নেপালী আহিছিল তেওঁলোক ঘূৰি যাওঁতে হেনো কামাখ্যা দেৱীৰ দৰ্শন কৰি যায়। তেনে এটা জনশ্ৰুতি আজিও নেপালী

সমাজত চলি আছে। এই সূত্ৰত নেপালীসকলৰ কুমাই সম্প্ৰদায়ৰ মাজত আজিকোপতি চলি থকা গীত এফাকি প্ৰণিধান যোগ্য—

দেবী হেপ্ন আনামবেলাই হানী হানী লড়াঁয়ো ;
ফকী কাউদা কামাক্ষালাই কালো বোকো চঢ়াঁয়ো।

ওপৰোক্ত 'মাআমবে' শব্দটো মোৱামৰীয়াৰ অপভ্ৰংশ বুলি ধৰি ল'লে গীত ফাঁকিৰ অৰ্থ এনে হয়—দেবীক অৱজ্ঞা কৰা মোৱামৰীয়া সকলক আঘাট কৰি ধৰাশায়ী কৰিলোঁ, আৰু ঘূৰি আহোঁতে কামাখ্যাৰ চৰণত ক'লা পাঠী এটা উছৰ্গা কৰিলোঁ।।

১৮১৬ চনৰ ইংৰাজ-নেপালীৰ সুগৌল সন্ধিক্ৰমে ডেৰাডুন, নাইনিতাল, কুমাউন, চিমলা, তৰাই অঞ্চল আদি কৰি এক বহল ভূখণ্ড নেপালে বৃটিছক এৰি দিয়ে। লগে লগে লাখ লাখ নেপালী ভাৰতীয় প্ৰজা হৈ পৰিল। ইংৰাজ-নেপাল যুদ্ধত (১৮১৪-১৬) নেপালী সকলৰ বীৰত্ব আৰু সাহসৰ কথা উপলব্ধি কৰি চতুৰ ইংৰাজে ভাৰতীয় সৈন্য বিভাগত হাজাৰ হাজাৰ নেপালী সৈন্য ভৰ্ত্তি কৰিলে। ইংৰাজ-নেপাল যুদ্ধত নেপালী সৈনিকৰ বীৰত্বৰ কথা ইংৰাজ ঐতিহাসিকে এনেদৰে কৈছে—Histories tell of armies running away from their generals, but there is, I believe no record of a general running away from his army as general Marley did in 1815. General John Wood George Wood also showed similar lack of enterprise.......that Sir John Fortsecure the historian of British army was constrained to condemn there by remaking that they had shown themselves to be "tremelous and not easy to kindle as per rather than oak'—What greater tribute can be paid to the Gorkha soldiers than this complete demorolisation of the Btitish Generals' ( ........ ?)

সুগৌল সন্ধিৰ ঠিক দহ বছৰৰ পিছতে অসমৰ ভাগ্য ৰবি মাৰ যায়। ১৮২৬ চনত স্বাক্ষৰিত হয় ইয়াণ্ডাবু সন্ধিৰ। অসমলৈ আগমন ঘটিল ইংৰাজ অধীনস্থ গোৰ্খা, হিন্দুস্থানী চিপাহীসকলৰ। বৃটিছসকল অসমলৈ আহোঁতে হেঁতালোকৰ সৈন্যৰ প্ৰায় শতকৰা নব্বৈ ভাগেই পূৰ্ব নেপালৰ নেপালীলোক আছিল। ১৮২৪ চনৰ মাৰ্চ মাহৰ ১৯ ফেব্ৰুৱাৰী তাৰিখে বৃটিছে গঠন কৰা বিখ্যাত চল

গোৰ্খা ৰাইফলচৰ সহায়েৰে অসম আক্ৰমণকাৰী মানক খেদি পঠায়। বৃটিছে এই গোৰ্খাহতৰ সহায়েৰে ব্ৰহ্মদেশৰ ডনাব অধিকাৰ কৰি ৰাজধানীৰ ফালে আগবাঢ়ি যাওঁতে ব্ৰহ্মদেশৰ ৰজাই ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধি সূত্ৰে আবদ্ধ হয়। ৮ম গোৰ্খা ৰাইফলছ—সম্বন্ধে কৰ্নেল এইচ, জে, হাষ্কৰ্ডএ History of 8th Gorkha Rifles নামৰ কিতাপত কয়—"It was as the 16 th or Sylhet local battalion that the 1st Battalion (Gorkha) was raised at Sylhet on the bank of of Surama river is that portion of Assam lying south of the Khasi Jayantia Hills and being in very closed proximity to hill tracts inhabitant by such tribes as Garoes, Nagas, Chin, Lushai. It can be understood this frontier district was a difficult proportion for a collector backed up by local police only"

"The Sylhet and Cachar frontier required to be guarded these factors, together with the reason for the birth of the Gorkha Rifles the Battalion was raised by the Captain Patric Dudgeon 10th Nature Infantry under the authority of Gevernor General in council dated 19th Feb. 1824"

গোৰ্খা ৰাইফলছৰ সৈন্যসকলে অসমৰপৰা মানখেদা অভিযান চলাওঁতে তেওঁলোকৰ প্ৰধান ঘাটি (Head Quarter) চিলেটৰপৰা দুভাগ হৈ এভাগে বৰাক উপত্যকাইদি মানক খেদি নি ইয়াণ্ডাবু নৈ পৰ্যন্ত পায়হি। মান-খেদা গোৰ্খা ৰাইফলছৰ এই চিপাহীবোৰ ঘূৰি আহি অসমৰ কহিমা, মোককচাং, ইম্ফল, ডিমাপুৰ, জয়ৰামপুৰ আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ শদিয়া, কিম্মিন, লোকৰা আদি ঠাইত নিজৰ বাহৰ কৰিলে। কালক্ৰমত এই চিপাহীসকলে উক্ত ঠাইবোৰত স্থায়ী বসবাসৰ ব্যৱস্থা কৰি ইয়াৰে বাসিন্দা হৈ পৰিল আৰু তেওঁলোকৰ সন্তি-সন্ততিসকল অসমৰ চুকে-কোণে সিঁচৰতি হৈ পৰিল।

মোৱামৰীয়া বিদ্ৰোহৰ পিছত মানৰ আক্ৰমণৰপৰা অসমক সহায় কৰাৰ চলেৰে ইংৰাজে অসম দখল কৰাৰ এক নিশ্চিত অভিপ্ৰায় লৈ চিলেট, গুৱাহাটী, শদিয়া, ডিব্ৰুগড়, জয়পুৰ, শিলং মণিপুৰ লোকৰা আদি ঠাইত গোৰ্খা সৈন্যৰ চাউনী পাতে, আৰু লগে লগে কছাৰী মণিপুৰী লোকসকলকো গোৰ্খা ফৌজত

ভৰ্ত্তি কৰি সৈনিক মনোভাবাপন্ন কৰি তুলিলে। সৈনিক জীৱনৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত এওঁলোকৰ ভালে সংখ্যক অসমতে বৈ যায় আৰু কৃষি কৰ্ম, গোপালন আদিকে জীৱিকাৰ সম্বলৰূপে গ্ৰহণ কৰি স্থায়ীভাৱে বসবাস কৰিবলৈ ল'লে।

প্ৰকৃতাৰ্থত চিপাহী বিদ্ৰোহৰ পিছৰপৰাই অসমত সৰ্বাধুনিক কালত নেপালী-সকলৰ স্থায়ী বসবাস আৰম্ভ হয়। ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিদ্ৰোহীসকলক দমন কৰিবলৈ অহা গোৰ্খা সৈন্যৰ এটা অংশ অসমৰ শিৱসাগৰ জিলাতেই বেলেগে আগবাঢ়ি আহিছিল। সৈনিক জীৱনৰ ম্যাদ শেষ হোৱাৰ পিছত তেওঁ-লোকৰ ভালে কেইজন স্থায়ীভাৱে বসবাস কৰিবলৈ নেপালৰপৰা নিজৰ পৰিয়ালৰ সৈতে শিৱসাগৰ মহকুমাতে উঠি আহে। তেওঁলোকৰ সতি-সন্ততিসকলৰ একাংশ এতিয়াও শিৱসাগৰ মহকুমাৰ তামুলী পুখুৰী, ধাইবাৰী আদি গাঁৱত আছে। বঙ্গাদিনীয়া ধাইআলি যি ঠাইত চিন্নামাৰি গড়ৰ লগত সংলগ্ন হৈছে তাৰ ওচৰতে ধাইবাৰী গাওঁ। এই গাঁৱত ধাই পুখুৰী, সোণপুখুৰী আৰু ৰাণা পুখুৰী নামৰ তিনিটা বঙ্গাদিনীয়া পুখুৰী আছে। ৰাণা পুখুৰীৰ আগৰ নাম কি আছিল জনা নেযায়। কিন্তু এই পুখুৰীৰ চাৰিও পাৰত নেপালী মূলৰ ৰাণা বংশৰ মানুহৰ ঘৰ আছে বাবেই ইয়াক সকলোৱে ৰাণা পুখুৰীৰ বুলি কয়।

অসমত চাহ, কয়লা আৰু তেল উদ্যোগ গঢ়ি উঠাৰ লগে লগে শ্ৰমিকৰ প্ৰয়োজন হোৱাত অন্যান্য ঠাইৰপৰা মানুহ আমদানি কৰাৰ দৰে নেপালৰপৰাও বহুতো হিচাপে মানুহ আমদানি কৰা হ'ল। ইয়াৰ উপৰিও ধৰ্মভীৰু নেপালীৰ বাবে অসম আছিল পুণ্য ভূমি তীৰ্থ স্থান। কামাখ্যা পৰশুৰামকুণ্ড-বশিষ্ঠাশ্ৰম দৰ্শন নকৰিলে স্বৰ্গলাভ কৰিব নোৱাৰে বুলি তেওঁলোকৰ বিশ্বাস। কাজেই এই তীৰ্থ স্থানবোৰ দৰ্শন কৰিবলৈ নেপালৰপৰা মানুহৰ সোঁত বৈছিল। তীৰ্থ যাত্ৰালৈ অহা বহুতো নেপালী মানুহো স্থায়ীভাৱে অসমত বৈ গৈছিল।

মানৰ আক্ৰমণত অসমীয়া বাইজ জুকলা হৈ গাওঁ এৰি দিক্‌বিদিশালৈ পলাই যোৱাত গাঁৱৰ জনসংখ্যা কমি যাবলৈ ধৰে। ইংৰাজৰ লগত মানৰ আক্ৰমণ ৰোধ কৰিবলৈ আহি অসমত থাকি যোৱা নেপালী সৈন্যসকল গাওঁবোৰৰ আশে-পাশে থাকিবলৈ লয়। জন সংখ্যা কমি যাবলৈ ধৰা হেতুকে গাওঁবোৰত এই সাহসী নেপালীসকল থাকিবলৈ লোৱাত অসমীয়া প্ৰজায়ো আপত্তি নকৰিলে। তদুপৰি হিন্দু ধৰ্মাৱলম্বী হোৱাৰ বাবে ধৰ্মীয় ৰীতি-নীতি প্ৰায় মিলি যোৱাত আৰু জাতি

কম দিনতে স্থানীয় আচাৰ ব্যৱহাৰ, ভাষা ইত্যাদি গ্ৰহণ কৰি ইয়াৰ সংস্কৃতিক নিজৰ কৰি লোৱাত নেপালীসকলৰ বসবাস আপত্তিকৰ হৈ নুঠিল।

ৰাজনৈতিক, ভৌগোলিক আৰু অৰ্থনৈতিক কাৰণত যোৱা শতিকাৰ শেষ ছোৱাত যিসকল লোক নেপালৰপৰা অসমলৈ আহিল—তেওঁলোক পুনৰ নিজ দেশলৈ উভতি নগৈ অসমৰ জীৱন প্ৰক্ৰিয়াৰ লগত সম্পূৰ্ণ ৰূপে মিশি যোৱাৰ দুটা কাৰণ থাকিব পাৰে। প্ৰথমতে সেই সময়ত বাট-পথৰ যোগাযোগ সুবিধাজনক নাছিল আৰু ইফালে সাম্ৰাজ্যবাদী প্ৰথাত সৰ্বসাধাৰণ ৰাইজ বৰ জুকলা হৈ পৰাত নিজ দেশ এৰি আহি পুনৰ উভতি নগৈ ইয়াতেই থাকি বৈ গৈছিল।

দ্বিতীয়তে অসমৰ অনুকূল জলবায়ু, সাৰুৱা মাটি, সেউজবুলীয়া অৰণ্যানি আৰু পশু পালনৰ বাবে বিস্তৃত হৈ পৰি ৰোৱা কোমল ঘাঁহনি নতুন জীৱনৰ অন্বেষণকাৰী অভ্যাগত নেপালীসকলৰ বাবে ভূস্বৰ্গ হৈ পৰিল। বছৰৰ বাৰ মাহে পানীৰে উপচি থকা-নদীৰ পাৰত তেওঁলোকে জীৱন যাপন কৰিবলৈ ধৰিলে। নদীৰ পাৰে উৰ্বৰ কৰি যোৱা মাটিত কম কষ্টৰে খেতি কৰি প্ৰচুৰ ফচল পালে। সেউজীয়া ঘাঁহনিত গৰু-গাই পুহি তেওঁলোক বহুল ভাৱে লাভবান হ'ল। জীৱনৰ নিম্নতম পৰিশ্ৰমৰ বিনিময়ত সোণ-সাৰুৱা হৈ উঠা অসমৰ জীৱনে তেওঁলোকক যাদুৰ কাঠিৰে মন্ত্ৰমুগ্ধ কৰি অসমৰ মাটি বালিত বান্ধি পেলালে।

সেয়ে এই ঠাইৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি নেপালীসকলে থলুৱা জনগোষ্ঠীৰ লগত মিলি গৈ কৃষি কৰ্ম, পশু-পালন আদিকে জীৱিকাৰ সম্বলৰূপে লৈ চিৰি লুইতৰ কাষত আৰু ইয়াৰ উপনদী দিহিং, দিচাং ভৰলী, ধনশ্ৰী, জাঁজী আদিৰ পাৰে পাৰে বসতি বিস্তাৰ কৰে। কেবা পুৰুষো একে ঠাইতে বসবাস কৰি স্থানীয় পৰিবেশ—পৰিস্থিতিৰ মাজত বিলীন হৈ যোৱাৰ বাবেই নিশ্চয় ডিব্ৰুগড়, বগীবিল, গমিৰি বিহালী দিহিংমুখ, চাৰিআলি, অকাজান, আদিৰ নেপালীসকলে নিজকে অসমীয়াৰূপে পৰিচয় দি গৌৰৱ অনুভৱ কৰে।

আকৌ সেই প্ৰাচীন ইতিহাসলৈ উভতি চালে দেখিবলৈ পোৱা যায় যে আহোম ৰজাসকলৰ দিনত নেপালৰপৰা বেদজ্ঞ বিদ্বান আৰু জ্যোতিষাচাৰ্যসকলক আদৰেৰে অসমলৈ অনা হৈছিল আৰু মাটি-বৃত্তি আদি দান কৰি সম্মানেৰে ৰাখিছিল। সেই সকলৰ বংশধৰ সকলে আজি নিজকে নেপালপৰা অহা বুলি নাভাবে।

প্ৰাচীন কালৰেপৰা ভাৰতৰ অন্যান্য তীৰ্থস্থানত নেপালী 'লাল মোহৰী পাণ্ডা' থকাৰ দৰেই অসমৰ কামাখ্যা মন্দিৰতো নেপালী লাল মোহৰী পাণ্ডা

আছে। বৰ্ত্তমান তেওঁলোক হাড়ে হিমজুৱে অসমীয়া। * মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক গুৰু অনিৰুদ্ধদেৱৰ উৰ্দ্ধ পুৰুষ ক্ষত্ৰিয় প্ৰৱৰ ৰামধ্বজ যদুবংশীয় ৰজা ভগদত্তৰ বংশধৰ আৰু নেপাল ৰাজ হৰিবৰ্মৰ ভাতৃ আছিল। ৰাজ্য বিস্তাৰ কৰাৰ উদ্দেশ্যে ৰামধ্বজে লগত এজন সহযোগী লৈ নেপালৰপৰা সৌমাৰত প্ৰৱেশ কৰাৰ কথা শ্ৰীঅনিৰুদ্ধদেৱৰ পুথিত বৰ্ণিত হৈছে। ৰামধ্বজৰ সহযোগী সকলেই মৌবাং বা মৰাং বা মেৰং জাতীয়লোক আছিল বুলি অনুমান কৰিব পাৰি। ৰামধ্বজৰ পৰি নাতিসকলেই আছিল বেঙেনা আটিয়া সত্ৰৰ প্ৰতিষ্ঠাপক মোহন মুৰাৰি আৰু ভবানীপুৰীয়া গোপাল আতাৰ একনিষ্ঠ শিষ্য মহাপুৰুষ হৰকণ্ঠ গিৰি বা অনিৰুদ্ধদেৱ। নগাওঁ আৰু টীয়ক সত্ৰৰ প্ৰৱৰ্তক ৰতিকান্ত উপাধ্যায় এজন নেপালী ব্ৰাহ্মণ আছিল। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী এই সত্ৰৰেই বংশধৰ। এনেদৰে অসমত বহুত লোক আছে যি সকলৰ পূৰ্ব-পুৰুষ নেপালী আছিল। এতিয়া সেই সকল হাড়ে হিমজুৱে অসমীয়া।

১৮৪২ চনত তেতিয়া (Political Agent ভেট্‌চ্‌ (Vetch) চাহাবে এটি ঘোষণাৰে লক্ষীমপুৰ জিলা গঠন কৰাৰ পিছত, ১৮৫০ চনৰ পৰা ডিব্ৰুগড় আৰু ইয়াৰ কাষতে থকা বগীবিল গাওঁত মেহেৰমান থাপা ছেত্ৰী, চক্ৰবাহাদুৰ থাপা ছেত্ৰী, বিষ্ণু প্ৰসাদ উপাধ্যায়, গৰ্ডলাল নেৱাৰ, ৰামলাল ভাজুৰ পূৰ্ব পুৰুষসকলে ধৰি প্ৰায় ৩৭ ঘৰ মানুহে বসবাস কৰিবলৈ ধৰে। এইদৰে সমসাময়িক কালছোৱাতে প্ৰখ্যাত অসমীয়া নেপালী সমাজকৰ্মী হিতমান বাই আৰু কানুকোৱঁৰৰ পূৰ্ব-পুৰুষ সকলে শদিয়াত আৰু ৰাজনীতিবিদ দলবীৰ লোহাৰৰ আৰু ৰবিলাল হুলদাৰ (থাপা) পূৰ্ব পুৰুষ-সকলে ডিব্ৰুগড়ত স্থায়ীভাৱে থাকিবলৈ লয়। নেপালী বুঢ়া মানুহসকলৰ মুখত শুনিবলৈ পোৱা যায় যে ১৮২২ চনত কুলে থাপা নামৰ এজন লোকে নেপালৰপৰা কামাখ্যা দৰ্শন কৰিবলৈ আহোঁতে ইংৰাজ সৈন্য বাহিনীত যোগদান কৰিবলৈ ধৰি

---

* কামাখ্যাত থকা এনে এজন পাণ্ডাৰ লগত এই লিখকৰ কথা-বতৰা হৈছিল। তেওঁৰ মতে ব্যক্ত কৰা মতে তেওঁলোকসকলৰ বংশৰ মানুহ অসমৰ আন আন ঠাইতো আছে। কামাখ্যাত বহু বছৰ ধৰি পাণ্ডাৰ বৃত্তি গ্ৰহণ কৰা এই লোকসকলে এতিয়া নিজকে নেপালী বুলি নাভাবে যদিও আদিতে তেওঁলোকসকল উপাধ্যায় বংশৰ নেপালী আছিল।

নি মকৰণ কৰায়। তেখেতৰ বংশধৰসকল কেবাপুৰুষ ধৰি ডিব্ৰুগড় অঞ্চলত বসবাস কৰি সম্পূৰ্ণৰূপে অসমীয়া হৈ পৰিল। এনেদৰে যোৱা শতিকাৰ মাজ-দশক মানত উত্তৰ লক্ষীমপুৰৰ চতুৰাপনাত স্থায়ীভাৱে বনবাস কৰা বিখ্যাত মাণিক চিপাহীৰ এটা ঠাল চতুৰাখানা আৰু ডিব্ৰুগড়ৰ থলিহামাৰী অঞ্চলত কেবা পুৰুষো ধৰি কাম কৰে আৰু আড়ে-ছিমজুৱে অসমীয়া হৈ পৰে। শিৱসাগৰ জিলাৰ শ্যামলাল উপাধ্যায় নেপাল এৰি সপৰিয়ালে শিৱসাগৰ মহকুমাৰ দেউৰী চাপৰিলৈ উঠি আহোতে বিৰাটকাৰ মাৰ নাৱত হেনো উঠি আহিছিল। সেই সময়ত অসমত ৰেল পথৰ নাম গোন্ধেই নাছিল। ব্ৰহ্মপুত্ৰ নৈয়েদি জাহাজ চলিবলৈ আৰম্ভ হোৱা নাছিল। সমগ্ৰ অসমত মহাৰাণী ভিক্টো-ৰীয়াৰ মুদ্ৰাৰ প্ৰচলন আছিল। বজাদিনীয়া মুদ্ৰা তেতিয়া আইনত অচল যদিও আওহতীয়া ঠাইবিলাকত সেইমুদ্ৰা তেতিয়াও হেনো চলি আছিল। এই শ্যামলালৰ নাতিনীয়েক জগনিধি শৰ্মাই বহু বছৰ ধৰি যোৰহাটৰ জজকোৰ্টত জুৰি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সেই সময়তে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই তেখেতৰ পৰা কেইটামান বজাদিনীয়া মুদ্ৰা খুজি নিছিল। দিচাংমুখ অঞ্চলৰ গণ্যমান্য আৰু সন্মানিত নেপালী স্বৰ্গীয় নৰবাহাদুৰ ছেত্ৰী, গবুল সিং অধিকাৰী আৰু টিকাৰাম ছেত্ৰীৰ উপৰি পুৰুষ সকলো কোনোবা কালতে সেই অঞ্চলত স্থায়ী ভাৱে নিগাপি লৈছিল। এইদৰে শিৱসাগৰ, পানীগাওঁ, দিহিংমুখ, বেতবাৰী, দৰিকা, ৰাজমাই, বজাবাৰী আদি অঞ্চলত কেবা পুৰুষো ধৰি বসবাস কৰা নেপালীসকল কথা-বতৰা, ৰীতি-নীতি-আচাৰ ব্যৱহাৰে সম্পূৰ্ণ অসমীয়া হৈ পৰিছে।

## ॥ অসমৰ পটভূমিত অসমীয়া নেপালী ভাষা-সংস্কৃতি ॥

অসমৰ জলবায়ুত পুষ্ট হৈ কালৰ ক্ৰমবিবৰ্তনত নেপালীসকল অসমীয়া হ'ল। চিৰ চেনেহী অসমীয়া ভাষা জননী তেওঁলোকৰ সুখ-দুখৰ ভাবৰ বাহক স্বৰূপ হ'ল। অসমীয়ালোকৰ লগত আত্মকৃতিক গাঢ় সংযোগ ঘটিল। তেওঁলোকৰ ভাষা, স্থানীয় ভাষাৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰিল। স্থানীয় লোকৰ তেওঁলোক আজি অবিচ্ছেদ্য অংগ হৈ পৰিছে। এই খিনিতে এটি প্ৰশ্ন উদয় হ'ব পাৰে। সি হ'ল নেপালীসকলৰ মাতৃভাষা কেনেকৈ অসমীয়া হ'ব পাৰে? এই

প্ৰশ্ন স্বাভাৱিক। কিন্তু এটা কথা পাহৰিলে নচলিব যে মানুহৰ আদিম অৱস্থাৰ পৰা বৰ্তমানলৈকে ইতিহাস অধ্যয়ন কৰিলে এটা কথা দেখা যায় যে মানুহে আদিম ভাষা পাহৰি গৈ সদায় নিজৰ স্থায়ী বাসভূমিৰ ভাষাক নিজ ভাষাৰূপে আকোৱালি লৈছে। 'ৰোমলৈ গলে ৰোমানৰ দৰে ব্যৱহাৰ কৰিবা' কথাষাৰিৰ মূলেই ভাৰতবৰ্ষ বা অসমতো সেইটো হৈছে। যেতিয়া এই প্ৰক্ৰিয়াত কোনোবাই বাধাৰ সৃষ্টি কৰিছে, তেতিয়াই স্বাভাৱিকতে সংঘৰ্ষৰ সৃষ্টি হৈছে। অসমৰ ধলুৱা নেপালীৰ মাতৃ ভাষা অসমীয়া আৰু পিতৃ ভাষা নেপালী। এক কথাত নেপালীসকলৰ মনৰ ভাব প্ৰকাশৰ মাধ্যম অসমীয়া। বিদ্যালয়বোৰতো অসমীয়া মাধ্যমত তেওঁ-লোকৰ ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিছে। অৱশ্যে, অসমৰ জন জাতিসকলৰ মাজত থকাৰ দৰেই নেপালীসকলৰ নিজা এক ভাষা আছে। সি ঘৰুৱা কথোপ-কথনতহে সাধাৰণতে ব্যৱহৃত হয়। অকল এয়াই নহয় অসমীয়া সম্বন্ধসূচক শব্দবোৰো নেপালীসকলৰ ঘৰুৱা জীৱনতো সমানে ব্যৱহাৰ হৈ আহিছে। বাইদেউ, ভিনিহি, মোমাই, সক, মাজু আদি সম্বোধন আৰু সম্বন্ধ সূচক শব্দবোৰ নেপালীসকলৰ মাজত নিত্য প্ৰচলিত শব্দ। অসমীয়া সমাজৰ উপৰিও অসমৰ মিচিং আৰু বড়ো জনজাতিসকলৰ মাজত নেপালীসকল বহুকাল ধৰি মিলা-প্ৰীতিৰে বাস কৰি আহিছে। মিচিং আৰু নেপালীসকলৰ মাজত বিয়া বাক নহ'লেও গাঢ় মিত্ৰিবাসি আছে।

নেপালীসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদী-কাষৰীয়া চাপৰিবোৰত গৰু-মহ পুহি গাখীৰৰ কাৰবাৰ কৰে। গাখীৰৰ ব্যৱসায় কৰাৰ বাবে আৰু তেওঁলোকৰ শৰীৰৰপৰা গাখীৰৰ গোন্ধ ওলোৱাৰ বাবে মিচিংসকলে নেপালী মানুহক 'নামকিৰ' ( নাম-গোন্ধ, কিৰ-গাখীৰ ) অৰ্থাৎ 'গাখীৰৰ গোন্ধ ওলোৱা মানুহ' বুলি কয়। মিচিং ঐনিতমত বিজনি দি মিচিং 'মমিৰ যামে' ( ডেকা-গাভৰু ) সকলে নেপালী সম্প্ৰদায়ৰ কথা কয়—

ঐয়া নেপালী ঐয়া তেপামাং<br>
এদে মাকপে লুপামাং........ ( তেপমাং )

অৰ্থাৎ লাহৰী ঐ নেপালী গোৱধান নহওঁ আৰু এইদৰে কৰও নেপায়.... । মিচিং ভাষাত চিবাক 'নেপালী আমুক' বা নেপালী চিবা বুলি কয়। থাৰুতি-সকলে নেপালীসকলক 'কাঙক' অৰ্থাৎ বেকা দা বা খুকুৰী লৈ ফুৰা মানুহ বুলি

তেওঁলোকৰ মাজত পৰিচয় দিয়ে। অসমীয়া বিহুগীতটো নেপালীক বিজনি দি এনেদৰে বিহুগীত গায়—

'নেপালী গাখীৰ ঐ সেৰে চাৰি অনা.........।'

এইদৰে দেখা যায় যে অসমৰ ভৈয়ামৰ মাজতেই নহয় অসমীয়া জনজাতিসকলৰ মাজতো এক নিবিড় সম্পৰ্কৰে নেপালীসকলে মিলাপ্ৰীতিৰ মাজেদি বহুকাল ধৰি কাম কৰি আহিছে।

সকতে মাকৰ কোলাত বহি যি মাত শিকা যায় সেই মাত ইমান সুবদি, ইমান আপোন যে কোনেও সেই মাত পাহৰিব নোখোজে, পাহৰিব নোৱাৰে। সেয়ে চাৰি-পাঁচ পুৰুষে অসমত হাড় পেলোৱাৰ পিছতো অসমৰ নেপালীসকলে নেপালী ভাষা সম্পূৰ্ণ পাহৰিব পৰা নাই। বৰং নেপালী ভাষাতে বিহুনাম বোৰ ৰচনা কৰি সেই বিহু নাম গাই নেপালী ডেকা-গাভৰুৱে অসমীয়া ডেকা- গাভৰুৰ লগত একেলগে বিহু মৰাৰ উদাহৰণ আছে। আগতেই উল্লেখ কৰি অহা হৈছে যে ঘৰত নেপালী ভাষা ব্যৱহাৰ কৰিলেও থলুৱা নেপালীসকলে নিজৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমতহে শিক্ষা দিয়ে। অসমত এনে বহুত নেপালী গাওঁ আছে যত নেপালীসকলৰ আশাকাংক্ষীয়া প্ৰচেষ্টাৰ ফলত ভালেমান অসমীয়া মাধ্যমৰ বিদ্যালয় আদি প্ৰতিষ্ঠা হৈছে, আৰু সেই অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰত শতকৰা ৫০ ভাগ ছাত্ৰ ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী নেপালী। অসমৰ গাৱেঁ ভূঁয়ে বিদ্যালয়-মহাবিদ্যালয়, বাট-পথ অথবা নতুন উদ্যোগ গঢ়ি উঠিলে আনন্দত তেওঁলোকৰ গা নথন-দহথন হয়। এইদৰে অসমৰ মূল সুঁতিৰ লগত মিলি একাকাৰ হ'বলৈ থলুৱা নেপালীসকলে আপ্ৰাণ চেষ্টা কৰি আহিছে।

অসমৰ নেপালীসকলৰ অধিকাংশই গাঁৱত বাস কৰে। স্বাভাৱিকতে সৰহ ভাগৰে প্ৰধান জীৱিকা হ'ল কৃষি। দ্বিতীয়তে দুগ্ধোৎপাদন কৰিও বহু সংখ্যক নেপালীয়ে জীৱন নিৰ্বাহৰ বাট মোকোলাইছে। এক প্ৰকাৰে ক'বলৈ গ'লে অসমৰ চহৰবোৰত প্ৰয়োজন হোৱা শতকৰা ৮০ ভাগ গাখীৰেই এই নেপালীসকলে পৰাই উৎপাদিত বুলি ক'লে বঢ়াই কোৱা নহ'ব। নেপালী খেতিয়কসকলে ধান, মাহ, আলু, শাক-পাচলি, গোমধানৰ উপৰিও কুঁহিয়াৰ খেতিও কৰে। অসমত দুৰ্ভিক্ষ হওঁতেই সেই সময়ৰ গীত-মাতবোৰত কুঁহিয়াৰ খেতি কৰাৰ কথা উল্লেখ থকা পোৱা যায়। ইয়াৰ উৰ্বৰ মাটিত নেপালীসকলে কুঁহিয়াৰ খেতি কৰি বৰ ভাল পাইছিল। মাটিৰ অভাৱ নথকা বাবে পাঁচ দহ বছৰৰ পিছতে সেই মাটিবোৰ বিক্ৰী কৰি

তেওঁলোকে আন ঠাইলৈ ঢাপলি মেলিছিল। কুঁহিয়াৰ খেতি বহুো প্ৰায়বোৰ নেপালী খেতিয়কেই হেনো কাণিয়া আছিল। তেওঁলোকৰ মাজত বহু বিবাহৰ প্ৰচলনো সৰ্বাধিক আছিল বুলি শুনা যায়।

সময়ে গতি সলালে। পৰিবৰ্তনৰ পাকচক্ৰত নেপালী খেতিয়ক আৰু গো-পালকসকলোৰো যথেষ্ট পৰিবৰ্তন ঘটিল। ১৮৯৭ আৰু ১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পই আৰু ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াই এওঁলোকৰ অৱস্থা তেনেই শোচনীয় কৰিলে। পৰিতাপৰ কথা পুনৰ সংস্থাপনৰ অভাৱত এওঁলোকৰ সৰহভাগেই প্ৰায় গৃহহীন অৱস্থাত। খেতিৰ উপযোগী মাটিৰ অভাৱ, ব্ৰহ্মপুত্ৰৰ কৰালগ্ৰাসত চাপৰি আৰু চৰ অঞ্চলৰ বিলোপ, অৰ্থনৈতিক অনগ্ৰসৰতা এনে একুৰি সমস্যাই অসমীয়া নেপালীসকলৰ উন্নতিত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও ভূতৰ ওপৰত দানহৰ দৰে স্থানীয় নেপালীসকলে বসবাস আৰু খেতিৰ কাৰণে মুকলি কৰা বিস্তাৰ্ণত বিদেশী লোকৰ বলপূৰ্বক প্ৰৱেশে খিলঞ্জীয়া নেপালীসকলৰ সন্মুখত এটা ভয়াবহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰৰ বলীয়া বানে পথাৰৰ শইচ প্ৰতি বছৰেই নষ্ট কৰে। জীয়াই থকাৰ উৎসাহ হেৰাই যাব খোজে কিন্তু সংগ্ৰাম জীৱনৰ আন এটি নাম বুলি ধৰি লৈ অসমীয়া নেপালীসকলে সংগ্ৰাম কৰি গৈছে সময়ৰ লগত আৰু প্ৰকৃতিৰ লগত অবিৰত অবিচ্ছিন্নভাৱে। নেপাল আৰু ভাৰতৰ মাজত পাচপোট, ভিচাৰ প্ৰচলন নোহোৱাৰ বাবে খিলঞ্জীয়া নেপালীসকলৰ বাহিৰে নতুনকৈ নেপালৰপৰা অবাধ গতিৰে নেপালীসকল অসমলৈ আহি আছে বুলি কৰা ধাৰণাৰ সত্যতাক একেবাৰে উলাই কৰিব নোৱাৰি। কিন্তু তেনে নেপালীৰ সংখ্যা সকত নহয়। এই কথাও নিৰ্ঘাত সত্য যে তেনে নেপালীতকৈ অসমৰ স্থায়ী নেপালীসকলে বেচি অপোন বুলি ভাৱে খিলঞ্জীয়া অসমীয়া সকলক।

প্ৰাচীন কালত দুখন বেলেগ ৰাষ্ট্ৰৰ মাজত অহা যোৱা কৰাত কোনো বাধা নাছিল বুলিয়েই সীমাত কটকটীয়া ব্যৱস্থা নকৰি ৰাষ্ট্ৰৰ সুৰক্ষা ঢিলাই দিয়াটো নিশ্চয় যুক্তিকৰ নহয়। মিত্ৰ দেশ হ'ল বুলিয়েই কোনো নিয়ম নীতি নাথাকিব, ই আচৰিত কথা। নেপালৰপৰা ভাৰতলৈ যোৱা প্ৰব্ৰজনৰ বিষয়টোলৈ দৃষ্টি ৰাখি এই কথা দৃঢ়ভাৱে কব পাৰি যে নিজৰ সুৰক্ষাৰ কথা চিন্তা কৰিয়েই ভাৰত চৰকাৰে নেপাল আৰু ভাৰতৰ মাজত পাৰ পত্ৰৰ ব্যৱস্থা কৰিব লাগে। ভাৰতীয় নেপালী, বিশেষকৈ পূৰ্বাঞ্চলত থকা নেপালীৰ কথা চিন্তা কৰিয়েই ভাৰতীয় সংবিধানত তাৰ বিহিত ব্যৱস্থা থাকিব লাগিব। ভাৰতীয় আৰু অভাৰতীয়

নেপালীৰ মাজত স্পষ্ট পৰিচয়ৰ ব্যৱস্থা কৰিব লাগিব। এই অবাধ গমনাগমনৰ বাবে যাতে কোনো খিলঞ্জীয়া অসমীয়া নেপালী অবাঞ্ছিত ব্যৱহাৰ বা পৰিস্থিতিৰ সন্মুখীন নহয় তাৰ প্ৰতি চকু দিব লাগিব।

সমন্বয়ৰ সোঁতক কোনেও বাধা দিব নোৱাৰে। সমন্বয়ৰ দাবীৰ আগত নত-মস্তক হৈ অসমৰ থলুৱা নেপালী আৰু খিলঞ্জীয়া অসমীয়া এক হ'বই লাগিব। সময়ে দাবী কৰাৰ দৰে অসমৰ চুকে কোনে সিঁচৰতি হৈ থকা থলুৱা নেপালী-সকলেও সকলো ক্ষেত্ৰতে খিলঞ্জীয়া অসমীয়া এজনে পোৱাৰ দৰে সম মৰ্যাদা পাবই। অসমীয়া পত্ৰ-পত্ৰিকাবোৰেও থলুৱা নেপালীসকলক বুকুৰ কুটুম বুলি নিসংকোচে আকোৱালি ল বই লাগিব। হাতত সময় তেনেই তাকৰ। ভাষাৰ প্ৰাচীৰ নেওচি বহল অসমীয়া জাতিৰ আন আন সম্প্ৰদায়ৰ লোকসকলৰ লগতে অসমীয়া নেপালীয়েও খোজত খোজ মিলাই অসমী আইৰ উন্নতিৰ বাবে খোজ দিবই লাগিব। সেই মহামিলনৰ শুভলগ্ন সমাগত। এই মহামিলনক কোনো ক্ষুদ্ৰ স্বাৰ্থই বাধা দি ৰাখিব নোৱাৰে—লুইতক কোনেও ভেঁটিব নোৱাৰে।।

— ——

# অসমত ইচলামিক সংস্কৃতি

আব্দুছ ছাত্তাৰ

মহম্মদ বিন বখ্‌তিয়াৰে চীন অভিযানলৈ ওলাওঁতে অসমত সোমোৱাৰে পৰাই এই দেশত মুছলমানৰ আগমন হয় বুলি ক'ব পাৰি। ১২০৬

**অসমত মুছলমান**

চনত মহম্মদ বিন বখ্‌তিয়াৰে অসম আক্ৰমণ কৰি কামৰূপৰ ৰজাৰ হাতত পৰাজিত হয়। গতিকে অতি সহজে অনুমান কৰিব পাৰি যে তেতিয়াই হয়তো দুই-চাৰি মুছলমান লগৰ বন্দীৰূপে হলেও চুকে কোণে থাকি গ'ল। আনকি, এজন মেচ ৰজাই মহম্মদ-বিন-বখ্‌তিয়াৰ খিলিজিক বাট দেখুৱাই আনি নিজে ইচলাম ধৰ্ম গ্ৰহণ কৰে। গতিকে এওঁৰ নামেই দিলে —আলী মেচ। মুছলমানৰ দ্বিতীয় আক্ৰমণ হয় ১২২৭ খৃষ্টাব্দত। সৈন্যবাহিনী পৰিচালনা কৰিছিল—ইৱাজখানে। নগাৱঁলৈকে সোমাই অহাৰ পিচত দবকা ৰাজ্যৰ ৰজা বিশ্বসুন্দৰদেৱে বাধা দি আক্ৰমণ ওফৰাই দিয়ে। ১২২৭ খৃষ্টাব্দত নছিৰুদ্দিনৰ নেতৃত্বত মুছলমানসকলে কামৰূপ আক্ৰমণ কৰে। তেতিয়া কামৰূপৰ ৰজা আছিল পৃথু। তেওঁ পৰাস্ত হয় আৰু মৰা পৰে। তাৰ পিছত নছিৰুদ্দিনে বছৰি কৰ আদায় কৰাৰ প্ৰতিশ্ৰুতি লৈ কামৰূপ ত্যাগ কৰে। তাৰ পিচত ১২৫৭ চনত

**তুগ্ৰিল খাঁৰ কামৰূপ আক্ৰমণ**

তুগ্ৰিল খাঁই কামৰূপ ৰাজ্য আক্ৰমণ কৰি উত্তৰ গুৱাহাটীলৈকে আগুৱাই আহিল আৰু ৰজা পলাই যোৱাত তুগ্ৰিল খাঁই ৰাজধানী অধিকাৰ কৰে। জনা যায় তেতিয়াই ৰাজধানীত এটা মছজিদ নিৰ্মাণ কৰি ইচলাম ধৰ্মানুযায়ী উপাসনা আৰম্ভ কৰিলে। জনাত এইটোৱেই অসমত (কামৰূপত) সম্ভৱ মুছলমানবিলাকৰ প্ৰথম মছজিদ। আকৌ দেখা যায়, প্ৰায় ১৩২১-২২ চনত গিয়াচুদ্দিনে অসম আক্ৰমণ কৰে। কিন্তু অসমীয়া সৈন্যৰ হাতত বিনাশপ্ৰাপ্ত হয়। পুনৰ ১৩৩৭ চনত মহম্মদ চাহ নামৰ সেনাপতিৰ তলত এক লাখ সৈন্যৰে অসম আক্ৰমণ কৰে কিন্তু ধ্বংসপ্ৰাপ্ত হয়। ১৪৯৮ চনত গৌড়ৰ নবাব হুচেন চাহে

**হুচেন চাহৰ কমতা ৰাজ্য আক্ৰমণ**

কমতাপুৰৰ মন্ত্ৰী শচীপাত্ৰৰ অনুৰোধক্ৰমে কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ আহিল। কমতেশ্বৰ নীলাম্বৰৰ পতন হ'ল আৰু হুচেন চাহৰ পুত্ৰেক দানিয়েল ৰাজ্যৰ শাসনকৰ্তা হৈ থাকিল। এই গৌড়ৰ নবাবৰ আক্ৰমণতে বহুতো মুছলমান মানুহ কামৰূপৰ ৰাজ্যে অঞ্চলত বৈ যায়। কামৰূপ-কমতাৰ শাসনকৰ্তা হৈ থাকোতেই গৌড়ৰ নবাব হুচেন চাহে

ৰঙামাটিত (গোৱালপাৰা—বঙ্গাই-গাৱঁলৈ যোৱাৰ বাটত) এটা সুন্দৰ মছজিদ সজায়। এয়ে বুৰঞ্জীখ্যাত ৰঙমাটিৰ মছজিদ।

কোঁচ ৰজা নৰনাৰায়ণৰ ভায়েক চিলাৰায় গৌড় দেশত নবাবৰ সেনাপতি কালাপাহাৰৰ হাতত বন্দী হৈ থকা অৱস্থাত নবাবৰ মাকক সাপে খোটাত কোনোৱে কোনোৱে ভাল কৰিব পৰা নাছিল। কিন্তু চিলাৰায়ে ভাল কৰাত তেওঁক নবাবে মুক্তি দিয়ে। বহুতৰ মতে তেওঁ নবাবৰ জীয়াৰীক বিয়া কৰায় আৰু যৌতুকত ভালেখিনি মাটি লাভ কৰে। নৰনাৰায়ণৰ মৃত্যুৰ পিচত চিলাৰায়ৰ পুতেক ৰঘুৰায় বা ৰঘুদেৱেই কোঁচ ৰাজ্যৰ ৰজা হবলগীয়া আছিল। কাৰণ, তেতিয়ালৈকে মহাৰাজ নৰনাৰায়ণৰ কোনো পুত্ৰ নাছিল। কিন্তু বুঢ়া বয়সত এটি পুত্ৰসন্তান জন্ম হোৱাত ৰঘুদেৱৰ মনত সন্দেহ উপজিল। ভালেমান মানুহ লগত লৈ তেওঁ পলাই কামৰূপৰ মানাহ নদীৰ পাৰৰ বৰনগৰলৈ আহিল। তাতে তেওঁ ঘিলাবিজয়পুৰ নামৰ গড় সাজি নগৰ নিৰ্ম্মাণ কৰিলে। পিচত নৰনাৰায়ণে ভতিজাকক মাতিলেও তেওঁ ঘূৰি নগ'ল। গতিকে তেওঁ ৰঘুদেৱক কোঁচ ৰাজ্য দুভাগ কৰি পূৱখণ্ড ৰাজ্য 'কোঁচ হাজো' নাম দি তাতে থাকিবলৈ দিলে (১৫৮১ খৃষ্টাব্দত)। ৰঘুদেৱ কোঁচবিহাৰৰ পৰা পলাই আহোঁতে লগত ভালেখিনি বণুৱা, বা-বিষয়া, অনুচৰ আদি লৈ আহিছিল। এই সকলৰ ভিতৰত বহুতো মুছলমান বণুৱা, সম্ভ্ৰান্ত বা-বিষয়া আৰু ওজাপালি গোৱা লোকো আহিছিল বুলি জনা যায়। এইদৰে বিভিন্ন সূত্ৰত মুছলমানসকল বাহিৰৰ পৰা আহি অসম ভূমিত নিগাজীকৈ থিতাপি লয় আৰু সাংস্কৃতিক মিলনৰ সূত্ৰপাত হয়।

কোচ হাজোত ৰঘুদেৱ

এইদৰে ১৫৪৩ চনত কলিয়াবৰৰ যুদ্ধত তুৰ্ব্বকৰ হাতত ফ্ৰাচেংমুং আৰু তেওঁৰ পত্নী বীৰ জনা মূলাগাভৰুৰ মৃত্যু হলেও অৱশেষত বীৰ কনচেঙৰ হাতত তুৰ্ব্বকো নিহত হয়। এই সময়লৈকে অসম দেশত বন্দুক সজা নহৈছিল। গতিকে তুৰ্ব্বকেই পোন প্ৰথম বন্দুক বঙ্গদেশৰ পৰা আনি ইয়াত ব্যৱহাৰ কৰে আৰু তাকে চাই ৰজাঘৰীয়া কাৰিকৰে বন্দুক তৈয়াৰ কৰে।*

অসমত বন্দুকৰ ব্যৱহাৰ

* "Musketry had not been made in Assam before this period, but King's artists now formed them after the mode of these which Toorbuck had brought from Bengal in 1543."

An account of Assam by Dr. Wade.

মুছলমানৰ লগত সম্পৰ্ক বা যুদ্ধৰ কাৰণে এই বন্দুক সজা কাম অসমত হয় বুলিব পাৰি। ঠিক সেইদৰে মহা প্ৰতাপী সম্ৰাট বাবৰে ভাৰতত প্ৰথম বন্দুক ব্যৱহাৰ কৰে। অসমত হিলৈৰ খাৰ-বাৰুদ আদি তৈয়াৰ হৈছিল। আনকি, মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত বৰতোপো অসমীয়া কাৰিকৰে তৈয়াৰ কৰিছে বুলি জনা যায়। বৰতোপ সজা অসমৰ অসমীয়া মুছলমান গেন্ধেলা গৰীয়াৰ কীৰ্ত্তিয়ে শিৱসাগৰৰ ৰঙাঘৰৰ আগত থকা বৰতোপ দৰ্শকৰ আজিও বিস্ময় লগায়। বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্ম্মাই লিখিছে—"শিৱসাগৰৰ ৰঙাঘৰৰ আগ চোতালত কেইটামান বৰতোপ আৰু হিলৈ শাৰী পাতি সংৰক্ষণকৈ থোৱা আছে। সেইকিটাৰ আগত থিয় হ'লে এনে অসমীয়া কোন আছে—যি গৌৰৱত উৎফুল্ল অথচ চকুপানী টুটকি নোৱাৰে। তাৰ মাজত যিটো বৰঘূৰীয়া বৰতোপ আছে সেইটো দেখিলে আচৰিত মানিব লাগে—আমাৰ নিচিনা নপুংসক জাতিৰ এটাৰ উপৰি পুৰুষতে সেই ক্ষেন বিৰাট বৰতোপ কাটিছিল নে বুলি ভিজাকে ইকৰ দিব লাগে। গুৱাহাটীৰ বিজয় তোপ চুৰিৰাৰ নাতি বলি খোৱা বৰফুকনে সেই তোপটো দি ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱক মান ধৰিছিল। মনচুৰ খাঁক গুৱাহাটীৰ পৰা খেদাৰ কেইবছৰমানৰ পিচতে ১৬৯৫ চনত (১৬১৭ শক) গড়গাঁৱা মন্দিৰৰ বৰফুকনৰ আদেশত গেন্ধেলা গৰীয়াই বৰতোপটো সাজে।" *

১৬১৫ চনত কোঁচৰজা পৰীক্ষিতৰ ভায়েক বলি নাৰায়ণ মুছলমানৰ হাতত পৰাস্ত হোৱাত আহোম ৰজা প্ৰতাপসিংহৰ ওচৰত সহায় বিচৰাত তেওঁ আশ্ৰয় দিয়ে।

অসমত মুছলমান সদাগৰ বতনচাহ

এনে সময়ত মুছলমান নবাবৰ সদাগৰ বতনচাহে আহোমৰজা প্ৰতাপসিংহৰ দিনত (১৫৩৭ শকত) দুখন নাৱঁৰে বেপাৰ কৰিবলৈ অসম দেশত সোমায়। ইয়াতে ৰজাই প্ৰমাদ গণিলে যে কোঁচ ৰজা মোগলে অধিকাৰ কৰাৰ দৰে আমাৰ আহোম ৰাজ্যও দখল কৰিব। ইয়াতে অসমীয়া সম্মুখে সদাগৰক ধৰি বধ কৰে আৰু বস্ত্ৰ বাহানিৰ সৈতে নাও দুখোন লৈ আনিলে। এয়েই হ'ল মোগল আৰু অসমীয়াৰ বৈৰিতাৰ প্ৰথম কাৰণ—যুদ্ধ লাগিল। সীমাৰ ঠেলাঠেলি হৈ অসমৰ সীমা হাজোলৈকে হ'ল।

---

* অসমৰ পুৰণি আগ্নেয়াস্ত্ৰ—বেণুধৰ শৰ্ম্মা—নৱধাৰা, শাৰদীয় সংখ্যা ১৮৮৬ শক।

এই সম্বন্ধে চাৰ এড্‌ৱাৰ্ড গেইট চাহাবে তেওঁৰ History of Assam ত লিখিছে—

"About the same time a Mussalman Trader was murdered near Koliabar. on suspicion of being a spy and his two boats were looted. Shekh Qasim, the Governor of Bengal decided on a punitive expedition and sent Saiad Hakim, an imperial officer and Saiad Aba Bakr with upwards of ten thousand horses and foot and four hundred large ships to invade the Ahom country."

প্ৰথম বাৰৰ যুদ্ধত আহোমৰ পৰাজয় হয় কিন্তু এদিন ৰাতি হঠাৎ আহোমপক্ষে মুছলমানক আক্ৰমণ কৰাত তেওঁলোকৰ পৰাজয় হয়। ইয়াৰ ফলত আহোমে মুছলমানৰ ভালেখিনি যুদ্ধৰ আহিলাপাতি লাভ কৰে। গেইট চাহাবেই তেওঁৰ বুৰঞ্জীত লিখিছে—

"An immense amount of booty fell into the hands of the Ahoms including elephants, horses and a large number of warships, boats, cannon, guns and other munitions of war." *

**মুছলমান যুদ্ধ-বন্দীৰ অসমত বসবাস**

এই যুদ্ধতে বহুতো মুছলমান সৈন্য বন্দী হৈ অসম দেশতে বসবাস কৰি আছিল। গতিকে মীৰজুমলাৰ অসম আক্ৰমণৰ (১৬৬১ চনত) লগত অহা চাহাবুদ্দিন তালিশ নামৰ বুৰঞ্জীবিদে সেয়েহে লিখিছিল—

"It is said that certain inhabitants of this country who bear the name of Mahommadans are descended from the captured soldiers of that army."

গতিকে এই যুদ্ধ-বন্দী মুছলমানৰ সতি-সন্তানেই এই দেশৰ মুছলমান প্ৰজা। এই কথাৰ পৰা ইয়াকে কব পাৰি যে ভাৰতলৈ মুছলমান আহোঁতে ভাৰতৰে তিৰোতা বিয়া কৰি ভাৰতত থাকিবলৈ লোৱাৰ দৰে অসমৰ যুদ্ধ-বন্দী মুছলমানেও কেতিয়াও লগত তিৰোতা অনা নাছিল। স্বাভাৱিকতে অসমৰে তিৰোতা গ্ৰহণ কৰি বংশ বৃদ্ধি কৰে।

---

* History of Assam by E. Gait.

একেসূত্ৰেই অসমীয়া থলুৱা মুছলমানৰ সম্বন্ধে চাহাবুদ্দিন তালিশে লিখিছিল—

"As for the Mussalmans who had been taken prisoner in former times and had chosen to marry there, their descendants are exactly in the manner of Assamese and have nothing of Islam except the name ; their hearts are inclined for more towards mingling with the Assamese than towards association with Muslims."

এনেকৈয়ে এই নতুন মাটিত নতুন মুছলমানে নিজকে মিলাই দি বংশ পৰম্পৰাক্ৰমে যি ভৱিষ্যত মুছলমান সমাজ গঢ়িলে সি নামটোতহে বেলেগ হৈ থাকিল।

অসমত মুছলমানৰ বিস্তৃতি আৰু সাংস্কৃতিক প্ৰভাৱ

নহলে অসমীয়া সমাজৰ যি কোনো এজন হিন্দুৰে একেই হৈ পৰিল। বৰং পিচলৈ এনেকুৱা হ'ল যে, নামটোতো মুছলমানীত্ব হেৰাই গ'ল। আনকি, মুছলমানৰ ঘৰত উপজি যোগাই, ৰূপেশ্বৰ, দিদাই পলো আদি নাম লৈয়ো মুছলমান হৈয়ে মৰি গ'ল। যোৰহাটৰ ভাদেকেইটা পৰিয়ালৰ অংকুৰকাকতিৰ নামকে মই ইয়াত ক'লোঁ। মীৰজুমলাৰ লগত অহা এই বুৰঞ্জীবিদজনেই অসমীয়া মানুহৰ বিষয়ে লিখিছিল যে হিন্দু মুছলমান সকলোৰে ৰন্ধা আহাৰ তেওঁলোকে খাইছিল—

"They do not abstain from eating food cooked by Muslims and non Muslims."

তেওঁৰ সেই যুগত অসমীয়া সকলো সাধাৰণৰ মাজত কেনে সম্প্ৰীতি আছিল অতি সহজে বুজিব পাৰি।

ইফালে সমসাময়িক অসমীয়াৰ সম্বন্ধে কি বুলি লিখিছে চাওক।

"It is not their custom to eat Ghi, so that if any article even savours of Ghi they will not eat."

অৰ্থাৎ ঘিঁউ খোৱা তেওঁলোকৰ নিয়ম নাছিল। সেয়ে যদি কিবা খোৱা বস্তুত 'ঘিঁউৰ গোন্ধ পায় তেন্তে তেওঁলোকে সেয়া নেখাইছিল। পিছিকে এই 'ঘিঁউৰ বস্তু নোখোৱা বা ঘিঁউৰ গোন্ধ ল'ব নোখোজা অসমীয়া সমাজত মুছলমানৰ প্ৰভাৱত অসমীয়া "খানা-পিনা"ত পোলাও, কোৰ্মা, কোপ্তাৰ ঘিঁউৰ গোন্ধে অসমদেশ আমোলমোলাই গ'ল। এইয়ে হৈছে এটা জাতিৰ সাংস্কৃতিক জীৱনৰ প্ৰভাৱ আৰু ৰূপান্তৰ। আজি অসমীয়াৰ উৎসৱত ব্যৱহাৰৰ এনে বহু

বস্তু আছে যিবোৰ একেবাৰে অপৰিহাৰ্য্য। এই ধৰণেই ভালেমান মুছলমানী পদ্ধতি, আচাৰ-ব্যৱহাৰ আৰু আদব-কায়দা আমাৰ দেশত প্ৰবৰ্ত্তন হয়। ঠিক সেইদৰে অসমীয়াৰ প্ৰচলিত বিভিন্ন খাদ্য-সামগ্ৰীও মুছলমান সমাজে অতি সহজে গ্ৰহণ কৰি পেলালে। খাৰ-খাৰণি, খৰিচা, কাঁহুদি-খাৰলি, তিলপিঠা, ঘিলাপিঠা, চুঙাপিঠা, ফেনীপিঠা, ভাতপিঠা, সুতুলিপিঠা, বোমল-চাউল, সান্দহ, বৰাই-লাড়ু, হুৰুম আদি মুছলমানৰ ঘৰতো সোমাই পৰিল—বহুৰ মানি প্ৰতিঘৰ অসমীয়া হিন্দু মুছলমানে সমানে কোনোবা যুগৰে পৰা এইবোৰ ব্যৱহাৰ কৰি আহিছে।

মাটি জৰিপ কৰা প্ৰথা

গদাধৰসিংহই মুছলমান ৰজাৰ মাটি জৰিপ কৰা পদ্ধতি বৰ ভাল দেখি কোঁচবিহাৰ আৰু বঙ্গদেশৰ পৰা অভিজ্ঞ লোক আনি সমগ্ৰ অসম দেশত জৰিপ আৰম্ভ কৰে। গদাধৰসিংহৰ বিষয়ে কৰ্ণেল গেইট চাহাবে কৈছে—

"A noteworthy measure of this monarch was the commencement of a detailed survey of the country. He had become acquainted with the land measurement system of the Muhammadans during the time when he was in hiding in lower Assam, before he succeeded to the throne, and as soon as the wars which occupied the earlier years of his reign were over he issued order for the introduction of a similar system throughout his dominions. Surveyors were imported from Koch Bihar and Bengal for the work."

আদালতৰ ফুকন

অসমীয়া বিভিন্ন বিষয়-বাবৰ সম্বন্ধে ক'বলৈ গৈ ফুকনৰ পদমৰ্য্যাদা সম্বন্ধে ৱেড চাহেবে কৈছে যে প্ৰাচীন মোগল চৰকাৰৰ বিষয়-বাবৰ লগত ইয়াৰ সাদৃশ্য আছে।*

অসম চৰকাৰে সেই সময়ত ফুকনক সামৰিক পদমৰ্য্যাদা দি আদালতৰ ফুকন পাতিছিল।

"The nation of Assam generally denominate the Military

* "The office of Fukon has some affinity to a rank in the ancient Mugol Government."

An account of Assam by Dr. Wade.

Fukons by the more respectable Titles of Judges ( Adalatar Fukon )."*

আদালত শব্দটোৰ পৰাই বুজাত অতি সহজ যে ই মোগল চৰকাৰৰ পদমৰ্য্যাদাৰ লগত সাদৃশ্য ( সমতা ) ৰক্ষা কৰিছিল ।

আহোম ৰজাসকলে ৰাজদৰবাৰত যথেষ্ট মুছলমান বিষয়া নিয়োগ কৰিছিল যাতে বাহিৰৰ লগত সম্বন্ধ ৰাখিবৰ কাৰণে ফাৰ্চীৰে দিয়া চিঠিপত্ৰ পঢ়িব পাৰে আৰু আৱশ্যকীয় উত্তৰ দিব পাৰে । এই বিষয়ে 'এনেলচ্ অৱ দি দেল্হি বাদচা-হাটত' আছে—

"The Ahom monarch maintained in his court a large number of Muhammadan officials who deciphered persian correspondence received from outside, and drafted letters to foreign sovereigns and potentates. The royal mint was under the superintendence of a Muhammadan officer, and several Assamese kings and queens struck coins with persian legends engraved on them. The persian or Urdu language was not absolutely unknown among the mass of people and a witness in a criminal trial of about 1775 reproduced the exact words of the conversation which had been carried on by the accused in 'Farsi'."

ৰাজকীয় টকাশালো এজন মুছলমান বিষয়াৰ অধীনত আছিল । বহুতো আহোম ৰজা আৰু ৰাণীয়ে মুদ্ৰা ফাৰ্চী আখৰেৰে মৰোৱাইছিল । সৰ্ব্বসাধাৰণ মানুহে ফাৰ্চী বা উৰ্দ্দু যে নেজানিছিল এনে নহয় । ১৭৭৫ চনত এজন আচামীয়ে বিচাৰালয়ত যি ভাষা কৈছিল সেয়া সম্পূৰ্ণ ফাৰ্চী ভাষাত আছিল বুলি জনা যায় ।

"গেইটৰ মতে—আহোমবিলাকে ৰাজ্য বিস্তাৰ কৰি মুছলমানৰ সংস্পৰ্শত অহাত হুচেইনী বংশ মুছলমান ৰজাসকলৰ মুদ্ৰা-নীতি অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত হৈছিল । মিঃ এ· ডব্লিউ· বথামৰ মতে কেৱল লিপি আৰু আকৃতিৰ বাহিৰে আন

---

* Dr. Wade's An account of Assam.

আন বিষয়ত আহোম মুদ্রাবিলাক আলাউদ্দিন হুছেইন শাহৰ পুত্র নছৰৎ শাহ আৰু গিয়াছুদ্দিনৰ মুদ্রাৰে সৈতে একে আছিল ।" **

ফাৰ্চী ভাষা আৰু লিপিৰ আহোম যুগৰ মুদ্ৰাত লেখা কথাবোৰ তলত দিয়া হ'ল—

"(১) চাহ শিও সিং (২) ছিক্কা (৩) জদ চেঁা মহৰ (৪) ব-হুকমে বেগম পৰ্‌মতিছৰি (৫) চাহ—(১) ময়মনত মাহুছ (২) ১৫ (৩) ছনে জলুচ (৬) জৰৰ গৰগাওঁ (৫) ১৬৫১"।

"অসমীয়া ভাঙনি :—(১) ৰজা শিৱসিংহৰ (২) টকা (৩) মোহৰৰ দৰে মুদ্রিত (৪) বেগম পৰ্‌মতিছৰিৰ (ৰাণী প্ৰমথেশ্বৰী) আদেশ অনুযায়ী (৫) ৰজা—(১) এজন অন্তৰঙ্গ বন্ধুৰ শ্ৰীবৃদ্ধি (২) ১৫ (৩) ৰাজা সিংহাসনত আৰোহন কৰা তাৰিখ (৪) গড়গাৱঁত মুদ্রিত (৫) ১৬৫১ (১৭২৯ খৃঃ)" *

মুছলমান বিষয়া নিয়োগ আৰু আহোম দৰবাৰত মুছলমান বিষয়া থকা সম্পৰ্কে 'এনেলচ্ অব দি দেল্‌হি বাদচা হাট'ত আছে।

"But we know that there were learned Muhammadans in Assam in those days, some of whom were appointed in the Persian department of the Ahom Government, who could very easily acquire a mastery of Assamese prose style. Of the Muhammadan officers of the Ahom Court, there were 16 Dewans, 1 Nawab-Deka, 2 Persian readers, and one engraver."

এইমতে আহোম ৰাজদৰবাৰত—১৬ জন দেৱান, এজন নবাব ডেকা, দুজন ফাৰ্চী-পঢ়ীয়া আৰু এজন আখৰকটীয়া আছিল।

অৱশ্যে ইও ঠিক যে সেই সময়ত ফাৰ্চী জনা বিজ্ঞ হিন্দু ব্যক্তিও আছিল। কাৰণ, সেই সময়ত সংস্কৃতিৰ বিশেষ নিদৰ্শন আছিল—ফাৰ্চী জনাটো। কাৰণ বৈদেশিক নীতি আৰু যোগাযোগ ৰাখিবৰ কাৰণে বিষয়াসকলে ফাৰ্চী জনাটো অপৰিহাৰ্য্য আছিল।

---

** ৺সৰ্ব্বানন্দ ৰাজকুমাৰ ৰচিত—'পুৰণি অসমৰ মুদ্রা' নামৰ প্ৰবন্ধৰ পৰা উদ্ধৃত কৰা হৈছে—অসমীয়া সংস্কৃতি—পৃঃ ১৯০।

* ৺সৰ্ব্বানন্দ ৰাজকুমাৰ ৰচিত। 'পুৰণি অসমৰ মুদ্রা' নামৰ প্ৰবন্ধৰ পৰা—অসমীয়া সংস্কৃতি—পৃঃ ১৯৬।

কেৱল যে মুছলমান বিলাক ৰাজদৰবাৰতে আছিল এনে নহয়। দেশপ্ৰেমত আপ্লুত হৈ অসমীয়া মুছলমানসকলে খামুচি ধৰা দেশৰ সপক্ষে আহোম ৰাজত্বৰ সৈন্য পৰিচালনাত অংশ ভাগ লবলৈ সুবিধা পাইছিল। "গুৰুত্বপূৰ্ণ সামৰিক পৰিচালনাসমূহ অহোম-সকলৰ দ্বাৰা মুছলমানক দিয়া হৈছিল কাৰণ, তেওঁলোকে বসবাস কৰিবলৈ লোৱা দেশখনৰ কাৰণে আগ্ৰহ আৰু দেশহিতৈষিতাৰে যুঁজিছিল।"

সৈন্য পৰিচালনাত মুছলমান সেনাপতি

"Important military commands are said to have been given by the Ahoms to Assamese Muhammadans who fought for their land of adoption with zeal and patriotism." *

গতিকে অসম বুৰঞ্জীপাতত 'গড়গঞা' সেনাপতি আছিল মহম্মদ ইচমাইল চিদ্দিকি ওৰফে "বাঘ হাজৰিকা"। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিপক্ষে গড়গঞা পানি সেনাপতিৰূপে এই বাঘ হাজৰিকাই অসমীয়া সেনাৰ যুদ্ধ পৰিচালনা কৰিছিল। এওঁ আছিল প্ৰকৃততে চমুৱা হাজৰিকা। ২৫ বছৰ বয়সতে তেওঁ দিল্লীৰ পৰা অসমলৈ আহে— আৰু ইয়াতে আহোম সম্প্ৰদায়ৰ এগৰাকী ছোৱালী বিয়া কৰাই নিগাজিকৈ থাকে। এই বাঘ হাজৰিকাৰ নিচিনা এজন অসমীয়া স্বদেশপ্ৰেমী বীৰৰ নৱম পুৰুষত জন্মলাভ কৰা আনজন ব্যক্তি— জ্ঞান-মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা।

ইছলামী পৰ্দা কেৱল মুছলমান সমাজতে আবদ্ধ নেথাকি সম্ভ্ৰান্ত হিন্দু পৰিয়ালতো ইয়াৰ প্ৰচলন হবলৈ ধৰিলে। এও এটা আভিজাত্যৰ চিনাকিৰূপে অসমীয়া সমাজত পৰিগণিত হবলৈ ধৰিলে। অসমীয়া সমাজত আৰকাপোৰৰ ব্যৱহাৰো মন কৰিবলগীয়া। সঙ্গীতৰ বিভিন্ন বাদ্য মুছলমানৰ লগে লগেহে অসমত প্ৰসাৰতা লাভ কৰে। আতৰ, গোলাপপানী আৰু জোতা সম্বন্ধেও একে কথাই খাটে। তদুপৰি আতৰদানী, গোলাপদানী আৰু চোৰদানীও অসমদেশত প্ৰচলন হবলৈ ধৰিলে। চাহে চোম্মা লোৱা প্ৰথাও মুছলমানৰ লগে লগেহে অসমত প্ৰচলন হয়। মাইকী মানুহৰ কাণ ফুটোৱা প্ৰথা আৰবদেশৰ ইব্ৰাহীমৰ দিনৰ পৰাই প্ৰচলিত হয় আৰু কাণফুল আৰু নাকফুলৰ ব্যৱহাৰে ক্ৰমান্বয়ে

অসমীয়া সমাজত পৰ্দা প্ৰথা আৰু বাদ্যযন্ত্ৰ আদিৰ প্ৰচলন

* Annals of the Delhi Badshahate pp—11

ইছলামিক জগতৰ পৰাহে বিভিন্ন দেশত প্ৰচলিত হয়। ইব্ৰাহীমৰ পত্নী হাজেৰাৰ দিনৰ পৰা ইয়াৰ প্ৰচলন হয় বুলি জনা যায়। যুঁজাকাৰ ঘোঁৰা উঠা কথাটোও অসমলৈ মুছলমান অহাৰ পৰাহে প্ৰচলন হয়। কাৰণ বুৰঞ্জীত আছে—মুছলমান অশ্বাৰোহী সৈন্যলৈ অসমীয়া যুঁজাৰু সৈন্যই বৰ ভয় কৰিছিল। অসমীয়া সেনাই এনেয়ে হয়তো বহুতৰ বিৰুদ্ধে যুদ্ধ দিব পাৰে কিন্তু এটা ঘোঁৰা চোৱাৰী সৈনাই এজাককে খেদাই পঠাব পাৰে।

আহোমৰজা প্ৰতাপসিংহৰ দিনত অসমৰ সীমা চেৰাই বঙ্গদেশৰ ঢাকাৰ নবাবৰ অনুমতি লৈ তিনিজন মুদৈয়ে অৰ্থাৎ সোণাৰী, জয়হৰি আৰু নৰহৰি মুদৈয়ে বেপাৰ বাণিজ্য কৰি মুছলমান নবাবৰ লগত সম্প্ৰীতি গঢ়ি তুলিছিল বুলি দেওধাই অসম বুৰঞ্জীত উল্লেখ আছে। ইয়াৰ পৰা ইয়াকো অনুমান কৰিব পাৰি যে, মুছলমানৰ ৰীতি-নীতি বা আন বহু সামগ্ৰী আগাৰ অসম দেশলৈ এনেদৰেও আমদানি হৈছিল।

মোগল আৰু অসমীয়াৰ ভিতৰত বহুত দিনৰে পৰা সম্বন্ধ গঢ়ি উঠিছিল। আওৰংজেবৰ তৃতীয় পুত্ৰই আহোমৰজা জয়ধ্বজসিংহৰ জীয়াৰী ৰমণী গাভৰুক (ৰহমত বানু) বিয়া কৰোৱাৰ কাৰণে আহোম ৰজালৈ মাজে সময়ে সাজ সৰঞ্জাম আদি উপঢৌকন স্বৰূপে পঠাইছিল। গতিকে মোগলৰ বহুতো ৰাজঘৰৰ বস্তু অসমৰ ৰজাঘৰত ব্যৱহাৰ হৈছিল। দোৰবেগ আৰু কলমবেগ নামৰ দুজন মুছলমান কটকীয়ে অসম ৰজা জয়ধ্বজসিংহলৈ উপহাৰ আনিছিল। অৱশ্যে 'শিৰ পাও' বটা অনাৰ কাৰণে ৰজাই মোগলৰ বিৰুদ্ধে যুদ্ধ প্ৰস্তুতি কৰি শৰাইঘাটৰ ৰণ পাতিছিল আৰু এই ৰণতে অসমৰ জয় হয় আৰু বঙালৰ (মোগলৰ) পৰাজয় হয়।

মোগল সম্ৰাটৰ আহোম ৰজালৈ পঠোৱা উপঢৌকন

বহুতৰ মতে অসমত প্ৰচলিত সূত্ৰধাৰী নৃত্যৰ সাজ-সজ্জাত চাপকন আৰু পাগ ম্ন কৰিবলগীয়া এই কাৰণেই যে, এইবোৰৰ মোগল পোছাকৰ লগত সাদৃশ্য আছে। বিশেষকৈ মূৰৰ পাগটোত। গতিকে অসমীয়া সাংস্কৃতিক জীৱনতো মোগল সংস্কৃতিয়ে এইদৰে বোল সানিলে। আহোমৰজাৰ ঘৰলৈ উপঢৌকনৰূপে অহা বহুতো বস্তু অসমীয়াৰ দৈনন্দিন জীৱনত অপৰিহাৰ্য্য হৈ পৰিল।

সূত্ৰধাৰী নৃত্যত মোগল সাজ-সজ্জাৰ প্ৰভাৱ

"আহোম ৰাজ্যৰ স্বৰ্ণযুগ" স্বৰ্গদেৱ ৰুদ্ৰকান্ত সিংহৰ দিনতে অসমৰ শিল্প-কলা, সঙ্গীত-

সংস্কৃতিয়ে ঠেন ধৰি উঠিছিল। প্ৰমাণ স্বৰূপে বৰ্ত্তমান সূত্ৰধাৰ নাচত যি পোছাক কৰা হয় তাৰিকে আঙুলিয়াব পাৰি। বৰ্ত্তমান সূত্ৰধাৰ নাচত ব্যৱহাৰ কৰা পোছাকটো প্ৰাচীন অসমীয়া পোছাক নহয়—উত্তৰ ভাৰতৰ মোগলসকলৰ দানহে। প্ৰবাদ আছে যে, দিল্লীৰ মোগল সম্ৰাট আওৰংজেবৰ তৃতীয় পুত্ৰ আজমশ্বাহ বঙ্গদেশৰ শাসনকৰ্ত্তা থকা অৱস্থাত অসমৰ চুৰ্জিনফা বা দিহিঙীয়া ৰজাৰ লগত বৈবাহিক সম্বন্ধসূত্ৰে 'চুসাজ বিলাতী পাটৰ জামাএৰে জৰপাগ' আৰু অনেক বয় বস্তু অসমৰ ৰজালৈ ভেটী পঠাইছিল। মোগল সাম্ৰাজ্যৰ পৰা আমদানি হোৱা এই পোছাক হয়তো ধৰ্মভীৰু স্বদেশ পৰায়ণ ৰজাই পৰিধান নকৰি সত্ৰলৈ পঠিয়াই দিলে। ৰজাই দিয়া দান বুলি ভক্তপ্ৰিয় সত্ৰাধিকাৰে পবিত্ৰ সূত্ৰধাৰ নাচৰ পোছাক হিচাপে ব্যৱহাৰ কৰিলে।"*

কমলেশ্বৰ সিংহৰ পাগ জেমা ব্যৱহাৰ

আনহাতে পৰবৰ্ত্তী ৰজা স্বৰ্গদেউ কমলেশ্বৰ সিংহই মুনকাঙৰ কটকী তোলাত বাৰ্ত্তাপাচুক ৰূপে পাগ জেমা পিন্ধি বাহ্যিক পোছাকৰে পৰিবৰ্ত্তন কৰিলে—অসমীয়াৰ সাজপোছাকত মোগল প্ৰভাৱ বাঢ় অনুগমতে হয়।

"আতপাতে সেই পৌষমাহৰ ১৪ দিন যাওঁতে শুক্ৰবাৰে পথূলি বেলা বংঘৰত ৺এ সেই মুনকঙীয়াৰ কটকীক ভুমিলে। ...... ৺ও বাহলৈ আহিল। সেই কটকী তোলাত বংঘৰটে কাপৰে চাইছিল। দাঁতিত ৰূপৰ বেৰ আৰিছিল। চাংখনত বাগত পাৰিছিল। সেই ঘৰতে ৺ও চাঙতে চন্দ্ৰাতাপৰ তৰি পাগ-জেমা পিন্ধি বহিল। আনেও পাগ-জেমা পিন্ধিছিল। (তুংখুঙীয়া বুৰঞ্জী, পৃষ্ঠা ১৭৫)

একেপ্ৰসংগতে তুংখুঙীয়া বুৰঞ্জীত আছে—"মুনকাঙৰ কটকী তোলা—সেইবেলা মুনকাঙৰ ৰজা পত্ৰ-সন্দেশ দৈতে কটকী পকামুক পঠাইছিল। সি আহি মহৰৰ ঘাটে ওলাই দিহিঙৰ বাহৰ পালেহি। সেই কটকীক বোকবাক দি নিবাৰে থৈছিল। পাছে ৺এ বংঘৰতে সেই কটকীক ধাৰাণে ভুমিলে। সেইবেলা ৺এ পাগ-জেমা পিন্ধি বংঘৰত বহিছিল।' (পৃষ্ঠা ১৭১)

অসমৰ সাংস্কৃতিক জীৱনলৈ লক্ষ্য কৰিলে দেখা যায় যে 'বয়াহ সেৱা ওজা-পালিৰ নৃত্যত ওজাইয়া—চোগা-চাপকন আৰু জামা পিন্ধিছিল। মুছলমান ওজা

---

* সত্ৰীয়া নাচ—আনন্দমোহন ভাগৱতী, ৰামধেনু—সপ্তদশ বছৰ দ্বিতীয় সংখ্যা।

থকা প্ৰমাণ পাব পাৰি মঙ্গলদৈ মহকুমাৰ হাজৰিকা পাৰা অঞ্চলৰ পৰাই। এশ বছৰৰ আগলৈকে এনে ধৰণৰ মুছলমান ওজা আছিল। আজান চাহেব অসমলৈ আহিও এনে ধৰণৰ ওজাপালি গোৱা মুছলমান লগ পাইছিল কাৰণে জিকিৰৰ এঠাইত কৈছে—

কৰিম আতৈ

"বান্দাই বন্দেগী নকৰে
পালিৰ বোলায় ওজা"

কৰিম আতৈৰ নাম সেই অঞ্চলত মাৰৈ গীত গোৱা কাৰণে প্ৰসিদ্ধ। প্ৰবীণ সাহিত্যিক স্বৰ্গীয় দৈৱচন্দ্ৰ তালুকদাৰে 'সুকনানী পদ্মাৱতী' নামৰ সুকবি নাৰায়ণদেৱৰ নামত (সোতৰ শতিকাৰ) প্ৰচলিত গীত-মাতৰ এখন বুজন গ্ৰন্থও সংগ্ৰহ কৰিলে (মঙ্গলদৈ আৰু কামৰূপ অঞ্চলত মুখে মুখে প্ৰচলিত গীতসমূহ)। ইয়াত সন্নিবিষ্ট কৰা হাচান-হুচেনৰ ঘটনাৰ একো সত্যতা নাথাকিলেও এই গীতসমূহৰ সামাজিক আৰু সাংস্কৃতিক মূল্য আছে। আমাৰ মতে এই অংশ কোনোবা মুছলমান ওজাই ৰচনা কৰিছিল। কিন্তু সুকনানী পদ্মাৱতীত সুকবি নাৰায়ণদেৱৰ ৰচিত গীতবুলি সন্নিবিষ্ট কৰা হ'ল।

আজি প্ৰায় এশ বছৰৰ আগতে মঙ্গলদৈ অঞ্চলৰ মুছলমান সমাজখন কেনে আছিল তাৰ প্ৰতিচ্ছবি পাওঁ "মোৰ জীৱনৰ কিছু কথা" নামৰ পুথিৰ পৰা। এইখন হৈছে—নজৰ আলি নামৰ সেই অঞ্চলৰ এজন প্ৰাথমিক স্কুলৰ শিক্ষকে লিখা—আত্ম-জীৱনী। এই নজৰ আলিৰ জন্ম ১৮৭৮ চনত আৰু এওঁৰ মৃত্যু হয় ১৯৫৭ চনত।

এশ বছৰৰ আগৰ মঙ্গলদৈৰ মুছলমান সমাজখন

"আজি কালিৰ নিচিনাকৈ কোৰাণ শৰিফ পঢ়ি সমাজক বুজাব পৰা লোক সেই সময়ত নাছিল বুলিলেই হয়। দুই-এক মুঞ্জি-মোল্লাই সামাজিক নীতি-নিয়মবোৰ চলাইছিল মাত্ৰ। মাজে সময়ে গোলাঘাট মহকুমাৰ বিখ্যাত সকৰাগুৰীয়া দেৱান বংশৰ মঃ চেখায়ত আলি পীৰ চাহাব, গুৱাহাটীৰ চুফী জোলকাদ আলি মুঞ্জি চাহাব ও তৎপুত্ৰ চুফী ইয়াকুব আলি মুঞ্জি চাহাব আহি এই অঞ্চলৰ মুছলমান সমাজত দীক্ষা দি ফুৰিছিলহি। তেতিয়াৰ দিনত ইয়াৰ গাওঁবিলাকত মছ্‌জিদ নাছিল বোলে। ঘোপাত (বৰ্তমানে মুছলিমঘোপা) মাত্ৰ একেটি 'নামঘৰ' আছিল। তাতে পীৰৰ নামে ভোজ পাতি বড়া কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই বাইজে জাৰেলী (নিষিদ্ধ) নাম গীত গাইছিল। ঠায়ে ঠায়ে বিয়াই-সবাহে ঢোল কালি প্ৰচলন

আছিল। মুছলমানৰ ভিতৰতো ঢুলীয়া, কালীয়া, দেউৰী, গোপালি পদাত আছিল। আনকি এই ঢুলীয়া-কালীয়া ওজাসকল হিন্দু বিয়া-সবাহলৈকো সেই সেই কামৰ বাবে নিমন্ত্ৰিতো হৈছিল। কালীয়াপাৰা গাঁও এতিয়াও আছে। মাৰৈৰ বৰ-ওজাৰ বংশধৰসকল আজিও বিদ্যমান। আমাৰ গাঁৱৰ বিহে 'আইৰ' "চান্দোৰ পুতেক লখীন্দৰ, সাজি পেলালে মেৰঘৰ" আদিগীত সকলোৱে জানি তবধ মানিছিলো। বাবাজীৰ দোল, গহীনপালৈৰ দোল আৰু বেৰেলৈৰ দোল উৎসৱত গুনা নামৰ লগত ইয়াৰ অকণো পাৰ্থক্য নাছিল।

যিয়েই নহওক, তেনে সময়তে চুফী জোলকদ আলি চাহাব প্ৰথমে যোগাত সোমাবহি আৰু সেই অঞ্চলৰ কু-সংস্কাৰবোৰ, ধাতুৱাই বাইজক সত্য পথলৈ আনিবলৈ সমৰ্থ হয়। ঘোপাৰ সেই নামঘৰটিকে মছ্জিদলৈ পৰিবৰ্তন কৰি তাতে সমাজ বহুৱাই ধৰ্মৰ সাৰ মৰ্মবোৰ চুফী চাহাবে প্ৰচাৰ কৰে।"

নজৰ আলি চাহেবে উল্লেখ কৰা ওপৰৰ কথাখিনিৰ পৰা অতি সহজে অনুমান কৰিব পাৰি যে সেই সময়ৰ অসমীয়া মুছলমান সমাজখন কেনে আছিল। নামঘৰেই তেওঁলোকৰ প্ৰাৰ্থনা গৃহ অৰ্থাৎ মছ্জিদ আছিল। নামত মুছলমান হৈ সম্পূৰ্ণ হিন্দুৱানী প্ৰথাৰেই জীৱন অতিবাহিত কৰিছিল। সাংস্কৃতিক সংমিশ্ৰণৰ ফলত এনে ধৰণৰ নীতি নিয়ম প্ৰচলন আছিল। মুছলমান ঢুলীয়া, কালীয়া আৰু ওজা আদিয়েও হিন্দু বিয়া-সবাহলৈকো হৈ নিজ নিজ কাম সমাপন কৰিছিল। এইখন তেতিয়া কিমান সৌহাৰ্দ্যপূৰ্ণ আৰু সম্প্ৰীতিসম্পন্ন অসমীয়া সমাজ আছিল! বহু কালৰে পৰা অসমত প্ৰসিদ্ধ মুছলমান আছিল। সাপে ডকা মন্ত্ৰতো আছে —"কৈত পাওঁ পড়িবাৰ সেক" ইত্যাদি। সেইখন অসমীয়া সমাজত মাৰৈ গীত গোৱা যেনেকৈ মুছলমান ওজা আছিল সেইদৰে সাপে ডকা মন্ত্ৰ জনা মুছলমান বেজো আছিল। সেইদৰে অসমীয়া মুছলমানে পতা বিয়া এখনৰ বৰ্ণনা মোৰ জীৱনৰ কিছু কথাৰ পৰা পঢ়িলেই বুজা যায় অসমীয়া মুছলমানৰ সাংস্কৃতিক জীৱন কেনে আছিল।" "গাঁৱৰ চহকী দুই একৰ ঘৰত দিলাৰ সোণৰ কাণফুল (কৰিয়া) এযোৰ, দৰাৰ জামাচোলা এযোৰ আৰু কইনাৰ রিকমেখেলা এযোৰকৈ থাকে। গাঁৱৰ যি কোনো বিয়াতেই এইবোৰ ব্যৱহৃত হয়। বিয়া হোৱাৰ এসপ্তাহমানত এইবোৰ ঘূৰাই দিয়াৰ নিয়ম। হাতৰ আঙুলিত টকা, আধলি, সিকি, দুৱানী আদি কণৰ মোহৰ লগোৱা 'ছাব' আঙঠি বা টকা কণৰ দুই-এটা আঙঠি হলেই হৈ যায়। কইনাৰ হাতৰ দৰৰ পৰা কৃৰি সোণা ওজনৰ খাডি কণৰ

"পটীয়া" আৰু দৰাই দিব লাগিছিল। অৱস্থাপন্ন দৰাই বিয়াৰ আগ দিনা কইনাৰ ঘৰত বাইজৰ 'ভোজ'ৰ কাৰণে ডাঙৰ খাহী ছাগলী এটা সিধা দিব লাগে। সেই-দিনা দৰা আৰু কইনাক গাত তেল ঘঁহি গা ধুওৱা হয়। তাৰো আগদিনা ভাটি-বেলা কইনা ঘৰলৈ 'জোৰাবন্ধা সোঁধনীভাৰ' নিব লাগে। সেই ভাৰত জোৰাকৈ ধান-চিৰাৰ খৰাহি, দৈ-গাখীৰ মিঠৈৰ টেকেলি আৰু তামোল-পান আদি নিব লাগে আৰু সেইবোৰ কইনাৰ চুবুৰীৰ আটাইবোৰৰ লগত দৰা পক্ষৰ লোকে খাই খুৱাই আহিব লাগে। এনেকুৱা ভালমন্দ সৰুসুৰা প্ৰথা আৰু বহুত আছিল। যেনে, কানীয়া সোধা, বৰটোপোলা সৰুটোপোলা দিয়া, ঘৰ-বন কৰা, এনে ধৰণৰ। কানীয়াৰ সমাজ এখন বেলেগ আছিল। বিয়াই সবাহে যেওঁ-লোকৰ ঠাই আছিল আগ শাৰীত।"

প্ৰচলিত হিন্দু সমাজত থকা ৰীতি-নীতিৰ যে সম্পূৰ্ণ প্ৰভাব এনে সামাজিক অনুষ্ঠানত আছিল তাক কোনেও মুই কৰিব নোৱাৰে। আজিও সেই অসমীয়া সামাজিক সংস্কৃতিৰ ধাৰা অসমীয়া মুছলমানৰ বিবাহ-উৎসৱত বিদ্যমান। এনে নহলে সাংস্কৃতিক সম্প্ৰীতি সম্ভৱ নহয়। এই ক্ষেত্ৰত অসমীয়া মুছলমানৰ এই অসমীয়াত্ব ৰক্ষা কৰাৰ নিদৰ্শন কোনোবা যুগৰে পৰা সামাজিক জীৱনতে নিৰ-বচ্ছিন্নভাৱে থকাৰ সাক্ষ্য আছে।

অসমীয়া হিন্দু-মুছলমানৰ নামৰ সাদৃশ্য অতি তাৎপৰ্যপূৰ্ণ। বাপ, সোণ, ধন, ভাইটি, বোপাই, তগৰ গোলাপ, মইনা, সোণমাই, কণমাই সৰুমাই, সৰুবণ, চেনেহী, ৰূপহী, কোঁৱৰ, ফুলকোঁৱৰ, ফুল, মনধন, দেউতা, পোহাৰী, আদি নামবোৰ পালে হিন্দু-মুছলমান বুলি বাছি উলিযাবলৈ কিবা উপায় আছেনে? দুয়ো সম্প্ৰদায়ৰ ভিতৰত এই নামবোৰ প্ৰচলন আছে।

সাংস্কৃতিক-সাদৃশ্য

দুয়োটা সম্প্ৰদায়ৰ ভিতৰত ককাইটি, মোমাইটি, দদাইটি, মাহী, পেহী, বাইটি ভনীটি সম্বোধন প্ৰচলন হোৱাটোৱেও সাম্প্ৰদায়িক সম্প্ৰীতিৰ কথাকে সূচায়।

আহোম ৰজাৰ দিনত ৰজাঘৰীয়া বিষয়-বাব মুছলমানেও হিন্দুৰ দৰেই পে বা কাৰণে মুছলমানৰ বহুতো বৰা, শইকীয়া, হাজৰিকা, নেওগ, থনিকৰ, ফুকন, বৰুৱা আদি উপাধি লেখাৰ ফলত আৰু বংশপৰম্পৰাৰূপে এতিয়ালৈকে চলি থকাত দুয়োটা সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি আৰু দৃঢ়তৰ হৈছে।

অসমীয়া হিন্দু-মুছলমান তিৰোতাৰ পোছাক একেটাই। বিহামেখেলা চাদৰে

দুয়ো সম্প্ৰদায়ৰ তিৰোতাক সমানে আকৰ্ষণ কৰে। অৱশ্যে আজি সৰ্বভাৰতীয় সাজত শাৰীৰ আমদানি দুয়োটা সমাজলৈকে আহিল। কিন্তু আমাৰ অসমীয়া তিৰোতাৰ সাজসজ্জাতে জাতীয়তা আৰু অসমীয়াত্ব ৰৈ আছে। অসমীয়া অ-অলঙ্কাৰেও হিন্দু-মুছলমানৰ তিৰোতাক পৃথক কৰা টান। মুছলমান দুইনাজনা সুজাওঁতে—গামখাৰু, লোকাপাৰ, বেনা-ডুগডুগি, ডুগিৰে জনকথা কিলা-মেখেলা পিন্ধাই কলডিলীয়া খোপাত জীয়া সেপাপ গুজিয়ে সমাজত বহুৱায়। এতিয়া অৱশ্যে 'ফেমিনা' খোপাৰে কইনা সজোৱাও দুয়োটা সমাজত দেখিছো। নেজলগা আঙঠি, শেনদিয়া আঙঠি মুছলমানৰ ঘৰত অসংখ্য। ই জানো আমাৰ থলুৱা সংস্কৃতিৰে সন্ধান নিদিয়ে? পাৰ্বতীয়া মুছলমান সমাজত বিয়া নামো গায়। কইনা ঘৰৰ পৰা উলিয়াই নিয়াৰ লগে লগে দুয়ো সমাজতে দুৱাৰ-ঘৰ বন্ধ কৰি দিয়ে। আঠ দিনৰ মূৰত হোৱা আঠমঙ্গলা দুয়ো সমাজে পাতে। অৱশ্যে আজিকালি আধুনিকতাৰ প্ৰভাৱত হয়তো ৮ দিনৰ সলনি ৩ দিনত বা বেছি দিনৰ পিচতো আঠমঙ্গলা থাবলৈ আছে।

মুছলমান ডেকাসকলে বিহুগীতৰ সুৰ তুলি আকাশ-বতাহ কঁপায়। বহাগৰ বিহুৰ নামত জেতুকাৰ বোলে অসমীয়া মুছলমান জীয়াৰীবোৰ হাত-নখত বোল সানে।

গাওঁ সমাজত বহুত অন্ধ বিশ্বাস আৰু আচাৰ-ব্যৱহাৰ চলি আছে আৰু এই আচাৰ-ব্যৱহাৰ বৰ আগ্ৰহেৰে সৈতে দুয়োখন সমাজে পালন কৰি আছে। যেনে—শনিবাৰ-মঙ্গলবাৰে নখ, বাঁহ আৰু নাতি নকটা—দুয়োখন সমাজে মানি আহিছে। এই প্ৰভাৱ কিন্তু হিন্দুৰ পৰাহে মুছলমানত পৰিছে। অভ্যাসত পাৰ বা আধুনিকতাৰ উচ্চ শিখৰত উঠি যদি কোনোবাই এনেবোৰ আচাৰ নীতি এৰিছে তেন্তে সেইটো একেবাৰে সুকীয়া কথা। যদি এৰিছে দুয়োখন সমাজেই এৰিছে। চীনা মাটিৰ সাজ বাচনে আজি কাঁহৰ কাঁহী, বানবাটি, পান দোৱা আদি ওফৰাই দিব পাৰে কিন্তু কাঁহৰ সাজ-বাচনে মানীৰ মান দুয়োখন সমাজতে ৰক্ষা কৰি আছে।

মৰাৰ কাম-কাজৰ নীতি-নিয়মতো এনে প্ৰভাৱ হিন্দু সমাজৰ পৰাই মুছলমান সমাজত বৰ্তি আছে। সাংস্কৃতিক ঘনিষ্ঠতাৰ কাৰণে আজি মুছলমান সমাজে বংশ-পৰম্পৰাসহ তিনি দিনীয়া-দহ দিনীয়া পাতে। ই অসমীয়া সামাজিক নীতিতহে পৰিণত হৈছে—ধৰ্মীয় নীতি নহয়।

অসমীয়া দুয়োটা সমাজতে তামোলখনৰ গুণ একেটাই। আনহী সোধ পোছ কৰাত তামোলপানৰ স্থান দুয়োটা সমাজতে একে। আকৌ তামোল-পান এটা বটা বা শৰাই এখনত দি সন্তৰ্পণে আগবঢ়ালে দুয়োখন সমাজে দায়-দোষ মৰিষণ কৰে। নিমন্ত্ৰণ গ্ৰহণ কৰে।

নিচুকনি গীতৰ সুৰ দুয়ো সম্প্ৰদায়ৰ একেটাই—

আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।

অসমীয়া মুছলমান তিৰোতায়ো হাঁহ-বাহে জুতিৰে ৰান্ধিব জানে। ও টেঙা আৰু মাটি মাহৰ আঞ্জাখনো জুতিত তুলিব পাৰে। খোৰাদি কচুৰ টেঙাখন আৰু পছলাৰ খাৰ বন্ধাটো এওঁলোক পিচ পৰা নহয়। তিতা-ভেকুৰিৰ পিটিকাৰ মিঠা-সোৱাদ কণ এওঁলোকেও তুলিব জানে। গৰৈ মাছ আৰু চুকা শাকৰ আঞ্জাখনো অতি সোৱাদকৈ ৰান্ধিব পাৰে। মাছৰ তেলেৰে ভাতৰ খাৰৰ ফৰ্ফুৰীয়া গোন্ধটিও তেওঁলোকে তুলিব জানে। বৌ মাছৰ তল-পেটী আৰু বিলাহৰ জোলকণ অতি সুৰহ নিপানীকৈ ৰান্ধিব পাৰে। এই গোটেইবোৰেই সাংস্কৃতিক সংমিশ্ৰণ আৰু ঘনিষ্ঠতাকে দেখুৱায়।

১৬৬১ চনত মীৰজুমলাৰ লগত পীড় পাঁচজন আহে। আন এখন পুৰণি পুথিমতে ৰামসিংহৰ লগতহে শৰাইঘাটৰ যুদ্ধৰ সময়ত পীড়কেইজন অসম পায়হি।

অসমলৈ অহা মুছলমান পীড় ফকীৰসকল

তেওঁলোক হ'ল— শাহ আকবৰ, শাহ বগমাৰ, শাহ শৰণ, শাহ সুফী আৰু শাহ কামাল। ১৬৫৭ চনত লুৎফুল্লা চিৰাজীয়ে এটি মছজিদ সজায়। পোৱামক্কাৰ (হাজোৰ) গিয়াচুদ্দিন আউলিয়াই সজোৱা মছজিদটোকে এওঁ পুনৰ্নিৰ্মাণ কৰে। বঙ্গৰ নবাব হুচেনচাহে ৰঙামাটিত যিটো মছজিদ সাজে তাত মোগল-স্থাপত্য স্পষ্টৰূপে পৰিলক্ষিত হয়। মিনাৰ, গুম্বেজ আদি মোগল স্থপতি বিদ্যাৰ নিদৰ্শনেৰে কালক্ৰমত অসমৰ মাটিত ভালেমান মছজিদ-দৰ্গাহ আদি স্থাপন হ'ল।

হাজোৰ মছজিদটোৰ আগতে গিয়াচুদ্দিন আউলিয়াৰ কবৰ আছে। এই আউলিয়াজনে হাজোত মুছলমান সকলৰ উপনিবেশ পাতে আৰু পোৱামক্কাৰ

মছ্জিদ সাজে। মছ্জিদৰ ভেঁটি বান্ধোতে পবিত্ৰ মক্কাৰ পৰা অলপ মাটি আনি বান্ধিছিল।

আনফালেদি আহোম স্বৰ্গদেৱসকলে পীৰ-ফকীৰসকলক বৰ সন্মানেৰে চাইছিল। এই বিষয়ে আমি আজান ফকীৰ বান্দা ফকীৰ আৰু নেৱাজ নামৰ ফকীৰৰ কথা আলোচনা কৰিলেই বুজিব পাৰিম।

আজান ফকীৰেই অসমত ইছ্লাম ধৰ্ম প্ৰচাৰ কৰে। এওঁৰ আগতে অসমত মুছলমান থাকিলেও অসমলৈ কোনো ধৰ্ম প্ৰচাৰক অহা নাছিল। এওঁৰ আচল নাম আছিল শাহ মিলন। আজান দি নামাজ পঢ়িবলৈ আহ্বান কৰা কাৰণে এওঁ অসমত সাধাৰণতে আজান ফকীৰ নামে জনাজাত হৈ পৰে।

আজান ফকীৰ

গতিকে এটা কথা অতি সহজে অনুমান কৰিব পাৰি যে অসমত আগতে মুছলমান মানুহ আছিল যদিও আজান দি নামাজ পঢ়িবলৈ আহ্বান কৰা প্ৰথা প্ৰচলিত নাছিল। এইটো প্ৰথা নতুন কথা আছিল কাৰণেই এই শাহ মিলনে আজান ফকীৰ নাম পায়। এওঁ আচলতে বোগদাদৰ পৰা ডেকা বয়সতে আহি অসমত থাকি অসমীয়া ভাষা শিকি জিকিৰ জাৰী-মৰ্চিয়া আদি গীতসমূহৰ দ্বাৰা একেশ্বৰবাদ ইছ্লাম ধৰ্ম প্ৰচাৰৰ কাৰণে চেষ্টা কৰিছিল।

অসমীয়া সাহিত্যৰ ইতিবৃত্ত' ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই উল্লেখ কৰিছে "এই জিকিৰত (নামৰূপ বা ধ্যান) ইছ্লামৰ আচাৰ-নীতি আৰু ধৰ্মতত্ত্বসমূহ সহজভাৱে অসমীয়া ভাষাত প্ৰকাশ কৰা হৈছে। প্ৰত্যেকটা গীতত একোটা ঘোষা আৰু পাছত পদ থাকে, যাতে সমূহীয়াকৈ নাম কীৰ্ত্তনৰ দৰে গাব পাৰে।"

অসমীয়া হিন্দু সমাজত প্ৰচলিত নাম কীৰ্ত্তনৰ দ্বাৰা আজান ফকীৰো প্ৰভাৱান্বিত হোৱাত এনে ধৰণৰ গীত ৰচিবলৈ তেওঁ অনুপ্ৰৱণা পালে আৰু নাম-কীৰ্ত্তনৰ দৰে অসমভূমিত বিশেষকৈ উজনি অঞ্চলত প্ৰচাৰ হবলৈ ধৰিলে। ডিম্বেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত আছে "জিকিৰবিলাকৰ ৰচনা আৰু গাৱ চাপৰিৰে গোৱাৰ পদ্ধতিয়ে স্পষ্টভাৱে মহাপুৰুষীয়া নাম কীৰ্ত্তনৰ গোনপটীয়া প্ৰভাৱ দেখুৱায়।"

লগাই দা ধৰা নামৰ এটা মানুহে সমসাময়িক আহোমৰজাক আজান ফকীৰৰ বিৰুদ্ধে লগাই চকু কঢ়োৱায়। মতভেদ থাকিলেও আজান চাহেবৰ চকু কঢ়োৱা হয় স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনতে বুলি জনা যায়। ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই অসমীয়া সাহিত্যৰ বুৰঞ্জীত লিখিছে—"প্ৰতাপসিংহৰ (১৬০৩—৪২) কালত

নহলেও জয়ধ্বজ সিংহৰ ( ১৬৪৮—৬৩ ) ৰাজত্বৰ পাছৰ পৰা মোৱামৰীয়া বিদ্ৰোহৰ ( ১৭৬৯—৯৪ ) আগলৈকে। এনে কালতে জিকিৰবোৰ মূলত ৰচিত হোৱা সম্ভৱপৰ।" গতিকে আজান চাহেবৰ চকু কঢ়োৱা সোঁতৰ শক্তিকাৰ ভিতৰতে বুলি ঠাৱৰ কৰা হৈছে। কিন্তু ফকীৰৰ চকু কঢ়োৱাই দিখৌ নৈত পেলোৱা'ত দিখৌ উভতি বৈছিল। ক'তো বাম ঠাই নোহোৱা হৈছিল। মাত্ৰ আজান চাহেব আৰু তেওঁৰ ভায়েক নবী চাহেবে কোৰাণ পাঠ কৰা ঠাই টুকুৰাহে পানীত তল যোৱা নাছিল। হোলোংঘৰ কাতি হৈ পৰিছিল। ৰজাই ফকীৰৰ মাহাত্ম্য বুজিব পাৰি শিৱসাগৰৰ দিখৌ নৈৰ কাষৰ শৰাগুৰি চাপৰিত মঠ সজাই দিলে। ইফালে, জেৰেঙাত ৰূপাইক কটা হ'ল। এই শৰাগুৰি চাপৰিতে এই ফকীৰৰ কবৰ আছে বুলি বিশ্বাস কৰি মুছলমানে বাৎসৰিক দৰ্শন-তিথি পালন কৰে।

এই যে ৰজাঘৰৰ ফালৰ পৰা ফকীৰক মঠ সাজি দিয়া হ'ল ইয়েই হ'ল আহোম ৰাজত্বত পীড়-ফকীৰক সদ্ভাৱ দেখুওৱা নিদৰ্শন। কাৰণ, পীড়-ফকীৰক যি মাটি ভেটি দিছিল তাৰ খাজনা নলৈছিল। এই পৃষ্ঠপোষকতাৰ সম্বন্ধে গেইট চাহাবে কৈছে—

"For the support of mosques over the tombs of saints the Muhammadans also granted away the requisite land as peerpal or peermum.'

অসমত পীড়-ফকীৰে ৰাজ অনুগ্ৰহ লাভ কৰিব পাৰিছিল কাৰণে আজান ফকীৰে অসমীয়া শিকি অসমীয়া সুৰ আৰু ঠাচেৰে জিকিৰ-জাৰী শ্ৰেণীৰ গীত-পদ ৰচনা কৰি ভাষাগত মিলন ৰক্ষা কৰিলে। গতিকে অসমীয়া সাংস্কৃতিক জীৱনত এই জিকিৰ-জাৰী সমূহৰ স্থায়ী মূল্য আছে। লগতে ভালেখিনি আৰবী-ফাৰ্চী শব্দ আজান ফকীৰৰ এই অসমীয়া গীত-পদবোৰত সোমাই পৰিল।

অসমীয়া জিকিৰৰ সম্বন্ধে অধ্যাপক চৈয়দ আব্দুল মালিক চাহেবে কৈছে— " 'জিকিৰ'ৰ ( আৰবী জিক্ৰ ) শব্দগত অৰ্থ স্মৰণ কৰা, উল্লেখ কৰা, আল্লাৰ নাম, গুণ বা প্ৰশংসাৱলী পুনঃ পুনঃ উচ্চাৰণ কৰা। সাধাৰণ অৰ্থত যেই কোনো কথাৰ উল্লেখকে জিক্ৰ্ কৰা বুলি ক'লেও জিক্ৰ্ৰ্ বিশেষ অৰ্থ আল্লাৰ নাম স্মৰণ কৰা, বিশেষকৈ পুণ্যাৰ্থে বা অন্তঃশুদ্ধিৰ কাৰণে ঈশ নাম সুঁৱৰি ধৰ্ম জীৱন যাপন কৰা বুজায়। অন্যান্য ধৰ্মৰ দৰে ইচ্লামতো আল্লাৰ নাম-মাহাত্ম্য সুঁৱৰিলে আত্মশুদ্ধি আৰু পুণ্যৰ পথত অগ্ৰসৰ হোৱা যায় বুলি সকলোৰে বিশ্বাস।"

আকৌ—

"প্ৰতিটো জিকিৰ আৰু জাৰীৰ লগত ঘোষা বা অস্থায়ী ধ্ৰুৱাবীমান পদ থাকে। ওজাজনে লগাই দিয়াৰ লগে লগেই বাকী সকলোৱে এই ঘোষা ফাঁকি গায়। মূলৰ কথাখিনি প্ৰায়ে ওজাই অকলেই লগাই দিয়ে, কোনো কোনো ঠাইত বিয়া আদিত জিকিৰ-জাৰী গোৱা শেষ হ'লে, সকলোৱে মিলি 'মুনাজাত' কৰাৰ বা আল্লাৰ ওচৰত দোৱা কৰাৰ বা গৃহস্থক আশীৰ্বাদ কৰাৰ প্ৰথা আছে। তাৰ পিছত আইৰ আদিৰে গাওঁতাসকলক বিদায় দিয়ে।"

উদাহৰণ স্বৰূপে তলত এটা জিকিৰৰ কিছু অংশ নিদৰ্শনৰূপে দিয়া হ'ল—

ঘোষা—ঐ আল্লা হে।

দুনীয়াই এদিনৰ　　দুনীয়াই দুদিনৰ
দুনীয়াই ফুলনি বাৰী।
কতক চলে বলে　　কৰ তই দুনীয়াই
ধৰিব খেৱালী মাৰি॥
খেৱালী জালৰে　　গুৰা বায়ে বুলি
পাৰে লেপে-জোপে নাই।
টিকনিতে ধৰি　　চোঁচনি মাৰিব
সবাকো একে ঠাই পাই॥
ছাইৰ আনি বান্ধি　　কি কৈ বগাবি
বৰমুণৰ টোপাপত ভাগে।
শিলৰ আনি বান্ধি　　নপাৰ জানিলে
তেহে গিৰিহতে ৰাখে॥
বৰাকৈ আদৰ　　পুখুৰী খনালে
টোপাত বান্ধিলে পাৰ।
এমুৰা পুখুৰীত　　চিতৈ বুলিলে
মনিও মুকুতা পাব॥
পুখুৰী ইচলে　　পুখুৰী বিচলে
পানীহে পোনাবাহ চৰে।
পানীৰ পোনাবাহি　　বালটৈ উঠিলে
মাধুৰ ভৈ বিলাপ কৰে॥

নামৰে ডাঙৰ চাৰিটি কলিমা
চিজৰে ডাঙৰ ভাত।
তাকে নেখালে পাৰৰ নৰহে
দোলায় শৰীলৰ সাত ॥
আকাশত ফুলিলে আকাশী চন্দ্ৰমা
তাত পৰে সোণৰ ভোমোৰা
আপোনাৰ শৰীলক আপুনি নিচিন
হৈ আছ জীয়াতে মৰা ॥
বাবি আদমে এই আলি বন্ধালে
দীঘলী এখনি থল।
হাৱা ও আদমে পুখুৰী খনালে
সৰিয়হ নগলে তল ॥" ইত্যাদি।

মুঠতে জিকিৰ আৰু জাৰী আদিৰ যোগেদিও আমাৰ ভাষাত ভালেখিনি আৰবী ফাৰ্চী শব্দ সোমাই পৰিল।

———

# গাৰো সংস্কৃতি

শ্ৰীধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰ

## নব প্ৰস্তৰ যুগৰ পৰা বিংশ শতাব্দীলৈ গাৰো বস্তুগত সংস্কৃতিৰ স্বৰূপ

গাৰো পাহাৰৰ এক বিস্তৃত অঞ্চলত নব প্ৰস্তৰ যুগৰ শিলৰ অস্ত্ৰাদি পোৱা গৈছে। প্ৰত্নতাত্বিক ডঃ তৰুণ চন্দ্ৰ শৰ্মাৰ মতে গাৰোপাহাৰত আদি প্ৰস্তৰ যুগৰ পৰা আৰম্ভ কৰি মধ্যপ্ৰস্তৰ যুগ আৰু নব প্ৰস্তৰ যুগলৈ এটা সংস্কৃতি অবিচ্ছিন্ন ভাবে বিকাশ লাভ কৰিছিল। গাৰোসকলেই সেই সংস্কৃতিৰ পৰিবৰ্ত্তিত ৰূপৰ বাহক নে গাৰোপাহাৰৰ প্ৰস্তৰ যুগৰ সংস্কৃতি ধ্বংস হৈ যোৱাৰ পিচতহে গাৰো সংস্কৃতিৰ বাহক সকল গাৰো পাহাৰলৈ আহি বসবাস কৰিবলৈ আৰম্ভ কৰিলে সেই বিষয়ে ঠাৱৰোৱা সম্ভৱ নহয়। গা-ৰো পাহাৰৰ প্ৰস্তৰযুগৰ সংস্কৃতিৰ বাহকসকলৰ বিষয়ে আমি এতিয়ালৈকে একো নাজানো। কাৰণ সেই সকলৰ মানৱ দেহৰ অৱশেষ এতিয়ালৈকে পোৱা হোৱা নাই। অৱশ্যে অতি আধুনিক যুগত হোৱা পৰিবৰ্ত্তন সমূহৰ আগেয়ে গাৰো সংস্কৃতিক প্ৰস্তৰ যুগৰ সংস্কৃতিৰ লগত তুলনা কৰিব পৰা হৈ আছিল। লো ব্যৱহাৰ কৰিবলৈ গাৰোসকলে লোৱা বহুতদিন আগৰ কথা নহয় যেন লাগে। গাৰোসকলৰ মাজত এটি কিম্বদন্তী আছে যে খাছিয়া সকলে গাৰোসকলক লোৰ মজুলি দিয়ে। আজিৰ যুগতো পাহাৰত বসবাস কৰা গাৰোসকলে দাওখন আৰু এক অতি সৰল প্ৰকাৰৰ কোৰৰ বাহিৰে লোৰ সা-সজুলি ব্যৱহাৰ নকৰে। এই কোৰখনৰ আকৃতি আৰু নব প্ৰস্তৰ যুগৰ শিলত কোৰৰ আকৃতিৰ মাজত কোনো প্ৰভেদ নাই। পাহাৰত বসবাস কৰা গাৰোসকলৰ মাজত কুমাৰৰ চকা নোহোৱাকৈ হাতেৰে মাটিৰ বাচন গঢ়াৰ পদ্ধতি প্ৰচলিত আছিল। পাহাৰৰ গাৰোসকলৰ কুকুৰা, গাহৰী আৰু কুকুৰৰ বাহিৰে আন ঘৰচীয়া জন্তু নাই। খাদ্যৰ বাবে ঘৰৰ ভিতৰত চাং পাতি চৰিব নিদিয়াকৈ গৰু ৰাখিছিল যদিও তেনেকুৱা গৰু খাদ্যৰ বাহিৰে আন কামত ব্যৱহাৰ নকৰিছিল (এই প্ৰথাৰ 'আগ্‌ৱাচ্ছা গাতে

জিলা' বোলে )। এই সকলো সংস্কৃতিক অৱস্থাক পৃথিৱীৰ আন আন ঠাইৰ নব প্ৰস্তৰ যুগৰ অৱস্থাৰ লগত তুলনা কৰিব পাৰি।

গাৰোসকলৰ প্ৰধান খাদ্য শস্য চাউল। তেওঁলোকে মাটীৰ বাচনত বৰ ধুনীয়াকৈ ভাত ৰান্ধিব জানে। কেতিয়াবা কেতিয়াবা ভাতৰ লগত কণিধান মিলায়ো খোৱা দেখা যায়। চাউলৰ অভাব হলে চাউলৰ লগত বাঁহৰ গাজ, হাবিৰ আলু আদি মিহলাই সিজাই খায়। দৈনন্দিন খাদ্যত শুকান মাছ ('নাখাম্') অপৰিহাৰ্য্য। শুকান মাছৰ জোল গাৰোসকলৰ বৰ প্ৰিয়। শুকান মাছ, জলকীয়া, লোণ আৰু খাৰেৰে এই ব্যঞ্জন ৰন্ধা হয়। সাধাৰণ মানুহে ইয়াক ভাতৰ লগত খায়। আন আন পাচলি, যেনে বেঙেনা, ৰঙালাউ আদিৰ লগতো শুকান মাছ খাৰ দি সিজাই খায়। এনেকুৱা ৰন্ধন প্ৰণালীত তেলৰ ব্যৱহাৰ নকৰে। মাছ মাংস আদিও গাৰোসকলে তেল নোহোৱাকৈ জলকীয়া, শাক পাচলি নাইবা আন শাক পাচলি নহলে চাউলৰ গুৰিৰ লগত খাৰ দি সিজাই খায়। খাৰ গাৰোসকলৰ বৰ প্ৰিয়। কলগছ, বাঁহ আদি পুৰি তাৰ ছাঁইৰ পৰা খাৰ প্ৰস্তুত কৰা হয়। অৱশ্যে আজিকালি সৰহভাগ লোকেই বজাৰৰ চোড়া খাৰ ব্যৱহাৰ কৰে। বাঁহৰ গাজ গাৰোসকলৰ বড় প্ৰিয় খাদ্য। ইয়াক বাঁহৰ চুঙাৰ ভিতৰত থৈ নাইবা বাঁহৰ ডাঙৰ থাং এটাত থৈ টেঙা কৰি মাছ মাংস আদিৰ লগত এবিধ বৰ উপাদেয় ব্যঞ্জন ৰন্ধা হয়। বহুতো শাক-পাচলি অভাবৰ দিনত ব্যৱহাৰ কৰিবৰ বাবে শুকাই বাঁহৰ চুঙাৰ ভিতৰত থৈ দিয়ে। মাছ-মাংস আদিও বাহি হলে জুইৰ ওপৰত শুকাই খোৱা হয়। পুৰণিকলীয়া গাৰোসকলে গাখীৰ, চাহ, চেনি কেতিয়াও ব্যৱহাৰ নকৰিছিল। আজিকালি অৱশ্যে প্ৰায় সকলোৱে চাহ, চেনি আৰু গাখীৰ ব্যৱহাৰ কৰে। পাহাৰ অঞ্চলৰ বহুতো পৰিয়ালত গৰু ৰাখিলেও গাখীৰ নিখিৱায় আৰু তেনেবোৰ ঠাইত গাখীৰ নোহোৱাকৈ ফিকা চাহ ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে আজিকালি গাঁৱলীয়া হাটবোৰত বহুতো চাহৰ দোকান দেখা যায় আৰু ভিতৰুৱা ঠাইৰ গাৰোসকলেও হাটলৈ গৈ চাহ একাপ নোখোৱাকৈ উভতি নাযায়। পৰম্পৰাগত গাৰো-সংস্কৃতিৰ প্ৰধান পানীয় 'চু' (লাওপানী)। 'চু'ৰ প্ৰধান উপাদান হ'ল চাউল (বৰা-চাউলৰ পৰা কৰা 'চু' সৰ্বোত্তম), কণিধান বা গোমধান। চাউল, কণিধান বা গোম-ধান সিজাই চেঁচা হলে তাত বাখৰ সানি ডাঙৰ মুখৰ কলহ (ইয়াক ফিথা বোলা হয়) এটাৰ ভিতৰত থৈ দিয়া হয়। চাৰি পাঁচ দিন থৈ দিয়াৰ পিচত

তাত যি ৰস জমা হয় তাক 'চু ৰিংচি' (লাওপানীৰ ৰস) বোলা হয় আৰু এনে-কুৱা ৰস উচ্চ মাদক গুণবিশিষ্ট। অতিথিক সন্মান জনাবৰ বাবে 'চু বিংচি' আগবঢ়োৱা হয়। 'চু বিংচি' বেলেগে উলিয়াই লৈ বা তুলিৱাকৈ কলহটোত পানী দি ভালদৰে লৰাই-চৰাই 'চু' তৈয়াৰ কৰা হয়। গাৰোসকলৰ পাৰম্পৰিক প্ৰথা-মতে পূজা-পাতলত দেৱ-দেৱীলৈ 'চু' আগবঢ়োৱা হয়। উৎসৱ আদিত গোটেই গাওঁখন একে লগ হৈ 'চু' খায়। এনেয়ে অতিথি আলহী আহিলে 'চু' দিয়া হয়। 'চু' পাতল ধৰণৰ মাদক দ্ৰব্য। ইয়াত মাদক গুণ শতকৰা ৫ৰ পৰা ১০ ভাগলৈ থাকে। ই খাদ্যপ্ৰাণ যুক্ত পানীয় হোৱা বাবে ইয়াৰ ব্যৱহাৰে পুষ্টিকৰ আহাৰৰ অভাৱ পূৰণ কৰে। অৱশ্যে উৎসৱাদিত অত্যধিক পৰিমাণে 'চু' ব্যৱহাৰ কৰা বাবে চাউল আদি আৱশ্যকীয় খাদ্য দ্ৰব্যৰ এটা বৃহৎ অংশ 'চু'ৰ বাবে খৰচ হয়। আজিকালি অৱশ্যে ধান আদিৰ উৎপাদন কমি অহাৰ লগে লগে 'চু'ৰ বিষয়ে মিতব্যয়ী হবলৈ গাৰোসকলে লাহে লাহে শিকিছে। খৃষ্ট ধৰ্মাৱলম্বী গাৰোসকলে সমজুৱা ভাবে 'চু' ব্যৱহাৰ নকৰে কাৰণ তেওঁলোকৰ ধৰ্মত 'চু' পান কৰা সম্পূৰ্ণ নিষেধ।

গাৰোসকলে সাধাৰণতে দিনটোত তিনিবাৰ আহাৰ কৰে। ৰাতিপুৱা শুই উঠিয়েই আহাৰ কৰে। দুপৰীয়া এবাৰ আহাৰ কৰে আৰু সাধাৰণতে দুপৰীয়াৰ আহাৰ খেতি পথাৰতে কৰে। তৃতীয়বাৰ আহাৰ সন্ধ্যাৰ সময়ত কৰে। তিৰোতাসকলে ৰন্ধাবঢ়া কৰি কলপাত অথবা গছৰ পাতত ভাত আৰু আঞ্জা টোপোলা বান্ধি থয়। এই টোপোলা খুলি কলপাততে খায়। দুপৰীয়াৰ সাজৰ বাবে টোপোলাবোৰ পথাৰলৈ লৈ যায়। আজিকালি অৱশ্যে গাৰোসকলে এলুমিনিয়াম নাইবা এনামেলৰ থাল ব্যৱহাৰ কৰিবলৈ লৈছে। গাৰোসকলে মাটিৰ পাত্ৰতহে ৰন্ধাবঢ়া কৰিছিল; আজিকালি মাটিৰ পাত্ৰৰ ব্যৱহাৰ লাহে লাহে কমি আহিছে আৰু ৰন্ধাবঢ়াৰ বাবে লোৰ কেৰাহী, এলুমিনিয়ামৰ পাত্ৰ আদি ব্যৱহাৰ কৰিবলৈ লৈছে।

গাৰোসকলৰ ল'ৰা, বুঢ়া, তিৰোতা সকলোৱেই ধূমপান কৰে। বহুতো অঞ্চলত ধপাতৰ খেতি কৰে আৰু পাত আৰু কোমল ঠাৰিবোৰ সৰু সৰু কৰি কাটি শুকাই ৰাখে। এই গুৰি ধপাত শাল পাতত নাইবা কাগজত মেৰিয়াই লৈ ধূমপান কৰে। গুৰি ধপাত লাগিৰ লগত মিহলাই হোকা নাইবা বাঁহৰ চুঙাৰ হোকাতো ধূমপান কৰে। ভিতৰৰ গাওঁবোৰত তামোল পাণৰ ব্যৱহাৰ

প্ৰায় নাই। কিন্তু অলপ উন্নত আৰ্থিক অৱস্থাৰ লোকসকলে তামোল পাণ ব্যৱহাৰ কৰে। ভৈয়ামৰ গাৰোসকলে অপৰ্য্যাপ্ত পৰিমাণে তামোল পাণ উৎপাদন কৰে আৰু ঘৰত সদায় তামোল পান ব্যৱহাৰ কৰে। গাৰোহাটবোৰত চাহৰ দোকান যেনেকৈ এটা অপৰিহাৰ্য অঙ্গ তেনেকৈয়ে তামোল পানৰ দোকানো অপৰিহাৰ্য্য।

পাৰম্পৰিক প্ৰথামতে সজা গাৰো ঘৰবোৰ বৰ দীঘলকৈ সজা হয়। একো একোটা ঘৰ দীঘলে ৪০ হাতলৈ হয়। এনেকুৱা ঘৰৰ বহল ১০ হাত মান। গোটেই ঘৰটো এখন চাঙৰ ওপৰত সজা হয়। এটলীয়া মাটিত চাংখন মাটিৰ সমানে সমানে আৰম্ভ কৰি একেবাৰে গড়াৰ কালে ৮/৯ হাতলৈকে ওখ হয়। চাঙৰ পৰা মূধলৈ উচ্চতা প্ৰায় ৬ হাত মান। এই বাবেই ঘৰবোৰ বৰ চাপৰ যেন দেখি। অৱশ্যে ঘৰটো চাপৰ হোৱা বাবে বৰ বেচি ধুমুহা হলেও ঘৰটোৰ অনিষ্ট কৰিব নোৱাৰে। ঘৰটোৰ খুটাবোৰ আৰু মাৰলিবোৰ বৰ ডাঙৰ ডাঙৰ। পুৰণা ধৰণৰ ঘৰৰ একো একো ডাল খুটাৰ বেৰ ৭/৮ মানলৈকে আছে। ঘৰৰ বেৰবোৰ কেৰাহৰপো বাঁহেৰে সাজি চালখন খেৰেৰে ছিওৱা হয়। ঘৰটোৰ সন্মুখৰ ফালে সোঁমাজত এখন দুৱাৰ থাকে। এই দুৱাৰখনৰ পৰা ৪/৫ হাত দূৰতহে ঘৰৰ চাংখন আৰম্ভ হয়। এইখিনি ঠাই চাঙ নোহোৱা এটা খোটালীৰ নিচিনা। এই খোটালীটোৰ দুয়োফালে সৰু সৰু চাঙ পাতি থাকৰ বাবে যথা গৰু বান্ধি থোৱা হয় আৰু সেই চাঙতে ঘাঁহ, বাঁহপাত আদি গৰুক খাব দিয়া হয়। চাং দুখনৰ মাজৰ ঠাইখিনি বৰষুণৰ দিনত উৰালেৰে ধান বানিবৰ বাবে ব্যৱহাৰ কৰা হয়। এইখিনি ঠাইক 'নোখা' বোলে। এইখিনি ঠাই আৰু ঘৰৰ চাংখনৰ মাজত আৰু এখন দুৱাৰ থাকে। এই খনহে ঘৰটোৰ প্ৰধান দুৱাৰ। এই দুৱাৰখনেৰে সোমাই গলে ঘৰটোৰ প্ৰধান খোটালীটো পায়। এই খোটালীটোৰ সোঁমাজতে এটা খুটা থাকে আৰু খুটাৰ ওচৰতে জুহাল। চাঙৰ ওপৰতে মাটিৰে লিপি জুহাল কৰে। এই খোটালীটোক 'দোংৰামা' বোলে। ইয়াকে চ'ৰাঘৰ ৰূপে ব্যৱহাৰ কৰে। ঘৰৰ ভিতৰত 'চু'ৰ আয়োজন হলে সোঁমাজৰ খুটাৰ ওচৰতে 'চু'ৰ কলহটো থয়। এই খোটালীটোৰ পিচফালে এডোখৰ দীঘলে বহলে প্ৰায় ৬ হাতকৈ ঠাই বেৰা থাকে। এই বেৰ দিয়া কোঠালীটোৰ ভিতৰত সোমাবলৈ এখন সৰু দুৱাৰ থাকে। এই খোটালীটো ঘৰৰ স্বামী স্ত্ৰীৰ শোৱনী কোঠাৰূপে ব্যৱহাৰ কৰে আৰু ইয়াক 'হুন' বোলে। 'হুন'ৰ ভিতৰত স্বামী স্ত্ৰীৰ বাহিৰে আন মানুহ সোমোৱা নিষেধ।

দোংৰামাৰ চুন থকা কালৰ বিপৰীত কালে চুহাক্সান বহল এটা সৰু পথ ভিতৰলৈ গৈ চাংখনৰ শেষ ভাগত ওলায়। চাংখনৰ এই অংশটোক 'খালদিক্' বোলে। খালদিকৰ চাং অংশটো বৰ পাতলকৈ কৰা হয় কাৰণ খালদিক পেছাব কৰিবৰ বাবে ব্যৱহাৰ কৰে। কোনো কোনো ঘৰৰ দোংৰামাৰ একাংশ আন এখন দুৱাৰ থাকে। এই দুৱাৰ খনৰ বাহিৰত ছাল দিব নোৱাৰা এখন চাং থাকে। এই চাঙক আলেং বোলা হয়। গৰমকালি সাধাৰণতে গধূলি আলেঙত বহি কথা-বতৰা হয় আৰু ঘৰৰ ভিতৰত গৰম বোধ কৰিলে আলেঙত শোৱে। এনেকুৱা ঘৰ আজিকালি প্ৰায় নোহোৱাই হৈছে। অৱশ্যে যিসকলে এতিয়াও খৃষ্টধৰ্ম গ্ৰহণ কৰা নাই সেই সকলে এনেকুৱা ঘৰেই ব্যৱহাৰ কৰে কাৰণ ধৰ্মীয় পৰবাদি পালনৰ বাবে দোংৰামা বৰ সুবিধাজনক আৰু দোংৰামাৰ প্ৰত্যেক অংশৰে একো একোটা ধৰ্মীয় আৰু সামাজিক প্ৰকাৰ্য্য আছে। যেনে, মাজৰ খুটাডাল ঘৰৰ পূজা-পাতলৰ বাবে পবিত্ৰ স্থান বুলি গণ্য কৰা হয়। তদুপৰি দোংৰামাৰ চুলৰ ওচৰৰ অংশটো পুৰোহিত আৰু অন্যান্য সম্মানিত অতিথিৰ বাবে আসনৰ উপযুক্ত স্থান বুলি গণ্য কৰা হয়। খৃষ্ট ধৰ্ম গ্ৰহণ কৰা গাৰোসকলৰ বাবে পুৰণি ধৰণৰ ঘৰৰ বিভিন্ন অংশৰ প্ৰকাৰ্য্য নোহোৱা হৈ গৈছে। সেয়েহে তেওঁলোকে চাংঘৰ কৰে যদিও নিজ নিজ সুবিধা অনুযায়ী খোটালী ভাগ কৰে আৰু দুৱাৰ খিৰিকি দিয়ে। খৃষ্টানসকলৰ ঘৰবোৰ পুৰণি কলীয়া ঘৰৰ তুলনাত নিচেই সৰু সৰু। ভৈয়ামৰ গাৰোসকলৰ সৰহভাগেই চাংঘৰ নাসাজে; তেওঁলোকৰ ঘৰবোৰ ভৈয়ামৰ অসমীয়া মানুহৰ ঘৰৰ নিচিনাহে। তেওঁলোকে বান্ধনীঘৰ বেলেগে সাজে। পুৰণিকলীয়া গাৰো ঘৰবোৰত বান্ধনীঘৰৰ কোনো ব্যৱস্থা নাছিল, শোৱা ঘৰৰ ভিতৰতে বন্ধা-বঢ়াৰ ব্যৱস্থা আছিল। পুৰণিকলীয়া ঘৰবোৰত আচবাব বুলিবলৈ কেইডোখৰ মান দীঘল দীঘল কাঠহে ৰাখিছিল। আজিকালি অৱশ্যে অৱস্থাপন্ন লোকৰ ঘৰত চকী, মেজ আদি ব্যৱহাৰ কৰা দেখা যায়। পানী, চাউল আদি থবৰ বাবে ডাঙৰ সৰু নানা ধৰণৰ লাউৰ পাত্ৰ ব্যৱহাৰ কৰিছিল। আজিকালি পিছে এনেবোৰ কামৰ বাবে মাটিৰ পাত্ৰহে সৰহভাগ লোকে ব্যৱহাৰ কৰে।

পুৰণিকলীয়া গাৰোসকলৰ সাজ-পোছাক অতি সৰল ধৰণৰ আছিল। মতা মানুহে কেৱল কৌপিন ব্যৱহাৰ কৰিছিল আৰু মাইকী মানুহে এখন এহাতমানকৈ কম বহলৰ গামোছাৰ আকৃতিৰ কাপোৰ কঁকালত মেৰিয়াই লৈছিল। গাৰো-সকলে কৌপিনক 'গানদো' আৰু তিৰোতাৰ চুটি কাপোৰখনক 'ৰেখিং' বা 'গানা-

ৰেখিং' বোলে। মতা-মাইকী উভয়ে শৰীৰৰ ওপৰৰ অংশত কোনো কাপোৰ নিপিন্ধিছিল। পুৰণিকলীয়া গাৰো সম্ভ্ৰান্ত লোকসকলে একোটা ডাঙৰ পাগ মাৰিছিল। ডেকা গাভৰু সকলেও উৎসবাদিৰ বাবে বিশেষভাবে পোছাক কৰিলে মূৰৰ মাজডোখৰ খালি ৰাখি পাগুৰী মাৰিছিল। আজিকালি এনেকুৱা ধৰণৰ পোছাক পৰিধান কৰা গাৰো লোক কাচিৎহে দেখা পোৱা যায়। আজিকালি মাইকী মানুহে ভৰিৰ গোৰোহালৈ পৰা এখন বং বিৰঙৰ ফুল থকা কাপোৰ কঁকালত মেৰিয়াই পিন্ধে। এইখনক গাৰোসকলে 'দাকমাণ্ডা' বোলে। মাইকী মানুহে শৰীৰৰ ওপৰৰ অংশ ঢাকিবলৈ ব্লাউজ পিন্ধে আৰু অসমীয়া তিৰোতা মানুহৰ আহিৰে চাদৰ লয়। গাওঁৰ তিৰোতাসকলে কাম কৰিবৰ সময়ত 'দাকমাণ্ডা' পিন্ধি শৰীৰৰ ওপৰৰ অংশ ঢাকিবলৈ এটা গেঞ্জীমাত্ৰ পিন্ধে। গাওঁৰ সাধাৰণ মানুহে হাফপেণ্ট আৰু গেঞ্জী ব্যৱহাৰ কৰে। শীতকালত কোনো কেনোৱে কোট পিন্ধাও দেখা যায়। আজিকালিৰ আধুনিকা সকলে পশ্চিমীয়া পোছাক, শাৰী আদিও পিন্ধিবলৈ লৈছে। শিক্ষিত আৰু অৱস্থাপন্ন মতা মানুহে আজিকালি পশ্চিমীয়া পোছাক পিন্ধিবলৈ লৈছে। ভৈয়ামৰ ওচৰে-পাজৰে বাসকৰা গাৰো-সকলৰ মাইকী মানুহে মেখেলা চাদৰ আৰু মতা মানুহে ধুতি চোলা ব্যৱহাৰ কৰে।

পুৰণিকলীয়া গাৰোসকল পিন্ধা-উৰাত বৰ উদাসীন আছিল যদিও মতা মাইকী উভয়ৰে অলঙ্কাৰৰ প্ৰতি বিশেষ আগ্ৰহ আছিল। মতা-মাইকী উভয়ে কাণ ভৰাই কেৰু পিন্ধিছিল আৰু গলত দীঘল মণিৰ মালা পিন্ধিছিল। তিৰোতা মানুহে কঁকালত কড়িৰে সজ্জিত চাৰি পাঁচ আঙুলি বহলৰ এডাল পেটিৰ আকাৰৰ অলঙ্কাৰ ব্যৱহাৰ কৰিছিল। ইয়াক তেওঁলোকে 'চেংখি' বোলে। অৱস্থাপন্ন মানুহে কড়িৰে সজ্জিত 'গান্দো' পিন্ধিছিল; এইবিধ গান্দোক 'গান্দো মাখ্-পাল' বোলে। তিৰোতাসকলে বহল খাৰু পিন্ধিছিল। আৰু অৱস্থাপন্ন মানুহে গাওঁখনৰ মানুহক ভোজ ভাত খুৱাই 'নোকমা' খিতাপ লৈ বাহুত 'জাকচিল' বোলা খাৰু পিন্ধিছিল। আজিকালিৰ গাৰোসকলে ওপৰত বৰ্ণনা কৰা অলঙ্কাৰবোৰৰ প্ৰায়ভাগকেই ব্যৱহাৰ নকৰে। অতি ভিতৰুৱা ঠাইৰ বুঢ়ামেথো মানুহকহে কাচিৎ এনেকুৱা অলঙ্কাৰ ব্যৱহাৰ কৰা দেখা যায়।

গাৰোসকলৰ প্ৰধান জীৱিকা খেতি। গাৰোসকলে খেতিৰ পৰা পোৱা প্ৰধান শস্যবোৰ হ'ল ধান, কণিধান আৰু গোমধান। পাহাৰত বসবাস কৰা

গাৰোসকলে পাহাৰৰ হাবি কাটি জুই দি জুম খেতি কৰে, এই পদ্ধতিত কৰা খেতিক গাৰোসকলে 'আবক্সা গামা' বা 'আগেচাআ' বোলে। গোটেই গাওঁখনৰ মানুহে কোনো এবছৰৰ কাৰণে এটা অঞ্চল বাচি লয়। আঘোণ পুহ মাহত এক্টাডাখৰ মাটি প্ৰত্যেক পৰিয়ালৰ আৱশ্যক অনুযায়ী ভাগ কৰি লয়। সাধাৰণতে সৰহ সংখ্যক লোক থকা পৰিয়ালক সৰহ মাটি দিয়া হয়। সেই সময়তে প্ৰত্যেক পৰিয়ালে নিজ নিজ মাটি দখল কৰাৰ চিন স্বৰূপে অলপ অচৰপ হাবি কাটি লয়। ইয়াক 'ওকাতা' বোলে। মাটি ভাগ কৰি আহি গাওঁৰ বাইজে একেলগে বহি 'চু' পান কৰি আনন্দ কৰে। এই দিন ধৰি পৰিয়ালৰ লোকসকলে নিজ নিজ মাটিৰ হাবি কাটিবলৈ আৰম্ভ কৰে। মাঘ মাহ মানত হাবি কটা শেষ হয়। আৰু মাঘৰ পৰা ফাগুন চ'তলৈ কটা গছ গছনিবোৰ ভালদৰে শুকায়। চ'ত মাহত বৰষুণ আৰম্ভ হোৱাৰ সম্ভাৱনাৰ লগে লগে গাওঁৰ মানুহে একত্ৰ হৈ এটা দিন ঠিক কৰে আৰু গধূলি গোটেই জুম অঞ্চলটোত জুই লগাই দিয়ে। জুমৰ জুই বাতে ওচৰৰ গাওঁবোৰলৈ বিয়পি পৰিব নোৱাৰে তাৰ বাবে বিশেষ সাৱধানতা লোৱা হয়। গাওঁ ওচৰত থাকিলে প্ৰত্যেক ঘৰৰ ওপৰে ওপৰে এজন মানুহে পানীলৈ সাজু হৈ থাকে, যাতে জুইৰ ফিৰিঙতি পৰিলেই তৎক্ষণাত নুমাই দিব পাৰে। ইমান সাৱধানতা লোৱা স্বত্বেও কেতিয়াবা কেতিয়াবা জুমৰ জুইয়ে গাওঁৰ অনিষ্ট কৰে নাইবা আকস্মিক ভাবে জুমত জুই জ্বলি ওচৰৰ গাওঁৰ বিস্তৰ ক্ষতি সাধন কৰে। জুমৰ হাবি-বননি পুৰি শেষ হৈ যোৱাৰ পিচত গাওঁৰ মানুহখিনি গাওঁলৈ উভতি আহি 'অগাল মাকা' উৎসৱ আৰম্ভ কৰে। গাওঁৰ মানুহখিনি প্ৰত্যেক ঘৰে ঘৰে 'চু' পান কৰি ফুৰে আৰু ডেকা গাভৰুইতে ওৰে ৰাতি নাচ গান কৰি কটায়। পিচদিনাৰ গোটেই দিনটো আৰু ৰাতিটো সকলো মানুহে আনন্দ উচ্ছৱ কৰি কটায়। দ্বিতীয় দিনা ৰাতিহে আনন্দ উচ্ছৱ শেষ হয় আৰু উৎসৱত ব্যৱহাৰ কৰা ঢোল, শিঙা আদি গাওঁৰ মুখীয়ালজনৰ ঘৰত থৈ গাওঁৰ মুখীয়ালজনৰ ঘৰত সকলোৱে লগ লাগি একলগে 'চু' পান কৰে। উচ্ছৱৰ সামৰণিক 'দামা গোগাতা' বোলে আৰু 'দামা' গোগাতাৰ পিচত কণিধান নপকালৈকে ঢোল, শিঙা আদি বজোৱা নিষেধ। ইয়াৰ কাৰণ হ'ল খেতিৰ কাম আৰম্ভ কৰা দিন ধৰি কণিধান নপকালৈকে সকলোৱে খেতিৰ কামত বিশেষভাৱে মনোযোগ দিবলগীয়া হয়; ইয়াৰ উপৰিও এই কেইটা দিন গাৰোসকলৰ ঘৰে ঘৰ অভাৱৰ সময়। বহুসময়ত তেওঁলোকে কঠাল, হাবিৰ আলু, বাঁহৰ গাজ ইত্যাদি খাই জীৱন ধাৰণ কৰিব লগীয়া হয়।

'আগালমাকা' উৎসৱৰ সমৰণিৰ পিচদিনাৰ পৰা শস্যৰ গুটি ইত্যাদি সিচিবলৈ আৰম্ভ কৰে। হাবি জ্বলোৱাৰ পিছত হোৱা ছাঁইবোৰ ভালদৰে ছটিয়াই কণিধান, বেঙেনা, জলকীয়া, পাহাৰী লাই শাক (মেজাক') আদিৰ গুটি প্ৰথমতে মিহলাই লৈ ছটিয়াই দিয়া হয়। কচুৰ আগবোৰ, শিমলু আলুৰ গা-গছৰ টুকুৰা কোৰেৰে মাটি খান্দি ৰোৱা হয়। ধান, গোমধান, লাউ, কোমোৰা, ৰঙালাউ আদিৰ গুটি এডাল বাঁহৰ জোঙেৰে মাটিত সামান্য এটা এটা গাঁত কৰি পেলোৱা হয়। চ'ত বহাগ মাহত বৰষুণ পৰাৰ লগে লগে সকলোবোৰ গুটি গজি উঠে। লগে লগে কিছুমান অলাগতিয়াল বনো গজি উঠে। এই বনবোৰ অতি সাৱধানেৰে নিৰাব লগীয়া হয়। তুলি পেলাবলগীয়া বনবোৰ ভালদৰে নিচিনিলে এই কাম কৰা সহজ নহয়। তদুপৰি বন উভালোঁতে যাতে শস্যৰ শিপাবোৰৰ অনিষ্ট নহয় তাৰ বাবে বিশেষ সাৱধানতা লব লগা হয়। প্ৰথমবাৰ নিৰোৱা কামক 'আজাকৰা দাঙা' বোলে। ইয়াৰ পিচত আকৌ এবাৰ নিৰাই দিয়া হয়, ইয়াক 'বামিল বাতা' বোলে। শাওন মাহৰ শেষৰ ফালে 'বামিল বাতা' শেষ হয় আৰু কণিধানত গুটি ধৰে। ভাদ মাহত কণিধান পকিবলৈ আৰম্ভ কৰে। এই সময়ৰ পৰা খেতিৰ শস্যাদি বনৰীয়া জন্তুৱে নষ্ট কৰিব নোৱাৰাকৈ সাৱধানতা লব লগা হয়। গাওঁৰ পৰা জুম খেতিৰ পথাৰবোৰ দূৰৈত হলে সেই সময়তে গাওঁৰ গোটেই খিনি মানুহ গাওঁ এৰি খেতি পথাৰতে থাকিবলৈ লয়। এনেকৈ ঘৰৰ সকলো বয়বস্তু খেতিলৈ কঢ়িয়াই নি সাময়িক ভাবে খেতিত থকাকে 'আবা শাভা' বোলে। জুমত থাকিবৰ বাবে সাধাৰণ ঘৰৰ সকলো সা-সুবিধা থকা এটা অস্থায়ী ঘৰ সজা হয়। ইয়াক 'আবা আমাদাল' বোলে। গাওঁখন সাময়িক ভাবে জুমলৈ স্থানান্তৰিত হলে গোটেই জুম অঞ্চলটোৱেই যেন সজীৱ হৈ উঠে। ল'ৰা ছোৱালীবোৰে জুমৰ ভিতৰতে খেলিবলৈ আৰম্ভ কৰে। গাঁৱলীয়া জীৱনৰ সকলো দৈনন্দিন দৃশ্য যেনে তিৰোতা মানুহে ধান বনা, লৰা ছোৱালীয়ে ওচৰৰ জুৰিৰ পৰা পানী অনা, পথলি বাহিৰত বহি বুঢ়ামেথা সকলে আলাপ কৰা, ৰাতি ডেকা গাভৰুৱে গীত গোৱা ইত্যাদি দেখিবলৈ পোৱা যায়। জুমত থকা কেইদিন পৰিয়ালৰ সকলোবোৰ মানুহ নিচেই ৰাতিপুৱাৰ পৰা সন্ধ্যালৈ ব্যস্ত থাকিব লগীয়া হয়। জুমৰ ধান পকিবলৈ আৰম্ভ হোৱাৰ লগে লগে অসংখ্য চৰাই চিৰিকটি ধান খাবলৈ আহে। সক সক লৰা ছোৱালীবোৰে দিনৰ দিনটো চৰাই চিৰিকটি খেদি থাকে। ৰাতি গছ, বনৰীয়া গাহৰী আদিয়ে ধান, কচু, শিমলু আলু খাব আহে। এই বোৰৰ

পৰা শস্য ৰক্ষা কৰিবলৈ ওৰে ৰাতি শৰ দি থাকিব লগীয়া হয়। পথাৰৰ কেউমূৰে কলা বাঁহ বান্ধি ৰচি লগাই ৰচিৰ মূৰবোৰ টঙিৰৰ পৰা টানি মাজে সময়ে শব্দ কৰি থকা হয়। ডেকাসকলেও মাজে সময়ে চিঞৰি থাকে যাতে মানুহ থকা বুলি গম পাই বনৰীয়া জন্তু নাহে। কেতিয়াবা কেতিয়াবা বনৰীয়া হাতীয়েও জুমলৈ ধান খাব আহি শস্যাদিৰ প্ৰভূত অনিষ্ট সাধন কৰে। হাতী জুমত সোমালে খেতিয়ক সকল নিৰুপায় হৈ পৰে। সেইবাবে জুমৰ কিছু দূৰৈত খৰিৰ দম কৰি থয় আৰু হাতী সেইফালে আগবঢ়া যেন গম পালেই খৰিৰ দমত জুই লগাই দিয়ে। কিয়নো জুই দেখে সেইফালে হাতী নাযায়। বয়সস্থ লোকসকল দিনটো শস্য চপোৱা কামত ব্যস্ত থাকে। সৰু সৰু হোৱা একোটা পিঠিত লৈ ধান আৰু কণিধানৰ থোপাবোৰ হাতেৰে ছিঙি হোৱাত পেলাই থয়। এই দৃশ্য দেখিলে চাহ বাগানত চাহ তোলাৰ কথা মনত পৰে। শস্যবোৰ নি টঙিৰৰ ডাঙৰ ডাঙৰ হোৱাত ভৰাই থোৱা হয়। এই ডাঙৰ হোৱাবোৰ ভৰিলে গাওঁলৈ কঢ়িয়াই নি গাওঁত থকা ভঁড়ালত ভৰাই থৈ অহা হয়। খেতিত কাম কৰিবৰ বাবে গাওঁখন উঠি যাওঁতে থকা ঘৰবোৰ আৰু ভঁড়ালবোৰ এৰি আহিলেও আগৰ দিনত এইবোৰৰ পৰা চোৰ হোৱা কথা শুনা নগৈছিল। আজিকালি অৱশ্যে চোৰ হবলৈ আৰম্ভ কৰিছে সেইবাবে গাঁৱতো কেইজনমান মানুহ ৰখীয়া থাকিব লগীয়া হয়।

ধান পকিবলৈ আৰম্ভ কৰিলে ঘৰে ঘৰে 'চু' খাই 'ৱংচু গালা' উৎসৱ পালন কৰা হয়। 'ৱংচু' মানে চিৰা। এই উৎসৱৰ প্ৰকৃত অৰ্থ হ'ল জুমৰ শস্য খাবলৈ আৰম্ভ কৰা। এই উৎসৱ পালন কৰাৰ আগেয়ে খেতিৰ শস্য খোৱা নিষেধ। 'ৱংচুগালা' উৎসৱ পালন কৰাৰ সময়ত ধান ভালকৈ নপকে। আধাপকা ধান ভাজি চিৰা খুন্দা হয় আৰু সেই চিৰা দেৱদেৱীলৈ আগবঢ়াই গাওঁৰ মানুহে খায়। আহিন কাতি মাহত ধান চপোৱা শেষ হলে মানুহখিনি গাওঁলৈ উভটি আহে। গাওঁলৈ উভতি অহাৰ পিচত 'আহায়া' বুলি এটা উৎসৱ পালন কৰা হয়। এই উৎসৱটো প্ৰধান উৎসৱ 'ৱানগালাৰ' আগজাননী। 'আহায়া' পালনৰ বাবে ঘৰে ঘৰে 'চু' বনোৱা হয়। ঢোল, শিঙা আদি গাঁৱৰ মূখিয়ালৰ ঘৰৰ পৰা আনি বজোৱা হয় আৰু গাঁৱৰ ডেকাসকলে সুহুৰিওৱাৰ নিচিনা শব্দ কৰি উৎসৱৰ জাননী দিয়ে। এই উৎসৱৰ আগতে জুমৰ উৎপন্ন খোৱা নিষেধ; এই উৎসৱ আৰম্ভ হোৱাৰ প্ৰথমদিনা জুমৰ উৎপন্নৰ প্ৰত্যেকবিধ দেৱদেৱীলৈ আগবঢ়ায়। গাওঁত থকা 'চু' শেষ নোহোৱালৈকে এই উৎসৱ চলে। এই উৎসৱৰ ওৰ পৰাৰ লগে লগে প্ৰধান

উৎসৱ 'বানগালা'ৰ বাবে প্ৰস্তুতি চলোৱা হয়। 'ৱানগালা'ৰ বাবে প্ৰতি ঘৰে কেবা কলহো 'চু' বনায়। 'আহায়া'ৰ দুসপ্তাহমানৰ ভিতৰতে 'বানগালা' আৰম্ভ হয়। 'ৱানগালা'ৰ বাবে ডেকা গাভৰুৱে নতুন কাপোৰ কিনে। বাট-পদূলীৰ হাবি-বননি কাটি পৰিষ্কাৰ কৰে। ৱানগালাৰ আগদিনা দূৰৰ পৰা ইষ্টকুটুম্ব আহি গাওঁ ভৰি পৰে। 'ৱানগালা' উৎসৱ গধূলি আৰম্ভ হয়। প্ৰথমতে মুখীয়াল জনৰ ঘৰত 'চালজং' বা সূৰ্য্য দেৱতালৈ 'চু' আৰু জুমৰ আন আন উৎপন্ন আগবঢ়াই উৎসৱ আৰম্ভ কৰা হয়। দেৱতালৈ আগবঢ়োৱাৰ পিচত মুখীয়ালৰ ঘৰত গাৰণীয়া ৰাইজক 'চু' ভাত আদিৰে আপ্যায়িত কৰা হয়। খোৱা বোৱাৰ পিচত ঘৰৰ ভিতৰতে নাচ আৰম্ভ হয়। প্ৰথমতে বুঢ়াবুঢ়ী সকলে নচাৰ পিচত ডেকা গাভৰুহঁতে ঘৰৰ ভিতৰত অলপ নাচি চোতাললৈ ওলায়। 'ৱানগালা'ৰ প্ৰথম ৰাতিটো এনেদৰে আমোদ-প্ৰমোদ কৰি কটায় আৰু গোটেই ৰাইজ ঘৰে ঘৰে গৈ 'চু' পান কৰে আৰু ভোজ ভাত খায়। ৰাতিপুৱা গোটেই ৰাইজ আকৌ মুখীয়ালৰ ঘৰলৈ ঘূৰি আহে। ইয়াতেই 'ৱানগালা'ৰ প্ৰধান অংশ 'চাচাত' পালন কৰা হয়। 'চাচাত'ৰ বাবে বিশেষ ৰকমে ঢোল, নাগৰা আদি কোবোৱা হয়। বয়সস্থ লোক সকলে হাতত গাৰো ঢাল-তৰোৱাল ('মিল্লাম') লৈ পূৰ্ব্ব-পুৰুষ সকলৰ বীৰত্বৰ কাহিনী কৈ কৈ একপ্ৰকাৰ যুদ্ধৰ নাচ নাচে। এই নাচক 'গ্ৰিকা' বোলে। এনেকৈ নাচ নাচোঁতাৰ প্ৰত্যেকজনৰ বাবে সসম্মানে 'চু' আগবঢ়োৱা হয়। কোনো কোনো গাওঁৰ মুখীয়ালৰ ঘৰত পূৰ্ব্বপুৰুষৰ পৰা চাচাতৰ সময়ত ধুনা জ্বলোৱা নিয়ম চলি আহিছে। এইটো সেই মুখীয়াল সকলৰ বিশেষ অধিকাৰ বুলি গণ্য কৰা হয়। এইখিনি ধৰ্মীয় অনুষ্ঠানৰ পিচত চাউলৰ গুৰি পানীৰ লগত মিহলাই ডেকা সকলে ঘৰৰ বেৰবোৰত লেপি দিয়ে। আৰু উপস্থিত লোকসকলৰ গাত সানি দিয়ে। এইটো 'ৱানগালা'ৰ পবিত্ৰ চিন বুলি গণ্য কৰা হয়। মুখীয়ালজনৰ ঘৰত 'চাচাত' শেষ হোৱাৰ পিচত ঘৰে ঘৰে একে ৰকমেই চাচাত পালন কৰা হয়। চাচাতৰ সময়ত মুখীয়ালৰ ঘৰত আৰু আন আন লোকৰ ঘৰৰ মূল্যবান সম্পদ কেতবোৰ চৰিয়া আকৃতিৰ কাঁহৰ বাস্ন যাক 'ৰাং' বোলা হয়, ৰাইজৰ আগলৈ উলিয়াই অনা হয় আৰু ৰাইজে হাতে হাতে এইবোৰ লৈ কাঁহৰ খাড়িৰে বজাই চাচাতৰ বাবে বিশেষ ভাবে বজোৱা ঢোলৰ চেৱে চেৱে তাল দিয়ে। ৱানগালাৰ নাচ গান ইয়াৰ পিচতো তিনি চাৰি দিনলৈ চলে।

প্ৰত্যেক ঘৰে ঘৰে ৱানগালাৰ বাবে বিশেষ ভাবে ৰখা 'চু' শেষ হলেহে 'ৱানগালা'

উৎসৱৰ ওৰ পৰে। এই উৎসৱৰ লগে লগে গাৰোসকলৰ খেতিৰ বছৰৰ ওৰ পৰে।

প্ৰথম বছৰ খেতি চপোৱাৰ পিচত যদিও নতুন ডোখৰ মাটি লোৱা হয় তথাপি আগৰ বছৰৰ মাটি এডোখৰ আৰু এবছৰ ব্যৱহাৰ কৰিব পাৰি। প্ৰথম বছৰৰ খেতিক 'আদাল' বোলা হয় আৰু দ্বিতীয় বছৰৰ 'মাটিক আব্ৰেং বোলা হয়। প্ৰথম বছৰৰ খেতিৰ পিচত ভাত থকা নৰাবোৰ শুকাই থাকিবলৈ দিয়া হয়। প্ৰথম বছৰৰ বেঙেনা, জলকীয়াৰ গছবোৰ নষ্ট নোহোৱাকৈ ৰখা হয়। চ'তমাহত প্ৰথম বছৰৰ খেতিৰ নৰাবোৰ আৰু অলাগতীয়াল গছবোৰ থুপুৰিয়াই জুই দিয়া হয়। এই ছাইবোৰৰ ওপৰতে শস্যৰ গুটি সিচি দিয়া হয়। সাধাৰণতে আব্ৰেঙত এবিধহে শস্য দিয়া হয়। গাৰোপাহাৰৰ পূব অঞ্চলত আব্ৰেঙত মাটি কোৰেৰে খান্দি ধান সিচা হয়। পশ্চিম অঞ্চলত তোং এডালেৰে সৰু সৰু গাঁত কৰি কপাহৰ গুটি পোতা হয়। বৰষুণ আৰম্ভ হোৱাৰ লগে লগে আব্ৰেঙৰ বেঙেনা-জলকীয়াত ফল ধৰে।

ওপৰত গাৰো বস্তুগত সংস্কৃতিৰ যিটো বৰ্ণনা দিয়া হৈছে তাৰ স্বৰূপ যোৱা দুই দশকৰ ভিতৰত পৰিবৰ্ত্তিত হৈছে। ইয়াৰ প্ৰধান কাৰণ হ'ল এই কাল-ছোৱাৰ ভিতৰত গাৰোপাহাৰৰ বহিৰ্জগতৰ লগত দ্ৰুত সংযোগ স্থাপন। উন্নত যন্ত্ৰ-সংস্কৃতিৰ প্ৰভাৱ গাৰোপাহাৰৰ সকলো ঠাইতে পৰিলক্ষিত হৈছে। সাজ-সজ্জাৰ পৰিবৰ্ত্তনৰ বিষয়ে আগতেই কৈ অহা হৈছে। পুৰণিকলীয়া গাৰো গাওঁবোৰে নিজৰ প্ৰয়োজনীয় সকলো চাহিদা গাৱঁৰ উৎপাদনেৰেই পূৰণ কৰিছিল। মুদ্ৰাৰ প্ৰয়োজন নাছিল। এতিয়া গাওঁবোৰলৈ বাট-ঘাটৰ উন্নতি হোৱাৰ লগে লগে বেহাবেপাৰৰ সম্প্ৰসাৰণ হৈছে আৰু গাৰোপাহাৰৰ সকলো ঠাই পৃথিৱীৰ অৰ্থনীতিৰ লগত জড়িত হৈ পৰিছে। গাৱঁৰ হাটবোৰে এই প্ৰক্ৰিয়া দ্ৰুততৰ কৰিছে। এতিয়া উৎপাদনৰ কিছু অংশ পইচাৰ বিনিময়ত বাহিৰৰ বেপাৰীক দিয়া হয়। সেই পইচাৰে গাৰোসকলৰ নিত্য বৰ্ত্তমান প্ৰয়োজন পূৰণ কৰা হয়। কেৰাচিন, চেনী, চাহপাত, বিড়ী আদি বস্তু তেওঁ-লোকে নিজে উৎপাদন কৰিব নোৱাৰে, সেইবাবে এইবোৰৰ বাবে তেওঁলোকে পইচাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। আনহাতে তেওঁলোকে উৎপাদন কৰা বহুতো বস্তু যেনে কপাহ, মৰাপাট, আদা ইত্যাদিৰ বহিৰ্জগতত চাহিদা আছে। এইবোৰ বস্তু তেওঁলোকে নিজে ব্যৱহাৰ নকৰে; মুদ্ৰাৰ বিনিময়ত এইবোৰ

বস্তু বাহিৰৰ বেপাৰীৰ হাতত দিয়ে। মুদ্ৰাৰ আবিৰ্ভাবৰ লগে লগে এটা ধনী শ্ৰেণীৰ সৃষ্টি হৈছে। এই ধনী শ্ৰেণীৰ লোকসকলে বাহিৰৰ সাংস্কৃতিক উপাদান-বোৰ অনুসৰণ কৰাত সূচল হয়। ধনীলোকে এতিয়া ফলা কাঠেৰে টিন পাটৰ ঘৰ সাজি লয়। আজিকালি গাওঁবোৰত প্ৰায়েই দুই চাৰিটা টিনপাতৰ ঘৰ সাজি লয়। এই ধনী শ্ৰেণীৰ লোক সকলে ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰ বাবে বাহিৰলৈ পঠিয়ায় আৰু এই শিক্ষিত লোক সকলেও বাহিৰৰ সংস্কৃতিৰ বহুতো উপাদান ভিতৰুৱা ঠাইলৈ লৈ আহে। নতুন খেতিৰ পদ্ধতিয়েও গাৰোসকলৰ আৰ্থিক অৱস্থাক উন্নতিৰ পথত বহুখিনি আগুৱাই নিছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে জুমখেতিৰ উৎপাদন কমি আহিছে। কাৰণ প্ৰথম বছৰ জুমখেতি কৰি এডোখৰ মাটি ১০/১২ বছৰলৈ চন পেলাই ৰাখিব পাৰিলেহে জুমৰ উৎপাদিকা শক্তি অটুট থাকে। মানুহ বেছি হোৱা কাৰণে আজিকালি জুমৰ মাটি ৫ বছৰো পেলাই ৰাখিব নোৱাৰে, ফলত উৎপাদন কমি আহিছে। জুম অঞ্চলত শস্যৰ নাটনি হোৱা বাবে বহুতো গাৰো পৰিয়ালে সক সক নদীৰ উপত্যকাবোৰত থকা সমান মাটি ভাঙি আহু, শালি আদি খেতিৰ উপযোগী কৰি লৈছে। আৰু ভৈয়ামৰ উন্নত পদ্ধতিৰে এইবোৰ মাটিত হাল বাই খেতি কৰিবলৈ লৈছে। এনেকুৱা মাটিত যথেষ্ট শস্য উৎপাদন হয় আৰু প্ৰায় ভাগতে বছৰত দুবাৰো খেতি কৰিব পাৰে। ভৈয়ামৰ ওচৰৰ অঞ্চলটোত বহুদিন আগৰে পৰা পানী খেতিৰ প্ৰচলন আছিল। এতিয়া ভিতৰুৱা অঞ্চলবোৰৰ যতে পানী খেতিৰ সূচল আছে তাতে গাৰো সকলে পানী খেতি কৰিবলৈ লৈছে। পানী খেতিৰ প্ৰচলনৰ লগে লগে জুম খেতিৰ গুৰুত্ব কমি আহিছে। জুমখেতিৰ মাটিত এতিয়া কমলা, কল, আনাৰস, তামোল আদিৰ স্থায়ী খেতি কৰি বহুতো পৰিয়ালে আৰ্থিক অৱস্থা টনকিয়াল কৰিছে। হালবাই খেতি কৰাৰ লগে লগে গৰু গাই পুহিবলৈ আৰম্ভ কৰিছে; গাখীৰ ব্যৱহাৰ কৰিবলৈ লৈছে। পানী খেতিৰ ওচৰে ওচৰে স্থায়ী ডাঙৰ ডাঙৰ গাওঁৰ সৃষ্টি হৈছে। এনেকৈয়ে আজিৰ গাৰো বস্তুগত সংস্কৃতি পুৰণিকলীয়া অনুন্নত বস্তুগত সংস্কৃতিৰ পৰা আঁতৰি আহি নতুন ৰূপ লৈছে।

---

# তিৱা সংস্কৃতি

শ্ৰীবুদ্ধিৰাম বৰদলৈ

কৃষ্টি শব্দৰ অৰ্থ এক কথাত প্ৰকাশ কৰা অসম্ভৱ। ই মনৰ সূক্ষ্ম অনুভূতিৰ বস্তু। সমাজৰ দৈনন্দিন জীৱন যাপন পদ্ধতিত কৃষ্টি ওতঃপ্ৰোতভাৱে জড়িত। সমাজ আৰু সভ্যতাৰ এনে এটি স্তৰ নাই যাক কৃষ্টিয়ে চুই যোৱা নাই। এটা জাতি বা সম্প্ৰদায়ৰ জীৱন যাপন পদ্ধতি যেনে, জন্ম, মৃত্যু, বিবাহ, খকা-মেলা, আহাৰ পাৰ্বন, খেতি বাতি,, বোৱাকটা, পিন্ধা-উৰা, অনুষ্ঠান উৎসৱ পজা-সেৱা, ধৰ্মীয় বিশ্বাস, নৃত্য-গীত, হাঁহি-কান্দোন এই সকলোবিলাকতে কৃষ্টি নিহিত হৈ আছে। গতিকে 'কৃষ্টি'ৰ অৰ্থ সুদূৰ প্ৰসাৰী আৰু সমাজ জীৱনৰ লগত ইয়াৰ সম্বন্ধ অতি গভীৰ আৰু তাৎপৰ্যপূৰ্ণ।

সংস্কৃত ভাষাত 'কৃষ্' ধাতুৰ অৰ্থ কৰ্ষণ কৰা বা হালবোৱা। 'কৃষ' ধাতুত "ক্তিন্" প্ৰত্যয় প্ৰয়োগ হৈ কৃষ্টি শব্দ নিষ্পন্ন হৈছে। সেইদৰে লেটিন Cultur (কুলটুৰ) শব্দৰ পৰাই Culture শব্দৰ উৎপত্তি। গতিকে কৰ্ষন অৰ্থত কৃষ্টিৰ পাতনি সম্ভৱ। ই, বি টেইলৰে সংস্কৃতিৰ সংজ্ঞা দিওঁতে Primitive culture গ্ৰন্থত এইবুলি ব্যাখ্যা কৰিছে—"সংস্কৃতি এনে এটা জটিল ৰূপ য'ত জ্ঞান, বিশ্বাস, নীতি-নিয়ম, আচাৰ ব্যৱহাৰ অন্যান্য সামৰ্থ্য আৰু সমাজৰ লোক হিচাপে মানুহে আহৰণ কৰা অভ্যাস আদি সকলোকে সামৰি লয়। এই তথ্যৰপৰা এনে সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে মানুহৰ জীৱনৰ ইতিহাসেই সৃষ্টিৰ জীৱনী শক্তি। মানুহৰ ইতিহাস অধ্যয়ন কৰাৰ লগে লগে কৃষ্টি সংস্কৃতিৰো অধ্যয়ন কৰা হয়। সেইদৰে সংস্কৃতি অধ্যয়ন মানেও মানৱ ইতিহাস অধ্যয়নৰ নামান্তৰ মাথোন। এই ক্ষেত্ৰত Franeis & Mertil এ তেখেতৰ Society and culture প্ৰবন্ধত An Introduction to Sociology ত কোৱা কথাষাৰ প্ৰণিধানযোগ্য "সংস্কৃতিৰ ইতিহাস মানে মানুহ হিচাপে মানুহৰ ইতিহাস"। পৃথিৱীত মানৱ জাতিৰ ইতিহাস প্ৰায় ১৭ লাখ বছৰ পুৰণি। পূৰ্বতে মানুহ বানৰ জাতীয় লোক আছিল। [illegible] মানুহৰ আকৃতি লৈ ৰূপান্তৰিত হোৱাৰো বহুযুগ আগৰেপৰা মানুহে পৃথিৱীত জীয়াই থাকিবলৈ অৱস্থাৰ লগত যুঁজ কৰিব লগা হৈছিল। মানুহৰ বিজহিত জ্ঞান আৰু বুদ্ধি বিবেচনাৰ বাবেই প্ৰকৃতিৰ প্ৰতিকূলতাৰ বিৰুদ্ধে সংগ্ৰাম

কৰি শিলবপৰা অস্ত্ৰ গঢ়ি উলিয়ালে আৰু গঢ়িলে আধুনিক দা-সঁজুলি। এনেকৈয়ে অনসন্ধিৎসু মানুহে নতুন উপায় উদ্ভাৱন কৰোতে নাঙলৰ আবিষ্কাৰ হ'ল। সেই নাঙলৰ সহায়েৰে পৃথিৱীৰ বুকুফালি শস্য উৎপাদন কৰিলে। তাৰ পিছৰপৰাই সমাজ আৰু আশ্ৰয়ৰ স্থল গৃহনিৰ্মাণ আদি সামাজিক বৃত্তিলৈ মানবৰ জিজ্ঞাসু মন ধাবিত হ'ল। আদিম মানবৰ জীবিকা আৰু আশ্ৰয়স্থানৰ অভাৱ পূৰণৰ পিছত এখন সমাজৰ অনুভৱ কৰিলে। এইদৰেই এটাৰ পিছত অন্য এটা অভাৱৰ কাৰণ অনুধাৱন কৰি আদিম মানব জাতিয়ে এটি সু-সংহত জীৱন যাত্ৰাত উপনীত হ'ল। তাৰে পৰাই ক্ৰমবিবৰ্তনবাদৰ ফলত কৃষ্টিৰ উদ্ভৱ হ'ল।

তিৱাসকলৰ (লালুং) কৃষ্টিক আমি দাঁতিপৰীয়া কৃষ্টি বুলিয়েই ক'ম্ইক। তিৱা শব্দৰ অৰ্থ নৈ-পৰীয়া আৰু সেই নৈ হ'ল পাহাৰীয়া নৈ। জয়ন্তা থৈৰামৰ-পৰা আহি খোৱাং নদী বৰ পানীত মিলিছে; আৰু সেই জলধাৰাই কিলিং বা গোভা নদীৰ নাম লৈ ভৈয়ামলৈ ঢাপলি মেলিছে। অতীজতে এই বৰপানী, গোভা নদীৰ দাঁতিতে তিৱাসকলৰ জীৱন-যৌৱন, হাঁহি-কান্দোন, মিলন বিচ্ছেদৰ বহু মৰ্মন্তুদ কাহিনী, কিংবদন্তী, কলা-কৃষ্টি গঢ়লৈ উঠিছিল। লাণ্টাবৰ-জয়ন্তী-দেৱীৰ মিলন আৰু বিচ্ছেদ, লাণ্টাবৰ মৎস্যোদৰীৰ মিলন, গোভা নৈত উটি অহা দুটি সন্তান, লাংবৰ আৰু লুংবৰৰ কাহিনী, আবিহুত্তৰ শেষ ভাষা কনচাৰীক প্ৰজাৰ হিতৰ বাবে জলকুঁৱৰীৰ ওচৰত সমৰ্পণ, কাৰাইথাৰা নাৱৰীয়াৰ বাঁহীৰ সুৰৰ উচুপনি, জনা গাভৰুৰ গীত, বাৰেভূঞাৰ গীত আদি বুৰঞ্জীত অকথিত-অলিখিত বিলুপ্তপ্ৰায় কৰুণ কাহিনী পাহাৰৰ নিৰ্মম দাঁতিত জাহ গৈ আছে। সেয়া সীতা জখলা, অশোকবন সিদ্ধিশৰ পাহাৰ, দেওশাল, চিৰা-চিৰি পাহাৰ, মাজং, বংখই আৰু গোভাত লালুংসকলৰ ৰাজ্য শাসন কৰাৰ চিনাকি বহন কৰি আছে।

গৃহবিবাদৰ ফলত প্ৰায় তিনিহেজাৰবো অধিক কাল জয়ন্তীয়া পাহাৰত কটোৱাত তিৱাসকলৰ নিজৰ কৃষ্টিৰো ভালেখিনি পৰালি পৰিল। জয়ন্তীয়া ৰজাৰ নীতি-নিয়ম মানিবলৈ অনিচ্ছুক হৈ তিৱাসকল তাৰপৰা গুচি অহাৰ মানস কৰিলে। ফলত দুদল হৈ সংঘৰ্ষত লিপ্ত হ'ল। এই দুই দলৰ সেনাপতি হোৰা আৰু টঙৰাৰ দলৰ মাজত হোৱা যুঁজত বহুতো লোকৰ মৃত্যু হয়। তাৰে বহুতে সাৰুৱা মাটিৰ সন্ধানত ভৈয়ামলৈ নামি আহিছিল। লগত লৈ আহিছিল অনেক কাহিনী নেলীৰ মণিকোঁৱৰৰ গীত, হুচৰি গীত অদ্যাপি মানুহৰ মুখে মুখে। এই দাঁতি-কাষৰীয়া অঞ্চল, বিশেষকৈ নেলী, খোলা আৰু চহৰী নামৰ তিনিখন সৰু

বাজ্যত গঢ়ি উঠিছিল তিৱাসকলৰ অনুষ্টুপীয়া কৃষ্টি। এই তিনিখন সক বাজ্যই 'বাৰকুল' সৃষ্টিৰ মূল আৰু সেই বাৰকুলবপৰাই ক্ৰমান্বয়ে 'সাতোৰজা' আৰু পাঁচোৰজাৰ সৃষ্টি। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে তিৱাসকল ভৈয়ামলৈ নামি আহোঁতে অন্যান্য জাতি গোষ্ঠীয়েহে 'লালুং' নাম দিয়ে। ইয়াৰ আগৰ 'তিৱাসকলৰ পৰিচয়' মূলক প্ৰবন্ধত যথেষ্ট বাখ্যা আগবঢ়োৱা হৈছে। "লালুংসকলৰ কথা বাদ দি ভৈয়ামতো কলং আৰু কপিলী নদীৰ পাৰে পাৰে পাহাৰ ভৈয়ামৰ সংগম স্থলত শতাব্দীজুৰি লালুংসকলৰ কৃষ্টিয়ে গা কৰি উঠিছিল।

**ছুংখং (ছংখং) (লখিমী) পূজা:** বহাগ বিহুৰ ঠিক পিছতেই ছুংখং পূজা উদ্‌যাপন কৰা হয়। এই উৎসৱৰ পূৰ্বে পথাৰত হালবোৱা নিষেধ। তিৱাসকল বৰ হোজা আৰু ধৰ্মভীৰু। সমাজৰ নিয়ম-শৃংখলা ভংগকাৰীক কঠোৰ শাস্তি বিহে। যি লোকে ছুংখং পূজাৰ পূৰ্বে এনে নিয়ম উলংঘা কৰি পথাৰত হাল-কোৰ বায় তেনেলোকক এসাৰ ডাঙৰ কুকুৰাৰে দণ্ড বিহে। গাঁৱৰ যুৱকবিলাকে এনে জৰিমনা বাইজৰ সমূহীয়া পূজাত লগায়।

এই পূজাত পৌৰোহিত্য কৰে ধাইকৈ লৰ' আৰু হাতাৰীয়ে। উৎসৱৰ পূৰ্বে তেওঁলোকে নিজক শুদ্ধি কৰাৰ নিয়ম প্ৰচলিত আছে। নিৰ্ধাৰিত এটা দিনত ল'ৰ হাতাৰী, নামতী আৰু গাঁৱৰ সকলো বয়োবৃদ্ধ লোক মিলি থানৰ্নি পথাৰৰ এখনি মুকলি ঠাইলৈ যায়। ল'ৰজনে পবিত্ৰ দুবৰি তুলসী, কাঁহৰ লোটা এটাত পানী লৈ দুটা সতা আৰু দুজনী মাইকী কুকুৰা লগত লৈ যায়। পূজা উদ্‌যাপন কৰা ঠাইখিনি আগতেই কোৰকটাৰী মাৰি পৰিষ্কাৰ কৰে আৰু আয়তাকাৰে এখনি যজ্ঞৰ বেদী তৈয়াৰ কৰে। ল'ৰ আৰু তেওঁৰ যোগালিজনে দুবৰিৰে গা পা ধুই লয়। যজ্ঞৰ বেদীৰ ওপৰত এশ দহোটা তৰাপাতৰ পাত এটাৰ ওপৰত আনটো জাপি দিয়ে। মাটিৰ ঢিপটোৰ সন্মুখত ল'ৰই সাতোটা বাঁহৰ লেকেচিৰে খুটি কাটি শাৰী শাৰীকৈ পুতিব। বাঁহৰ খুটিৰ সন্মুখত এটা পথত মদ ভৰাই ৰখা হয়। তৰাপাতবোৰৰ আগত চাউল দিয়া হয় আৰু এটা কপৰ আঙঠি বাখি তাৰ ওপৰত এটা মুৰ্গী কণী দিয়া হয়। লগত নিয়া পানীৰ লোটাৰপৰা ল'ৰই তেওঁৰ যোগালি আৰু তাত উপস্থিত থকা সকলো লোকৰ গাত দুবৰি পাতেৰে পানী ছটিয়াই শুদ্ধি কৰে। লৰ'ই মাটিৰ ঢিপটোৰ ওপৰত দুডাল কাঠি আৰু একে সময়তে কণীটো ছুৰিকুৰাকৈ কাটি মঙল চায়। যদি মঙল ভাল হয় তেন্তে সেই বছৰ খেতি ভাল হ'ব বুলি তিৱা লোকসকলে বিশ্বাস কৰে।

মণ্ডল চোৱাৰ পাছত কুকুৰা কেইটা বলি দিয়া হয় আৰু তেজবোৰ টিপটোত ঢালি দিয়ে। চৰাইৰ নাড়ী-ভুৰুবাৰ এডাল এডালকৈ উলিয়াই আনি তাত কিবা ক'লা দাগ আছেনেকি পৰীক্ষা কৰা হয়। যদি ক'লা দাগ থাকে তেন্তে খেতিৰ বতৰ অশুভ ফলদায়ক। পৰীক্ষা শেষ হ'লে সেই নাড়ী ভুৰুবোৰ টিপটোৰ ওপৰত দীঘলীয়াকৈ পাৰি দিয়ে। কলিজা আৰু ডেউকাৰ ফালৰ মঙহৰ টুকুৰাবোৰ বাঁহৰ কাঠিও খুচি সিকত দিয় হয় আৰু বাকীখিনি ৰান্ধিবলৈ দিয়া হয়। লৰ'ই এইবোৰ কাযত সক্ৰিয় অংশ গ্ৰহণ নকৰে। কিন্তু পুৰোহিতে চৰাই কেইটাৰ মূৰ ছেদন নকৰালৈকে দেওপূজাৰ স্তুতিবোৰ গীতৰ আকাৰে ৰ গাই থাকে। অনুষ্ঠান শুদ্ধিকৰণ তথা গাঁওবাসীৰ হিংসুক অপদেৱতাৰ কুদৃষ্টিৰপৰা হাত সাৰিবৰ বাবে সিকত দিয়া মাংসৰ টুকুৰাবোৰ প্ৰথমে মণ্ডৰ বেদীত অপদেৱতালৈ উচৰ্গা কৰা হয়। ইয়াৰ পাছত আনুষ্ঠানিক ভাবে পানীয় গ্ৰহণ কৰি ভোজ খোৱা কায চলে। লৰ'ই কৰা উৎসৱ শুদ্ধীকৰণ পূজাৰ প্ৰথম ধৰ্মীয় কায। ইয়েই আগন্তুক খেতিৰ বতৰৰ বেৰোমিটাৰ স্বৰূপ। গোটেই সপ্তাহটোত গাঁওবাসী লোকসকলে ঘৰ-দুৱাৰ লিপি মচি, কাপোৰ কানি ধুই পৰিস্কাৰ কৰে। চৌহদৰ হাবি জংঘল কাটি পৰিস্কাৰ কৰে। গাঁৱৰ আলি পদূলিৰ হাবি জংঘল ডেকাসকলৰদ্বাৰা পৰিস্কাৰ কৰা হয়। বহু পৰিমানৰ মদ বিভিন্ন ধৰণৰ পিঠা পনা প্ৰত্যেক গৃহস্থীতে তৈয়াৰ কৰা হয়। এটা দিন ঠিক কৰি গাঁৱৰ লোকসকলে মাছ মাৰিবলৈ যায়। তেওঁলোকে সমূহীয়াভাৱে মাছ ধৰি মাছুৱৈসকলৰ মাজত প্ৰাপ্ত সকলো মাছ সমভাৱে বিতৰণ কৰে। গাঁৱৰ মুৰব্বীসকলৰ বাবে আচুতীয়াকৈ একোটা অংশ ৰখা হয়। পিছদিনা পুৱা গাঁৱৰ সকলো প্ৰাপ্ত বয়সৰ লোকে গাঁৱৰ কিছু নিলগত এখন মুকলি পথাৰৰ বিশেষ ঠাইত গোট খায়। প্ৰত্যেকজন মানুহে লগত একোঘটি চাউল নি ৰান্ধনিৰ হাতত চমজাই দিয়ে। উৎসৱৰ ভোজৰ বাবে ৰান্ধনি নিযোগ কৰা হয়। তেওঁলোকেই গাঁৱৰ সমূহীয়া ভোজ ৰান্ধে। এওঁলোকক "সাজনি" বুলি কোৱা হয়, অৰুণ্ডে ছ গ্ৰামিছাৱাৰ সাজনি বেলেগ।

ছুংথং পূজাৰ দিনা প্ৰত্যেকঘৰ গৃহস্থই একলহ মদ আৰু ডাঙৰ বাতিৰে এবাতিকৈ চাউল চান্দা হিচাপে দিব লাগে। সেই ঠাইতে গাঁৱৰ বাইজৰ এখন মেল বহে এই বাবেই যে বয়োজ্যেষ্ঠসকলৰ সিদ্ধান্তমতে চলা হ'ব নে ডেলাসকলৰ মতে চলা হ'ব। গাঁও পৰিষদে বহুওৱা জৰিমনাবোৰ পূজাৰ আগে আগে সকলোবোৰ আদায় কৰা হয়। গাঁৱৰ মুখিয়াল জনে বাকী থকা লোকৰ জৰিমনাবোৰ

টুকি ৰাখে আৰু এখন তালিকা কৰি ৰাখে। আৰু সেইদৰে অৰিহনা সংগ্ৰহ কৰে। আদায় কৰা চাউল, ধন চৰাই সকলোবোৰ ভোজত লগোৱা হয়। বাইজৰপৰা তোলা অধিক চান্দাৰ ধনেৰে এটা গাহৰি কিনা হয়। পবিত্ৰ কাৰ্য অনুষ্ঠিত হ'ব লগা ঠাইখিনিত পুৰোহিতজন ব্যস্ত থাকে। তেওঁ মাটিৰে চাৰিটা বেদী তৈয়াৰ কৰে বাঘৰজা, ডাল-থল দেৱতা, মহাদেৱ আৰু চাৰিভাই চাৰি কৰাৰ উদ্দেশ্যে।

বাঘৰজাৰ বেদীখন প্ৰথমে পুৰোহিতৰ সন্মুখত বাওঁহাতে সজোৱা হয়। বাঁহৰ লেকেচি এডাল পাতে লৈতে বেদীৰ সন্মুখত পুতি দিয়ে। ইয়াকে 'মিৰাইথাম' বা পৰম পুৰুষৰ খুটি বুলি কোৱা হয়। তাঁজ কৰা আমপাতেৰে মালাৰ দৰে ইয়াৰ ওপৰত আঁৰি দিয়া হয়। ওচৰতে এলাও মদ ৰখা হয়। মিৰাইথামৰ পিছফালে বেদীৰ ওপৰত তিনিজাপ কলপাত পাৰি তাৰ ওপৰত চাউল ওপচাই দিয়ে, চাউলৰ ওপৰত কণৰ আঙুঠি এটা আৰু চৰাইৰ কণী এটা ৰখা হয়। ইয়াৰ কাষৰখন জল দেৱতাৰ। এই বেদীখন সাতোটা সমান ভাগত আচটানি ভাগ কৰা হয়। এই সাতোটা ভাগত একোখন আগলি কলাপাত পাৰি তাত অলপ অলপকৈ আৰৈ চাউল, এযোৰ তামোল-পাণ আৰু তুলসী দুবৰিৰ পাত উচৰ্গাৰ বাবে দিয়া হয়। ইয়াৰ পিছৰখন ফজাইদেৱ মহাদেৱৰ। এই আসনখনত বাঁহৰ সৰু কাঠিৰে এখনি সৰু চাং সজা হয় আৰু তাকে মহাদেৱৰ আসন বুলি কোৱা হয় আৰু তিৱাসকলে এই আসন মহাদেৱে গ্ৰহণ কৰে বুলি ভাবে। ইয়াৰ কাষতে এলাও মদ আৰু পাঁচ খন আগলি কলাপাতত পাঁচ-যোৰ তামোল-পাণ দিয়ে। একেবাৰে শেহৰ বেদীখন চাৰি ভাই চাৰি কৰাৰ। এই বেদীত ২১০টা তৰাপাত, এটা কণৰ আঙঠি আৰু এটা চৰাইৰ কণী দিয়া হয়।

এইদৰে কৰাৰ পাছত পুৰোহিতে পূজা কৰে। পূজা সম্পূৰ্ণ হোৱাৰ পাছত কণী কেইটা ভাঙি আৰু বলি দিয়া চৰাইৰ ঠেংবিলি উৰ্গা কৰি ভৱিষ্যত বাণী কৰা হয়। চৰাইৰ কলিজা আৰু ভিপিনাৰ অংশবোৰ দেৱতাৰ বাবে ৰন্ধন কৰা হয়। ল'ৰাই তেতিয়া আগন্তুক বছৰ যাতে ভাল হয় তাৰবাবে সেই সিদ্ধ মাংস মদ আৰু সিদ্ধ মৰে দেৱতাৰ পূজা আৰম্ভ কৰে। দেউৰীয়ে উৎসৱৰ ভোজ বিলাই দিয়ে—কাৰণ এই উৎসৱৰ আহাৰ বিতৰণ কৰা দায়িত্ব তেওঁৰহে। ভোজ খোৱাৰ পাছত ডেকাসকলে ফুলাই লোৱা বাহ (মানবাৰি) হাতত লৈ নৃত্য কৰিবলৈ আৰম্ভ কৰে। বেদীৰ চাৰিওফালে খেতি কৰাৰ দা-মহুৰিৰে 'কদৰে খেতিবাতি কৰা হয় তাৰ নমুনাৰে নৃত্য কৰে। ডেকাসকলে সন্ধ্যা পুলৰ ল'ৰা ৰেত নৃত্য গীত

কৰে। পিছদিনা কোনো লোকেই নাঙল যুৱলি ব্যৱহাৰ নকৰাটোৱেই উৎসৱৰ সামৰণি সূচায়।

**ৰৰতৰ পূজা:** তিৱাসকলৰ (লালুং) ৰৰতৰ (ব্ৰত) পূজা কাতি বিহুৰ পৰা আৰম্ভ হয় আৰু পুহ মাহৰ পূৰ্ণিমা তিথিত ব্ৰতৰ কাম সমাধা কৰা হয়। সাতোটা কুঁৱাৰপৰা সাত ঘাট পানী অৰ্থাৎ সাত কলহ পানী সাতদিনৰ মূৰে মূৰে তুলিব লাগে। এই ৰৰতৰ কাম নিয়াৰিকৈ চলোৱাৰ দায়িত্ব দলৈ, দেউৰী, হাতাৰী, চংমাজি, চাংদলৈ, তুলীয়া, তামুলীদলৈ বাৰিকা আদিৰ। তেওঁলোকে ৰৰতৰ আৰম্ভনিৰপৰা শেহলৈকে পূজাৰ কামৰ দায়িত্ব সুচাৰুৰূপে পৰিচালনা কৰে।

পানীতোলা আয়তী পাঁচ গৰাকী। ঘটধাৰণকাৰী গৰাকী অবুমাৰী ছোৱালী হ'ব লাগিব। ব্ৰত পালন কৰা তিৰোতা গৰাকী যুৱতী, বৃদ্ধা অথবা বোৱাৰী মানুহো হ'ব পাৰে। তেওঁ ব্ৰতৰ সকলো নিয়ম মানি চলিব লাগে। ব্ৰতাৰম্ভৰপৰা সামৰণি নপৰালৈকে পানীতোলা আয়তীসকলে দিনত আহাৰ খাব নোৱাৰে। তামোল-পাণ খাব পাৰিলেও চুনচাধা, বিড়ি আদি খোৱা নিষেধ। নিয়ম ভংগকাৰীৰ কিবা অপায় অমংগল ঘটে ই ধ্ৰুৰূপ। ৰাইজৰ আগত দোষ স্বীকাৰ কৰি বটা বাহন আগবঢ়ালে সেই দোষ শাম কাটে। ৰৰতানি গৰাকীয়ে ৰৰত আৰম্ভ কৰাৰপৰাই এখন চাগৰ পীৰা ব্যৱহাৰ কৰে। ব্ৰত শেষ হোৱাৰ দিনা সেই পীৰাখন খুজোৱা নিয়ম।

তেতেলীয়া আৰু কুমৈ ৰজাই এই ব্ৰত পূজা কৰে। ব্ৰত পূজা আগতে দুয়োজন ৰজাই পালন কৰা নাছিল। ডিমৰীয়া ৰজাই হে এই ৰৰত পূজা তেওঁলোক দুয়োজন ৰজাক উচৰ্গা কৰিছিল। (তেতেলীয়া আৰু কুমৈ ৰজাই ডিমৰীয়া ৰজাৰ দুগৰাকী জীয়াৰী বিয়া কৰাওঁতে দুয়োকে ওৰা (উষা) আৰু ভদীয়া ৰৰত উচৰ্গা কৰে। এই ৰৰত কৰিলে বিপদ বিঘিনি নঘটে ৰাজ্যত।

ওৰা বা উষা ৰৰত পালনত তিৱাসকলেহে বিশেষ আগভাগ লয়। ভদীয়া ৰৰত পালনত পুৰণা একাংশ মুছলমান লোকেও অংশ গ্ৰহণ কৰে। ভদীয়া ৰৰতত ওজা পালি নৃত্য গীত গোৱা হয় আৰু ই বেউলা লক্ষীন্দৰৰ কাহিনীৰ সমস্ত তাৎপৰ্য ব্যাখ্যা কৰে। ওৰা ৰৰতত উষা অনিৰুদ্ধৰ প্ৰণয় কাহিনীৰ কথা আছে। ১২০ আখ্যা গীত গোৱা হয় ওৰা ৰৰতত। সিংহ, বাঘ, মানুহ, চৰাই আদি বাৰবে নিৰিত মুখা নচুওৱা হয়। প্ৰত্যেকজন মানুহৰ হাতত একুৰাকৈ জুই থাকে আৰু

মাদলৰ চোৱে চোৱে সেইবাৰ নচুৱায়। মহাদেৱ পাৰ্বতীৰ মুখা নচুৱালেই বৰতৰ সামৰণি ঘটৰ চপাৰ কথাই ইংগিত কৰে।

কালিকা থান আৰু বংশীবদন থানত যথাক্ৰমে কালী আৰু সৰস্বতীৰ পূজা কৰে। এই পূজা নকৰাকৈ বৰত-পূজা আৰম্ভই নকৰে। পূজা প্ৰত্যেক বছৰে পাতে। কল, চাউল, ফুল তুলসী আদি পূজাৰ উপকৰণ। কালিকা থানত কাছ, আৰু ছাগলী বলি দিয়ে পূজাৰ দিনা আৰু বাইজে ভোজ ভাত খায়। উষা অনিৰুদ্ধৰ প্ৰণয় কাহিনী বিজড়িত এই বৰতে তিৱাসকলক দানব বংশীয় বুলি ভাবিবলৈ বাধ্য কৰায়।

**লাংখুন পূজা:** কাতি মাহৰ শেষত নতুবা আঘোনৰ আৰম্ভণিৰ চাৰিদিন ধৰি লাংখুন পূজা কৰা হয়। এই পূজা সোমবাৰে আৰম্ভ কৰি বৃহস্পতিবাৰে সমাধা কৰা হয়। উৎসৱ আৰম্ভৰ আগত শনিবাৰে চাংদলৈ, চাংমাজি, হাতাৰী আৰু লৰ, প্ৰমুখ্যে দেউৰীৰ ঘৰত গোট খাই লাংখুন কটাৰ আলোচনা কৰা হয় আৰু পিছদিনা পাহাৰৰ কিছু দূৰত এজোপা ধুনীয়া বিজুলী বাঁহ চাই তাৰ ওচৰতে অকনমান ঠাই পৰিষ্কাৰ কৰি আগলি কলপাত এজাপ পাৰি, তাৰ ওপৰত সাতখন তামোল, আৰু লগত নিয়া মদৰ লাওৰ পৰা মদ ঢালি দি লাওটোৰপৰা অলপ মদ পাতৰ আগত ঢালি দি বাঁহ প্ৰজন কৰা দেৱ-দেৱী আৰু ভাৰ বহন কৰি থকা পৃথিৱীক বাঁহ কাটিবলৈ অনুমতি খুজি স্তুতি কৰে আৰু ডেকাসকলে বাঁহজোপাৰপৰা ১৮ ডাল আগযুক্ত বাঁহ কাটি আনে। পিচদিনা দেওবাৰে থেৰ পূজা কৰা ঠাই-খিনি ভুৰি কাটি চাফ-চিকুণ কৰে আৰু পাহাৰৰ পৰা বাঁহ কাঠৰ খৰি আনি গোটাই থয়। পানী আৰু মদ খাবৰ বাবে ভুই ধৰণৰ বাঁহৰ চুঙা কাটি তৈয়াৰ কৰে।

সোমবাৰে নিচেই পুৱাতে এদল ডেকাই আগতে কাটি থোৱা ১৮ ডাল বাঁহ লৈ আহে। লগতে মাল পূজাৰ বাবে ৪ হাত মান দীঘল কেইটামান গছৰ পুলি আনে। সেই গছৰ পুলিবোৰক "মালবাৰী" বোলা হয়। সেই বাঁহ কেইডাল ডেকা চাঙলৈ আনি প্ৰথমে বাঁহৰ চোঁচবিলাক গুচোৱা হয় আৰু প্ৰতি পাৰতে বাঁহৰ চোঁচবোৰ চাচি ফুলাই বিবিধ ধৰণে চিত্ৰ অঁকা হয়। ইয়াকে লাংখুন বুলি কোৱা হয়। গোটেই বাঁহকেইডাল এইদৰে সজোৱা হলে ডেকাচাঙৰ চটিত দীঘলকৈ পেলাই ৰাখিব। সেইদৰে মালবাৰী কেইডালকো চাচি, ফুলাই মুৰত চৰাই আকৃতিৰে চিত্ৰ কাটি ছাই আৰু হালধিৰ ৰস ঘঁহি ডেকাচাঙৰ পূৰপিনে শাৰী শাৰীকৈ মাটিত পুতি থ'ব।

আবেলি থাই বৈ আহি সকলোটি ডেকা বুঢ়া ডেকাচাঙত গোট খাবহি। তেওঁলোকে মদৰ লাও দুটা আৰু তামোল-পাণ এবটাৰে দেউৰীক মাননি দি, মিন্দাই-খ্‌াম, পাংচি, থোবাং, ডগৰা আদি বাদ্যযন্ত্ৰ লৈ যায়। ডেকাসকলে ডেকা-চাঙত এই বাদ্যযন্ত্ৰৰে নৃত্যগীত কৰি ৰাতিটো কটায়। পিছদিনা মংগলবাৰে দোকমোকালিতে আগতে পুতি থোৱা মালবাৰি হাতত লৈ প্ৰত্যেক ঘৰ গৃহস্থৰ চালবেৰ আদিত কোবাই অপদেৱতাই যদি ঘৰত থিতাপি লৈছে সিইতক খেদি নিয়াৰ দৰে লৈ যায়; আৰু আগতে পেলোৱা নিৰ্দিষ্ট ঠাইত নি পেলাই দিয়েগৈ। লালুংসকলৰ এইটো এটা বিশ্বাস যে তেনে কৰিলে গৃহস্থৰ ঘৰত বাঁহ লোৱা ভূত-প্ৰেতবোৰ আঁতৰ হয়। সেইদিনাও ডেকাসকলে আগদিনাৰ দৰে ডেকাচাঙত নৃত্যগীত কৰি ৰাতিটো কটায়।

পিছদিনা পুৱা ১০ মান বজাত দেউৰী, হাতাৰী, লৰ' চাংমাজি, চাংদলৈ আদি বিষয়াসকলে গাওঁৰ প্ৰতিঘৰ মানুহৰপৰা একোটা ডেকেহুৱা চৰাই আৰু এটাকৈ মদৰ লাও লৈ ইতিমধ্যে সাজু কৰি থোৱা নিৰ্দিষ্ট স্থানলৈ লৈ যায়। আগতে দমাই থোৱা খৰি, কাঠ আদি ভালদৰে থৈ ঠাইখন লিপা-পোচা কৰি বুঢ়া-মেঠা-সকলে পূজাৰ কাম আৰম্ভ কৰে।

চাক কৰা ঠাইখনৰ মাজভাগত অৰ্ধচন্দ্ৰ আকাৰত আগলি কলাপাত ২০ জাপ পাৰি দিয়া হয়। চাৰি-ভাই চাৰি কৰাৰ, বাঘদেউৰ, বামুনদেউ আৰু বাটদেউৰ নামেৰে এই পাত ভাগে ভাগে পাৰি দিয়ে আৰু কলপাতত আৰৈ চাউল, তামোল-পাণ দি পূজা আৰম্ভ কৰে। প্ৰতিজন দেৱতাক স্তুতি কৰি চৰাই বলি দি বলিকটা তেজ ক্ৰমান্বয়ে চাৰি-ভাই চাৰিকৰাৰপৰা আৰম্ভ কৰি সকলোদেৱতাৰ ভাতাত ছটিয়াই দিয়ে। প্ৰত্যেকজন দেৱতাৰ ভাগত এমুঠিকৈ খেৰ দিয়া থাকে। মদৰ লাওৰপৰা মদো বাকী দিয়া হয়। এটা ভাঙৰ বাতিও পানী লৈ পিঠাগুৰি গুৰি বনমলা পাতেৰে চাৰিওফালে শান্তি পানী ছটিয়াই দিয়ে। এই পূজা শেষ হোৱাৰ পাছতহে লালুংসকলে খেৰ কাটে—তামোলো এই পূজাত লগোৱাৰ পাছতহে মানুহে ব্যৱহাৰ কৰে।

লাংখুন পূজা আৰম্ভ হোৱা দিনাৰেপৰা খ্‌াম, থোবাং আদি অহৰহ বজাই থকা হয়। ডেকাসকলে হাতত লাংখুন লৈ মাদলৰ ছেৱে ছেৱে নৃত্য কৰে। সন্ধ্যা-লৈকে পূজাস্থলীত নৃত্য-গীত কৰাৰ পিছত গাঁৱৰ মূল বিষয়াসকলৰ চোতালত ৰাতি নৃত্য কৰে। এইদৰে মধ্য ৰাতিলৈকে নৃত্য গীত কৰাৰ পাছত ডেকাসকলে

বাদ্য-সহকাৰে আগৰ মানবাৰী পেলোৱা ঠাইত স্তুতি গীতেৰে লাংখুনবোৰ পেলাই দিয়েগৈ।

ইয়াৰ পাচত সেইদিনা আবেলি সকলো ডেকা-বুঢ়া ডেকাচাঙত গোট খায়—আৰু খোৱা, দগৰা খেৰাং লৈ নৃত্য কৰে। চাংদাৰিৰ ঘৰৰ নৃত্য গীতেৰে আগবাঢ়ি লৈ তুলোং পাৰ্চাই পক নাচনি চলায়। চাংদাঙৰে চেনাফলা মাছেৰে এওঁলাকক মদ দিয়ে। পিচত ডেকাচাঙলৈ উভতি আহি পুনৰ নৃত্যগীত কৰে আৰু ঈশ্বৰৰ ওচৰত স্তুতি কৰে বাদ্যযন্ত্ৰবোৰ বন্ধ কৰি চাংনাজিৰ সাক্ষাতত সেইবোৰ ডেকাচাঙত তুলি ৰাখে।

**ছগ্ৰা মি ছাৱা:** ( বসন্তোৎসৱ ) 'ছুগ্ৰা' শব্দৰ অৰ্থ সকলো। 'মি ছাৱা' শব্দে নৃত্য বুজায়। ছগ্ৰা মি ছাৱা এই শব্দৰ অৰ্থ হ'ল সকলোৱে মিলিজুলি কৰা নৃত্য। ছগ্ৰা মিছাৱাক বসন্তোৎসৱ বুলি কোৱা হয়। এই উৎসৱ ফেব্ৰুৱাৰী মাহৰ শেষত বা মাৰ্চ মাহৰ আৰম্ভণিতে পালন কৰা হয়। কোনো এক ৰবিবাৰ বা বুধবাৰে এই উৎসৱৰ আৰম্ভণি। উৎসৱত বিশেষ ধৰণৰ তৈয়াৰ কৰা এবিধ চোলা ব্যৱহাৰ কৰা হয়। ইয়াক "টাগলা" বুলি কোৱা হয়। গাওঁৰ নামৰ বিষয়-বৰ'য়া জনক উৎসৱৰ বাবে চোলা যোগাবলৈ আদেশ দিয়া হয়। তেওঁ মুগা সূতা গাঁৱৰ গাভৰুসকলক দি উৎসৱৰ পোচাক বৈ দিয়ে। এই পোচাকবোৰ কোৱা সময় দিনিতে পুৰোহিতে মহাদেউ আৰু চাৰি ভাই চাৰিকৰাক যাবতীয় পূজা দিয়া কামখিনি সমাধা কৰে। ইয়াক 'শনিকৰণ' পূজা বোলে। এই আগতীয়া লোকসমূহ ভত্ত্ব সময়তে 'ছগ্ৰা মিছৱা' উৎসৱৰ দিন নিৰ্ধাৰণ কৰে। গাঁৱৰ ডেকাসকলে প্ৰায় ২ মাহ মানৰ আগৰে পৰা ডেকাচাঙত চাংদলৈৰ নেতৃত্বত মেইচা উৎসৱ কৰি আথৰা আৰম্ভ কৰে। ইমান দিনে চাংদিত অনুশীলন ধৈ দিয়া সময় চগবা খোৰং আদিক মেৰমতি কৰা হয় আগন্তুক উৎসৱ উপলক্ষে।

**পাংচি টাঙা** ( বাঁহ কাটি বাঁহী বনোৱা ): উৎসৱ উদ্‌যাপন কৰাৰ আগেয়ে ডেকাসকল আৰু গাভৰুসকলে আগবাৰ উদ্দেশ্যে একাগোট হওঁতে পিছদিনা পাচাৰৰ পৰা নতুন বাঁহীৰ বাবে বাঁহ কাটি আনিবলৈ চাংদলৈয়ে নিৰ্দেশ দিয়ে। পুৰোহিত আৰু যোগালীয়ে ডেকাদলক লগত লৈ বাঁহ কাটিবলৈ গোহাবলৈ ওলাই যায়। এজোপা ধুনীয়া বিজুলী বাঁহ চাই তাৰ তলডোখৰ ধুনীয়াকৈ পৰিষ্কাৰ কৰে। অন্তে বহণ আৰু দীঘল সাতোটা অৱাগছৰ পাতত আগোলপাণ আৰু মদ চাকি দিয়ে। চাংদলৈয়ে মদৰ গছৰবোৰ চাৰি-ভাই চাৰিকৰাক প্ৰতিনিধিত্ব কৰিবলৈ

মিন্দাইখ্‌-ৰামে তৈয়াৰ কৰে। বাঁহৰজন কৰা দেৱতা আৰু বহন কৰা পৃথিৱীক পূজা দি স্তুতি আৰম্ভ কৰে আৰু বাঁহ কটাৰ অনুমতি লয়। ইয়াৰ বাওঁহাতে এখন তৰাপাতত তামোল-পাণ, এযোৰ দি মৃত পিতামহসকলৰ আশীৰ্বাদ বিচাৰি স্থাপন কৰে। প্ৰত্যেক যোৰ তামোল-পাণৰ কাষত ধূপ-ধুনা জ্বলোৱা হয়। চাংৰলৈয়ে মিন্দাইখ্‌-ৰামৰ ওচৰত গীতৰ আকাৰেৰে স্তুতি কৰে আৰু আগন্তুক ছগ্ৰা উৎসৱৰ বাবে যাতে ভালদৰে সংগ্ৰহ কৰিব পাৰে। এই স্তুতি পুৰোহিতে সংগ্ৰহ কৰিব পাৰে। এই স্তুতি পুৰোহিতে প্ৰথমে গাই যোৱাৰ পিছত চাংদলৈয়ে গোৱা নিয়ম। তাৰ পাছত দেৱতালৈ উচৰ্গা কৰা মদ সকলোৱে গ্ৰহণ কৰে। মিন্দাইখ্‌ ৰামৰ ওচৰত সাতোটা বাঁহী থোৱা থাকে। মদ পান কৰাৰ পিছত সকলোৱে হাবিৰ পৰা বাঁহ কাটি আনি আগৰ পূজা কৰা ঠাইত গোট খায়। তেওঁলোকে সেই ঠাই পৰিত্যাগ কৰাৰ পূৰ্বে মিন্দাইখ্‌ৰামৰ ওচৰত পেৰা সাতোটা বাঁহী ভাঙি পেলাই অপদেৱতাৰ কোপদৃষ্টি শুদ্ধীকৰণাৰ্থে। তাৰ পাছত সকলোটিয়ে "হে কুক হে কুক" (হে শুক, হে শুক) নাম লৈ গাঁৱলৈ আহে।

**পাংচিক্‌লেনি :** ডেকাচাঙৰ মাজৰ খুটাটোক লালুংসকলে বৰ শ্ৰদ্ধা-ভক্তিৰে পূজা কৰে। অনন্ত শক্তিৰ গৰাকী মহাদেৱ এই খুটাৰ প্ৰতীক। ইয়াক "মিন্দাইনে খুলা" বোলে। এখন কলপাতৰ ওপৰত সাতোটা তামোল আৰু সাতখিলা পাণ দিয়া হয়, কাষতে এডাৰণ মদ থাকে। চাংদলৈয়ে খুটাটোৰ ওচৰত নমস্কাৰ জনাই ডাৰণৰ মদ অলপ তাৰ কাষত ঢালি দিয়ে। তাৰ পাছত সকলোৱে মহাদেউৰ নামত মদপান কৰে। ইয়াৰ দ্বাৰাই বাঁহী তৈয়াৰ কৰাৰ অনুমতি লোৱা বুজায়। তাৰ পাছত চাংদলৈয়ে একুৰা জুই ধৰে আৰু তাৰ চাৰি-ওফালে বহি ডেকাসকলে বাঁহী তৈয়াৰ কৰে। এই বাঁহী তৈয়াৰ কৰা কাৰ্যকে পাংচিক্‌লানি বোলে। আবেলি ডেকাসকলে পুনৰ খৰি খেৰ বিচাৰি আনি গধূলি জুই ধৰি ছগ্ৰা নৃত্যগীতৰ আখৰা কৰে। এই খৰি সংগ্ৰহ আৰু আখৰা কৰা কামত সকলোৱে সহযোগ কৰিব লাগে। ইয়াৰ বিৰোধিতা কৰা জনক এপাচি চাউল জৰিমনা কৰে আৰু উৎসৱত ব্যৱহাৰ কৰিবৰ বাবে ৰাখে। চাংদলৈয়ে আগন্তুক ছগ্ৰা উৎসৱৰ বাবে প্ৰতিঘৰ গৃহস্থৰপৰা মদ বাঢ়িবৰ বাবে চাউল সংগ্ৰহ কৰে।

ইয়াৰ দুদিন পিছত উৎসৱ উদ্‌যাপন কৰিবলগা ঠাইখিনি ভালদৰে পৰিষ্কাৰ কৰা হয়। গাঁৱৰ বাট-পথুলীবোৰৰ জংগল কাটি চাফা কৰা হয় আৰু আলি পদূলি

সেৰমতি কৰা হয়। গোটেই গাঁওখনতে এটা উৎসৱমুখৰ পৰিৱেশ গঢ়ি উঠে। হাবিৰ পৰা আলু, কচু, শাক-তৰকাৰী আদি উৎসৱৰ বাবে সংগ্ৰহ কৰি অনা হয়। এই বস্তবোৰ ডেকাচাঙৰ চোতালত ৰখা হয়। সিংগাইথ নামৰ ওচৰতে বাঁহীবোৰ ৰখা হয়। চাৰি-ভাই চাৰিকৰাক প্ৰতিনিধিত্ব কৰিবলৈ গাঁৱৰ এমূৰত মাছৰ গছৰ ডালি পোতে। সন্ধ্যা ডেকাসকলে কোপাতেৰে এবটা তামোল বান্ধি চাংদলৈক সম্মান জনায়। এই তামোল-পাণৰ বটাটো চাংদলৈয়ে বুঢ়া মেথাসকলক দি জনায় যাতে আগন্তুক উৎসৱত ডেকাসকলৰ চালনাত কিবা অপৰাধ হলে যেন ক্ষমা কৰে।

**উৎসৱৰ যো-জা :**—বৃহস্পতিবাৰে ডেকাসকলে উৎসৱৰ বাবে লাগতিয়াল সকলো দ্ৰব্যৰ যোগান ধৰে। উৎসৱত আহাৰ খাবৰ বাবে কৌ পাত পানী-ভূনি খাবৰ বাবে চুঙা যোগান ধৰে। পাংচিটানা উৎসৱৰ এসপ্তাহ পিছত আগন্তুক ছগ্ৰা মিছাৰাৰ আগৰাৰ অন্ত পৰে। সেই দিনা সন্ধ্যা ডেকা, বুঢ়া, পুৰোহিত যোগালী আৰু গায়কসকলৰ ডেকাচাঙত মিলিত হয়। চাংদলৈয়ে এজুৰা ডাঙৰ জুই ধৰে। ডেকাসকলে শুক খেলৰ বাদ্য আৰু পোৰাঙৰ ঢোলে ঢোলে জুই কুৰাৰ চাৰিওফালে বৃত্তাকাৰে নাচে ; চাংদলৈয়ে ডেকাচাঙৰ ভিতৰ মজিয়াত ধুনা খুটাৰ ওচৰত আগৰ ত্ৰুটী বিচ্যুতি ঘটিলে অপৰাধ মৰিষণ কৰিবলৈ ঐশ্বৰীক শক্তিৰ ওচৰত সেৱা জনায় আৰু পুৰোহিতে চাংদিৰ পিছফালে কণী ভাঙি মঙ্গল চায়।

**পালনীয় বিধি নিষেধ :** সেইদিনা ৰাতিৰেপৰা ছগ্ৰামিছাৰা উৎসৱ পালন কৰা হয়। গাঁৱত চাৰিদিনৰ আগৰেপৰা ধৰ্মীয় বাধা নিষেধসমূহ বৃদ্ধসকলে লোৱা সিদ্ধান্ত বাৰিখাৰবাৰা জনোৱা হয়, আৰু কঠোৰ ভাবেৰে এই নিষেধাজ্ঞাসমূহ পালন কৰিবলৈ ঘোষণা কৰা। এই নিষেধাজ্ঞাসমূহ মূলমূলভাৱে এনে ধৰণৰ (১) ছগ্ৰা উৎসৱ চলি থকা সময়ত ভৰিত জোতা, চেণ্ডেল আদি ধাৰণ কৰিব নোৱাৰিব (২) কাপোৰ ধোৱা, চাইকেলত উঠা, লং পেন্ট, পইজামা পিন্ধা, ধান বনা, গাছবোৰ বোৱা-কটা কৰা, হালবোৱা, পৰিকটা, ভঁৰালঘৰ স্পৰ্শ কৰা নিষেধ। (৩) শুকাখেলৰ বাদে অইনে বাদ্যযন্ত্ৰ স্পৰ্শ কৰা নিষেধ। (৪) জাপি, লাঠি, বিড়ি-চিগাৰেট, আলটী ৰখা, আৰু ঘৰত কোনো পুৰুষ ব্যক্তি থকা নিষেধ। সকলোৱে উৎসৱত যোগদান কৰিব লাগিব। লগতে এই বিধি নিষেধ সুচাৰুৰূপে পালন কৰা হৈছেনে নাই তাৰ তদাৰক কৰিবলৈ গাঁৱৰ দায়িত্বত এটি "দুৱাখেল" নিয়োগ কৰে। দুৱাখেলে কাৰো ঘৰৰ ভিতৰত পদাৰ্পণ নকৰে। আজ্ঞাভংগ-কাৰীক গাঁও পৰিষদে কঠোৰ দণ্ড বিহে।

বাপ্তি পুৰোহিতে বয়োবৃদ্ধসকলক তেওঁৰ ঘৰলৈ লৈ যায় আৰু ৰৰবৰৰ চাৰি-ভাই চাৰি কৰাৰ পূজা দিয়ে। ভুকোঠলীয়া ৰৰবৰৰ একো ঠালি বান্ধনিশাল। বন্ধকোঠাৰ সোঁফালে সাতখন কৌপাতত চাৰি-ভাই চাৰি কৰা আৰু সাতখন বেলেগ কৌপাতত মৃত পিতৃ-পিতামহসকলৰ নামত চাউল, পিঠাগুৰি আৰু তামোল-পাণ দি অৰ্চনা কৰা হয়। পুৰোহিতে দুটি বগা মতা আৰু মাইকী কুকুৰা কাটি এই দেৱতাসকলক বলি কটা তেজ অৰ্পণ কৰে আৰু মন্ত্ৰ মাতে। মন্ত্ৰ গাই শেষ হ'লে মাংস বোৰ ৰান্ধি প্ৰথমে দেৱতাক দি পাছত তাত থকা ৰাইজে ভগাই খায়। পিছত ৰৰজেলাই পুৰোহিতক সাতোটা তামোল-পাণেৰে সম্মান জনোৱাৰ পিছত সকলোটি গৈ চামাদিত উপস্থিত হয়।

চামাদিৰ চৌহদ পবিত্ৰ তুলসী পানীয়ে ছটিয়াই উৎসৱ উপযোগী কৰে। চাদং-লৈয়ে অলোৱা জুইকুৰাৰ কাষত এটি কণী কাটে। ডেকা সকলে জুইকুৰাৰ চাৰিওফালে ছপ্ৰাগীত গাই নাচে। শুকখেলে গ্ৰাম, দগৰা, থোৰাং আদিত সুৰৰ কঁপনি তোলে। গীতবোৰে প্ৰকৃতি জগতৰ লগত মানুহৰ জীৱনৰ আশা-আকাংক্ষা ভালপোৱা, করুণ-বিষাদৰ এখনি চিত্ৰ দাঙি ধৰে। উদাহৰণ স্বৰূপে দুটি গীতৰ টুকুৰা দিয়া হ'ল —

(ক) চাল্ নাৱানে দাও দাও
জনাই নাৱানে দাও
আমুথী বালিক' নিথাল্ থ'
য়াংথ' য়াংকৰা দাও
থাচুথী বালিক' নিথাল্ থ'
জনাই লেথা মথাং ব্ৰাও

(খ) খুলচিং থাবাল' অদাল্ অদাল্'
খুলচিং থাবাল' অদাল্
আমুথী বালিনে নানা লিৱানা
আঙা খুচা বদাল্
থাচুথী বালিনে নানা লিৱানা
আঙা থাচী বদাল্ ॥

অৰ্থ :—(ক) চোৱাচোনইক চোৱা, মোৰ সোনজনীৰ ভৰি কিথনলৈ :-

কিমান ধুনীয়া' ভবিৰ পতা কিথকটো। চোৱাইক—তেওঁবড়া দেশলাপৰ মাৰ আৰু মুখখন যেনিবা সাঁইনাথ দিপ্তীমান জোনটিহে।

(খ) ওনাইকচোন, মই সোনজনীৰ ঘৰলৈ গ'লেই তেওঁ সকলোকে পিচপলাই থৈ মোকেইহে আগতে নতুন সাঁজিত ভ... ... মদ আনি খাবলৈ দিয়ে আৰু মদ খোৱা শেষ হ'লে ভালদৰে সকাই পকাই আহাৰ যোগান দি মোৰ প্ৰতি তাৰ ভালপোৱাৰ চিনাকি দিয়ে।

ছগ্ৰা নৃত্যগীত চাবলৈ অহা তিৱা যুৱতী বোৱৰ নিচিকীয়া হাঁহিত কিমান বিমল আনন্দ সনা আছে, তেওঁলোকৰ যৌবনৰ পৰোত্তৰে প্ৰাণত কিযে উন্মাদনাৰ সঞ্চাৰ কৰে হৰিণী চকুযুটি ইমান আমেজ সনা, মৰলাস ভংগীমাই প্ৰাণত কিবা নোপোৱাৰ বিঙা বিঙা ভাবৰ জোৱাৰ তোলে এইবোৰেই গীতত প্ৰকাশ পায়। গায়কসকলে গোটেই ৰাতি একোটা গীতৰ ছন্দ সাতবাৰকৈ গায়। নৃত্যকাৰসকল ভাগৰি পৰিলে বেলেগ এটি দলে সেই ঠাই পূৰণ কৰে। বাদ্যকাৰসকলৰো সেই একে নিয়ম। কোনো কাৰণতে নৃত্যগীতৰ যতি নপৰে।

পুৰা ডেকা বুঢ়া সকলোটিয়ে পুৰোহিতৰ ঘৰলৈ গৈ নৃত্য কৰে। তাৰ পিছত চাংদলৈয়ে গাঁৱৰ আহল-বহল চোতাল থকা মাজুহঘৰলৈ ৰাতিৰ পৰাৰ পালৈ গৈ নৃত্য কৰাৰ উদ্দেশ্যেৰে। বাটত প্ৰত্যেক ঘৰ গৃহস্থৰ চোমাজিত নৃত্য কৰাৰ দৰে নৃত্য কৰে।

ছগ্ৰামিছাৱাৰ' আহাৰ তৈয়াৰ কৰিবলৈ বিশেষ ধৰণৰ ৰান্ধনি দল নিয়োগ কৰা থাকে। ৰান্ধনিদলৰ মুখ্যজনক ভাণ্ডাৰী বুলি কোৱা হয়। ভাণ্ডাৰীয়ে বয়োবৃদ্ধসকলক প্ৰণাম জনাই পুৰোহিতৰ আদেশানুসাৰে সহযোগীসকলৰ সৈতে ৰন্ধনৰ কাম কৰে। গাঁৱৰ বয়োবৃদ্ধ লোক সকলক ৰৰঘৰলৈ সৈ যোৱা হয়। ৰৰঘৰত সোমোৱাৰ আগেয়ে ইষ্টদেৱতা মহাদেৱৰ আৰাধনা কৰে। তেওঁলোকে ৰৰঘৰৰ খোৱা কোঠাত কঠ পাৰি বহে আৰু চাংদলৈয়ে ডেকাসকলৰ সহায়েৰে মদৰ যোগান ধৰে। চোতালত চাংমাজি আৰু চাংদলৈয়ে নৃত্য গীত আহৰহ চলিছেনে নাই তাৰ নজৰ ৰাখে। কুৱাখেলৰ যুৱকীজনে ৰৰঘৰৰ কাষতবিহি চোতালত জুঁল থকা জুইকুৰা কোনোবাই চোৱে নেকি তাৰ লক্ষ্য কৰি থাকে। তাজুকুৰ খোৱা কোঠাতো জ্বলোৱা জুইকুৰাৰ প্ৰতি লক্ষ্য ৰাখে। বাহিৰত কঠত আসন গ্ৰহণ কৰাসকলে কোনেও আসন সলনি কৰিব নোৱাৰে। বিধি চিগাৰেই খোৱা ইয়াত বাধা নাথাকিলেও বাহিৰত সৈহে খাব পাৰিব। ভাণ্ডাৰীয়ে ৰন্ধা জল পুৰোহিতৰ

অনুমতি সাপেক্ষে দৰ্শকসকলৰ কোপাতত ভাত দিয়ে। নৃত্য গীতত আবদ্ধসকলৰ এজন এজনকৈ খাব পাৰিব। চংমাজি-চাংদলৈ আৰু বয়োবৃদ্ধসকলে মদহে খায়।

নৃত্যগীতৰ দলটোৱে প্ৰত্যেকটো নাচৰে সাতবাৰকৈ পুনৰাবৃত্তি কৰে। ঘৰঘৰৰ বাটচৰাত এই নৃত্যগীত বহুপৰ চলে। তাৰ পিছত গাঁৱৰ বিশিষ্ট লোকসকলৰ ঘৰত চামাদিত ননচা পাঁচবিধ নাচ আৰু পাঁচবিধ নতুন সুৰৰ সমাৱেশেৰে পাম্বাই-সকলক নচুৱায়। চতুৰ্থ দিনা আবেলি চাৰি-ভাই-চাৰি কৰাৰ পূজা ধৰ্মীয় বাধা-নিষেধবোৰ উঠাই লোৱা হয়। উৎসৱ চলি থাকে; পুনৰ ডেকাসকল বিষয়া-সকলৰ সৈতে চামাদিলৈ ওভটে। "ছগ্ৰা কৰাচগাত" চাংদলৈয়ে মিন্দাইফা পাতে; সেয়া চাৰি-ভাই চাৰি কৰাৰ প্ৰতীক।

চাংদলৈয়ে মিন্দাইফা পতাৰ সময়ৰপৰাই এটি গহীন আৰু বিষাদৰ সুৰ ধ্বনি—প্ৰতিধ্বনিত হয়। এই মিন্দাইফাই উৎসৱৰ সামৰণিৰ নিৰ্দেশ দিয়ে। সেইবাবে প্ৰত্যেক গাঁওবাসী ডেকা বুঢ়া গাভৰু বোৱাৰীৰ প্ৰাণত বিভা বিভা ভাৱৰ উদয় হয়। সেই কেইদিনৰ উৎসৱত অংশ গ্ৰহণ নকৰা গাভৰু, বোৱাৰী সকলোৱে এই শেহৰ পৰ্যায়ৰ উৎসৱ স্থগিত গোট খায়হি। পুৰোহিতে মিন্দাইফাৰ সন্মুখত একুৰা জাঙৰ জুই ধৰে। বাদ্যকাৰসকলে অহৰহ খাম খোৰাঙত করুণ সুৰৰ ৰাগিনী তোলে। এই বিনানযে নৃত্যগীত বাদ্যকাৰসকলৰ বাহিৰেও সমগ্ৰ দৰ্শকৰ হিয়াত বিষাদৰ ৰাগিনীয়ে তোলপাৰ লগায়। তিনিধৰণৰ নতুন নৃত্য সাত বাৰকৈ পৰিৱেশন কৰে। পুৰোহিতে চাৰিভাই চাৰি কৰাৰ নামত এটি বডা চৰাই হাতত লৈ তাৰ ঠেং এটা মুচৰি এৰি দিয়ে। বাঁহীবাদক সকলৰ চকুত চকুলো ধাৰাসাৰে বাগৰি আছে। পুৰোহিতে খোৰোঙত বিষাদ ৰাগনী তোলে। বাঁহী বাদকসকলে এজন এজনকৈ নিজৰ বাঁহীবোৰ মিন্দাইফাত কোবাই ভাঙি পেলায়। গায়কসকলে করুণ গীত গায়। এই দৃশ্যই সকলো দৰ্শকৰ চকুত চকুলো আনে। অনুভূতি প্ৰৱণ যুৱতী বোৱাৰীয়ে উচুপনি তোলে।

ৰাতিলৈ মাথোন খাম বজাই ওজাখেলক নচুওৱা হয়। চাংদলৈ চাংমাজি সকলোৱে ফা-মাহাদেউৰ উদ্দেশ্যে নৃত্য কৰে। তেওঁলোকে ননচা সাতোটা নৃত্য কৰে আৰু সৰ্বশেষত পুৰোহিতে নতুন নৃত্যৰে উৎসৱৰ সামৰণি পেলায়।

**ৰাণ ক্ষোয়া**—( পিঠাগুৰি খুন্দা উৎসৱ ): কালুংসকলৰ আন এটি উৎসৱ হ'ল পিঠাগুৰি খুন্দা। প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে ইয়াক পতা হয়। এই উৎসৱলৈ হৰণিৰ পৰাও মানুহ আহে। যিখন গাঁৱত এই উৎসৱ পতা হয় তাত

চাংদলৈৰ নিৰ্দেশ মতে লৰৰ ঘৰৰ চোতালত এশৰ পৰা ডেৰশলৈকে উৰাল মাটিত বৃত্তাকাৰে পোতে। বৃত্তাকাৰ উৰালৰ মাজত ১০/১২ টা মান পাচিত চাউল ৰখা হয়। উৰালত চাউল দিবৰ বাবে ১০/১২ জন মানুহ নিয়োগ কৰা হয়। অন্য গাঁৱৰ পৰা অহা ডেকা আৰু গাভৰু ডেকাই হাতত উৰাল লৈ ছন্দোবদ্ধ গতিৰে নৃত্য কৰি প্ৰত্যেকটো উৰালত তিনিচাৰকৈ উৰাল মাৰি লয়। নৃত্য আৰম্ভ হোৱাৰ আগতে চাৰি ভাই লামফা ৰাজা আৰু ফা মাহাদেউক স্তুতি কৰে। স্তুতিৰ এক অংশ উদ্ধৃত কৰা হ'ল—

চাৰি ভাই লামফা ৰাজানে নেয় কাৰাজাং

জিঙে গুৰুণে দখ্লা কাৰাজাং

....  ....  ....  ....

....  ....  ....  ...

তাৰে ফাৰা হিয়া দচ্শ হাজাৰ খিৰিণে ফাৰা

এৰে নিয়ম জিঙে ৰমে থাইদং

জিঙে লোক বাৰেণা ফৰজা বাৰেণা

জিঙে ৰাজা পাথ' জনম্, মথলাই থল কুঁৱৰী পাথ' জনম

মিৰি দেশ' পাথ জনম্

....  ....  ....  ....

....  ....  ....  ...  ইত্যাদি

**অৰ্থ**:—আমি চাৰিভাই লামফা ৰজাৰ নিয়ম নীতি এৰা নাই, গুৰুৰ আসনৰ অৱমাননা কৰা নাই, আৰু উৰালত পিঠাগুৰি খুন্দা এই নিয়ম হাজাৰ হাজাৰ বছৰ ধৰি পালন কৰিছো। আমাৰ দলৰ বা চোৱালী জনসাধাৰণ বাচক। আমাৰ ৰজাৰ মথলাই থলত জন্ম, কুঁৱৰীৰ মিৰি দেশত জনম হোৱাবাবে আমাক নীতি-নিয়ম বিতৰণ কৰে ইত্যাদি।

এইদৰে উপৰি পুৰুষৰ স্তুতি গীত গোৱাৰ পিছত খাম আৰু থোৰাঙৰ নৃত্যৰ বাজনা বাজে। হাতত উৰাল লোৱা ডেকাসকলে আগ-পিছ হোৱাকৈ প্ৰত্যেকেই উৰালত তিনিবাৰকৈ হাব পেলায়। এইদৰে কেইবাৰাৰো পিঠাগুৰি খুন্দা হয়। নৃত্য শেষ হ'লে সেইবোৰ গোটাই তোলা থোৱা হয়। ডেকাসকলে হাতৰ উৰাল মাৰিবোৰ বৃত্তাকাৰ উৰালৰ মাজত থৈ দিয়ে। হাতত বাতি একোটা লৈ দুই-এজন ডেকাই পিঠাগুৰি পানীত সানি লৈ উৎসৱ চাবলৈ অহা তিৱা যুৱতী-

সকলৰ গীত গাই পিঠাগুৰি যাচ ফুৰে। আৰু বৰআলা পাত্তেৰে সেই পিঠাগুৰি দশকৰ গালে ছটিয়াই দিয়ে। ইয়াৰ অৰ্থ সকলো লোকৰেই ঘৰত যেন অচলা লক্ষ্মীৰ বাস হয়। আবেলি ভোজ খোৱা হয়। গধূলি ডেকাচাঙত এই খুন্দা পিঠাগুৰিৰে ডেকাসকলে পিঠা খায়। ইয়াকে "টুঙা ঘান ছাৱা" বোলে।

**ভিতৰ সেৱা :** অধুনা মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰা লোকসকলৰ মাজতো এই সেৱাৰ পদ্ধতি আছে। চুটীয়া, আহোম, নৰা, সকলোৱে গোপনীয়ভাৱে এই সেৱা পাতে। শালুংসকলৰ ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত ৰাতি সেৱা বা ভিতৰ সেৱা অন্যতম। এই সেৱা উদ্‌যাপন কৰা ঘৰটোক মচংঘৰ বোলে। এনে সেৱা বছৰেকত দুবাৰ পতাৰ নিয়ম। এটিক বৰসেৱা আনটোক আবৈয়া বা ডাঙৰীয়া সেৱা বোলে। মচংঘৰত কোনো মূৰ্তি নাথাকে। এডাল গছাত মিঠাতেলেৰে বন্তি জ্বলায় আৰু এই বন্তিয়ে উপাস্য দেৱতাৰ মচঙৰ প্ৰতীক। এই গছাটিক অতি পবিত্ৰ বুলি গণ্য কৰা হয়। আৰু এই গছাত আনুষ্ঠানিকভাৱে বন্তি জ্বলোৱাক "ধ্বজ" জ্বলোৱা বোলে। সাধাৰণতে জেঠ মাহত বৰসেৱা আৰু কাতি মাহত আবৈয়া সেৱা পতা হয়।

**মচংঘৰটো :** মচং ঘৰক সেৱাঘৰো বোলে। ইয়াৰ কোঠালি দুটা। এটাত ৰন্ধাৰ কাম চলে আৰু আনটোত ভকতসকল বহে। দুয়োটা কোঠাৰ মাজত এখন বেৰ আৰু ইয়াৰ উত্তৰ ফালে এটা বাট থাকে। এই দুৱাৰ মুখতে এজন বথীয়া ভকত থাকে। এওঁৰ মুখামুখিকৈ "ধ্বজ"ক সন্মুখত থৈ দক্ষিণ ফালে বুঢ়া ভকত বহে। তেওঁৰ ওচৰতে যুতিপুতীয়া ভকত আৰু গোৱাকটীয়া ভকত বহে। তেওঁলোকৰ পিছফালে অন্যান্য ভকতসকল বহে। পশ্চিমফালৰ আন এটা শাৰীত কেইজনমান ভকত বহি মাজ ঠাই ডোখৰ খালিকৰি ৰখা হয়।

ৰান্ধনিশালৰ কোঠাটোত চাকৰি দুজনা, সাজনী আৰু পাচনিৰ বাহিৰে অন্যলোক নাথাকে। সেই কোঠাতে সেৱাৰ বাবে সাজ (মদ) ৰখা হয়।

**বৰসেৱাৰ যোগাৰ :** বৰসেৱাৰ বাবে গঞা বাইজৰ অনুমতি ক্ৰমে চান্দা বৰঙণি তোলা হয় আৰু সেই ধনেৰে এটা নিখুঁত ক'লা পহু (গাহৰি) তিনিযোৰ বডা-বাঁডী পখী (চৰাই), নক চৰাই এযোৰ, বগী চৰাই এজনী মুঠ ৯টা পখী, মিঠাতেল মা-মছলা যাবতীয় বস্তু-বেহানি কিনা হয়। সেৱাৰ ৯/১০ দিনৰ পূৰ্বে প্ৰতিঘৰ গৃহস্থৰ ঘৰা মজলীয়া বাতিৰে পাচনীয়ে চাউল তুলি আনে। সেই চাউলেৰে বুঢ়া ভকতে চাকৰি; সাজনী; পাচনী; পৰিবৰ্দ ভকত সহ লগ লাগি

সাজ মাৰে ( মদ বাছে )। এই সাজ মৰাৰ পূৰ্বে ওপৰ চাঙত তুলি থোৱা 'ধ্বজ' দুটা ; চাকি দুটা মাটিৰ চক নমাই আনি আগলি কলপাতৰ ওপৰত ৰাখে। তেতিয়া কলপাতৰ চক ধ্বজৰ) গুৰিৰ সমানকৈ আঠকোনীয়া কৰি কটা পাত্ৰ কাটি ধ্বজ লওৱা নিৰ্দিষ্ট ঠাইত পাৰি দিয়া আৰু তাৰ ওপৰত সম্ভ্ৰমভাৱে ধ্বজ বহুৱাই ধ্বজৰ ওপৰত পুনৰ চকুদি চাকি বহুৱাই দিয়া হয়। বাছিনাত কোনো পুৰুষ বা তিৰোতাই কেতিয়াবা বৰঘৰ বা সেৱাঘৰৰ নামত শপত খায় তেনেলোকে এযোৰ পথী আৰু এযোৰ সাজ আৰু এবটা তামোল-পাণ জৰিমনা হিচাপে দি নিজক দোষমুক্ত কৰি ল'ব লাগে। অন্যথাই তেনেলোকে সেৱাঘৰত প্ৰৱেশ কৰিব নোৱাৰে। ইয়াকে ক্ৰিয়া ভঙা বুলি কোৱা হয়। ভকত সকলে কলডিল, পছলা, পাউ, কামোৰা, কলপাত আদি গোটাই কাটিব। নতুন উধান লৈ পিঠা-পনা কৰাই তাজিব। কেইজনমান ভকতে কলপতুৱাৰ দোনা বনাব। ধ্বজৰ ওচৰত এখনি আগলি কলপাতৰ ওপৰত এথোক পকা কল, ওচৰতে তৰকাৰী আৰু ভজা পিঠাপনাৰ পাচিৰ ওপৰত থনিয়া তামোল এখনৰে জুই জোৰা এটা ৰখা হয়। ভজা পিঠাগুৰি, আগৈৰ টোপোলা, পায়স, ভজা-গোটা মাহ, কৰাই, তামোলপানৰ তিনিটা বটা সজাই থ'ব। ধ্বজৰ দক্ষিণ কালে এবঁ। পিঠাগুৰি টোপোলা, অহা চাউল, মগুমাহ, ফুল, কণী এযোৰ, সেন্দুৰ, শলিতাৰ বাবে সূতা, পকা মিঠে আৰু তামোল-পাণ থোৱা হয়।

সেৱাৰ কাৰ্য্য ৰাতি গোপনভাৱে কৰা হয়। সচৰে ভকতসকলে তেতিয়া ঘূৰ লগাই "পূৰ্ণস্বামীনাথ" "শংকৰগুৰুৰ চৰণ তলে" ঠাই ভিক্ষা কৰি বিচাৰ গীত গায় আৰু লগে লগে এযোৰ আগলি কলপাতত শংকৰ নামত এযোৰ ; মূলৰ নামত এযোৰ গুৱা (তামোল-পাণ) দি কলপাত এখিলাৰে ঢাকি দিব। ইয়াৰ চাৰিও চুকত ৪ টা তামৰ পয়চা দিব। ইয়াৰ ওচৰতে দক্ষিণ কালে আগলি কলপাত এজাপত চকৰ মাননি হিচাপে এযোৰ গুৱাপান আগবঢ়াব। তেতিয়া ভিতৰৰ কোঠাত চাকৰিয়ে মাত্ৰ 'ধ্বজ' জ্বলাই দিব।

কেইজনমান ভকতে পহু (গাহৰি), পথী ( চৰাই ) গা ধুৱাই ভিতৰলৈ আনিব। ধ্বজৰ ওচৰত এখনি আগলি কলাপাতত পহুটি শুৱাই দিব। পথী উত্তৰ আৰু দক্ষিণ কালে বহা ভকতসকলে ছুৱোৰ কৈ ল'ব। পিছত পশ্চিম কালে বহা ভকত-সকলে বগী পকী অনী ল'ব। এই দৰে পহু আৰু পথী যথাস্থানত ৰখা হলে পহুৰ মূৰশিতানত এখনি আগলি কলাপাতত এযোৰ তামোল পান, এগছি শলিতা জ্বলাই

দিব। বাকী প্ৰতিটো পথীৰ বাবে একোখন কৈ কটা তামোল পাণ দিব। চাকৰিয়ে জলফুলৰ বাতিটো হাতত লৈ প্ৰথমে পহুৰ মূৰত, পিছত পথীত দি বুঢ়া ভকতকে আদি সকলো ভকতকে দিব। সকলোৱে 'শংকৰ গুৰু'ৰ ওচৰত ক্ষমা প্ৰাৰ্থনা খুজি স্তুতি কৰিব আৰু সকলো ভকতে জীৱ উৰুওৱা বিচাৰ গাব। এই বিচাৰ গোৱাৰ লগে লগে পহুটো চাৰিজনে আৰু পথী দায়িত্বত থকাসকলে জীৱক লয় নিয়াবলৈ চেষ্টা কৰিব। বিচাৰ শেষ হোৱাৰ লগে লগে পশু-পথীৰ জীৱ যেতিয়া লয় পায় তেতিয়া পুনৰ স্তুতি কৰিব আৰু স্তুতি শেষ হ'লে বাহিৰত থকা সকলে পশু পথীক উলিয়াই নি পুৰি কাটি বন্ধাৰ উপযোগী কৰিব।

**দেৱতালৈ উছৰ্গা** :—বন্ধাৰ কাম শেষ হ'লে মুখ্য চাকৰিয়ে এটি কৰণিত চাৰিটা তামোল পাণ তাৰ ওপৰত এগছ শলিতা জ্বলাই বহি বহি ধ্বজৰ ওচৰলৈ যাব। তেওঁ আহি ধ্বজৰ সন্মুখত বৈ আগতে সজোৱা শংকৰ আৰু মূলৰ নামত আগবঢ়োৱা তামোল-পাণ দু'যাৰ তুলি তাৰ ঠাইত নতুন তামোল-পাণ দিব। তেতিয়া ধ্বজৰ গুৰিত আগলি কল পাত এডাপ পাৰি ভজা পিঠাগুৰি, কলফুলৰ ভজা, পথীৰ ভজা পায়স পিঠাপনা ইত্যাদি ওপচাই দিব। ধ্বজৰ পশ্চিমলৈ বুঢ়াভকত, ফুটিপুটীয়া ভকত আৰু গুৱাৰটীয়া ভকতৰ সন্মুখত এৰা পিঠাগুৰিৰে পুবা পশ্চিমাকৈ নডাল আৰু উত্তৰা দক্ষিণাকৈ নডাল আঁচ টানিব। সেই আঁচৰ ওপৰত ডোনা চাৰিটা বহুৱাই দিব। দক্ষিণৰ ডোনা দুটিত ন ভাগ কৈ মাহ, চাউল, ন চকলকৈ কল আৰু নটাকৈ গুৰসনা লাৰু দি তাৰ ওপৰত নখনকৈ তামোল পাণ দিব। তাৰ পিছত সেন্দুৰ সনা কনী দুটা ডোনা দুটাত বহুৱাই দি ফুল ছটিয়াই দিব। উত্তৰৰ ডোনা দুটিত ভজা বা বন্ধা সকলো বস্তুৰে অলপ অলপ কৈ দি মূলৰ পথীবোৰ গোটে গোটে ডোনা দুটাত বহুৱাই দিব। তাৰ ওপৰত চাৰিডাল মিঠাতেলৈ সনা শলিতা দি জ্বলাই দিব। তেতিয়া সকলো বাইজে স্তুতি কৰিব আৰু ডোনা চাৰিটা চাৰিজন মানুহে মূৰত লৈ নিৰ্জন ঠাইৰ এজোপা ডাঙৰ গছৰ তলত দি আহিবগৈ। তেওঁলোক ঘূৰি অহাৰ পাছত ভকত সকলৰ মাজত প্ৰসাদ বিতৰণ হয়।

**গীত মাত** :—ভিতৰ সেৱাত দেহ বিচাৰৰ গীত, বাহিৰা বিচাৰ গীত সাজ-খোৱা আদি বিভিন্ন গীত গোৱা হয়। এই ভিতৰ সেৱাৰ গীতৰ সুৰ শ্ৰীশংকৰদেৱ বিৰচিত বৰগীতৰ সুৰৰ লগত অনেক সাদৃশ্য আছে।

**থকামেলা** : কাঠ-বাঁহ খেৰ আদি সহজে গোৱা প্ৰকৃতিৰ সকল যোগাৰ

কৰি লালুং সকলে বসবাস কৰিবলৈ সৰু সৰু ঘৰ সাজে। বাঁহ বা কাঠৰ খুটা আৰু ঘৰৰ যাৱতীয় চাল, বেৰা, কামি আদিও সাজি লয়। পাহাৰীয়া লালুংসকলৰ ঘৰবোৰো সেইদৰে একে। দৈনন্দিন জীৱনত সদায় প্ৰয়োজন হোৱা ঢেপা, জুলুকি, পল', চালনি, খৰাহী, ডুলি, পাচি, ঢাকনি, পাচি জকাই সকলোবোৰ সঁজুলি বাঁহৰ পৰাই সাজি লয়। চৰাই পাহৰি পুখুৰীৰ বাবে পড়াল সাজি দিয়ে। পাহাৰীয়া তিৱাসকলে নগাচাৰি সাজি বিক্ৰী কৰে। ঘৰৰ চৌহদ হেৰ দি জেওৰাৰে আটোমটোকাৰী কৈ ৰাখে।

**সমাজ :** লালুং সমাজৰ একতা বেছ মনকৰিবলগীয়া। খেল বিভাজন নাই। অধুনা অন্যান্য জাতিৰ মাজত চলি থকা উচ্চ নীচ ভেদভাৱ লালুং সমাজত নাই। হৰিধ্বনীয়া, বামুনীয়া, এধাৰ দিনীয়া অথবা মাহেকীয়া এনে চিন্তা লালুংসকলৰ নাই। খোৱা, পিন্ধা, থকা-মেলা আদিতো এই বৈষম্য নাই এই যে fellow feeling অন্যান্য জাতিৰ ( তথাকথিত উচ্চ বুলি ভৱা ) মাজত খুব কম। নাই বুলিলেও বঢ়াই কোৱা নহয়। একে বংশৰ জাতিগত মানুহ হ'লে লালুংসকলে সাতসাগৰ তেৰ নদীৰ সিপাৰৰ হ'লেও তেওঁক জাতি ভাই বুলি পিৰালিত বৰণীৰা পাৰি থুৱায়। এই ঐক্যৰ চিনাকি সামূহিক কাজ সকাম, হেডাৰি আদিয়েই প্ৰমাণ। কোনোজনে নিজে নোৱৰা কামটো ওচৰৰ ভাই বন্ধুসকলে লাগি-ভাগি সহায় কৰি কাম-সমাধা কৰে। এইটো এটা বিশেষত্বপূৰ্ণ দিশ। সমূহীয়া ভোজ-ভাত বা কাজ সকাম খেল-গিয়াতীৰ পৰামৰ্শমতে কৰে আৰু সহায় পায়। সমাজত দায় জগৰ হলে সমাজে গোট খাই বিচাৰ কৰে।

**আহাৰ :** ভাতেই লালুংসকলৰ প্ৰধান আহাৰ। জা-জলপান, সান্দহ, চিৰাও ব্যৱহাৰ কৰে। বনৰীয়া পহু, পাহৰি এওঁলোকে খায়। মাছ পুঠি আদি বিচাৰ বিল খাসলৈ যোৱাটো লালুংসকলৰ নিয়ম। সহজে মাছ মঙহ প্ৰায়ৰ বাজ হাই, কুকুৰা আৰু পাহৰি ঘৰতে পোহে। শুকান মাছ, চেনাকণা মাছ লালুং-সকলৰ খাদ্য। অন্যান্য জাতিয়ে ব্যৱহাৰ নকৰা কেকোৰা, কুচিয়া আদিও লালুং-সকলে খায়। বহুপৰিয়া চাউলৰ পৰা "যাৰৰ" নামৰ এবিধ কাৰ্বনিক দ্ৰব্য তৈয়াৰ কৰি মদ কৰে। লালুংসকলৰ ঘৰলৈ আলহী অতিথি গ'লে পানীৰ প্ৰচলন নচলে। মদটো পা দিবলৈ নাপালে আৰু সন্মানত আঘাত পোৱা যেন পায়। হাজাৰ বাহুতাহু থাকিলেও মুৰ্গী মাৰিবই। অৱশ্যে অৰ্থনৈতিক বিপৰ্যয়ৰ বিষয়ে এতিয়া কিছু হ্ৰাস-বিকাশ হৈছে।

**সাজ পোছাক :** কপাহ নেওঠি সূতা কটা, এড়ি সূতা কাটি এড়ীয়া কাপোৰ বোৱা – নানা ঠাইলৈ গৈ এড়ীপাত বিচাৰি পলুপোহা নিয়ম লালুংসকলৰ প্ৰধান বৈশিষ্ট্য। জনজাতীয় সকলেহে এই কৃষ্টি জীয়াই ৰাখিছে। অমকাফুলীয়া গামোছা, চেলেং ব'ৰ নজনা যুৱতী ছোৱালীক লালুং ডেকাই পচন্দ নকৰে। বোৱা-কটাত কাজীহ'লেহে তেনে ছোৱালী বা বোৱাৰীয়ে আদৰ পায়। খনীয়া কাপোৰ এওঁলোকৰ বৰ আদৰৰ। এখন চেলেং চাৰিতৰপ হয়। তিৱাসকলৰ জাতীয় পোচাক টাগলা মিৰি জিমৰ দৰেই। বণিয়নৰ দৰে এটি চোলা কাপোৰ বৈ খাওঁতেই ইয়াক গঁথা হয়। ককাললৈকে দীঘল দবিটা। বুকুত আৰু পিঠিত বন-কৰা। চুৰীয়া এওঁলোকে ব্যৱহাৰ কৰে আৰু মুৰত সূত্ৰধাৰে অংকীয়া ভাওনাত লোৱাৰ দৰে পাগুৰি মাৰে। মুগা পোহা আৰু মুগাসূতা কাটি কাপোৰ বৈ লোৱা-টোও তিৱা মহিলাৰ এটি গৌৰৱৰ কথা। গ্ৰীষ্ম তথা শীতকালিও ঘৰৰ চোতালত বহি গাভৰুসকলে টাকুৰীত সূতা কটা, বোৱাৰীসকলে উঘাত সূতা লোৱা, বিয়ানাম আদি গাই দিনটোৰ অবসৰ বিনোদন কৰে।

**খেতিবাতি :** সোমবাৰে ধানৰ মুঠি লোৱা আৰু বুধবাৰে ধানদোৱা তিৱাসকলৰ নিয়ম। আহুধান সিঁচাৰ প্ৰথম দিনা ওচৰ চুবুৰীয়া কেইজন মানক মাত মাতি ধান বোৱা হয়। সেইদিনা ঘৰ ঘৰোৱায়ে বগৰী টেঙা, বিলাহী আৰু আতিলাওৰে টেঙা আৰু পছলাৰে কুকুৰা মাংসৰে কষ্ট কৰা লোকক খুউৱাৰ নিয়ম। এই আহাৰৰ লগত লাওপানী থাকিবই। কৃষিজীৱি লালুংসকলৰ ভাষাত 'চ্যু' বা 'জ্যু' শব্দে ওখ ঠাই বুজায় আৰু 'ম' শব্দই খেতি উঠোৱা বুজায়। বড়ো আৰু তিৱামতে 'হা' শব্দে পৃথিৱী আৰু 'লি' শব্দই বহল আৰু গমন বুজায়। সেয়ে বহল ভূমি ক্ষেত্ৰত কৰা খেতিক হালি বা শালি খেতি বোলে। ধান দাই শেষ কৰাৰ দিনা তিৱা পুৰুষ মহিলাই লগ লাগি মদ-ভাত খাই আনন্দ কৰে। ইয়াকে "নৰা ছিগা" বোলে।

**বিহু :** বিহু সংস্কৃতিৰ প্ৰতীক। মিৰি, দেউৰী প্ৰভৃতি জনজাতীয় লোক-সকলে বুধবাৰে বিহু পতাৰ নিয়ম। গোভা মৌজাত শুক্ৰবাৰেহে বিহু পাতে। মহাগ বিহুত নাঙল-যুঁৱলিত পিঠাগুৰি পানী ছটিয়াই মতা কণা কুকুৰা এটা বলি দিয়াৰ নিয়ম। পিছদিনা আগৰেনা প্ৰতি ঘৰ গৃহস্থই পিঠা-পনা সান্দহ মিঠৈ আদিৰে ৰখৱত দেও পূজা কৰে। মহাদেও পূজাৰ পিছত ভগৱতী আৰু মৃত পিতৃ-পিতামহ সকলক পূজে। সেইদৰে গধূলি বাতি বাচি প্ৰজাপ কলাপাতত মৃত-পিতৃ-

পিতামহক এপাত আগবঢ়াইহে সকলোৱে মিলি জুলি আহাৰ খায়। কাতি বিহুত সেৱা ঘৰত তামোল নলগালে কুমলীয়া তামোল ব্যৱহাৰ নকৰে।

**উপসংহাৰ:** আদিতে তিৱাসকল শক্তিৰ উপাসক আছিল আৰু তেওঁলোকৰ উপাস্য দেৱতা হ'ল দেৱাদিদেৱ মহাদেৱ। সকলো অনুষ্ঠান উৎসৱ আৰু পূজা-পাৰ্বনত ফা-মাহাদেউক প্ৰথমে স্তুতি কৰে। কিন্তু ভৈয়ামলৈ আহিয়েই তিৱাসকলে এক নতুন ধৰ্মীয় বিশ্বাসৰ সন্মুখীন হ'ব লগা হ'ল সি হৈছে হিন্দু বৈষ্ণৱ ধৰ্ম। হিন্দুৰ এই বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ আৰু হিন্দুসকলৰ বিভিন্ন শাখা নিচিন্তা ধৰ্মীয় মত-বাদৰ মকৰাজালৰ মেৰপাকত তিৱাসকল হাবুডুবু খাব লগা হ'ল। সৰল হোজা তিৱাসকলৰ ওপৰত ধৰ্মীয় মতবাদ জাপি দিয়া হ'ল। তথাপি দাঁতিপৰীয়া তিৱা কৃষ্টিয়ে আজিও মৰি মৰি জীয়াই আছে। এই অৱহেলিত সমাজখনে নিজৰ পূজা-পাতল, নৃত্যগীত আদিৰে আনৰ ঠেচা-ঠেলা, টিটকাৰী সহ্য কৰি সময়ৰ সোঁতত জীয়াই থাকিবলৈ প্ৰয়াস কৰিছে। ভৈয়ামৰ বহুসংখ্যক লালুংলোকে অন্যান্য জাতিৰ কেচাত নিজৰ পূৰ্বৰ নীতি-নিয়মৰ বহুখিনি সাল-সলনি কৰি পৰিবেশৰ লগত খাপ খুৱাই চলিবলৈ প্ৰয়াস কৰিছে। কিছু সংখ্যক লালুং ২৫০/৩০০ বছৰৰ পূৰ্বেই বৈষ্ণৱবাদৰ কবলত পৰি জাত্যান্তৰ হৈ গ'ল।

যি ধৰণেৰে যিমান ডাঙৰ অট্টালিকা গঢ়ি তুলক লাগে তাৰ ভেটি হ'ল এই পৃথিৱীৰ মাটি। সেই দৰে যিমানেই নতুন কৃষ্টি সভ্যতাৰ পাতনি নেমেলক ইয়াৰ মূল হ'ব পুৰণি ঐতিহ্য। পুৰণিক বাদ দি নতুনৰ কেতিয়াও সৃষ্টি নহয়। ইংৰাজ সকলে সমগ্ৰ পৃথিৱীতে শাসন চলাই নানা দেশৰ কৃষ্টি সংস্কৃতিবোৰ বুটলি ল'লেও নিজৰ কৃষ্টি সংস্কৃতিক সাৱটি থাকিল।

সম্প্ৰতি লালুংসকলক হিন্দু ধৰ্মাৱলম্বী বুলিয়েই কোৱা হয় কাৰণ হিন্দুৰ ৰীতি-নীতি বহুখিনি তেওঁলোকে মানি চলে। কিন্তু ভালদৰে অনুসন্ধান কৰি চালে দেখা যায় বাহ্যিক চলন-ফুৰণ বাদে তিৱাসকলৰ ভিতৰুৱা বহুখিনি নীতি-নিয়ম হিন্দু সমাজৰপৰা বহুনিলগত যেন লাগে। আচৰিত কথা হিন্দু সভ্যতাই লালুংসকলক আদৰি অনাৰ বিপৰীতে ভেদাভেদৰ প্ৰাচীৰ এখনহে গঢ়ি তুলিলে। বহু বৰ্ণ হিন্দুৱে লালুংসকলক অসমীয়া বুলি স্বীকৃতি দিবলৈ টান পায়। ইয়াৰ কাৰণ বৰ্ণ-হিন্দুৰ superiority Complex আৰু তিৱাসকলৰ অন্ধবিশ্বাস তথা আকোৰগোজ মনোভাৱ।

# অষ্ট্রিক ভাষীৰ সংস্কৃতি

ড° নমিতা ডেকা

বিভিন্ন খনন কাৰ্য্যত পোৱা নৰ-কঙ্কালৰ আকাৰ-প্ৰকাৰ অনুধাৱন কৰি সিদ্ধান্তত উপনীত হোৱা নৃতত্ত্ববিদসকলৰ মতে অষ্ট্ৰিকসকলেই ভাৰতবৰ্ষলৈ প্ৰব্ৰজন কৰি অহা প্ৰাচীনতম জনগোষ্ঠী। ডঃ সুনীতি কুমাৰ চেটাৰ্জীয়ে কিন্তু নেগ্ৰিটো-সকলৰ পিছতহে অষ্ট্ৰিক সকলে ভাৰতবৰ্ষত পদাৰ্পণ কৰে বুলি মন্তব্য দাঙি ধৰিছে। সি যিয়েই নহওঁক, অষ্ট্ৰিকসকলে খৃঃ পূঃ ২০০০ বছৰৰ পূৰ্বে হোৱাংহো আৰু ইয়াংচিকিয়াং নদীৰ পাৰৰ পৰা আহি দক্ষিণ চীন, ব্ৰহ্ম, ইন্দোচীন আদিৰ লগতে অসমতো বিয়পি পৰে।

ভাষাতত্ত্ববিদসকলৰ মতে অষ্ট্ৰিকভাষীসকল অষ্ট্ৰএচিয়াটিক আৰু অষ্ট্ৰনেচিয়ান এই দুই ভাগত বিভক্ত। মন্‌খ্‌মেৰ, খাছীয়া আৰু কোল-মুণ্ডা এই শাখা তিনিটা অষ্ট্ৰএচিয়াটিকৰ অন্তৰ্ভুক্ত। অষ্ট্ৰিক ভাষীসকলে যাইকৈ পৰ্ব্বতত বাস কৰিছিল। অসমীয়া ভাষাত প্ৰচলিত পাহাৰ, টিলা, টিং, টিপ, মৈদাম আদি শব্দবোৰ অষ্ট্ৰিকৰ পৰাই আহিছে।

অষ্ট্ৰিকসকল দেখাত শকত, চুটিচাপৰ আছিল। তেওঁলোক আছিল। খণ্ডাল, দৃঢ়মনৰ আৰু বুদ্ধি-বৃত্তি, জ্ঞানযুক্ত। আতা, আবু, আই, ককাই, বোপাই, বাই, বেটী আদিৰে সৈতে একেলগে একঘৰ হৈ বাস কৰিছিল। অষ্ট্ৰিকসকলে ছোৱালীৰ ঘৰত গেৰাবি খটাৰ পিছতহে ঘৈণী লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ-লোক পৰিষ্কাৰ-পৰিচ্ছন্ন। ঘৰ-চোতাল ঝাড়ুনী আৰু সোতাৰে পৰিষ্কাৰ কৰিছিল। কল্পনাপ্ৰিয় অষ্ট্ৰিকসকলে লেপেটা কাঢ়ি বহি আৰু উবুৰি হৈ শুই আৰাম অনুভৱ কৰিছিল।

ভাৰতবৰ্ষতেই অষ্ট্ৰিক সভ্যতাই যাইকৈ প্ৰাধান্য লাভ কৰি বিয়পি পৰে। অসমৰ গ্ৰাম্যসভ্যতা মূলতঃ কৃষি-সংস্কৃতিমূলক। এই কৃষি-সংস্কৃতিমূলক সভ্যতাত অষ্ট্ৰিকসকলৰ প্ৰভাৱ এক উল্লেখযোগ্য কথা। নদীৰ পাৰে পাৰে সাৰুৱা উপত্যকাত বাস কৰি তেওঁলোকে বতৰৰ উপযোগী খেতি কৰিছিল। কৃষিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত 'নাঙল' শব্দটো অষ্ট্ৰিকৰ অৱদান। অসমৰ জনজাতি সকলে অষ্ট্ৰিকৰ

দ্বাৰা প্ৰভাৱান্বিত হৈহে ঝুমখেতি কৰিছিল। আগতে ঝুমখেতি কৰোঁতে 'লক্' নামৰ কাঠৰ জোঙা লাঠী ব্যৱহাৰ কৰা হৈছিল। সেই শব্দই সংস্কৃতত 'লাঙল' হোৱা বুলি কোৱা হয়। অষ্ট্ৰিকসকলে বছৰটোৰ খেতি সামৰি আনন্দ লাভ কৰিছিল আৰু উৎসৱ পালনৰ জৰিয়তে মনৰ সেই আনন্দ প্ৰকাশ কৰিছিল। ঝুমখেতিৰ বাহিৰেও আহু, শালি, জুহা ধানৰ খেতি অষ্ট্ৰিকসকলে কৰিছিল। ড° কাকতিয়ে 'জুহা' শব্দটো অষ্ট্ৰিক বুলি ঠাৱৰ কৰিছে। অষ্ট্ৰিকসকলৰ মাজত তামোলৰ খেতিৰ আদৰ আছিল প্ৰভূত। অসমীয়া সংস্কৃতিত তামোলৰ ব্যৱহাৰ মন কৰিবলগীয়া। ই অষ্ট্ৰিকৰেই অৱদান বুলি ঠাৱৰ কৰা হৈছে। কাৰণ ইণ্ডো-ইউৰোপীয় ভাষাত তামোল শব্দটো নাই; ব্যৱহাৰো নাই। অসমীয়া সংস্কৃতিত অষ্ট্ৰিক প্ৰভাৱ কিমান সেইকথা তামোলৰ ব্যৱহাৰলৈ মন কৰিলেই ধৰিব পাৰি। ধৰ্মীয় আচাৰ-অনুষ্ঠান, প্ৰণয় যচা, কথা পোকা, নিমন্ত্ৰণ জনোৱা, আহুৰি কৰা, ক্ষোভ বা অসন্তুষ্টি প্ৰকাশ কৰা, মৰিশালিত দিয়া, মান সৎকাৰ কৰা আদি কাৰ্য্যত তামোলৰ বহুল ব্যৱহাৰ মনকৰিবলগীয়া। এই সকলোবোৰেই আমি অষ্ট্ৰিকৰ পৰা লাভ কৰিছোঁ। তামোল, ধানৰ বাহিৰেও অষ্ট্ৰিকসকলে কল, নাৰিকল, লাও, বেঙেনা, কোমোৰা, কেৰেলা, ভোল, জিকা, হালধি, আদা, কাঠ আলু আদিৰ খেতি কৰিছিল। ইয়াৰ উপৰিও মেচাকি, মেজেঙা, নেফাফু, খেৰেৰা, লফা, ঔ, মচন্দৰী আদি শাক-পাচলি অষ্ট্ৰিকসকলে খাদ্য হিচাপে ব্যৱহাৰ কৰিছিল। সৰিয়হৰ খেতি আৰু ইয়াৰ তেল ব্যৱহাৰ কৰিবলৈও অষ্ট্ৰিকসকলে জানিছিল।

অষ্ট্ৰিকসকলে কিছুমান জীৱজন্তু ধৰি পোহ মনাইছিল। এওঁলোকে হাতী আৰু বনকুকুৰা ঘৰচীয়া কৰিছিল। কুকুৰা পোহা, ধৰ্মীয় অনুষ্ঠানত কুকুৰা বলি দিয়া, কুকুৰা কাটি মঙল চোৱা, খাদ্য হিচাপে কুকুৰা ব্যৱহাৰ কৰা ৰীতি অষ্ট্ৰিকৰ মাজত প্ৰচলিত। খাচীয়াসকলে এতিয়াও মঙল আৰু শুভ কাৰ্য্যৰ পূৰ্বে কুকুৰা বলি দিয়ে। হাতীবিষয়ক গজ, মাতঙ্গ, মখনা, চখনা, মাখুন্দী, কিৰিঙা, কান, ধই আদি শব্দবোৰ অষ্ট্ৰিকৰ। অসমীয়া ভাষাত এইবোৰৰ প্ৰচলনে অষ্ট্ৰিক প্ৰভাৱকে স্পষ্টতৰ কৰে। পালকাপ্য মুনিয়ে ইয়াতেই 'হস্ত্যায়ুৰ্বেদ' ৰচনা কৰিছিল। এই পালকাপ্য নামটো অষ্ট্ৰিকৰ পৰাই উদ্ভূত বুলি ড° বাগচীয়ে অভিমত দিছে।

অষ্ট্ৰিকসকল নিপুণ চিকাৰী। তেওঁলোকে কপৌ, ৰামচৰাই, টিয়া, বাৰহুলু, নাহৰ ফুটুকী, লতাফুটুকী, লতা-মাকৰী, ঢেকীয়া-পতীয়া, কুকুৰনেচীয়া, হেলো, ডুহামাল, কেৰ্কেটুৱা, ফুৰা (গাহৰী), মেথোন, গড় আদি চিকাৰ কৰিছিল।

এই জাটাইবোৰ অষ্ট্ৰিক শব্দ। বিভিন্ন প্ৰকাৰৰ দা অষ্ট্ৰিকসকলৰ চিকাৰৰ অন্যতম সঁজুলি আছিল। তদুপৰি বাণ, ধনু, নিচান, বাটলুগুটি তেওঁলোকে চিকাৰৰ সম্বল হিচাপে লৈছিল। এতিয়াও খাছীয়াসকলে ধনু-কাড় মৰাত যথেষ্ট পাৰদৰ্শিতা দেখুৱাই আহিছে। জুটি পাতি চৰাই ধৰা প্ৰথাও অষ্ট্ৰিকসকলৰ মাজত দেখা যায়।

যানবাহনৰ ভিতৰত গোট কাঠৰ নাও আছিল প্ৰধান। নাৱৰ বাহিৰেও ভুৰ, ভেলা, ডিঙা আদি ব্যৱহাৰ কৰিছিল। অষ্ট্ৰিকসকলে হোলোভাৰে কান্ধত বস্তু কঢ়িয়াই নিছিল। তেওঁলোকে যথেষ্ট পৰিমাণে বাঁহ ব্যৱহাৰ কৰিছিল। অসমীয়াসকলৰ মাজতো বাঁহৰ প্ৰচলন প্ৰচুৰ। কঁটনা, জপা, জেং, টোপা, টোকোন, বাও আদি শব্দই এই কথাকে সূচায়। অষ্ট্ৰিকসকলৰ মাজত টোপখেল আৰু লাটুম ঘূৰোৱা খেলৰ প্ৰচলন আছিল। অষ্ট্ৰিকসকলে লিপি প্ৰথা জানিছিল। ড° কাকতিৰ মতে 'কাগজ' শব্দটো ( তাৰ অৰ্থ হৈছে লিখা ) অষ্ট্ৰিকৰ সংস্কৃতীয়া ৰূপ।

অষ্ট্ৰিক সমাজ আছিল মাতৃতন্ত্ৰ প্ৰধান। ড° কাকতিয়ে অষ্ট্ৰিকসকলৰ মাতৃপূজাই পিছৰ যুগত কামাখ্যা মাতৃৰ পূজাত পৰিণত হোৱা বুলি মত পোষণ কৰিছে। অষ্ট্ৰিকসকলে তাম্ৰেশ্বৰী দেৱীৰ পূজা কৰিছিল। যিহেতু 'লিঙ্গ' শব্দটো অষ্ট্ৰিক-সকলৰ অৱদান, সেয়ে তেওঁলোকৰ মাজত লিঙ্গ পূজাৰ প্ৰচলন আছিল বুলি সিদ্ধান্তত উপনীত হ'ব পাৰি। এই সম্পৰ্কত পছিলুস্কিয়ে লিখিছে—"The Phallic cults, of which we know the importance in the ancient religions of Indo China, are generally considered to have been derived from Indian Saivism. It is more probable that the Aryans have borrowed from the aborigins of India the cult of linga as well as the name of idol." অষ্ট্ৰিকসকলৰ মাজত প্ৰচলিত আন এবিধ পূজা হ'ল সৰ্পপূজা। বৰ্তমান খাছীয়াসকলৰ মাজত 'উথলেন' সাপৰ পূজাৰ প্ৰচলন দেখা যায়। সম্ভৱতঃ অষ্ট্ৰিকসকলৰ সৰ্পপূজাই এতিয়াৰ মনসাপূজালৈ ৰূপান্তৰিত হৈছে। ইয়াৰ বাহিৰেও পৰ্বত, পাহাৰ, শিল আৰু অগ্নিৰ পূজা এওঁলোকে কৰিছিল। অৱশ্যে শিলক এওঁলোকে প্ৰথমতে পবিত্ৰ জ্ঞান কৰা নাছিল। ভূত, প্ৰেত, ডাইনী, যখিনী, দেও, বীৰা সম্বন্ধীয় অপদেৱতাত বিশ্বাসী অষ্ট্ৰিকসকলে তেওঁলোকক পূজাও কৰিছিল।

অষ্ট্ৰিকসকলৰ মাজত নানা ৰীতি-নীতিৰ প্ৰচলন আছিল। চন্দ্ৰক লক্ষ্য

কৰি তেওঁলোকে তিথি গণনা কৰিছিল। শিশু এটি যাতে সবল আৰু কাৰ্য্যক্ষম হয় তাৰবাবে জন্মৰ পিছতেই সন্তানটিক শিলত খুন্দিয়াইছিল। বিভিন্ন পূজাত তেওঁলোকে ফল-ফুল, কল-তামোল ব্যৱহাৰ কৰিছিল। ভক্ত আৰু মাঙ্গলিক কাৰ্য্যত সেন্দুৰ আৰু হালধি ব্যৱহাৰ কৰিছিল। অষ্ট্ৰিকসকলে দেৱতাৰ আগত বলি দিয়া তেজ কপালত ঘঁহিছিল। তেওঁলোকে কণীক পবিত্ৰ আৰু প্ৰজননৰ প্ৰতীক বুলি গণ্য কৰিছিল। তেওঁলোকে মৃতকৰ উদ্দেশ্যে পিণ্ড দান দিছিল। মৃতকৰ সৎকাৰ কৰা স্থানত থিয়ৈ শিল পোতা অষ্ট্ৰিকসকলৰ ভাৱৰ অনুষ্ঠান। অষ্ট্ৰিকসকলে 'কুৰি' হিচাপত বস্তু গণনা কৰিছিল। 'কুৰি'ৰ লগতে 'পোণ' আৰু 'গণ্ডা' হিচাপে গণনা কৰাৰ নিয়মো অষ্ট্ৰিকৰ মাজত প্ৰচলিত আছিল।

অসমীয়া ভাষাত পৰ্ব্বত বুজোৱা, নদীবাচক আৰু স্থান নিৰ্দেশক ভালেমান নাম অষ্ট্ৰিকৰ পৰা আহিছে। ড° কাকতিৰ মতে ব্ৰহ্মপুত্ৰৰ 'লুইত' নামটো অষ্ট্ৰিক লাও-তু শব্দৰ পৰা আহিছে। হোং, হং, ওং, বং আদি নদীবাচক শব্দ যোগ হৈ সৃষ্টি হোৱা অনেক নদীৰ নাম আছে। যেনে :—ডিহিং, ডিগাৰু, ডিৰক, দিহাং, দি-বং, বনতি, ডিৰাপ ইত্যাদি। নদীবাচক গঙ্গা শব্দটো সম্ভৱতঃ অষ্ট্ৰিক 'ৰঙ' শব্দৰ পৰা ওলাইছে। ব্ৰহ্মপুত্ৰৰ আন এটি নাম 'চি-ৰঙ'। আদি ভাষাত নদীক এতিয়াও ৰঙ বোলে। দ, তে, তেক, তিৰা, তোক অষ্ট্ৰিক প্ৰত্যয়। ইয়াৰ সংযোগত অসমৰ বহু ঠাইৰ নামকৰণ হৈছে। যেনে :—চমতা, বকতা, ধৰমতুল। ড° কাকতিৰ বিচাৰ-বিশ্লেষণত প্ৰাগজ্যোতিষ, কামৰূপ-কামাখ্যা, তেজপুৰ আদি নাম মূলতঃ অষ্ট্ৰিক বুলি প্ৰমাণিত হৈছে। দোলোং, গৰা, উৰিয়াম, বিৰিং, চাকলাই, খৈলাগুনি, কাকডেথা, ভাতখিলা, শলখ ইত্যাদি গছৰ নাম অষ্ট্ৰিকৰ পৰাই অসমীয়া ভাষাত সোমাইছে। অসমৰ পৰ্বত-ভৈয়াম উভয়তে অষ্ট্ৰিক সংস্কৃতিৰ উপাদান যথেষ্ট পৰিমাণে পৰিলক্ষিত হয়।